চাওলুং
ছ্যুকাফা

ড° পুষ্প গগৈ

কিৰণ প্ৰকাশন
ধেমাজি

CHAOLUNG SUKAPHA- Written by Dr. Puspa Gogoi and Published by Sri Nava Kalita on behalf of Kiran Prakashan, D.K. Market, Dhemaji

Price Rs.80.00

প্ৰকাশক :
শ্ৰীনৱ কলিতা
কিৰণ প্ৰকাশন
ডি.কে. মাৰ্কেট, ধেমাজি চাৰিআলি
ধেমাজি-৭৮৭০৫৭

প্ৰথম - ২০০৫

বেটুপাত :

মূল্য : ৮০.০০ টকা মাত্ৰ

মুদ্ৰণঃ
ধেমাজি বুক ষ্টল এণ্ড অফচেট প্ৰিণ্টাৰ্চ
ৰতনপুৰ, ধেমাজি
ফোন : ২২৪২৮৮/২২৫৮০৩

যাউতি যুগীয়া ঐক্য সংহতি

সমন্বয় অটুট থকাৰ

আশাৰে ..

চাও লুং ছ্যুকাফাই গঢ়ি

যোৱা ম্যুং দুন চুন খাম-অসম

খনৰ সমগ্ৰ অসমীয়া সমাজৰ

সকলোলৈকে

ছ্যুকাফা

আগবঢ়ালো।

আগকথা

ছ্যুকাফা উপন্যাসখন বুৰঞ্জীৰ সত্য তথ্যৰ ওপৰত ভিত্তি কৰি লিখা হৈছে। 'ছ্যুকাফা' তাই লোকসকলৰ ম্যুং মাও লুঙৰ এজন ৰাজকোঁৱৰ আছিল। বৰ্তমান ম্যুং মাও লুং ৰাজ্যখন একাংশ চীনদেশৰ য়ুন্নান প্ৰদেশৰ দক্ষিন অঞ্চলত আৰু একাংশ উত্তৰ ম্যানমাৰৰ শ্বান প্ৰদেশত অন্তৰ্ভূক্ত হৈ আছে। ছ্যুকাফাই নেতৃত্ব দি ১২১৫ খৃষ্টাব্দৰ পৰা ১২২৮ খৃষ্টাব্দত ব্ৰহ্মপুত্ৰৰ উজনী অসম উপত্যকা পোৱালৈকে আৰু ছ্যুকাফাৰ মৃত্যুলৈকে ছ্যুকাফাৰ কাহিনী অংশ উপন্যাসোপম ৰীতিৰে বৰ্ণনা কৰা হৈছে। প্ৰয়োজনীয় বুলি ভৱাৰ ক্ষেত্ৰত তাই শব্দ আৰু অসমীয়া শব্দ একেলগেই ব্যৱহাৰ কৰা হৈছে। পৰিবেশ আৰু সেই সময়ৰ সমাজ প্ৰতিফলিত কৰিবলৈ চিত্ৰৰো সহায় লোৱা হৈছে যাতে পঢ়ুৱৈ তদানীন্তন কালৰ এক সম্যক চাক্ষুষ ধাৰণা আহৰণ কৰিব পাৰে। পঢ়ুৱৈৰ সুবিধাৰ্থে তাই শব্দৰ কিছু অৰ্থ পাচত সংযোগ কৰা হৈছে।

গ্ৰন্থখনি লিখা গবেষণা কৰাত সহায় সাৰথি আৰু উদ্দিপনা যোগোৱাত পত্নী দীপালী গগৈ আৰু ডি.টি.পি কৰি তথা অন্য ক্ষেত্ৰত সহায় কৰা মৃদুল তামুলী আৰু চবি আঁকি দিয়াৰ বাবে সূৰ্য্য বৰুৱাৰ লগতে সুস্থ আৰু উদ্যমি প্ৰকাশক শ্ৰীমান নব কলিতাই গ্ৰন্থখনি প্ৰকাশৰ দায়িত্ব লোৱাত তেওঁলোকৰ প্ৰতি কৃতজ্ঞ হৈ ৰ'লোঁ -

-ড° পুষ্প গগৈ



চু-কাফাৰ অভিযান

এক

চাও লুং ছ্যু কাফা সুন্দৰ সবল সুঠাম দেখনিয়াৰ মানুহ। চফল ডেকা। হাত ভৰিবোৰ পাহুৱাল গোল মুখ, লোদোৰ পুদুৰ। গাৰ বৰণ গোলপীয়া ৰঙা। গাল মুখৰ ৰং তেজে ফুটো ফুটো। হাতৰ মুঠি সবল, শক্তিশালী। চকুত সাহস মনোবল আৰু উদ্যমৰ চাৱনী। সৰল, উদাৰ অথচ বুদ্ধিদীপ্ত। চুলিবোৰ ঠৰঙা ঠৰং।

ছ্যুকাফাৰ প্ৰতিটো খোজত যেন মানুহটোৰ সবল ব্যক্তিত্ব প্ৰস্ফুটিত হৈছে। তেওঁৰ গুৰু গম্ভীৰ ব্যক্তিত্ব দেখিয়েই ম্যুং মাও লুঙৰ মানুহবোৰে মূৰ দোৱাই দিয়ে। তেওঁ ম্যুং মাও লুঙৰ সিংহাসনৰ সম্ভাব্য উত্তৰাধিকাৰী। তেৱেঁই পৰিচালনা কৰিছে ম্যুং মাও লুঙৰ থৌন খাম সোণৰ সিংহাসন।

আজি চাও লুং ছ্যুকাফাৰ মন অস্থিৰ হৈ উঠিছে। তেঁও কা ৰৌনৰ ভিতৰ চৰাত ইফালৰ পৰা সিফাললৈ পদচালনা কৰিব ধৰিলে। গুৰুগম্ভীৰ অথচ অস্থিৰ। এবাৰ কা ৰৌনৰ লাই খুটা চাও লাই লৈ চালে। ইমান সুন্দৰ সবল চাও লাই। চাও লাইৰ গাত খাজ কটা ফুল ব্লক বিলাকৰ পৰা ঙাও ছেংবং খাম ফী তাও তী সৰ্পাকৃতিৰ সিংহটো উজ্জ্বলী উঠিল। সিংহাসন থৌন খামৰ ওচৰত থকা লাক বান ফাইটোৰ পোহৰ সৰ্পাকৃতিৰ সিংহটো আৰু অধিক উজ্জ্বলাই তুলিলে। ঙাও ছেংটোৰ চকুকিটা তিৰবিৰাই জিলিকিল। চকুৰ মনি দুটাৰ পৰা যেন ফাই জুইহে ওলাইছে। কিয় আজি এই অনাহুত অগ্নি বৰষণ।

ছ্যুকাফাৰ ভাৱ হ'ল ঙাও ছেংটোৱে আজি যেন তেওঁক খঙেৰে দৃষ্টি নিক্ষেপ কৰিছে। যেন তেওঁ কাপুৰুষ। মুং মাও লুঙৰ সিংহাসনৰ অধিকাৰী হোৱাৰ যোগ্যতাও যেন নাই তেঁওৰ। যেন পিতৃৰাজ্য ম্যুং মিত কুপ ক্লিঙ দাওৰো ৰজা হোৱাৰ তেওঁৰ যোগ্যতা নাই।

ছ্যুকাফাই এবাৰ থৌন খামৰ ফালে চালে। কি সুন্দৰ তিৰবিৰাই জিলিকি থকা এইখন সিংহাসন ন খলপীয়া থৌন খাম। প্ৰতিটো খলপ বা খাপৰ চাৰিও চুকে একোটিকৈ পাখি লগা সিংহ হাংসি। ওপৰত ৰাজছত্ৰ চিত চিত চং। কেইবাখলপা হৈ ওপৰলৈ জোঙা হৈ গৈছে। কাষত সুসৰ্জ্জিত শৰাই পানবোৰ। শৰাইৰ ওপৰত সজাই থোৱা আছে। ছ্যুকাফাৰ সোণীয়া দাপ হেং দাং। লগতে ৰাজদণ্ড তাও ছেং।

উস! মোক আজি এই ৰাজ সম্পদবোৰেও যেন উপহাস কৰি হাঁহিছে। মই ভীৰু

কাপুৰুষ মই ম্যুং মিত কুপ ক্লিং দাওৰো যেন যোগ্য ৰজা নহয়। মই মহান তাই বংশৰ ফান তাইৰ যোগ্য লুক লান মান নহয়। মোৰ গাত কি অতীত কালৰ জীম ম্যু কালৰ পূৰ্বপুৰুষ পুলিন পুথাও সকলৰ শক্তি নাইকিয়া হ'ল।

দুখ আৰু হতাশাত চাওলুং ছুকাফাৰ চকু পানী দুটোপাল বাগৰি আহিব ধৰিলে। কিন্তু কিয় এই চকু পানী নাম তা। কিন্তু হঠাত তেঁও কঠোৰ হৈ পৰিল। ছোও বুকু সবল কৰিলে। তেওঁ এজন মহান চাওফা, সবল চাওফা। ম্যুং মিত কুপ ক্লিং দাওৰ চাওফা, ম্যুং মাওৰ সিংহাসনৰো আছিল সম্ভাব্য অধিকাৰী। পূৰ্বৰ জীম ম্যু কালৰ পুলিন পু মনসকলৰ- 'ল্যুত তাই' তাই তেজেৰে বলীয়ান চাও লুং ছুকাফা। তেওঁৰ গাত আছে অনেক বাঘৰ তেজ 'ল্যুত ছু'। তেওঁৰ চেও কলিজাত ঙাও ছেঙৰ ছেং আছে, কালিকা আছে। তেওঁ কালিকা লগা। খুন তাই। তেঁও কিয় ইমান দুৰ্বল হ'ব। সততে তেওঁ কিয় ভাগি পৰিব। তেঁও বীৰ সাহসী। ম্যুং তাই-তাই দেশৰ ৰজা। চাও ফা স্বৰ্গৰ দেৱতা। স্বৰ্গৰ দেও স্বৰ্গ-দেও। স্বাধীন। তাই। তাই মানেই স্বাধীন। আকৌ তেওঁ কিয় কাপুৰুষ হ'ব। হতাশৰ কলীয়া ডাৱৰে তেওঁৰ বীৰৰ ৰক্ত কণিকা নিৰ্হিত হৈ থকা চ্যেওখন কিয় ঢাকি ধৰিব। তেওঁ সবল, দুৰ্জ্জেয়। চাও ফা লুং। চাও ফা লুং ম্যুং তাই।

তীব্ৰ বেগেৰে ৰাজোচিত খোজেৰে গৈ চাওলুং ছুকাফাই সিংহাসনত বহিলে। ওচৰৰে দাপছেং হেংদাঙখনৰ ওপৰে ওপৰে চকু ফুৰালে। হঠাত যেন অস্বাভাৱিক ভাৱে ছেং লাগি হেংদাঙখন ঝনঝনাই কঁপি উঠিল। হাতৰ মুঠি তেঁও টানকৈ ধৰিলে। সোণীয়া হেংদানখন জিলিকি উঠিল। চাও লাইৰ নাগাকৃতিৰ চেঙটোও যেন খোটাটোৰ পৰা ওলাই আহি সশৰীৰে কা ৰৌনৰ ভিতৰ চৰাত বিজুলী বেগেৰে যুদ্ধৰ নৃত্য দি গ'ল।

ছুকাফাৰ মনলৈ বল আহিল। আশাৰ বন্তি বান ফাইটো যেন ভমককে জ্বলি উঠিল। ছুকাফাৰ চকুজোৰ জলমলাই উঠিল। বুকুখন দুআঙুলমান ফুলি উঠিল।

ছুকাফাই বৰবাণী নাংফালুং আইমে চাও লুৱৰ কোঠা ৰং নাং ফা লুঙৰ দুৱাৰদলি পাততু পালেগৈ। ঙাও ছেং বং খাম নাগাকৃতিৰ আৰু সিংহ মুখাকৃতিৰ ৰূপৰ ফুলকটা কাঠৰ পাত তুখনত টোকৰ মাৰিলে।

নাং ফাৰ অতি ব্যক্তিগত লিক চাও গৰাকী পাত তুখন খুলি দিয়ে। দুৱাৰ খোলাৰ লগে লগে ৰজা চাওফাক হঠাত দেখি শংকা আৰু ভয়ত অথচ সন্মাণত মোৰ দোৱাই তিনিখোজ পিছলৈ গৈ আঠুকাঢ়ি খুপৰাই কৰি দুয়ো হাতৰ দহো আঙুলি লগ লগাই অভিবাদন জনালে। চাওফা চাও লুং ছুকাফাই গম্ভীৰ খোজেৰে ভিতৰলৈ সোমাই গ'ল। বৰবাণী নাং ফা লুঙে তামুলী পীৰা এখনত বহি তুলাপাতত লিখা তাই ভাষাৰ পুথি লিক তাই এখনত চকু ফুৰাই আছিল। তেঁও লেংদনৰ দিনৰ পৰা চলি অহা তিৰোতাৰ পৰম্পৰা

ৰাজশাসনত ৰাণীৰ দায়িত্ব সম্পৰ্কে মাজে মাজে অধ্যয়ন কৰি আছিল। ছুকাফাৰ মনৰ খবৰ তেওঁ এইকেইদিন নোপোৱাকৈ নাছিল। প্ৰতি মুহূৰ্তে মুহূৰ্তে তেওঁ স্বামী যোগ্য চাওফা ছুকাফাক নানা দিহা পৰামৰ্শৰে ৰাজকাৰ্যত সহায় কৰিছিল। বিপদ আপদত সদায়েই তেওঁ ছুকাফাৰ লগৰীয়া আছিল। ম্যুংমিত কুপ ক্লিং দাওত সকলো তাই মহিলাই কিদৰে অতীতৰ লেংদনৰ দিনৰ পৰা চলি অহা পৰম্পৰা ৰক্ষা কৰি তাই ঐতিহ্য সুৰক্ষা কৰি চলিব লাগিব তাৰ বিষয়ে তেওঁ অধ্যয়ন কৰি মহিলা সমাজত প্ৰচাৰ চলাইছিল। এই কামে ৰাজ্য খনৰ ঐক্য সংহতি আৰু মিলাপ্ৰীতি তথা জাতীয় ঐতিহ্য অক্ষুন্ন ৰখাত সহায় কৰিব বুলি তেঁও বুজিছিল। পঢ়া শুনাত ছুকাফাৰ বৰকুঁৱৰী নাংফা আই মে চাও লুৰ সৰুৰে পৰা পাৰ্গত আছিল। তেওঁৰ পুথাওৱেক আৰু এনাইয়েকে তেওঁক পাঁচ বছৰৰ বয়সৰ পৰাই খাম তাই-তাই আখৰ লিখিবলৈ আৰু পঢ়িবলৈ শিকাইছিল। পুথাওৱেক আৰু এনাইয়েকৰ মুখৰ পৰা তেওঁ তাই সকলৰ অতীতৰ বহু বুৰঞ্জী শুনিছিল তাই সকলৰ বুৰঞ্জীৰ বহু বীৰাংগনাৰ বিষয়ে তেওঁৰ জ্ঞান আছিল। চাও লুং ছুকাফাৰ তেওঁ সঁচাকৈয়ে এগৰাকী সুযোগ্যা বৰকোঁৱৰী নাংফা আছিল। চাও লুং ছুকাফাৰ তেওঁ সঁচাকৈয়ে এগৰাকী সুযোগ্যা বৰকুঁৱৰী নাংফা আই মেই স্বামী তথা ম্যুং মিত কুপ ক্লিং দাওৰ চাওফা ৰজা চাওলুং ছুকাফাক তেওঁৰ কোঠালৈ হঠাত উত্তেজিত হৈ সুমাই অহা দেখি কিছু আচৰিত হৈছিল যদিও বৰ বেচি আচম্বিত হোৱা নাছিল। কিয়নো ছুকাফাই তেওঁৰ কোঠা বং নাংফালৈ মাজে মাজে বিভিন্ন কাৰনত উত্তেজিত হৈ তথা আনন্দত নতুবা হতাশাত সুমাই অহাটো কোনো নতুন কথা নাছিল। ছুকাফাই জানিছিল নাংফা আইমে এগৰাকী বুদ্ধিমতী, সহনশীলা, অধ্যয়নশীলা বহুলমনৰ তিৰোতা। সঁচাকৈয়ে এনে এগৰাকী তিৰোতাইহে ম্যুং তাই ৰাজ্যৰ বৰকুঁৱৰী হোৱাৰ যোগ্য। তেওঁ যেন তাহানি মে থাও- য়া থাও সকলৰ দিনৰ নাংফা য়া ছিংফাৰ দৰে সাক্ষাত এগৰাকী যেগ্যা তিৰোতা। ছুকাফাৰ আগমনত নাংফা আই মেই তামুলী পীৰাৰ পৰা সুন্দৰকৈ মিহি কৰি লাৰে হেঙুল হাইতাল লগোৱা চকচকীয়া কাঠৰ চাংখনত ঠিয় হৈ আঠু লৈ খুপ বাই কৰি দহো আঙুলিৰে হাতৰ তলুৱাখন লগাই চিলা ছিপ কু এেউ কৰি কঁপালৰ ওপৰত লগাই হাউলি অভিবাদন জনালে।

"ম্যুং মিত কুপ ক্লিং দাওৰ যোগ্য চাওফা দেৱতা, বঙহৰ দেও আপুনি হঠাত?"

"মৰমৰ নাং ফা আই মে, মই এটা কথা ভাবিছোঁ।" ছুকাফাই দুৱাৰৰ চৌকাঠত ধৰি বৰৰাণীক উদ্দেশ্যি কলে।

"কি কথা বঙহৰ দেও, হে মোৰ চাও নু ৰু, চাও ফা, কওঁক, ৱা তা ৱাতা।" নাংফা লুং আইমে চাও লুৰে সাদৰেৰে শুৱলাকৈ কলে।

"কথা হ'ল, আমি আৰু এইদৰে অপমানিত হৈ থকা ৰাজোচিত নহ'ব। ওঠৰ বছৰ ম্যুং মিত, ম্যুং কুপ ক্লিং দাও আৰু সমগ্ৰ ম্যুং মাওৰ শাসন চলোৱাৰ পাচত সামগ্ৰিক ভাবে ম্যুং মাও লুঙৰ অধীনস্থ হৈ থকা সমগ্ৰ ম্যুং তাই সমূহৰ চোৱা চিতা পৰিচালনা কৰি উন্নতিৰ পথত বহুখিনি অবদান যোগোৱাৰ পাচতো মোক অন্তত: এই অপমান কৰিব নালাগিছিল। আমাৰ ম্যুং লুং বৰৰাজ্য ম্যুং মাও লুঙৰ চাওফা হিচাবে মোকেই নিবাৰ্চন কৰাটো উচিত আছিল। ময়েই আছিলো ম্যুং মাও লুঙৰ সিংহাসনৰ অধিকাৰী। মোৰ ইচ্ছা আছিল ম্যুং মাও লুংখনৰ যোগেদি মই সমগ্ৰ তাই জাতিটোক একত্ৰিত কৰি এক বৃহৎ শক্তি কৰি গঢ়ি তুলিম। চোৱা নাংফা আই দেও, আমাৰ জিম মু- অতীত কালৰ পৰা প্ৰায় ৰিংপি হেজাৰ বছৰৰ পূৰ্বৰ পৰা আমি ম্যুং ফী অৰ্থাৎ আমাৰ উপৰি পুৰুষ দেও সকল -ফী সকল থকা ৰাজ্যৰ উচ্ছ ভূমি 'দন'- মক দন-দয় কুি-কাও' অঞ্চলৰ পৰা দক্ষিনলৈ নামি আহিছিলোঁ, উদ্দেশ্য আছিল ম্যুং মাও লুঙখনৰ যোগেদি মই সমগ্ৰ তাই জাতিটোক একত্ৰিত কৰিম। ম্যুং ফী খন কি সুন্দৰ ৰাজ্য আছিল। চাৰিওফালে জয় জয় ময় ময়। তাই জাতিৰ বেলিয়ে ৰাতিও পোহৰ দি থাকে। ম্যুং ফীৰ অধিপতি চাওফা ফেত ঙিৰিং খাঁম লেংদনে কি জাজ্বল্যমান মহিমামণ্ডিত ভাবে ৰাজ্য শাসন কৰিছিল। সেই বীৰ মহান দেৱ দেৱতা দেৱী সকলক আমি আজিও পাহৰিব পৰা নাই। ভৱিষ্যতেও নোৱাৰিব। এতিয়াও আমি ম্যুং ফীৰ দেৱ দেৱতা দেৱীসকলৰ আদৰ্শলৈ থাকিব লাগিব। ম্যুং ফীৰ লগত আমাৰ অহৰহ যোগাযোগ আছে যদিও আমি এই খণ্ডত নিজেই ম্যুং তাই-ফান তাই অৰ্থাৎ তাই ৰাজ্য আৰু তাই জাতিৰ ভাগ্য উদয় কৰিব লাগিব। উচ্ছ ভূমি উত্তৰৰ খে সকলে আমাক সদায় পিচা লৈ আহিছে। কেৱল তাই সকলেই নহয় অনান্য ৰি, ল ল', আদি অনা হান চীন জাতি সকলক খে সকলে চকুপাৰি দেখিব নোৱাৰা হৈ আহিছে। আমি ইয়াত থকা সকলো অনাতাই জনগোষ্ঠীকো আমি মৰমেৰে বশ কৰি তেওঁ লোকক উচিত সন্মান দি আমাৰ লগত ম্যুং তাই তাই ৰাজ্য গঢ়াত আৰু এইদৰে সমস্বৰে এক উন্নতিশীল ভূখণ্ড গঢ়ি তুলিবলৈ মোৰ ইচ্ছা আছিল। কিন্তু নাংফা লুং ? "।

ছুকাফাৰ উত্তেজিত কথাবোৰ ক্ৰমে ক্ষীণতৰৰ পৰা ক্ষীণতৰ হৈ আহিছিল আৰু শেষত ক'ব নোৱাৰা হৈ আহিল। ওঁঠ দুখন কঁপিবলৈ ধৰিলে।

নাং ফা অ াই মেই মৰমৰ চাওফা তেওঁৰ স্বামীদেৱতা ঈশ্বৰ চাও লুং ছুকাফাৰ হাতখন খামোচ মাৰি ধৰি নিৰ্ভয় দি কলে,-

"বঙহৰ দেও, স্বামী দেৱতা, আপুনি ম্যুং মিতৰ সুযোগ্য চাওফা স্বৰ্গদেও। ম্যুং মাও লুং অৰ্থাৎ কিং চেন বা চিয়েং চেন ম্যুং মাও লুং সাম্ৰাজ্যৰো সোণীয়া সিংহাসনৰ যোগ্যজন অধিকাৰী, সম্ভাব্য প্ৰাৰ্থী। খুব কম লোকেইহে ওঠৰ বছৰ একেৰাহে শাসন

কৰিবলৈ পায়। এনে সৌভাগ্য খুব কম লোকৰহে ঘটে। গতিকে আপুনি সৌভাগ্যবান। আপোনাৰ অভিজ্ঞতাৰ যোগেদি জ্ঞানৰ যোগেদি, চিন্তাৰ যোগেদি, বুদ্ধিৰ যোগেদি, সাহসৰ যোগেদি নিশ্চয় আপোনাৰ উদ্দেশ্যত সফল হ'ব।"

" কিন্তু বুদ্ধি আৰু অভিজ্ঞতাকো যে তেওঁলোকে আওকান কৰিলে। মই এই অপমান কেনেকৈ সহ্য কৰিম্ চোৱা মোৰ মৰমৰ বৰৰাণী আইদেও-আইমে"

" আপুনি ইয়াক অপমান বুলি নধৰিব বঙহৰ দেও চাওফা লুং দেৱতা ঈশ্বৰ। ইয়াক আৰ্শীবাদ জনমিং হিচাবে লৈ চাও ন্যু ৰ্যু চাও কা ৰইৰ অৰ্থাৎ মূৰৰ ওপৰৰ দেৱতালৈ, মনত পেলাই কাম কৰি যাওঁক, উদাৰ আৰু বহল দৃষ্টি সমুখত ৰাখক। হতাশ আৰু উত্তেজিত নহ'ব। উত্তেজনা আৰু হতাশাই একো সহায় নকৰে বঙহৰদেও পিনং তাই দেৱতা ঈশ্বৰ আপুনি ধৈৰ্য্য ধৰি চিন্তা কৰি চাওক। উপায় ওলাব। পুলিন পুথাও পু মন সকলক স্মৰণ কৰক।"

মৰমেৰে আই মেই ছুকাফাক বুজনি দিলে।

"মই এটা কথা ভাবিছোঁ।" ছুকাফাই কলে

"কি কথা ?"

"ম্যুং মাওৰ ৰাজধানী আক্ৰমন কৰা"

"এইটো ভাল কথা হ'ব জানো.... ? বঙহে বঙহক পিনঙে পিনঙক কাটি খোৱাটো সমীচিন নহয় বঙহৰ দেও।"

"অবশ্যে সেইটো হয় নাং ফা, মই কেবাদিনো একেটা কথাকে ভাবিছোঁ। বঙহক মাৰি ৰাজ্যলৈ মই শান্তি আনিব নোৱাৰিম। চাও ন্যু ব্যুও চাও কাও সকলে মোক ক্ষমা নকৰিব। তাতে বু ম্যুং দিশৰ অৰ্থাৎ উত্তৰৰ খে সকলেও লাই পাব। তেওঁলোকে সৰ্বদাই দক্ষিনলৈ লা ম্যুং দিশলৈ চাই থাকে। আমাৰ নং ছেৰ পাৰৰ ম্যুং থিলা নানচাও ৰাজ্যখন তেওঁলোকে দখল কৰোঁ কৰোঁ কৰি আছে। তেওঁলোকৰ বহু মানুহ এটি দুটিকৈ আহি সেই ৰাজ্যত বসতি স্থাপন কৰিছেহি। ৰি আৰু ল' ল' সকলক তেওঁলোকে আহি উচটাই আছেহি। এই খবৰ আমি পাইছোহি। তাৰোপৰি সকলো তাই বঙহৰ প্ৰতি মৰম অপৰিসীম। কিন্তু সেই বুলিয়েই মই মোৰ ওপৰত কৰা এই অপমান অন্যায় মই সহ্য কৰিব পৰা নাই ; বীৰৰ সন্তানে বীৰৰ দৰেই যুঁজি মৰিম। পিচ হুহুকি দিয়াটো কাপুৰুষৰহে কাম নাংফা।"

"কিন্তু সেই বুলিয়েই আপুনি নিজৰ বঙহ পিনঙৰ মাজত যুঁজ দি আপোনাৰ ভাবমূৰ্তি ম্লান কৰিবনে ? নিজৰ নিজৰ বঙহৰক্ষতি কৰিবনে ? অজ্ঞইহে এনে কাম কৰে বঙহৰ দেও। আপুনিতো দয়াশীল, ক্ষমাশীল, বহুল মনৰ মানুহ, ভবিষ্যতৰ কথাও চিন্তা কৰিব পাৰে যেনেকৈ আপুনি অতীতৰ কথাও চিন্তা কৰিব পাৰে। তাই বঙহৰ মাজত

আপোনাক এজন দয়াশীল, উদাৰ, জ্ঞানী, দেশপ্ৰেমী সু প্ৰশাসক চাওফা বুলি খিয়াতি আছে। আপুনি এই খিয়াতি ধ্বংস নকৰাই মংগল। আপুনি অন্য কিবা উপায়ে সমস্যা সমাধান কৰাহে যুগুত হ'ব। ম্যুং মাওৰ নব নিযুক্ত চাওফা ছুখানফাৰ লগত প্ৰথমে যোগাযোগ কৰি চোৱা নিশ্চয় ভাল হ'ব। তাৰোপৰি পিতৃদেৱকো আপুনি কথাটো মনত পেলোৱা নিশ্চয় সমীচিন হ'ব। এই সকলো খিনি কথা আলোচনা বিলোচনা ৰং কান প্লং কান কৰি চিন্তা কৰি সিদ্ধান্ত লোৱা সমীচিন হ'ব চাওফা দেৱতা।" বৰবাণী নাং ফা আই মে চাও ল্যুবে ছুকাফালৈ উদ্দেশ্যি বিবৰি কলে।

ছুকাফা সুসজ্জিত চকি এখনতে বহি চিন্তাত নিমজ্জিত হ'ল।

"মই কি কৰোঁ, কলৈ, যাওঁ। ককাইদেও ছুখান ফাই উত্তৰাধিকাৰী সুত্ৰে ম্যুং মাও লুঙৰ সিংহাসন পাবও লাগে। এয়া তাই ৰাজ্যৰ নিয়ম। ৰজাৰ পুত্ৰ সন্তান নহ'লে ময়েই পালোঁহেতেন। পুত্ৰৰ অবিহনে মোকেই ম্যুং মাওৰ সিংহাসনৰ যোগ্য প্ৰতিনিধি কৰি থৈছিল সছ আৰু থাও ম্যুং গোহাঁই সকলে, থাও ম্যুং গোহাই মন্ত্ৰীসকলেই এই সিদ্ধান্ত ল'ব পাৰে। এৰা ছুখান ফাও মোৰ পিনং পি কাই ককাইদেউ। বয়সত সৰু হলেও সম্বন্ধত ডাঙৰ। সম্বন্ধত ডাঙৰ মানেই বৰ পৰিয়াল। বৰৰ মান পোৱা যোগ্য। এয়া তাই মানুহৰজাতীয় ৰীতি। পূৰ্বাপৰ প্ৰচলিত হৈ আহিছে। ম্নন খাম সোণৰ কণীৰ পৰা জন্মজাত সন্তান আমি। স্বৰ্গৰো উৰ্দ্ধত য়ত ফাত সোণৰ মকৰা স্বৰ্ণমকট ফুকাও খাম দেৱতাই পৰা স্বৰ্ণাগুজন্মজাত সন্তান আমি। তেতিয়াৰ পৰাই প্ৰচলিত এই বৰ বংশ পৰিয়ালৰ সন্মান। অতি জীম ম্যু কালৰ কথা।"

দুই

চাও লুং ছুকাফাৰ পিতৃ পচাও হ'ল ছাও ফু ছাং খাং। ফু ছাং খাঙৰ অন্য নাম হ'ল চাও ছাং ঞেও। এওঁ হ'ল ম্যুংৰী ম্যুং ৰামৰ ৰজা খুন লুঙৰ বংশধৰ। ছুকাফাৰ পিতৃ ফু ছাং খাং ছেন ছে ৰাজ্যৰ চাও তাই পঙৰ জীয়েকক চকলং কৰিছিল। চকলং বিয়া। আও মে চক লং। আও চক লং।

ছুকাফাৰ পিতৃ চাও ফু ছাং খাঙক ১১০২ আৰু ১২০৪ খৃষ্টাব্দৰ মাজত ম্যুং মিত কুপ ক্লিং দাওৰ চাওফা ৰজা পাতে। পাচত পিতৃৰ ৰাজ্য খনকে পুত্ৰ ছুকাফাক ভোগ কৰিবলৈ দিয়া হৈছিল।

ছুকাফাৰ মাকৰ নাম আছিল নাং ম্যুং ব্লক খাম ছেং। চমুকৈ তেওঁৰ নাম নাং ম্যুং বুলিও কোৱা হৈছিল। নাং ম্যুং ব্লক খাম ছেং দেখাত অতি সুন্দৰী আছিল। ব্লক মানে

ফুল। ব্লক শব্দটোৱেই মানুহ গৰাকীৰ ৰূপৰ কথাকে সূচায়। সঁচাই ফুলৰ দৰে দীপলীপ। তেওঁৰ আঁঠুৰ তললৈকে বৈ পৰা দীঘল কলীয়া চুলি কোচা মূৰৰ ওপৰত খোপা বান্ধি থলে দৌলটোৰ দৰে সুউচ্চ হৈ থাকে। কঁপালৰ পৰা ফণিয়াই টানি টানি ওপৰলৈ বন্ধা চুলিকোচাত ৰূপৰ শলা দুডাল গুজি খোপাৰ চাৰিও ফালে ফুলৰ মালা গুঠি থোৱাত মানুহ গৰাকী দেখিবলৈ বৰ সুন্দৰ লাগে। তাতে সৰ্বসাধাৰণতকৈ তেওঁ যথেষ্ট ওখ, গাটো পুৰঠ, লচপচীয়া, মুখৰ বৰণ বগা হালধীয়া ৰঙা ৰং মিশ্ৰিত তেজাল গোলপীয়া ৰং, গাল দুখন পকা ঠেকেৰাৰ দৰে তেজে ফুটো ফুটো কৰি থকা। স্বভাৱ চৰিত্ৰতো গহীন গম্ভীৰ, সুলক্ষণা। ৰজাৰ কুঁৱৰী যদিও বোৱা কটাত ঘৰুৱা কাম কৰা সকলোতে পাৰ্গত। এনে এগৰাকী সুন্দৰ ৰূপে গুণে বিভূষিতা মাকৰ গৰ্ভত ছ্যুকাফাৰ জন্ম হ'ল ১১৮৯ খৃষ্টাব্দত। ছ্যুকাফাৰ জন্ম হৈছিল পুথাওয়েক চাও তাই পঙৰ ঘৰত। মাক নাং ব্লক খামছেং ছ্যুকাফা গৰ্ভত থিত লৈ থাকোতে প চাওয়েকৰ অৰ্থাৎ দেউতাকৰ ঘৰত আছিল। ফু ছাং খাং দেশৰ বিভিন্ন উন্নয়নমূলক কামত থাকি ব্যস্ত হৈ থাকিব লগা হোৱাত আৰু মাকৰ অতি মৰমৰ জী বাবে নিজৰ ঘৰতে নি ৰাখিছিল। তেনে অৱস্থাতেই ছ্যুকাফাৰ জন্ম হয়।

পুৱতি পুৱতি সময়ত জন্ম হৈছিল ছ্যুকাফাৰ। প্ৰথম কাং খেনতে অৰ্থাৎ প্ৰথম কুকুৰাৰ ডাকতে। তেওঁৰ জন্মৰ লগে লগে কাই বিলাকে যেন সিদিনা বেচিকৈ ডাক দিছিল। আনন্দত বা কিবা এটা নতুনৰ আগজাননী সিঁহতে যেন অভিবাদন জনাইছিল।

এনাইয়েক পুথাওয়েকৰ ঘৰুৱা ৰৌন ছেং ফ্ৰা চাওৰ ভিতৰত কাঁহ য়াম মঙবোৰ যেন নিজে নিজে বাজি উঠিছিল। এনাইয়েকে ফ্ৰা চাওৰ মূৰ্তি আৰু চুমফ্ৰা ৰুম ছেং ম্যুং মূৰ্তি থকা বাকচৰ ওচৰত খাও চুম টুপুলা ভাত, পান ব্লক য়া ফুল সজোৱা শৰাই দি খামছিং লাও প্ৰাৰ্থনা গাইছিল। নাং খুপ খাও কৰি বহোঁতে কাঠৰ মজিয়াৰ চাংখন কঁপি উঠা যেন পাইছিল। তেতিয়াই এনাইয়েকে বুজিছিল এই সন্তান নিশ্চয় এলা পেচা সন্তান নহ'ব।

পুথাওয়েক চাও তাই পঙে নাতিয়েক লানটিৰ নাম ৰাখিছিল চাও কা। পাচলৈ ৰজা হ'লে তেওঁৰ নাম হ'বগৈ চাও কা ফা।

তিনি

ছ্যুকাফাৰ লৰালিকালৰ উনৈশ বছৰ কাল পুথাওয়েক এনায়েকৰ ঘৰত চেন চেতে পাৰ হৈছিল। চেন চে আছিল সেইসময়ৰ তাই সকলৰ সেই অঞ্চলৰ এখন ডাঙৰ

আৰু শক্তিশালী তাই ৰাজ্য, ম্যুং মাও লুঙৰ ৰাজধানী। ছ্যুকাফাৰ লৰালি কালত তেওঁৰ মাকৰ ফালৰ ককায়েক নিচায়েকক পা ম্যেও পুঙ ম্যুং মাও লুঙৰ চাওফা শাসনকৰ্ত্তা আছিল। পা ম্যেও পুঙো এজন বৰ ভাল শাসক আছিল। কিন্তু পাম্যেও পুঙৰ বহু দিনলৈকে সন্তান সন্ততি নোহোৱাকৈয়ে আছিল। ছ্যুকাফাৰ দদায়েক পা ম্যেও পুঙে ভাবিছিল তেওঁৰ পত্নীৰ গৰ্ভত আৰু কোনো সন্তান নহ'ব। সেই সময়ৰ ম্যুং মাও লুঙৰ বহু ডাঙৰ বেজকো লগাই তেওঁ কোনো সন্তান জন্ম দিয়াৰ সৌভাগ্যৰ অধিকাৰী হ'ব পৰা নাছিল। সেয়ে তেওঁ সন্তানৰ আশা বাদ দিয়াৰ কথাকে ভাবিছিল আৰু ম্যুং মাওৰ সিংহাসনৰ অধিকাৰী ছ্যুকাফাকে পাতিম বুলি পাঙি আছিল। ছ্যুকাফাক সেই প্ৰস্তাৱো দি থৈছিল নিচায়েক পা ম্যেও পুঙে।

এদিন ৰাতিপুৱাৰ সময়। ছ্যুকাফাৰ নিচাওয়েক ম্যুং মাও লুঙৰ চাওফাৰ পত্নী নাংফাই এটি স্বপ্ন দেখিলে। স্বপ্নত স্বৰ্গৰ পৰা ম্যুং ফী ম্যুং ছাঙৰ·পৰা যেন পাখিলগা সিংহৰ মুখ লগা এটি সন্তান উৰি আহি নাংফাৰ কোলাত বহি পৰিল। নাংফাই আকাশত উৰি ফুৰা সন্তানটি দেখি ভয় খাইছিল, বিশেষকৈ সিংহাকৃতিৰ গা ভৰিৰ সন্তানটি দেখি। পাছত সন্তানটি যেতিয়া তেওঁৰ কোলাত শুই পৰিলে তাৰ গাৰ পাখি দুখনো হঠাতে নাইকিয়া হ'ল আঁৰু সিংহাকৃতিৰ মুখ আৰু শৰীৰমণ্ডল ব্যাঘ্ৰাকৃতিৰ হৈ পৰিব ধৰিলে। শেষত লাহে লাহে স্বামী পা মেও পুঙৰ দৰে হৈ পৰিল।

এনে এটা স্বপ্ন দেখাৰ কথা নাংফাই চাও ফা পা মেও পুঙক পুৱা শুই উঠাৰ লগে লগে জনালে। চাও ফা পা মেও পুঙে সপোনটিৰ অৰ্থনো কি সুধিবলৈ মহুং গুৰুলৈ মানুহ পঠালে। ম' হুং চাওমুনে ম' প্লং আৰু চাং বুন দুই গুৰুৰ লগত আলচ কৰি পৰামৰ্শ আদি লৈ বানছেং চাই চাওফা পা মেও পুঙৰ সন্তান বিশেষকৈ এটি পুত্ৰ সন্তানৰ জন্ম হ'ব বুলি জানিব পাৰিলে আৰু চাওফাক জনালে।

কিছুদিনৰ পাছত নিৰ্দিষ্ট সময়ত সঁচাকৈয়ে নাংফা ৰাণী গৰ্ভৱতী হ'ল আৰু দহ মাহ দহ দিনৰ পাচত নাংফাৰ এটি পুত্ৰ সন্তানৰ জন্ম হ'ল। সন্তানটি জন্ম হোৱাৰ পাচত পা মেও পুঙৰ মনত অপাৰ আনন্দ। কাৰৌন বা কা ৰঙত সকলোৰে মনত আনন্দৰ বান আহিল। পা মেও পুঙৰ ম্যুং মাওৰ সিংহাসনৰ অধিকাৰী এইজনা নৱজাত পুত্ৰই হ'ব। ক'ত দিনৰ আশা ক'ত দিনৰ পূজা প্ৰাৰ্থনা ক'ত দিন সাধনাৰ পিছত জন্ম হ'ল এই সন্তান যি ম্যুং মাওৰ সিংহাসনৰ অধিকাৰী হ'ব।

ছ্যুকাফাৰ অন্তৰত তোলপাৰ লাগিল। হৃদয় চ্যেও তেওঁৰ থৌকি বাথৌ। বতাহত পুখুৰীৰ পানীত খলকনি ঢৌ উঠাৰ দৰে তেওঁৰ অন্তৰত ঢৌ উঠিব ধৰিলে। এফালে তেওঁৰ আত্মসন্মাণত চৰম আঘাট, আনফালে নিচাওয়েকৰ একমাত্ৰ সন্তান চাও খানৰ ম্যুং মাওৰ

নাৰ্য প্ৰাপ্ত সিংহাসন। চাওখান কোঁৱৰ। ৰাজকোঁৱৰ। মুৱং মাও লুঙৰ ৰাজকোঁৱৰ। তেৱেঁই হ'ব চচ্যু খানফা। স্বৰ্গদেও ছ্যুখান-ছ্যুখান ফা- চাওলুঙ ছ্যুখান ফা।

ছ্যুকাফাৰ বয়স বহু বছৰ পাৰ হৈ গৈছিল। কি কৰিব ছ্যুকাফাই। বয়সতো বৈ নাথাকে। সময় গতিশীল। দিন আহে ৰাতি আহে। দিন যায় ৰাতি যায়। কু মু কু বান প্ৰতিদিন বান অক বান তু ক- বেলি ওলাই বেলি পৰে। দিন ৰাতি-। নতুন বছৰ আহে পুৰনি বছৰ যায়। মা পি মাও। পাই যাও পি কাও।

কি কৰিব ছ্যুকাফাই। ম্যুংমাওৰ থৌন খাম খন তেওঁ জোৰ কৰি বলপূৰ্বক অধিকাৰ কৰিব নেকি ? তেওঁৰ বাবে ই যুক্তিসংগত কথা হ'বনে? উহো নহ'ব। আ লু লু। হায় হায়। তেওঁ এনে কুকৰ্ম কৰি কাললৈ কুখিয়াতি ৰাখিব নোৱাৰে। ভবিষ্যতে তেওঁৰ মৈ দামতো মানুহে- পি নং সকলে লান মান সকলে দাৰে ঘপিয়াব, কোৰেৰে চবিয়াব।

ছ্যুকাফা এগৰাকী উদাৰ পুৰুষ। বহল মনৰ মানুহ তেওঁ। নিজৰ ক্ষুদ্ৰ স্বাৰ্থ পুৰণ কৰাতকৈ তাই পিনং সকলৰ জাতীয় স্বাৰ্থ, দেশৰ সামুহিক স্বাৰ্থ পুৰণ কৰাটোহে তেওঁৰ কৰ্তব্য হোৱা উচিত। ম্যুং মাওৰ সিংহাসন তেওঁ এৰি দিয়াই উচিত হ'ব। তেওঁ সিদ্ধান্ত কৰিলে মনে মনে যে ম্যুং মাওৰ আশা তেওঁ ত্যাগ কৰিব। তেওঁ আৰু ম্যুং মাওৰ চাওফা নহয়। পিনং গিয়াতিক তেওঁ বিদ্ৰোহ নকৰে। ঘৰতে বিদ্ৰোহ কৰাৰ শুভফল পোৱা নাযায়। মান সকলে আমাৰ আগমনক ভাল চকুৰে চাব পৰা নাই। দক্ষিনৰ ফালৰ পৰা মানসকলৰ চকু, উত্তৰৰ ফালৰ পৰা খে চীনাসকলৰ চকু। পুলিন পুথাওৰ দিনৰ পৰাই খে সকলে আমাক অনিষ্ট কৰি আহিছে। আমি তেওঁলোকৰ লগত মুখামুখি নহ'বলৈকে ক্ৰমাৎ দক্ষিনলৈ আহিছো। আমি যদি পিনং ভাই ভাতৃসকলৰ লগতেই দন হাই লাগো তেনেহলে খা সকলেও আসৈ পাব। খা সকলৰ মাজত যাতে আমাৰ দুৰ্বলতাৰ কথা ধৰা নপৰে।

খুন লুং খুন লাইয়ে থেনখামৰ ৰাজ্যখনৰ একাংশ খে ডাওৰীয়া লাও ঙুক বিনা বিচাৰে দি দিয়াতোও বৰ ভাল কথা নহ'ল। ই আমাৰ বাবে কম দুখৰ কথা নহয়। আমাৰ নিজা দোষৰ বাবে নং ছেৰ পৰা আমি পশ্চিমলৈ হুঁহকিব লগা হৈছে। আমাৰ পুলিন পুথাওসকলে কয় নংছেৰ পাৰে পাৰে থকা অসংখ্য তুন ৰং ৰাই খা বুং ৰাই আদি বৃহৎ গছবোৰৰ কথা। ভাবিলেই মনটো সেমেকি যায়। কি সুন্দৰ আছিল ম্যুং থিলা বা ম্যুং তি ৰাজ্যৰ বৰ্ণনা। এনাইৰ মুখত এইবোৰ কথা শুনিলে মনটো ডাৱৰে আবৰি ধৰে। খে সকলক আমি নিজৰ আয়ত্বাধীনত ৰাখিব পৰা নাই। পুলিন পুথাও সকলে কয় আমি বোলে বহু শ শ খে সকলক আমাৰ তলতীয়া কৰি ৰাখিছিলোঁ। আমিও আছিলো খে সকলৰ দৰে শিক্ষিত সুসভ্য, লিখিব পঢ়িব জনা মানুহ। অথচ খে সকল আজি দিনে দিনে দোপত দোপে আগবাঢ়ি আহি আছে।

ওঁহো মই ককাইদেও চাও খানৰ লগত দ্বন্দ্ব হাই নকৰাইয়ে শ্ৰেয়। এখন সিংহাসনৰ বাবেই সকলো গিয়াতিক কাজিয়া লগাই প্ৰাণে নেমাৰোঁ।

ছুকাফা ফু ছাং খাঙৰ তৃতীয় পুত্ৰ। তেওঁক ঘৰৰ পৰিয়ালৰ মানুহে লা চাম বুলিও মাতে। ঘৰৰ মানুহৰ বাহিৰে তেওঁক সাধাৰণতে লা চাম বুলি নেমাতিছিল। খেনোৱে তেওঁক কৈ বুলি মৰমতে মাতিছিল।

ছুকাফা লাকনি কাওৰাওত তেইশ বছৰ বয়সত ম্যুং মিত কুপ ক্লিং দাওৰ ৰজা পতা হয়। অৰ্থাৎ ম্যুং মিত আৰু ক্লিং দাও বা কেং লাওৰ ৰজা পতা হয়। ছুকাফাৰ পিতৃ ফু ছাং খাঙে তেওঁৰ মৃত্যুৰ পূৰ্বে তেওঁৰ চাৰিজন পুত্ৰৰ মাজত ৰাজ্যখন ভগাই দিছিল যাতে ভবিষ্যতলৈ তেওঁলোকৰ মাজত কোনো হাই কাজিয়া নহয়। ডাঙৰজন ককায়েক ছু জতফাৰ ভাগত পৰিছিল তাই প' ৰাজ্য বা শ্বিপ'। মানসকলে তেওঁলোকৰ ভাষাৰ উচ্চাৰণমতে শ্বিপ'ক 'থিব' বুলি উচ্চাৰণ কৰে। দ্বিতীয় পুত্ৰ ছু খামফাক তাই পং ৰাজ্য খাবলৈ দিয়ে। তাই পং ৰাজ্যক পং বা নৰা ৰাজ্য বুলিও জনা যায়। পং ৰাজ্যৰ ৰাজধানী উজনী চিন্দুইন নদীৰ উপত্যকাত।

ডাঙৰজন ৰজা হৈয়ে ছুজতফা নাম লয়। পূৰ্বতে ছু জতফাক খুনতাই কাই বুলি কোৱা হৈছিল। পূৰ্বতে পাছৰ কিজন ভাতৃৰ নাম আছিল খুন তাই তাও আৰু খুন তাই চাম আৰন। ছু খাম ফাৰ নাম আছিল খুন তাই কাই আৰু ছুকাফাৰ নাম আছিল খুন তাই তাও। সেই সময়ত তাই ৰাজকুমাৰ সকলক খুন তাই বুলি কোৱা হৈছিল। এওঁলোকক ৰজা হোৱাৰ লগে লগে চাও ফা বুলি কোৱা হৈছিল।

ছুকাফাৰ ককায়েক অৰ্থাৎ নিচাওয়েকৰ পুতেক ছু খান ফা ১২২০ খৃষ্টাব্দত ম্যুং মাওৰ ৰাজপাটত উঠে।

ৰাজপাটত উঠিয়েই ছু খান ফাই ম্যুং মাও ৰাজ্য বহলাবলৈ মন কৰিলে। তেওঁ মনতে পাঙিব ধৰিলে যে তাই ৰাজ্যবোৰ একগোট কৰিলেহে তেওঁলোকে এখন বিশাল শক্তিশালী তাই সাম্ৰাজ্য গঢ়িব পাৰিব। অগত্যা ইয়াকে নকৰিলে তেওঁলোকে মান আৰু খে সকলৰ সৰ্বদাই প্ৰতিহত কৰি ৰাজ্যৰ স্বাধীনতা অক্ষুণ্ণ ৰখা কঠিন হৈ পৰিব। এই মানসেৰেই তেওঁ সম্বন্ধৰ ককায়েক চাও চাম লুং ফাৰ সহায়ত ৰাজ্য বিস্তাৰ কৰিবলৈ মন কৰিলে। ম্যুং ফী ৰাজ্যৰ পৰা চাও ফা ফেত লেংদনে অৰ্থাৎ স্বৰ্গ ৰাজ্যৰ ৰজা চাওফা লেংদনৰ দিনত খুন লুং খুন লাইক মৰ্ত্যলৈ নমাই পঠোৱাৰ দিন অবধি মুৰং মাও এখন প্ৰাচীন শক্তিশালী তাই ৰাজ্য আছিল। চাও চাম লুং ফা বা খুনচাম লুং ফা ম্যুং মাওৰ এজন শক্তিশালী সুদক্ষ সেনাপতি আছিল। এই চামলুংকেই ছু খান ফাই সেনাপতি হিচাবে ৰাজ্য বহলাবলৈ দায়িত্ব দিলে।

ছ্যু খানফাই ম্যুং মিত আৰু কেং লাওৰ ৰজা ছ্যুকাফা আৰু তাই পঙৰ ৰজা ছ্যুজত ফা ওৰফে চাও তাই খুন বা খুন তাই খুনক তেওঁৰ সম্পূৰ্ণ পৰাধীন ৰজা কৰিবলৈ মানস কৰিলে। তেওঁৰ ভাতৃ ছ্যু কা ফা আৰু ছ্যু জত ফাই তেওঁৰ সম্পূৰ্ণ পৰাধীনত্ব মানি লবলৈ টান পালে, তদুপৰি তেওঁ তেওঁলোক দুয়োজনাকে এনে পৰামৰ্শ দিয়াৰ বাবে অত্যন্ত আঘাট পালে। তেওঁলোকে ছ্যু খানফাৰ অনুৰুধ ৰক্ষা নকৰোঁ বুলি অথবা এনে অনুৰুধ প্ৰত্যাখান কৰিব বিচাৰে বুলি জনালে। ফলত ছ্যু খান ফাৰ ৰাজসভাত গোৰগোৰণী উঠিল। অসন্তুষ্ট হ'ল ছ্যু খান ফা। ছ্যু খান ফাৰ ৰাজসভাত সিদ্ধান্ত কৰিলে যে খুন তাই খুন ছ্যুজত ফাক নামকিউৰ ইৰাৱতী পূব পাৰলৈ নিৰ্বাসন দিয়া যাওঁক। কথামতেই কাম। খুন তাই খুনক নাম কিউ নদীৰ পূব পাৰলৈ নিৰ্বাসিন দিলে। বেচেৰা অযথা তেওঁ শাস্তি ভোগ কৰিব লগা হ'ল।

ছ্যু খানফাৰ পৰা ছ্যু কাফালৈও এখন চিঠি আহিল। চিঠিত ছ্যুখানফাই ছ্যুকাফাক 'থাম থাম' আদেশ দিলে যে তেওঁ যদি বশ্যতা স্বীকাৰ নকৰে তেন্তে ম্যুং মিতৰ সৈন্য সামন্ত কুন বিন কুন খাৰে সুসৰ্জ্জিত হৈ খে ৰাজ্যৰ উত্তৰ ফালে থকা য়ুন লুং ৰাজ্য আক্ৰমন কৰিবলৈ সাজু হ'ব লাগে। য়ুন লুং বা জুন লুং এখন উত্তৰ ফালৰ তাই ৰাজ্য। মুং মাও আৰু জুন লুং দুয়োখন ৰাজ্যৰ সীমাৰ বাবে বহুদিনৰ পৰা বিবাদ লাগি আছিল। ছ্যু খান ফাই ৰজা হৈয়েই বৃহৎ তাই ৰাজ্য তৈয়াৰ কৰাৰ স্বপ্ন পুৰাবৰ বাবে জুন লুং ৰাজ্যকো বশ্যতা স্বীকাৰ কৰাব খুজিছিল। দেশখন মেকং আৰু উজনি মে নাম নদীৰ উপত্যকাত অৱস্থিত। য়ুন লুঙৰ ৰাজ্যৰ বাসিন্দা সৰহখিনিয়েই তাই-তাই শ্যান।

ছ্যু কা ফাই ছ্যু খান ফাৰ চিঠি পায় কোনোমতেই সন্মতি দিব নোৱাৰিলে। তেওঁ মতামতকেই প্ৰেৰণ নকৰি তাপ মাৰি আছিল। নিজৰ বঙহক ছ্যু কা ফাই অপকাৰ কৰাৰ বিৰোধী আছিল। তেওঁৰ উদাৰ মনে ছ্যু খান ফাৰ আদেশ পালন কৰাত অসুবিধা পালে। তদুপৰি ছ্যুকাফাই ম্যুং মাওৰ অধিকাৰী হোৱাটো দূৰৰ কথা নিজা ৰাজ্য ম্যুং মিত খনকো তেওঁ মুং মাওৰ কৰতলীয়া কৰি তেওঁক তেওঁৰ ইচ্ছা তেওঁৰ দৰ্শনৰ বিৰুদ্ধে জ্ঞাতিক আক্ৰমন কৰিবলৈ আদেশ দিছে।

কিছু দিন যোৱাৰ পিছত ছ্যু খান ফাই ছ্যুকাফাৰ পৰা একো উত্তৰ নাপায় ছ্যুকাফাক জোৰ কৰি য়ুন লুং আক্ৰমন কৰিবলৈ বাধ্য কৰাব খুজিছিল। আনকি প্ৰয়োজন সাপেক্ষে ছ্যুকাফাক বন্দী কৰি ৰাখিবলৈকো চিন্তা কৰিছিল।

ছ্যু কা ফাই তেওঁক তেওঁৰ ককায়েকে এনেদৰে জোৰ কৰাৰ বাবে বৰ অপমানিত বোধ কৰিলে। আনহাতে ছ্যু খান ফাইও তেওঁৰ আদেশ অমান্য কৰাৰ বাবেও বৰ অপমানিত অনুভৱ কৰিলে। ছ্যু খান ফাই ম্যুং মাওৰ সিংহাসনত বহাৰ বাবেও ছ্যু কা ফাৰ মনত বৰ

দুখ হৈয়েই আছিল। তাতে ছু খানফাই এনেদৰে পিতৃৰ ৰাজ্য খনো অধিকাৰ কৰি তেওঁক বহতীয়া কৰিবলৈ বিচৰাৰ বাবে বৰ সন্তাপ পালে। আনহাতে ছু খান ফাইও এশিকনি দিবলৈ চিন্তা কৰিলে।

ছু খান ফাৰ বয়স তেতিয়াও সৰু আছিল। ৰাজ্যৰ পৰম্পৰা অনুসৰি তেওঁ ৰজা হৈছে। তেওঁ জন্মৰ পৰাই দেখি অহা পৰম্পৰাৰ কথা একেবাৰে সৰু হলেও উমান পাইছে। ৰজা হওঁতে তেওঁৰ মাথো পাঁচবছৰমানহে হৈছিল। ছু খান ফাৰ ৰাজসভাৰ থাও মুং সকলেহে এই বিষয়ৰ সিদ্ধান্ত লৈছিল। ছু খান ফাৰ মাত্ৰ সন্মতিহে লৈছিল। কিন্তু মূল সিদ্ধান্ত আঁচনি আছিল থাও ম্যুং মন্ত্ৰী সকলৰহে। তাই দেশ সমূহত মন্ত্ৰী থাও ম্যুং সকলৰ ভূমিকা অপৰিসীম। ৰজা চাওফাৰ ভঙা পতা সকলো সিদ্ধান্ত থাও ম্যুং মন্ত্ৰীৰ দৰে ফু লুং ফু ৰু বৰমূৰীয়াসকলেই ল'ব পাৰে। গতিকে ছু খান ফাৰ ৰাজসভাৰ বৰমূৰীয়া থাও ম্যুং সকল সেইসময়ত আছিল বৰ পৰাক্ৰমী, বুদ্ধিসম্পন্ন, গুণী মানী জ্ঞানী, ম্যুং মাওৰ ৰজা চাওফা পা মেও পুঙৰ আওৰুকীয়া ৰোগ থকা অসুস্থতাৰ বাবে তেওঁলোকেই এজন তাই ৰাজকোঁৱৰ চাও আই ম' খাম দেঙক ম্যুং খু ম্যুং জাওৰ খুন চু পৰিয়ালৰ পৰা আনি ম্যুং মাও লুঙৰ ৰজা চাওফা পাতিলেহি। দেউতাক পা মেও পুঙৰ অসুস্থতাৰ বাবে থাও ম্যুং পাত্ৰমন্ত্ৰী সকলে পা মেও পুঙৰ ৰাণী নাং নাম আপৰ জীয়েক যি খাম লুঙকে অস্থায়ী ভাৱে ম্যুং মাওৰ ৰজা পাতি শাসনভাৰ চলাবলৈ দিছিল। পাচতহে তেওঁলোকে আই ম খাম দেঙক আনিছিল।

ম্যুং মাও ৰাজ্য কোনো বিদেশী ৰাজ্য নহয়। ছ্যুকাফাৰ নিচাওয়েকৰহে ৰাজ্য। গোটেই ৰাজ্যখনত ছু কা ফাক ভাল পোৱা মানুহো কম নাছিল। প্ৰজাৰ মতেও তাই নীতি পৰম্পৰা হিচাবে ছু কা ফাই আছিল সিংহাসনৰ যোগ্য উত্তৰাধিকাৰী। প্ৰায় সকলোৱেই মনে মনে ছু কা ফাকেই সমৰ্থন কৰিছিল। ছু কা ফাৰ আদৰ্শ আৰু বহল উদাৰ মনটোক তেওঁলোকে সমৰ্থন কৰিছিল। ৰাজকাৰ্য্য পৰিচালনা কৰাত ছু কা ফাইও ম্যুং মাওৰ এগৰাকী মূল হিচাবে গুৰি ধৰিছিল।

নিৰীহ নিৰ্দোষ ছু কা ফাৰ আসন্ন বিপদ দেখি ম্যুং মাওৰ বহুলোক সন্ত্ৰস্ত হৈ উঠিছিল। ৰাজসভাৰেই বহুলোকে মনে মনে গোপন খবৰ পঠাই আছিল।

ছু কা ফাই ম্যুং মাওৰ চাও ফা ছুখান ফাৰ কু অভিসন্ধি বুজিব পাৰি তেওঁলৈ এখন পত্ৰ প্ৰেৰণ কৰিলে। আৰু নিজৰ মনৰ কথা বেকত কৰিলেঃ-

"বোলো ভাই ৰজা পি নং তাই। খুপতাং লাই। ৰাও য়ুন লুঙৰ চাওফা স্বৰ্গদেও আমাৰ সম্বন্ধীয় পিনং। বঙহ। তেওঁ মোৰ যেনেদৰে সম্বন্ধ লাগে, আপোনাৰো লাগে। মই যদি আপোনাৰ পক্ষ লওঁ তেনেহলে একে বঙহৰ পৰা জন্ম লোৱা, একে তেজ

মঙহৰ বাকীসকল তাই গিয়াতিৰ চাও ফাই মোক দোষাৰোপ কৰিব। মিছাতে এনে অপকৰ্ম মই কৰিব নোখোজোঁ। আমাৰ ম্যুং ফীৰ সকলোৰে পিতৃস্বৰূপ লেংদনে আমাক এনেদৰে গিয়াতি বৈৰী হ'বলৈ উপদেশ দিয়া নাছিল। তেওঁৰ উপদেশ আমি পাহৰা উচিত নহ'ব। সেয়ে আপুনি য়ুন লুং আক্ৰমন কৰিবলৈ আপুনি মতাৰ বাবেও মই নগলোঁ। ইয়াৰ বাবে দায় দোষ নধৰাই ভাল।"

এনে এখন চিঠি পাই ছু খান ফাই অমাত্য সহ অসন্তুষ্ট হৈ উঠিল। ভাই ৰজা ছুকাফাৰ ইমান সাহনে? বয়সত তেওঁ মোতকৈ ডাঙৰ হ'ব পাৰে অথচ তেওঁ ইমান গৌৰৱী কিয়? জ্ঞানতো মোতকৈ শ্ৰেষ্ঠ হ'ব পাৰে, তথাপি সম্বন্ধত তেওঁ মোৰ ভাই। মই এতিয়া ম্যুং মাওৰ চাওফা। তেওঁ সিংহাসনৰ যোগ্য আছিল বাবেই মোক তেওঁ অবমাননা কৰিব নে? বংশ সুত্ৰে পৰম্পৰা সুত্ৰে ময়েই উচিত ৰজা। মই ম্যুং মাওৰ চাওফা। অতীজৰে পৰা ম্যুং মাওক কেন্দ্ৰ কৰিয়েইতো তাই ৰাজ্য শক্তিশালী হৈ উঠিছে। ইতিমধ্যে কেবাখনো সৰু তাই ৰাজ্য ম্যুং তাইয়ে ম্যুং মাওৰ সিংহাসনৰ বশ্যতা স্বীকাৰ কৰিছে। মোকেই একছত্ৰী হিচাবে মানি লৈছে। ছুকাফাই মোৰ কথা অবজ্ঞা নকৰে।

ছু কা ফাৰ চিঠিখন খামোচ মাৰি ছু খান ফাই ফোপাব ধৰে। পাত্ৰমন্ত্ৰী থাও ম্যুং থাও লুং চাও ফ্ৰং ম্যুং সকল ছুখানফাৰ মুখৰ অৱস্থা দেখি ছুকাফাৰ ওপৰত ক্ৰোধান্বিত হৈ উঠিল।

ছু খান ফা আৰু থাওলুং, চাও ফ্ৰং ম্যুং আদি থাও ম্যুং সকলে আলচ ৰং কান প্লং কান কৰিব ধৰিলে "ছু কা ফাক ধৰা যাঁওক। তেওঁক বন্দী কৰি বলৰে জুন লুঙলৈ যুদ্ধলৈ পঠোৱা হওঁক। অবশ্যে বহু আলোচনাৰ পাছত ছুকাফাৰ আকৌ এবাৰ চিন্তা কৰি চাবলৈ তেম চি মাই লাই পত্ৰ প্ৰেৰণ কৰিলে। ছু কা ফাই পুনৰ উত্তৰ পালে।

" মই পূৰ্বতে এবাৰ নহয় দুবাৰো য়ুন লুঙৰ লগত যুদ্ধ কৰিবলৈ গ'লো। চীনা খে সকলৰ লগতো লাগিলো। ম্যুং মাও ৰক্ষাৰ বাবেই যুঁজ দিলোঁ। এইবাৰ কিন্তু মোৰ জ্ঞাতি পিনং সকল বঙহৰ লগত তেজৰ খেলা খেলিবলৈ মন নাই। য়ুন লুং আৰু ম্যুং মাওৰ মন্ত্ৰী থাও ম্যুং ফুকন সকলৰ লগত আলোচনা মেলেৰে সীমা বিবাদ মিমাংসা কৰিবলৈহে মই পৰামৰ্শ দিলোঁ। মোক এই কাৰ্যৰ পৰা ৰেহাই দিব বুলি বই তাং জনালো।"

বাৰম্বাৰ অনুৰূধ কৰাৰ স্বত্বেও মানি নোলোৱাৰ বাবে ছু কা ফাক ধৰিবলৈকে মনস্থ কৰিলে। পাত্ৰ মন্ত্ৰী সকলে আলচিলে। অৱশ্যে মন্ত্ৰী সভাৰে এচাম থাও ম্যুঙে পাণ্ডিলে যে ছু কা ফাক নধৰাই ভাল। ছু কা ফাৰ প্ৰতিও ম্যুং মাওৰ তাই পিনং তথা অনান্য অনা তাই খেক পিনং সকলেও মৰম আছে। তেওঁলোকৰ বহুতে মনে মনে ছু কা ফাকে চাওফা হিচাবে মনত ধাৰন কৰি আছিল। চিৰিং বুৰঞ্জী লিখক সকলেও বৰ ভাল

নাপাইছিল ছুকাফাৰ প্ৰতি কৰা বিদ্বেষত। কিন্তু শেষত সৰহ সংখ্যকে ছুকাফাক ধৰিবলৈকে সিদ্ধান্ত কৰিলে।

এনায়েকে ছুখান ফাক বহুতো বুজালো। 'চোবা মইনা ছেং। তুমিও ৰজা সিও ৰজা। দুই ককাই ভাই। পিনং। বঙহ। একে তেজ। একে বঙহ। একে চক্ৰ মতঙতে মাছে মঙহেৰে ভাত খোৱা মানুহ দুয়োটা। চোবা চাও চামলুংফাৰ লগত দুয়ো পূৰ্বতে খে দেশৰ সতে কমখন যুঁজিলেনে। সকলো কথা ৰাজ কাকতত লিখি থোৱা নাই। সেয়ে তুমি নাজানিবও পাৰা। ছুকাফাক নধৰিবা। সিও ম্যুং মাওৰেই মানুহ, ৰাজকোঁৱৰ। তুমি জন্ম নহ'লে সিয়েই ম্যুং মাও লুঙৰ সিংহাসনত বহিব লাগিলহেঁতেন। তুমি তাৰ লগত নুযুঁজিবা। এনেই তাৰ দুখে জুৰিছে, তাতে আকৌ তাক অপমান কৰিছা।

ছু খান ফাই একো বুজিব নোখোজে। তেওঁ অচল অটল। ছুকাফাই ৰাজ আজ্ঞা নামানে। থাওম্যুং সকলক ছুখান ফাই খাটনি ধৰিছে ছুকাফাক ধৰিবলৈ। মাকেই যেতিয়া বুজালেও ছু ফান ফাই নুবুজিলে, ম্যুং মাওৰ ভাগ্য বা ছুকাফাৰ ভাগ্য বিষম হেন জানিলে। পুতেকৰ প্ৰতি মাকৰ মৰম আছে। কিন্তু তেওঁ আনহাতে ছুকাফাৰ এনাইয়েক। ছুকাফাৰ প্ৰতিও তেওঁৰ বুকুত আছে এবুকু মৰম চেনেহ। ছু খান ফাও অযোগ্য নহয় ছুকাফাও অযোগ্য নহয়।

ছু কাফাৰ এনাইয়েকে থাও ম্যুং সকলকো বুজালে। শতবাৰ বুজালে। থাও মুং পাত্ৰ মন্ত্ৰী সকলেও চাওফা ছুখান ফাৰ দোহাই দি বুজিও নুবুজাৰ ভাও জুৰিলে।

ছু কাফাক ধৰিবলৈ এজন থাও ম্যুঙৰ তলত কেবাজনো ফু কিন ম্যুং বিষয়াক নিয়োগ কৰিলে। ঘোঁৰাৰ জিনবোৰ ভালদৰে বন্ধা হ'ল। এহেজাৰমান মানুহে কুন খিন কুন খা বোৰ সাজু কৰিলে। তথাপি ছুকাফাৰ কথা ভাবি মৃত্যুলৈ ভয় নকৰা দুজনমান থাও ম্যুঙে বাকীসকল থাও ম্যুঙক বুজাবলৈ ধৰিছিল।

ছুকাফাৰ এনাইয়েক আৰু ছুকাফাৰ প্ৰতি মৰম থকা থাও ম্যুং সকলে মনে মনে ছুকাফালৈ বাতৰি পথালে। ছুকাফাক সাজুহৈ থাকিবলৈ জনালে। এনাইয়েকে ডাঁৰৰ বাতৰি ডাঁৰে ডাঁৰে পঠাই আছিল।

চাৰি

আজি বান চি বাৰ। সময় ক্লান বাং। ছুকাফাই গোটেই খবৰটো জানিব পাৰি আজি অতিকে অস্থিৰ হৈ পৰিছে। বৰ কুঁৱৰী নাংফাই তেওঁক নানা উপায়েৰে শান্ত কৰিব লগা হৈছে। কেৱল বৰ কুঁৱৰীয়ে নহয় বাকী কিগৰাকী সৰু নাং ফা নয় সকলো ব্যস্ততাৰ

অন্ত নাই। কি হ'ব। কি নহ'ব। অস্থিৰতা, অনিশ্চয়তা।

ছুকাফা নাংফাৰ হঙ টোৰ পৰা ওলাই আহি পুনৰ কা ৰঙৰ চৌ লাইৰ ফালে চাই একেথৰে থিয় হৈ চিন্তাত নিমগ্ন হ'ল। তেওঁ জিম মৌ কালৰ পু-লিন পু-থাও সকলৰ কথা মনত পেলাবলৈ যত্ন কৰিলে। তেওঁ স্মৃতিৰ প্ৰতি কোনে কোনে ভ্ৰমন কৰিবলৈ ধৰিলে। যেন ছুকাফা এজন ধ্যান যোগী ম'লিক পণ্ডিত। পাহৰণীৰ গৰ্ভত বিলীন হৈ থকা অতীত ৰাজ্যত বিচৰণ কৰিব ধৰিলে। মে নাম, মে কং, মে নাং, দেং, নং ছে আদিৰ পাৰৰ পু-লিন পু-থাও সকল যেন মৈদামৰ পৰা ওলাই আহি তেওঁৰ মগজুত স্থিতি ল'ব। তেওঁৰ খুন আত্মাই যেন অতীতৰ বীৰ তাই ৰাজ কোঁৱৰ খুন লুং খুন লাই, থেন খাম, যাচিংফা, লেংদনৰ ওচৰলৈ ডুব মাৰি গ'ল। লা লা নাম ক খে লান অনন্ত জলৰাশীৰ পৰা যেন তেওঁ পুনাই য়া নাই পুমন প পুলিন সকলৰ আত্মা খুনবোৰ উঠাই আনিব। আকৌ যেন উজ্জীৱিত হৈ উঠিব অতীত পুৰুষ সকল। তেওঁ যেন জীম ম' কালৰ দেৱতা থাও লুং ঙামৰ দৰে গাত পাখিলগাই উত্তৰ বৰফাবৃত ধৱল পাহাৰৰ শিখৰলৈ উৰি যাব বৃহদাকাৰ স্বৰ্ণমৰ্কট ফুকাও খামৰ শৰীৰৰ পৰা ওলোৱা তেজ ল্যুত নাম এগ্ৰা পুলক মৃতসঞ্জীৱনী বিচাৰি। এই সঞ্জীৱনী প্ৰাণসঞ্চাৰণী এগ্ৰা পুলকৰ জড়িয়তে যেন তেওঁৰ আত্মাক উত্থিত কৰি তুলিব খোজে।

ছুকাফাই হুমুনিয়াহ কাঢ়ি উচ্চাৰিত কৰিলে। চাও ন্যুৱ ক্যুৱ চাও কাও অই। ফ্ৰা ত্ৰা আলং অই।

ছুকাফাৰ কা ৰঙৰ থাও ম্যুং দেৱে গোটেই ঘটনাটো আলেঙে আলেঙে লক্ষ্য কৰি আছিল। তেওঁ ছু কাফাৰ মনৰ খবৰ পাইছিল। থাও ম্যুং চাও ফ্ৰং ম্যুং দেৱে কিদৰে ছুকাফাক বচাব পৰা যায় উপায় বিচাৰি আছিল। অবশ্যে এতিয়াও তেওঁ ছুকাফাক দিহা দিব পৰা নাছিল। ছুকাফাক মাথো নিৰ্ভয় প্ৰদান কৰি আছিল। ছুকাফা ৰজা হ'বৰ দিনৰ পৰাই তেওঁ ছুকাফাৰ কাৰেঙৰ পাত্ৰমন্ত্ৰী চাও ফ্ৰং ম্যুং হৈ আছিল। চাও ফ্ৰং ম্যুং হ'ল মুখ্য বা প্ৰধান পাত্ৰমন্ত্ৰী। ম্যুং দেশৰ প্ৰধান 'থাও' বুঢ়া ডাঙৰীয়া। তেওঁৰ নাম হ'ল থাও ম্যুং বান ৰাই বা থাও ম্যুং ক্লিন মাং ৰাই। ছুকাফাৰ বাবে তেওঁ বৰ আপোন পিনং, বিশ্বাসী চাও ফ্ৰং ম্যুং।

" চাও ফা চাও লুং ম্যুং মিত কুপ ক্লিং দাও।" চাও ফ্ৰং মুং থাও ম্যুং বানৰাইৰ গহীন গম্ভীৰ গলগলীয়া মাতত চাওফা ছুকাফা সপ্ৰস্তুত হৈ উঠিল। ছুকাফাই গভীৰ তন্দ্ৰাৰ পৰা এইমাত্ৰ যেন সাৰ পাইছে। দুচকুত তেতিয়াও স্বপ্নৰ মায়াজাল। ছুকাফাই সম্বিত ঘুৰাই পাই চকু দুটা মোহাৰি হথাত কৈ উঠিলঃ-

"ছু"

"থ্ৰপ খুন চাওফা, ক্ষমা কৰিব স্বৰ্গৰ দেৱতা। কাও খা চাও ফ্ৰং ম্যুং। মই আপোনাৰ সেৱক দেশৰ পাত্ৰ মন্ত্ৰী।

"এতিয়া কি কৰা যায়। চাং নাই হেত কি নে? চাও ফ্ৰং ম্যুং ডাঙৰীয়া?

"আকাশত বিনামেঘে ৰুং ৰামধেনু ওলাইছে। আমি ধৈৰ্য্য ধৰিব লাগিব। তুমুল বতাহ বৰষুণতো যেনেদৰে ওখ ওখ তামোল গছবোৰ হালি জালি থাকিলেও ভাঙি নপৰাকৈ থাকিবলৈ ভীষণ যত্ন কৰে, আমিও তেনেদৰে প্ৰচণ্ড বতাহৰ কোবতো হালি নপৰাকৈ থাকিব লাগিব। নিজৰ মনক সবল আৰু সংযমী কৰি তুলিব লাগিব। আমি শীঘ্ৰেই গভীৰ ভাৱে চিন্তা কৰি চাব লাগিব।"

ছ্যুকাফাই প্ৰধানমন্ত্ৰীজনাক উদ্দেশ্যি ক'লে "মই ভাবিছো আমি পূব আৰু পশ্চিম এই দুয়ো দিশৰ ফালে খবৰ কৰি চাওঁ। পূব ফালে গলে আমি লাৱা, ৱা, লাহো, মেও, কাৰেন জাতি সকলক পাম। তাৰ মাজে মাজে আমাৰ ম্যুং তাই কিছুমানো আছে। অৱশ্যে আখা আৰু মিয়াও সকলো পোৱা যাব। নামকিউ ইৰাৱতীয়েদি উজাই গলেও ন মাই খা মাৰ্লিখায়েদি গৈ বত সকলৰ (তিৰ্বত) ৰ ওচৰ পামগৈ বা আমাৰ পূৰ্বতে গৈ থকা পিনংসকলক চিংফৌ সকলৰ মাজত খামতি নামৰ ঠাই পামগৈ। তাতো ঠাই তাকৰ বুলি জনা গৈছে। চালৱিনে উজাই গ'লেও ৱত বিলাকৰ দেশ পামগৈ। তাতে পাহাৰীয়া ঠাই। সমতল খণ্ড আমাৰ পূৰ্বৰ পিনং সকল থকা নং ছেৰ পাৰ তালি ফু পামগৈ। তাতো লাহে লাহে উত্তৰৰ পৰা বাই সকল আহি বসতি স্থাপন কৰিছেহি। আপুনিও ভাৱক থাও ম্যুং দেৱ। আমি এই স্থান পৰিত্যাগ কৰাই মংগল হ'ব পাৰে। আমাৰ পশ্চিমে থকা ম্যুং কঙৰ চাওফা নয় ছান ফাৰ ওচৰলৈকে যোৱাও ভাল হ'ব পাৰে। তেওঁৰ সহায় বা আশ্ৰয় ভীক্ষা কৰিব লাগিব। নতুবা তেওঁৰ সহায় লৈ অধিক পশ্চিমলৈ য'ত চৰাই শেৱে তালৈকে যাব পাৰো। ভাটিৰ দেশখন ম্যুং লাও তি ৰৈছালিছা বুলিও আমি জানো। সেই কথাও ভাবি চাব পাৰোঁ। খা খাং আদি সকলকো দয় কাও ৰঙৰ ইপাৰে সিপাৰে পোৱা যায়। আমাক পুলিন পুথাওৰ দিনতে কুন তাই মানুহবোৰ যাক আমি ফু খাও আন কাও বুলি জানো বা যাক আমি 'চাম ৱা' ম'তক বুলি কওঁ তেওঁলোকো আছে। আমি গলেতো তেওঁলোকে আমাৰ পুৰনি মানুহে আমাক আদৰি ল'ব। কি ভাবে থাও ম্যুং ডাঙৰীয়া কথাবোৰ শীঘ্ৰেই ভাবি উলিয়াবৰ হ'ল। পশ্চিমে খেতিৰ মাটিও বোলে আছে। খুন লু চ্যেও কেবা শ বছৰৰ পূৰ্বেই সেই ফালে গৈছিল। তেওঁ সেই ফালে গৈ তিমাওছা তিও ৰা সকলক পাইছিল বোলে। পাহাৰবোৰ পাৰ হৈ গলেই আমি বহু সমতল নাম তি লাও নদীৰ পাৰত বহুত ঠাই আছে। মু নান ফু খাও আন কাও তুন ফান মতক। ম্ৰান বদৌফা, বংগিপফা, জালিপফা এইসকল আছে। মানুহ কম আছে। তাই মাও দুই এঘৰো আছে।

এই সকলে নিশ্চয় আমাক আদৰি নোলোৱাকৈ নেথাকে। তি লাও দৈ লাও, দিওৱা-ছ্যু তিউয়া সকলো আছে। মিলিব জিনিব পাৰিম মন্ত্ৰীসকল ভাবি চিন্তি চাওক।

ছ্যুকাফাই গভীৰ চিন্তাত ডুব গ'ল।

পাঁচ

ছ্যুকাফাৰ কথাখিনিয়ে থাও ম্যুংৰ মনত জোৱাৰ তুলিলে। থাও ম্যুং থাও লুং, ফুকিন ম্যুং ফুকন আদি মূল মূল মানুহবোৰে গোটেই দিনটো বিষদভাৱে আলোচনা কৰিলে। ছ্যুকাফাৰ তিনিও গৰাকী নাংফাও এই আলোচনাত যোগদান কৰিলে। বিশেষ একো সিদ্ধান্তত তেওঁলোকে উপনীত হ'ব পৰা নাই।

গোটেই ৰাতি ছ্যুকাফাৰ চকুত টুপনী নাহিল। বিচনাত পৰি চটফটাই থাকিল। চকুৰ আগত এবাৰ সোণৰ থিনখাম খন ভাঁহি উঠে। আনহাতে অপমানিতবোধ কৰি অন্তৰত প্ৰতিহিংসাৰ জুইকুৰাইয়ো জ্বলি উঠোঁ উঠোঁ কৰে। আকৌ ভাতৃ প্ৰীতিয়ে, জ্ঞাতি প্ৰীতিয়ে মনটো কোমলাই পেলায়। তদুপৰি লগে লগে হাবি বননিৰ পাহাৰ কন্দৰৰ দুৰ্গম পথৰ কথা ভাবি গা শিহঁৰিত হৈ উঠে। ৰং তি নন শোৱনি কোঠাটোত জ্বলি থকা নাহৰ গুটিৰ জুইকুৰা জ্বলি জ্বলি শেষ হৈ গৈছিল। গুটিবোৰ পিং দি থোৱা লোহা লেক মাই কি ডাল ৰঙা হৈ আন্ধাৰত জিলিকি উঠিল।

পুৱতি পৱতি কাই খেনৰ প্ৰথম কুকুৰাই ডাক দিছে। ফেঁচা নুক হএৱয়ে উৰুলি দিছে। পাৰই ৰুন দিছে ৰাজধানীৰ গড়ৰ সিপাৰৰ নংখাম বিলৰ পাৰলৈ মহৰ গোৱালবিলাকে মহৰ পিঠিত বহি দীঘলীয়াকৈ ম' খাম পি হুৰ উকি মাৰিছে ৱ ৱ ৱ ই ই ই। সিহঁতৰ উকিৰ মাতে কুঁৱলি ফালি ফালি আহি ছ্যুকাফাৰ কানত পৰিলহি। এই মধুৰ দেশখন ছ্যুকাফাই আজি এৰি যাব লাগিব চিৰদিনলৈ। এই ম' খাম পি হু ৰ বিহুৰ সুৰৰ মন জোৰোৱা ধ্বনি এই দেশৰ আকাশে বতাহে উৰি ফুৰিছে। তেওঁ কেনেকৈ এনে আটক ধুনিয়া দেশখন মনোৰম ম্যুং তাইখন ত্যজিব।

চিলমিলকৈ ছ্যুকাফাই অলপ চকু মুদিলে দিঠক দিঠক লগা সপোন এটা দেখিলে ছ্যুকাফাই চিলমিলকৈ। বগা মহ এটা আকাশেদি উৰা মাৰিছে। দীঘলীয়া ৰঙা জিভা মেলা এটা বৃহদাকাৰৰ সৰ্পাকৃতিৰ সিংহ যেন মহাকাশৰ পৰা তেওঁৰ চাৰিওফালে ঘুৰি ফুৰিছে। আকাশৰ ওপৰত বিৰাট তাই সকল সাহসী মানুহ। এনে সাহসী মানুহ হৈয়ো তেওঁলোকে কিয় নোৱাৰিব নতুন ৰাজ্য গঢ়িব। অতীত কালতেই তেওঁলোকে বহু শক্তিশালী ৰাজ্য গঠন কৰিছিল।

ছ্যুকাফাৰ মনত সাহস গোটাবলৈ ধৰিলে। তেওঁ ভাবিলে। আমাৰ পূৰ্ব পুৰুষ সকলে বোলে অতীতত বিখ্যাত শক্তিশালী দাই য়ান য়ু ৰাজ্য গঢ়িছিল। পশ্চিমে তাংচি আৰু উত্তৰেয়ে য়ু পৰ্যন্ত এই ৰাজ্যৰ বিস্তৃতি আছিল। আমাৰ পূৰ্ব পুৰুষৰ তংচি খনেই বোলে বৰ্তমানৰ খে সকলে কোৱা বাওশ্বান আৰু য়ে য়ু খনেই খে সকলে কোৱা দালি ফু। খে সকল বোলে সেই ৰাজ্যত সোমাবলৈ য়ু সকল- অৰ্থাৎ অতীতৰ আমাৰ পূৰ্ব পুৰুষসকলৰ অনুমতি লব লাগিছিল। আমাৰ মলিকসকলে কোৱামতে আমাৰ পূৰ্বপুৰুষ 'য়ু' সকলে বোলে ম্যুং কেছে(মনিপুৰ) আৰু লাও তিলৈকেলুইত ৰাজ্য বহলাইছিল। আনহাতে পূবে সাগৰৰ পাৰলৈকে আমাৰ পিতৃ পিতামহ সকল গৈছিল। তেতিয়াহলে মই কিয় নোৱাৰিম। ময়ো পাৰিব লাগিব -বহু পাহাৰ নদ নদী পাৰ হৈ ন দেশ ম্যুং গঠন কৰিবলৈ। পাৰিবই লাগিব। আমিও য়ু সকলৰ লেংদনৰ নাতি পুতি।

তেওঁলোকৰ লগত নিয়মীয়া যুদ্ধাৰু সৈন্যও যাব। হাতী ঘোঁৰা এই সকলোবোৰ যাব। যুদ্ধৰ সকলো সাঁজ সজুলী, ম্যুং মিতত থকা ৰাজভঁৰালৰ সকলো ধন সোণ অৰ্থকড়ী ৰাজ সম্পত্তি ঢাল তৰোৱাল অস্ত্ৰ সস্ত্ৰ সকলো লৈ যোৱা হ'ব। তাই জাতিৰ পৰম্পৰাগত পুথি পাঁজি, তাই সাংস্কৃতিক বাদ্য যন্ত্ৰ, ঘৰুৱা সাঁজ সঁজুলী বন্য আৰু খেতিৰ সা সঁজুলি ধান আদিৰ শস্যৰ বীজ, না না বিভাগত দক্ষতা থকা লোক সকলো যাব। যিসকলে বিয়া বাৰু কৰালে তেওঁলোকে চিৰদিনৰ বাবে ৰাজ্য এৰি যাব। ঘুৰি আহিলেও বেছি দিনৰ বাবে নহয়। দুজন এজনহে আহিব। আকৌ ঘুৰি যাব নতুন ৰাজ্যলৈ নতুন খেতি পথাৰলৈ নতুন মানুহৰ মাজলৈ। যিসকলে বিয়া বাৰু কৰা নাই, তেওঁলোক তেনেদৰেই যাব। তেওঁলোকৰ লগত ছোৱালীও যাব। বাটে পথে তেওঁলোকেই বিয়া সোমাব। সৰু লৰা ছোৱালীবোৰ বাটে বাটে ডাঙৰ হ'ব। সেইদৰেই ডাঙৰ হ'লে সিঁহতে বিয়া কৰাব। বাটে পথে তেওঁলোকৰ মানুহ পালে গোটাব। খেতি খোলা কৰিবই লাগিবৰ ধান খেতি কৰা মানুহ তেওঁলোক। শালী ধান। পানীত বোকা লেটিয়াই খেতি কৰা মানুহ। পাহাৰৰ ওপৰতো পানী গোটাই বোকা লেটিয়াইহে তেওঁলোকে খেতি কৰিব। খে দেশৰ পিনে কত' এনে মাটিৰ পাহাৰৰ ওপৰত তেওঁলোকৰ পুলিন পুমন সকলে এৰি আহিছে। এতিয়াও আছে বহু অতীত মানুহ বাই য়ু বুলি কোৱা মানুহ। বৰা ধানৰ খেতি কৰা মানুহ। গৰু. মহ, ঘোঁৰা, হাতী, হাঁহ কুকুৰা গাহৰী সকলোবোৰ লৈ যাব। প্ৰতিটো পৰিয়ালেই সুসৰ্জ্জিত হৈ যাব। প্ৰতিটো পৰিয়ালৰ এজন বা দুজন নিয়মীয়া যুদ্ধাৰু। লেখৰ যুদ্ধাৰু লেখৰ মানুহ। বাকী লেখত ধৰা নহ'ব লৰা তিৰী ছোৱালী। কঠিয়া তুলিবলৈ, ৰোৱা ৰুবলৈ, ধান দাবলৈ, ধান বানিবলৈ, ভাত সিজাবলৈ, লাওপানী বনাবলৈ তিৰুতা যাবই লাগিব। সকলো বিধৰ মানুহ। তেওঁলোক সাজু হ'বৰ হ'ল। সময়

বৰ কম।

ছুকাফাৰ এনাইয়েকে আগতীয়াকৈ চিঠি পঠালে ছুকাফালৈ। একেটা চোঙতে দুটা বাঘ নাথাকে। তোমালোক ছু বাঘ। বাঘৰ সন্তান। একেটা চোঙতে থাকিলে কাজিয়া হ'ব। ৰজা এটাহে এটা চুঙত থাকে। তুমি যাব বিচাৰিছা ভালেই হৈছে। যোৱা ভালে ভালে যাবা। চুমছেং তোমাৰ সাৰথী হ'ব। কং, ছেং, পি, থাই, খাও, হু, খাই, পেত মু সকলো তোমাৰ লগৰ লগৰীয়া সাৰথী। লেংদনে খুনলুং খুন লাইক এইদৰেই পঠাইছিল ম্যুং ফীৰ পৰা ম্যুং ৰী ম্যুং ৰামলৈ। ফা ত্যুৱ ছিং তোমাৰ প্ৰতি সুপ্ৰসন্ন। পু ফী ছুৱে এতিয়াও তোমাক বৰ গছ তুন ৰুং ৰাইৰ তলৰ সিংহাসনৰ পৰা চাই আছে। তুমি নিৰ্ভয়। কন ফা ফুক ধবল পাহাৰ যেনেকৈ সোণালী হৈ পৰিছিল তোমাৰ নতুন দেশো সোণালী স্বৰ্ণময় বাগিছা হৈ পৰিব।

শৰীৰৰ সমগ্ৰ আকাশখন ব্যাপ্তমান হৈ থকা ফ্ৰা ফা ত্যুৱ ছিং ফ্ৰং হুম ভাষমান হৈ আছে। অপলক নেত্ৰে যেন তেওঁলৈকে চাই আছে।

ছুকাফাই সপোনটোৰ অৰ্থ একো বুজি নাপালে। তেওঁ মাথো ধাৰনা কৰিছে তেওঁৰ মংগলেই হ'ব সৰ্বশক্তিমান ফা ত্যুৱ ছিং ফ্ৰং হুমৰ তেওঁ দৰ্শন পাইছে। কিবা নহয় কিবা এক উপায় ওলাব।

আজি তিনিবছৰেই হ'ল ম্যুং মাওৰ ৰাজধানীৰ পৰা আঁতৰি অহা। ম্যুং মাওলৈ তেওঁ গৈছে যদিও ৰাজধানীলৈ যোৱা নাই। অৱশ্যে ম্যুং মাওৰ ৰাজধানীৰ বিশেষ বিশেষ মানুহ বহুবোৰ তেওঁ লগ পাইছে যোৱা দুবছৰত। প্ৰায় বহুতেই তেওঁ দুৰ্ভাগ্যত দুখ প্ৰকাশ কৰিছে।

ছুকাফাই জৰুৰীভাৱে মন্ত্ৰীপৰিষদ আহ্বান কৰিলে। কটকীয়ে মন্ত্ৰীসভাৰ সকলো ডা ডাঙৰীয়াৰ পুৱাৰ ভিতৰতে খবৰ দিলে।

ছুকাফাৰ মন্ত্ৰী পৰিষদ বহিল। তেতিয়া সময় দিনৰ দুপৰীয়া। মু ক্লাং বান। বেলি মূৰৰ ওপৰত। গাৰ ছাঁটো গাতেই লুকাই থাকে। ছুকাফাৰ সুসৰ্জ্জিত সোণালী ৰং কৰা চাৰিমহলীয়া ওখ কা ৰং। কাৰঙৰ হ' লুঙটোৰ সোঁমাজৰ ওখ জোঙা অঞ্চল বেলিৰ পোহৰত তিৰবিৰাই জিলিকিছে। কেইবা তৰপীয়া ঘুৰণীয়া তুপ বিলাকৰ পৰা কাঠৰ ৰং খটোৱা ছেং বং ফ্ৰা সোণালী পাখিযুক্ত সিংহাকৃতিৰ ছেংবোৰ জিলিকি উঠিছে।

য়াম মণ্ডত কোব পৰিল। ঢং ঢং ঢং। ৰাজধানী ছে ম্যুঙত উথপ থপ লাগিল। আজি আকৌ হঠাত কি হ'ল। কোনো আগজাননী নোহোৱাকৈ আজি ৰাজসভা কেনেকৈ বহিল, কিয় বহিল। চৌ দিশে হুৱা দোৱা। ৰাজ্যত কি হৈছে। কিবা বিপদৰেই আগজাননি নেকি এয়া। সকলোৱে জানিবলৈ উৎসুক হৈ পৰিল। ছে ম্যুং ছেলুঙৰ চোকে কোনে

বিভিন্ন ডা ডাঙৰীয়াৰ মাজত ৰম কান প্লং কান হ'বলৈ ধৰিলে। কোনেও একো কথা থিৰাংকৈ তং কৰিব নোৱাৰিলে। পুখুৰীৰ পাৰত ফু স্লিং মাইকী মানুহবোৰে ফুচ ফুচাই কথা পাতিব ধৰিলে। ৰাজ্যত কিবা কালই খন অহা নাইটো, কিবা অথন্তৰেই ঘটিল নেকি? প্ৰায় সকলোৱে আতংকত শিহঁৰিত হৈ উঠিল।

মন্ত্ৰী পৰিষদত সকলো কথা চালি জাৰি চাই সিদ্ধান্ত হ'ল যে তেওঁৰ সহগামী সকলক লৈ ছ্যুকাফাই বান তুক পূবৰ পালে গৈ ম্যুং তাই গঠন কৰিবলৈ যত্ন কৰিব। প্ৰয়োজন হ'লে তেওঁলোকে অভিযান চলাব। চিৰদিনৰ বাবে তেওঁলোকে ম্যুং মিত ম্যুং মাও কুপ কেং লাও এৰি যাব। তেওঁলোকৰ ভাগ্য নতুনকৈ নিৰ্মানি কৰিবলৈ চুম ছেং চুম ফ্ৰা বু ম ছেং ম্যুঙে তেওঁলোকক পথ দেখুৱাব। পু ফীছু ডাও খামৰ দিনৰ পৰাই তেওঁলোকে বুম ছেং ম্যুং কঢ়িয়াই আনিছে। এই 'বুম ছেং ম্যুং' দেৱতা হ'ল 'চুম ফ্ৰা'। যাৰ হাতত বুম ছেং ম্যুং' বা চুম ফ্ৰা বুম ছেং ম্যুং' অমূল্য ধাতব পাথৰৰ মোহৰ যুক্ত দেৱ প্ৰতীক থাকিব তেঁৱেই ৰাজশক্তিৰ অধিকাৰী হ'ব। চুম ছেঙে তেওঁক সহায় কৰিব।

ছয়

ছ্যুকাফাৰ অনুগামী কেইবাখনো সৰু সৰু তাই ৰাজ্যলৈ খবৰ পঠোৱা হ'ল আৰু এই সিদ্ধান্তৰ কথা জনোৱা হ'ল। ছ্যুকাফাৰ ৰাজ্যৰ পৰা ঘোঁৰা বা নাৱেঁৰে দুদিনৰ পৰা দহ দিনৰ দূৰত্বৰ সকলো ঠাইলৈকে চাওফা আৰু ফুকিন ম্যুং সকলক জনোৱা হ'ল। ফু কিন ম্যুং সকল হ'ল এখন ডাওৰ ম্যুঙৰ ভিতৰৰ একো একোটা অঞ্চলৰ ৰাজ্য খোৱা 'কিন ম্যুং' ৰ ফু অৰ্থাৎ বিশেষ মানুহ। নিজা ৰাজ্য ম্যুং খনৰ সকলো মানুহকে পাঁচদিনৰ ভিতৰত কং বা ঢোল বজাই জনোৱা হ'ল। সকলো ৰাইজ সাজু হওঁক। আমি পূব ফালৰ ম্যুং পাকামলৈ অলপতে উঠি যাম। নতুন ৰাজ্য নতুন ম্যুং নতুন না পথাৰ খুলিবগৈ লাগিব। সকলো বয় বস্তু গৰু গাই নাঙল যুঁঙলী অস্ত্ৰ সস্ত্ৰ দা কুঠাৰ, ধান মাহ, গছ গছনী, মুগা পাটপলু এৰি পলুৰ সঁচেৰে সাজু হওঁক। গছ বন সকলো সঁচ সাৰ্চী লওঁক।

প্ৰায় পোন্ধৰ দিন কাৰো শুৱন খাৱন নাই। কেৱল কাম আৰু কাম। দূৰ দেশলৈ যোৱাৰ যুদ্ধকালীন প্ৰস্তুতি। ম্যুং মাও ম্যুং মিত এৰি যাব লাগিব। মাও তাই লোক। প্ৰস্তুতি চলিল। দা কটাৰি ধৰোৱা, কুঠাৰ কোৰ গঢ়া, জাঠী বৰ্চা, কাঁড়, ধেনু, সৰু সৰু হিলৈ গঢ়া কামত মানুহ ভাগে ভাগে ব্যস্ত হ'ল। কাৰোবাৰ তাঁতশালত দুখনমান গামোছা ফাচিতফাচাই টঙালী, ফা খ্যু তং বৈ শেষ কৰিবলৈ বাকী আছিল বৈ শেষ কৰিবলৈ উথপ

থপ লাগিল। খেনোৰ আকৌ কবচ কাপোৰ বোৱা হোৱা নাছিল, সেইবোৰ বৈ পেলালে। চিত্ৰকৰ সকলে কাপোৰত আঁকা চিত্ৰত ৰং দিবলৈ বাকী আছিল যদি তাকো শেষ কৰিবলৈ খদম দম লগালে। বোজা ববলৈ ভাল ভাল গাঠী ঘন বাঁহ গোটাব ধৰিলে। যুদ্ধৰ বাবে সাজু কৰা ঘোঁৰাৰ উপৰিও বস্তু কঢ়িয়াবলৈও বহু পৰিয়ালে নিজা নিজা ঘোঁৰা ললে।

জী খাও ধানৰ ভঁৰালৰ পৰা ধানৰ ভাল ভাল জাত উলিয়াই মৰণা মাৰি সঁচৰ বাবে তালি টুপুলা বান্ধি ল'লে। খাবৰ বাবে টোমে টোমে চাউল উলিয়াই ল'লে। আঠাযুক্ত চাউলৰ ধান আৰু খাও ন্যুং বৰা ধানৰ সঁচ ল'বলৈ কোনেও নাপাহৰিলে। হেজাৰ হেজাৰ বছৰৰ পূৰ্বৰ পৰা কঢ়িয়াই অনা ধান বৰা ধান। বহু বিধৰ বৰা। বৰা ধানৰ কোমল চাউল, চিৰা, সান্দহ আদি খুন্দি প্ৰস্তুত কৰিলে। বাটত খোজ কাঢ়ি গ'লে হয়তু কেতিয়াবা কেবাদিনো খোজ কাঢ়িব লগা হ'ব পাৰে, সেয়ে ছেৰা দিয়া বৰা ভাত বনোৱা, খাবলৈ শুকান মাছ শুকান মাংস আদি টোমে টোমে প্ৰস্তুত কৰি ল'লে।

প্ৰেমিক প্ৰেমিকা সকলে এৰা এৰি হ'ব লগা হয় নেকি তাক জুখি মাখি চালে। কিবা কাৰণত যদি কাৰোবাৰ এৰা এৰি হ'ব লগা অবস্থা হৈছে তেওঁলোকে চিৰদিনৰ বাবে বিদায় মাগিছে। কোনো কোনোৱে বুকুৰ পুৰণি মাৰ নিয়াব নোৱাৰি চলে বলে কৌশলে ডাঙৰৰ চকুত ধুলি মাৰি পলুৱাই নি নিজে ঘৰ পাতি লৈছেগৈ। ডাঙৰসকলে এয়া অপৰাধ যেন লাগিলেও চেনেহৰ এনাজৰীডাল নিচিঙিবলৈকে আপত্তি নকৰিলে বা নকৰিবলৈকে সিদ্ধান্ত লৈছে। আলৰ বুঢ়া বুঢ়ী কিছুমানে স্বইচ্ছাই এইখন দেশতেই হাড় পেলাম বুলি নাযাবলৈকে ঠিক কৰিলে। খেনোৱে পু থাও প তা সকল আলৰ বুঢ়া হ'লেও এৰিব নোৱাৰি পাচি বা খাং অথবা দোলতে তুলি আনিবলৈ সিদ্ধান্ত কৰিলে।

ছ্যুকাফাৰ মূল মন্ত্ৰী থাও ম্যুং বান ৰাইয়ে ৰাজ ভঁৰাল তথা সৈন্য সামন্ত আৰু যুদ্ধৰ বাবে কুন বিন কুন খাৰ যোগাৰ কৰাত তদাৰক কৰিলে। এই সকলোবোৰ যা যোগাৰ সম্পূৰ্ণ হ'ল প্ৰায় পোন্ধৰ দিনৰ ভিতৰত।

হথাৎ ঘোঁৰাত উঠি প্ৰায় ত্ৰিশজনমান সৈনিক ম্যুং মাওৰ পৰা আহি ম্যুং মিতৰ ৰাজধানী পালেহি। ছ্যুকাফাৰ সৈন্যই দিনে নিশাই পহৰা দি আছিল ৰাজধানী। হৰ্থাৎ ম্যুং মাওৰ সৈনিক দেখি ৰখীয়া সকলে হেংদাং দাঙি লৈছিল। কিন্তু আক্ৰমন আৰু প্ৰতি আক্ৰমন সংঘটিত নহ'ল। ম্যুং মাওৰ সৈন্যই বগা পতাকা উৰুৱাই শান্তিৰ বাণী শুনালে। ছ্যুকাফাৰ এজন সৈন্যই হাতত খোলা তৰোৱাল লৈ খেদি গৈ ম্যুংমাওৰ সৈনিকৰ ওচৰেই পাইছিলগৈ। কিন্তু দুয়ো ফেপেৰি পাতি ধৰোঁতেই দল পতিয়ে পিছ হুহকি অহাৰ আদেশ দিলে।

ম্যুং মাওৰ দলপতিয়ে জনালে যে তেওঁলোক আহিছে ছ্যুকাফাক অৱজ্ঞা কৰিবলৈ

নহয়। ছ্যুকাফালৈ তেওঁলোকৰ কুমলীয়া ৰজাৰ শুভেচ্ছা লৈহে। ছ্যুখানফাৰ আদেশ যদিও ছ্যুকাফাই নুশুনিলে ছ্যুকাফাক তেওঁ শত্ৰুতা কৰা নাই বুলি জনালে। কিয়নো ম্যুং মাওৰ বাবে ছ্যুকাফাই বহুবছৰেই কাম কৰি আহিল। তদুপৰি ম্যুং মাওৰ সুৰক্ষাৰ বাবে তেওঁ পূৰ্বতেও খে সকলৰ লগত যুঁজিছিল। সদ্যহতে খে ৰাজ্যৰ লগত বিশেষ যুঁজ কৰিব লগা কাৰণ নোহোৱা হ'ল। য়ুন লুঙৰ লগতো বিবাদ প্ৰায় মিমাংসা হ'ল। যুদ্ধৰ সুত্ৰপাত নহ'ল। জ্ঞাতি ৰজা, সকলো আলোচনাৰে মিত মাত হ'ল।

ম্যুং মাওৰ আলহীক আদৰ অপ্যায়ন কৰা হ'ল। ম্যুং মাওৰ ৰজা ছ্যুখান ফাৰ মনৰ খবৰ তথাপিও ছ্যুকাফাই বুজিব পাৰিল। ম্যুং মাওৰ মত ভবিষ্যতে সলনিও হ'ব পাৰে। সেয়ে যি এবাৰ সিদ্ধান্ত হ'ল তাক পৰিবৰ্তন কৰা উচিত নহ'ব। ম্যুং মিতৰ পৰা কিছু আঁতৰি অহাই শ্ৰেয়। ছ্যুখানফাৰ ৰাজ্যৰ সীমা বহলোৱা মন নিশ্চয় পুনৰ শীঘ্ৰেই জাগৰণ হ'ব। এয়া হ'বই লাগিব। ৰাজ্য নবহলালে, খেতি খোলাৰ মানুহ নবহালে ম্যুং মাও আগবাঢ়ি নাযাব। হান সকল খে সকলে এইদৰেই বিভিন্ন জনগোষ্ঠী সন্নিহিত কৰি বৃহত্তৰ সীমাৰে ৰাজ্য বহলালেহে নিশ্চয় দেশৰ প্ৰগতি হ'ব। সেয়ে ছ্যুকাফা বদ্ধ পৰিকৰ।

পি লাক্নি কাতৰাওত ছ্যু খান ফা ম্যুং মাওৰ ৰাজপাটত উঠাৰ পৰাই ছ্যুকাফাৰ মনত সাগৰৰ জোঁৱাৰ ভাটা উঠি আছিল।

ছ্যুকাফাক ম্যুং মাওৰ ৰাজধানীলৈ নিমন্ত্ৰণ কৰি বন্ধু ভাবেৰে এখন চিঠিও পঠাইছিল। অৱশ্যে চিঠি খনত ৰজাৰ চহী নাই। আছিল এখন থাও ম্যুঙৰ। এবাৰ দুবাৰ বহুবাৰ ভাবিলে ছ্যুকাফাই। ওহোঁ কব নোৱাৰি এয়া হয়তু ষড়যন্ত্ৰও হ'ব পাৰে। মই নিশ্চয় পুনৰ ম্যুং মাওলৈ বিশেষত ৰাজধানী চে লুঙলৈ যোৱা সমীচিন নহ'ব। থাও ম্যুং সকলেও তেনেই পৰামৰ্শ দিলে। স্বৰ্গৰ দেৱতা ঈশ্বৰ। কেতিয়াবা নিজৰ অভীষ্ট সিদ্ধিৰ হকে বঙহেহে মঙহ খায়। আপুনি নোযোৱাই শ্ৰেয় হ'ব। কাটকেই বা মাৰক গ'লে আমাৰেই কোনো এজন গৈ চাম। মন্ত্ৰণা ষড়যন্ত্ৰ অথবা মংগলজনক উদ্দেশ্য হ'লেও গম পাম, কিছুদুৰ ঘোঁৰাৰে গৈ একাংশ নাম মাও নদীয়েদি নাঁৱেৰে যাম।

কিন্তু ক'লৈ যাব ছ্যুকাফা। এতিয়াও থিৰাং কৰিব পৰা নাই। দয় কাও ৰঙ পাৰ হৈ পশ্চিমলৈ যাব নে পুব পাৰেই থাকিব। ম্যুং কঙৰ সীমাৰ ভিতৰত নয় চান ফাই দিব জানো থাকিবলৈ। দিলেও কিমান দিন। স্থায়ীকৈ থকাৰ বাবে সুচল নহ'ব। খা খাং আদি সকলৰ দেশকে ভাঙি লওঁগৈ নেকি? নে খা মেন দাম সকলৰ ৰাজ্যতে ঠাই পাম। তেওঁলোকেওতো যুঁজ দিব। চাব লাগিব যুঁজ নকৰাকৈ পাৰি নেকি। আমি ৰাজ্য বনাম, খেতিৰ পথাৰো খুলিম। স্থানীয় মানুহকো লগ ল'ম। তেওঁলোকৰ কথা বতৰা মানুহ আমাৰ মাজত লম। মানুহো বাঢ়িব। খেতিও বাঢ়িব। ইৰাৱতী নামকিউ পাৰহৈ বহু মাটি

আছে। তাতে খা মেন দাম সকলৰ কাষে পাজে তাহানি আমাৰ পং মাওপং তাই লোকৰো গাওঁ আছে। তেওঁলোকক মাও তাই বোলা হয়। নামনিৰ ফালে কেছে বা মেই তেই বুলিও স্থানীয় লোকসকলে উচ্চাৰণ কৰে। তেওঁলোকে মাও তাই উচ্চাৰণ ফুটাব নোৱাৰে। মাও তাই মানে আমাৰ মাওলুঙৰ পৰা যোৱা তাই মানুহ-তাই পং, মাও তাই, মেই তেই-মে তেই। সেই ফালেও যাব পাৰোঁ। তাৰ মাও তাই বোৰে বহুতেই ভাষা কিছু হেৰাইছে।

ম'লিক ম'লাই পণ্ডিতসকলেও পুথি পাঁজি চাই ছ্যুকাফাক পশ্চিমলৈকে যোৱা উত্তম হ'ব বুলি পৰামৰ্শ দিছে। থাও ম্যুং থাও লুং সকলেও তাতেই হয়ভৰ দিছে। ফেলুং ফেবান পুথি তেওঁলোকে ভালদৰে চাই চাইছে। দুক কাই ছেং অৰ্থাৎ কুকুৰা ঠেঙেৰে মঙ্গল চোৱা পুথিও তেওঁলোকে চাইছে। বান তাও গাঁৱৰ ম'লিকসকলে ছ্যুকাফাক কেবাবাৰো লগ ধৰিছে।

বহু আলোচনা বিলোচনা কৰি ছ্যুকাফাই ৰাজসভাৰ পৰা এজন চৌখাম কটকী পাছজন অশ্বাৰোহী গা-ৰক্ষীৰে সৈতে ম্যুং কঙৰ নয় চান ফাৰ ওচৰলৈ পঠালে। তেওঁলোকে পাঁচ দিনৰ ভিতৰতেই ম্যুং কং পালেগৈ। ৰাতি তিনি চাৰি ঘণ্টা জিৰনি লোৱাৰ বাহিৰে ৰোৱা নাই। মাথো কেতিয়াবা ভাত সিজাওতে খাওঁতেহে কিছুসময় গৈছে। প্ৰায়ে সিজোৱা খাও এঞেউ চেৱা দিয়া বৰাভাত আৰু খাও মাই লাম চুঙা চাউলকেই শুকান মঙহেৰে বাটত খাই গৈছিল। দহ দিনৰ ভিতৰত তেওঁলোক ঘুৰি আহি ছ্যুকাফাৰ ৰাজসভা পালেহি।

ছ্যুকাফা তেতিয়াও অস্থিৰ হৈ আছিল। অপমানৰ বোজা তেতিয়াও বব পৰা নাছিল। ছ্যুকাফাৰ তেতিয়াও সন্দেহ হৈ আছিল ছ্যুখান ফাই ম্যুং মিত দখল কৰিব। ইতিমধ্যে ছ্যুখানফাৰ নিৰ্দ্দেশত কেবাখনো সৰু সৰু ম্যুং তাইয়ে ম্যুং মাও প্ৰধানৰ অধীনত্ব মানি লৈছে বুলি ছ্যুকাফাই খবৰ পাইছে। ম্যুং জিনৰ ৰজা তাও নয় ছে আৰু শ্বেন ৱি ৰাজ্যৰ চাওফা ৰজাইও ছ্যু খান ফাৰ নিৰ্দ্দেশ মানি তেওঁৰ অধীনত্ব স্বীকাৰ কৰি লৈছে। নয় ছান ফাই অৰ্থাৎ ম্যুং কঙৰ ৰজাই ছ্যুকাফাক তেওঁৰ দলেৰে সৈতে ম্যুং কঙৰ সীমাৰ ভিতৰত অস্থায়ীভাবে থাকিবলৈ অনুমতি দিলে। প্ৰাথমিক অনুমতি পাই ছ্যুকাফাই ততাতৈয়াকৈ প্ৰস্তুতি চলালে। চুং কুৱ ৰাজ্যখনো ছ্যু খান ফাৰ তললৈ যাওঁ যাওঁ। এইসময়ত অধিক প্ৰতিবাদ কৰি মুখা মুখি নহৈ আঁতৰি যোৱাই ভাল হ'ব বুলি ছ্যুকাফাই আঁতৰি শ্ৰেষ্ঠতম কথা বুলি ধাৰণা কৰিলে। প্ৰয়োজন হ'লে ম্যুং কং ৰাজে মানুহ আৰু অস্ত্ৰ সস্ত্ৰেৰে সহায় কৰিব বুলি প্ৰতিশ্ৰুতি দিলে।

প্ৰায় বিশ দিনৰ ভিতৰত সৰু সৰু ম্যুং তাই কিছুমানৰ ফু কিন ম্যুং সকল অস্ত্ৰ সস্ত্ৰ আৰু মানুহ দুনুহেৰে সৈতে ম্যুং মিত পালেহি। এইসকল ফু কিন ম্যুং ছ্যুকাফাৰ অত্যন্ত অনুগামী আছিল। তেওঁলোকে পূৰ্বতেও ছ্যুকাফাক মাজে সময়ে সৈন্য সামন্ত দি

সহায় কৰিছিল ছুকাফাৰ নেতৃত্বক তেওঁলোকে বৰ সন্মান কৰিছিল আৰু বিশ্বাস কৰিব পাৰিছিল। সেয়ে তেওঁলোকেও ছুকাফাৰ লগতে ভাগ্য নিৰ্ণয় কৰিবলৈ কোনো কুণ্ঠাবোধ কৰা নাছিল।

ছুকাফাৰ ওচৰলৈ অহা বিভিন্ন 'ফু কিন ম্যুং' ৰাজ্য খোৱা বিষয়াৰ ভিতৰত ম্যুং খুন, ম্যুং গ্ৰু দয়, ম্যুং খা ম্যুং পুন, ম্যুং ফু আৰু ম্যুং লিৰ এই পাঁচগৰাকী উল্লেখযোগ্য। ম্যুং খুনৰ ৰাজ্যৰ ফু কিন ম্যুং (ৰাজখোৱা) গৰাকী তা খুন লাক আৰু সেই অনুক্ৰমে ম্যুং গ্ৰু দয় ৰাজ্যৰ গৰাকী হ'ল খুন ক্লাং, ম্যুং খা ম্যুং পুনৰ গৰাকী হ'ল ফ্ৰা লুং খুন লাং, ম্যুং ফুৰ গৰাকী হ'ল কাং গ্ৰু ম্যুং বা কাং খু মুন আৰু ম্যুং লিৰ গৰাকী হ'ল কাঙ ঙান। এওঁলোক আটাইয়ে অভিজ্ঞ মানুহ। এওঁলোকৰ যুদ্ধৰ অভিজ্ঞতা ভালকৈয়ে আছে। তাৰোপৰি তেওঁলোকৰ ৰাজনীতি জ্ঞান আৰু শিক্ষা আছিল যথেষ্ট। স্বাস্থ্য পাতিও আটাইকেইজনৰে ভাল দেখনিয়াৰ, সবল, সুঠাম।

এই পাঁচো গৰাকী ফুকিন ম্যুং ছুকাফাৰ ৰাজধানী পূবফালৰ পুখুৰী কিটাৰ পাৰৰ বাহৰতে জিৰালেহি। ফু কিন ম্যুং সকলৰ আৰু তেওঁলোকৰ পৰিয়ালৰ বাবে সাত আঠ হাতমান ওখকৈ চাং সজা তকৌ পাতৰ চালেৰে তুপ লগোৱা হাঙ বৌন দিয়া হ'ল। তেওঁলোকৰ লগৰ অনান্য মানুহবোৰক কিছু চাপৰকৈ সজা চাংঘৰ বোৰত থাকিবলৈ দিয়া হ'ল। কিছুমান সৰু পাই ক'ই নিজাকৈ তৎক্ষনাত ঘৰবোৰ বনাই লৈছিল কিছুমানে মাটিতেই বাঁহৰ চুচলি পেলাই ধানখেৰ দি দুই এদিন অস্থায়ীকৈ থাকিবলৈ ললে।

সৈন্যসকলে বাহৰত দুদিন দুৰাতি যুদ্ধৰ বিভিন্ন কলা কৌশলৰ আখৰা কৰিলে। বাকীসকলে যাত্ৰাৰ বাবে পূৰ্ণ প্ৰস্তুতি চলালে। তদুপৰি ৰাতি পোৱা আজৰি সময়কনত ম খাম তাই গীত, বিহু গীত, ম লাম আদি গাই ৰং তামাচাও কৰিলে। অৱশ্যে পোন্ধৰ ষোল্ল বছৰীয়া ডেকা ফু বাও সকলে মাজে অনিশ্চিত যাত্ৰাৰ কথা ভাবি ভাবি শিহঁৰিত হৈ উঠিছিল যদিও নতুন দেশ গঢ়াৰ আনন্দত আনহাতে পুলকিত হৈ উঠিছিল। আৰু সন্ধ্যা সময়ত জোনৰ জোনাকত যুদ্ধৰ আখৰা কৰি কং বজাই বজাই নাচিছিল। চেউনীত থকা জীয়াৰী ছেং নাং বিলাকক উকি মাৰি মাৰি জোকাই জোকাই বনগীত ম খাম থৌন গাইছিল। পুথাও মে থাওসকলৰ কেবাজনেও সিহঁতৰ অতপালী সহ্য কৰিব নোৱাৰি দুই এষাৰ নদবিয়াইও থাকিব নোৱাৰিছিল।

য়া থাও মে থাও, ছেং নাং, আদি কৰি তিৰোতাসকলে মূৰত পাগুৰী ফাচৌ মাৰি, খেনোৱে এনেয়ে মুৰত কাপোৰ খন মেৰিয়াই বা আধা মেৰাই পেলাই লৈ পুখুৰীৰ পাৰত শাৰী শাৰীকৈ ম' তং বিলাকৰ তলত জুই দিছিল। ওপৰত এটা ম' তং আৰু তলত এটা ম তঙ তলৰটোত পানী, ওপৰৰটোত চাউল। চাউলবোৰ আগদিনাই তিয়াই

থোৰা। আঠামুক্ত লাহী চাউল। বৰা চাউলৰ দৰেই। খাবলৈ বৰ সোৱাদ। ওপৰৰ মতঙ টোৰ তলিত ফুটা আছে। ফুটাবিলাকৰ ওপৰত কলপটুৱা কাটি বহাই দিয়া আছে। তলৰ ম'তংটোত পানী বকবককৈ উতলিছে। ম'তঙৰ পানীৰ ভাপত ওপৰৰ চাউলবোৰ সিজি যাব ধৰিছে। তিৰোতাসকলে মাজে মাজে ওপৰৰ ম'তঙৰ চাউলবোৰত পানী চটিয়াই আছে। এইদৰে ছেৰা দিয়া এ্রেউ কৰা ভাতবোৰৰ গোন্ধ, ফয় হ'ম আদি পাতৰ গোন্ধোৰা মছলা লগোৱা সিদ্ধ শাকৰ গোন্ধ গোটেই চাউনীটো হুমহুমাই আছিল। কাৰোবাৰ মুখত অজানিতে উচ্চাৰণ হৈছে ' হুম দি হুম খেন'। অৰ্থাৎ ভাল ভাল গোন্ধাইছে। এজনে ম' লিক ম' লাই পণ্ডিতৰ দৰে গোনগোনাই উঠিল- লাও, ফাক, খাও, খাও এ্রেউ, লা ৰু কা ৰু, হুম দি হুম্ খেন, ৰাপ খাই ৰাপ তাই। আন এজনে তপৰাই মাত দিলে 'বোলো কি ৱই, চাও ফ্রাত্রাক ৰিক কৰিছ নেকি, হুমহুমাই থকা খাও ফাক ভাত শাকবোৰ লবলৈ। এৰা ৱই, আও তাং নাং না পাং খাং না জাং। দীঘলীয়া স্বৰেৰে উত্তৰ দিলে।

বুঢ়া মে থাও পু থাও মে থাও বোৰে অস্থায়ী বৌন ছেঙত বাঁহৰ খোটাৰ এশ এটা চাকি জ্বলোৱা পেং থকা 'মাই লৌন লাক' ৰ সমুখত বহি ফ্রা খাম চিন লাও ধীৰে স্থিৰে গাই ফ্রা ত্রা ঈশ্বৰৰ বন্দনা কৰি আছিল। সৰু সৰু লৰা ছোৱালী লিক খা লিক খী সকলে বুঢ়া মেথাৰ বয়ফ্রা কৰা নাম গুণবোৰ শুনি মাজে মাজে অস্ফুটভাৱে মুখেৰে আওঁৰাই আছিল।

ফু কিন ম্যুং সকল আহি কিছু জিৰনি লোৱাৰ পাচতেই চাওলুং ছ্যুকাফাই তেখেতসকলৰ লগত এক পল আলোচনা ৰম কান পঙ কান কৰিছিল। আটাই কেউগৰাকী ফু কিন ম্যুংৰ সৈতে ছ্যুকাফাই বৰা ধানৰ মিঠা হালধীয়া লাও আৰু কৌ পাতৰ এটুপুলাকৈ পিং দিয়া নু হু অত্যন্ত সহৃদয়তাৰে খাই ঐক্যতাৰ বন্ধুত্ব দোল বান্ধিলে। সকলোৱে সহৃদয়তাৰে তে তে কৰি শপথ খালে, "আমি আটাইয়ে বোপা ককাৰ দিনৰ পৰা চলি অহা ৰীতিৰে লাও পানী আৰু গৰু মাংসৰে একেলগে এসাঁজ খাই প্ৰতিজ্ঞাবদ্ধ হৈছোঁ, আমি কেতিয়াও এৰা-এৰি নহওঁ। নতুন দেশ গঢ়িবলৈ আমি একেলগে মৰণকো পণ কৰিম।"

ছ্যুকাফাই তেওঁৰ ৰাজসভাৰ বিশিষ্ট সদস্য খুন বা, খুন ফ্রাং, খুন ৰিং, খুন ছেং আৰু খুন ফু কিন এই পাছগৰাকী ব্যক্তিৰ লগতো অত্যন্ত জৰুৰী ভাবে আৰু গোপন আলোচনা কৰিলে। এওঁলোক পাছোঁগৰাকী ব্যক্তিয়েই ছ্যুকাফাৰ লগত যাবলৈ সন্মতি জনালে আৰু জৰুৰীভাৱে প্ৰস্তুতি চলালে। এই খুন কৌঁৱৰ ফৈদৰ ব্যক্তিসকল নিজৰ বংশ পৰিয়ালৰ সৈতে যাবলৈ ওলাল।

খুন বাৰ দুগৰাকী পত্নী আছিল। এগৰাকী বহুদিন নৰীয়া পৰি আছিল। নৰিয়াই

পীড়ি থকা বাবে নিজকে পেৰেতীয়া বুলি ভাবি তেওঁ লৰা ছোৱালীকিটাৰে সৈতে ম্যুং মিততে থাকিবলৈ থিৰাং কৰিলে। অৱশ্যে পোন্ধৰ বছৰীয়া ডাঙৰজন পুত্ৰ খুন আই লত দলটোৰ লগত অকলেই যাব। সি তাৰ ভাগ্য নিৰ্ণয় কৰিব নতুন দেশতেই। পেৰেতীয়া মানুহগৰাকী নাং মুয়ে ম্যুং মাওৰ উত্তৰ সীমাত নাম মাওৰ সিপাৰে থকা মাকৰ ঘৰলৈকে যাবলৈ মনতে ভাবিলে। সেইগৰাকী পত্নী খুনবাৰ বৰ মৰমৰ আছিল। তথাপি তেওঁৰ উপায় নাই। তেওঁক নিলেও কষ্ট হ'ব। বাটতে হয়তু আয়ুষ টুটিবও পাৰে। ম্যুং মাওত পিছ পি মাওৰ দিনতেই বিহু মাৰিবলৈ যাওঁতে ঢোপ দলিওৱা খেলৰ মাজৰ পৰাই তেওঁ মানুহগৰাকী নাং মুক পচন্দ কৰি আনিছিল। পাছ বছৰীয়া দুটি যঁজা এমা ডিমা লৰাকো এৰি যাবলৈ তেওঁৰ সৎ নগৈছিল, তথাপি এৰিবই লাগিব, দায়িত্ব দায়িত্বই। তেওঁ ছুকাফাৰ এখন সৌহৃত স্বৰূপ। বিভিন্ন আলোচনা বিলোচনাত তেওঁ ছুকাফাৰ লগত সদায় থাকেই।

খুন ফ্রাং, খুন ৰিং, খুন ছেং আৰু খুন ফুৰ পৰিয়াল বেঁচ ডাঙৰ। প্ৰতিজনৰ দুগৰাকীৰ পৰা তিনিগৰাকীলৈকে পত্নী মে নাং আছিল। আটাইকেইজনৰে প্ৰায় পোন্ধৰজনমান যৌৱনপ্ৰাপ্ত সবল ডেকা সন্তান আছিল। তেওঁলোক আটাইয়ে ছুকাফাৰ সৈন্যদলত নিয়মীয়া সৈন্যভূক্ত হ'ল। তাৰোপৰি তেওঁলোকৰ ছগৰাকী জী প্ৰায় পোন্ধৰ বছৰৰ দেওনা পাৰ হোৱা যুঁৱতী ফু গ্রিং। তেওঁলোক আটাইয়ে ঘৰুৱা কামবনত পাকৈত। ৰোৱা তোলা, বোৱা কটা, সিজোৱা পকোৱা সকলোতে কাজী। তাৰোপৰি ককায়েক ভায়েকৰ লগত ঘোঁৰাত উঠি ঘোঁৰা দৌৰা, তৰোৱাল খেলা, কাঁড় মৰা, হিঁলৈ চলোৱা, নাও বোৱা, পানীত সাতোঁৰা-নাদুৰা সকলোতে পাৰ্গত হৈ উঠিছিল। তেওঁলোকৰ গাঁৱৰ আগৰ জুৰিটোত সিহঁতে নাওবোৱা মাছমৰা, সাতোৰা, বুৰমৰা সকলোতে শিকিবুজি লৈছে। পাঁচ বছৰ বয়সৰ পৰাই সিহঁতে পানীতেই ডাঙৰ হৈছে। সিহঁতক পানীৰ পোক বুলি ক'লে বেচি কোৱাহে নহ'ব।

খুন ফু কিন ঘোঁৰা চলোৱাত অতি পাৰ্গত। তেখেতে প্ৰায় দহদিন ধৰি ৰাজধানীত গোটখোৱা সৈনিকক আৰু সৈনিক হ'ব পৰা লগত যাবলৈ ওলোৱা সকলো লোককে ঘোঁৰাত কোনেকৈ যুদ্ধ কৰিব লাগে তাৰ সকলো কৌশল শিকাই দিছিল। ঘোঁৰাত উঠি হাতত দীঘল যাঠি লৈ ঘোঁৰা তীব্ৰ বেগে চেকুঁৰাই দি এটুকুৰা কল গছ খুচি খুচি আখৰা কৰোৱা হ'ল। তাৰোপৰি হাতত দীঘল দীঘল হেংদাং দি তীব্ৰ বেগী ঘোঁৰাৰ পিঠিৰ পৰা দহ বাৰ ডাল কল গছ লগে লগে মুহূৰ্তৰ ভিতৰতে কটাৰ আখৰা কৰোৱালে। লপ লপকৈ গছৰ ওপৰলৈ উঠা, জোপোহাৰ আঁৰে আঁৰে কোনেও নেদেখাকৈ পলাবলৈ শিকা, কোনো শব্দ নকৰাকৈ মাটিৰে বগাই যোৱা, পাহাৰত তীব্ৰবেগেৰে উঠা, ঘোঁৰা আৰু হাতীৰ পিঠিত লুকাই থকা, ৰচী লগাই ওলমি যোৱা, দৌৰা, জপিওৱা, সমুখ

সমৰত জপিয়াই পৰা ৰাতি আন্ধাৰত লুকাই যুদ্ধ কৰা, গড় মাৰি ভেটা দিয়া আদি বিভিন্ন যুদ্ধৰ কৌশল সমূহ যৎপৰোণাস্তি শিকোৱা কামবোৰ সুচাৰুৰূপে সমৰ্পণ কৰিছে।

হাতী মাউত ফ্রং পিমেও ছুকাফাৰ লগত নিব লগা হাতী দুটা এই কেইদিন না না ধৰণে শিকাই বুজাই আছে। হাতীৰ বেমাৰ চোৱা লিক তাই চাং চ্যাং' পুথি খন সযতনে সাঁচী লৈছে। তাৰোপৰি ৰাতি ৰাতি নিদান পুথিখন তেওঁ অন্য কাগজ তথা সাঁচী পাতত টোকা কৰি লৈছে। কিয়নো কিবা কাৰণত এখন পুথি হেৰাই গ'লেও আন এখন পুথি নিশ্চয় হাতত ৰৈ যাব। অৱশ্যে মূল পুথিখন তুলাপাতত 'ছে' ত লিখা আছিল। তেওঁক সততে লাগিব বুলি সৰু সৰুকৈ কটা সাঁচীপাতত লিখি লৈছে, যাতে কঁকালৰ খুচনিতে পুথিখন ৰাখি থ'ব পাৰি। তেওঁক এই কামত ৰৌন ছেঙত থকা চাও মুন এজনেও সহায় কৰি দিছে।

ছুকাফাৰ লগত সৈন্যসকল গ'লেই নহ'ব। তাই মানুহৰ যেতিয়া প্ৰবজন ঘটে সকলো দিশৰ বৃত্তিয়াল লোক পুথি পাঁজী, সংস্কৃতি, ভাষা, পাৰ্থীব সংস্কৃতি লৈ প্ৰব্ৰজন কৰিবলৈ ওলায়। তেওঁলোকৰ প্ৰব্ৰজন সাধাৰণতেই সুপৰিকল্পিত হয়। ছুকাফাইও জানে এই তাই পৰম্পৰা, অতীতৰ পৰা প্ৰচলিত হৈ অহা তাই পৰম্পৰা । ৰাজ্য বিজয় আৰু প্ৰবজন দুয়োটা বহু সময়ত একেলগেই হাতত লয়। ৰাজ্য বিজয় কৰি তাৰ পৰা কেৱল কৰ কাটল লৈয়েই ক্ষান্ত হৈ নাথাকি সুচল হ'লে তেনে ঠাইত বসতিও স্থাপন কৰে। যুদ্ধৰে বিজয় কৰিবলৈ গ'লেও তেওঁলোকৰ হাতত স্থায়ী বসতি খেতি কৰাৰ সম্পূৰ্ণ সুবিধাখিনি লগত যোগাৰ থাকে। বিজয় অভিযানত তিৰোতাও লগত যায়। খাদ্য প্ৰস্তুত কৰা, যাৱতীয় শিবিৰ পৰিচালনা, তথা প্ৰয়োজনৰ সময়ত যুদ্ধত সক্ৰিয়ভাৱে অৱতীৰ্ণ হোৱা কামত নিয়োজিত হয়। তেওঁলোকো দলৰ 'পাই'। ছুকাফা কেৱল যুদ্ধ কৰিবলৈকে ওলোৱা নাই। তেওঁ যাব ৰজা হ'বলৈ, দেশ গঢ়িবলৈ, পাম খাবলৈ, হয়তু এদিন দুদিনত নহ'ব বহু বছৰো লাগিব পাৰে এই দেশ গঢ়িবলৈ। সুচল ঠাই নাপালে তেওঁ নাথাকে। খেতি এটা কৰি ধান গোটাব। তিৰোতাবোৰে খেতি কৰিব, ধান মাৰিব, বানিব, কাপোৰ বব আৰু মানুহক ভাঁত সিজাই খোৱাব। ইমান দিনৰ বাবে লৰা তিৰোতা এৰি যোৱা সম্ভৱ নহয়। মতাবোৰে কেনেকৈ তাঁত বব! মতাই তাঁত নবয়। ভুঁই নুৰুৱে। জলপান নুখুন্দে-ভাত নিসিজায়। সেয়ে মাইকী লাগিব। এবছৰ বা দুবছৰৰ বাবে দেশ বিজয় যুদ্ধ কৰিবলৈ যোৱা নাই। চিৰদিনৰ বাবে বাসস্থান বিচাৰি ৰাজ্য বিচাৰি ধান খেতিৰ পথাৰ বিচাৰি যাব। ডেকাবোৰে লগে লগে বাট পথত ক'ৰ পৰা হেজাৰৰো অধিক ছোৱালী বিয়া কৰাবলৈ পাব? দুই এটাই আনিব। আনিবও লাগিব। বাকী বিয়া কৰাবোৰেও স্থানীয় লোকৰ এজনী দুজনী আনিব। খেতি পথাৰ বেছি হ'লে মানুহ লাগিব। যুদ্ধৰ

বাবেও মানুহ বাঢ়িব লাগিব। পিতৃ তেজ থাকিলেই হ'ল। মাইকী য'ৰ পৰাই নাহক। পানী যি পাত্ৰতেই নহওঁক খাপ খাই পৰে, জিন যায়। বাটত পৰৰ মাইকী পালেও পুৰুষৰ লগত তাইৰ লগত জিন যাব, তাই ভাষা ক'ব ল'ব, খাব ব'ব।

ছুকাফাই যিকোনো প্ৰকাৰে ৰাজ্য গঢ়িব। ৰাজ্য জয় কৰি সুচল ঠাইত তেওঁ আৰু তেওঁৰ লগৰীয়াসকলে বসতি কৰিব, তাতে পাম খাব আৰু স্থায়ীকৈ থাকিব। এই উদ্দেশ্যেইহে ছুকাফাই যাত্ৰা কৰিবলৈ ওলাইছে। ছুকাফাৰ লগত যোৱা সকল কোনো দিন ম্যুং কং ম্যুং মিতত থাকিবলৈ ঘুৰি নাহে। তেওঁলোকে মাজে সময়ে আহিলেও পুনৰ ঘুৰি যাব নতুন ৰাজ্যলৈ। তেওঁলোকে নিজা মাটি নিজা ভেঁটি বিচাৰি ল'ব, বুদ্ধিৰে, বলেৰে, সাহসেৰে, মৰমেৰে, চেনেহেৰে। সেয়ে তেওঁলোকৰ লগত পণ্ডিত, পুৰুহিত না না বিশেষজ্ঞ, পুথি পাঁজী, লৰা ছোৱালী ফু ঞিং ফু চাই, লিগিৰা লিগিৰি-লিক খা লিক খি লিকচৌ সকলো ওলাইছে।

বিশিষ্ট পণ্ডিত পুৰুহিতসকলৰ ভিতৰত থাও ম্যুং লুং কাং, থাও খেন লুং, থাও ম্যুং বানৰাই চাও ফ্ৰাং আৰু থাও ম্যুং ম' ছাম। এওঁলোক আটাইকেউগৰাকী চাংবুনৰ পু নাতি-লুক লান মান চাং বুন। প্ৰায় ছয়শ বছৰৰ পূৰ্বে আই জে পি লাকনি বছৰ গননা হোৱাৰ আগতেই আই খুন লুং ঙি খুন লাইৰ দিনতে ম্যুং ফী স্বৰ্গ ৰাজ্যৰ পৰা অহা চাং বুন পণ্ডিতৰ পু নাতি। চাং বুন বংশটো তাৰো আগতে গুৰুৰো গুৰু লাও খ্ৰীৰ বংশৰ পৰা উদ্ভৱ হৈছিল। লাও খ্ৰী আছিল তাই সকলৰ এক দেৱতা স্বৰূপ গুৰু সত্বা। লাও খ্ৰীয়ে নজনা কথা নাছিল। বিশ্ব ব্ৰহ্মাণ্ডৰ সকলো জ্ঞান তেওঁৰ আছিল। তেওঁ বিভিন্ন গ্ৰন্থ ৰচনা কৰিছিল। গছৰ বাকলি চটা চটা কৰি কৰা পাত, বাকলি খুন্দি গেলাই প্ৰস্তুত কৰা কাগজ, বাঁহৰ চটা মাৰি, পাটৰ কাপোৰ, কাঠৰ পাট আদিত বিভিন্ন গ্ৰন্থ তাই ভাষাত লিখিছিল। তেওঁ না না নতুন তত্ব আবিস্কাৰ কৰিছিল আৰু তাই সমাজক না না জ্ঞানৰ পথৰ সন্ধান দিছিল।

থাও ম্যুং ম' চাইও লগত আহিবলৈ ওলাইছিল। ম' চাইও এগৰাকী পণ্ডিত। তেওঁ ম' হুঙৰ বংশধৰ। ম' হুং মানে বহল জ্ঞান থকা মূল পুৰোহিত। তাই আহোমৰ শাস্ত্ৰ না না পুথি পাঁজী লিখা পঢ়া শুনা কৰাত এওঁলোকো পাৰ্গত। থাও ম্যুং ম' চাইও এগৰাকী পাকৈত পণ্ডিত। তেখেতৰ পুথাও এক পুয়েকো এগৰাকী বৰ ডাঙৰ পণ্ডিত আছিল। ম্যুং মাও ৰাজ্যৰ বিখ্যাত শিক্ষিত জ্ঞান গৰ্ভ পণ্ডিতসকলৰ ভিতৰত থাওম্যুং ম' চাইও এগৰাকী অন্যতম। ছুকাফাক থাও ম্যুং ম'চাইয়ে বৰ ভাল পাইছিল। ছুকাফাৰ উদাৰ মন, স্নেহাসিক্ত আৰু প্ৰজাবৎসল অন্তৰখন ম' চাইএ চিনি পাইছিল। এওঁৰ আচল ঘৰ ম' ম্যুঙত ম' ম্যুং মানে ধনে ধানে খনিৰ দৰে ভৰপুৰ হৈ থকা এখন ঠাই। ম' ম্যুঙৰ পৰা আহি পোৱা আজি তিনিদিনহে হৈছেহি মাত্ৰ। সৰুতে এখনেৰে নাৱেৰে তেওঁৰ পৰিয়ালটো

লৈ আহি পাইছে। নাঁও বাই বাই তেওঁৰ হাত দুখনৰ বিষ উঠি গৈছিল। হাতৰ তলুৱাৰ টৌ উঠি চিগি গৈছিল। বিষ আৰু হাতৰ পোৰণি এতিয়াও ভাল হোৱা নাই। যোৱা ৰাতি এৰা গছৰ পাতেৰে গৰম ফুটচাইৰ সেক দিহে তেওঁৰ কিছু ভাল লাগিছে।

এওঁলোকৰ উপৰিও থাও ম্যুং কাং গ্রু ম্যুং আৰু লান তাই ম্যুং এই দুগৰাকীও ছ্যুকাফাৰ লগত ওলাল।

থাও ম্যুং বান ৰাই ছ্যুকাফাৰ ৰাজসভাৰ থাওম্যুং। তেওঁক কাং ঙান খাট দিয়া হৈছিল। তেওঁ সেই সুত্রে কাং ঙানৰো ফু কিন ম্যুং। তেওঁ আজি বহু দিনৰ পৰা কাং ঙানলৈ যোৱাকে নাই বুলিব লাগে। ছ্যুকাফাৰ লগতে একেৰাহে ছাঁৰ দৰে লাগি থাকিব লগা হৈছে। তথাপি তেওঁৰ বাৰ্তা পাই কাং ঙানৰ বহু সৈন্য আৰু তাই লোক ছ্যুকাফাৰ লগত যাবলৈ ওলাই আহিল।

সাত

সৈন্য সকলে আৰু তেওঁলোকৰ বংশ পৰিয়াল ছ্যুকাফাৰ সহচৰ আদি সকলোৱে ব্যৱহাৰ কৰিব পৰাকৈ ৩০০০ ম’তং ললে। চাম ৰিং ম’তং দেং মাও খাও চাম কিন লে ছাম কুন। এটা মতঙত এবাৰ সিজালে তিনিজনৰ বাবে খাবলৈ জোৰে। সৰহকৈ পিতলৰ মতং লগতলৈ যাবলৈ বৰ গধুৰ হ’ব বুলি ভাবি এক অনুমান কৰি মতঙবোৰ ল’লে। এই মতঙবোৰত খাও নুং ছেৱা দি খাবলৈ পানীৰ ভাপ দিবলৈ তলৰ চৰুবোৰো ল’লে। এইবোৰ তলৰ অংশ আৰু এবাৰ ভাত সিজোৱা মতঙৰ লগৰ অংগ বাবে বেলেগকৈ হিচাবত নধৰিলে। জুই ভালদৰে জ্বলিলে আৰু আগদিনা চাউল তিয়াই থ’লে অতি সোনকালেই ভাত সিজি যায়। এনেদৰে তিনিহেজাৰ মতঙত ভাত ছেৱা দি খাও নুং বনাই খাও নুং ভাতখিনি কলপাত বা কৌপাত আদিত নতুবা পাচী বা খৰাহীত উলিয়াই থৈ তিনি চাৰিবাৰ সিজাবু পৰা যায় আৰু এনে কামত বেচি সময়ৰ প্রয়োজনো নহয়।

সাধাৰণতে তাই মানুহে একেটা মতঙতে ভাত এছেৱা, দুছেৱা, তিনিছেৱা এনেকৈ সিজাই যায় আৰু ডলাত ভাতবোৰ উলিয়াই ভাতবোৰ হেঁতা বা তাও মাৰি এডালেৰে মেলি দি জাৰি পাচত পাচীত বা খৰাহীত ভৰাই থয়। এনেদৰে একেটা মতঙৰ পৰা এবাৰত তিনিজনৰ জোখাৰ ভাত হ’লেও তিনি চাৰিবাৰকৈ সিজালে ন বা বাৰজন মানুহে খাব পৰা হয়। এনেদৰে দুবাৰ সিজাই পাঁচী বা কৌপাতত মেলি থ’লে আৰু তাক পাছত লেৰেলুৱা কৌপাতত টুপুলা কৰি খালে ওঠৰ হেজাৰ মানুহে, তিনিবাৰ সিজালে সাতাইশ হেজাৰ আৰু চাৰিবাৰ সিজালে ছয়ত্রিশ হেজাৰ মানুহে একেবাৰতে খাব পাৰে।

তাৰোপৰি তাই মানুহে বাঁহৰ খাও মাইলামৰ চুঙাত কোমল বৰা চাউল সিজাই খোৱাটোও এক পৰম্পৰা। লগত পিতলৰ মতং থাকিলেও তাই মানুহে নিতৌ খাও মাই লামত অর্থাৎ পাঁচ- ছয়টা চুঙা চাউল ভাত খোৱাটো নিত্য নৈমিত্তিক কর্তব্য। গধূলী বেলিকা জুইৰ কাষত সদায়েই তেওঁলোকে এনে খাও মাই লাম ছয় সাতটা সিজাই থবই, এয়া তেওঁলোকৰ ৰীতি। তাৰোপৰি বাঁহৰ চুঙাত চাহ সিজাই খাবলৈও তেওঁলোকে জানিছিল। বাঁহেৰে কাপ, হেঁতা, তাওমাৰি চামুচ, খৰিকা, পিং আদি সকলো বনাই লৈছিল।

ঘোঁৰা চোৱা চাংমা কৰাজনে তিনিশ বচা বচা পাহুৱাল যুদ্ধাৰু সবল ঘোঁৰা যোগাৰ কৰিলে। তাৰ ভিতৰত প্ৰায় পঞ্চাশজনীমান মাইকী ঘোঁৰাও বাচি ললে। এই ঘোঁৰা কিজনী ভাল সঁচৰ। ঘোঁৰা তদাৰকজনে বিবেচনা কৰিছে যে মাইকী ঘোঁৰা কিজনিৰ পৰা অন্ততঃ পাচত বংশ বিস্তাৰ হব আৰু যুদ্ধাৰু ঘোঁৰাৰ সংখ্যা নিজে নিজেই বৃদ্ধি হ'ব। ঘোঁৰা তদাৰক কৰোঁতাজনে চাংবুন পণ্ডিত এজনৰ হতুৱাই ঘোঁৰা নিদান এখনো নকল কৰাই লয়। তেওঁ নিজেও নিদানখন অধ্যয়ন কৰিবলৈ যত্ন কৰে আৰু যিখিনি আপুৰুগীয়া ঔষধ পাতি লাগে তাক যোগাই ল'বলৈ যত্ন কৰিলে। ঘোঁৰা বিলাকত উঠি তীব্ৰ গতিত ঘোঁৰা চেঁকুৰাব পৰাকৈ জিনবিলাক বনালে আৰু প্ৰতিটো ঘোঁৰাৰ লেকামবোৰ মজবুতকৈ তৈয়াৰ কৰি ল'লে। ঘোঁৰা বিলাকে যাতে অগম্য যাত্ৰা পথত ভয় নাখায় তাৰ বাবে চকু বন্ধা কাপোৰো তৈয়াৰ কৰি ললে। ৰাজভঁৰালত এইবিলাক বস্তুৰ অভাৱ নাছিল যদিও শিপিনি বিলাকক নতুনকৈ দেখাই দি উপযুক্তভাৱে সবল কৰি চকু বন্ধা কাপোৰ বোৱাই লোৱা হ'ল। এই চকু বন্ধা কাপোৰবোৰ মুগা সুতাৰে বোৱা। বহু কাপোৰ বব পৰাকৈ যথেষ্ঠ পৰিমানৰ মুগা সুঁতা আৰু পাট সুঁতাও শিপিনিবোৰে ভৰাই ল'লে। মুগা আৰু পাট পলুৰ সঁছো তেওঁলোকে বাঁহৰ টোমত গোটাই ল'লে। যাতে পাচৰ বছৰত কৰবাত ৰৈ খেতি কৰি আকৌ কাপোৰ তৈয়াৰ কৰাৰ উপৰিও ইয়াৰ সঁচ ৰৈ যায় আৰু আটাইতকৈ সোৱাদ জুতি লগা ইয়াৰ লেটা কিটা খাবলৈ পাব।

হাতী মাউত ফ্রং পিমে মতা হাতী খাম ক' ম্যুং আৰু মাইকী হাতী জে জিপ চু কিপ কাতক সজাই পৰাই ললে। খাম ক' ম্যুং দঁতাল হাতী। দাঁতযোৰ যথেষ্ঠ ডাঙৰ। প্ৰায় তিনি হাতমান দীঘল হ'ব। হাতীটো হৃষ্ট পুষ্ট তাৰ গোটেই গাটো মূৰ শুঁৰ আদিত ৰঙেৰে ফুল আঁকি সজাই তুলিলে। ছুকাফাই উঠিব পৰাকৈ এখন সুন্দৰ হাওদাও বনাই লোৱা হ'ল। হাওদা খনত হেঙুল হাইতাল লগাই লগাই ৰং বোলোৱা হ'ল। হাওদাখনৰ ওপৰলৈ খাপে খাপে জোঙা হৈ যোৱা এটা সোণপানী চৰোৱা পাতল পিতল আৰু কাঠৰ চালি দিয়া হ'ল।

হাতীয়ে টানিব পৰাকৈ দীঘলীয়া দুখন কাঠৰ গাড়ীও বনাই লোৱা হ'ল। গাড়ী

দুখন সমতলতহে চলিব পাৰিব। কিন্তু পাহাৰত নোৱাৰিব। পাহাৰীয়া অঞ্চলত চলিবলৈ ভিন্নধৰণৰ গাড়ীৰ প্ৰয়োজন হ'ব। নতুবা পিঠিত কিছু বস্তু বোজাই দিব লাগিব।

আঠ

ছাউনীত গোটা খোৱা বিভিন্ন মানুহৰ মাজত কোৱা কুই চলিল। তেওঁলোকেও টালি টুপুলা বান্ধি সাজু হৈছে।

"ৱই, ইলত, খ্ৰুপ"

"খ্ৰুপ খ্ৰুপ খ্ৰুপ"

"দি ও না দি ও না"

"য়ু দি"

"যাত্ৰা কেতিয়া হ'ব? গম পাইছনেকি?

"গমেই পোৱা নাই। চাও খুন আদি কুন ফু সকলৰ মুখত কোৱা কুই অৱশ্যে শুনিছো যে দুই তিনি দিনৰ ভিতৰতে যাত্ৰা আৰম্ভ কৰিব লাগিব।" ফ্ৰাছেং লান তাই মুঙে ক'লে।

উত্তৰত খুন ই লত ম্যুঙে ক'লে, " ম হুং চাংবুন সকলে বোলে বানছেং চাব। মান চাও তি হান দুক কাই ছেং বান। তাৰ পাছতহে দিন নিৰ্দ্ধাৰিণ কৰিব। আমি ৰাও তাংলাই ক তাকা। আমি সকলোৱে একেলগে যাওঁ।

" ক'লৈ? তি থাও? পাই তি থাও? যোৱা ক'লৈ?

"ম্যুং তি বান তুক। বেলি পৰা দেশৰ ফালে, নীলা পাহাৰৰ সিপাৰে।

"সঁচানে?"

"চাও ছুকাফা সঁচাকৈয়ে আমাৰ আপোন পিনং কুন তাই চাওফা। তেখেতৰ নিচিনা এগৰাকী চাওফা ম্যুং মাওৰ থিন খামত বহা হ'লে ম্যুং মাওৰ জ্যোতি বহু দূৰলৈ বিয়পি পৰিল হয়। অৱশ্যে ছু খান ফাও বৰ সাহসী চাওফা-স্বৰ্গদেও। হ'লেও ছুকাফাৰ দয়ালু হৃদয়খনৰ যোগেদি এই গোটেই ভূখণ্ডত তাই ৰাজ্য গঠন হ'ব পাৰিলহেঁতেন। আমাৰ দেশত থকা পালাউং, লিচু, পু, লাহো, মেও আদি তাকৰীয়া জাতি সমূহকো ছুকাফাইবৰ আদৰ সাদৰ কৰে। তেওঁলোকক নিজাববীয়াকৈ নিজা মানুহৰ যোগেদি শাসন কৰিছে। তেওঁলোকে তাই ভাষা শিকিছে যদিও নিজা ভাষাত ধৰ্ম কৰ্ম চলাবলৈ কোনো বাধা আৰোপ কৰা নাই ।"

" হয় পাই"

" ছুকাফাৰ নিচিনা চাওফাৰ অধীনত থাকিবলৈ পোৱাটো আমাৰেই গৌৰৱ।

খুন ছেং কাম এজন পাহোৱাল সুঠাম ডেকা। বিশ বছৰৰ দেওনা পাৰ হোৱা নাই। সি ছ্যুকাফাৰ এগৰাকী নিয়মীয়া সৈনিক। খুন ছেং কাম ঘোঁৰা চলোৱা, হাতীচলোৱা, নাও বোৱা, পানীত বুৰ মৰা, সাতোঁৰা, হিলৈ ফুটুৱা, কঁকালে কঁকালে যুঁজা, জাপ মাৰি শত্ৰুৰ মাজত জপিয়াই পৰা, হেংদাং লৈ যুদ্ধ কৰা, যাঠি লৈ শত্ৰুৰ মাজত সোমাই পৰা, বা এডাল টান বাঁহৰ টকোনেৰে শত্ৰুপক্ষৰ আক্ৰমন প্ৰতিহত কৰাত অতি পাকৈত। সি চাৰি বছৰৰ আগতে ছ্যুকাফাৰ সৈন্য দলত ভৰ্ত্তি হৈছে। পূৰ্বতে সি তিনিবাৰমান খেহ ৰাজ্যৰ সীমাত যুদ্ধ কৰাৰ অভিজ্ঞতাও আছে। তাৰ আচল ঘৰ মান ম'ত। তেওঁৰ পৰিয়ালটো বোলে ত্ৰিশমান বছৰৰ পূৰ্বেহে খেহ দেশৰ ওচৰৰ তালি ৰাজ্যৰ পৰা আহিছে। তেওঁৰ দেউতাকে খাম খেহ অৰ্থাৎ খেহ ভাষাও জানে। সিও কিছু কিছুশিকি থৈছে। প্ৰায় দহ মান বছৰঁ বয়সত সি দেউতাকৰ লগত তালিলৈ গৈছিল। প্ৰায় দুমাহৰ পাছতহে দেউতাকৰ লগত ঘুৰি আহিছিল। তালিৰ গছ গছনি, আকাশ বতাহৰ কথা এতিয়াও তাৰ মনত আছে। সি দেখিছিল দেউতাকে দহটা ঘোঁৰাৰ পিঠিত ম' দিন খেহ অৰ্থাৎ চীনা মাটিৰ পাত্ৰ, ঙাওছেং বঙৰ চাপ লগা দীঘল দীঘল ছ্যুব ফা চাপকন বা চৌগা চাপকন, ৰংবিৰং ফুল গোঠা দীঘল পতলুং ঠেঙা কিছুমান, সাঁচী গছৰ চালৰ এহতীয়া দীঘল কলীয়া আখৰৰ তাই ভাষাৰ পুথি আনি চাওলুং ছ্যুকাফাৰ হাতত জমা দিছিলহি।

খুন ছেং কাম আজি নিজৰ কৰ্মৰ আৰু অধ্যৱসায়ৰ ফলত ৰূপাক পদ লাভ কৰিছে। ৰূপাক পদবী লাভ কৰা আজি মাত্ৰ কেইদিনমানহে হৈছে। তাৰ এই সুখবৰ জনাবলৈ তাৰ ছেং নাঙক চুমকান জনাবলৈ মনত পিৰপিৰাই আছে। চল নোপোৱাৰ হেতু তাৰ অসুবিধা হৈছে। সি প্ৰাই ক' সকলৰ মাজে মাজে বিং বিং বাং বাঙকৈ কৈ ফুৰিছে। চকুৰ বাদুবোৰ নিজে নিজেই ফিপ্ ফিপাই আছে।

আজি জোনাক নিশা। জোনটোৱে গোটেই ৰাজধানীখন পোহৰাই তুলিছে। পুখুৰিৰ পাৰত মে আৰু নাং চাও হতেঁ খাও ন্যুং ছেৰা দি আছে। খেনোক কাপোৰ সিঁ থকা দেখা গৈছে।

সৌজনী কোন তুন ৰুং জোপাৰ ছাঁত অকলে অকলে থিয় হৈ আছে? তুন ৰুঙৰ ফী নেকি? নে লিক খা চাও মান? নে স্বয়ং চিকিয়া ফ্ৰাই আহি তুন ৰুঙত দেখা দিছেহি। ফ্ৰা চাও ফ্ৰা চাও। স্বয়ং চিকিয়া ফ্ৰাক মই দেখিবলৈ পাইছোঁ যদি মই কম ভাগ্যৱাননে?

আমাৰ য়া থাওৰ মুখৰ পৰা শুনা মনত আছে ইয়াতে বোলে মানবিলাকে কাঠেৰে পেগুদা বনাই ফ্ৰা চাওৰ মূৰ্তি ৰাখিছিল। কিবা কাৰণত তাই সকল ইয়ালৈ অহাত তাই সকলক এই মূৰ্তি চুবলৈ দি অপবিত্ৰ নকৰোঁ বুলি ম্যুং আভাৰ ফালে লৈ গ'ল বোলে। আমাৰ তাই সৈন্যই সোণৰ মূৰ্তিটো হাত কৰিবলৈ পিছে পিছে খেদিছিল যদিও নাপালেগৈ, নামকিউ নৈয়েদি ভটিয়াই গৈ আভা পালেগৈ। সেয়ে আমাৰ তাই সকলে এই গছৰ তলত সেৱা সৎকাৰ কৰে, ঠাইখন চাফ চিকুন কৰি চাংবুন দুজনমানে পূৰা গধূলী ব্লক চিংফ্ৰা আৰু কলপাতত জোঙাকৈ ভাত বান্ধি খাও চুম দিয়া দেখোঁ। আমাৰ ডেকাগালৰ সিমান খেয়াল নাই। পুথাও মে থাও সকলে হ'লে বৰ সন্মান কৰা দেখোঁ।

তেনে এই কলীয়া ছাঁ কোন? চিকিয়া নহয় নে? ক'তা শৰীৰটো লৰ চৰ কৰিছে, কঁপিছে ৰাওটো তেনেই জীয়াৰী ছোৱালী নাং চাওৰ দৰে দেখা গৈছে। কঁকালৰ তলত সেইখন কলা মেখেলা ফা চিন দাম। চুলিবোৰ ওপৰলৈ জোঙা কৰা খোপা বন্ধা।

সি অলপ ওচৰলৈ আগবাঢ়ি গ'ল। পাই ক' সকলে জাঠি জোং কাড় চঁচাত ব্যস্ত হৈ আছিল। তাৰ মাজেদিয়েই সি তুন ৰুং জোপাৰ ওচৰলৈ গ'ল। কিছু দুৰত পুখুৰী নংটোৰ পাৰ পায়েই সি ৰঙটো চিনিব পাৰিলে। সি অনুমান কৰাটো ঠিকেই। এয়া তেওঁৰ চেনেহৰ বুকুৰ চ্যেও কলিজা নাং চাও য়ি ব্লক খাম। নিজৰ আৰু তাইৰ নাম দুটা এবাৰ নিজে জোটাই ভাবি চালে। খুন ছেং কাম আৰু নাং চাও য়ি ব্লক খাম। বাঃ কিমান মধুৰ লাগে নামকিটা জোটাই ভাবি চাবলৈ।

আজি কেবাদিনো লগ পোৱা নাই চেনেহৰ ব্লক খামক। তাইযে সঁচাকৈ এগৰাকী দেবী ফী নাং মক অৰ্থাৎ কুঁৱলীৰ দেৱী-সোণৰ দৰে ফুল-মক খাম-ব্লক খাম। তাইক অকলে লগ পোৱাৰ কথা ভাবি আনন্দত অন্তৰ পুলকিত হৈ উঠিল। বুকুখন ঘনে ঘনে উঠা নমা কৰিবলৈ ধৰিলে।

সি অতি সৰ্ন্তপণে আগবাঢ়ি গ'ল। সি গছজোপাৰ পাচফালে ৰৈ ইফালে সিফালে চাই কোমলকৈ মাত লগালে।-

"য়ি অ' ব্লক"

ব্লক খাম হথাতে চক খাই উঠিল।

"ৰই পিনং খুন ছেং।"

"ৰই ছেং ব্লক।

"দি য়ু না? ভালনে?

"দি দি। ভাল ভাল। য়ু দি। ভালে আছোঁ।

"তুমি ভয় নাখাবা ব্লক। মই খুন ছেং। তোমাৰ বুকুৰ চ্যেও-পিনং মিং বি পখিলা ব্লক।"

"ছেং"

"তোমাক চাৰিদিনমান সাইখাত পোৱা নাই। অন্তৰত একেবাৰে শান্তি পোৱা নাই। মই এই এইকেইদিন ঘোঁৰাবিলাকৰ জিন বিলাক বনোৱা কামত চকু দি আছিলোঁ। জিনবোৰ বৰ সুন্দৰ হৈছে। তোমাকো এনে জিনত উঠাই এপাক ফুৰাই আনিবলৈ বৰ ভাল হ'ব।

" ৱ'ৱই ছেং।

" কি হ'ল তুমি কথা কোৱা নাই। মাত হৰিল নেকি? মনটো আন্ধাৰ কৰিছা কিয়?

খুনছেং কাম ব্লক খামৰ ওচৰলৈ আহিল। সি তাৰ বাঁওহাতখনে তাইৰ পিঠিত মোহাৰি দিলে।

" কি হ'ল কোৱা মক-ব্লক?

"যোৱাকালি প চাও দেউতাইঁতে কথা পাতিছে মোক বোলে ম্যুং মিততে থাকি যাব বিচৰা ডেকা এজনকে আও মে চকলং কৰি যাব পৰা হ'লে ভাল আছিল।

"কি আও মে আও চক লং। তোমাৰ।"

" মই হেনো ঘোঁৰা চলাব সাঁতুৰিব ভালকৈ নাজানো। তদুপৰি হেংদাং চলাবলৈও শিকা নহ'ল। হিলৈটো বাদেই।"

"ভাবিছেহে হ'বলা। আও মে আও চক। চকলং। আনৰ লগত। সম্ভৱেই নহয়। ম্যুং মিত নালাগে সমগ্ৰ ম্যুং মাও লুঙতেই নাই এনে বাও-এনে ডেকা যি তোমাক মোৰ বুকুৰ পৰা আঁতৰাই নিব পাৰে।

"সইত। কিন্তু আমাৰ শুভ যাত্ৰা আৰম্ভ হ'ব। এই যাত্ৰাত তোমাক মোকলৈ কিবা অশুভ হ'লে ভাল হ'ব জানো?

"তেনে তুমি প চাও মে চাওৰ আই বোপাইৰ কথাকে শুনিবা?"

খুন ছেঙে দুই হাতে ব্লক খামৰ দুই বাহুত ধৰি জোৰেৰে চেঁপি ধৰিলে।

"ছেং"

ব্লক খাম ভয়ত কঁপি উঠিল।

"কোৱা"

"মই তোমাৰ লগত পিন বৌন ঘৰ পাতিম। তুমি মোৰ ছেং কলিজা। তোমাৰ বাহিৰে কাৰোৰে লগত ঘৰ পাতিব নোৱাৰিম। পয় চকলঙৰ এশ ,গছ চাকি তোমাৰ আৰু মোৰ বাবে সাক্ষী হৈ ৰ'ব। আমি হেংদাং ধৰি শপত খাম জনমে জনমে এৰা এৰি নহম। চাউলত টেমি কটাৰি খেলিম। ফুন শৰাইত কড়ী খেলিম। ব্লক ছিং ফা ফুল

চটিয়াই লগতে বৰাধানৰ খাওতেক আৰু চটিয়াই পুৰুহিত ম’লুং ম চাও ম’লিক ম’লাই সকলৰ পৰা আৰ্শীবাদ জনমিং লম। তোমাক আৰু মোক কোনেও এৰা এৰি কৰিব নোৱাৰে। স্বয়ং চিকিয়া ফ্ৰাইও নোৱাৰে। প চাওইতে এনেদৰে আলোচনা কৰাৰ বাবে মোৰ মনটো বৰ বেয়া লাগিল, সেয়ে ইয়াত অকলে অকলে ঠিয় হৈ আছোঁ। তোমাক লগ পাই ভাল লাগিছে। সাহস পাইছোঁ। মই মে চাও মে থাওইতক ম্যুং মিতত চকলং নেপাতো বুলি জনাই দিম। নতুন দেশ গঢ়িবলৈ ময়ো যাম।”

তাই একে উশাহে কৈ পেলালে।

“দি দি মই তোমাক সাতোঁৰ আৰু ঘোঁৰা চলাবলৈ শিকাম। তুমি ভয় নাখাবা ব্লক। তুমি মোৰ দেওফুল ব্লক ছেং ফা-মক ফা। তোমাৰ পোহৰ দুই এদিনতে চাৰিওফালে বিয়পি পৰিব। আমাৰ যাত্ৰা পথত কোনোবা এদিন সুযোগ পালেই আমাৰ চকলং খন কৰি পেলাম।

ব্লক খামে ছেং কামৰ বুকুত মুখখন গুজি দিলে। ছেংকামে পিঠিত হাত দুখন ফুৰাই দি সোনকালেই তাৰ পৰা বিদায় ল’লে। ঘুৰি আহোঁতে তুন ৰুং জোপালৈ ফ্ৰা চাও ফ্ৰা চাও বুলি এবাৰ হাত জোৰ কৰি আহিবলৈ নেপাহৰিলে।

দহ

ছ্যুকাফা। চাও লুং ছ্যুকাফা। ৰাজচ’ৰাত বহি আছে। চাৰিওফালে নিজৰ নিজৰ আসনত থাও ম্যুং, চাও ফ্ৰং ম্যুং, ফুকন, অনান্য ফু কিন ম্যুং চাও নয় আদিসকল বহিল।

তামুলীয়ে আহি প্ৰথমে ছ্যুকাফাৰ ওচৰত আঠুকাঢ়ি তামোল দিলেহি। পিকবান ধৰাজনে ওচৰতে সোণৰ পিকবান ৰাখি ঠিয় হৈ আছে।

সকলোৱে তামোল খালে। তামোল আৰু পানৰ গোন্ধত কিছু সময় হ’লৌওটো মলমলাই আছিল।

“যাত্ৰাৰ বাবে সকলো যোগাৰ হ’লনে সভাসদসকল।” ছ্যুকাফাই গম্ভীৰ ভাৱে উচ্ছাৰিলে।

মন্ত্ৰী থাও ম্যুং বান ৰাইএ উঠি কলে, “যোৱা কালি সকলো প্ৰস্তুতি শেষ হৈছে। সকলো বিভাগৰ মানুহে কৈছে যে সকলো প্ৰস্তুত হৈছে। মাথো দিন খেনহে বাট চাই থকা হৈছে।

“কিবা অন্য সম্ভেদ অন্যৰ পৰা পোৱা হৈছে নেকি সভাসদ সকল?”

" তেনে অন্য কোনো সন্তেদ পোৱা নাই। চাৰিও ফালে সকলো ঠিকেই আছে। আমাৰ যাত্ৰাৰ শুভ দিনহে গনিব লাগে। "থাও ম্যুং দেৱে ক'লে।

তেন্তে ম' হুং চাংবুন সকলক শুভ দিনবাৰ চাবলৈ বানচেং মঙ্গল চাবলৈ কোৱা হওঁক। ভাল দিন বাৰ খেন মিলিলেই আমি যাত্ৰা কৰিব পাৰিম।

সভাত জৰুৰীমাৱে যাত্ৰাপথৰ লবলগীয়া সাবধানতা, কি কি বস্তু লৈছে, সকলোখিনি বস্তুৰ এখন তালিকা লিখিবলৈ, লগত থকা মূল মূল মানুহ কিজনৰ নাম তালিকা লিখা, যুদ্ধ কৰিব লগা হ'লে কি কি পন্থা অৱলম্বন কৰিব লাগিব লাগিব, কোন ক'ত থাকিব লাগিব, কাৰ কাৰ বাব কি কি আছিল আৰু কাক কাক নতুন বিষয় বাব দিয়া হ'ল সকলোখিনি লিখিবলৈ আৰু ৰাইজক জনাই দিবলৈ সিদ্ধান্ত হ'ল। তাৰোপৰি সকলো পৰিয়ালৰ কথা নিলিখিলেও মূল মূল পৰিয়ালৰ কথা ৰাজবুৰঞ্জীত লিখি ৰাখি অৰ্থাৎ এপৰিয়াল বা এঘৰ (বৌন লেং) বুলি উল্লেখ কৰি বাকী খিনি নিজা নিজা পৰিয়ালে নিজে নিজে লিখি ৰাখিবলৈ জনোৱাৰ সিদ্ধান্ত হ'ল। যি সকলে লিখা কামত পাৰ্গত সেইসকলে যাত্ৰাপথৰ সকলো বৰ্ণনা লিখি যাব লাগিব। তাৰ বাবে তুন ছেৰ অৰ্থাৎ নুনি গছৰ বাকলিৰ-আঁহৰ পৰা বনোৱা 'ছে কাগজ, সাঁচী গছৰ চালৰ পাত, তাল পাতৰ বনোৱা পাত, মুগা আৰু পাট কাপোৰ যোগাৰ কৰি ল'বলৈ জনোৱা হ'ল। চিঞাঁহী কলম সকলো ভাগে ভাগে যোগাৰ কৰা হ'ল। শিলিখা কেঁহেৰাজ বন, ভীমৰাজৰ ৰস, গঁৰুৰ মূত, চৰু চাই আদি মিশ্ৰন কৰি চৰুত ৰাখি জাৰৰ দিনত ঘঁমাই উত্তম চিঞাঁহী প্ৰস্তুত কৰি বাঁহৰ টেমাত ভালদৰে ঠিলামাৰি ভৰোৱা হ'ল। বিশেষ টান গা গছৰ ঢেকীয়াৰ কাপ কলমো বনাই লোৱাৰ লগতে চৰাইৰ পাখি বিশেষত ময়ূৰ চৰাইৰ পাখিত মেকুৰীৰ নোম বান্ধি কৰা তুলিকা, শই শই মোঠা বান্ধি লোৱা হ'ল।

ৰাজবুৰঞ্জী লিখাজনে লগত যাব লগা বিশেষ ডা-ডাঙৰীয়া কিজনৰ নাম লিখি গ'ল। তাৰে কিছুমান হ'ল- থাও ম্যুং ছু খুন, থাও ম্যুং মাং খাম, খুন লুং ৰু পাক, ফুলুং অৰ্থাৎ একোজনকৈ আৰু নিজা বংশ পৰিয়ালেৰে খুন লাক এঘৰ, খুন তং এঘৰ, ক্ৰং খ্ৰু এঘৰ, কং চাম এঘৰ, ম' ছাম এঘৰ ম চাই এঘৰ আৰু চাওফাৰ ঘৰৰ পৰিয়াল বৰ্গ। তাৰোপৰি ম'লুং পণ্ডিতৰ পৰিয়াল, ফু কিন ম্যুং সকলৰ নাম লিখি ৰখা হ'ল। মাইকী মানুহৰ নামবোৰ আৰু সাধাৰণ পাই ক' সকলৰ লিখি ৰখা নহ'ল। কিয়নো ৰাজবুৰঞ্জীত সকলোৰে নাম ঠিকনাৰ তালিকা বা সকলোৰে নিজা বয়বস্তু বা লৰা তিৰোতা আদিৰ নাম লিখি ৰখা নহ'য় বা লিখি ৰাখিবলৈ গৈ সময় আৰু কাগজ নষ্ট কৰা নহয়। সেইখিনি নিজা নিজা পৰিয়ালৰ একোজনেই নিজেই বংশাৱলী হিচাবে লিখি ৰখা দস্তুৰ তাইসকলৰ। লৰা তিৰুতা সম্পৰ্কীয় ভাই ককাই একে বংশৰ অওহী বওহীক ধৰি সকলোকে তাই

সকলে এঘৰ বুলি ধৰা নিয়ম। এজন ডাঙৰীয়া বুলিলে ৰাজবুৰঞ্জীত ডাঙৰীয়া জনকে নুবুজায় ডাঙৰীয়াজনৰ নিজৰ উপৰিও তেওঁৰ পৰিবাৰ লৰা ছোৱালিকো বুজায়। সেইবোৰ গোটেইবোৰৰ নাম নিলিখি ডাঙৰীয়া জনৰহে নাম লিখি ৰখা হ'ল।

তাৰোপৰি ছ্যুকাফাৰ যাত্ৰাৰ কথা শুনি ম্যুং মাও তথা ওচৰ চুবুৰীয়া অনান্য তাই ৰাজ্যৰ পৰাও ছ্যুকাফাৰ গুণগ্ৰাহীলোক দিনে দিনে আহি দলত যোগ দিছিলহি। তাৰ হিচাব লিখি ৰখা সম্ভৱেই নহৈছিল।

ছ্যুকাফাৰ দলত যাব লগা মানুহ বিলাকৰ মাজত মাজে মাজে লাও টুকুৰা লৈ কং বজাই বজাই শুনোৱা হৈছিল। চাও তাই পুঙৰ চকু মুদিবৰ সময়ত কোৱা বাইকষাৰ।

" পি নং ভাই ককাই সকল, তহঁতি হাই কাজিয়া নকৰিবি। আমি একেলগে গৰু মাৰি খোৱা মানুহ। একেলগে চুলি বন্ধা মানুহ। কাজিয়া নকৰিবি। আমি একেলগে গৰু মহৰ মাংস শুকুৱাইছিলোঁ। আমি একে তেজ মঙহৰ বঙহ'। আমি বঙহ' একে বংশৰ মানুহ। বঙহ। "

ছ্যুকাফাই ধুনীয়াকৈ জিন বন্ধা বগা ঘোঁৰা এটাত উঠি চে বিংখনৰ গোটেই চাউনীটোৰ সকলো মানুহকে এবাৰ খবৰ কৰিববৈ গ'ল। তেওঁ কদম তালত ঘোঁৰা চলাই গ'ল। ঘোঁৰাটোৰ পাছে পাছে ৰঙা ঘোঁৰা এটাত ছ্যুকাফাৰ বৰৰাণী নাংফা লুঙে কাষে কাষে দুজন অনুচৰ গা ৰখীয়া দুজনৰে সৈতে চাউনী চাববৈ আহিল। ছ্যুকাফাই সকলোকে সোঁহাত ডাঙি ডাঙি অভিবাদন জনালে। চাউনীৰ সকলোৱে য'তে যেনেকৈ নাথাকক খুব বাই আঠুকাঢ়ি মূৰৰ ওপৰত দহো আঙুলী লগাই অথবা হাতৰ তলুৱা আৰু কঁপাল মাটিত লগাই সেৱা জনালে।

চাৰিওফালে জয়ধ্বনি উঠিল, "পে অং লে চাওলুং ছ্যুকাফা'।

তেতিয়া পুহ মহীয়া ৰাতি। কুঁৱলি পৰিছে। ম্যুং মিতৰ চে ৰিঙত হাড় কঁপোৱা জাৰ। ফিৰফিৰিয়া বতাহো বলিছে। পুখুৰিৰ মাজবিলাকত ডাং কুঁৱলিয়ে ছাত মাৰি ধৰিছে। জোনাক নিশা। ফটফটীয়া জোনাক ফৰিংফুটা। ছেবিং ৰাজধানীৰ গড়ৰ চাৰিমেৰে ৰখীয়াবোৰে শেন চকু ৰাখি আছে।

ডা-ডাঙৰীয়া সকলে নিজা নিজা বয় বস্তুবোৰ নিজা নিজা দায়িত্ববোৰ ভালদৰে পালন কৰা হৈছেনে নাই শেষ বাৰৰ বাবে গমি পিটি চাই তদাৰক কৰিছে।

ম'ছং চাংবুনে বানছেং চাই যাত্ৰাৰ দিনবাৰ ঠিক কৰিলে। সেইদিন কাইলৈ পূৰা পৰিছে। এই মঙল খন খুব ভাল হৈছে। কাইটোক জনমেৰে খেনৰ পৰা ছেংকাই কৰি খোৱা হৈছিল। চোৱা ভাত খোৱা, মাটিত নমা এইবোৰ তাৰ জনমতো হোৱা নাই। সদায় আগ ভাত খিনিহে তাক দিয়া হৈছিল। যেন তেওঁ ফীলৈহে আগ ৰ-ৰিছে। মান তান মন্ত্ৰ

গোৱাৰ লগে লগে নিজেই মৰিল। তাৰে ঠেংজোৰ সিজাই মাংসবোৰ এক্কবাই হাড়বোৰৰ ফুটাত খৰিকা সুমুৱাই পৰীক্ষা কৰা হ'ল। প্ৰায় বিশডালমান খৰিকা এনেদৰে পিং খালে যে পিং বিলাকৰ চিত্ৰ আৰু স্থান আৰু দিশৰ পৰা সাঁচীপাত তথা গছৰ আঁহৰ কাগজত আঁকা দুক কাই ছেঙ পুথিৰ লগত মিলাই তলত লিখি থোৱা ভাগ্য গনণা, দিনবাৰ সকলো ওলাই পৰিল। কুকুৰা ঠেঙৰ মংগল চোৱা পুথিৰ পৰম্পৰা তাই সকলৰ মাজত ছুকাফাৰ পূৰ্ববৰ্তী খুন লুং খুন লাইৰ দিনৰ পৰাই অৰ্থাৎ তেওঁৰো ছশ বছৰৰ পূৰ্বৰ পৰাই চলি আহিছে। খুন লুং খুন লাইয়েও ম্যুং ফীৰ উখ অঞ্চল উত্তৰৰ ম্যুংদন অঞ্চলৰ পৰা নামি আহোতেই এই ৰীতি লৈ আহিছিল। খুন লুঙ খুন লাই দুই ৰাজকোঁৱৰ ম্যুং তাওলৈ অৰ্থাৎ তলৰ ৰাজ্যলৈ নামি অহাৰ পূৰ্বেও তেওঁলোকৰ পূৰ্বতে ম্যুং ফীৰ ৰাজাধীৰাজ স্বৰ্গৰাজ লেংদনে তললৈ শাসন কৰিবলৈ কাইছেং দি মানুহ পঠাইছিল। কিন্তু তেওঁলোকে তলৰ স্থানীয় মানুহক বশ কৰি ভালদৰে ৰাজ শাসন কৰিব পৰা নাছিল।

যাত্ৰাৰ খেন অহা কাইলে পৰিছে। ছুকাফাৰ মনত উগুল থুগুল। ছুকাফাৰ এনায়েকৰ পৰা শুনিছিল যে খুন লুং খুন লাইৰ পূৰ্বতে অহা মৰ্ত্য ম্যুং ক্লাঙৰ তাইবোৰ দুৰ্বল হৈ গিছিল কিয়নো তেওঁলোকে স্থানীয় মানুহৰ নিয়ম কানুন লৈ নিজৰ নিয়ম কানুন বোৰ এৰি দিব বিছাৰিছিল, তদুপৰি তেওঁলোকৰ ম্যুং দনৰ ম্যুংফীৰ নেতাবোৰো ভয়াতুৰ হৈ দুৰ্বলহৈ পৰিছিল। মে নাম কঙৰ নামনিত তেওঁলোক বোলে খা দাম কলা বৰণীয়া মানুহৰ লগতো মিলিছিল। সেয়ে ছুকাফাৰ চিন্তা হৈছিল তেওঁৰ দলৰ মানুহবোৰ কেনেকৈ শক্তিশালী সবল কৰি ৰাখিব পাৰিব। তেওঁ নাম মাও নাম কিউ পাৰ হৈ খে নাম দাও ফী মে নাম তিলাও আদিৰ পাৰলৈ যাবলৈ ওলাইছে। মে নাম মে কং মে নাম মাও, মে নাম কিউ আৰু ক'ত সৰু বৰ নদ নদী জান জুৰি সুঁতি বিল পাৰ হৈ যাব লাগিব তেওঁ আৰু তেওঁৰ দ'ল। এদিন দুদিন নহয় বহুদিন। বহুৰাতি। মাজে মাজে খেতি খোলাকৰিব লাগিব।শিবিৰ পাতিব লাগিব। ধান মাহ গোটাই লব লাগিব। অহা যোৱাৰ বাট কাটিব লাগিব। হাবি মোকলাব লাগিব, বাট গঢ়িব লাগিব, বাটৰ খা সকলৰ লগত মিতুৰ হ'ব লাগিব, বাটে বাটে অন্ততঃ এদিন বা এবেলা খোজ কঢ়াৰ বাটত খোপনি দিব পৰাকৈ ম্যুং কিছুমান গঢ়িব লাগিব, আৰু থাও ম্যুং দুই এজনক সেইবোৰ পৰিচালনা কৰিবলৈ ফুকিন ম্যুং ৰাজখোৱা পাতি যাব লাগিব। মানুহো বহাব।

ম'ছুং ম' প্লং ম' চাংবুনৰ মতে অহা কাইলৈ দিনটো ভাল খেন যেতিয়া চিন্তা ক ৰিব লগীয়া কথা অৱশ্যে বিশেষ একো নাই। তথাপি তেওঁৰ চিন্তা হবই। নহ'বই বা কিয়? চিৰদিনৰ বাবে তেওঁ ম্যুং মিত ম্যুং মাও ম্যুং কুপ ক্লিং দাও এৰি যাবলৈ লেছে। যোগাযোগ থাকিব। আহিব মানুহ। তেওঁৰেই মানুহ। কিন্তু তেওঁতো নাহিব পাৰে। ৰজাজানো বাৰে বাৰে

আহিব পাৰিব। সেয়ে মানুহ আহিলেও গ'লেও তেওঁতো চাগে অহা যোৱা কৰিব নোৱাৰিব।

ছুকাফাই নিজাকৈ এখন দেশ ম্যুং ৰাজ্য গঢ়িব লাগিব। নিজাকৈ এখন পাবই লাগিব। ইমান খন মানুহ লগত ওলাইছে। তিনি হেজাৰ মটগুৰে এচেৰা ভাতেৰে নাটেই। আৰু কমেও দুইচেৰা, তিনি চেৰা ভাত সিজাব লাগে। তদুপৰি বহুতে বাঁহৰ চুঙাতো সিজাই খাব লাগিব। এতিয়ামানে গোটখোৱা নিয়মীয়া সৈনিকেই ন হেজাৰ লেখৰ হ'ব। তদুপৰি তেওঁলোকৰ দুই এক বংশৰ লোক অনুচৰ ভায়েক ভনীয়েক বায়েক গোট পিত খাই দহ বাৰ হেজাৰৰো কম নহ'ব। সকলোৰে কুন বিন কুন খা নাই যদিও বহু হেজাৰ সুসৰ্জ্জিত হৈ আহিছেই। বহুজন বয়সস্থ সৈনিকৰ পৰিয়ালো লগত যাবলৈ ওলাইছে। নিজৰ লৰা তিৰি লুক চাই লুক ঞিং ফুমেক কেনেকৈ এৰি থৈ যায়। এৰি বা যাবই কেলৈ। দেশ গঢ়িবলৈ ওলাইছে, মাটি ভাঙিব লাগিব, হাবি জুৰিব লাগিব, হাল বাব লাগিব, ৰুৱা তোলা, ধান বনা, সিজোৱা, কাপোৰ বোৱা, মুগা পাট পলু আদি পোহা আৰু ক'ত কাম মাইকীবোৰেই কৰিব লাগিব। মতা বোৰেতো কাপোৰ নবয়, সুতা নাকাটে, ভাতনিসিজায়, ৰুৱা গোজ নলয়, ধান নাদায়। এইবোৰ মাইকীয়েহে কৰে। এয়া তাই সকলৰ পূৰ্বাপৰ নিয়ম। খুন লুং খুন লাই, পু ফী ছু, লেংদনৰ দিনতো একেই নিয়ম। এই সকলোবোৰ মানুহক যদি মই ৰাজ্য গঢ়ি দিব নোৱৰো তেনেহ'লে কি হ'ব মানুহ খনৰ বিলাই বিপত্তি। ইমান খন অতগাল মানুহক আওমৰনে মৰিবলৈ এৰি দিব নোৱাৰো। মই দৃঢ় প্ৰতিজ্ঞাবদ্ধ হ'ব লাগিব যে এখন ম্যুং তাই মই গঠন কৰিমেই। ম্যুং তাই ৰাজ্যত অবশ্যে তাই জাতিৰেই নহয় অন্য জাতিৰ লোককো শান্তিৰেই থাকিবলৈ দিম। তেওঁলোকৰ মই একো অপকাৰ নকৰোঁ। তেওঁলোকো মানুহ। ফাতু ছিঙে সৃষ্টি কৰা মানুহ, মানুহৰ তেজ মঙহেৰে তেওঁলোকো মানুহ। ৰাং একেই ল্যুত একেই। চ্যেও একেই। আশা একেই। ভোক একেই। জীৱন মৰণ একেই। মানুহ। মাথো মানুহ। কিন্তু মানুহক মানুহ হিচাবে থাকিবলৈ দিব পৰাৰ বাবে কাৰোবাৰ শক্তি নাথাকিলে মানুহ মৰে। কেতিয়াবা খা সকলৰ বহুতেই মানুহ হিচাবে থকাৰ অধিকাৰ নাপায়। নিজৰেই বঙহে বঙহক কুটি বাচি খায়। সেয়ে মই স্বজাতি পৰজাতি নাই সকলোকে মানুহ হিচাবে জীয়াই থকাৰ বাবেই 'ম্যুং' দেশ গঠন কৰিব লাগিব। তেতিয়াহে ছু বোৰযে বাঘৰ সন্তান সেয়া প্ৰমান হ'ব।

এই যাত্ৰা পথ বৰ দুৰ্গম। আমাৰ উপৰি পুৰুষৰ লগত সম্পৰ্ক থকা বীৰ কুলু ফেঙে বহু বছৰৰ পূৰ্বে পশ্চিমৰ দেশবোৰ জয় কৰিছিলহি বুলি ধু ৰান চচী বিলাকত পঢ়িবলৈ পোৱা যায়। লগতে পুলিন পুথাও হঁতেও কোৱা শুনিছোঁ। পশ্চিমৰ পাহাৰীয়া জাতিবোৰ বৰ সাহসী যুদ্ধাৰু জাতি। তেওঁলোকে বছৰে বছৰে আমাৰ পিতৃ পুৰুষ মক দন ম্যুং ফী আনকি তাৰো উত্তৰৰ ম্যুং ফ্যুকে বগাধবল বৰফেৰে আবৃত দেশৰ পৰাও

আহি আহি এইবোৰ অঞ্চলত বসবাস কৰিছেহি। তেওঁলোকো দুৰৰ হ'লেও আমাৰ লগৰ ককাই ভাইৰ দৰে মানুহ। মে নাম মেকঙৰ উজনিত পাহাৰীয়া অঞ্চলত আমাৰ পুলিন পুথাও সকলে হেজাৰ বছৰৰ পূৰ্বে লগ পাই আছিল তেওঁলোকক। তেওঁলোকৰ মাজেৰেই আমাৰ পুলিন পুথাও সকলে উত্তৰৰ দয় কিউ কাও, ম্যুং নক ফা আদি অঞ্চললৈ গৈছিল বেহা বেপাৰ কৰিছিল। আকৌ আজিও আমি তেওঁলোকৰ মাজেৰেই যাত্ৰা কৰিব লাগিব। এইবোৰো কম কথা নহয়। কিন্তু এইবোৰ কাম সমাধা কৰিবই লাগিব। ছ্যুকাফাই গভীৰভাবে কথাবোৰ ভাবি চিন্তি তং কৰিলে।

ছ্যুকাফাই শুনিছে যে তেওঁলোকৰ দলৰ এজনে চাও চাম লুং ফাই বহু সেনা ম্যুং বাই চালী চাৰ ফালে তেওঁ দেশ জয় কৰিছেগৈ। সেইফালৰ কি পাহাৰীয়া, কিসমতলৰ বহু সৰু সৰু জাতিক তেওঁ জিনিছে। সেইফালে পূৰ্বতে বসতি কৰি থকা দুই এজন তাই মানুহ আৰু লগতে ম্যুং কুলাৰ দুই এক চাও খেক আলহীও ম্যুং মাওৰ দিশে আহিছিল। তেওঁলোকৰ মুখেৰেও কথাবোৰ শুনিছোঁ। যোৱা তিনিমাহৰ পূবেই মই এই সম্ভেদ পাইছোঁ। সেই ম্যুং কুলা দেশ ম্যুংকঙৰ সিপাৰে। নুক নন বান তুক। য'ত চৰাই শুৱে য'ত বেলি পৰে। পশ্চিমত। বান তুকত। ম্যুং পাকামত। মে নাম বম পুত তাতেই আছে। তাৰো সিফালে তিয়ুৰা ডিউৰা সকলক আমাৰ মানুহে ছ্যু তিউৰা-চ্যুতিৰা বুলিও কয়, তেমিছা কুলা আৰু পশ্চিমে লু ফাৰাংবোৰ।

ছ্যুকাফাই ম'লুং ম'লিক ম'লাই পণ্ডিত জ্ঞানীজনে লিখি থোৱা মুগা পাট কাপোৰৰ লিক বিলাকত এইবোৰ কথা পাইছে। ছ্যুকাফাৰ কাষত থকা মে নাংফা তিনিও গৰাকীয়েও এইবোৰ পুথি পঢ়ি চাইছে। কৰবালৈ মহান কাম এটা কৰিবলৈ গ'লেতো নিজকে পূৰ্ণ প্ৰস্তুত কৰিব লাগিব। পূৰ্ব প্ৰস্তুত প্ৰাকজ্ঞান নোহোৱাকৈ তেওঁলোক কেনেকৈ যাব।

ছ্যুকাফা আৰু ৰাণী সকলে মনে মনে আলোচনা কৰিছে ইমানবোৰ হেজাৰ হেজাৰ মানুহ লৈ একেৰাহে তালৈকে গৈ থাকিলে বৰ কষ্ট হ'ব। কেৱল যুদ্ধত বিজয় কৰি লুটপাত কৰি খাই গলে আমি গৈ কেতিয়াবা অসুচল ঠাইতো পৰিব পাৰো। গতিকে আমি এখোজ এখোজকৈ চাই চিতি ঠায়ে ঠায়ে থাকি চোৰাং চোৱা পঠাই খা খবৰ কৰাইহে লাহে লাহে আগবাঢ়িব লাগিব। তেতিয়া খেতি বাতি কৰি সকলোৱে গা টঙাই যাব পাৰিম। লগতে আমাৰ লগত বাটৰ তাই দেশ বিলাকৰ পৰা আৰু মানুহ আমাৰ লগত যাবলৈ প্ৰস্তুত হ'য়। ছুখান ফাৰ কথা চিন্তা কৰি থাকিলে আৰু আমাৰ নহ'ব। তেওঁৰ পৰা বিদায় মাগিবই যেতিয়া লাগিব সোনকালেই কোনো অপায় অমঙ্গল নৌ হওঁতেই যোৱা ভাল। যেতিয়া আমি শেষ অবস্থাত থান থিত লাগিমগৈ তেতিয়াহে ছুখানফালৈ চৌখাম পঠাম যে আমি আছোঁহি।

প্ৰথাৰ

ছে বিঙৰ পশ্চিমৰ বৰ পুখুৰীটোৰ পাৰত সোঁফালেদি এখন দহ্ পোৰা মান মাটিজোৰোৱা ওখ পথাৰ আছে। তাতেই সামুহিক ভোজৰ প্ৰস্তুতি চলিছে। আবেলি বেলি লহিওৱাৰ সময়ৰ পৰাই চাৰি হেজাৰ মতঙত চাৰি ছেৱা খাও নুং বৰা ভাত বনাই থকা হৈছে। শাৰী শাৰীকৈ ডাঙৰ ডাঙৰ দহ হেজাৰমান পাচী সজাই থোৱা হৈছে। প্ৰায় হেজাৰ মাইকী মানুহে মতংবোৰত জুই দি সিজাই আছে। দুহেজাৰমান প্ৰায় পোন্ধৰ বছৰীয়া ছোৱালীয়ে ভাপত সিজোৱা ভাতবোৰ ডলাত জাৰিছে। আৰু আন এহেজাৰমান ছোৱালীয়ে ভাতবোৰ লেৰেলুৱা কৌপাতেৰে টুপুলা কৰিছে। তাৰে কিছুমান হোৰাত ভৰাই সজোৱা হৈছে। কাইলৈৰ যাত্ৰা পথত এইবোৰ প্ৰয়োজন হ'ব। কাইলৈ দুপৰীয়া আৰু ৰাতিৰ সাজো ইয়াৰ টুপুলাৰেই চলিব পৰাকৈ বন্ধা হৈছে। সকলোৰে মাজত না না গানৰ গুণগুনণনী।

আনফালে এটা মতঙত এশজনে খাব পৰা পঞ্চাশটামান মতঙত মাংস সিজোৱা হৈছে। মাংসৰ বাবে বিশটা পাহোৱাল হু ৰেপ চি কৰা হৈছে। দহটা গোনা মহো মৰা হৈছে। গৰু আৰু মহৰ মাংস সুকীয়া সুকীয়াকৈ সিজোৱা হৈছে। তাৰোপৰি বাটত খাবৰ জোখাৰে বহু দিনলৈ জোৰাকৈ মহৰ মাংস আৰু মাছবোৰ বৰচালনীত শেষবাৰৰ বাবে শুকুৱাই লোৱা হৈছে। তাক টুপুলা কৰি বাঁহৰ পাতল চুঙাত ভৰাই ঘোঁৰাৰ পিঠিত দিব পৰাকৈ বন্ধা হৈছে।

হু আৰু মহৰ মাংসবোৰ কিছুমানে পিং দি শুকুৱাই শুকুৱাই মাটিৰ ডাঙৰ ডাঙৰ এং কলহ বিলাকৰ পৰা চাকি চাকি একোবাটিকৈ মিঠা লাও খাইছে। বৰা ধানৰ লাও। হালধীয়া। বৰ মিঠা। কিন্তু চোক হ'লে ভালদৰে আছে। ত্ৰিশ চল্লিশজন মানুহৰ একুৰা জুই এটা ডাঙৰ লাঁও পুনা এং।

সৰু সৰু লৰা ছোৱালীবোৰৰ ভোক লগাৰ বাবে সকলোতকৈ আগতে শাৰী পাতি বহোৱাই সকলোৰে আগে আগে এটুপুলাকৈ খাও নুং দিয়া হ'ল আৰু হু আৰু মহৰ মাংসও এটুপুলা দিয়া হ'ল। লৰা ছোৱালী বিলাকে চিএঙৰ বাখৰ কৰি ফূৰ্তি কৰি পৰম তৃপ্তিৰে খালে।

একেবাৰে শেষত মাইকী মানুহবোৰে খাবলৈ বহিল। তেওঁলোকে টুপুলা নকৰাকৈয়ে দহ্ বাৰ জনীৰ মাজত এপাচি খাও লুং আৰু এপাচী হু আৰু এপাচী মহৰ

মাংস লৈ খাবলৈ বহিল। সকলোৱে হাতেৰে পাচীটোৰ পৰা এমুঠি খাওনুং ভাত আনি ভালকৈ মুঠিয়াই মাংসৰ ডাঠ জোলত তিয়াই লৈ মুখত এনেভাবে ভৰাই দিছে যাতে হাতৰ আঙুলী মুখৰ ভিতৰত কোনোপধ্যেই নালাগে। তাৰ পাচত বাঁহৰ পিং এডালেৰে মাংস খোচ মাৰি আনি মুখত লগাই দিয়ে, কিন্তু পিংডাল তিলমাত্ৰও মুখত নালাগে।

কোনো আদবয়সীয়া মাইকী মানুহে বাঁহৰ এবেগেতীয়া চুঙাত লাওয়ো খাইছিল। কিন্তু মতা মাইকী কাৰোৱে নিচা ধৰা নাছিল। যেন তেওঁলোকে নিত্য নৈমিত্তিক নিয়মেৰে পানীহে খাইছিল। ভাত খোৱাৰ পূৰ্বে এটুপা লাও খোৱাটো তাই মানুহৰ নিয়ম আছিল।

ডেকা বিলাকে অৱশ্যে কোনোৱে কোনোৱে বেচিকৈ লাও খাইছিল। কিন্তু তেওঁলোকে মে থাও যা থাও বিলাকৰ ধমকি হজম কৰিব লগা হৈছিল। তেওঁলোকে বহুতেই কং পিলেপি চিং বজাই কঁকালত হাত দি দি নাছিছিল। কং ঢোলৰ মাত শুনি নাংচাও হঁতৰ নাচো নাচো লাগিছে যদিও ভাতৰ দায়িত্বত থকা বাবে গা লৰাবকে পৰা নাছিল। তথাপি ঢোলৰ চেঁৰে চেঁৰে দুই এজনীয়ে কেতিয়াবা কামৰ মাজতে লচপচাই নাচ এপাক মাৰিছিল।

চাউলীটোৰ সকলো মানুহৰ আনন্দ দেখি এক উৎসৱ মুখৰ পয় যেন লগাত ছুকাফাৰ মন আনন্দত নাচি উঠিছিল। সেই নিশা চাওলুং ছুকাফা আৰু তেওঁৰ আটাই কেইগৰাকী ৰাণীয়েও ৰাইজৰ লগতে একেলগে বহি ভোজৰ ভাত আৰু লাও খাইছিল। গৰুৰ আগমঙহৰ চিক চাক ছুকাফাৰ বাবে আছুতিয়াকৈ ৰাখিছিল। ছুকাফাই ডাঙৰ সোণৰ বান কাঁহীখনৰ ওপৰত কৌপাতৰ টুপুলা কিটা খুলি কাষত মহৰ মাংসবোৰ পিঙেৰেই খুচি খুচি ৰাইজৰ লগত বৰ আনন্দেৰে খাইছিল। তেওঁলোকৰ আদৰত চাওফাই তেওঁলোকৰ লগত একেলগে ভোজ খোৱাত ৰাইজ আৰু সৈন্য সকল বৰ আনন্দিত হৈছিল আৰু দুগুণে উৎসাহিত হৈছিল।

বাৰ

তেতিয়াও বান ওকৰ আখিং ওচৰ চপা নাই। পূবত বেলিৰ পোহৰৰ ৰেঙণিও দেখা দিয়া নাই। তেতিয়া কৰবাত কৰবাত দুই এটা কাইয়ে ডাক দিবলৈ আৰম্ভ কৰিছে। ছুকাফা ডা-ডাঙৰীয়া সকল, নাংফা সকলে বিচনা এৰি ততাতৈয়াকৈ আপ নাম কৰিলে। আপ নামৰ খাম ছীং ছুকাফাই নিজেই আওঁৰালে। হং নামটোত গুণগুণনী উঠিছিল।

পুৱাতেই নাংফা তিনিগৰাকী আহি লিগিৰি সকলৰ সৈতে ছ্যুকাফাক চাওফা পোচাক পিন্ধালেহি। কিছু সময়ৰ পাচত ম'হুং আৰু চাং কুন দুয়ো পুৰুহিতৰ ছয়জনলোক ওলালহি অলপ পাচতে ৰাজচৰাৰ চিৰিং তিনিজন আহি পালেহি।

চুম ফ্ৰা ছেঙৰ ওচৰ চাপিল ছ্যুকাফা আৰু আটাইকেউগৰাকী মানুহ। মৃদং কং নয়। কং লুং ছেং লুং পি, খেন, য়াম ম্বং লৈ বাদক সকল ৰাত চুমফ্ৰা ছেঙৰ প্ৰাতু মুখত ৰৈ আছিলহি আগতেই। ছ্যুকাফা, চাও মুন কিম যোৱাৰ বাবে বাদ্য বাজি উঠিল। কং লুঙৰ শব্দই হ'লোঙৰ বেৰত প্ৰতিধ্বনিত হৈ উঠিল। আটাইবোৰ বাদ্য একেলগে বাজি উঠিল। সংগীতৰ শব্দত এক মুহূৰ্তৰ বাবে ম্যুং মিতৰ ম্যুং ল্যুঙৰ গড়ৰ ভিতৰ খন এক ৰহস্যৰ মায়াজালৰ সৃষ্টি হ'ল।

ৰাত ৰখীয়া কিজনৰ ঘাইজনে প্ৰাতুখন খুলি দিলে। মহুং চাংবুন আৰু চিৰিং কিগৰাকীয়ে চুম ছেং বন্দনাৰ স্ৰোত গাবলৈ ধৰিলে। লগে লগে লগত থকা আটাইবোৰ মানুহেই গাব ধৰিলে। চাওফা ছ্যুকাফাই চুম ছেঙৰ বাকচ এপটো খুলি চালে। উজ্জ্বল বহুমূলীয়া অষ্ঠ ধাতুৰে নিৰ্মিত চুম ছেঙৰ মূৰ্তি। পুৱাৰ আন্ধাৰৰ মাজতো যেন চুম ছেং তিৰবিৰাই উঠিল। চালফা ছ্যুকাফাই চুমছেঙৰ বাকচটো ডাঙি দিলে। বাহিৰৰ বাকচটোৰ মাজত ভিতৰত আৰু এটা বাকচ। ভিতৰৰ বাকচটো সোণ পানী চৰোৱা, মাজে মাজে সোণৰ আৰু ৰূপৰে ফুল লগোৱা হৈছে। বাকচটোৰ বাহিৰে ভিতৰে ফুল। বাহিৰৰ বাকচটো মূল্যবান কাঠৰ। কাঠৰ ওপৰত হেঙুল হাইতাল লগাই ৰং কৰি মাজে মাজে জাংফাই লগাই জিলিকি থকা মিহি পিছল কৰি থোৱা হৈছে।

ছ্যুকাফাই প্ৰথমতে ম'হুং চাংবুনৰ পৰা ব্লক ছিংফ্ৰা মক ফা লু দান কৰে। তাৰ পাচত সকলোৱে অৰ্থাৎ কিছু মক দিয়ে। ছ্যুকাফাই চুম ছেঙৰ এপটো চিৰিং সকলৰ হাত তুলি দিয়ে। চিৰিং তিনিজনে হাত পাতি লয়। ৰাত ছুম ছেঙৰ বাহিৰত বিভিন্ন মক বা ব্লক অৰ্থাৎ ফুলেৰে সজাই থোৱা জোঙা হৈ যোৱা চালি থকা দোলাখনত চুম ছেঙৰ এপটো বহোৱাই দিয়া হ'ল।

লহে লাহে আকাশ খন পোহৰ হৈ উঠিছিল। বান উক। পুবত বেলি ওলাইছিল।

সকলো বিলাক মানুহেই নিজা নিজা দায়িত্ব পালন কৰি সাজু হৈছিল। কোনোৱেও নিজা কৰ্তব্য পালনৰ পৰা বিৰত নাছিল। কোনেও যাতে একো নাপাহৰে তাৰ বাবে বাৰে বাৰে সাজু হৈছিল। যাত্ৰা অনিবাৰ্য্য। যাবই লাগিব। যুদ্ধ কৰিলে হাবিত পিঠিতে সিজাই খাব পৰা ভাতৰ তামৰ মতঙো এশটামান মানুহে বান্ধি ললে। মতংবোৰ বেঁতৰ ৰচীৰে পিঠিত বান্ধি লোৱা হয়। মতঙ চৰুটোৰ জুইৰ তাপ গাত নালাগিবৰ বাবে এচটা কাঠৰ ওপৰত মাটি লিপি পিঠি আৰু চৰুৰ দুৰত্ব ৰক্ষা কৰে। তদুপৰি কাঠচটাত চাৰিটা

ঠেং দি পিঠিৰ পৰাও কাঠ চটা দুৰত ৰাখে। দীঘলীয়া যাত্ৰাৰ সময়ত বা বিশেষ যুদ্ধ যাত্ৰাত এনে মতং চৰুত ভাত সিজোৱাৰ ব্যৱস্থা কৰে। কোনোৱে কাৰো ওপৰত নিৰ্ভৰ কৰা নাই। আনকি সৰু লৰা ছোৱালী আৰু আদহী মহিলা বোৰেও নিজৰ নিজৰ যাৱতীয় বস্তু বাহানীবোৰ বান্ধি কুন্ধি লৈছে। তেওঁলোকৰ ৰজা মৰিলে তেওঁলোকো মৰিব। ৰজাইও ভাবিলে তেওঁৰ প্ৰজা মৰিলে তেওঁনো বাচি থাকি কি কৰিব। ৰজা প্ৰজা সকলো সমান। নৰ মনিচৰ দেহা। ৰজা মাত্ৰ তেওঁলোকৰ দলপতি, সকলোকে শৃংখলাৰে দিহা দিয়া এজন ব্যক্তি চাওফা।

তেৰ

পি লাকনি কাতৰাও। তাই মতে কাতৰাও বছৰ। সেই বছৰতে ছু খান ফা ম্যুং মাওৰ থিন খামতি উঠে।

পি লাকনি খুত মিত। কাতৰাওৰ পাচৰ বছৰ। সেই বছৰেই পুহ মহীয়া জাৰৰ ৰাতি পুৱা ছুকাফা আৰু তেওঁৰ অনুগামী সকলে যাত্ৰা আৰম্ভ কৰিলে।

প্ৰথমে আগবাঢ়িল ১০০ ঘোঁৰা, তাৰ পাছে পাছে খোজ কাঢ়ি যোৱা সৈনিকসকলৰ কিছুমান। তাৰ পাচত মতা হাতীত উঠি ছুকাফা আৰু এগৰাকী ৰাণী আইমে চাও লু। আন দুগৰাকী ৰাণী মাইকী হাতীত উঠিল। তাৰ পাচত অশ্বাৰোহী সৈনিকসকল আৰু খোজকাঢ়ি যোৱা সৈনিক আৰু অনুগামী সকল। ম্যুং মিতৰ ৰাজধানীৰ পৰা পুৱা আগবাঢ়ি গ'ল। বেলি ওলোৱাৰ লগে লগে হিলৈ এটা ফুটিল, গুৰুম কৰি শব্দ হ'ল। ম্যুং মিতৰ ৰাজধানী কঁপি উঠিল। ঘোঁৰা আৰু মানুহৰ ভৰিৰ খোজৰ ধুলিৰে বাট নেদেখা হ'ল। ধুমুহা অহাৰ দৰে গোটেই ৰাস্তাটো গম গমাই গৈছিল। ম্যুং মিতত যি বিলাক লোক থাকি গৈছিল সকলোৱে ছুকাফাৰ যাত্ৰাৰ লগে লগে হিয়া ঢাকুৰীয়াই কান্দিব ধৰিলে।

ঘোঁৰা বোৰে চেঁ চেঁয়াই উঠিল। কলা, হালধীয়া, সেউজীয়া মেখেলা পিন্ধা, মূৰত কাপোৰ মেৰিয়াই লোৱা হাতৰ গাঠিলৈকে বৈ পৰা কঁকাল ঢকা ডিঙিলৈকে ঢকা চুটি চাপকন পিন্ধা মাইকী মানুহবোৰ ওপৰত নীলা আকাশ, পাতল কোমল কুঁৱলীৰ মাজত এক ৰহস্যময় মনোৰম দৃশ্যৰ অৱতাৰণা কৰিছিল। অশ্বাৰোহী সৈনিকসকলৰ গাত লিপিত খোৱা দীঘল চাপকনবোৰে এক অবৰ্ণনীয় সৌন্দৰ্যৰ সৃষ্টি কৰিছিল। ম্যুং মিতৰ সেউজীয়া গছবনবোৰে কান্দিছিল, সিহঁতেও যেন চিনি পাইছিল চাওলুং ছুকাফাক।

ম্যুং মাওয়ে ছুকাফালৈ যেন বিষাদেৰে চাইছিল।

ছুকাফাই চাৰিওফালে ঘুৰি চালে, দুৰত দেখিলে ম্যুং মিতৰ ৰাজধানীৰ গড়। ওখ ওখ গড়বিলাক দুৰৰ পৰা সেউজীয়া পাহাৰৰ দৰেই ছুকাফাৰ চকুত জিলিকি উঠিছিল। এনে সুন্দৰকৈ বনাই লোৱা মৰমৰ ৰাজধানীখন এৰি যাব লগা হোৱাত তেওঁৰ অন্তৰত শোকে খুন্দা মাৰি ধৰিব খুজিছিল, দুচকুত দুটোপাল চকুলোও ওলাব খুজিছিল, কিন্তু জোৰকৈ হেঁচা মাৰি দমাই ৰাখিছিল। হায় ম্যুং মাও, হায় ম্যুং মিত! আ লু লু! আ লু লু!

মানুহবোৰ গৈ আছিল। একেবাৰে লানি নিছিগাকৈ গৈ আছিল। ম্যুং মিতৰ ৰাজধানীৰ পৰা তেতিয়াও এবেলাৰ বাটহে আগবাঢ়ি গৈছে। খোজ কঢ়া মানুহবিলাকে এবাৰো জিৰাবলৈ বহা নাই। ভাগৰ লাগিবৰ সময়েই হোৱা নাই। তাই মানুহবোৰ বৰ শক্তিশালী, পথাৰত হুৱা তোলা গৰু গাই খেদি কৰি বন্ধা, মহ ৰখা, ঘৰৰ কাম বন কৰা, ঢেঁকিৰে ধান বনা আদি কাম কৰোঁতে তেওঁলোকৰ ভৰিৰ যথেষ্ঠ পৰিশ্ৰম হয়। সেয়ে খোজ কাঢ়িবলৈ তেওঁলোকে কোনো কেৰেপকে নকৰে।

ম্যুং মিতত থাকি আহিবলৈ লোৱা বহুতো 'বন্ধু বৰ্গ' সম্বন্ধীয় লোক কিছুমানে তেওঁলোকৰ লগৰ মানুহ সৰহ খিনিয়েই গুচি যাবলৈ লোৱা দেখি বেজাৰত ৰব নোৱাৰি ঘোঁৰাত উঠি টালি টোপোলা যি পায় তাকে লৈ খৰ খেদাকৈ গৈ দলটোৰ লগ ললেহি। বাটতো দুই এজনে মনৰ উচ্চাস দমাব নোৱাৰি দলৰ লগত যোগদান দিলেহি।

তেওঁলোক আহিয়েই আছিল। ম্যুং মিতৰ ম্যুং ল্যুং ৰাজধানীৰ পৰা পোনে পোনে খোজ কাঢ়ি আহিলে এবেলাৰ বাটত মৌদাম (মৈদাম) দিয়া ঠাইখন পোৱা যায়। তালৈকে ম্যুং ল্যুঙৰ পৰা পোন বাট। ইয়াৰ পৰাহে বাটটো কিছু ঠেক হৈছে। ম্যুং লুঙৰ পৰা মৌদাম বা মৈদাম স্থানলৈকে খুন তাং ৰাজআলিটো প্ৰায় বিশ হাত বহল আৰু দহহাতমান ওখ, ৰাস্তাৰ দুয়ো কাষে ক্লং খাল। ক্লং বিলাকত পানী আছিল। মাছপুথিও তাত অজস্ৰ আছিল।

যিবিলাক মানুহে খুন তাঙৰ কাষৰ ক্লঙত গা ধুই ধেমালী কৰি আছিল ছুকাফাৰ যাত্ৰা দেখি চমক খাই উঠিচিল। উদ্দেশ্যটো জনা সকলোৱে হাতেৰে অভিবাদন জনাইছিল। বা পে অং লে, ছাও লুং ছুকাফা বুলি জয়ধ্বনি দি উঠিছিল, যিবিলাকে জনা নাছিল, তেওঁলোকে আচৰিত হৈ আশংকাত শিহৰি উঠিছিল।

মৌদামৰ শাৰী চাৰিটা আছিল। খুন তাঙৰ সন্মুখত চাৰিটা ডাঙৰ ডাঙৰ মৌদাম আছিল। ছুকাফাই হাতীটো ৰখাই ম্যুং লুঙৰ পৰা যতনাই অনা খাও চুম ব্লক চিংফ্ৰা আৰু অনান্য ফুলেৰে সৰ্জ্জিত পান ব্লক যা এখন মৌদামৰ ফালে আগ বঢ়াই মৃতক উপৰিপুৰুষ পুলিন পুথাওৰ আৰ্শীবাদ জনমিং খুজিলে। তেওঁ হাতী খাম ক' ম্যুঙৰ পৰা নামি আঠুলৈ

খুপ বাই কৰি পান ব্লক যা আগবঢ়াই দিলে। টিঙিৰি মাৰি নাহৰ গুটি চাৰিটামান পিং দি মাটিত খুটি জ্বলাই দিলে চাংবুন আৰু মহুঙ তিনিজনমানে খামচিং গালে। সকলোৰে কণ্ঠত ধ্বনিত হ'ল-

"চাওফা ত্ৰা আলং চিক্যা ৰানিপ্লান বই মৌ চ্যাও কা ৰই।"

গোটেই দিনটো তেওঁলোক গৈ থাকিল। মাথোন দুপৰীয়া ক্লাং বানৰ সময়ত যেতিয়া বেলি আহি মূৰৰ ওপৰ পালেহি, তেতিয়া ক্লাং খাও দুপৰীয়াৰ আহাৰ খাবলৈ ডাঙৰ হাবি এখনৰ মাজত সৰু নৈ এখনৰ পাৰত মানুহবিলাকে কিছু সময় জিৰনি ললে আৰু ক্লাং খাওত হোৰাত ভৰাই অনা এটোপোলা দুটোপোলা খাও ন্যুং মাংস এটুকুৰা দুটুকুৰা নতুবা টেঙা কৰামাছৰ প্লাচা ফাই অকন অকন লৈ খালে। খেনোৱে ওচৰতে থকা কুমলীয়া বাঁহ গছ কাটি তাৰ চুঙাত পানী উমাই বাঁহৰ চুঙাত ধোঁৱা চাঙত শুকুৱাই থোৱা দুটামান চাহ পাত মিলাই 'নাম নিং' খালে। ভাতৰ লগে লগে পাতলকৈ ফিকা চাহ খোৱাটো তাই তথা তাই সকলৰ দৰে বহু পাহাৰীয়া জনগোষ্ঠীৰে নীতি। চাহে ভাত হজম কৰে আৰু গাত শক্তি দিয়ে বুলি তেওঁলোকে মানে।

সৰু সৰু লৰা ছোৱালী বিলাক আহিছিল বোকোচাত। বোকোচাত থকা বিলাকে বোকোচাত মাকৰ পিয়াহ খাই আহিছিল। খোজ কঢ়া বিলাকে মাজে মাজে বাপেকহঁতৰ কান্ধত উঠি আহিছিল, নতুবা খোজ কাঢ়ি কাঢ়ি কিছুমানে দৌৰ দি আহিছিল। সিহঁতে মাইকী মানুহ বিলাকৰ হোৰাৰ পৰা খাও নুংৰ টোপোলা কাঢ়ি আনি বাটে বাটে গলিয়াই গৈছিল।

গধুলিলৈ দলটো গৈ ম্যুং মিতৰ সীমাৰ ওচৰ পালেগৈ। তাৰ পৰা এবেলাৰ বাট গলে সৰু পাহাৰ দয় এটি পাৰ হ'ব লাগিব। বেলিটো সেই পাহাৰটোৰ গাতেই লুকাও লুকাও হৈছে। পাহাৰটো ওখ বেছি নহয়। পাহাৰটোত গছ গছনীৰে ভৰা। গছবোৰ বৰ ডাঠ কিন্তু পাহাৰবিলাকৰ মাজেৰে অসংখ্য সৰু সৰু জান জুৰি। পাহাৰটোৰ নামনিত ওখ সমতল ভূমি খণ্ড ওখোৰা মোখোৰাকৈ যথেষ্ট বহল। মাজে মাজে সৰু সৰু শিলেৰে ভৰা জুৰি বোৰ বৈ গৈছে। নৈৰ পানী বৰ নিজনি। জুৰিবোৰ খুব বেচি এআঠুমানহে দ। দলটোৱে সেই ঠাইদোখৰতে ৰাতিটো থাকিবলৈ সিদ্ধান্ত কৰিলে। থাও ম্যুং আৰু ছুকাফাৰ লগৰ ডা-ডাঙৰীয়া সকলে আলচ কৰিলে যে ঠাই এই ডোখৰেই উত্তম হ'ব। তেওঁলোক আটায়ে ছুকাফাৰ লগত আলোচনা কৰিলে। দহ বাৰ প'ৰ মাজতে কথাটো সিদ্ধান্ত হ'ল। ছুকাফাৰ সন্মতি পোৱাৰ লগে লগে কং বজাই চাৰিওফালে ঘোঁৰাৰ পিঠিত উঠি তিনিজনমানে ঘোষণা কৰি দিলে যে আজি ৰাতি ইয়াতেই বাহৰ পাতিব লাগিব।

কথামতে কাম। ফাকৰ পৰা মিত বিলাক উলিয়াই তৎক্ষনাত বিভিন্ন অঞ্চলত

উলুখেৰে সৰু সৰু নল, খাগৰি, বন বাট কাটি আনি খুটি পুতি, সৰু সৰু ডালেৰে চালিবোৰ বনাই তাৰ ওপৰত ওচৰতে থকা কৌপাতৰ গছবোৰৰ পাত কাটি আনি জাপি দি ওপৰতবাঁহৰ কামি বান্ধি দিলে। ওচৰতে বহুতো মাই প'ক বাঁহ তেওঁলোকে দেখা পালে। প্ৰায় দহ হেজাৰমান সৰু সৰু ঘৰ বনাই পেলোৱা হ'ল। ছ্যুকাফা আৰু দা ডাঙৰীয়া কেইজনমানৰ বাবে কাঠ আৰু বাঁহৰ খুটাৰে চাং ঘৰ বনাই দিয়া হ'ল। ৰাজকীয়ভাবে কৌপাত বাঁহপাত বাঁহ আদিৰেই সজাই তোলা হ'ল। ছ্যুকাফাৰ হ্যংৰেনৰ ওচৰতেই সমুখতে সৰু ঘৰ এটি আঠকোনীয়াকৈ বনোৱা হ'ল। সেই ঘৰটো দুখলপীয়া ছাং ঘৰ কৰা হ'ল। সেই ৰেন চুম ছেং ঘৰটোৰ চালখন ওপৰলৈ জোঙা কৰি বনোৱা হ'ল। চালখনৰ ওপৰৰ জোঙাটোত ডাও ছেং বয় ফ্ৰা পাখি লগা সিংহ থকা ফা চ্যেও পতাকা উৰুৱাই দিয়া হ'ল। পতাকা খন উৰুৱাওতে সকলোৱে ওপৰলৈ হাতজোৰ কৰি জাতীয় সংগীত গালে।

মুকলি আকাশৰ তলতে জোনাকতে ডা-ডাঙৰীয়া সকল আৰু ছ্যুকাফাই আলোচনাত বহিল। বাকী সকলে ভাগে ভাগে কামত লাগিল।

ৰাতিটো তাতে কটালে।

ৰাতি পুৱা সকলোবোৰ মানুহ পুনৰ যাত্ৰা আৰম্ভ কৰিলে। তেওঁলোক ম্যুং মিতৰ সীমা অতিক্ৰম কৰিব আজি। সৰুপাহাৰ দয়টো আজি দুপৰীয়াই পাৰ হ'ব লাগে। পাহাৰ টোৰ মাজেৰে সৰু জুৰি এটা জাৰকালি শুকাই পানী নাইকীয়া হৈ আছিল। জুৰিটোৰ বুকুখন সৰু সৰু শিলেৰে ভৰি আছিল। সেই ফালে পাৰ হৈ গ'লে সোনকালেই পাহাৰটোৰ টিং পাবগৈ। টিঙৰ পৰা তললৈ নামি যাবলৈ সিটো ফাল বৰ ওখোৰা মোখোৰা নহয়, হেলনীয়া।

তেওঁলোক বেলি মূৰৰ ওপৰ পাওঁ পাওঁ হওঁতেই দয়টোৰ টিং পালেগৈ। মানুহৰ দলটো ইমান দীঘলীয়া হৈছিল যে খেনোৱে তিং পাওঁতে খেনো পাহাৰৰ নামনিতে আছিল। দুপৰীয়া লাং খাওৰ নামত মানুহবোৰ টুপুলাকৰা খাও তুম ভাত প্লা হেং, মাক ফিত, আদি খালে গৈ থাকোতেই। কোনো বৈ জিৰোৱা নাই।

পাহাৰৰ সিটো পাৰত পাও ও জাতিৰ এক হেজাৰমান লোক বাস কৰিছিল। তেওঁলোকে মন ভাষা জানিছিল আৰু তাই ভাষাও কিছু ক'ব পাৰিছিল, কিয়নো মাও তাই সকলৰ লগত তেওঁলোকৰ নিয়মীয়া বেহা বেপাৰ চলিছিল। পাহাৰৰ পৰা এবিধ বিশেষ ধৰণৰ গছৰ ঔষধ পাও ও সকলে মাও তাই সকলক দিছিল।

ছ্যুকাফাৰ তাই মানুহৰ দলটো দেখি পাও ও সকলে ভয় খাই উঠিছিল। ভাবিছিল তেওঁলোকৰ গাওঁ ভূঁই ভাঙিবলৈকে তেওঁলোক আহিছে। প্ৰায় এশজনমান পাও ও লোকে হাবিৰ মাজে মাজে ধেনু কাড় লৈ জুপি আছিল। আৰু নিৰীক্ষণ কৰিছিল তেওঁলোক

কেনি যায়। অৱশ্যে তেওঁলোকে শুনিছিল যে ম্যুং মিতৰ ৰজা চাওফা ছ্যুকাফা ম্যুং মাওৰ চাওফা হ'বলৈ নোযোৱা বাবে বেলেগ ঠাইলৈকে গৈ ৰাজ্য পাতিবলৈ মন মেলিছে। তেওঁ ম্যুং মিতো এৰি দিব খুজিছে।

তেওঁলোকে দেখিছিল যে ছ্যুকাফাৰ দলৰ মানুহেই হয়। ছ্যুকাফাৰ দলৰ মানুহৰ কোনেও তেওঁলোকৰ ঘৰ বাৰীৰ একো অপকাৰ কৰা নেদেখি মনৰ পৰা শংকা দুৰ হয়।

তেওঁলোকে নিজৰ গাঁৱত আলোচনা বিলোচনা কৰি সোনকালে পাহাৰত পোৱা ঔষধ কিছুমানকে লৈ ছ্যুকাফাক সেৱা জনাবলৈ গ'ল।

তেওঁলোকে ছ্যুকাফাক সেৱা জনালেগৈ। ছ্যুকাফা সন্তুষ্ট হৈ তেওঁলোকক এখন পাটৰ গুণাৰে ফুল বচা ফা মাই, এটা লাইলেং জাপী, দহটা সোণৰ মুদ্ৰা প্ৰদান কৰে।

ছ্যুকাফাই পাও ও সকলৰ মাজৰ পৰা তিনিগৰাকী ছোৱালী আৰু দহজন ভাল কাড়ী বিচাৰিলে তেওঁক সহায় কৰিবলৈ। ছ্যুকাফাই প্ৰতিশ্ৰুতি দিলে যে তেওঁ তেওঁলোকক উচিত মানদণ্ডেৰে খেতি বাতি কৰি খাবলৈ দিব। পাও ও গাওঁ বুঢ়াই ম্যুং মিতৰ চাওফাক তেওঁলোকৰ চাওফা বুলিয়েই মানিছিল। সেয়ে গাওঁবুঢ়াই প্ৰস্তাৱ ৰক্ষা কৰিলে। দহজন ডেকা কাঁড়ী আৰু তিনিগৰাকী জীয়াৰী ছ্যুকাফাৰ দলত যোগদান দিয়ে।

গধূলী গধূলী বেলিকা দলটো ম্যুং মিতৰ সীমা পালেগৈ। সীমা অঞ্চলত কোনো জনবসতি নাছিল। সেই অঞ্চলত মাত্ৰ কেইজনমান হাতী ব্যৱসায়ীৰ চুং আছিল। এখন সৰু নৈয়ে ম্যুং মিতৰ সীমা নিৰ্দ্ধাৰণ কৰিছিল। দলটোৱে তাতে সাতদিনমান কটাবলৈ চিন্তা কৰিলে। সাতদিন থকাৰ বাবে সকলো যা যোগাৰ সমাপ্ত কৰিলে।

ম্যুং মিতৰ সীমাৰ ছাউনীৰ পৰা ছ্যুকাফাই দা ডাঙৰীয়া সকলৰ লগত আলোচনা বিলোচনা কৰি ওচৰৰ কেইবাখনো সৰু সৰু অনা তাই জাতিৰ সৰু সৰু ৰাজ্যৰ মাজত গবেষণা কৰিবলৈ চোৰাং চোৱা পঠাবলৈ সিদ্ধান্ত কৰিলে।

ম্যুং মিত ছ্যুকাফাৰ দেউতাকৰ ৰাজ্য হ'লেও ছ্যু খান ফাৰ অধীনত এৰি দি নিজাকৈ এখন ৰাজ্য গঢ়িবলৈ বিচাৰিছে, তাৰ বাবেই তেওঁ আজি ওলাই আহিছে। তেওঁ সোনকালেই এখন সুচল ৰাজ্য গঢ়িবই লাগিব। তেওঁ এজন সুযোগ্য চাওফা হ'ব লাগিব। প্ৰধানকৈ তেওঁৰ লগত যিখিনি মানুহ তেওঁৰ গুণগ্ৰাহী হৈ যাত্ৰা পথত ভৰি দিলে তেওঁ লোকক তেওঁ সুন্দৰকৈ জীয়াই থকাৰ উপায় দিব পাৰিব লাগিব। তেওঁলোকক লাগে লাগে নতুন মাটি, উৰ্বৰা মাটি। সুচল ঠাই। খেতি বাতি, মাছ, কাছ, ধন ধান, গছ বন, চৰাই চিৰিকতি, জীৱ জন্তুৰে ভৰপুৰ এখন ঠাই। ভালদৰে জীয়াই থাকি এখন সুন্দৰ জয় জয় ময় [illegible] পাতিব পাৰিলেহে তেওঁৰ অভিমান পুৰা হ'ব, ছ্যুখান ফাক তেওঁ দেখাব পাৰিব যে তেৰোঁ ম্যুং মাওৰ দৰে এখন বিশাল শক্তিশালী তাই ৰাজ্য গঠন কৰিব পাৰিলে।

দহজন চোৰাংচোৱা পাঁচখন অঞ্চললৈ পঠালে। চাৰিদিনৰ ভিতৰত তেওঁলোক ঘুৰি আহি তেওঁলোকৰ মাজত কিমান মানুহৰ আছে, শক্তি কিমান, কোন ফালে কি বাটেৰে যাব লাগিব অঞ্চলটো কিমান সুচল সকলো খবৰ দিবলৈ আজ্ঞা দিলে।

সেই কিদিন ছুকাফা আৰু দলটোৰ সকলো মানুহ সেই অঞ্চলটোত ওচৰে পাজৰে বিভিন্ন ধৰণৰ গবেষণা কৰিব ধৰিলে, কোনো মানুহ এনেয়ে বহি থকা নাই। কোনোৱে গছে গছে কত লা আছে, কোন মাটিত জাংফাই আদি, কত মূল্যবান পাহাৰ আছে, কত সোনৰ ৰূপৰ খনি মৌ পাব, নাহৰ গছ, পাট পলু পোহা গছ গছনী আদি সকলো বিচাৰি চলাথ কৰিলে। বেজ গিয়ানী চ্যাং ম' জা সকলে না না ধৰনৰ বন বাতৰ ঔষধ গোটাব ধৰিলে। চিকাৰী সকলে পহু চিকাৰ কৰি, মাছ মৰাত পাকৈত সকলে মাছ মাৰিশুকুৱাবলৈ লাগি গ'ল। মুঠতে গোটেই ছাউনিটো কৰ্মব্যস্ত। ছ্যুকাফাই নাম মাও ছোৱেলী নৈৰ বিষয়ে জানিছিল। নাম মাও নৈৰ পূবৰ ফালেই ম্যুংৰি ম্যুং ৰামৰ ৰাজ্যখন খুন লুং খুনলাইয়ে পাতিছিলহি। অৱশ্যে সেই অঞ্চল ম্যুং ৰি ম্যুং ৰামৰ বহু পশ্চিম প্ৰান্তত। ম্যুংৰি ম্যুংৰামৰ পৰাহে বাঢ়ি আহি পাচত ম্যুং মাও লুং ম্যুং মাও ৰুং যাক মাওপুং বুলিও জনা যায়। সেইফালে চিংফৌ সকল বাস কৰিছিল। ছেৱেলী বা নাম মাও নৈ ইৰাৱতী বা নামকিউ নদীত মিলিছে। ছ্যুকাফাই নাম মাও শোৱেলী নৈ খন ভালকৈয়ে ঘুৰিছে। কেবাবাৰো নাও চলাই নামনিৰ ফালে গৈছে। উজনীৰ ফালে অধিক যোৱা নাই। তেওঁৰ ম্যুং মিতৰাজ্যখন নামকিউ আৰু নাম মাওৰ সংগম স্থলত আছিল। ম্যুং মিত ৰাজ্যখন নাম মাওৰ দুয়ো পাৰে আছিল। গতিকে ৰাজ্যশাসনৰ বাবে বহুবাৰ নাম মাও পাৰ হ'ব লাগে। তেওঁ জানে নাম মাওৰ মহিমা। তেওঁ দলটো লৈ নাম মাওৰ পৰা আৰু আঁতৰি নগৈ নাম মাওৰ পাৰে পাৰে আৰু উজাই যাব পাৰে। আনহাতে হুকং উপত্যকাত হুকং আৰু তাই খামতি ৰাজ্য আছে। সেইফালেও তেওঁ যত্ন কৰি চাব পাৰে। পূবত তাপিং নৈ ইয়াৰ কাষত গাছাওজান, কাউংছি, ম্যুং ৱান, ম্যুং খুন, ম্যুং জাউ, আদি তাই ৰাজ্যবোৰ আছে। সেই বিলাকত তাই সকলৰ লগত বহু অনান্য জনগোষ্ঠীও আছে। তেওঁলোকৰ দখলত এতিয়াও বহু অঞ্চল আছে। ইমানবোৰ অঞ্চল জানো তেওঁলোকৰ প্ৰয়োজন। ইয়াৰেই কিছু অংশ মোৰ ৰাজ্যৰ জোখাৰে হ'ব পাৰে। ছ্যুকাফাই ভালদৰেই জানে যে ম্যুং মিতৰ পৰা দক্ষিন ফালে গলেও তাত কিছুমান তাই মানুহ গৈ পোৱা যাব। সেই ফালেও তাই মানুহে বহু দিনৰ আগৰ পৰাইবসতি কৰিবলৈ লৈছে। প্ৰায় তিনিশ চাৰিশ বছৰমান হৈছে। অৱশ্যে সৰু সৰু অঞ্চলতহে তাই সকল আছে।

নাম মাওৰ সিফালে পূবৰ ফালে নাম য়াং নদীখনৰ পাৰত এটা ভূখণ্ড আছে। সেই ঠাইখনো বৰ উৰ্বৰা। পাহাৰ তিনিটামান পাৰ হলেই সেই ভূখণ্ড পোৱা যায়। চালুৱেন আৰু মেকং

উপত্যকাও বৰ শস্যশ্যামলা। বাসৰ বৰ উপযোগী ঠাই। আৰু চাও ফায়া নদীৰ ফালেও আমাৰ মানুহ দুই এজন গৈছে, তাত সৰু সৰু গাঁও পাতি বাস কৰিছে। আমাৰ চাওফা আজিলৈকে হ'ব পৰা নাই। চালুৱেন অৰু মেকঙৰ পূবৰ ফালে চিংফৌ আৰু খে সকলে বাস কৰে। তাতো অৱশ্যে আমাৰ বল বিক্ৰমৰ যোগেদি ৰাজ্য স্থাপন কৰিব পৰা যায়।

কিন্তু খেসকলৰ লগত তাহানি এহেজাৰ-দেৰহাজাৰ বছৰৰ আগৰ পৰাই আমাৰ কাজিয়া পেচাল হৈ আহিছে। তাৰ ফলত চীনা খে আৰু আমাৰ বহু ক্ষতি হৈছে। দুহেজাৰ বছৰৰ পূৰ্বে আমাৰ যি প্ৰতিপত্তি সভ্যতাৰ উত্তৰন ঘটিছিল খে বিলাকে বিঘিনি ঘটাইছে। আমাৰ সভ্যতাৰ চিহ্ন বিলাক তেওঁলোকৰ বুলিয়ে দাবী কৰিছে। আমাৰ বহু ভাল ভাল সভ্য মানুহক তেওঁলোকে মাৰি কাটি খাত্তাং কৰিছে। আমাৰ আৰু তেওঁলোকৰ মাজত থকা সৰ্বকালীন বিবাদ আৰু সুচনা কৰি লোৱা ভাল নহ'ব। খুন লুং খুনলাইয়েও বহু যুঁজ দিব লগা হৈছিল উত্তৰ আৰু পূবৰ প্ৰবল পৰাক্ৰমী খেসকলৰ লগত। সুউচ্চ পাহাৰৰ ওপৰত থকা বিস্তৃৰ্ণ সমভূমিৰ পৰা আমাৰ ওপৰিপুৰুষ খুন লুং আৰু খুন লাই হেজাৰ হেজাৰ মানুহেৰে সৈতে নামি আহিছিল আমি থকা ভূখণ্ডলৈ। ইয়াতো আকৌ ষড়যন্ত্ৰ, দুৰ্ঘটনা। এফালে নিজৰ ভাই ভাইৰ মাজত দ্বন্দ হাই কাজিয়া, মনোমালিন্য, আনহাতে প্ৰধানকৈ শক্তিশালী দুধৰ্ষ সাহসী চিংফৌ আৰু মন সকলৰ পৰা সৰ্বদাই আক্ৰমনৰ ভয়। তথাপি এই বিবাদৰ মাজতেই আমি জীয়াই থাকিব লাগিব। ভালদৰে জীয়াই থাকিবলৈকে আমি সংগ্ৰাম ক ৰিব লাগিব। আমি তাই জাতি সমুহৰ প্ৰভুত্বও বিস্তাৰ কৰিব লাগিব। অগত্যা সময়ৰ সোঁতত আমাৰ জাতি ফান তাই হেৰাই যাব লাগিব। অনান্য জাতি সমুহে আমাক গিলি থ'ব। খেসকলৰ লগত আমাৰ বহু লোক অতীজতে জিমমৌ কালতে মিলি গ'ল বুলি আমাৰ লিখিত বুৰঞ্জীত পোৱা যায়। আমাৰ ভাষা সংস্কৃতিৰ লগত চীনা খে সকলৰ ইমান মিল আছে যে আমাৰ আৰু তেওঁলোকৰ পাথৰ্ক্য কেতিয়াবা বিচাৰি উলিওৱা টানেই হৈ পৰে।

খুন লুঙে নান চাওৰ নাম য়াং উপত্যকাত ছি লাম্টত (কাতাম পাত)ছে পাতি কিন ম্যুং ৰাজ্য খাইছিল। এই নগৰখন দুৰ্ভেদ্য পবৰ্বত দয় বিলাকে বেঢ়ি থকা বাবে উ য়িং ছং খুণ্ডলৈ আহিছে পাতি তাতে ম্যুং লুঙ পাতি দেশ খাবলৈ ধৰিছিল। কিন্তু তেতিয়া খেসকলে এই খবৰ পাই ছিলান্য কাঢ়ি ললেহি। মুন লুঙে এইবাৰ খে সকলৰ বিপদৰ পৰা আঁতৰি থাকিবলৈ চালুৱেন নৈ পাৰ হৈ ম্যুং খু নামৰ ঠাইত ম্যুং লুং পাতি চে তৈয়াৰ কৰিলহি। আনহাতে চাওফা খুন লাইয়ে ম্যুং মাও বুঙতে ৰাজ্য খাই থাকিল। ম্যুং মাও বুঙ নগৰখন আৰু ম্যুং খন নাম তি নৈৰ পাৰত অৱস্থিত।

ছুকাফাই চিন্তা কৰি কৰি বিভোৰ হৈ পৰিল।

চৈধ্য

আমি ম্যুং মিতৰ পুবা পশ্চিমা বান ওক লা ম্যুঙৰ ফালে যাবলৈ লোৱাতকৈ পশ্চিম বানতুকৰ ফালে যোৱাহে সমীচিন হ'ব। নাম মাও নদীৰে আৰু অধিক উজাই গ'লে নান চাওত থকা আমাৰ পূৰ্বৰ ৰাজ্য পামগৈ। সেইফালে পুবৰ পৰা আমাৰ তাই মানুহ আছে, তাই চাও ফাও আছে।

চাৰিদিন পাৰ হ'ল। ম্যুং মিতৰ পৰা আৰু দহজনমানুহ আহি লগ ললেহি। চাৰিদিনৰ আগতে পঠোৱা চোৰাংচোৱা কিজন আহি পালেহি। তেওঁলোকৰ মতে ওচৰত লাহো, মেও আৰু জিংপৌ জাতিৰ দহখনমান সৰু বৰ গাঁও আছে। লাহো গাঁও চাৰিখন, মুঠ সংখ্যা দুই হেজাৰমান হ'ব। মেও এহেজাৰমান হ'ব। গাওঁ তিনিখন। প্ৰায় পাঁচ হেজাৰমান জিংফৌ মানুহ তিনিখন গাঁৱৰ দৰে ডাঙৰ অঞ্চলত বাস কৰিছে। ইয়াৰোপৰি এই অনাতাই সকলৰ সিপাৰে পাঁচখনমান তাই মানুহৰ গাওঁ অঞ্চলো আছে। তাই গাঁও কিখনৰ শক্তিও বৰ বেছি নহয়। মানুহ তাকৰ। চাওফা হিচাবে নাই যদিও থাও বান কিছুমানৰ অধীনত ছলিছে। তেওঁলোকো সৰু সুৰা চাওফাৰ দৰেই। এই তাই সকলৰ বিষয়ে চোৰাং চোৱা কিগৰাকীয়ে সেই অনাতাই গাঁও বিলাকৰ পৰা শুনিলে।

দুদিনৰ পাচত ছ্যুকাফাই ওচৰৰ মেও গাঁও কিখনলৈ পঞ্চাশজনীয়া দল এটি ঘোঁৰা দহোটাৰ সৈতে পঠালে সোধ পোচ কৰিবলৈ। মেও সকলক বৰিবলৈ কলে বোলে তোমালোকে আমাৰ তলত থাকি আমাক ৰাজ্য খাবলৈ দিবাহক। আমাৰ তাই মানুহ ইয়াত থাকিব। খেতি খোলা কৰি, ঘৰ বনাব, থাকিব। তোমালোকৰ একো অপায় অমংগল নঘটাও। মিলি জুলি মিতুৰৰ দৰে থাকিম।

মেও সকলে এদিন চিন্তা কৰি চাব বুলিছিল। কিন্তু ছ্যুকাফাৰ দলটোৱে জোৰকৈ ধৰাত আটায়ে তেওঁলোকৰ গাঁওবুঢ়াৰ লগত আলোচনা কৰিলেগৈ। আলোচনাৰ অন্ততঃ তাই সকলক তেওঁলোকৰ পাহাৰৰ সমতল আৰু ওপৰ অঞ্চলত হাবি বননীৰে ভৰি থকা অপৰ্যাপ্ত মাটিত দুবছৰৰ বাবে খেতি খোলা কৰিবলৈ দিলে। আৰু দুবছৰ তেওঁলোকে তাই চাওফাক গোমধান, পাহাৰীয়া ঔষধ, কঁপাহ আৰু পাহাৰৰ মূল্যবান পাথৰ কৰ হিচাবে দিব বুলি জনালে। তাৰোপৰি গৰু, মহ আদিও মাংস খাবলৈ আৰু খেতি কৰিবলৈ দিব বুলি জনালে।

ছ্যুকাফাও এই সিদ্ধান্তত ৰাজী হ'ল। ফল স্বৰূপে তিনিদিনৰ পাচত মেও গাঁও বিলাকৰ চাৰিওফালে থকা হাবি মাটি চফা কৰি চাওফাৰ হলৌং, ৰেন ছেং ফ্ৰা, ৰেন ফী,

থাও ম্যুং থাও লুং আদি সকলো ডা-ডাঙৰীয়াৰ বাবে তুপ লগা দীঘলীয়া আঁঠকোনীয়া তলেদি হাতী এটামান সৰকি যাব পৰা চাং ঘৰ বনালে। ঘোঁৰা শাল, হাতী শাল, লিগিৰা লিকচৌৰ ঘৰ, সকলোৰে বাবে ঘৰ বাৰী বনাই লোৱা হ'ল।

সাতদিনৰ পিচত ছ্যুকাফাই ম্যুং মিতৰ পৰা বাহিৰত থাকিবলৈ এখন সুন্দৰ ঠাই পালে। অৱশ্যে তেওঁলোকৰ দৰে আহল বহলকৈ থাকিব পৰাকৈ ঠাই ইয়াত নাই। আহল বহলকৈ দুৰে দুৰে বনাই একোখন ডাঙৰ বাৰী বনাই থকাটো তাই মানুহৰ স্বভাব। তথাপি সদ্যহতে তেওঁলোকে নিজাকৈ বিশেষ বিশেষ ডা-ডাঙৰীয়া সকলৰ বাবে বাৰী বনাই চাৰিওফালে ঢাপ মাৰি দিয়া হ'ল। সকলো বোৰ বিশেষ ডাঙৰীয়াৰে বাৰীবোৰ সামৰি এখন সৰু ৰাজধানীও বনোৱা হ'ল। ৰাজধানীখনৰ দীঘলে দহ হেজাৰ বেও বহলে পাচ হাজাৰ বেও। মাজে মাজে ওখোৰা মোখোৰা টিলাও আছে। নিজাকৈ আগৰে পৰা থকা চাৰিটা দোৱাও তাত আছে। এই দোৱা কিটা খানি কুৰি চফা চিকুন কৰি লোৱা হ'ল। কিছুমানে দোৱা বোৰৰে পানী ব্যবহাৰ কৰিব ধৰিলে। তাৰোপৰি এশটা নাদ আৰু দহোটা সৰু সৰু পুখুৰীও খন্দা হ'ল। এই সকলোখিনি কাম সমাপ্ত কৰোঁতে কমেও বিশদিন সময় প্ৰয়োজন হ'ল। লগে লগে খেতি বাতিৰ বাবে মেও গাঁওবুঢ়াই দেখাই দিয়া মতে গছবন কাটি লগত লৈ অহা সৰিয়হৰ খেতি কৰিবলৈ আৰম্ভ কৰিলে। লগতে হাবিত মুগা আৰু পাটপলু পোহিব পৰাকৈ গছবন বিচাৰিব ধৰিলে। সকলোখিনি যোগাৰ কৰিলে। কিছুমান মানুহে নিয়মীয়াভাবে পহু আৰু বনৰীয়া মহ গাহৰি আদি মাৰি ৰাজহুৱা ভাবে বিলাই খাব ধৰিলে। তেওঁলোকে নিজৰ ধানখিনি নিজৰ বাবে সাঁচি ৰাখি তেওঁলোকৰ লগতে থকা মেও গাঁও বোৰৰ পৰা গোমধান কনীধান মাংসৰ বাবে বদলি দি আনি খাদ্য হিচাবে ব্যবহাৰ কৰিব ধৰিলে।

মেও গাঁওখনৰ চাৰিওফালে তাই বিলাকৰ প্ৰায় ত্ৰিশখনমান গাঁও বহিল। তাৰোপৰি ৰাজধানীখন আছেই। মেও সকলৰ লগত মিলি জুলি কাম কৰিব ধৰিলে তেওঁলোকে।

ছ্যুকাফাই ম্যুং মিতলৈ মানুহ পঠাই পুনৰ ধান আদি ঘোঁৰাত আনিবলৈ নিয়মীয়াকৈ মানুহ যোগাৰ কৰিলে। প্ৰায় পঞ্চাশজনমান মানুহে ধান আনিছিল প্ৰায় দহবাৰ। কিন্তু পাছলৈ ম্যুং মিত ৰাজ্যৰ পৰা এইবোৰ বস্তু ননা হ'ল কিয়নো ছ্যুখানফাৰ পৰা দাবী আহিল যে ছ্যুকাফাই ম্যুং মিতৰ পৰা এবাৰ আঁতৰি যোৱাৰ পাচত আৰু ছ্যুখানফাৰ প্ৰভুত্ব নেমানো বুলি যেতিয়া বদ্ধপৰিকৰ হৈছে, তেনেকৈয়ে বস্তু নিব নালাগে। তেনে কৰিলে ছ্যুখানফাৰ ম্যুং মাওৰ নেতৃত্ব তেতিয়াও তেওঁ মানি চলিব লাগিব। আৰু তেওঁ স্বাধীনকৈ তাই ৰাজ্য বনালেও কৰ কাটল দিব লাগিব। ছ্যুখানফাৰ কটকীয়ে ম্যুং মিততে ধান আনিবলৈ কোৱা মানুহ কিজনক কলে।

ছুকাফাই তেতিয়াৰ পৰা ম্যুং মিতৰ লগত পোনপটীয়া যোগাযোগ বাদ দিলে। অৱশ্যে তেওঁৰ দলৰ মানুহৰ অহা যোৱা চলি থাকিল, আনকি ম্যুং মাও লুং পৰ্যন্ত অহা যোৱা চলি থাকিল। কিন্তু সকলোবোৰ কথা ৰজাক জনোৱা নহয়।

পোঙ্গৰ

মাঘৰ মাহ।

পয় মাই কু চুম্ ফাই আহিল। আৰু তিনিদিন আছে উ-ৰু-কা মাই ক চুং ফাইৰ মূৰৰ দিনটো পালেহি। কোনো কোনোৱে মাই জী ফাই বুলিও কয়।

ছুকাফাৰ দলৰ ডেকা লৰা লুক চাই বিলাকে পোন পোন চাই কাঠ কাটি তিনিহঁতীয়া চাৰিহঁতীয়া কৰি দীঘল কৰি টুকুৰা টুকুৰ কৰিলে। কাঠৰ টুকুৰা বোৰ চাঁচি চাৰি কোনীয়াকৈ শিৰ উলিয়ালে। মাই চাং, মাই পক, মাই কাং আদি জাতৰ বাঁহবোৰ পোন পোন চাই কাটিলে। আঠডালকৈ বাঁহ পুতি বিশ ত্ৰিশমান মাইক' চুং ফাই বনালে। প্ৰতিটো মাই জী ফাই বা মাই ক' চুং ফাই বিশ হাতৰ পৰা পঁচিশ হাতলৈকে ওখ। তলৰ পৰা কিছু ওপৰলৈ সমান শকত কৰি মাৰি ফুন জপা হ'ল, পোঙ্গৰ হাতমান ওপৰত তলকৈ কিছু বেট শকত কৰি ওপৰলৈ লাহে লাহে জোঙা কৰি ফুন জাপি নিয়া হ'ল। ফুনবোৰ ইমান দেখনিয়াৰকৈ জপা হৈছে যে দুৰৰ পৰা একোটি পেগুদা বা দলৰ শিখৰ যেন লাগে। একেবাৰে ওপৰত গছপাত, ফুল আদিৰে ঘুৰণীয়া পেগুদা আকৃতিৰ চং (ছাতি) বনাই লগাই দিয়া বাবে ইয়াৰ ৰহন আৰু চৰিছিল। ই যেন ওপৰলৈ জোঙা হৈ যোৱা ৰাত, বা ছেং বৌন বোৰহে যেন।

মাই জী বনোৱা ৰাতিটো অঞ্চলৰ সকলোবিলাক ডেকা লৰা ছোৱালীয়ে ৰাতি ভোজ খাবলৈ ভাত সিজালে। মাই জী বনোৱা কিছুদিনৰে আগৰে পৰা খৰি জমা কৰা অঞ্চলত কৌ আৰু জেঙৌ পাতেৰে ঘৰ বনাই মং আদি বজাই বিহু গীত গাই গাই নাচ বাগ কৰি ফুৰ্তি কৰিব ধৰিছিল। মাই জী জুই জ্বলোৱা আগৰ দিনা সকলোৱে হাবিত পোৱা বিভিন্ন কাঠ আলু আনি ওখোৱাই খাই খাই বিহু মাৰি কটালে। কেইটামান ডেকা লৰাই হাবিত বনৰীয়া মহ এটাও মাৰি আনিলে, খিচিৰি ভাত ৰ লগতে মহৰ মাংসৰ ডাঙৰ ডাঙৰ টুকুৰা বিলাক ওখোৱাই বা জুইত পিং দি পুৰি খাই ৰং ৰহইচ কৰিলে। ৰাতি দুজনমান পালোৱান ডেকা লৰাই কঁকালে কঁকালে যুঁজ দুখনমানো দিলে। যুঁজত অৱশ্যে কাৰোৰ হৰা জিকা নহ'ল। লেং ছেং বোলা ডেকা এজনৰ মাথো কঁকাল কঁচকা লাগিছিল।

মালিচ কৰি দি হাবিৰ পৰা ঔষধী লতা থাও য়া এবিধ আনি ম য়া তাই খুনছেঙে কঁকালত মেৰিয়াই দিয়াৰ লগে লগে বিষ ভালহৈ গ'ল।

কেইজনমান ফু বাও ডেকা লৰাই লুকাই চুৰকৈ লাও পানী অলপ বেচিকৈ খাইছিল, সেয়ে তেওঁলোকে মনে মনে আচুঁতীয়া কৌপাতৰ ঘৰত লুকাই শুই আছিল। বাকী প্ৰায় সকলোৱে লাও পানী তিনি চাৰি চুঙাকৈ খাইছে। ৰাতি ইমান দাঠ কুঁৱলি পৰিছে যে সিঁহতে লাওপানী গৰম কৰি পোৰণি উঠাকৈ মাক ফীত জলকীয়া লগা ফাক নাখালে থাকিবকে নোৱাৰিছিল। ডবঁহ্য জুঠুৰী এৰি সুতাৰে বনোৱা হাত দীঘল ককাললৈকে বৈ পৰা সৰু সৰু চাপকন জাতীয় এঙা চোলা বিলাক পিন্ধাৰ উপৰিও গাত কোনোৱে একোখনকৈ খনীয়া কাপোৰ বা তিনি কঠীয়া বা সাত কঠীয়া কাপোৰ গাত চিতা মাৰিও লৈছিল। মূৰত বৰচেলেং কাপোৰৰ পাগুৰী ফা চৌও মাৰি লৈছিল। ভৰিত সৰু গাঠিলৈকে পৰা পত লুং বোৰেও ভৰিৰ জাৰ ৰাখিব নোৱাৰিছিল। শুকান শুক্মন মাই ছ্যং, মাই কাপ নাম, তুন বুং আদি জাতীয় খৰি ফুনবিলাকৰ জুই ফাইৰ প্ৰকোপতো সিঁহতে উত্তাপ পোৱা নাছিল। তথাপি বছৰৰ এটি উছৱ পয়। মাই ক চুং ফাই বা মাই জী ফাই, কোন ফু বাও য়ে তাক এৰি ঘৰৰ চাঙত নাক ঘৰ ঘৰাই শুব। এনে এটা ৰাতি নিজা ঘৰৰ চাঙত বৌন হাঙত ফৰ্স্তি মাৰি শুৱাৰ কথা গম পালে, ছোৱালীবোৰেও তালৈ কেৰেপকে নকৰিব, কম লাজৰ কথা হ'বনে।

ৰাতি লৰা খনৰ কিৰিলিত হাঁহি খিকিন্দালিত গাঁৱৰ পুথাও মে থাও য়া থাও সকলৰ চকুৰ টুপনি হৰিছিল। বিহু পগলা লৰা এইগাল। তেওঁলোকে মনে মনে ভাবিছিল তেওঁলোকে ম্যুং মাওৰ ৰাজধানীত তাহানিখন কি আনন্দেৰে পয়টো উদ্‌যাপন কৰিছিল। মাই জীৰ কাষত বহি মাহ কড়াই খোৱাৰ উপৰিও কুমলীয়া বাঁহৰ চুঙাত চুঙাই চুঙাই মিঠালাও খাইছিল। প্ৰত্যেকৰে হাতে হাতে পিং দিয়া পছু, গৰু আৰু মহৰ মাংস। এতিয়া তেওঁলোক প্ৰৱসুৱা। ছ্যুকাফাৰ নেতৃত্বত তেওঁলোক বাহিৰ ওলাইছে। দুটা বাঘে একে চোঙতে নাথাকে সেয়েহে ছ্যুকাফাৰ নেতৃত্বত তেওঁলোকৰ দল ওলাই আহিছিল। ছ্যু খান ফাই কথাটোৰ ভু পায়েই হওক একো নহয় তাই ৰাজ্যহে বহল হ'ব। তথাপি তেওঁলোকে একো বেয়া কাম কৰা নাই কোনো মানুহক নামাৰে। পাহাৰীয়া জাতিবিলাক বৰ মৰমলগা তেওঁলোকৰ লগত মিলি থাকিব লাগে। তেওঁলোকে যি বিচাৰে মনৰ দাবী যথোপযুক্ত বিচাৰেৰে পুৰ কৰিব লাগে। অন্যায় অবিচাৰ কৰিলেহে তেওঁলোকক শাস্তি প্ৰদান কৰিব লাগে। পাহাৰীয়া সকলো মানুহ, একে তেজ মঙহৰ মানুহ। তেওঁলোকেও আনজাতিক বেয়া নাপায়।

ছ্যুকাফাই নিজৰ হ' লুঙৰ আটক ধুনীয়াকৈ বন কৰা কাঠ বাঁহৰ চাঙখনৰ ওপৰত

তোলা ভৰাই দুকঠীয়া কাপোৰত চিলাই কৰা ৰাজহংস যেন বগা কোমল তুলি খনত বহি ৰাতি দুপৰতো ক্লাং খুন সময়তো চিন্তা কৰিছে। লেংদন আমাৰ ম্যুং ফীৰ চাওফা, প পুলিন পু থাও। তেওঁ চাওফা ফেত লেংদন লেংদনৰ লান মান আইখুন লুং আৰু ঙি খুন লাই। দুয়ো ককাই ভাই পিনং। কিযে সুন্দৰ স্বৰ্গীয় পুৰুষ ৰাজকুমাৰ খুন আছিল তেওঁলোক। কম দুৰন্ত সাহসী আছিলনে তেওঁলোক। আমাৰ তাই মাও বংশৰ সচাঁকৈয়ে উল্লেখনীয় স্মৰণীয় ৰাজপুৰুষ এই দুই গৰাকী তেখেতসকলেই যদি আজি ম্যুং ফী ৰাজ্যৰ পৰা ম্যুং ক্লাংলৈ নামি নাহিলহেতেন এই ভুখণ্ডতে আমাৰ তাই সকলে নিশ্চয় ৰাজ্য খাবলৈ নেপালোঁহেঁতেন।

ম্যুং ফী ৰাজ্যৰ পৰা পৰবৰ্তীয়া বাটেৰে দয় তাঙৰ ঠিয় ৰাস্তাইদি চা লিক চাখাঙৰ সহায়েৰে পুলিন পু থাও সকল নামি আহিছিল। আও লংমা ম্যুং ক্লাং। তেওঁলোকেই হিত বং অৰ্থাৎ ৰজা হৈছিল ম্যুং ৰি ম্যুং ৰামৰ। নামি আহিছিল আও লুংমা- সোণ পথেৰে ঠিয় পাহাৰীয়া পথেৰে। পথ বোৰত খাপ কাটি থোৱা আছিল মাজে মাজে। যেন আমাৰ তাই ঘৰৰ জখলা দাইবোৰহে। খুন লুং খুনলাইৰ পুলিন পুমন পুথাও যাথাও য়া নাই সকলে সেই পথেদিয়েই ম্যুং ক্লাঙৰ লগত সোণ ৰূপৰ বেহা বেপাৰ কৰিছিল। পু সকলৰ ৰাজ্যৰ পৰা সোণৰ আমদানি কৰিছিল। পুসকলৰ লগত আমাৰ পুলিন সকলৰ অৰিয়াঅৰিও নিশ্চয় হৈছিল এই সোণৰ লগত। আমাৰ পুলিন সকল ৰৰ পাকৈত যুদ্ধাৰু সাহসী আৰু বুদ্ধিয়ক আছিল। মাজে মাজে পাহাৰীয়া জখলাসদৃশ ৰাস্তাইদি নামি আহি স্বৰ্গৰ কুঁৱলীয়ে ঢকা উজ্জ্বল নগৰ পৰা নামি অহা স্বৰ্গৰ দেৱ পুত্ৰৰ দৰেই নামনি ৰাজ্যৰ প্যু সকলক বশ কৰি সোণ আহৰন কৰিছিল। ম্যুং ফী সদৃশ আমাৰ ওখ পাহাৰীয়া স্বৰ্গৰাজ্য তুল্য তাই দেশৰ পৰা নামনিৰ ম্যুং তাম আৰু ম্যুং তাও দেশসমূহ তেতিয়াই আমাৰ পুলিন সকলে উমান পাই থৈছিল। কেতিয়াবা কেতিয়াবা আমাৰ দুই এটা ফৈদ আহি ম্যুং তাম ম্যুং তাও ম্যুং ক্লাঙত বসতি কৰি এই প্যু, খা খাং নামনিৰ পৰবৰ্তীয়া জাতি সমুহৰ লগত মিলি হেৰাইও গৈছিল। আমি গম পোৱা মতে দয় কাও ৰং পাৰ হৈও আমাৰ ফান তাই কিছু মানুহ গৈ ম্যুং বৈশালীত বসবাস কৰিছিল। তেওঁলোকে স ৰু সৰু ৰাজ্যও গঠন কৰি খাইছিল ম্যুং মাওৰ লগত তেওঁলোকে যোগাযোগ ৰাখিছিল। ম্যুং মাওৰ আমাৰ অতীতৰ ৰাজকাকতৰ পাতত সেইবোৰ কথা এতিয়াও উজ্জ্বল হৈ আছে। মোৰ য়ানাইয়ে আহিবৰ সময়ত এখন তুন তাং নামৰ চালৰ পাতত লিখা লিক জিম ম' খাম ফান তাই ৰন জিৰ পাতত এইবোৰ কথা লিখা আছে। সেই লিক জিম ম' বোৰ আমাৰ লগত এতিয়াও আহিছে। তুন তাং নামক আমি কেতিয়াও ত্ৰা কুং বা তুন নাম বোলো। আকৌ আমাৰ কোনোবাই কোনোবাই তুন নাম চা আৰু মাই হুম বোলে।

এনে গছ ম্যুং মাওৰ থুান বোৰত অসংখ্য আছে। ম্যুং তা লি ফুৰ ফালেও এনে গছ আছিল। কিন্তু গছবোৰ বিশেষ কামত ব্যবহাৰ কৰোতে কিছু কমি গ'ল। ম্যুং কুলা বৈশালীৰ ফালে বোলে এই গছক সাঁচী গছ বোলে। ম্যুং বৈশালীত এই গছবোৰ নাই বোলে, আমাৰ বান অকৰ ৰাজ্য সমুহৰ পৰাহে চালান হয়। আমি ম্যুং বৈশালীত ৰাজ্য কৰিলে এই গছৰ বাগান চ্যুন পাতিব লাগিব। হয়তু কৰবাত এই গছ থাকিবও পাৰে। লুফাংবোৰে বোলে ইয়াৰে আতৰ বনাই।

ছ্যুকাফাৰ গাত চেঁচা বতাহ বাও ল্যুম জিন এচাটিয়ে কোবাই গলহি। তেওঁৰ ৰাওটো হিৰ হিৰাই গ'ল। ছ্যুকাফাৰ ওপৰত ফা নাও খন মেৰিয়াই গাটো উম লগালে। তেওঁ ভাবি গ'ল। ছেং -তাও-নেঞ-কাই-ফা থেন খাম আছিল খুন লুং খুনলাইৰ যোগ্য পিতৃ। এনে দুজন সাহসী সুযোগ্য যুজাৰু তেওঁ ফুকাব পাৰিলে। ম্যুং ফীৰ সুযোগ্য সন্তান। এও চাওফা ফেত লেংদনৰ ভাগিনীয়েক। ছেং তাও নেঞ কাই ফা থেন খামৰ পিতৃও জানো কম যোগ্য পুৰুষ আছিল। তেওঁক ৰজা হোৱাৰ আগত চাও দা খাম বোলা হৈছিল। ৰাজাভিষেকৰ পাচত তেওঁৰ চাওফা দা খাম বোলা হয়। ম্যুং লাই ৰাজ্যত তেওঁক চাওফা পতা হৈছিল। তেওঁ ৰ যোগ্যতাৰ বাবেই ম্যুং মাও লুঙ সাম্রাজ্যৰ অন্তভূক্ত ম্যুং লাই ৰাজ্যত ৰজা পতাঁ হৈছিল। চাও দাখামৰ পিতৃৰ নাম আছিল পুচিংফা ছাং দেং। দাখাম আছিল পুছিং ফা চাং ডেঙৰ নুমলীয়া পুত্ৰৰ সোণৰ দৰে উজ্জল চালৰ আছিল বাবেই মৰমতে পুত্ৰ ফুচাই টিক মাতিছিল খাম সোণটি। তেওঁৰ পুতেক থেন খামকো দেউতাকৰ নামৰ স্মৃতি ৰাখিবলৈকে পুছিংফাই নাতিয়েক লানটিক থেন খাম ৰাখিছিল। ম ৰু ম' ছিঙ সকলেও এই নামেই উপযুক্ত হ'ব বুলি বানছেং মাৰি চাই পাইছিল।

খুন লুং খুন লাইৰ দেউতাক আকৌ ম্যুং থি (ম্যুং মিথিলা ৰাজ্য) ৰাজ্যত ৰজা পতা হ'ল। সেই কামো সমাধা হ'ল ম্যুং ফীৰ সম্রাট স্বৰ্গৰাজ মহাশক্তিমান লেংদনৰ পৰামৰ্শমতেই। আমাৰ লগত অহা ৰনজীৰ ত্ৰা কুঙ পাতত লিখা আছে খাম তাইত থেন খাম লুং মা ম্যুং থি হিত বং। ম্যুং ফীৰ ৰাজধানীতকৈ ম্যুং থি তলত। সেয়েহে থেন খাম নামি আহি ৰজা হ'ল বুলি লিখিছে। আমি অতীজৰ পৰা লগত কাজিয়া পেচাল লাগি অহা খে চীনসকলেও ৰজা হোৱাক বং বুলি কয়। ম্যুং কুলা (হিন্দু ৰাজ্য)ৰ পৰা অহা আম চু চীন পুত থা খাম মাৰ লোকসকলে সেই ৰাজ্যক পুত থাৰ ৰাজ্য মিথিলা নামৰ অনুসৰি নাম দিছিল। আমাৰ পুথাও সকলে কিন্তু মিথিলাক কেৱল থি বুলিহে গ্ৰহন কৰিলে। আমাৰ ভাই সকলে সেই ৰাজ্যক ম্যুং থিন বুলিও কৈছিল। ম্যুং থিন নাম চালবেন নদীৰ পশ্চিম পিনে বিস্তৃত হৈ আছিল। ভৰা দেশ আছিল সেইখন। ধান নদন বদন হৈছিল। থেন খাম ৰাজ্যৰ ৰজাৰ ৰাজ্য ম্যুং থিনৰ তাই লোকসকলে ওখ পৰ্বতৰ দয়

দনৰ ওপৰত উত্তৰ দিশে থকা লেংদনৰ ৰাজ্যৰ তাই লোকক 'আমাৰ পিতৃ' বুলি কৈছিল আৰু সেইদৰে লেংদনৰ ৰাজধানীৰ তাইলোক সকলেও তলৰ নামনিৰ লোকসকলক 'আমাৰ পুত্ৰ' বুলি অভিহিত কৰিছিল। ম্যুং দন ম্যুং ফীৰ ৰাজধানীৰ পৰা ম্যুং থিনলৈ এজন লোকে ঘোঁৰাত উঠি মে কং নৈখন পাৰ হৈ যোগাযোগ ৰক্ষন কৰিছিল। খুন লুং খুন লাইক লেংদনে ম্যুং ফীৰ ৰাজধানীৰ পৰা সসৈন্যে পাপৰিয়ালেৰে নামনিৰ ৰাজ্যৰ ফালে নমাই পঠাওতে অৰ্থাৎ ম্যুং ৰি ম্যুং ৰাম বা ম্যুং হি ম্যুং হামলৈ নমাই পঠাওতে থেনখামৰ ম্যুং থিন ৰাজ্যৰ বিষয়ে জনাই পঠাইছিল।

এইবোৰ কাহিনী মোৰ য়ানায়ে লিক ৰন জীৰ পৰা পঢ়ি মোক কৈছিল। ৰজা হ'বলৈ বোলে এইবোৰ জীম মৌ খামৰ বিষয়ে জানিবই লাগিব। ফান তাইৰ অতীত কাহিনী বৰ বিশাল। আমি বোলে জানিবও লাগিব আৰু পাচৰ বংশধৰ সকলক জনাবলৈ লিখিও যাব লাগিব। মোক য়ানাইয়ে কোৱা মতে আমাৰ তাই পূৰ্বপুৰুষ সকল অৰ্থাৎ আমি তাই মাও শ্যানসকলৰ অতীতৰ পুৰুষ সকলক আই লাও বুলিছিল। আজিৰ পৰা ছুশ বছৰৰ পূৰ্বে তেওঁলোকক খে দেশত খে চীন সকলে আই লাও বুলিয়েই জানিছিল। অৱশ্যে য়ানায়ে কোৱা মতে আমাৰ বহু আই লাও উপৰি পুৰুষ লোক বোলে উত্তৰ দিশলৈ গৈ খেৰ লগত মিলি খেৰ নিচিনা হ'লগৈ, তথাপি তেওঁলোকে খাম তাই আৰু খে ভাষা মিহলাই কথা কয় আৰু তাই নিয়ম বোৰ বচাই ৰাখিছে। মই সেয়ে এইবোৰ হেৰুৱা লোক উদ্ধাৰ কৰিবলৈকে উত্তৰৰ ফালে যাবই খুজিছিলো যুদ্ধত জিনিব খুজিছিলোঁ।

এৰাঃ এতিয়াতো পশ্চিমৰ ফালে আহিলোঁ। এইফালেই সফল হ'বই লাগিব। এইফালেও আমাৰ হেৰুৱা তাই লোক আছে। য়ানায়ে কৈছিল ফু খাও আন কাও বোলে ম্যুং ক্লা বা ম্যুং কুলাত বহুবোৰ আছে। এইবোৰ বিচাৰি খুচাৰি গোট পিত খুৱাই জাতত তুলি লবি।' য়ানায়ে কৈছিল। সেই পুৰণি মানুহবোৰক মটক মৰান বুলি কোৱা হয়। মটক মৰান সকল আমাৰ লগৰে পুৰণি মানুহ।

বাহিৰত ক্লং বজাই ম খাম গাই মতলীয়া হৈ আছিল কুন ফু বাও সকলে। মনত অপাৰ আনন্দ। নতুন দেশ জয় কৰাৰ। নতুন ঠাই চোৱাৰ। তাই ৰাজ্য বহলোৱাৰ। নতুন মানুহ লগ পোৱাৰ। ওচৰৰ খা খাঙবোৰক নিজৰ বঙহৰ দৰে আপোন কৰি লোৱাৰ।

পাহুৱাল ডেকাবোৰ। লোডোৰ পোদোৰ। তেজে গাল মুখ ফুটো ফুটো। গাত ডাঠ এৰিয়া কাপোৰৰ কলাকৈ ৰং কৰি কিছুমানে বুকুত পোনে পোনে ফালি ৰচীৰে বান্ধি পিন্ধিছে। খেনোৱে চাপকন হিচাবে পিন্ধিছে। কঁকালৰ পৰা বৈ পৰা বহল পেন্ট। কিছুমান কলা দাম ৰঙৰ। ভৰিত কিছুমানৰ বেতৰ ফানতি, কিছুমানৰ গৰুৰ চামৰাৰ জোতা। বহুতৰে কঁপাহী কাপোৰৰ থোং থ' মোজা।

নৈ খনৰ কাষত ডাঠ কুঁৱলী পৰিছে। ছ্যুকাফাই চকুৰে ভালকৈ মনিবকে নোৱাৰিলে। তেওঁ ভাবিলে এইখন চাও আই ঙিঙৰ ৰহস্য সম্ভূত পৰীৰ ৰাজ্য বাং ম্যুং নেকি? পুৰণি তাই পুথি পঢ়ি তেওঁ নিজেও গম পাইছিল আই ঙিঙ বাং ম্যুঙৰ ৰজা হৈছিল। বাং ম্যুং কত আছিল? খে ৰাজ্যৰ ওপৰৰ ফালে নিশ্চয়। কিন্তু এয়াও দেখোন বাঙ ম্যুঙৰ দৰেই ভাব হৈছে।

দুজন মানে আহি হ লুঙতে আন এটা কোনত বাসকৰা থাওম্যুঙক খবৰ দিলে যে চাওলুং ছ্যুকাফা মাইজী ফাই মেজি ফাইৰ অৰ্থাৎ মেজিৰ জুই ওচৰলৈ যাব লাগে। থাওম্যুং আৰু ছ্যুকাফা দুয়ো হ'লুঙৰ পৰা ওলাই গ'ল। ছ্যুকাফাৰ ৰানী নাংফা তিনিওগৰাকীয়েহ'লুঙত সোমাই নাথাকি অন্যসকলৰ ওচৰত বহি আছিলগৈ। সকলোৱে ওচৰলৈ আহি খুপ বাই কৰি সেৱা লৈ গৈছে।

ছ্যুকাফা ওলাই যোৱাৰ লগে লগে জাননী দি দিয়া হ'ল। সকলো প্ৰজা সাজু হ'ল। সকলোৱে শাৰী পাতি খুপবাই কৰি আঠুকাঢ়ি সেৱা জনালে তেওঁলোকৰ চাওফা গৰাকীক। মৰমৰ চাওফা গৰাকীক।

ছ্যুকাফাই সজাই থোৱা নিদিষ্ট আসনখনত বহিলগৈ। চাওলুঙৰ নিৰ্দ্দেশ পাই বিহুৱলীয়া ডেকা ফু বাও মখাই পুনৰ বিহু মাৰিব ধৰিলে। দীঘলীয়া উকি মাৰি গীত জুৰিলে। ম থামৰ চেৰে ছেৰে পি বোৰ বাজিব ধৰিলে। ছেং নাংহঁতে শাৰী পাতি শৃংখলাৰে বিহু নাচ নাচিব ধৰিলে। বহি বহি বিহু নাচ চাই চাই ছ্যুকাফাই ভাবিব ধৰিলে অতীতৰ কথা। তাই সকলৰ অতীত বুৰঞ্জী। জীম মৌ কালৰ কথা জী কথা।

এৰা লেংদনেই যেতিয়া আমাৰ খুন লুং খুন লাই ৰাজকোঁৱৰক তলৰ ৰাজ্যলৈ নমাই পঠালে আৰু তেওঁলোকৰ পৰাই আমাৰ ইমানবোৰ তাই ৰাজ্য গঠন হ'ল ইমান প্ৰবল পৰাক্ৰমী ম্যুং মাও লুং ৰাজ্য হ'ল গতিকে একপ্ৰকাৰে লেংদনেই আমাৰ পৰম পিতৃ। ম্যুং থিনৰ থেন খামৰ প্ৰজা সমুহে কোৱাৰ দৰে ম্যুং ফীৰ ৰাজধানীৰ লেংদন আমাৰেঃ পিতৃ, পিতৃদেৱতা। মৰিও অমৰ ফী। ম্যুং ফীৰ দাম দাম। তেৰেই ম্যুং ফীৰ ফ্ৰা। আমাৰেই পিতৃৰাজ্য পৰ্বতৰ ওপৰৰ স্বৰ্গৰাজ্যৰ ম্যুং ফীৰ চাও ফা আৰু আমাৰ ফ্ৰা চাও ম্যুং ফী চাও ফা ফেত লেংদন। ঙি ৰিং খাম ক লেংদন। লেংদন হ'ল দ্বিতীয়জন পুত্ৰ ঙি। তেওঁক ঙি ৰিং খাম বুলিও কোৱা হৈছিল।

লেংদনেই আমাৰ অতীত ৰাজ্যৰ এক অতি শক্তিশালী সম্ৰাট চাওফা আছিল। খে দেশৰ লোকসকলে সেই কালত তাই সকলক বৰ সমীহ কৰিছিল। উত্তৰৰ ক্যু ম্যুং ফালৰ খে চীন সকলে আমাৰ দেশৰ প্ৰতি সদায় চকু দিছিল ব। শস্য শ্যামলা নদন বদন আছিল আমাৰ দেশ। হাতীৰে ভৰা দেশ। চৰাই চিৰিকতি জীৱ-জন্তু, গৰু মহ, ধন ধান

নদন বদন। আমাৰ পুৰুষসকলে সকলোৱে লিখিব পঢ়িব জানিছিল। কাগজ বনাইছিল, না না ধাতুৰ পাত্ৰ বনাইছিল। ওখ ওখ হ' লৌং বোৰ নিৰ্মাণ কৰিছিল য'ত তুপ বিলাকত ঙাও ছেং বং ফ্ৰা তাও তি বোৰ সৰ্পাকৃতি আৰু, সিংহাকৃতিৰ শক্তিৰ প্ৰতীক দৈত্যকায় জন্তুটোৰ মূৰ্তি সংযোগ কৰা হৈছিল। সোণেৰে সজোৱা না না ৰঙ কৰা খুটা বেৰ বিলাক জিলিকি আছিল। অষ্ঠকোণী বৌন ফ্ৰা ছেং বোৰ না না ৰং বুলীয়া হাবিৰ মাজত ওপৰলৈ মূৰ কৰি জেউতি চৰাইছিল।

খুন লুং খুন লাইৰ হাতত এনেদৰে ম্যুং ফীৰ বৰ্ননা দিয়া এখন লিক তাই পুথি লেংদনে দি পঠাইছিল যাতে দুই ৰাজকুমাৰে এনে আদৰ্শৰে ৰাজধানী গঢ়ে। এই কথা মোক য়ানাইদেৱে কৈছিল। এতিয়াও এই পুথিৰ নকল বছৰি বছৰি ম্যুং মাও লুঙত কৰি ফ্ৰা চাও ছেঙৰ বৰ পেৰা ইপ লুঙত জমা কৰি থোৱা হৈ আছে। মোক য়ানায়ে এই পুথিখন দিবলৈ পাহৰিলে। কিন্তু ম্যুং ফীৰ আংশিক বৰ্ণনা থকা আন এখন পুথি আমাৰ লগত এতিয়াও আছে। এৰা য'ত স্থায়ী ৰাজধানী পাতিম দয় কাও ৰঙৰ সিপাৰে তাতেই নিৰ্মাণ কৰিব লাগিব এনে এখন সুন্দৰ বিতোপন তাই ৰাজধানী ছে তাই ছিয়েং তাই। কিং তাই।

ছ্যুকাফাই গভীৰ চিন্তাজগতত ঘুৰি ফুৰিছিল।

এৰা আজি দহ তাও চিঙা পি ৰুক পাক ছ্শ বছৰ পাৰ হৈ গ'ল। সম্ভৱ এনেদৰে খৰালী কালৰ সেণালী দিনতে লেংদনে খুন দুজনাক শিক্ষাৰ পৰিচালিকা শিক্ষা দেৱী স্বৰূপা ৰাজমাতা যা বুঢ়ী আইতা যা ছিং ফা ছিং খাম, ম্যুং ফীৰ সৰ্বোত্তম সন্মাণীয় বিজ্ঞ দাশৰ্নিক ৰাজনীতিজ্ঞ প্ৰধান মন্ত্ৰী ম্যুং ফীৰ সকলো দিশ চালি জাৰি গঢ়ি পিতি ভাঙি নতুন চিন্তাৰে দেশ শাসনৰ নীতি উদ্ভাৱক আৰু সবেৰ্বাত্তম বিজ্ঞানী স্বৰূপ লাও খ্ৰীৰ পৰামৰ্শ তথা থেন খামৰ মন্ত্ৰনা লৈ লেংদনে ৰাজসভাত আলোচনা কৰি দুই খুন ৰাজসভাত আলোচনা কৰি দুই খুন ৰাজকুমাৰক পঠাইছিল। এৰা ময়ো খুন দুজনাৰে তেজেৰে প্ৰবাহিত লুক তাই। ফান তাই আমি। আমি সকলো প্ৰজাবৰ্গৰে ফান তাই লুং তাই য়াই ডাঙৰ তাই বংশৰ।

খুন লুং খুন লাইক লেংদনে দিয়া তাও ছেঙ হেংদানৰ যাদু আজিও মোৰ হাতত হেংদানত নিশ্চয় আছে। নাপছেঙক সন্মাণ কৰাটো তাই জাতিৰ নীতি। অৱশ্যে খে দেশতো এই নাপছেঙক বহু জন গোষ্ঠীয়ে সন্মাণ কৰে। পবিত্ৰ নাপ ছেঙ তাই দেশৰ এক শক্তিৰ প্ৰতীক। মোৰ লগাত নাপ ছেঙৰ গাত খোদিত সৰ্প সিংহাকৃতিৰ ঙাও ছেং বং ফ্ৰা হেংদাং আছে। তাতো অৰ্ন্তনিহিত হৈ আছে এই অলৌকিক যাদুকৰী ৰাজশক্তি।

লাক নি কাতৰাও। এই সময়তেই মই পিতৃ ৰাজ্য ম্যুং মিত কুপ ক্লিং দাওৰ ৰজা হৈছিলোঁ। আমাৰ ৰাজ্যখনক পূব ফালৰ কোনো কোনো পিনং সকলে 'কেং লাও', আৰু ম্যুং মিত বুলিও কয়। আমাৰ পিনং সমলৰ মুখত অৱশ্যে ক্লিং দাওহে উচ্চাৰণ হয়। খে সকলে আকৌ মেং মিত বুলিহে কৈছিল। মানসকলেও অৱশ্যে আমাৰ দৰে ক'ব নোৱাৰে, তেওঁলোকে ম মিত বা মমেইত বুলিহে কয়। অৱশ্যে খেনোৱে ইয়াকেই ছেং দাও বুলিও কয়।

যি নহওক এই নদন বদন শস্য শ্যামলা পিতৃ দেশ খনতো মই প্ৰায় ১৮ বছৰ কাল লাকনি চাম চিপ পেত বছৰকাল কটালোঁ। বৰ দুখ লাগে সুজলা সুফলা দেশখন এৰিবলৈ। কিন্তু এৰিবই তো লাগিব। নিয়তিৰ বিধান। এতিয়া নতুনৰ কথা চিন্তা কৰাহে আচল। ছ্যুকাফাৰ মূখ্য ৰাণী নাং ফা আই মে চাও লু ৰজাদেৱৰ ওচৰলৈ আহিল। গহীন গহীন খোজ। সাৱধানী ভৰি। সন্তৰ্পণে ছ্যুকাফা ৰজা দেৱক সুধিলে;

"চাওফা দেও, আপুনি বেচিকৈ চিন্তা কৰি নাথাকিব। এতিয়া চিন্তা কৰাৰ সময় নহয়। ভবা চিন্তা কৰাৰ সময় বাগৰি গ'ল। এতিয়া আগলৈ খোজ পেলোৱাৰহে সময়। আমাৰ সমুখত এতিয়া 'লা লা'ৰ অৰ্থাৎ মহাসাগৰৰ সমান কাম আছে। এতিয়া লা বাং লু আবেলি হয়হে। বেলি লহিয়ালেই। এতিয়া ৰঞ্জ অৰ্থাৎ খোজ দিয়াৰহে সময়। চাং নাই ম্যু ৰঞ্জ। উঠক স্বৰ্গদেও ঈশ্বৰ, বঙহৰ দেও, চাওফা দেৱ।

গহীন গম্ভীৰ ছ্যুকাফা । মুখ মণ্ডলত চিন্তাৰ আভা। সিংহাসন থেনখামত গা হেলান দি চকু মুদি বহি পৰিছিল।

"স্বৰ্গদেও, ম্লেন তা দু।" বৰৰাণী নাংফা আই মে চাও লুয়ে ৰজাদেৱক কলে, 'চকু মেলি চাওক।'

স্বৰ্গদেও ছ্যুকাফাইও তা ফিপ ফিপ কৰি চকু টিপিয়াই চকু মেলিলে। চাও দামৰ ফালে চকু দিলে। মূৰটো সামান্য হাউলাই দুই হাত কঁপাললৈ নি খুপ বাই কৰিলে চাওদামলৈ অৰ্থাৎ ঘাই খুটা চাও লাই উপৰি পুৰুষ পিতৃ পুৰুষ দেও সকললৈ। মনে মনে ভাবিলে,

"হে অতীতৰ জীম মৌ কাল পুলিন পুথাও বঙহৰ দেও সকল, আমালৈ চকুমেলি চোৱা- ম্লেন তা দু। আমাৰ ৰ্‌ উক চেও হিয়াখন ভাগো ভাগো হৈছে। আমাৰ ৰ্‌ উক চেওক শক্তি দিয়া।"

ছ্যুকাফা সিংহাসনৰ পৰা উঠি কোঠাটোৰ ভিতৰতে সিংহাসনৰ আগতেই খোজ

পেলালে -লে পাই লে মা। চিন্তা ক্লিষ্ট মুখ। গম্ভীৰ চাৱনি। বহু কাম কৰিবলৈ আছে। শক্তি সাহসৰ বহু প্ৰয়োজন।

নাংফা আই মে চাওলুয়ে ছ্যুকাফালৈ আগবঢ়াই দিলে মাৰ ভাতৰ নিসদি পানীৰ 'বান' বান বাতি এটা।

সোঁতৰ

"থাও ম্যুং দেও"

" কওক চাওফা দেও"

" নিশ্চয় আমি ঠিক বাটেৰেই আহিছোঁ। স্বৰ্গদেও ছ্যুকাফাই মন্ত্ৰী থাও ম্যুং কান ঙনলৈ চাই ক'লে।

" খুন লু চ্যোও এই বাটেৰেই আহিছিল। এই বাটেৰেই তেওঁ তাই মানুহৰ দললৈ পশ্চিমলৈ বানতুক দেশলৈ গৈছিল। তেৰোঁ (পাত কাই) দয় কাও ৰং পাৰহৈ গৈছিল বান তুকলৈ। বেলি য'ত পৰে। চৰাই য'ত শুৱে, তালৈ। ম্যুং মাও লুঙৰ পৰাই তেওঁলোকো গৈছিল। আমাৰ ৰাজ কাকতত এই কথা লিখা আছে।

খুন লু চ্যোও তেওঁৰ দলৰ সৈতে নাম তিলাওৰ পাৰতেই থাকিল। ম্যুং তিপামত তেওঁলোকৰ সৰহখিনি মানুহ থাকিল। দুই এক গাওঁ দয় কাও ৰঙৰ মাজতো গাওঁ পাতি থাকিল আৰু এখনমান গাওঁ দয় কাও ৰঙৰ পশ্চিম পাৰতো থাকিল। দুই এক গাওঁ নাম জীন নদীৰ উজনীতো আছে বুলি শুনিছোঁ। আমাৰ মানুহে গৈ সেইবোৰ চাই আহিছেগৈ। "ছ্যুকাফাই গুৰু গম্ভীৰ স্বৰেৰে ব্যক্ত কৰিলে।

থাও ম্যুং কান ঙন মন্ত্ৰীদেৱে ছ্যুকাফাৰ কথাত সম্মতি জনালে।

"হয় চাওফা দেও, খুন লুঙচ্যোও এই বাটেৰেই অহা যোৱা কৰিছিল। মাজে সময়ে ম্যুং কং আৰু দয় কাও ৰঙৰ পূবৰ ম্যুং তাই সমূহলৈ তেওঁলোকৰ মানুহ আহি থাকে। ম্যুং তিপাম, ম্যুং লা খেন তেএ চা, আদি অঞ্চলৰ পৰা আমাৰ গিয়াতি পিনংসকলে এইপাৰে আহি বিয়া বাৰু কৰেহি। দুই এক ডেকাই ঘুৰি আহি পুনৰ নাম জিন নাম তিলাও আদিৰ পাৰৰ ম্যুংবিলাকলৈ ঘূৰিও যোৱা নাই। তেনে এক পৰিয়ালৰ মানুহ আহি আমাৰ দলত যোগো দিলেহি। ডেকাজনৰ পুথাও দেৱে বোলে ম্যুং তিপামৰ পৰা ঘুৰি আহিছিল।"

ছ্যুকাফাই থাও ম্যুং কান ঙনক জনালে যে তেওঁ ম্যুং তিপামৰ পৰা ম্যুং মিতত

আহি থকা পৰিয়ালৰ ডেকাজনৰ লগত বিশেষভাবে আলোচনা কৰি থাকিব। যাত্ৰাপথত তেওঁ সহায় হ'ব।

ছুকাফাই খুন লু চোওৰ বিষয়ে যি জানে কৈ যাবলৈ ধৰিলে,

" খুন লু চোওৰ দলৰ কথা মোক মোৰ য়ানায়েও কৈছিল। ম্যুং লুঙৰ পৰা দলে দলে মানুহ পূব পশ্চিম উত্তৰ দক্ষিন বান অক, বানতুক, ৰু ম্যুং, লা ম্যুঙৰ পিনে গৈছিল। তেওঁলোকৰ উদ্দেশ্য আছিল পাম খোৱা, না খোৱা অৰ্থাৎ নতুন ঠাইত খেতি পথাৰ কৰি গাওঁ ম্যুং স্থাপন কৰা। খুন লু চোও আৰু চাও চাং ঞেঙ দুয়োজনাই ম্যুংৰী ম্যুং ৰামৰ পৰা একেটা বাটেৰেই আহিছিল।"

হথাৎ দুৱ মুৰকৈ ফ্ৰালুং খুন তন সভাস্থলীলৈ সুমাই আহিল। তেওঁ উষাহ নোলোৱাকৈ ব্যক্ত কৰিলে,

"চাওফা দেওঁতা, 'খাম কাও মুঙৰ বোলে চকুদুটা ৰঙা পৰিছে। তেজ ওলোৱাৰ দৰে হৈছে।" চাও ম য়া কন ছেঙে ঔষধ য়া খুন্দি চকুত পানী চটিয়াই দিছে।"

" এতিয়া সি কেনে আছে? ফ্ৰং পিম ক'লৈ গ'ল। সি হাতীটোৰ তদাৰক কৰিছেনে?

"কৰিছে, চাওফা দেও। ফ্ৰং পিম মাউত। হাতীটো ভাল কৰিবলৈ পূজা এভাগিও কৰিব খুজিছো। চাওফা দেউতাই অনুমতি দিলেই হ'ল।" ফ্ৰালুং খুন তনে চাও লুং ছুকাফালৈ চাই আবেদন কৰিলে।

"খেক লাই লিকখন আপোনাৰ লগত আছে নে?

"আছে দেউতা, খেক লাই ছাং বিধি পুথি খন মোৰ লগতেই আছে। পূজাৰ বাবে পাৰ চৰাই, ফৰিং, ভেকুলী, কুকুৰ আদিৰ যোগাৰ কৰিব লাগিব।"

"যাওঁক খুন তনদেৱ। তুৰন্তে খাম কাও ম্যুঙৰ পূজা। যোগাৰ কৰক আৰু ময়া চেন লুঙকো চাও ম' য়া কনচেঙৰ লগত সহযোগ কৰিবলৈ লগাওক।"

"যিবা আদেশ আপোনাৰ আদেশ শিৰোধাৰ্য। ৰং বাই বাই।"

ফ্ৰালুং খুনতনে আঁঠুলৈ মূৰ দোৱাই সভাঘৰৰ পৰা পিচলৈ হুহকি আঁতৰি গ'ল।

চাও লুং ছুকাফাই পুনৰ গহীনকৈ ক'বলৈ ধৰিলে,

"থাও ম্যুং মাং ৰাই, আপুনি নিশ্চয় জানে খুন লু চোও আমাৰ পুলিন পুথাও খুন লুঙৰ নাতি। তেওঁ আজিৰ পৰা অন্ততঃ পাঁচশ বছৰৰ পূৰ্বেই নাম তিলাও খে নাম দাও ফী বম পুতৰ ফালে অৰ্থাৎ বাইছা লিছাৰ ফালে গৈছিল। আমি তেওঁৰেই বাট লম। ম্যুং মিতৰ পশ্চিম সীমান্তত আৰু আমি বেছি দিন নথকাই ভাল হ'ব। তাতে আমাৰ খেতিও এইবাৰ ভাল হৈছে। পশ্চিমৰ ফালে ম্যুং পা কামৰ ফালে আমি ক্ৰমান্বয়ে অগ্ৰসৰ হোৱাই উত্তম হ'ব।" ৰজাৰ কথা শেষ নৌ হওতেই সোমাই আহিল এজন দুৱৰী।

চাও ফা স্বৰ্গদেও, পশ্চিমৰ ম্যুং কংৰ পৰা আমাৰ কটকী দুত আহি পাইছেহি। আজি পুৱাতেই পাইছেহি। নয় ছ্নন ফই আমাক সেই ফালেই যাবলৈ কৈছে আৰু তেওঁবোলে আমাৰ দলটোক কোনো বাধা নিদিয়ে। কিন্তু লিখি পঠাইছে যে আমাৰ দলটোৱে ম্যুংকুভত সম্পূৰ্ণকৈ বসতি স্থাপন নকৰি ম্যুং তাই প্ৰতিষ্ঠা কৰিবগৈ লাগে। তাহানি খুন লু চ্যেওয়ে দয় খাম পাৰ হৈ তাতে ৰাজ্য খাইছিল ম্যুং বান প্ৰতিষ্ঠা কৰিছিল। দুৱৰীয়ে ব্যক্ত কৰিলে।

" দি দি। উত্তম কথা। উপযুক্ত সময়তেই আহি পাইছেহি বাৰ্ত্তা। আমি কিছুদিনতেই পুনৰ যাত্ৰা কৰিব লাগিব। খুত মিত, ৰু্ং কেও পাৰ হ'ল। তাও চ্যেও লাকনি বছৰৰ আধা পাৰ হওঁ হওঁ। ছ্যুকাফাই সকলোৰে ফালে চাই কথাখিনি গুৰু গম্ভীৰ ভাবে ব্যক্ত কৰিলে।

৬ঠৰ

হাতীটোৰ বাবে পূজা কৰা হ'ল। খাম ক ম্যুং অস্থিৰ হৈ আছে। চাও লুং ছ্যুকাফাও আহি হাতীৰ পূজা স্থলীত আসন লৈছেহি। হাতীটো বান চি বাৰে বেমাৰ পৰিছিল। কোনবাৰে হাতীৰ কি বেমাৰ হ'লে কি ঔষধ দিব লাগে বা কি পূজা কৰিব লাগে সেইবোৰ চাও ফা ছাং সকলে জানে। হাতীৰ চিকিৎসা বিদ্যা পুথিত কথাবোৰ লিখা আছে। বিশেষত ছ্যুকাফাৰ লগত অহা চেন লুং আৰু কন ছেং দুয়োজনেই হাতীৰ বিদ্যাৰ পুথি কাম চলাব জানে। তেওঁলোকৰ হাতত এখনেই নহয় কেবাখনো হাতী চিকিৎসাৰ পুথি আছে। আনকি তেওঁলোকৰ লগত ঘোঁৰাৰ চিকিৎসা পুথিও আছে। মাজে মাজে ম য়া বেজসকলে এনে পুথি চৰ্চ্চা কৰিও আছে। তেওঁলোক নতুন ঠাইলৈ ম্যুংবান প্ৰতিষ্ঠা কৰিবলৈ আহিছে। লগত সকলো বিদ্যাৰ মানুহ আহিবই লাগিব। তেওঁলোকৰ মাজত ৰু ছাং অৰ্থাৎ হাতীৰ মূৰব্বী আৰু ঘোঁৰাৰ মূৰব্বী বু তু মা নিযুক্ত হৈ আছে। ৰু ছাং আৰু ৰু তু মা সকলেৰে পূজাত উপস্থিত হ'লহি।

কুন তান ৰু তান হান থাং কা ছেঞ চাও ক যা ফ্ৰাই ঝাং। কাও মা আও তাং নিং কিউ খিং নু ৰান লাই বান কাউ ৰা নৌ তাক তাই খিং বৌ ত্যাং যা নৌ ঝা ঙৈ।

বায় ৰা ঙি ৰং ঙি নি লাও কাও মান ফ্ৰং পেম

কাও তাক ক্লি তেপ, তিন্না ম্যেও ছাং প ক্লু কাউ তাক ক্লি ত্যেপ তিন না ম্যেও পাই অপ অন ছাং জু থান প' চান নে বাং কাউ দুং ম নাং নু মে ছাং। ম্যেও মা দুক ব্যেও

তুক দুং ম কু খাৰ কাউ কাউ মা দুং ম নাং না ম্যেও প্লায়ছান প' খি অক ক এ্যান এ্রে ৰা।

এইদৰে ম য়া সকলে তাই ভাষাতে হাতী ভাল কৰা পূজা মন্ত্ৰ গাবলৈ ধৰিলে। তদুপৰি পাৰ চৰাই, ঘৰ চিৰিকা, ফৰিং বোৰ ভাগ ভাগ কৰি বলি দি পথাৰৰ মাজত মাটিৰ টিপ এটাৰ ওপৰত পূজা কৰিব ধৰিলে। ময়া জনে ব্লক চিংফাৰে নাম এপ্ল প' লক হাতী খাম মুঙৰ গাত চটিয়াই দিয়ে, হাতীটোৱে লাহে লাহে গেঙাবলৈ ধৰিলে আৰু শান্ত ভাবে পূজা কৰা বেদীটোলৈ কং মু টোলৈ চাই থাকিল।

ছুকাফাই দেখিলে লাহে লাহে খাম ক ম্যুঙৰ চকু দুটি ভাল হৈ আহিছে। যেন সি আৰাম পাইছে।

ছুকাফাই হাতীৰ ঘাঁহ কটা লগত অনা কান তাম, লাচ', ফাক খাম, ফ' খী নামৰ চাৰিওজনক মাতি আনি খাম ক মুঙৰ বাবে কুমলীয়া ঘাঁহ কাটিবলৈ নিৰ্দ্দেশ দিলে, তদুপৰি বনৌষধী কাটি আনিবৰ বাবেও ময়া ছাং সকলে পৰামৰ্শ প্ৰদান কৰিলে। দুয়োটা হাতী সুন্দৰকৈ পালন কৰিবলৈও পৰামৰ্শ দিলে। লগতে ঘোঁৰা চোৰা মুখীয়াল লোক তিনিজন যেঁনে ফি চি, ছি ফিমা, লা বুন কো লগত অহা তিনিশ ঘোঁৰাৰ উপৰিও পাচত গোটখোৱা শটামান ঘোঁৰাকো ভালদৰে পৰীক্ষা কৰি তদাৰক কৰিবলৈ।

ছুকাফাই সকলো উচ্চ পদবিধাৰী ব্যক্তি থাও ম্যুং ফুকিন ম্যুং আদি সকলৰ লগত আলোচনা বিলোচনা কৰি ম্যুং মিত কুপ ক্লিং দাওৰ সীমান্ত অঞ্চলৰ পৰা কিছুদুৰ যোৱাটোকে সিদ্ধান্ত কৰিলে।

ৰাতিলৈ ঘোষণা কাৰী সকলে ক্বং বজাই বজাই প্ৰতি গাঁৱত এই সিদ্ধান্তৰ খবৰ দিলেগৈ। একেদিনাই সকলোকে খবৰ দিব পৰা নগল। পিচদিনাও খবৰ প্ৰচাৰ কৰা হ'ল। দলৰ কোনো মানুহ ওচৰৰ হাবিত আৰু অন্য অনাতাই মানুহৰ গাঁৱলৈ ফুৰিবলৈ গৈছিল।

সিদ্ধান্ত হ'ল যে অহা বান চি বাৰৰ পৰা এশজনীয়া একোটা দ'ল অস্ত্ৰ সস্ত্ৰ ঘোঁৰা সহিতে গৈ কিছু পশ্চিমে এটা শিবিৰ খুলিবগৈ। কাপ ঙি লাক নি তেই সকলোবিলাক মানুহ তালৈ উঠি যাব লাগিব। সকলো মানুহে সৰু নাম পুৰ দুয়ো পাৰে বহিব। তদুপৰি নং খাও নামৰ সৰু বিলখনৰ চাৰিওফালেও বহিব পাৰিব। সেই খিনিত ধান খেতিৰ বাবে সাৰুৱা মাটি আছে। মাছ পুথিও আছে অপৰ্যাপ্ত। অস্থায়ী ৰাজধানীৰ বাবে কাত ৰ ং ম্যুং বান নামৰ ঠাই খনকে নিৰ্বাচন কৰাৰ সিদ্ধান্ত হ'ল।

এশ ঘৰ এশ ঘৰকৈ প্ৰায় তিনিমাহ মানতে সকলো মানুহ কাত ৰুং ম্যুং বানলৈ গ'লগৈ। নাম পু নদী আৰু নং খাও বিলৰ মাজতেই ওখ টিলাময় ঠাই এডোখৰতে চাও

লুং ছ্যুকাফাৰ অস্থায়ী ৰাজধানী নিৰ্মাণ কৰা হ'ল। টিলাটোৰ চাৰিওফালে পাচশ মানুহে দিনে ৰাতি লাগি প্ৰায় পোন্ধৰ দিনত এটা গড় মাৰিলে। ওখই দহহাত গড়। ক্লুংটো বিশহাত মান বহল। দহ হাতমান দ। গড়টোৰ চাৰিওদিশে চাৰিটা অষ্ঠকোণী ঘৰ বনাই পহৰাৰ ব্যবস্থা কৰা হ'ল। দিনে ৰাতি গড়ৰ ওপৰে দহজনমান অস্ত্ৰধাৰী পহৰীয়া ঘুৰি ফুৰে। ওচৰৰ পৰা শাল কাঠ কাটিবৰ বাবে তেওঁলোকে ফী পাক ৰঙা কুকুৰা বলি দি পূজা কৰে। ম' লুংসকলে সকলো অপায় অমংগল দূৰ কৰিবলৈ বানছেং মাৰি ছালে। শাল কাঠ কাটি তিনিমহলীয়া প্ৰায় পঞ্চাশহাত বহল এশহাঁত দীঘল কাৰৌন টো এমাহতে নিৰ্মিত হ'ল। হাতীশাল ঘোঁৰা শাল, অস্ত্ৰ ভাণ্ডাৰ, গৰু মহ ৰখা অস্থায়ী ঘৰ নিৰ্মাণ কৰা হয়। কাত বুং ম্যুং বানত সৰুকৈ শিমলু গছৰ খুঁটাৰে এটা ৰৌন চাও ফ্ৰা ছেং নিৰ্মাণ কৰিলে। আঠটা খুটা। তিনি চাৰি খলপীয়া চালি। জেঙৌ পাতেৰেই চাল চোৱা হৈছে। ফ্ৰালুং খুনতনে নেতৃত্ব দিলে। চাংবুন বংশৰ থাও ম্যুং ম ছাম আৰু ম' ম্যুঙৰ পৰা অহা থাও ম্যুং ম' ছাইয়ে লগত আৰু এজনক লৈ ফ্ৰালুং পৰম্পৰাৰে এক ধৰ্মীয় সকাম পাতিলে। তদুপৰি কাষতে নিৰ্মাণ কৰা দুটুপীয়া হ' লুং হ ফীত লেংদন থেন খাম পুফী ছ্যুৰ প্ৰতি তথা সকলো উপৰি পুৰুষৰ প্ৰতি মংগল কামনা কৰি মে দাম মে ফীও অনুষ্ঠিত কৰিলে। ব্লক চেংফাৰ সঁচো তেওঁলোকে আনি ৰৌন চাও ছেং, আৰু হ' লুং হ ফীৰ কাষত এবিঘা মান মাটিত ৰুই দিলে। লহপহকৈ বাঢ়ি আহিল ব্লক চেং ফা বনবোৰ।

ইতিমধ্যে কাত বুং ম্যুং বানতো ধান খেতি কৰাই হৈছিল। খেতি খুব ভাল হৈ উঠিল ।খেতি বোৰ সুন্দৰকৈ চপোৱা হ'ল। খাও নেও বৰা ধান আৰু আঠা লগা চাউল ওলোৱা ধানৰ খেতি প্ৰায় নব্বৈ শতাংশই কৰা হ'ল। সকলো বোৰ ধান বেঁতৰ ডাঙৰ ডাঙৰ খোৰোঙত ভৰাই ঘোঁৰাত লাডি কঢ়িওৱা হ'ল। কিছুমান পৰিয়ালে তাঁত শালৰ মাকো আৰু দুই এক সৰু সুৰা বস্তুৰ বাহিৰে বাকীবোৰ এৰি গ'ল। হাবিৰ পৰা কাঠ কাটি নিজে পুনৰ বনাই লব। হাতী ঘাঁহী ফিচিৰ মে জনীয়ে কিন্তু লুকুৱাই মেলিও হাতীৰ লগতে তাইৰ তাঁত শালখন বান্ধি ল'লে। কিয়নো কেইদিনমানৰ আগতে তাই ম ম্যুংৰ পৰা লগত লৈ অহা মুগা চৰ্কৰী খিনিৰে সুতা উলিয়াই তাঁত বৈছিল। তাঁতখন শেষহোৱা নাছিল।

ফে লু, মি লত, মেন বক, কন খং আই কন আদিৰ পৰিয়াল কিটাই হাবিত চোম গছ বিচাৰি তাতেই মুগা কিটা পুহিছিল। মুগা পুহি শেষ কোনোমতে হৈছিলহে। ফেলু, কণ খং আইকনৰ মানুহকিজনী মুগা খেতিত পাকৈত। তদুপৰি ছ্যুকাফাৰ দলত থকা আটাইবোৰ মানুহেই হাবিত গছত থকা বনৰীয়া মুগাৰ সঁচ বিচাৰি উলিয়াব জানে।

কাপ প্লাও লাকনিৰ আগভাগতে সকলো মানুহ গৈ কাত বুং ম্যুং বানত থিতাপি ললেগৈ।

ঊনৈশ

কাত ম্যুং ম্যুং বান গছ গছনীৰে পৰিপূৰ্ণ ঠাই। পানীত বোকা লেটিয়াই ধান খেতি কৰিব পৰা মাটিও আছে। সৰু সুৰা কিছু পাহাৰো আছে। পাহাৰৰ ওপৰত সাঁচী গছ তুন কাম ভৰি আছে। পাহাৰৰ নামনিত হাবিতে চোমগছ, শেঙালু গছ আৰু বনৰীয়া নুনি গছ, অ চা অসংখ্য পোৱা যায়। বনৰীয়া নুনি গছবোৰ দেখি ছুকাফাৰ লগত যোৱা পু মে পি নং সকল, মেচাও যা চাও ফু চাই ফু ত্ৰিং সকলৰ আনন্দত অন্তৰ ভৰি উঠিছিল। পাহাৰৰ পৰা সৰু সৰু জুৰি জান বোৰ বাগৰি আহিছে। বনৌষধী গছেবনে হাবিবোৰ ভৰা। হাবিত, পনিয়ল, বনৰীয়া মাটিকঠাল, ঠেৰেজু, আহোম বগৰী, নৰা বগৰী, হেলচ, জলফাই, বগৰী, শিলিখা, আমলখী (মাক খাম) আদি ভৰি ভৰি আছে। ডেকাবোৰে হাবিবোৰত খুৰি কাটি কাটি ঘৰ বনোৱা খুটা কাটি হন হন হান হান কৰি ঘুৰি ফুৰোঁতে এইবোৰ থোং (মোনা) ভৰাই ভৰাই আনিছে, খাইছে। ম' লিক , মলাই বান লিক চনৰ নেতৃত্বত ম' লিক সকলে আমলখী, শিলিখ-কেঁহৰাজ বন গোটাই সিজাই গৰুৰ মূত, মতগুৰ চাই সানি কলীয়া চিঞাহী নাম বুক দাম টেমাই টেমাই গোটাইছে। বিজুলী বাঁহৰ চুঙাত সাঁফৰ দি চিঞাহীবোৰ ৰাখিছে। তেলীয়া সাৰেং, কনুৰা আদি চৰাই পাখীবোৰ গোটাই পি (কলম) প্ৰস্তুত কৰিছে। আন এজন ম' লিকে সাঁচী বাকলি একৰাই বিভিন্ন আকৃতিত কাটি বিহ গছৰ আঠা ঘঁহি ঘিলা গুটিৰে ঘঁহি ঘঁহি পিচল আৰু মিহি কৰিছে। কিয়নো তিনি বছৰৰ দিন পঞ্জীবোৰ গোটাই সংক্ষীপ্তকৈ তেওঁলোকৰ মৰমৰ ৰজা ছুকাফাৰ যাত্ৰাৰ কাহিনী বোৰ লিখি ৰাখিব লাগিব। কেৱল এখন পুথিয়েই নহয়, কেবাখনো। এখন হেৰালে আনখন কাৰোবাৰ হাতত থাকিব। বাটত বা কি হয়। অতখন মানুহ ম্যুং পাকামলৈ যাব। টাতি বা খা সকলৰ লগত কি দন হাই হয়।

ছুকাফাই ৰাজধানী বনোৱা ঠাই ডোখৰৰ পৰা এবেলাৰ বাটত উত্তৰে কেইখনমান চিংফৌ গাঁও আছে। তেওঁলোক আহি ছুকাফাৰ ওচৰত বহিলহি। তেওঁলোকে লগত আনিছে শুকান মাছ, টেঙা কৰা চুঙাত ৰখা চাহপাত, পহুৰ শুকান মাংস আৰু কেইখনমান দা। তেওঁলোকে চিংফৌ ভাষা কয় যদিও তাই ভাষাতো কথা ক'ব পাৰে। কিয়নো কাতবুং ম্যুং বান অঞ্চলটোও ম্যুং মাওৰ পৰা বেচি দুৰত নহয়। মাত্ৰ দুদিনৰ বাটৰ সমানহে দুৰ। কিন্তু ম্যুং মিত ৰাজ্যৰ তাই সকলৰ লগত এদিনৰ দুৰত তেওঁলোকে বেহা বেপাৰ কৰে

কথা বতৰা পাতে। সেয়ে তেওঁবলোকে তাই ভাষাৰেও কথা বতৰা পাতে। তেওঁলোকে শুনিছে ছ্যুকাফা নামৰ ম্যুং মাওৰ হ'ব লগা তাই ৰজাজন পশ্চিমলৈ দেশ বনাবলৈ আহিছে। তেওঁলোকে আপত্তি নকৰিলে। ছ্যুকাফাৰ নেতৃত্ব মানি লৈ ওচৰত খেতি খোলা কৰিবলৈ ঠাই বোৰ দেখাইহে দিলে। চিংফৌ সকলে পাহাৰৰ কিছু ওপৰতে থাকিবলৈ ভাল পায়। যদিও তেওঁলোকে পানীত বোকা লেটিয়াই খেতি নকৰে, তাই বিলাকৰ খেতি দেখি দুই একে নামনিতো বোকা লেটিয়াই পানী ধান খেতি কৰিছে। ছ্যুকাফাইও তেওঁলোকক সোনৰ মোহৰ কেইটামান আৰু পাটৰ কাপোৰ দুখন উপহাৰ দিলে। চিংফৌ গাঁৱৰ গাওঁৰ মুৰব্বীৰ আদেশত দহজন চিংফৌ মানুহ ছ্যুকাফাৰ লগত দিলে যাতে তেওঁলোকে অনান্য চিংফৌ গাঁৱৰ মানুহক বুজাই বৰাই ছ্যুকাফাৰ ওচৰত বৰে আৰু ছ্যুকাফাক ৰাজ্য গঢ়াত কোনো অনিষ্ট নকৰে। কাৰন ছ্যুকাফাই ৰাজ্য গঢ়িবলৈহে আহিছে। মানুহ মাৰিবলৈ যুদ্ধ কৰিবলৈ নহয়, এই কথা তেওঁবলোকে জানে।

চিংফৌ মানুহ কিজনৰ সহায়ত ওচৰৰ পাহাৰৰ বাসিন্দা অনান্য চিংফৌ গাঁওকিখনত ছ্যুকাফাৰ মানুহে গৈ বুজনি দিলে। সকলো মানুহ আহি ছ্যুকাফাক উপঢৌকন দি বৰিলেহি। মাত্র দক্ষিনৰ এখন ডাঙৰ গাঁৱৰ নেতাজনে ছ্যুকাফাক বিনাযুদ্ধে তেওঁলোকৰ অধীনস্থ হ'বলৈ মন নকৰি যুদ্ধ কৰাৰ বাবে আহ্বান জনাইছিল। কিন্তু ছ্যুকাফাৰ দলৰ চিংফৌ মানুহ কিজনে বুজালে যে তাই সকলে তেওঁলোকৰ ওচৰত নিগাজিকৈ নবহে। দুবছৰৰ ভিতৰতে আঁতৰি যাব। ম্যুং পাকামলৈ। বৈছালী ম্যুঙলৈ। মাত্র তেওঁলোক দুটাবছৰ ইয়াত দুটা শালী ধানৰ খেতি কৰিব আৰু কাপোৰ কানি বব, মুগা পুহিব, কিছু হাতী ধৰি বুজনি দিব। তেওঁলোকক সহায় কৰাহে চিংফৌ সকলৰ কৰ্তব্য। যুদ্ধ কৰাৰ পৰিবৰ্তে নেতাজনে ছ্যুকাফাক বৰিলেহি আৰু বন্ধুত্বৰ দোলেৰে বান্ধ খাই তিনিবছৰলৈ মাটি খাবলৈ অনুমতি দিলে। ছ্যুকাফাৰ লগৰ পঞ্চাশজনমান মানুহেও চিংফৌ ভাষা তেওঁলোকৰ পৰা শিকিবলৈ ললে। কিয়নো বাটত লগ পোৱা চিংফৌ সকলৰ লগত তেওঁলোকেই কথা বতৰা পাতি বুজাব পৰা হ'ব লাগিব। দুই এক চিংফৌ ফৈদে ফেপেৰি পাতি ধৰিছিল। কড়ীয়া কাড়ীও হৈছিল। যুদ্ধ নহ'লগৈ।

কাত বুং ম্যুং বানৰ ওচৰতেই ছ্যুকাফাৰ মানুহে এখন পালাউং গাঁও পালে। পালাউং গাঁও ম্যুং মাও ৰাজ্যৰ পুব ফালে থকা বুলি ছ্যুকাফাই জানে। ম্যুং মাওৰ পুবৰ পাহাৰৰ ওপৰত বহুবোৰ পালা উং মানুহ বাস কৰে। তেওঁলোকৰ নিজা গাঁৱৰ দল নেতা আছে। কিন্তু তাই সকলৰ দৰে ৰজা নাই। অৱশ্যে বহু গাৱঁৰ নেতা গোট খাই তেওঁলোকে একো একোটা পাহাৰত গোট হৈ থাকে। যুদ্ধত তেওঁলোক সকলোৱে এক হৈ শত্ৰু পক্ষৰ বিৰুদ্ধে যুঁজ দিয়ে।

যি নহওঁক ছুকাফাৰ দলৰ মানুহৰ মাজত পালাউং ভাষা জনা মানুহ আছে। ম্যুং মাওত থাকোতে তেওঁলোকৰ কেবাজনেও পালাউং সকলৰ লগত বেহা বেপাৰ কৰিছিল। পালাউং সকলে গোমধানৰ খেতি অধিক কৰে। কোনো কোনোৱে কানি গছৰো খেতি কৰে। ছুকাফাই নিজেও পালাউং গাঁৱলৈ গৈছে। কিছু ভাষাও কব পাৰে। ম্যুং মাওৰ পালাউং সকলেও তাই ভাষা কব পাৰে। পালাউং সকলেও তাই সকলৰ দৰে মহিলাই কলা ৰঙৰ মেখেলা পিন্ধে। পুৰুষে অৱশ্যে কঁকালৰ কাপোৰ এখন মেৰিয়াই লয় আৰু গাত কাপোৰ এখন সিঁ লৈ পিন্ধে। ফুল বোৰ অৱশ্যে বৰ সুন্দৰ। তেওঁলোকে কঁপাহৰ খেতিও কৰে আৰু তাৰেই কাপোৰ বয়।

সদ্যহতে ছুকাফাই যাত্ৰাপথত লগ পোৱা চিংফৌ গাৱঁৰ লোকসকলে ভাং গছৰ বাকলিৰ পৰা সূতা বনাই কাপোৰ বব জানে। এই কাপোৰ বৰ টান, নাফাটে।

কাত ৰুং ম্যুং বানত পালাউং চিংফৌ আৰু তাই সকলৰ গাঁৱৰ পৰা ছুকাফাই কিছু গৰু আৰু মহ গোটালে কাওৰ পাহাৰত এটা হাতীও চিকাৰ কৰি ধৰিলে। মাউত ফ্ৰং পিমৰ বৰ আনন্দ। তেওঁ আৰু এটা হাতী শিকাই বুজাই লব লাগিব।

প্ৰতিটো পৰিয়ালৰ প্ৰতি কমেও পঞ্চাশ ষাঠিটা কুকুৰা পোৱালী বেচি হ'ল। তেওঁলোকে হাঁহবোৰো উমনি দি কমেও তিনিহেজাৰ মান হাঁহ বৃদ্ধি কৰিলে। পূজা প্যাটলত হাঁহ কুকুৰা বলি পাত চি কৰিও দিনে ঘৰত এটাকৈ খাব পৰা হ'ল।

ওচৰৰ হাবিত চিকাৰ কৰি বনৰীয়া মহো মাহে প্ৰতি দুটা তিনিটাকৈ ধৰিছে। ছুকাফাৰ ৰাজপৰিয়ালে বনৰীয়া মহৰ মাংস বেচ জুতি লগাই খাবলৈ পাইছে কাত ৰুং ম্যুং বানত। তদুপৰি পহুও যথেষ্ঠ চিকাৰত লাগিছে। মাছো যথেষ্ঠ পাইছে। যেনে প্লা দুক নান (মাগুৰ) প্লা দুক ৰি (শিঙি), প্লা পক (কাৱৈ), প্লাখে মাও (পুঠি), প্লা লিউ (ডৰিকনা), প্লা লুম (চেলেকনা), প্লা ঙা ৰিউ লুং (ভেওঁ মাছ), প্লা বাক বা লুং (বৰালী মাছ), প্লা লন (শাল), প্লা মাও (শিলবৰিয়া) বোৰ অসংখ্য পোৱা গৈছে। পাচত খাবৰ বাবে বহু তোম মাছ শুকুৱাই লৈছে। পাচলৈ পাহাৰত বা মাছ পোৱা যায়নে নাযায়।

এদিন ৰাতি পালাউং গাওঁ এখনে ছুকাফাৰ দলৰ কেইজনমানক বেঢ়ি ধৰিছিল। কিন্তু বহু বুজনি দিয়াত হতাহতি নহ'লগৈ। পালাউং সকলে অস্থায়ীভাৱে ছুকাফাক থাকিবলৈ দিবলৈ সন্মত হ'ল।

পালাউং আৰু চিংফৌসকলৰ লগত তাইসকলৰ মিলামিচা হ'ল। দুই এক পালাউংৰ কেইজনীমান গাভৰুকো বিয়া কৰাই ল'লে। বিবাহৰ সূত্ৰে মানুহবোৰে তাইসকলক আপোন মানুহ বুলি ভাবিলে।

ম্যুং না ম্যুং তিত দুবছৰ

কাপ প্লাও বছৰ অতিবাতিহত হ'ল। কাপঙি বছৰৰ আৰম্ভনিৰ পৰাই পশ্চিমৰ ম্যুং না ম্যুং তিলৈ পঞ্চাশ জনকৈ চাৰিটামান গোট গৈ খেতি কৰাৰ ঠাই উলিয়ালেগৈ। এইদৰে যাওঁতে প্ৰতি ঘৰৰ পৰা এজনকৈ 'প্ৰাই' বা পাইলৈ এক গোট হৈ যায়। পঞ্চাশ পঞ্চাশ দুটাগোটৰ 'প্ৰাই' ৰ ওপৰত এজন বু পাক অৰ্থাৎ এশজনৰ মূৰব্বী পাতি পঠালে। এইসকলোবোৰ কামৰ তদাৰক কৰে এজন থাওম্যুং এ। মাজে মাজে কোনো এজন থাও ম্যুঙে তদাৰক কৰি আহেগৈ। অৱশ্যে শুভদিনবাৰ চাই ম' লুং এজনে বা কেবাজনো একেলগে গৈ ফী বান ফী ম্যুং পূজা পাতি নতুন গাঁও নতুন ৰাজ্যৰ শুভ কামনা কৰি দেৱতা সকললৈ সেৱা জনাই। ম্যুং না ম্যুং তিতো এনেদৰে তেওঁলোকে নতুন ৰাজ্য গঢ়াৰ শুভকাম আৰম্ভ কৰে। ম্যুং না ম্যুং তি বেচি দূৰৰ বাটো নহয়। প্ৰথম প্ৰহৰত যাত্ৰা কৰিলে দুপৰত পোৱা দূৰত্বহে। তদুপৰি যাত্ৰা পথত খোজেৰে গৈ গছৰ তলত জিৰনি ললেও কোনো অসুবিধা নহয়। কাপ ঙি বছৰেই ম্যুং না ম্যুং তিৰ ওখ আহল বহল টিলাৰ টিং এটা চাই থাও ম্যুং মাং ৰাইৰ পৰামৰ্শমতে ছ্যুকাফাৰ ৰাজকাৰেং কা ৰং নিৰ্মাণৰ কামো আৰম্ভ কৰি দিলে। প্ৰায় এশ মান প্ৰাইএ ছমাহ একেৰাহে লাগি ন ৰাজধানী সুন্দৰকৈ সজালে, গড়ো মাৰিলে। ৰাজকাৰেঙৰ কাষতে লগালগিকৈ চুম ফ্ৰা বুম ছেং ম্যুংৰ ঘৰ নিৰ্মাণ কৰি উলিয়ালে। এইবাৰ অৱশ্যে কাৰেঙৰ চাং খন মাই পক বাঁহৰ পাব ঠাহি বনোৱা হৈছে। ওখ কাৰেং। মানুহ এটাই তলত ওপৰলৈ হাত দাঙিলেও ঢুকি নাপায়। কাৰেঙক কা ৰং বা কা ৰং কোৱা হয়। কা বা বুলিলে মন্ত্ৰী বা ৰাজ সম্পৰ্কীয় ঘৰ বুজায়। ৰং হ'ল উচ্চ খাপৰ ঘৰ। সাধাৰন প্ৰজাৰ ঘৰ হ'ল 'ৰৌন'। সেয়ে ৰাজ প্ৰসাদক কা ৰং বা কা ৰং বুলিও কোৱা হয়। অৱশ্যে এনে ৰাজপ্ৰসাদক হ' লুং বুলিও কোৱা হয়।

ইতিমধ্যে প্ৰতিঘৰৰ পৰা এশজনমান মানুহ গৈ ৰজাৰ বাবে এখন ৰাজবাৰীও গঢ়ি তুলিলে। ৰাজবাৰী চোৱা জনক ফু হান চুন ফা বোলা হৈছিল। ৰজাৰ ৰাজবাৰীত পান, তামোল, কল, মাটিকঠাল, নুনী গছ, চুম গছ, মেজাংকৰী চুম, জেতুকা, তুন হম ৰং কৰা গছ, গোন্ধোৱা মছলা ফয় হ'ম, ব্লক চিংফা সকলো ৰোৱা হ'ল।

দাপ মাও পি লাকনি বছৰ সোমালহি। প্ৰায় সকলোবোৰ মানুহ আহি ম্যুং না ম্যুং তি পালেহি। কৌ পাত, জেঙৌ পাত, টকৌ পাত , বনৰীয়া খেৰ, বাঁহ পাত আদিৰে অস্থায়ীকৈ ঘৰ ৰোৰ বাঁহ কাঠেৰে বনাই ললে। অৱশ্যে সকলোবোৰ ঘৰেই ওখ ওখ

চাংঘৰ। চাংঘৰ বনাবলৈ যথেষ্ঠ বাঁহ নতুন ঠাইত পাইছে।

ম্যুং না ম্যুং তিত ছুকাফাৰ দলে যথেষ্ট আহল বহল পথাৰ পালে। কিন্তু চাৰিওফালে পাহাৰে আবৰা। পাহাৰবোৰ ওখ নহয় সৰু সৰু। কিন্তু শিলাময় হোবাৰ বাবে তাত খেতি বাতিও কৰিব নোৱাৰি। তথাপিও কেইঘৰমান মানুহে তাৰে কেইটামান পাহাৰত কচু আৰু গোমধানৰ খেতি কৰিলেগৈ। কিয়নো ছুকাফাই পাহাৰত হোৱাএবিধ কচু খাই বৰ ভাল পায়। তাই সকলে ভালপোৱা কচুৰ জাতবোৰ মুক লুং (বৰকচু), মুক কাই (দহিকচু), মুক বৌন (ঘৰ কচু), মুক নাম (পানী কচু), মুক লাই (ওল কচু), মন নিউ (এডলয়া কচু), মুক আও কিন (কেঁচাই খোৱা কচু), মুক দাম ছিপ (কলা আহিনীয়া কচু), মুক ইঙ (টেকেলীয়া কচু) আদি সমূহ ম্যুং না ম্যুং তিত যথেষ্ঠ বিচাৰি পোৱা গৈছে আৰু খেতিও কৰিছে।

ম্যুং না ম্যুং তিত দাপ মাও আৰু ৰাই চি পি লাকনি বছৰ দুটা ছুকাফাই অতিবাহিত কৰিল। এই দুবছৰৰ ভিতৰত ছুকাফাৰ কেই জনমান মানুহ গৈ পুনৰ ম্যুং ৰুং আৰু ম্যুং মাও ৰাজ্যৰ ৰাজধানীৰ পৰা ছুকাফাৰ দলৰ খবৰ দি আহিলগৈ আৰু পৰিয়াল বৰ্গৰ অনান্য লোককো চাই আহিলগৈ। তেওঁলোকে ম্যুং মাওৰ ৰাজধানীৰ পৰা খে দেশৰ মাজত থৰ্কা ম্যুং দন অৰ্থাৎ ওখ দেশৰ উজনী তাই লোকৰ পৰা আঠা লগা ধানৰ সঁচো লৈ আহিছে। চাউলবোৰ একেবাৰে ৰঙা। ইমান ৰঙা যে ৰঙা মাংস এচপৰাৰ দৰে হৈ পৰে। ছুকাফাই পঠাই দিয়া পছৰ শুকান মাংসৰ কেইবাটাও টুপুলাৰ পৰিবৰ্তে তেওবলোকে দুটা তেজি ঘোঁৰা আৰু এখন সোণৰ শৰাই উপহাৰ স্বৰূপে লৈ আহিছে। লগতে ম্যুং মাওৰ চাওফা ছুখান ফাৰ পৰা এখন শুভেচ্ছা মূলক লিখা চিঠি ত্যেম চি মাই লাইও আনিছে। ছুকাফা আৰু ছুখান ফাৰ মাজত কোনো মনোমালিন্য নাই। কোনেও কাকো বাধা নিদিয়ে। মাথো ছুকাফাই ম্যুং মাওৰ পৰা আঁতৰি যাব। ম্যুং পা কামলৈ। য'ত চৰাই শুৱে, য'ত বেলি শুৱে।

খৰু চাং খ্ৰিং শেন

সেই তাও চিঙাৰ ৫৩ তম বছৰ লাকনি ম্যুং চ্যেও। ম্যুং চ্যেওৰ দিন ছাম (মাঘ-ফাগুন) মাহৰ বান চি বাৰে কোনো এক ৰাতিপুৱা। বেলি ওলাইছে। কাৰেঙৰ টোপেদি বেলিৰ ৰাঙলি কিৰন দেখা গৈছে। জাৰ তেতিয়াও আছে। মাই জি ফাই (মেজী জুই) উৎসব তেতিয়াও হোৱা নাই। আগন্তুক ঠাইতেই পাতিব মাই জী ফাই উৎসব। পয় মাই জী ফাই।

ছুকাফা তেওঁৰ ৰাণী তিনিগৰাকী আৰু ৰাজকুমাৰ ৰাজকুমাৰী সকলোৱে ৰঙা বৰা খাও নেউ দেঙৰ খাও মাই লাম চুঙা চাউল পছৰ শুকান মাংস আৰু ফাক কাত লাই শাকৰ আহাৰ খাই নতুন ঠাইলৈ যাত্ৰা আৰম্ভ কৰিলে।

পূৰ্বতে যোৱাখিনি গ'ল। হাবিতলীয়া বাট। তথাপি বেয়া নহয়। বোকা নাই। আঠালতীয়া ৰঙচুৱা মাটি। অলপ ধূলি উৰিছে। ছুকাফা হাতীৰ পিঠিৰ ওপৰত উঠিছে। খাম ক মুঙৰ পিঠিত। ৰাণী তিনিগৰাকী অৱশ্যে ঘোঁৰাত উঠিয়েই যাবলৈ ল'লে। বৰৰাণী আই মে চাও লুক অৱশ্যে বুজাই বঢ়াই খামক মুঙৰ পিঠিত উঠালে। ৰাজকুমাৰ সকল ঘোঁৰাৰ পিঠিত উঠিল। ডাঙৰজন ৰাজকুমাৰ পূৰ্বতেই গৈ নতুন ৰাজধানী পৰিচালনা কৰি আছিলগৈ।

কাত ৰুং ম্যুং বানত থাকি অহা বিশটামান পৰিয়ালো আহি যোগদান কৰিলেহি। তদুপৰি ম্যুং মাওৰ পৰা পুনৰ এশমান পৰিয়াল আহি ছুকাফাৰ দলত যোগ দিলেহি। যোৱাৰ পূৰ্বে ম্যুং না ম্যুং তিত পূৰ্বতেই বসবাস কৰি থকা দহখনমান তাই গাঁৱৰ বাসিন্দা সকলৰ মুৰব্বী চাওবান জনৰ লগত ছুকাফাৰ চুক্তি পত্ৰ সাক্ষৰ কৰা হ'ল। ভবিষ্যতে ম্যুং মাওলৈ ছুকাফাৰ মানুহ ম্যুং পা কামৰ পৰা ম্যুং মাওলৈ অহা যোৱা। পথত তেওঁলোকৰ গাঁৱত আশ্ৰয় লব আৰু সহায় কৰিব লাগিব। অহা যোৱাৰ বাট মুকলি হ'ল। ঠাইখনো ছুকাফাৰ তললৈ আহিল।

আবেলি বেলি লহিওৱাৰ আগে আগে ছুকাফা গৈ খক চাং বিন মেন পালেগৈ। বাকী সকলোবোৰ মানুহো পালেগৈ প্ৰায় আবেলিৰ আগে আগে। প্ৰায় পাচ হেজাৰ মানুহ পৰিয়ালবৰ্গ আৰু সৈন্য সামন্তৰে খক চাং বিন মেন ভৰি পৰিল। পূৰ্বতে নিৰ্মাণ কৰা চাংঘৰবোৰত মানুহবোৰ শুবলৈ নোজুৰিব বুলি আবেলিৰ ভিতৰতেই ডেকাবোৰে গোটখাই প্ৰায় এহেজাৰমান অস্থায়ীকৈ জেঙৌ পাত, কৌপাত, তৰাপাত, নল খাগৰিৰ আৰু আনকি কলপাটতো ঘৰ বনালে। ওচৰতে থকা সৰু নদী নাম কুতৰ বালি চাপৰিত গজি থকা অসংখ্য মাদুৰী বনৰ পাট কাটি আনি অস্থায়ী ঢাৰি কৰিলে। কিছুমানে মাটিতেই নল খাগৰি জাৰ্পি শুলে। মাইকী আৰু সৰু লৰা ছোৱালী বোৰক শুবৰ বাবে গছৰ হাল কাটি ফেৰেঙনিত গোটা বাঁহ থৈ নল খাগৰি দি চাং পাতি দিলে। ৰাতি জাৰ পলাবলৈ বেতৰ পেৰা এপ বিলাকৰ পৰা ডাঠ এৰিয়া কাপোৰ উলিয়াই ললে।

খক চাং বিং মেনৰ প্ৰকৃতিও মনোৰম। গছে বনে ভৰপুৰ। বসতি বেছি ঘন নহয়। মেন জাতিৰ মানুহ আছে। মানুহবোৰৰ বৰণ মাগুৰ বৰণীয়া, চালবোৰ প্ৰায় কলা বৰণৰ বুলিবই পাৰি। গাৰ চালবোৰ তাই বিলাকৰ নিচিনা হালধীয়া ৰংচুৱা নহয়। অৱশ্যে মানুহবোৰ পাহুৱাল পাহুৱাল। এনেধৰণৰ মানুহৰ গাঁও কেবাখনো আছে। কিন্তু

তিনিখনমান ডাঙৰ গাঁৱৰ অৱস্থা ভাল।

ছ্যুকাফাৰ মানুহে গৈ এই ধৰণৰ মানুহৰ লগত পূৰ্বতেই কথা বতৰা পাতি ভাব বিনিময় কৰিছেগৈ। আক্ৰমন কৰিবলৈ নাই অহা বুলি জানি মেন সকলে তাই সকলক তেওঁলোকৰ গাঁৱৰ নিৰ্দিষ্ট দূৰত বসতি কৰিবলৈ দিলে। ছ্যুকাফাৰ মানুহক তেওঁলোকে প্ৰথমে সন্দেহ কৰিছিল। কিন্তু কু অভিপ্ৰায় নেদেখি তেওঁলোকৰ পৰা নিলগাই হাবি মোকলাই খেতি কৰিবলৈ অনুমতি দিলে।

মেন সকলে চাৰিখন হাত লগা দেৱতাৰ মূৰ্ত্তি লৈ পূজা পাটল কৰা দেখা গৈছে। তেওঁলোকেও তাই ভাষা কিছু কব পাৰে যদিও তাই সকলৰ দৰে সুন্দৰকৈ কব নোৱাৰে। তেওঁলোকে ম্যুং কুওলৈ গৈ প্ৰায়ে বজাৰ সমাৰ কৰে। তেওঁলোকৰ পৰা ছ্যুকাফাৰ মানুহে শুনিছে তেওঁলোকে বোলে তাই গোষ্ঠীয় লোক নহয়। তেওঁলোকৰ পিতৃ পুৰুষ হেনো সাগৰেদি জাহাজত উঠি আহি নামকিউ (ইৰাৱতী) নৈয়েদি উজাই আহি খক চাং বিং মেন পালেগৈ। চিৰিকেত (শ্ৰীক্ষেত্ৰ) আৰু পা কান (বাগান) বুলি ঠাইত তেওঁলোকৰ পিতৃ পুৰুষ সকল আছিল। তেওঁলোক বোলে ক্লা (হিন্দু)। এওঁলোকৰ থাম মা (ধৰ্ম্ম) আছিল হেন দুঁ (হিন্দু)। তেওঁলোকে চং কিত ভাষাত কথাও ক'ব পাৰিছিল।

মেন সকল চাগে তাহানি খুন লুং খুন লাই পিতৃপুৰুষৰ দিনৰ আমাৰ মানুহে পোৱা মিয়েনদাম সকলৰ লগৰেই মানুহ। তেওঁলোকে চাংঘৰ বনাই নাথাকে। দুই এঘৰহে চাংঘৰ বনোৱা মানুহ আছে। কিছুমান খাং (নগা) মানুহো আহি তেওঁলোকৰ লগত মিলিলে। গাওঁবোৰ ভৰা। কল, কঁঠাল, আম নাৰিকল আদিৰে ভৰা। মানুহবোৰৰ মুখত কিবা বগা খাও পেণ্ডৰ দৰে বস্তু লগাই থোৱা দেখা যায়। বহুতৰ মুখত শুনিছো সেইবোৰ বোলে তান কা (থানাকা)। গছৰ পৰা গুৰি কৰি পিঠা কৰি মুখত লিপি লগাই। ৰদত বোলে মুখত লগালে মুখবোৰ ঠাণ্ডা হৈ থাকে। আমাৰ মানুহেও দুই একে সেইবোৰ খুজি লগাই চাইছে।

দুই এদিনৰ ভিতৰতে মাও তাই ছ্যুকাফাৰ দলৰ মানুহে খক চাং বিং মেন নামৰ ঠাইত খোপনি পুতিলে। মানুহো দুই এক গোট খাই পোন্ধৰ যোল্ল হেজাৰ হ'লগৈ। পিতলৰ ৰঙা চৰু তিনিহেজাৰৰ উপৰিও তেওঁলোকে আহি থাকোতে খুত মিত, বুং কেও, তাও চ্যোও, কাপ প্লাও, কাপ ঙি, দাপ মাও, ৰাই চি এই সাত বছৰে মাটিৰ চৰুও বহুবোৰ বনালে। বিশেষত খাও ন্যেউ ৰান্ধিব পৰাকৈ তলিত ছয় সাতটামান ফুটা কৰা 'ম তং খাও ন্যেউ' (চেৰা ভাত বনোৱা চৰু) বহুবোৰ বনালে। বাটত আৰু পিতলৰ চৰু দুটামানো গোটালে। যি ঠাইত থাকে প্ৰয়োজনমতে মাটিৰ চৰু বনাই লোৱা হয়। এনে কুমাৰ মানুহ ছ্যুকাফাৰ দলত বিশটামান পৰিয়াল আহিছে। তেওঁলোকে লাও খাও (ভাতৰ

হাঁজ-সাঁজ) বনাবলৈ দুই তিনি হতীয়া ডাঙৰ ম খাও বনাইছে। মখাও বোৰ তেওঁলোকে লগত কঢ়িয়াই অনা নাই। য'তে থাকে তাতে ওচৰৰ গাঁৱৰ অন্য মানুহক দি আহিছে। ম খাওবোৰত কেনেকৈ লাও থব লাগে তাক তাই সকলে শিকাই দিয়ে।

খক চাং বিং মেনত অধিক মানুহ গোট খোৱাৰ বাবে চৰু হাৰি বেচিকৈ প্ৰয়োজন হ'ল। বস্তু বোৰ কঢ়িয়াই নিবলৈও অধিক ঘোঁৰা আৰু হাতীৰ প্ৰয়োজন হৈছে। তদুপৰি গৰুবোৰ লৈ যাবলৈও পঘাঁৰ প্ৰয়োজন হৈছে। আনহাতে হাঁহ কুকুৰা বোৰ কঢ়িয়াবলৈও ডাঙৰ ডাঙৰ বেঁতৰ সজা বনোৱাৰ প্ৰয়োজন হৈছে। থাও ম্যুং কান ভনৰ নেতৃত্বত এখন সভা বহোৱা হ'ল। তাতেই সকলো ফুকিন ম্যুং, থাও ম্যুং, লান তাই ম্যুং আদি মূৰব্বী সকলক এই কামবোৰ তদাৰক কৰিবলৈ ভগাই দিয়া হ'ল। সেই মতে বিভিন্ন প্ৰাই বা পাই সকলে ক' ক' ম্যিং মিলি কৰ্মত ৰত হ'ল। ভিন্ন কৰ্মত ৰাপ থকা সকলে ভিন্ন কৰ্মত নিজকে নিয়োজিত কৰি ল'লে।

খক চাং বিং মেনত হাতী ধৰা ঠাই আছে বুলি ছ্যুকাফাৰ মানুহে জানিব পাৰি হাতী ধৰা মানুহক ছ্যুকাফাই হাতী ধৰিবলৈ পঠালে। মেন সকলৰ দহজনমান মানুহকো ছ্যুকাফাই নিয়োজিত কৰিলে। খক চাং বিং মেনতো পাচখন মানতাই গাওঁ বান তাই মাও পূৰ্বৰ পৰাই আছিল। সেইবোৰ হ'ল বান কাপ, বান তৌ, বান চৌ খাম, বান নাই প্ৰং, বান নাম চাই, মান ম আদি। এওঁলোকৰ সকলোৱে তাই ভাষাৰে কথা বতৰা কয়। ওচৰৰ পাহাৰত চিংফৌ কাং গাঁৱো পাচখন মান আছে। তেওঁলেকেও অৱশ্যে তাই ভাষা কিছু কব পাৰে। আৰু তাই লোক সকলেও কিছু চিংফৌ ভাষাত কথা কব পাৰে। পূৰ্বৰ পৰাই বোলে সেই তাই গাওঁবোৰ তাত বহিছিল। কথা বতৰা পাতি ছ্যুকাফাৰ মানুহে গম পালে তেওঁলোকে বোলে খুন লুং চ্যেও অহাৰ পূৰ্বেই খুন লুঙৰ বিজয় অভিযানত আহি এইখিনি পালেহি। তেওঁলোকক তাত ফু কিন ম্যুং ফুকিন বান পাতি থৈ গৈছিল। কিন্তু তেওঁলোকে সম্পূৰ্ণকৈ তাই প্ৰশাসন তাত প্ৰচলন কৰি ৰাখিব নোৱাৰিছিল, তথাপিও তেওঁলোকে নিজা তাই ভাষা সংস্কৃতিৰ সোঁত আজিও বিয়পাই ৰাখিছে। তাতে দুই এক খাং গাঁৱো আছে। এওঁলোকে নিজক আংকামী, ল'ও থা, কন জাক বুলিও কেৱা শুনিছে ছ্যুকাফাৰ মানুহে।

খক চাং বিং মেনৰ তাই গাঁৱৰ মাজত এজন ম লিকৰ সন্ধান পালে ছ্যুকাফাৰ মানুহে। ছ্যুকাফাৰ মানুহক তেওঁলোকে আদৰণি জনালে। লগতে ছ্যুকাফাৰ অভিযানত তেওঁলোকৰো প্ৰতি ঘৰৰ একোজনকৈ ডেকা লৰা যোগ দিব বুলিও ঘোষণা কৰিলে। সকলো খবৰ ছ্যুকাফাক জনোৱা হ'ল। ছ্যুকাফাই নিজেও তাই গাওঁকিখন ভ্ৰমন কৰিলেগৈ। সকলো তাই মানুহে ছ্যুকাফাকেই নিজৰ চাওফা মানি সেৱা ক্ৰুপ বাই জনালে আৰু

সকলোৱে যি পাৰে উপহাৰ প্ৰদান কৰিলে।

দুই এদিনতে খক চাং ৱিং মেনৰ অন্য জাতচৰ দুই এক গোষ্ঠীৰ গাঁৱতো ছ্যুকাফাৰ আগমনৰ বাতৰি ৰাষ্ট্ৰ হৈ পৰিল। তেওঁলোকো আহি না না উপহাৰ দি চাও লুঙ ছ্যুকাফাক ৱৰিলেহি।

দুই তিনি মাহতে চাও লুঙ ছ্যুকাফাৰ বিষয়ে চাৰিওফালে বৈ বৈ গ'ল। খক চাং ৱিং মেনত পুনৰ পশ্চিমলৈ অভিযান চলোৱাৰ বাবে পূৰ্ণ প্ৰস্তুতি চলোৱাৰ বাবে ছ্যুকাফাৰ যথেষ্ট সুচল হ'ল।

বান থাও খেন পুং। খক চাং ৱিং মেনৰ বান ম'ৰ এজন ম লিক। তেওঁৰ ঘৰত তাই ভাষাৰ পুথিও আছে। ছ্যুকাফা তেওঁলোকৰ গাঁৱলৈ অহা চলিত তাও চিঙাৰ হা চিপ চি লাকনি পি অৰ্থাৎ ৫৪ টা লাকনি বছৰ পাৰ হৈছে। তাৰো দুটা তাও চিঙাৰ পূৰ্বে অৰ্থাৎ ছ্যুকাফাৰ আগমনৰ ১৭৪ বছৰৰ পূৰ্বে তেওঁলোকৰ গাঁৱলৈ ম্যুং মাওৰ পৰা এজন তাই ৰাজকোঁৱৰ আহিছিল। তেওঁৰ লগত উত্তৰৰ তা লিৰ ম্যুং ছে ৰাজ্যৰ পৰা এজন তাই ৰাজকোঁৱৰো আহিছিল। তেতিয়াই কিছুমান তুন নাম ছ্যং সাঁচী গছৰ পাতত লিখা কিতাপ আৰু তুন চে গছৰ বাকলিৰ আঁহৰ পৰা বনোৱা কাগজত লিখা কিছু তাই পুথি আনি গাৱঁত দি গৈছিলহি। তেওঁলোকে অধিক পশ্চিমলৈ নগৈ উত্তৰৰ পু তাওলৈ পাহাৰে পাহাৰে গ'লগৈ বুলি শুনিছিল মলিকৰ গাঁৱত। তেওঁলোকৰ কোনো তিৱত লোকৰ খা হ'ব লগা হ'ল-অৰ্থাৎ বন্দী হ'ল। মলিকে ওইবোৰ কথা জানে। মলিক বান থাও বান পুঙে ছ্যুকাফাৰ ওচৰলৈ দেখা কৰিবলৈ আহিল। দুই এক আঁতৰি আহি পুতাওত থাকিলেহি।

ম' লিক বান থাও খেন পুঙক চাও লুং ছ্যুকাফাই আদৰনি জনালে। ৰাজ হ'লুঙৰ মি চাঙৰ তুপৰ তলতে বহিবলৈ দিলে। তেওঁলোকৰ মাজত এখন মেল বহিল। লাও খাও নেউ বান অৰ্থাৎ চেৱা দিয়া কৰা ভাতৰ মিঠা লাও পানী পৰিবেশন কৰা হ'ল। ডিঙি লগা বান অৰ্থৎ বান বাতি আৰু ডাঙৰ ডাঙৰ ফুনত নু হু সজাই দি পৰিবেশন কৰা হ'ল।

ম' লিকে ম' খামৰ মাজেদি অৰ্থাৎ সুৰ লগাই পুথিবোৰ পঢ়ি পঢ়ি চাও লুং ছ্যুকাফা আৰু থাও ম্যুং, ফু কিন ম্যুং, আদি কুন ফু সকলক জীম মৌ কালৰ কথাবোৰ শুনালে। তেওঁলোকে দুখনমান খে ভাষাৰো ছবিলগা পুথি দেখালে। ম' লিকে খে চিন ভাষাও পঢ়িব পাৰে।

ম্যুং ছে তা লি অঞ্চলৰ এখন তাই দেশ। মাও তাই সকলো ম্যুং ছেৰ পিনং বংশধৰ। পি ল' ক' আছিল ম্যুং ছেৰ ৰজা। এজন শক্তিশালী ৰজা। তেওঁক ম্যুং ছে 'চাও' বুলি জনা হৈছিল। বিশেষত তেওঁক চাও মেং বুলি চীনা খে সকলে কৈছিল, কিন্তু তাই সকলে 'চাও ম্যুং' অৰ্থাৎ দেশৰ গৰাকী ৰজা বুলি কৈছিল। চাও ম্যুং পি ল' ক'ই তা লি

অঞ্চলৰ ৬ খন সৰু সৰু ম্যুং (ৰাজ্য) গোট খুৱাই এক শক্তিশালী তাই দেশ গঠন কৰিছিল। অৱশ্যে সেই ৰাজ্যত বহু অনা জাতিৰো মানুহ আছিল। সেই সময়কাল আছিল আঠটা তাও চিঙাৰ আগৰ। অৰ্থাৎ আজিৰ পৰা আঠ তাও চিঙাৰ পূৰ্বৰ সময়কাল প্ৰায় হা পাক পাচ শ পি লাকনি বছৰৰ পূৰ্বৰ। পিল' ক'ৰ গাত বোলে তাই আৰু ল' ল' জাতিৰ তেজ মিহলি আছিল। এওঁ খেৰ দৰে পোচাক পিন্ধিছিল। চীন ৰীতিত দেশৰ শাসনো চলাইছিল। অৱশ্যে বাঘ তেওঁলোকৰ ৰাজচিহ্ন আছিল।

সুধী সকল, মোৰ অতি চেনেহৰ বঙহৰ পি নং তাই সকল, শুনক, সেইবোৰ অতীত কথা। সোণৰ নিচিনা মূল্যবান কথা। সোণো হেৰাই গ'লে পুনৰ পাব পাৰি। কথা হেৰাই গ'লে ঘুৰাই পাব নোৱাৰি।

চাও ম্যুং পি ল' ক' ক চীনা খে সকলে য়ুন নানৰ চাও বুলি ঘোষণা কৰিছিল। য়ুন নান খে শব্দ। য়ুন মানে মেঘ, নান মানে দক্ষিন অৰ্থাৎ দক্ষিনৰ মেঘে ঢকা ঠাই। বৰষুণ আৰু মেঘ অনবৰতেই থাকে ম্যুং চে আৰু তাৰ ওচৰৰ অনান্য ঠাই সমূহত। সেই সময়তেই খে সকলে আমাৰ মানুহবোৰক বৰকৈ সন্দেহ কৰিছিল। তেওঁলোকে প্ৰায় চাৰিবাৰ আক্ৰমনো কৰিছিল। কিন্তু প্ৰতিবাৰেই ম্যুং ছেৰ চাও ম্যুং পি ল' ক'ৰ পুত্ৰ সেনাপতি কুলু ফেঙে খে সকলৰ আক্ৰমন উফৰাই পঠাইছিল। খে সকলে ম্যুং ছেক মেং ছে বা মেং জে বুলিছিল। আৰু সমগ্ৰ ঠাই খনক নান চাও' সকল অৰ্থাৎ ৰাজকুমাৰ সকল খে ৰাজ্যৰ দক্ষিনত আছিল। সেয়ে দক্ষিনৰ চাও বা নান চাও দেশ বুলিয়েই সমগ্ৰ দেশ খনক জনা হৈছিল। আমাৰ পুলিন পুথাও চাও সকলে তালিৰ বু ম্যুঙৰ অৰ্থাৎ উত্তৰৰ ফালে থকা ছে জু ৱান ৰাজ্যও অধীনলৈ আনিছিল। আনিবৰে কথা। কিয়নো তাতোতকৈ পূৰ্বতেই ছেৃ জুৱানৰ বিভিন্ন অঞ্চলত নদীৰ সমতল ভূমিত আমাৰ পিনং পুলিন পুথাও সকল বসবাস কৰিছিল। তাত ধান খেতি কৰিছিল। মে নদী নং হ্ৰদ বিলাকত মাছ ধৰিছিল। লান লান পেত লক্ষ লক্ষ হাঁহ পুহি জয় জয় ময় ময় হৈ বসতি কৰিছিল। আজিও সেইবোৰ ঠাইত বোলে আমাৰ অতীত চিহ্ন পৰি আছে। আমাৰ মানুহে পূৰ্বতে ম্যুং ছেৰ ওপৰৰ চীনাসকলে ছেৃ জুৱান বুলি কোৱা মক দন কুঁৱলীৰে ঢকা ওখ সমতল দেশ খনকে ম্যুং ফী বুলি কৈছিল। ইমান সুন্দৰ মনোমোহা ঠাই যে তেনে ঠাই ফী দেৱতা সকলৰহে বসতি হ'ব পাৰে। আমাৰ পুলিন পুথাও পুমন সকল দেৱতাৰে অংগ।

এনে অঞ্চলৰ পৰাই আহিছিল এজন ৰাজকুমাৰ। অৱশ্যে তাৰো পাচত দুই এক মানুহ সেই অঞ্চলৰ পৰা আহি এই ফালেদি বৈ চালী লুঙৰ ফালেও গৈছে বুলি আমাৰ মানুহে শুনিছে। বৈ চালী লুঙত বোলে পু থা চি কি যা ফ্ৰাৰ (বুদ্ধ শাক্যৰ) জন্ম। কোনোৱে নান চাওক বিদেহ বা মি থিলাও বোলে।

মলিক জনে ছুকাফাক তাই ভাষাত লিখা কাই চেং মংগল চোৱা পুথি আৰু দিশ নিৰ্ণয় কৰা এখন পুথিও দেখালে। অৱশ্যে ছুকাফাৰ লগত ম লুং ম হুং চাংবুন ম প্লং সকলে এনে দুক কাই ছেং মংগল চোৱা পুথি ম্যুং মাওৰ পৰা লগত লৈ আহিছে। ছুকাফাই দেখি আচৰিত হ'ল যে ইমানদিনৰ পূৰ্বতেও এনে ধৰনৰ তাই ভাষাৰ পুথি এই সৰু সৰু তাই গাওঁ কিখনত জমা হৈ আছে। আখৰবোৰ ছুকাফাৰ পুথিৰ আখৰতকৈ অলপ বেলেগ আকৃতিৰ। কিন্তু একেই আখৰ। কা খা না তা পা। কিন্তু তাই মাও সকলৰ আখৰতকৈ এই আখৰবোৰ কিছু দীঘলীয়া। অৱশ্যে মাও আখৰো দীঘলীয়া চুকীয়া।

এনে সময়তেই ম্যুং বৈ ছালী ছালৈ চীনা ভাষা, আৰু অন্য এক ধৰনৰ ভাষা জনা মানুহ, কিছুমানে ল' ল' ভাষা বুলি কয় আৰু তাই ভাষা জনা মানুহ এইফালেদিয়েই পাৰ হৈ গৈছিল। তেওঁলোকে ঘোঁৰা গাড়ী, হাতী, গাড়ী চলিব পৰা ৰাস্তাও নিৰ্মাণ কৰিছিল। তেওঁলোকে আমাৰ নামনিত থকা প্যু লোক সকলৰ মাজতো সুমাইছিলহি। মেন লোক সকল এই তাহানিৰ প্যু সকলৰ এটা থাল। অৱশ্যে আংকামী আদি খাওো মিহলি হয়।

আমাৰ পুথাও সকলে আমাক মাজে মাজে অৱশ্যে কৈছিল 'বোপাই লানহঁত, পিল' ক' আমাৰ বংশধৰ নহয়। ম্যুং ছেত থকা আমাৰ পিনং তাই সকলক পি ল'কৰ সৈন্যই বলপূৰ্বক সৈন্যদলত ভৰাই আমাৰ তাই দেশবোৰকে ধ্বংশ কৰি অধিকাৰ কৰি ফুৰিছিল বোলে। ম্যুং ছেৰ চাৰিও ফালে থকা ল' ল' বিলাকে প্ৰায় অধিকাৰ কৰিছিল। সিঁহতে খা মেন দাম সকলকো বোলে আক্ৰমন কৰি ধ্বংশ কৰিছিল। তেওঁলোকে বোলে চীনা শব্দ, তাই শব্দ আৰু তেওঁলোকৰ ল' ল' ভাষা মিলাই প্ৰশাসনীয় শব্দবোৰ বনাইছিল। তেওঁলোকে আমাৰ তাই ৰজা সকলৰ পৰাই বিশেষকৈ ম্যুং ফীৰ তাই স্বৰ্গদেও সকলৰ পৰা ৰাজ্য শাসন কৰা নিয়মাৱলী নীতি নিয়ম পদ্ধতি আমদানি কৰি ললে। আমাৰ বোপা ককাৰ নীতি নিয়ম লৈ তেওঁলোকে নিজৰ শাসন চলাইছিল। আমাৰ সাহসী শক্তিশালী বলৱন্ত লোকবোৰকে লৈ তেওঁলোকে সেনাপতি পাতিছিল। আৰু নিজকে তাই সকলৰ মানুহ বুলি চিনাকি দিছিল আৰু তাই নিয়মো কিছু মানিছিল।

অনৰ্গল বুৰঞ্জীৰ কাহিনীবোৰ কৈ গ'ল মলিকে। ছুকাফাই তন্ময়হৈ শুনি আছিল। এৰা দেশ চলাবলৈ শাসন চলাবলৈ পুৰনিকালৰ কথাবোৰ জানিব লাগিব।

ছুকাফাই ম' লিক থাওবান খেন পুঙৰ কথাখিনি শুনি নিজৰো এক বিশেষ অনুভৱ হ'ল। তেওঁৰ লগত অহা চিৰিংসকলক আৰু ম' লিক ম লাই সকলক তেওঁলোকৰ লগত থকা যিমানবোৰ অতীত কথা লিখা পুথি আছিল সকলোবোৰ পুনৰ নতুনকৈ দহ বাৰ খনকৈ লিখিবৰ বাবে নিৰ্দ্দেশ দিলে। তদুপৰি প্ৰতি পৰিয়ালে অন্ততঃ বছৰত এখনকৈ তেনে বুৰঞ্জী পুথি লিখি ৰাজ পুথি ভঁৰালত জমা কৰিব লাগিব। আৰু প্ৰতিজন বুৰঞ্জীবিদে

আৰু ম' লিক ম' লাইএ এই বুৰঞ্জীবোৰ সৰ্বদাই লিখিবলৈ ছুকাফাই মনত পেলাই দিলে।

এই উদ্দেশ্য খক চাং বিং মেনৰ হাবিত সাঁচীপাত গছ বিচাৰি উলিয়াই বহুবোৰ পাত উলিয়ালে তদুপৰি তুন চে গছৰ বাকলি উলিয়াই কাগজো প্ৰস্তুত কৰিলে। তদুপৰি লগৰ সকলো মানুহকে তাই আখৰ লিখিবলৈ শিকিবলৈ পৰামৰ্শ দিলে। প্ৰতি গাঁৱে গাঁৱে তিনি চাৰি খনকৈ তাই ভাষাৰে চন খাম তাই' শিকাৰ বৌন চন লিক বা বিদ্যালয় প্ৰতিষ্ঠা কৰিলে। সকলোৱে গধূলী ম' লিক সকলৰ চোতালত মুকলিত বহি তাই ভাষা লিখিবলৈ শিকিব। প্ৰথমে মাটিত আঁকি তাৰ পাচত কল পাতত জোঙা মাৰিয়ে খোচ মাৰি বা আঙুলিৰে হেঁচা মাৰি, যেতিয়া পাৰ্গত হ'ব সকলোৱে কাগজত, কাপোৰত , কাঠৰ পাতত লো তামৰ গাত লিখিব লাগিব।

ছুকাফাই আৰু পৰামৰ্শ দিলে যে যেয়ে যাকে লগ পাই সৰ্ব্বসাধাৰণতেই 'ক' (বন্ধু) বুলি সম্বোধন কৰিব। "আমি সকলোৱে একোজন ক, আমাৰ ফান তাই সুৰক্ষা আৰু অভিযানত সকলোৱে সমান অংশীদাৰ হ'ব লাগিব।"

খক চাং বিং মেনত মেন সকলৰ সহায় লৈ হাতীও ধৰিলে দুটা। ফ্রং পিমৰ নেতৃত্বত মেনসকলৰ সহযোগত হাতী দুটা শিকোৱা বুজোৱা হ'ল। মেন সকলৰ আৰু তাই সকলৰ প্ৰায় ত্ৰিশটামান ঘোঁৰাৰো যোগাৰ কৰা হ'ল। ঘোঁৰা কিটাৰ লগত দুজনমান মেন, দহজনমান তাই আৰু পাচজনমান চিংফৌ লোকো দলভুক্ত হ'ল। তেওঁলোকে স্বেচ্ছাই যাবলৈ ওলাল। তেওঁলোক আটাইকেউজনে তাই ভাষা ক'বলৈ জানে। সেয়ে তেওঁলোকৰ কোনো অসুবিধা নহ'ব। তদুপৰি চিংফৌ দুজনমানে তাই ছোৱালীও বিয়া কৰাইছে। চিংফৌ ভাষাও ক'ব পাৰে আটায়ে।

চিংফৌ মানুহকিজনৰ লগত তেওঁলোকৰ গাঁৱৰ ওচৰত বাস কৰা খুমং দুজনমানো ওলাল। খুমং আৰু চিংফৌ একে জাতৰ মানুহ। ছুকাফাৰ মানুহ বিলাকে চিংফৌ আৰু খুমং সকলক 'কং' মানুহ বুলিয়েই কয়। কেতিয়াবা আকৌ চিংফলা ৰিং গাম বুলিও কয়। তাই ভাষাত কং মানেই চিংফৌ। অৱশ্যে খেসকলে অৰ্থাৎ চীনাসকলে তেওঁলোকক ' য়ে য়েন' বুলি কয়। চিংফৌ বা চিং প' শব্দটোৰ অৰ্থই হৈছে মানুহ। চিংফৌ কিজনৰ উপাধিবোৰ আছিল মৰিপৰা, কুমগা, ম' কাম, লৰিং, মৰানৰা আৰু মৰান -।

বিশেষত ছুকাফাৰ দলে লগ পাইছিল লেপই চিংফৌ সকলক। খক চাং বিং মেনত দুই এঘৰ লেপই চিংফৌ আছিল। মৰি পৰা নামৰ চিংফৌ জনে তেওঁলোকৰ লগৰ মানুহবোৰ কৃত ক'ত আছিল কিছুকথা ছুকাফাক জনাইছিল। মৰানজাত চিংফৌ তাই মিশ্ৰিত মানুহ ছুকাফাৰ বংশৰে ৰাজ্যতেই আছিল। তাক শ্বেন বিশিপ' বুলিও কোৱা হয়।

হুকং উপত্যকাৰ ম্যুং ৰুং অঞ্চলৰ উত্তৰ আৰু উত্তৰ পূবে থকা শ্বেদওং গ্যী

পৰ্বত, নাম কিউ (ইৰাবতী) নদীৰ ওপৰৰ অঞ্চল মিত কিনা আৰু প'ন কন পৰ্বতৰ ওপৰত তেওঁলোক বসবাস কৰে। লে পই চিংফৌৰ ফৈদবোৰ হৈছে থম, কওৰি, চম্পৰং, ছজি, বা অচি বা ইথি, চম খ, লচ্চ, ৰবং, হপুন কান, ছদন, ছিংমা, লখুম, পৰন হকুন বু, ক্ৰওন, কৰ, তিনছা, মংছি।

এইদৰে ছুকাফাৰ দলো ডাঙৰ হ'ব ধৰিলে।

নাম কিউৰ বুকুৰেদি

ম্যুং চেও আৰু প্ৰেক চিঙা পাৰ হ'ল। দুবছৰ অতিবাহিত হ'ল। ছুকাফাৰ মানুহ গৈ পশ্চিমৰ সকলো ঠাই পিতপিতাই ফুৰিছিল। নাম কিউ নৈ পাৰ হৈ বহু মানুহে ঠাইবোৰ ভ্ৰমিছিল। সুচৰ্ল ঠাই বিচাৰি ভাগে ভাগে মানুহ গৈছিল। লে পই চিংফৌ তাই, খামুং আৰু মেন বাসিন্দা সকলেও তেওঁলোকক ঠাই বিচৰাত সহায় কৰিছিল। এহেজাৰ নহয়, দুহেজাৰ নহয়, পোন্ধৰ হেজাৰ মানুহ। যুদ্ধৰে বিজয় কৰি ধ্বংস কৰিবলৈ অহা নাই তেওঁলোকে। মাটি খোলি হাবি কাটি মাটি চহাই খেতি কৰি খাবলৈ বিচাৰিছে। তদুপৰি তেওঁলোকৰ লক্ষ্যস্থান দয় কাও ৰং দয় খামৰ সিপাৰলৈ। যুদ্ধাৰূৰ দৰে ধ্বংস লীলাৰে মানুহক বশ্যতা স্বীকাৰ কৰাই ধন ধান লুটি পাৰ হব বিচৰা নাই এই তাই সকলে। আহিছে ম্যুং মাওৰ পৰা ম্যুং পাকামলৈ বাট মোকলাবলৈ, ম্যুং পাকামত মাটি খাবলৈ, তাতে মৰিবলৈ সজিবলৈ। ঘুৰি আহিবলৈ নহয়।

মেন সকলৰ নাম কিউ ঘাটেদি এদল দুদলকৈ মানুহ পাৰ হ'ল। তাৰ বাবে নাবোঁ বনালে বিশখনমান। দুখন দুখনকৈ বান্ধি কেবাখনো মাৰ নাও কৰিলে। তদুপৰি মেনসকলৰ নাবোঁৰেও পাৰ হ'ল।

কাত মুত আৰু খুত চানদুটা বছৰ। সময়ে সময়ে গোট গোট হৈ মানুহ পাৰ হৈ আছে। লাহে লাহে তেওঁলোক আগবাঢ়ি গৈ চাক চং খাই অঞ্চল পালেগৈ। অৱশ্যে সকলো মানুহ পাৰ হৈ শেষ নোহোৱালৈকে বিং মেন ঘাটতে কাত মুত আৰু খুত চান দুয়ো বছৰ প্ৰায় পঞ্চাশ জনমানকৈ থাব শুব পৰা এশটামান অস্থায়ী শিবিৰ নিৰ্মাণ কৰিলে। ইয়াৰ বাবে মেনসকলক তেওঁলোকে কিছু সোণৰ মোহৰো দিছে। মেনসকলৰ সকলোৱে তাই সকলক ভাল নাপালেও উপায় নাছিল। তাই সকলৰ মানুহৰ সংখ্যা সৰহ। তাতে

তেওঁলোকৰ প্ৰত্যেকটো অস্ত্ৰ শস্ত্ৰৰে সুসৰ্জ্জিত। হাবিয়ে বননিয়ে ঘুৰোঁতেও মিত আৰু দাপৰ উপৰিও সৰু সৰু হিঁলৈ পিঠিত বান্ধি লৈ ফুৰে। শিবিৰৰ চাৰিওফালে এনেদৰে হিঁলৈ লোৱা মানুহ দিনে নিশাই তহল দি থাকে। খাদ্য শস্যৰ বস্ত্ৰ অলংকাৰৰ ভঁৰাল, ৰজাৰ ৰাজঘৰৰ চাৰিওফালে অস্ত্ৰ শস্ত্ৰ থকা সুসৰ্জ্জিত মানুহ।

মেনসকলে দেখিছে যে তাই মানুহবোৰৰ মূৰত বগা ৰঙা পাগুৰী ফাচৌ। কিছুমানে অবশ্যে ফা ৰু বা ফা হু বুলিও কোৱা শুনিছে। গাত চাপকন জাতীয় চোলা। বুকুত কাঠৰ বুটাম। চোলাবোৰ কলা বৰণৰ। গাত কঁকালত ওলমাই পিন্ধে ভৰিৰ আঠুৰ তললৈ, কিছুমান ককাললৈ পৰা কলা চোলা আৰু গাঠিৰ পৰা কিছু ওপৰত থকা পত লুং। তাৰ ৰঙো সাধাৰনতেই কলা। মানুহবোৰ লঠঙা পঠঙা, লোদোৰ পোদোৰ পাহুৱাল। গাৰ বৰণ বগা হালধীয়া। এনেবোৰ মানুহে যুদ্ধ কৰাত নিশ্চয় অতিকে পাকৈত হ'ব। মাইকীবোৰৰ গাত মেখেলা, চাদৰ হাত দীঘল কঁকাল ঢকা চোলা। মূৰতো পাগুৰী। বগা চাদৰৰ পাগুৰী। কিছুমানে চুলিবোৰ মূৰৰ ওপৰলৈ জোঙা কৰি খোপা বান্ধে। খোপাত আকৌ কিছুমান মাৰি গুজি থোৱা হৈছে। মাজে মাজে ফনীও এখন দুখন মূৰত মাৰে। একোজনী মানুহে সোনৰ দৰে জিলিকা কাপোৰ পিন্ধে। কিছুমানে ৰিহাও পিন্ধে, কিছুমানে কেৱল চাদৰ বুকুত মেৰিয়াই লয়। বেচি গৰমত চোলা নিপিন্ধে।

মেন সকলে মিছাতে এনে মানুহক জোকাই লৈ কোনো বাঁহত হাত দিয়া নাছিল। তাতোতকৈ মানুহবোৰক এইবাটেৰে পশ্চিমলৈ যাবলৈ দিয়াই ভাল বুলি বুজিছিল। মানুহ বোৰেও যুদ্ধ কৰাৰ মন নাই। লাহে লাহে যাবহে খোজে। তেওঁলোকে ক'লৈ যাব লাগে জানে। গোটেই মখা মানুহ যাব লাগে বাবে খেতি খোলা কৰি লাহে লাহেই যাব ধৰিছে। মেনৰ দুই একে আপত্তি কৰিলেও যুদ্ধ নহ'ল।

দুবছৰৰ ভিতৰত সম্পুনকৈ ঘাটটো পাৰ হ'ল। খুত চান বছৰৰ শেষৰ ফালে ধান খেতি উঠাৰ পাচত 'আই জং লাও' উৎসৱ পাতিহে 'খুন খাও' কৰি চাও লুং ছ্যুকাফা নাম কিউ পাৰ হৈছে। নাম কিউৰ পাৰৰ পৰা খাম ক মুঙৰ পিঠিত উঠি সম্পূৰ্ন এদিনৰ বাট গৈ ফাই খাম' অৰ্থাৎ গধূলী গধূলী চাক চাং খাই পালেগৈ। পূৰ্বৰ দৰে চাক চাং খাইতো এটা ৰাজহলুং নিৰ্মান কৰি থোৱা হৈছিল। ডাঙৰ ডাঙৰ পোন নাহৰ কাঠ পোৱাৰ বাবে এইবাৰ তিনিখলপীয়া চাঙৰ হলুং নিৰ্মান কৰা হ'ল। চাংবোৰ অবশ্যে বাঁহৰ। ঢেকিয়ালতি আৰু বাঁহেৰে অতি মজবুটকৈ বন্ধা হৈছে।

বাকী থাকি অহা মানুহবোৰ ৰুং ৰাও আৰু তাও মিত বছৰত ভিতৰত আহি চাক চাং খাইত ছ্যুকাফাৰ দলত লগ হলহি। ধান মাহ সৰিয়হ এইবিলাক সকলোবোৰ কঢ়িয়াই আনোতে কিছু অধিক সময় লাগিল। এইবাৰ বয় বস্তু কঢ়িয়াবলৈ কাঠৰ কিছুমান ঘোঁৰা

গাড়ীও আৰু মহৰ গাড়ীও নিৰ্মান কৰি লৈছিল। চাক খাং লৈ তেওঁলোকে খক চাং বিন মেনৰ সকলোবোৰ নাঙল যুঁৱলিও কাঢ়িয়াই নিলে। তদুপৰি শিপিনী সকলৰো সকলোবোৰ তাঁত শালো কাঢ়িয়াই নিলে। অৱশ্যে চাক চাং খাইলৈ সম্পূৰ্ণৰূপে উঠি যোৱাৰ পূৰ্বে খক চাং বিং মেনত তেওঁলোকৰ মাজৰে পূৰ্বতে থকা বান থাও খেন পুঙক অঞ্চলটো পৰিচালনা কৰিবলৈ এজন ফুকিন ম্যুং (বা ৰাজখোৱা) হিচাবে নিযুক্তি দি গ'ল। তাই প্ৰথামতে ফুকিন ম্যুঙৰ অধীনত বু ৰিং (হাজৰীকা, অৰ্থাৎ হাজাৰৰ মুৰব্বী) আদি নিযুক্তি দিলে। তদুপৰি মেন, চিংফৌ, লেপই চিংফৌ আদি সকলৰো একোজনকৈ বু পাক নিযুক্তি দি গ'ল। এওঁলোকে ছুকাফাক কৰ কাটল নিদিলেও হ'ব, কিন্তু মানুহ অহা যোৱা কৰিলে বাটত থাকিবলৈ দিব, সুৰক্ষা দিব আৰু মাজে সময়ে ছুকাফাৰ ভবিষ্যতৰ ৰাজ্যৰ লগত যোগাযোগ ৰাখিব লাগিব। কাগজ পত্ৰত লিখি এই চুক্তি সাক্ষৰিত কৰা হ'ল। দুই এঠাইত শিলতো আখৰ কাটি লিখা হ'ল।

বান চক চাং খাই

বুং ৰাও আৰু তাও মিত। দুটা বছৰ। তদুপৰি পূৰ্বৰ ম্যুং চেও আৰু প্লেক চিঙা বছৰ দুটাতো চক চাং খাই গাঁৱত ছুকাফাৰ মানুহ আহি ঘৰ বাৰী বনাই খেতি কৰিছিলহি। এই চাৰিবছৰত ছুকাফাৰ দলে বহু ধান মাহ সৰিয়হ, তিল, উৎপাদন কৰিলে। মাছ মাৰিও বহু শুকুৱাই ললে। তদুপৰি হিলৈ বিলাকৰ বাবে ক্ষাৰ যাথষ্ঠ পৰিমানে গোটালে। কং লুং বৰ হিলৈবোৰৰ বাবেও বহু শিলৰ গুলী প্ৰস্তুত কৰিলে। তদুপৰি কাড়ী পাই সকলে লাখৰো অধিক কাড় প্ৰস্তুত কৰিলে। ধেনু, মাটিৰ বাটলু গুটি, কাড় ফাই ধেনু, পটিং, পঁছা, জাঠি, জোং আৰু পাঁচ হেজাৰৰো অধিক তৰোৱাল হেংদাং প্ৰস্তুত কৰিলে।

ছুকাফাৰ দলে অনুভৱ কৰিছে হয়তু হথাত কেতিয়াবা যুদ্ধও দিব লগা হ'ব পাৰে। এই যুদ্ধত পৰাজয় মানেই মৃত্যু। অত'খন মানুহৰ কি হ'ব। ম্যুং মাওলৈ ঘুৰি যোঁৱাৰো লাজৰ কথা হ'ব। নাক কান কটা যাব। যুদ্ধ হ'লে জয়ী হ'বই লাগিব, পৰাজয় হবই নোৱাৰে। আমি আগবাঢ়িবই লাগিব। এয়ে পণ। তদুপৰি দীঘল নাল, চুটি নালৰ হিলৈও প্ৰস্তুত কৰিলে। কিছু মান বিহ কাড়ো প্ৰস্তুত কৰিলে।

প্ৰায় চাৰি বছৰ কালেই চক চাং খাইত বসতি স্থাপন কৰা হ'ল। এই সময়তেই

চাইজতছেং নামৰ এজন চোৰাং চোবাৰ অধীনত দহজনমান চোৰাংচোবাই চিংফৌ, মৰান, নগা মিচিমিৰ বেশ ধৰি প্ৰায় এবছৰৰ মূৰত সকলো খা খবৰ ছুকাফাক যোগালেহি। আটাই কেউজনে নগা, মিচিমি, চিংফৌ আৰু মৰান চিংফৌৰ কথা ভালদৰে ক'ব জানে। এই উদ্দেশ্যই এওঁলোকে এই ভাষাবোৰ ম্যুং মিতত শিকি লৈছিল আৰু তেওঁলোকৰ আদব কায়দাবোৰো শিকি বুজি লৈছিল।

তদুপৰি চাই লত থাও মুঙে মান তিন, মেং বিন, কন তেক চিৰিং, ফালুং ফুকন আদিকৰি সাতজনমানে নাম তিলাওৰ পাৰৰ মানুহবোৰো অধ্যয়ন কৰি গ'লহি। তেওঁলোকে আহি তিপামতো কিছুদিন থাকি গ'লহি। তেওঁলোকৰ মতে ম্যুং তিপামৰ বহু তাই মানুহে তাই শব্দ মিহলি কৰি কিছুমান চং কিত শব্দ ক'ব জানে। সিঁহতে নিজেও কিছু চং কিত শব্দ বাক্য শিকি গ'ল, যাতে পাছত তেওঁলোকে স্থানীয় মানুহৰ লগত ভাব বিনিময় কৰিব পাৰে। তেওলোকে ছুকাফাক আৰু জনালে যে খুন চাম লুং নামৰ এজন মাও সেনাপতিয়ে বোলে এই অঞ্চলবোৰ জয় কৰি কৰতলীয়া কৰিছে। তেওঁ বৰ্তমান আৰু ভাটিৰ ফালে গৈছে।

বান চেও বাৰে ছু কাফাৰ ৰাজসভাৰ ৰাজসভাত থাওম্যুংসকল, লান তাই ম্যুং, ফু কিন ম্যুং সকলো বহিলগৈ। ম্যুং খামৰ ফু কিন ম্যুং (ৰাজখোৱা) তা খুন লাক, ম্যুং খ্ৰুৰ ফু কিন ম্যুং খুন কং, ম্যুং খ্ৰু ম্যুং পুমৰ ফুকিন ম্যুং ফা লুং খুন তং, ম্যুং জুৰ ফু কিন ম্যুং কাং খ্ৰু ম্যুং, ম্যুং লিৰ ফু কিন ম্যুং কান গুন, থাও ম্যুং কিউ খেন, থাও ম্যুং তি চু ম্যুং খাম, খুন বা, খুন ফ্ৰং, খুন ৰিং , খুন ছেং আদি সকলে কিন ম্যুং কিন বান সকলৰ লগত আলোচনাত বহিল।

সকলোৱে নিজৰ নিজৰ মতামত দাঙি ধৰিলে। ছুকাফাই সকলোৰে পৰা পৰামৰ্শ গ্ৰহন কৰিলে। তদুপৰি প্ৰতিগৰাকী বিষয়াৰ বা-বাতৰি খা-খাবৰ গ্ৰহণ কৰিলে। সকলোৱে ছুকাফাৰ ওপৰত অটল বিশ্বাস কৰিছিল।

আলোচনাত সিদ্ধান্ত হ'ল যে ছুকাফাই চাও কেলৈ সোনকালেই যাব। চাও কেলৈ আগতীয়াকৈ মানুহ যোৱাটো সিদ্ধান্ত কৰিলে। এই অঞ্চলৰ পৰাই তেওঁলোকে হু কঙ উপত্যকাৰ ম্যুং কং দেশ পাবগৈ। ম্যুং কং অবশ্যে এখন তাই মানুহৰেই দেশ। তেওঁলোক কোনো নহয় ম্যুং মাও লুঙৰ পৰা আমাৰ মাও নদী পৰীয়া লোক। এওঁলোকেও ম্যুং মাও লুং ৰাজ্যৰ চাও ফাকে অতীজৰে পৰা কৰভাৰ দি ৰাজ্য খাইছে। বিপদৰ সময়ত ম্যুং মাওৰ পৰাও আমাৰ সৈন্য আহি এওঁলোকক সহায় কৰেহি। এতিয়া ম্যুং কঙৰ ৰজা চাওফা ছুকাফাৰে সম্পৰ্কীয় নয় চানফা চাওফা নয় ছান ফা। তাতে চাম লুং ফাই এই ফালেই পশ্চিমলৈ গৈ ৰাজ্য বহলাইছেগৈ। আমাৰ মানুহে গমো পাই আহিছে। ছুকাফাৰ

এই কথাবোৰ ভাবি ভাবি ঠিৰাং কৰিছে চাও ফা নয় ছান ফাৰ লগত অতি সোনকালেই আলোচনা কৰিব লাগিব। যদিও নয় ছান ফাই মোক সহায় কৰিব বুলি যদিও সম্মতি দিছে মই সহায় নোলোৱাকৈ ৰহয় ৰাজ্য গঠন কৰাৰহে মোৰ ইচ্ছা আছে। মিছাকৈ আন ৰজা এজনক ইমান কষ্ট দিবৰ মন নাই। তথাপি মই দোধোৰ মোধোৰত পৰিছোঁ। উপায় নাই। মন্ত্ৰী বিষয়া সকলেও বিশেষ সুষ্ঠ সমাধান কৰিব পৰা নাই। চাম লুং ফাইয়ো দেখুন দয় খামৰ পশ্চিমে মে নাম বমপুত বৈ চালী লুং পালেগৈ। ইয়াতেই কৰবাত মই ন ৰাজ্য বনাবই লাগিব। দেখা যাওঁক বুজা বুজিৰে সমাধা হয়নে নহয় চোৱা যাওক। যদি নহয় শক্তিৰ প্ৰয়োগ কৰিব লাগিব। পুতাও খামতি, চিংকালিং খামতি, আইতন, ফাকে, নৰা, পং, কেছে এই সকলো সৰু সৰু তাই ৰাজ্যবোৰ আছেই। এই সকলৰ একাংশ আৰু পৰবৰ্তীয়া জাতিবোৰৰ পৰাই বুজা পৰাৰে একো অংশ লৈ থাকিব লাগিব। আনৰ কাকো অপকাৰ নকৰো। কিন্তু ময়োতো খাব লাগিব। মোৰ মানুহবোৰেও খাব লাগিব।

নয় ছান ফা ছ্যুকাফাৰে একে পৰিয়ালৰ ককায়েক। নয় ছান ফা ম্যুং কুঙতেই পূৰ্বৰেপৰা আছিলগৈ। ফু চাং খাঙেই নয় চান ফাক ম্যুং কুঙৰ পৰা মাও লুঙৰ তলতীয়া ৰাজ্য। ছ্যু খান ফা ম্যুং মাওৰ ৰজা হোৱাৰ পূৰ্বতেই নয় ছান ফা ম্যুং কুঙৰ ৰজা আছিল। সেয়ে নয় ছান ফা ওৰফে ছ্যু খাম ফাই ছ্যুকাফা ৰাজ্যহীন হোৱা বাবে কিছু সহায় কৰাৰ বাবে নিমন্ত্ৰন কৰিছিল। ছ্যুকাফাইহে নিজে যত্ন কৰিছিল ৰাজ্য বনাবলৈ। পাচত ছ্যু খান ফাই সেনাপতি চাম লুং ফাক পশ্চিমৰ ৰাজ্য বিজয় কৰিবলৈ পঠাই ম্যুং কুঙৰ সাময়িক শাসন হাতত লৈছিল, যদিও নয় ছান ফাই ৰজা হৈ আছিল। পাচত চাম লুং ফাই পশ্চিমলৈ ৰাজ্য বিজয়ৰ বাবে যোৱাত ছ্যুখানফাই পুনৰ নয় ছান ফা ওৰফে ছ্যু খাম ফাক বৃহত্তৰ ম্যুং কুঙৰ শাসন ভাৰ গটাই দিয়ে। ম্যুং কুঙ তেতিয়া বৰ সম্প্ৰসাৰিত হৈছিল। এই খনেই পূৰ্বৰ পৰা খ্যাত মাও পং তাই ৰাজ্যৰ মুল ৰাজধানী হৈ পৰিছিল।

ছ্যুকাফাই এই সকলোবোৰ প্ৰকৃত তথ্য পাতি সংগ্ৰহ কৰি ম্যুং কুঙৰ অধীনৰ চাও কে অঞ্চলত থাকিবলৈ ল'লে। কিন্তু তেতিয়াও ছ্যুকাফা অস্থিৰ। কি কৰিব। কলৈ যাব। নিজ ৰাজ্য ক'ত হ'ব। ক'ব নোৱাৰে।

বিশ

কেবাবছৰো ডাঙৰ নৈত নাও চালনা, সাঁতোৰা, বুৰ মৰা, বুৰ মাৰি পানীৰ তলে তলে যোৱা, নাঁৱৰ ওপৰত যুদ্ধ কৰা আদি না না ধৰণৰ অভ্যাস নোহোৱা হৈছে ছ্যুকাফাৰ দলৰ মানুহৰ। ম্যুং মাওত নাম মাও নদীৰ বুকুতহে বহু বছৰৰ পূৰ্বে সাঁতোৰা নাঁও

চলোৱা হৈছিল। মেন সকলৰ ঘাটৰ ওচৰতে শিবিৰ কৰি ছ্যুকাফাৰ বহু নৌ সেনাই সাঁতোৰা, নাও চলোৱা, নৌ যুদ্ধৰ আখৰা কৰিলে।

চক চাং খাইতো সৰু নদী কিছুমানে তেওঁলোকে পাইছে। সেই নদীবোৰতো মাছ মৰা, ভোৰ চলোৱা, বুৰ মৰা, সাঁতোৰা, নাঁও যুদ্ধ কৰা, পানীত পৰি পৰি লুকাই লুকাই নাঁওত আক্ৰমন কৰা আদি বিভিন্ন প্ৰশিক্ষণো তেওঁলোকে লৈছে। মুং পা কামতো নদ নদীৰে মে নাম আদিৰে ভৰা । তদুপৰি মে নাম বম পুত খন বৰ ডাঙৰ আহল বহল কোবাল বেগী বুলি ছ্যুকাফাৰ মানুহে গম পাইছে। সেয়ে তেওঁলোকৰ বাবে পানীৰ বুকুত খেলা কৰা শিক্ষাৰ প্ৰয়োজন আছে।

চক চাং খাই গাঁবতো ছ্যুকাফাৰ মানুহে এটা হাতী ধৰিলে। ইয়াতো হাতী ধৰাৰ উপযুক্ত স্থান আছিল। অতীজত বোলে ম্যুং পং ৰাজ্যৰ মানুহে ইয়াতেই হাতী ধৰিছিল। তদুপৰি খুন লু চ্যেওৰ দলৰ মানুহেও ইয়াত হাতী ধৰিছিল বুলি ছ্যুকাফাৰ মানুহে গম পাইছিল। ম্যুং মাও ৰাজ্যলৈও বোলে প্ৰায় তিনিশ মান বছৰৰ পূৰ্বে ইয়াৰ পৰাই হাতী ধৰি নিও চালান দিয়া হৈছিল। প্ৰায় চাৰিশ বছৰৰ আগতেই বোলে নাম কিউ নদীৰ উজনীৰ পৰা অতীতৰ নান চাও ৰাজ্যৰ ম্যুং ছেৰ নং ছে হ্ৰদৰ পৰা ভোৰত উটি অহা তাই ৰাজকুঁৱৰী নাং চাও লাৰ চাৰি জন খুন বা তাই ৰাজকোঁৱৰৰ এজনে নিজৰ ৰাজ্য বিচাৰি গৈ থাকোঁতে ম্যুং কং ৰাজ্যতে কং বাজিছিল। 'কং' ঢোল নিজে নিজে বজাৰ বাবে দেশ খনৰ নাম ম্যুং কং ৰখা হ'ল। সেয়ে ম্যুং কঙতে ম্যুং কং দেশ নাম দি গড় খাঁৰৈ মাৰি ওখ ভেটি বনাই ওখ চাংঘৰ নিৰ্মাণ কৰি ৰাজ হাউলী নিৰ্মাণ কৰিলে। চাৰিজন তাই ৰাজকোঁৱৰ আছিল ছ্যু খাও ফা, ছ্যু ঙান ফা, ছ্যু কান ফা আৰু ছ্যু হন ফা। ম্যুং কঙত থকা জনক ছ্যু ঙানফা বোলে। তেওঁলোকৰ পিতৃ আছিল বাঘ ছ্যু। ৰাজকুমাৰী উটি আহি থাকোতে বগা বাঘ এটাই তেওঁক উদ্ধাৰ কৰিলে আৰু বাঘৰ লগত বিবাহ হ'ল। বাঘটো বোলে পূৰ্ব জনমত কুঁৱৰী গৰাকীৰ স্বামী আছিল। অৱশ্যে এই ঘটনাতো যদিও ছ্যুকাফাৰ মানুহে জানে আৰু ম্যুংকঙৰ মানুহেও জানে, কিন্তু প্ৰকৃততে ছ্যুকাফাৰ কিমান দিনৰ পূৰ্বতে ম্যুং কঙত তাই ৰাজ্য হৈছিল তাক সঠিককৈ কোৱা টান। কাহিনীটো অধিক পুৰণিও হ'ব পাৰে ছ্যুকাফা অহাৰ সময়তকৈ বেছি পুৰণি নহ'ব পাৰে। এই কথা লৈ মানুহৰ মাজত মতভেদ আছে। ছ্যুকাফাই ভাৱে যে তেওঁতকৈ বহু পূৰ্বে অৰ্থাৎ পাঁচশ বছৰৰো অধিক পূৰ্বে ম্যুং কঙলৈ তাই পিনং আহিছিল যদি ছ্যু ঙান ফা ইয়ালৈ অহা বেচি দিন হোৱা নাই। হয়তু পা কান ৰাজ্যৰ (বাগান। পাগান) মান সকলেই এই কাহিনীটোত নতুনকৈ সজাইছে। ছ্যুমানে বাঘ উপাধিটো ছ্যুকাফা ছ্যুখান ফাইহে প্ৰথম পোৱা বুলি ছ্যুকাফাই ভাবে।

ছ্যুকাফা আৰু মন্ত্ৰী বিষয়া পৰিষদৰ মাজত হোৱা আলোচনাত ম্যুং কঙৰ অন্তৰ্ভূক্ত

সৰু সৰু তাই ৰাজ্যবোৰৰ বিষয়ে অগ্ৰাধিকাৰ পাইছে। ম্যুং কুণ্ডৰ এজন ম্ লিক যিজনে ফান তাই অৰ্থাৎ তাই জাতিৰ কথাবোৰ লিখি ৰাখিছে তেনে এক ব্যক্তিও ছুকাফাৰ আলোচনাত বহিছিল। ম্যুং কুণ্ডৰ বুৰঞ্জী লিখক ম' লিক জন কিং চেন ম্যুং মাও লুঙলৈ বুলি বাট বুলিছিল। তেওঁ উদ্দেশ্য বোলে মাও লুঙৰ বুৰঞ্জীখিনি সংগ্ৰহ কৰা; প্ৰয়োজন হ'লে তেওঁ বোলে ম্যুং চিয়েং ৰুং, ম্যুং য়ুন ম্যুং লান ছাং আদি পূবৰ ম্যুং তাই সমূহলৈও যাব। চাওফা ম্যুং কুণ্ডে তেওঁক এই বুৰঞ্জী লিখা কৰ্মলৈ পঠাইছে। তেওঁৰ যাত্ৰা প্ৰায় দুবছৰৰ পৰা তিনি বছৰ।

এই ম' লিক জনে ব্যক্ত কৰিলে যে ম্যুং কুণ্ডৰ তলতীয়া ৰাজ্য সমূহ হ'ল- ম্যুং লুং যাক বৈ চালী লুং বুলিও ক'ব পাৰি (অসম), কেছে বা কাছে, কালে, ছেং চুপ, ম্যুং কং ম্যুং যাং, ম্যুং খুন যি খন হুক কং উপত্যকাত অৱস্থিত; চিং কা লিং খামতি, ম্যুং লি বা খামতি লুং, ম্যুং য়াং, কুনুং খুমুন বা ম্যুং মি ছি মি, ম্যুং খাং ছে বা ম্যুং না কা (নগা) আদি কাও ছিপ কাও বা নিৰান্নবৈ খন ৰাজ্য। লগতে মলিক জনে ইয়াকো ব্যক্ত কৰিলে যে এই সমূহ ৰাজ্য ম্যুং মাও লুঙৰ চাওফা ছুখান ফাৰ নিৰ্দ্দেশতেই ভাতৃ চাও চাম লুং ফাই বিজয় কৰি ম্যুং কুণ্ডৰ কৰতলীয়া কৰিছিলহি। চাও চাম লুং ফা ছু খানফাৰ সেনাপতি। কিনতু তেওঁ ম্যুং কুণ্ডৰ ৰজা হিচাবেও কিছুদিন শাসন চলাইছিল। ম'লিক জনে কৈছে বোলে ছুখান ফা ম্যুং মাওৰ ৰজা হোৱাৰ পাঁচবছৰৰ পূৰ্বেই চামলুংফা মুংকণ্ডত আছিল। ম'লিক জনৰ কথাখিনি শুনি ছুকাফাৰ মনত বহু খেলি মেলিৰ সৃষ্টি হ'ল। চাও চাম লুং ফাক ছু খান ফাৰ সৰু ভায়েক। তেওঁৰ ককায়েক ৰজা নৌ হওঁতেই ম্যুং কণ্ডত ৰজা হৈছিল। ময়েই দেখুন ছু খান ফা ম্যুং মাওৰ সিংহাসনত উঠাৰ লগে লগে আতৰি আহিছো। এৰা মোৰোতো ম্যুং মাও এৰি অহা চৈধ্য বছৰ হ'ল। কম সময়নে চৈধ্য বছৰ। মইতো এতিয়াও থিতাপি লগা নাই। অঘৰীৰ দৰে ঘুৰি ফুৰিছোঁ। মানুহবোৰকো মই লৈ ফুৰিছো নাকি লগা মহৰ দৰে। অৱশ্যে এইটো ঠিক ককাইদেউ ছুখান ফা ম্যুং মাওৰ ৰজা হোৱাৰ লগে লগেই অৰ্থাৎ আজিৰ পৰা ১৩ বছৰৰ পূৰ্বেইচাম লুং ফাক সেনাপতি নিযুক্তি দি পশ্চিমৰ ম্যুং কেছে (মনিপুৰা), ম্যুং বৈছালী লুং (মেনাম বম পুতৰ পাৰৰ ৰাজ্য), ম্যুং খিলিমি (মি ছি মি) জয় কৰিবলৈ পঠাইছিল। কিন্তু মই আঁতৰি আহিলো। সকলো খবৰ নাপালো। ম্যুং মিতত থাকিলে ককাইদেউ ছু খান ফাই বেয়া পাব বোলাত সম্পূৰ্ণ আঁতৰি আহিলোঁ। মই সেয়ে তাহানিৰ খুন লু চ্যেওৰ বাটেৰে আহিলোঁ। শুনিছিলো চাম লুং ফাই আগতীয়াকৈ মোৰ আগতেই অন্য পথেৰে মে নাম বম পুতৰ পাৰৰ ম্যুং বৈ চালি লুং, কুমুং- কুমুন ৰাজ্য জয় কৰিলেগৈ।

এৰা হ'বও পাৰে ম লিক জনে ঠিকেই কৈছে চাও চাম লুং ফাই ম্যুং বৈ ছালি

লুঙতে হয়তো এতিয়াও আছে। তেওঁ সমুহ অঞ্চল ম্যুং মাওৰ অধীনত ৰাখিবলৈ যত্ন কৰিছে। ম'লিকে ঠিকেই কৈছে। দেখা যাওক আমাৰ আনটো দলে ম্যুং বৈ ছালিৰ পৰা আহি কি খবৰ বা দিয়েহি!

ছুকাফাই ভাবিলে, কথাবোৰ মনৰ মাজত আগুলিয়াই পাগুলিয়াই আছে। ম্যুং মাওৰ শক্তি আৰু বৃদ্ধিহে পাইছে। মই অদৌহে বদৌহে ঘুৰি ফুৰোতে ককাইদেউ ছু খান ফাই মোতকৈ পশ্চিমলৈ গৈ ৰাজ্য জয় কৰিলে। মই ক'ত থাকিলো। আনহাতে উত্তৰে য়ুন লুং জয় কৰিলেই। সম্ভৱ উত্তৰ পূবৰে বহু ৰাজ্য জয় কৰিলে। নান চাওৰ ম্যুং ছেৰ ফালেও তেওঁ সম্পৰ্ক ৰক্ষা কৰিছে। এৰা এইটোও সত্য নান চাও ৰাজ্যৰ শক্তি বৃদ্ধিতো সহায় কৰিছে আমাৰ ম্যুং ছেৰ তাই পিনং সেনাপতি তথা সৈন্যসকলে। সেয়ে নান চাওয়ে যি নকৰক ম্যুং মাও লুঙত তেওঁলোকে কোনো অপায় অমংগল কৰিব নোৱাৰে। ছু ফান ফাৰ ভাগ্য ভাল। মোৰহে পোৰা কঁপাল। নাই মই ভাগি পৰিলে নহ'ব। নতুন ৰাজ্য নতুন দেশ আবিষ্কাৰ কৰি গঢ়ি পিটি লৈ নতুনকৈ ম্যুং বনোৱাহে প্ৰকৃত বীৰৰ কাম। মই এই কৰ্মত নিজকে আত্মনিয়োগ কৰিবই লাগিব। মোৰ পৰাজয় মানে মোৰ অতখন ভাল ভাল বীৰ যুদ্ধা কামিলা সৎ, নিষ্ঠাবান বিশ্বাসী মানুহৰ মৃত্যু। উস কি দুৰ্বল কথাবোৰ মই ভাবিছোঁ। মই মোৰ খ্বন, মোৰ আয়ুষ বৃদ্ধি কৰিবই লাগিব, শক্তিশালী কৰিবই লাগিব।

ম্যুং কে

পি লাকনি কা কেও। সকলোবোৰ মানুহ আহি ম্যুং কে বা চাও কে অঞ্চল পালেহি। ইয়াতেই অতি ক্ষিপ্ৰতাৰে ছুকাফাৰ মানুহে ঘৰবাৰী শিবিৰ হ'লুং অস্থায়ীকৈ বনাই পেলালে। নিজৰ শক্তি ঘুৰাই আনিবলৈ ছুকাফাই ইয়াতেই এবাৰ ৰিক খ্বন উৎসৱ এটা অনুষ্ঠিত কৰিলে। ৰিক মানে নিমন্ত্ৰণ কৰা। খ্বন মানে আত্মা। আত্মাক মতা বা শক্তি পাবলৈ, আত্মাৰ শক্তি বৃদ্ধি কৰিবলৈ হেৰাই যোৱা শক্তিখিনি ঘুৰাই অনাই ৰিক খ্বন। ছুকাফাই এই উৎসৱৰ বাবে বহু গৰু-মহ বলি দিলে আৰু বহু কুকুৰা মাৰিলে। লগতে নদীৰ পৰা জাকৈ মাৰি খ্বন হিচাবে এৰা সুঁতা নিচিগাকৈ পূজাস্থানলৈ আনিলে।

ম্যুং কেত থিতাপি লৈয়েই এই ৰিক খ্বন পাতিলে। ছুকাফাই ম্যুং কঙৰ চাওফা ছু খাম ফা (ছু খান ফা-নয় ছান ফা) লৈ বাৰ্তা পঠালে যে ' আমি আহি ম্যুং কঙৰ ৰাজধানীৰ পৰা বেলি ওলোৱাৰ পৰা বেলি পৰা বাটৰ দুৰত্বত আছোঁহি। আমি এতিয়া কি কৰোঁ ক'লৈ যাওঁ নে এটুকুৰা ভাল ৰাজ্য পতা ঠাই দেখাই দিয়া ভাই ৰজা পিনং। আজি চৈধ্য

বছৰ অতীত হ'ল। ক'তো থিতাপি লগা নাই। তুমিও পূৰ্বতে বাৰ্তা দিছিলা, আহা মই সহায় কৰিম। এতিয়া আহিলো ভাই ৰজা পিনং। একে তেজ, একে নাম, একেমুখ, একে মাত, একে ভাত, একে জাত। পশ্চিমলৈকে যাওঁ নেকি জনাবা। শুনিছো ম্যুং মাওৰ সেনাপতি ছু খান ফাইয়ো ম্যুং কং বহলাই পশ্চিম বানতুকলৈ গ'ল। ৰাজ্য বহলাইছে। আমি কি কৰোঁ জনাবা।"

মুগা কাপোৰত লিখি দিয়া তাই আখৰৰ চিঠি লৈ চেউ খাম বাৰ্তা বাহকে চাৰি দিনতে ঘুৰি আহি ছুকাফাৰ শিবিৰ পালেহি। ভালকৈ শিকাই বুজাই থোৱা ঘোঁৰা। সোনকালে খবৰ অনাত অসুবিধা নহ'ল। চাও ফা ম্যুং কঙে উত্তৰ দিলে "ভাই ছুকাফা তোমালোকৰ আগমনৰ বাবে আদৰণী জনালোঁ। তোমালোকৰ সহায় কৰিবলৈ মই মানুহ বয় বস্তু ঘোঁৰা আদি পঠাইছোঁ। তেওঁলোকেও তোমালোকক সহায় কৰিব। সাতদিনমানৰ বাবে ম্যুং কঙৰ ৰাজধানীলৈ তোমাক তোমাৰ বিশ্বস্ত দুই এক বিষয়াৰে নিমন্ত্ৰন জনালোঁ। তেতিয়াই কথা বতৰা সকলো আলোচনা ৰম কান প্লং কান কৰিম। তেতিয়াই সিদ্ধান্ত হ'ব কি কৰা যায়, ক'ত ৰাজ্য পতা যায়।

ছুকফাই নয় ছান ফাৰ চিঠি পাই মন্ত্ৰী পৰিষদ বিষয়া বৰ্গৰ লগত আলোচনাত বহিল। সকলোৱে নয় ছান ফাৰ আদৰণি গ্ৰহন কৰাৰ সিদ্ধান্ত হ'ল। মাথো মন্ত্ৰী থাও ম্যুং কান ওনে কিছু হেইঁ নেইঁ কৰিছিল। কিজানিবা আমাৰ ৰজা চাওফা ছুকাফাক বন্দী কৰি থয়। ক'তো বিশেষ বাধা আজিলৈ পোৱা নাই। ম্যুং কঙৰ নয় ছান ফাৰ পৰিয়ালো পিনং, খুন লুং খুন লাইৰেই ছু লুক লান, লুক নান মান। সকলোৱে ৰং কান প্লং কান, চ' লাম চ' খাম কৰি আলচিলে। তেওঁলোকৰ অতি মৰমৰ ৰজা চাওফা ছুকাফাক নয় ছান ফাৰ ৰাজধানীলৈ যাবলৈ দিলে।

প্ৰকেশ

ছুকাফাক সাতদিন ম্যুং কঙৰ ৰাজধানীত সুন্দৰকৈ অপ্যায়ন কৰি ৰাখিলে নয় ছান ফাই। ছুকাফাক লৈ ম্যুং কঙৰ এখন ৰাজসভাত বহিল। ম্যুং কং চাওফাই ছুকাফাক সোণ ৰূপৰ শৰাই পান, ৰূপৰ ফুল বচা ফুলাম জাপি কুপ ভিন লাই, ডাঠ ফুলবচা এৰি মুগা পাট কাপোৰ উপহাৰ দিলে। ছুকাফাইও লগত নিয়া না না উপহাৰ প্ৰদান কৰিলে।

ম্যুং কং চাওফা ছু খাম ফাই ছুকাফাক জনালে যে তেওঁলোকৰ ম্যুং কঙৰ নৰা দেশৰ দক্ষিন পশ্চিমে থকা উজনী চিন্দুইন নদী মে নাম অঞ্চলত থকা কেৱল তৰোৱাল, জাঠি জোং, ধেনু কাড়ৰ সহায়েৰে যুদ্ধ কৰা জনগোষ্ঠীবোৰ সহজেই বশ কৰিব পৰা

হ'ব। আৰু তেওঁলোকক যুদ্ধত হৰুৱাই বশ কৰি ছুকাফাই ম্যুং তাই এখন গঢ়ি লোৱাটোৱেই উচিত হ'ব। লগতে তেওঁলোকেও সৈন্য মানুহ আৰু হিলৈ, টোপ আদি দি সহায় কৰিব।

নয় ছান ফাৰ মানুহেই জনালে যে চিন্দুইন নদীৰ উজনীত খাং (নগা), ৰাখাইং, মাত (মাৰ), কুকি, ৰাংখাত (ৰাংখাল), চীন আদি জনগোষ্ঠীবোৰ সৰু সৰু গোট হৈ বাস কৰিছে। এওঁলোকক সহজেই পৰাস্ত কৰিব পৰা যাব আৰু পাহাৰৰ মাজত সৰু বৰ নদীৰ সাৰুৱা উপত্যকা বোৰো আছে। মাজে মাজে অৱশ্যে এখন দুখন সৰু তাই গাৱোঁ আছে। মান গাৱোঁ সৰু সুৰাকৈ আছে। বেচি নামনিলৈ যাব নোৱাৰি। শক্তিশালী মান আৰু মন ৰাজ্য আছে।

সকলোবোৰ কথা ছুকাফাই আহি ম্যুং কেৰ অস্থায়ী হলুঙত আলোচনা কৰিলে। উপায়হীন হৈ ম্যুং কং চাওফাৰ পৰামৰ্শকে গ্ৰহন কৰিবলৈ থিক কৰিম বুলি ভাবি সকলোৱে যুদ্ধৰ বাবে প্ৰস্তুতি কৰিলে। পুৰ্বতে গোটাই থোৱা হেংদাং দাপ, হিলৈবোৰ সকলো মুচি কাচি ধৰাই পৰীক্ষা কৰি সাজু কৰিলে। প্ৰায় পোদ্ধৰ দিন ধৰি না না আখৰা। মহিলা সকলে বৰা ভাত চেৱা দি অৰ্থাৎ ভাপত সিজাই ভাতবোৰ ৰ'দত শুকুৱাই টান কৰি না না পদ্ধতিৰে টুপুলা বান্ধিলে। চাউলৰ পৰা ভজা পিঠা, সান্দহ, কোমল ভজা বৰা চাউলৰ খুন্দা লাৰু হুৰুম, চিৰা, কোমল চাউল, বৰা ভাত চেৱা দি ঢেকিত খুন্দি গোটাকৰি বনোৱা লাডু আদি প্ৰস্তুতি কৰিলে। যুদ্ধৰ সময়ত ভাত সিজাবলৈ সময় নহ'লে এইবোৰ খাব পাৰিব। ম'য়া সকলে আঘাট পোৱা মানুহক শুশ্ৰুষা কৰিবলৈ না না ঔষধ প্ৰস্তুত কৰিব ধৰিলে। হাতী ঘোঁৰা সকলোৰে বাবে ঔষধ প্ৰস্তুত কৰিব ধৰিলে। যুদ্ধলৈ যাবলৈ গোটে গোটে মানুহ ঠিক কৰিলে। থাও ম্যুং কান গুন, আৰু থাও ম্যুং মাং ৰাই এই দুইজনাক সকলো যুদ্ধ আখৰাৰ দায়িত্ব দিয়া হ'ল।

তাই ম' লুং ম' লিক চাং বুন মহুং ম' প্লং সকলে সাঁচীপাতৰ পুৰণি তাই পুথি উলিয়াই বান ছেং চালে। কুকুৰা ঠেঙৰো মংগল চালে। কুকুৰা আলজিভা লিং কাইৰ মাধ্যমেৰেও বানুছেং চালে। খেন ঠিকেই পালে। বান কাপ বাৰে যুদ্ধ কৰা খেন পালে।

ছুকাফাই নিজে যুদ্ধৰ আখৰা ক্ষেত্ৰলৈ আহিল। সকলো যুদ্ধাৰুৱে আঠুলৈ মূৰ দোৱাই ৰজাক সেৱা জনালে। মন্ত্ৰী বিষয়া সকলেও নিজ নিজ নিয়মেৰে তাই পৰম্পৰা মতে চাওফাক সেৱা জনালে।

চাওফা ছুকাফাই ওখকৈ সজাই থোৱা আহল বহল ফুলাম তামুলী পীৰা খনত উঠি সকলো পিনঙলৈ চালে। ইমুৰৰ পৰা সিমুৰলৈ। গুৰু গম্ভীৰ চাবনি। ছুকাফাই নিজেও মূৰৰ ওপৰলৈ হাত দি চিলা চিপ কু এ্ৰেউ কৰি দহো আঙুলি মিলাই গম্ভীৰ ভাবে উচ্চাৰণ কৰিলে " চাও নু বুউ চাউ কা ৰই। হে অতীতৰ দাম সকল, চাও ফা

যেত ল্যেংদন। তোমালোকক প্রণিপাত জনাই আমি কথা আৰম্ভ কৰিছো।"

পিনং কান খাও তাং লাই। আপোনালোক সকলোকে মই শুভেচ্ছা জনালোঁ। আমি অৱশ্যেই যুদ্ধ ক্ষেত্রত অৱতীর্ণ হ'ব লাগিব। আমি ম্যুং মাওৰ অধীনস্থ ঠাই চাও কেত বেচি দিন থাকিব নোৱাৰো। নিজা ম্যুং এখন প্রতিষ্ঠা কৰিবই লাগিব। মোৰ লগত আপোনালোক সকলোৱে বহু কষ্ট ভোগ কৰিছে। মোৰ ওপৰত থকা আপোনালোকৰ আস্থাৰ বাবে মই আপোনালোকক ধন্যবাদ চুম কান জনাইছোঁ। পশ্চিমৰ ফালে আমি আগুৱাব লাগিব। সকলো খিনি কথা নিশ্চয় আপনোলোকে ইতিমধ্যেই শুনিছেই। ম্যুং ৰুঙৰ আশে পাশে থকা বহু গাৱেঁ আমাৰ নেতৃত্ব ইতিমধ্যেই মানি লৈছে। সেই কথাও আপোনালোকে জানেই। কিন্তু বান লাক গাওঁ আৰু ম্যুং খম অঞ্চলে আমাৰ নেতৃত্ব আৰু অধীনত্ব মানি ল'ব খোজা নাই। তেওঁলোকে আমাৰ চেউ খামক অপমান কৰি ঘুৰাই পঠাইছে। গতিকে আমাৰ যুদ্ধ অনিবার্য। তেওঁলোকৰ লগত যুদ্ধ কৰিবলৈ আমাৰ সুযোগ্য পৰিচালক সকল তা খুন লাক, খুন কং, খুন তং, কাং ক্রু ম্যুং, কান ঙন, থাও ম্যুং মাং খাম, থাও ম্যুং খেন দায়িত্ব দিলো। তদুপৰি ফ্রালুং খুন তন, ম ছেং, ম' পিক, খুন কাম, আদি সকলকো ভিন্ন গোট হৈ দুয়োখন ঠাই অধিকাৰ কৰিবলৈ পঠালোঁ। সকলোৱে দায়িত্ব বুজি আমাৰ ম্যুং প্রতিষ্ঠাৰ বাবে কষ্ট কৰক। আমাক দাম সকলে মংগল কৰিব।"

বান লাক গাওঁখন ম্যুং খম অঞ্চলৰ এখন প্রধান ডাঙৰ গাঁও। ই হুকং উপত্যকা অঞ্চলত অৱস্থিত। মান সকলে ইয়াকেই মান ভাষাত মাইন কওন বুলি কয়। এই অঞ্চলত য়ং কুক নগা লোক বসতি কৰে। পূর্বতে ইয়াৰ নাম ম্যুং খাম নাছিল ইয়াৰ নাম বান লাকেই আছিল। কিন্তু ছ্যুকাফাৰ দলটোৱে বান লাক দখল কৰাৰ লগে লগে ই ম্যুং খাম নামেৰে জনাজাত হ'ল। ম্যুং কঙৰ মূল অঞ্চলৰ পৰা ই প্রায় দুদিনৰ খোজৰ বাট।

সকলো সৈন্যই ঘোঁৰা হাতীৰে বান লাকলৈ গ'ল। এদিন খোজ কাঢ়িয়েই বান লাকৰ ওচৰ পালেগৈ। পিচে বান লাকৰ য়ুক কক খাং সকলে গম পাই জাঠি আৰু তৰোৱালেৰে যুদ্ধ ক্ষেত্রত নামি পৰিল। ছ্যুকাফাৰ দলে ঘোঁৰা আৰু হাতীৰে যুদ্ধ কৰিলে। প্রথমে হিঁলৈ ফুটাই পিছত হেংদাঙেৰে যুদ্ধ দিবলৈ ধৰিলে। বান লাকৰ পঞ্চাশজনমান ৰণত পৰিল। ৰণত পৰা দেখি সমগ্র গাওঁখনে বশ্যতা স্বীকাৰ কৰিলে আৰু ওচৰৰ খেতি পথাৰ একাংশ গোমধান কনীধান, দা আৰু জাং ফাই দিবলৈ চুক্তি কৰিলে আৰু ওচৰৰ ওখ ওখ টিলা বোৰ ত ছ্যুকাফাৰ শিবিৰ পাতিবলৈ অনুমতি দিলে আৰু আনকি পঞ্চাশজন তেওঁলোকৰ যুদ্ধাৰু বাকী নগা খাম সকলৰ মাজেদি তাই দল যাবলৈ সহায় কৰি দিবলৈ লগত দিলে। ছ্যুকাফাৰো দুজন যুদ্ধত পৰিল, বিশজনমান ঘাইল হ'ল।

দহদিনমানৰ ভিতৰতে ছ্যুকাফাৰ দলটোৱে ম্যুং খামত শিবিৰ বনাই থিতাপি

ল'লে। অৱশ্যে চাও কেতোএকাংশ লোক আছিল। তেওঁলোকে খৰ খেদাকৈ চপাব লগীয়া ধান বোৰ চপাই পেলালে। বিশেষত জাৰ কালিৰ বাবে তেওঁলোকৰ মহিলা সকলে গাই প্ৰতি দহখনকৈ এৰিয়া কাপোৰ প্ৰস্তুত কৰিলে। হুকঙৰ সৰু সৰু জান জুৰি বিলাকৰ কাষত থকা আহল বহল মাটিত গজা অসংখ্য এৰাগছবোৰ এৰি পলুক খোৱাই যেন তেওঁলোকে শেষ কৰি পেলাব।

ছ্যুকাফাই যুদ্ধত বিজয় কৰিও মনত আনন্দ কৰিব পৰা নাছিল। এখন যুদ্ধত কি হ'ব। ইয়াতেই থাকিবনে তেওঁলোক নে আৰু দক্ষিন পশ্চিমে চিন্দুইন নদীৰ কে ছে সকলৰ ফালে যাব। অতীততে মাও পং ৰাজ্য ডাঙৰ হৈ থাকোতেই মাও লোক কিছু নংলুক তাকৰ পিনে গৈছিল বুলি ছ্যুকাফাই জানে। হয়তু সেই ফালেই যাব লাগিব তেওঁলোকৰ দল। অস্থায়ী হ'লুঙৰ চাঙত বহি ৰাণী তিনিগৰাকী আৰু পুত্ৰ দুজনা লৈ একান্ত মনে চিন্তা কৰি আচিল ছ্যুকাফাই।

সৰু গৰাকী ৰাণীয়ে দামৰ খুটাৰ ওচৰত শৰাই দি ব্লক চিংফা ব্লক বু দি আই ছিং লাও গাই আছিল। পুত্ৰ দুজনেও চিন্তাক্লিষ্ট হৈ পৰিছে কি কৰিব দেউতাকে। দেউতাক ৰজা তাই ৰজা। ৰাণী আই মে চাও লুৱে ভাবিছে দেহিঐ ক'ত ম্যুং মাওৰ ৰজা ক'ত ছ্যুকাফা। ম্যুং মাওৰ ৰজা হৈয়ো ৰজা হ'বলৈ নাপালে মোৰ স্বামীয়ে। হায় নিয়তিৰ কি পৰিহাস। কিন্তু জাতিৰ পৰম্পৰা নীতি মানিবই লাগিব। নীতিয়েই আচল। জাতীয় নীতিক অমান্য কৰিব নোৱাৰি। যি ৰজা লাগে সিয়েই হ'ব লাগিব। অভিযান কৰি সংগ্ৰাম কৰি ৰাজ্য নিজ ম্যুং গঠন কৰি লোৱাটোহে আচল বীৰৰ কাম। মোৰ স্বামী বীৰ। এজনা প্ৰকৃত বীৰ। মানুহে তেওঁক পৰ পুৰুষতো পূজা কৰিব। আমাৰ লেংদন যেনেকৈ স্বৰ্গৰ ফী হ'ল মোৰ স্বামী ছ্যুকাফাকো এসময়ত হেজাৰ বছৰৰ পাচত দেৱতাৰ দৰে পূজা কৰিব।

ৰাণী নাং আইমে চাও লুয়ে স্বামী চাওফা ছ্যুকাফালৈ চাই নীৰৱে চকুলো মোহাৰিলে।

বাইশ

ছ্যুকাফাৰ ৰাজ হ'লুঙৰ পাততুৰ সমুখত দহজন সুন্দৰকৈ পোচাক পিন্ধা মানুহ। মূৰত বগা ফাহু পাগুৰী। বাওফালে মূৰৰ ওপৰত পাগুৰীৰ আগটো ওলাই আছে। ৰঙা সুন্দৰ ফুল। গাত ডিঙিলৈকে ঢকা সুন্দৰ চাপকন। নীলা কলীয়া বৰণ। পিন্ধনত আঠুৰ তললৈ পৰা বহল চোঙাৰ দৰে কাপোৰ। বৰণ কলীয়া।

দুবৰীয়ে খবৰ সুধিলে কিয় বা তেওঁলোক আহিলে। উত্তৰ দিলে তেওঁলোকক ম্যুং কঙৰ চাওফা ছ্যুখাম ফাই পঠাইছে। ছ্যুখাম ফাই ইতিমধ্যে গম পাইছে যুদ্ধত ছ্যুকাফা

জিকিছে। এখন পত্ৰ দিছে ম্যুং কং ৰজাই।

ছ্যুকাফাৰ অনুমতি লৈ অতিথি কিজনক আসন গ্ৰহন কৰিবলৈ দিলে। অভ্যাগত আলহীক নিয়ম মতে বান কাঁহীত পছু মাংসৰে শুকান মাছেৰে এবাতিকৈ মিঠা লাও পৰিবেশন কৰা হ'ল।

মানুহ কিজনৰ হাতত থকা দুখন পত্ৰ ছ্যুকাফালৈ আগবঢ়াই দিলে। এখন পত্ৰ ছ্যু খাম ফা অৰ্থাৎ ম্যুং কং ৰাজৰ আৰু আনখন চাও চামৰ।

উল্লাসিত হৈ উঠিল ছ্যুকাফাৰ মন। আনন্দত আত্মহাৰা হৈ দুচকুৰে নিগৰি আহিল পানী। চকু মুদি বুকুত হাত দুখন হেঁচা মাৰি ধৰিলে। সৰ্পাকৃতিৰ পাখিলগা গোমছেং গোঠা ফুলাম আঠুলৈকে বৈ পৰা চোলাটোত খম খমাই উঠিল। খমখমীয়া মোগা আৰু পাট মিশ্ৰিত চোলা। গোমছেঙেও যেন উত্তেজনাত জিভা মেলি দিলে। ৰঙা জিভা খনত যেন জুইহে ওলাল।

"পিনং চাওফা নয় ছান ফা। শুনিছোঁ তোমাৰ দেশত আহি আছেহি ছ্যুকাফা। উদ্দেশ্য ৰাজ্য গঠন। ন ম্যুং তাই গঠন। ম্যুং মাওৰ পৰা অহা কথা মই জানো। তেওঁৰ প্ৰতি মোৰোঁ শ্ৰদ্ধা ভক্তি মৰম আছে। এজন শক্তিশালী বহুল মনৰ ৰজায়েই পালেহেঁতেন ম্যুং মাওৱে। যি নহওঁক ছ্যুকাফাৰ মানুহ দুবাৰকৈ আহি গ'ল ম্যুং তিপামলৈ। এবাৰ মই লগ নাপালো। দ্বিতীয় দলক মই লগ পালোঁ। সকলো কথা গম পালোঁ। মই ৰাজ্য অভিযান কৰি আঁতৰি যাম। হয়তু মই জীৱন সাধাৰন প্ৰজা হৈও কটাব পাৰোঁ। ছ্যুকাফাক দলে বলে সৈন্যে সামন্তে বয় বস্তুৰে আহিবলৈ জনাবা। ম্যুং তিপামলৈ নহয়, সেই ফালে নতুন ৰাজ্য গঠন কৰিবলৈ। বহু মাটি আছে। সাৰুৱা মাটি। উৰ্বৰা ভূমি। ইয়াৰ মানুহে শালী ধান নকৰেই বুলিব লাগে। বহল ভূমিখণ্ড। মাজেদি বৈছে মে নাম বমপুত, নাম দিখৌ, নাম দিহিং, আৰু বহু সৰু বৰ নদী। তেওঁক পঠিয়াই দিয়া। স্থানীয় জাতিবোৰৰ সৰু সৰু গোট। দিউৰা, বৰাহী, তিওৰা, দিমাছা, পুমনা, ক্লা (হিন্দু) আদি জাতবোৰো আছে।

এইখন নয় ছান ফালৈ দিয়া চাম লুং ফাৰ চিঠি। চাম লুং ফাই উজনি ব্ৰহ্মপুত্ৰৰ ৰাজ্য সমুহ জয় কৰি ফুৰিছিল। তিওৰা ৰাজ্যৰ বাহিৰে তেওঁ ক'তো পোৱা নাই বাধা। তিমিছা ৰাজ্যৰো কিছু অংশত তেওঁ বাধা পাইছে। অনান্যত হেলাৰঙে মানুহে তেওঁ বশ্যতা স্বীকাৰ কৰিছে।

" পিনং ছ্যুকাফা। ভাই তোমাৰ কথা মোৰ সম্পূৰ্ণ অবগত। মই উপলব্ধি কৰিছোঁ তোমাৰ আৰু তোমাৰ অনুগামী সকলৰ কথা। তুমি দয় খাম দয় কাও ৰং, দয় লা লিং পাৰ হৈ আঠ নদীৰ যুক্ত নদী নাম ৰুকেদি নাম দিহিং হৈ আহা। দিহিঙৰ পানীবোৰ ঠাণ্ডা

(জিন)। ইয়াক মে নাম জিন বুলিও ধৰিব পাৰা। ভাই ৰজা তিপামেদি আগবাঢ়িবা। তুমি আহিব পাৰা। মই অৱশ্যে ভিন্ন বাটেৰে আহিছোঁ। খুন লু চ্যোও অহা বাটেৰেই তোমালোকে আহিবা। তোমালৈ শুভেচ্ছা থাকিল। মোৰ পৰা একো বাধা তুমি নোপোৱা।"

চাম লুং ফাৰ চিঠি পায় ছুকাফাৰ সাহস দুগুণে বাঢ়িল। চিঠিৰ কথামতে চাম লুং ফা ম্যুং কেছে (মনিপুৰ) হৈ ঘুৰি আহিব। হয়তু তেওঁ তিমা ফী ছা কক ব'ও ৰক থকা ঠাইৰ ফালেও যাব পাৰে। য়ু বন (যবন), চিন তেং আদি দেশৰ ফালেও চাম লুং ফা যাব পাৰে। খা মেনদামৰ দৰে লগৰ মানুহ বোলে পাহাৰৰ ওপৰতো আছে। শুনিছো মে নাম কঙৰ পাৰৰ দৰে খা মেন দাম মন মানুহ সেইবোৰ। ক'ত আছে নাজানো ভালদৰে। তাত বোলে ছেং খাচী বোলে।

পত্ৰ বাহক মানুহ কিজনক বঁটা বাহন দিলে ছুকাফাই। ৰাতিটো থাকি পত্ৰ বাহক দুজন গলগৈ ম্যুং কং অভিমুখে। বেলি ওলোৱাৰ লগে লগে ঘোঁৰাৰ পিঠিত লাফ মাৰি উঠি বিদায় মাগিলে।

মন্ত্ৰী বিষয়া থাও ম্যুং ফু কিন ম্যুং খুন প্ৰাই সকলোকে পিচদিনা মতাই আনি ৰাজমেল বহুৱা হ'ল। শেষত সিদ্ধান্ত লৈ পশ্চিমলৈ যোৱাৰ। চাম লুং ফাৰ চিঠিমতেই তেওঁলোক যাব। খুন লু চ্যোও যোৱাৰ বাটেৰে। ম্যুং পাকাম। অতীত কালতেই গৈছিল সেই দিশে আমাৰ মানুহ পিনং সকল। বহুতো হেৰালে হয়তু কোনো আছে। ফু খাও আন কাও। পুৰণি মানুহ। আমাৰ মানুহ। খুন লুঙো গৈছিল অতীজতে নাম চিৰি লাও হিত লৈ (চিৰি লৌহিত্য)। সেইফালে বোলে কুন ক্লা মানুহ (হিন্দু) আছে। পুমনা চাই সকলো আছে (বামুন)। পুথাও সকলে আমাক কৈছিল। খে দেশৰ পৰা পুত বাৰ দেশ ৰাই ছা লিছালৈ অহাযোৱা খে মানুহেও মাজে মাজে কথাবোৰ কৈ গৈছে।

সিদ্ধান্ত হ'ল। ম্যুং মাওলৈ অহা যোৱা বাটত বাটঘৰ বনাবলৈও সিদ্ধান্ত হ'ল। মান লাকত ম্যুং খৃম পাতিলে। লগত দিলে পঞ্চাশ ঘৰমান মানুহ। খাং সকলেও মানি ললে ছুকাফাৰ অধীনত্ব। ম্যুং কঙৰ সাহাৰ্য লৈ সংস্পৰ্শ ৰাখি এই বাটঘৰ ৰাখিব ফু কিন ম্যুং তা খুন ফুকে। প্ৰতি বছৰে ছুকাফাৰ ন ৰাজ্যৰ পৰা মানুহ আহিব। ম্যুং কং, ম্যুং খৃম, ম্যুং মিত, ক্যোং লাও বা দাওত থাকি ম্যুং মাওলৈ যাব; যোগাযোগ ৰাখিব। খক চাং বিং মেন, চাক চাংখাই আদিতো বনাই আহিছে বাটঘৰ। মানুহ নিয়োগ কৰিছে বাটঘৰ ৰখিবলৈ।

সেই দিনাই দেশৰ মংগলৰ বাবে মে ম্যুং পূজা কৰা হ'ল। লগতে মে দাম মে ফীও অনুষ্ঠিত কৰা হ'ল। কুকুৰা মাৰি বগা মহ এটা পাত ছি কৰি পূৰ্ব পুৰুষ মৃতক দাম সকললৈ পূজা আগ বঢ়োৱা হ'ল।

মলুং সকলে উচ্চস্বৰে উচ্চাৰিলে, চাও নুউ ৰুউ চাউ কা ৰই। খুন থাও। এ্ৰেউ

লাংকুৰী প' ফী শ্রু মে ফী এ্রেউ, তাং মৌ বা মৌ শ্রু ত্যেওফা বা মৌ জিম মৌ ফুন দিন বৌ মি এিয়া ৰেন লুং তেক পিন চাও ৰেন কাম তেক পিন খুন চাও নুউ বু চাওকা ৰই।

চাও ফা জান চাই হুং, নি খাই ফা লান, চান থাই মৌ লেংদন তেক পিন চাও ঙাও খাম লেং দন তেক পিন খুন। চাউ নুউ বুউ চাও কা ৰই।"

পূজা কৰি মৃতক দাম ফী দেৱতাসকলক সন্তুষ্ট কৰি ছুকাফাৰ দল অগ্রসৰ হ'ল। সকলো টালি টুপুলা বান্ধিল। এইবাৰ দীঘলীয়া যাত্রা। জিৰনি কম। খুব বেচি ছয় মাহ। জাৰ কালি বতৰ ফৰকাল হৈ থাকোতেই যাত্রাৰ শেষ হ'ব লাগিব। পাহাৰীয়া যাত্রা হ'ব। দুৰ্গমো হ'ব পাৰে। তাতে খাং সকল যুদ্ধাৰু জাতি। বিনা যুদ্ধে বাট এৰি দিয়া টান। তেওঁলোকৰো ভয় জানোছা তাই সকলে তেওঁলোকৰ সকলো বসতিস্থান দখল কৰি পেলায়।

বান লাক (ম্যুং খুম), লাং মি চে কাও, মলা খ্রং, ম্যুং ম, ম্যুং খুম ম্যুং পান, ম্যুং ফাকে চেৰিন যাত্রাৰ প্রস্তুতি চলিল।

নাং খামৰ এটি কেচুৱা হ'ল। কালি হৈছে। জন্মৰ নিয়ম কানুন সকলোখিনি পালন নকৰাকৈয়ে যাব লগা হ'ল। ম লুঙে খৰতকীয়াকৈ লৰাটিৰ হাতত হেংদান লগালে, ধেনু ধৰালে, সূৰ্যলৈ চোৱালে। সকলো নিয়ম পালন কৰিলে। জুইৰ সেক দি মাকক আগতীয়াকৈ শুকনি ঔষধ দিলে। ছেং মকৰো কেচুৱা এটি দহ দিনীয়া হৈছে। মাকৰ গা ভাল নাই। কেচুৱাটোল ফী লাগিছল। ম' য়াই সোনকালে মন্ত্র জাৰি এৱা প'লক খোৱাই ভাল কৰিলে।

ছেংকশ পাহুৱাল ডেকা। যুদ্ধৰ সময়তেই খাং ছোৱালী এজনীৰ চেনেহত পৰিল। ছেং কণে হেংদান লৈ কাটিবলৈ হাত ডাঙোতেই ভৰিত পৰিলে এজনী নিটোল গাভৰুৱে। নাম তাইৰ ম'নেং। মনেঙে ভৰিত ধৰি করুণ ভাৱে তাৰ চকুলৈ চালে। ছেংকনে মাৰিব নোৱাৰিলে। মৰম লাগিল তাৰ। বুকুখন কোমল হ'ল।

ভগা ভগা নগা আৰু তাই ভাষা মিলাই মনেঙে ছেং কনক আবেদন কৰিলে,

"মোক নামাৰিব। মই আপোনাৰ খা হ'ম। চাকৰণী হ'ম। মোক জীয়াই ৰাখক। মোৰ মা দেউতা কোনো নাই। মই অকলশৰীয়া। ঘৰো নাই মোৰ। ইঘৰত এদিন সিঘৰত এদিন কাম বন কৰি ফুৰো। মোক নামাৰিব।"

ম্যুং খমত থকা পাচৰ আটাইকেইদিন মনেঙে আহি ছেং কনক লগ কৰিছে। ছেংকনক নগা সকলে বনোৱা না না খাদ্য আনি খোৱাইছেহি। তাই বৰ ভাল পায় ছেংকনক। ছেংকনৰ হাতত ধৰি তাই বহু সময় পাহাৰৰ জুৰিলৈ চাই তন্ময় হৈ বৈ থাকে। তাই ছেংকনক এৰিব নোৱাৰে। ছেংকনৰ লগতেই তাই মৰিব। লগতে যাব। তাই খনে মনে থিৰাং কৰিলে।

যাবৰ সময় হ'ল। ছেংকনে মনেঙৰ পৰা বিদায় মাগিছে। মনেঙে ছকছকাই কান্দি উঠিছে। তাই কেনেকৈ এৰি পঠাই ছেং কনক। যিয়ে তাইক প্ৰাণ বচাইছে। কাটিব লোৱা মানুহজনীক প্ৰাণ বচাইছে। কাটিব লোৱা মানুহজনীক জীয়াই ৰাখিছে, মৰম দিছে। কেনেকৈ এৰে তাই জীয়াই জীয়াই মৰিব তাই। তাইৰ কোমল হাতৰ পৰা তাৰ হাত দুখন এতিয়াও জীয়া হৈ আছে। সৰু সৰু চকুজুৰী। হৰিণাৰ নিচিনা মৰমলগা চাবনি। কি লাবনি বুকু। গোলপীয়া গাল, ওঠ। ছেংকনৰো অৱস্থা তথৈবচ। বেচ মৰম উপজিলে তাৰ। ছেং কনৰো এনেকুৱা এজনি ভনীয়েক আছিল ম্যুং মাওৰ চে ৰানত। নাম পাত নদীৰ পাৰতে তাৰ ঘৰ। ম্যুং বানলৈ তাইৰ চকলং হোৱাৰ কথা আছিল। এনে সময়তে সি ছ্যুকাফাৰ দলত আহিল নতুন দেশ গঢ়িবলৈ। হায়। আজি তাইৰ বা বিয়া চকলং হলনে নাই। মাক নাই। মৰিল বহুদিনৰ আগতেই। বুঢ়া বাপেক আছিল মাত্ৰ। তাৰ বুকুখন খুন্দা মাৰি ধৰিলে। ওহো সি মনেঙক এৰিব নোৱাৰে। সি নিবই লগত। হওঁক খাং হ'লে কি হ'ব। বিয়া কৰিলেই জাতত উঠিব। নাই মনেঙক সি এৰিব নোৱাৰে। মনেঙক সি লৈ যাব।

দৌৰা দৌৰি কৰি ম'লুং এজনক কলেগৈ তাৰ মনৰ কথা। ফু কিন ম্যুঙকো সি সুধিলেগৈ। তাৰ অনুনয় বিনয় দেখি ফু কিন ম্যুঙেও বিয়াখন পাতিবলৈ অনুমতি দিলে।

ম'লুঙে খন্তেকতে চমুৱাই এশ এগছ চাকি জ্বলাই হেংদাং চোৱাই দুয়োৰে চকলং সমাপ্ত কৰিলে। মনেঙ ৰক্ষা পৰিল। গাঁৱৰ পৰা বিদায় লৈ মনেঙে তাইৰ দলত যোগ দিলে। বিয়া কৰাৰ পাচত তাইৰ নাম হ'ল নাং ম' খাম। অৰ্থাৎ তাই ভাষাৰ নাম দিয়া হ'ল। খাং সকলেও মনত আনন্দ পালে। চাম মানুহবোৰক বন্ধু যেন লাগিল খাংসকলৰ।

কি আনন্দ মনেঙৰ। তাই মনৰ মানুহ এটা পালে। পাহ্বাল ডেকা। হাবিৰ গছৰ তলতে পাতবোৰ পাৰি হ'লেও তাৰ লগত শুবলৈ পাব। সি মনৰ মানুহ। হওঁক তাই জাতি। কি হ'ব। আমি মানুহ। মানুহৰ জাত আমি। মানুহ।

ছ্যুকাফা আগবাঢ়িল। পূবাৰ পৰা দুপৰীয়ালৈ মানুহবোৰ লানি নিছিগাকৈ আগবাঢ়িল। হাবিতলীয়া বাটটো ধূলিৰে পৰিপূৰ্ণ হ'ল। বোজাই কৰা ঘোঁৰাবোৰে চিঁ চিঁ কৰি চিঞৰিব ধৰিলে। গৰুবোৰে হেম্বেলিয়াব ধৰিলে। ম'হ বিলাকে বোজা বব নোৱাৰি অঁহ অঁহ কৰি বেবাব ধৰিলে। ম'হৰ ডিঙিৰ কাঠৰ টিলিঙা কতলং বোৰ কত লং কত লং কৰি বাজিব ধৰিলে। ম্যুং খ্ৰমৰ আকাশ ধূলি ধূসৰিত হ'ল।

যাত্ৰা আৰম্ভ হ'ল। এইবাৰ দ্ৰুত গতিৰ যাত্ৰা পথৰ নিৰ্দেশণা পোৱা গ'ল। সমুখত নতুন ম্যুং গঢ়াৰ সপোন। এখন বিশাল ৰাজ্য। বিশাল ধান খেতিৰ পথাৰ। সোণালী ধাননী। কি সুন্দৰ। হালধীয়া সৰিয়হনী। গঢ়ি তুলিব সুন্দৰ। শস্য শ্যামলা পথাৰ। পথাৰ। পথাৰ।

দুৰৰ পাহাৰীয়া টিলা এটাৰ পৰা ছ্যুকাফাই ঘুৰি চালে পিছলৈ-হায় ইমান সুন্দৰ ঘৰবোৰ সপোন পাহাৰৰ দৰে পাহৰিব খুজিছো। এৰি আহিছো পৰিত্যক্ত কৰি। কিন্তু যাত্ৰাৰ এতিয়া যেন আৰম্ভহে হৈছে।

তেইশ

এদিন সম্পূৰ্ন খোজ কাঢ়িলে মানুহবোৰ, পুৱাতেই যি খাই খাই ললে। সেয়াই খোৱা। আগদিনা ৰাতিয়েই সকলো মানুহে খাও নেও বৰা ভাত চেৱা দি থৈছিল। কিছুমানে বিজুলি বাঁহত খাও মাই লাম অৰ্থাৎ চাউল চুঙা বনাই থৈছিল। দুপৰীয়া সেইবোৰকে গছৰ তল, মুকলি আকাশ শিলৰ ওপৰত বহি মানুহবোৰে খালে। বাটত দুখনমান নগা খাঙৰ গাঁও পাইছিল যদিও সৰু গাঁও, তেওঁলোকে কোনো প্ৰতিবন্ধকতাৰ সৃষ্টি কৰা নাই। বাটত ম' ছ' গাঁৱো দুখনমান পালে। নিৰ্জু মানুহ ম' ছ'। পাহাৰৰ নামনিত দহঘৰমান থকা এখন তাই গাঁও পাইছিল। তেওঁলোকে ছ্যুকাফাৰ দলটো দেখি তাই মানুহ বুলি জানিব পাৰি অকলে থকাতকৈ লগত গৈ ৰাজ্য খাব বুলি জোমত সুমাই দিলে। পলকতে ভাত সিজাৰ সময়তে ঘৰ বাৰী এৰি কাপোৰ কানি বান্ধি বয়বস্তু গছ পুলি তাঁতশাল, কাঁহী বাতি, মহৰ পিঠিত লাডি ওলাই আহিল।

ছ্যুকাফাৰ মানুহ বাঢ়িল। গধূলী আহি লং মি চে কাও নামৰ এখন গাঁও পালেহি। পাহাৰীয়া গাঁও। ৰাস্তাটো কিছু পাহাৰীয়া আছিল। হাবি বন বৰ ডাঠ। শিমলু, হেঙালু, গন্ধখৰৈ, আদি না না গছ আৰু বাঁহ বাটত ঠাঁহ খাই আছে। বাটে পথে নুক কাকে, নুক কন আদি চৰাই দেখা পোৱা গৈছিল। ছ্যুকাফাই এই গছ বন চৰাই চিৰিকতি সকলো অধ্যয়ন কৰি গৈছিল। বহুতো কেঁচুৱা মাকৰ বোকোচাত শুই লেত কেত দিছিল। যাৰ ভৰিবোৰ খোজত ফাটিছিল তেওঁলোকক ঘোঁৰাত উঠাই দিয়া হৈছিল। ন দহ বছৰীয়া লৰা ছোৱালীও কিছুমান ঘোঁৰাত উঠাই লৈছিল। বাটত আহোতে বহুতৰে লৰা ছোৱালীৰো জন্ম হ'ল। বহুজনৰ বয়স তেৰ বছৰেই পুৰা হ'ল। বাটতেই সিঁহত ডাঙৰ হ'ল। বাটতে শিকিছে সিঁহতে আখৰ লিখিবলৈ, নাচিবলৈ, গাবলৈ, মাছ মাৰিবলৈ, যুদ্ধ কৰিবলৈ, নাও বাবলৈ, ঘোঁৰা চলাবলৈ।

লগত অহা মানুহৰ পৰিয়ালৰ পঞ্চাশজনীমান ছোৱালীয়েই জন্ম হ'ল। তাৰে বিশজনীমানৰ বয়স প্ৰায় চৈধ্য বছৰেই পুৰ হ'ল। দহ জনীমানৰ পোন্ধৰ যোল্ল বছৰ হ'ল। ওঠৰ উনৈশ বছৰীয়া ডেকাৰ পৰা পঁচিশ বছৰীয়া ডেকাৰ মাজত এই নং চাও

গাভৰুবোৰৰ চেনেহ আদায় কৰাত প্ৰতিযোগিতাৰ দৰেই চলিল। কোনে কাক কিমান বুদ্ধিৰে আকৰ্ষণ কৰিব পাৰে - বুদ্ধিৰ পাচত বুদ্ধি খটাব ধৰিলে। নিজৰ বীৰত্বৰে আকৰ্ষণ কৰিবলৈ একেঘাপে এডাল বাঁহ কটা, দ্ৰুত গতিৰে নৈত সাঁতুৰি পাৰ হোৱা, বেছি সময় পানীৰ তলত বুৰ মৰা, বায়ুবেগেৰে ঘোঁৰা চলোৱা আদি কামত নিজকে ডেকাবোৰে নিয়োজিত কৰিলে।

ফ্ৰালুং খুন তনৰ জীয়েক নাং য়ে হমৰ চিৰি চেহেৰা দেখি সকলো ডেকা পাগল হৈ পৰিছে। দীঘল চুলি টাৰি য়েহ্‌'মৰ। মুখখন ৰবাব টেঙাৰ দৰে গোল। সাঁজ কাটি থোৱা মুখ চকু। গোলপীয়া গাল। বৰহমথুৰী লগোৱা ৰঙা ওঁঠ। ওঠন গোল বুকু। লোদোৰ পোদোৰ হাত ভৰি। কলা নীলা বৰণীয়া মেখেলাখন পিন্ধি, গাত কিলাকুটিলৈ আৰু কঁকাললৈকে ঢকা ফাচু কলা চোলা আৰু গাত পেলাই লোৱা বগা ফামাই চাদৰ খনেৰে নাং য়েহম দেবী যেনেই ভাবিছে ডেকা মখাই। ফালুং খুন তন ওখ খাপৰ মানুহ বাবে সকলোডেকাই তাইক ঢুকিও পাব পৰা নাই। তথাপি তাই যেন ডেকাবোৰৰ চকুৰ টোপনি হৰি নিলে।

লং মি চে কাওত.কৌপাত কলপাতেৰে প্ৰথম ৰাতিটোৰ বাবে অস্থায়ী শিবিৰ পাতিলে। মানুহ বোৰে এক পলকতে গছপাত নল খাগৰী, কৌপাত ঢেকীয়া বাঁহ বিচাৰি অস্থায়ী শিবিৰ বোৰ বনালে। ছুকাফা আৰু ৰাণী ৰাজকোঁৱৰ সকললৈ এৰিয়া কাপোৰ চিলাই বাঁহৰ ঘৰত পেলাই তৎক্ষনাত একোটিহঁত সৰু ঘৰ নিৰ্মাণ কৰা হ'ল। সম্ভৱ হোৱা সকলে চাঙো বনাই ললে। ৰাতি মতংবোৰৰ বাহিৰেও কাক্‌ বাঁহৰ চুঙাত ভাত সিজাই চাহ পানী বনাই খাই শুই থাকিল। কমেও তিনিশ মানুহে সজাগ হৈ গোটেই ৰাতি পহৰা দি থাকিল।

লং মি চে কাওত সাত দিন থাকি কিছু ইফাল সিফাল পৰ্যবেক্ষন কৰি তেওঁলোক পুনৰ যাত্ৰা কৰিলে। তেওঁলোক পুনৰ এবেলা খোজ কাঢ়ি আহি ম'লা খ্ৰং পালেহি।

ম'লা খ্ৰুঙতো তেওঁলোকে চাৰিদিন জিৰনি ল'লে। তাতো অস্থায়ী ঘৰ। গৰু গাই মহ হাতীক খোৱাই বোৱাই পুনৰ মানুহবোৰে যাত্ৰা কৰিলে।

এদিনৰ বাট। ম্যুং ম পালেহি। পুৱাতে খোজ পেলাই আবেলি পালেহি। বাটত সৰু সুৰা তিনিটা পাহাৰ পাৰ হ'ল। হাবিত হাতী বাঘ ভালুক পহু বহু জন্তু থকাৰ কথা গম পালে। তেওঁলোকে বোকাময় পিতনি এখনত বহুবোৰ গড়ো দেখা পালে।

ম্যুং ম'ত দহখনমান তাই গাঁও আছিল। প্ৰতি গাঁৱত কমেও বিশ ঘৰ মান মানুহ। মুঠ মানুহ গাঁও কিখনত ২ হেজাৰমান হ'ব। মাত কথা ছুকাফাৰ ম্যুং মাওৰ মানুহৰ দৰেই। একেই তাই ভাষা। খাদ্য ঘৰ বাৰী বয় বস্তু সকলো একেই। পিনং তেওঁলোক।

অস্থায়ী শিবিৰ বনাই থাকিল যদিও গাঁও কিখনত কমেও সাতদিন উৎসৱৰ দৰে হ'ল। সকলোৱে মিলি জুলি খোৱা বোৱা নাচ গীত মাত ফুৰ্তি কৰা হ'ল। সাতদিনৰ ভিতৰতে কেবাজনীও ছোৱালী ছ্যুকাফাৰ দলৰ ডেকাৰ প্ৰেমত পৰিল। ঘৰৰ বাধাৰ স্বত্বেও তাৰে কেবাজনীও সিঁহতৰ লগত বিয়া হ'ল। গাঁৱৰ হ' ফীত মহ্ বিশটামান মাৰি পূজাও পতা হ'ল। গাঁওখনৰ মলুংসকলৰ লগত ছ্যুকাফাৰ মলুংসকলেও পূজাত যোগ দিলে। খেক লাই বিধি সমূহো একেই। ম্যুং ম'ৰ কিছু তাই মানুহৰ মাজত অৱশ্যে মানসকলৰ শব্দ দুটা এটা সুমাইছে। দুই একে মানসকলৰ নিচিনা লুণ্ডি ফানুঙো পিন্ধিছে। ছ্যুকাফাৰ কোনো মানুহে মানসকলৰ দৰে লুণ্ডি ফানুং নিপিন্ধে। ম্যুং মৰ দুই একে মান সকলৰ দৰে লুণ্ডি পিন্ধা দেখি ছ্যুকাফাৰ লগৰ মানুহে ফু খ্ৰিং (মাইকী) বা লু ফাং (মুচলমান) বুলি হাঁহিছিল। এই সুত্ৰে দুখনমান কাজিয়াও হ'ল। কিন্তু ছ্যুকাফাৰ লগত অহা মলিকসকলে তেওঁলোকক মান আৰু তাইসকলৰ পাৰ্থক্যৰ কথা বুজায় দিলে। তাই সংস্কৃতি পোচাক পৰিচ্ছদ বচাই ৰাখিলেহে তাই হ'ব। নহ'লে তেওঁলোক পিনং হ'ব নোৱাৰিব। বহুদিন মান সকলৰ লগত মিল্লি থকাৰ বাবে লুণ্ডি পিন্ধিবলৈ ধৰিছিল তেওঁলোকে। মানৰ দৰে পেগুদাও বনাইছিল।

সাত দিনমান ম্যুং ম'ত থাকি ম্যুং খম আৰু ম্যুং পানত এবেলা এবেলা খোজ কাঢ়ি আহি দুৰাতি দুৰাতি জীৰাই গ'ল। এইবোৰো সৰু সুৰা তাই গাঁও। বেছি মানুহ নাছিল ২০০ জন বা ৩০০ মানহে মানুহ মাত্ৰ।তেওঁলোকৰ চাৰিওফালে পাহাৰত খাংসকল। মাজে মাজে তিনিঘৰ চাৰিঘৰ মান মানুহ আছে। মাজে মাজে বাটত ত্ৰা ভাষা বা সংস্কৃতৰ অপভ্ৰংশ কোৱা মানুহো ছ্যুকাফাৰ দলে পাইছে। সম্ভৱ এইবোৰ মানুহ ম্যুং বৈচালীৰ পৰা হাতী চীকাৰ কৰিবলৈ আহি ইয়াতেই বহি গৈছে। তেওঁলোকেও অৱশ্যে নগা আৰু তাই ভাষা কবলৈ জানে। পিন্ধনত তাই মানুহৰ নিচিনা। ঘৰো চাং। হাঁহ, কুকুৰা, মহ, গাহৰি সকলো খাব পাৰে। কিন্তু মানুহবোৰৰ চালবোৰ তাইসকলতকৈ আন্ধাৰ।

ম্যুং ফাকে চে ৰিনত

ম্যুং পানৰ পৰা পুৱাৰ পৰা আবেলিলৈ খোজ কাঢ়ি ছ্যুকাফা আৰু দলৰ মানুহবোৰ ফাকে চিৰিন নামৰ ঠাই পালেহি। ইয়াক ম্যুং ফাকে চে ৰিন বুলিও কোৱা হয়।

ফাকে সকলো ম্যুং মাও লুঙৰেই তাই মানুহ। তেওঁলোক ম্যুং মাওৰ পৰা বহু দিনৰ পূৰ্বেই আহি তাত থিতাপি লৈছেহি। ফাকে সকলৰ মাজত 'হো লিক বাই' নামৰ এখন তাই ভাষাৰ পুথি ছ্যুকাফাই দেখা পাইছিল। ম'লিক এজনে পুথি (লিক) খন ছ্যুকাফাক

পঢ়ি শুনাইছিল। তাত লিখা আছে তেওঁলোক কেনেকৈ আহি ম্যুং ফাকে চেৰিন পালেহি। তেওঁলোকৰো কিছুলোক বোলে খুন লু চ্যেওৰ লগতেই আহিছিল। ম্যুং মাওৰ পৰা তেওঁলোক ম্যুং ৰি ম্যুং ৰামৰ পৰা অহা তাই নেতা খুন লু চ্যেউৰ লগতে বান তুকৰ ফালে আহিছিল। ম্যুং ফাকে চে ৰিনৰ ৰাজ্যখন উত্তৰে দয় কাও ৰং, পূবে ম্যুং খামতি লুং আৰু দয় লাংতা, দক্ষিনে ম্যুং কুঙৰ পশ্চিম সীমাৰ জম বুবুং নামৰ ঠাই আৰু পশ্চিমে দয় হা কাং হা মে। অৱশ্যে এওঁলোকৰ সকলো মানুহ ফাকে চেৰিনতেই নাই, বহু লোক ম্যুং কুঙতো আছিল। তদুপৰি তেওঁলোকৰ একেলগে মাও লুঙৰ পৰা ফাটি অহা গোট মে তুৰুং তাৰাম আৰু মে চিলিপ নদীৰ মাজৰ হুকং উপত্যকাতো আছিল। উজনী দিহিং নদীৰ ওপৰৰ ম্যুং কুঙ তাত নামৰ ঠাইতো এওঁলোকৰ থালৰ ম্যুংমাও তাই বসতি কৰিছিল। মাজে মাজে এঘৰ দুঘৰ বোলে মুং মাওৰ পৰা আহি থাকে বুলি ছ্যুকাফাই উমান পাইছিল।

ছ্যুকাফাই দেখিছিল যে ফাকে চে ৰিনৰ তাই সকলে কান্ধত ফুলবচা থোং এটা অনবৰতেই ওলমাই ৰাখে। পুৰুষসকলে কঁকালত এখন দা। মহিলাই মূৰত বগা ফা হু। তেওঁ লোকৰ মাজতো ধান খেতিৰ সজুলী চেং থেং (জবকা), কান (বিৰিয়া), ক্লাং চই (ওখোন), ৰি খাও (ডাঙৰ ডলা), খুং (চালনি), পান পুং খাও (ভাত লৰোৱা ডলা), ওপ কিন খাও (ভাতৰ শৰাই) এপ (বাঁকচ) আদি তাই শব্দ প্ৰচলন আছে। ছ্যুকাফাই মহিলা এগৰাকীক তাঁতশাল এখনত না না প্ৰশ্ন কৰিলে। তাঁতশালৰ সজুলি সমূহ প্ৰায় একেই পাইছিল। ছ্যুকাফাই গম পোৱা মতে তেওঁলোকৰ দৰেই এই তাই সকলেও মাই কিপ ম্যু, মাই য়েপ কি, মাই লে মান, কৌং বাই আদি নামেৰে মাতে।

ছ্যুকাফাই এই দৰে ম্যুং ফাকেত ইফালে সিফালে চাওতে দূৰত শুনিলে এগৰাকী ফাকেৰ মহিলাই গীত গাইছে-সুললিত সুৰ।

ক তি ছং কাও হাও হা
বাই তি না নিন পেং, চেত চা কই ৰাই।
পয় কত পি মুন হাও হো
হক ক য়িং লুম পেন কই
ক'ত চং কাই হই য়ে,
বাই তি না চিত চা নি পেং।
পাই কত পে মুন হো খাও ফ্যক্
থু যুক, য়ু লুম পে য়াও।

এৰা তেওঁলোকে গাইছে " তুমি মই অকলে অকলে মিলিত হোৱা ঠাই টুকুৰা

দুয়ো দুয়োকে নেৰোঁ বুলি প্ৰতিজ্ঞা কৰা ঠাই টুকুৰা পাহৰি নাযাবা। যদিও আমাৰ মিলন নহ'ল, চুলি পকি গ'লেও পাহৰি নাযাবা।" ম্যুং মাওতো এনে গীত এতিয়াও গায়েই আছে ম্যুং মাও মহিলাই। এওঁলোকো আমাৰ লগৰে মাও তাই। একেই পিনং।

ছ্যুকাফাৰ দলৰ ডেকা লৰা বোৰে ফাকে ছেৰিণৰ জীয়ৰী ছোৱালী বোৰৰ লগত পিৰিতি কৰাও দিন ৰাতি একাকাৰ কৰিলে। আনকি থাও ম্যুং সকলৰো হকা বাধা নমনা হৈছে। উপায় নাই দুৰলৈ যাব। ক'তবা আপোন মানুহ পায়। ইয়াৰেই দুই এজনী নাং চাও গাভৰু নিব ইইঁতে। আও মে আও লুং, আও মে চকলং। নিলেও নিয়ক। ছ্যুকাফাই সকলোকে পৰামৰ্শ দিলে। নিয়ক মানুহ বৃদ্ধি হ'ব। নতুন ৰাজ্যত নতুন ম্যুঙত খেতি খোলা কৰিবলৈ মানুহ সৰহ হ'ব।

ফাকে চে ৰিনত পোন্ধৰ দিনমান থাকিল। ফাকে চে ৰিনত কমেও দুহেজাৰ মান তাই মানুহ আছিল। তেওঁলোকৰ মহিলাসকলৰ মূৰতো বগা ফাহ। ছ্যুকাফাৰ মানুহবোৰ ফা ৰু বুলি কয় যদিও ফাকে সকলে ফাহ বুলি কোৱা ছ্যুকাফাৰ পৰিলক্ষিত হৈছে। এনেদৰে দুই এটা শব্দৰ বাহিৰে বাকী সকলো বোৰ একে। ছ্যুকাফাৰ দলৰ মানুহৰ দৰে তেওঁলোকেও ফী পূজা পাৰ্টল কৰে। তেওঁলোকে দামক 'নাম' বুলি কয়, কিন্তু দামক ছ্যুকাফাৰ দলৰ দৰেই পূজা দিয়ে। হ' ফী ঘৰবোৰ গাঁৱৰ সকলোতে আছে। তাই মাওসকলৰ দৰেই তেওঁলোকৰ পুথিও একে। আখৰো একে। কোনো পাৰ্থক্য নাই। সকলো পুথি পাঁজী ছ্যুকাফাৰ লগত থকাৰ দৰে একে। ফেলুং ফে বান, মে নাম মে ফী, ৰিকখুন বা হিক খুন আদি সকলো পূজা পাটল একে। ৰ আখৰটো তেওঁলোকে ছ্যুকাফাৰ দলৰ মানুহে লিখাৰ দৰে লিখে।

ফাকে চে ৰিনত ছ্যুকাফাৰ এজন ডেকাই কেবাজনী ছোৱালীৰ চেনেহত পৰি দলত আগবাঢ়িবলৈ অমান্তি হ'ল। গোচৰ গৈ ছ্যুকাফাৰ ওচৰত পৰিল। কিন্তু তাই ফাকে ছোৱালীজনীয়ে মাটিত পৰি পৰি ৰাউচি জুৰি কান্দিব ধৰিলে। বাধ্যত পৰি ছ্যুকাফাই ডেকাজনক ছোৱালী জনীৰ লগত বৈবাহিক জীৱন যাপন কৰিবলৈ সন্মতি দিলে। সি অকলেই থাকি গ'ল। উপায় হীন হৈ ছ্যুকাফাই ডেকাজনক ফাকে চে ৰিনৰ ফু কিন ম্যুং পাতি গ'ল। তেওঁৰ লগত আৰু মানুহ ১০ জন দি গ'ল। ম্যুং মাওলৈ অহা যোৱাৰ বাটঘৰ হিচাবে প্ৰতিষ্ঠিত হ'ল। অৱশ্যে বিশজনমান ডেকাই ম্যুং ফাকেৰ ছোৱালী আও মে চকলং কৰি দলতেই লৈ আগবাঢ়ি গ'ল।

ম্যুং ফাকে চেৰিন-দয় পাত তু লুং- ৰিন পেন ম্যুং দেন- নাম তি লিক-কাং তাই

ফাকে চে ৰিনৰ পৰা ৰাতিপুৱাই গৈ এবেলাতেই পাত তু লুং পৰ্বত পাৰ হ'ল। দুপৰীয়া অলপ জিৰাই টোপোলা ভাত খাই পুনৰ খোজ পেলাই ৰিন পেং ম্যুং দেং পালেহি। তাতে ৰাতি পুনৰ শিবিৰ পাতি থাকিলে।

ওচৰৰ পাহাৰৰ টিঙত দুখন নগা খাং গাঁও দেখিলে ছ্যুকাফাৰ মানুহে। নগা গাঁৱৰ পৰা আক্ৰমনো হ'ব পাৰে। যুদ্ধাৰু জাতি নগা খাং সকল। বশ্যতা স্বীকাৰ নকৰে। অতি স্বাধীন চেতিয়া মানুহ। পাহাৰৰ ওপৰত থাকি ভাল পায়। অৱশ্যে অকল পাহাৰৰ টিঙতেই নহয়, সমতলতো থাকে তেওঁলোক। জাঠি আৰু দাৰ ব্যৱহাৰ বেচি।

ছ্যুকাফাই জানে। ছুকাফাৰ দলৰ মানুহেও জানে, অৱশ্যে সকলো ডেকাই নাজানে। ক'বলৈও সময় হোৱা নাই। সম্ভৱ হ'লে মেল এখন পাতিব লাগিব বুলি ভাবিলে ছ্যুকাফাই। নগা খাং সকলে মুৰ কাটি লাওখোলাটো ঘৰৰ দুৱাৰ মুখত ওলমাই থয়। এয়া তেওঁলোকৰ বীৰত্বৰ চিন। খাংসকলৰ ওখ ওখ জোঙা চাং জুইৰ ধোৱাত ৰিণিকি ৰিণিকি ঘৰবোৰ দেখিছিল।

কটকটীয়া পহৰাৰ ব্যৱস্থা কৰিলে।

ওচৰৰ হাবিত জপ কৰি কিবা এটা পৰা যেন অনুমান কৰিলে প্ৰহৰী মুনকানে।

"সেয়া কি ?" ফুচফুচাই মুনকানে ক'লে বানদাওক।

" একো নহয় হ'বলা, গছৰ গুটি চাগে", বান দাওৰ উত্তৰ।

"উহুঁ; মানুহ হ'লে সৰ্বনাশ।" ইমানবোৰ কষ্ট কৰি আগুৱাই আহিলো। তাতে আমাৰ মানুহ আজি ভাগৰি পৰিছে। শুই নিঃ পালি দিছে।

"ঐ লাতিমা, শুন শুন, তই সোঁফালে যা, হেংদাংখন উলিয়াই ল', মই বাওঁফালে যাওঁ।" মুনকানে লাতিমাক নিৰ্দ্দেশ দিলে।

সন্তৰ্পণে সিহঁত তিনিওটাই পৰ্যবেক্ষণ কৰিলে। নাই একো নাই। কোনো মানুহ নহয়। এটা বাদুলিহে আহি ঢাপকৈ গছৰ ডালত পৰিল।

সিহঁতে স্বস্তিৰ নিশ্বাস পেলালে। তথাপিও ইটোৱে সিটোক কানে কানে কৈ সমগ্ৰ শিবিৰৰ মুখে সকলোকে আগন্তুক বিপদৰ বাবে সাজু কৰি ৰাখিলে।

মানুহবোৰে টুপুলা টাপলি খোলাই নাছিল। অতি অস্থায়ীভাবে ৰাতিটো কটালে। পুৱাতেই সকলো উঠি বেলি ওলোৱাৰ কিছু পাছতে ওচৰৰ জুৰিবোৰত ৰাতিপুৱাৰ কৰ্ম কৰি আগদিনা সিজোৱা খোৱা খাও ন্যেও বোৰ খাই খোজ পেলালে।

এবেলাত পা তু লুং পৰ্বত পাৰ হ'ল। বেছি ওখ নহয়। এঢলীয়া পাহাৰ। জুৰি এটাৰ কাষে কাষে খোজ দিব পৰা মুকলি ঠাই আছে। মানুহ অহা যোৱা কৰে। কিন্তু বৰ ভাল নহয় বাটটো। খাং সকলে ওপৰে ওপৰে বাট লৈছে। কিন্তু ছ্যুকাফাৰ মানুহবোৰে কিছু ন বাট উলিয়াই খোজ কাঢ়িলে। সৰু লৰা ছোৱালীবোৰেও পাহাৰ বগাবলৈ পাই বেয়া নাপালে। পাহাৰ বগোৱাৰ সুযোগতে ডেকা লৰাবোৰে ভাল পাব বিচৰা ছেং নাং হঁতৰ ওচৰ চাপি হাতত ধৰি টানি পাহাৰ উঠা নমাত সহায়ৰ হাত আগবঢ়াইছেগৈ। বয়সস্থ সকলে ডেকাবোৰৰ কাণ্ড বোৰ চাই নইঁহাঁকৈ থাকিব নোৱাৰা হৈছে। কোনোৱাই কাৰোবাক বেয়া পালেও সেই সময়ত বিশেষ প্ৰতিবাদ কৰা নাই। তেওঁলোক একে পথৰে যাত্ৰী। একে দলৰে মানুহ। একে ভাত একে মাত একে তেজ মঙহৰ বঙহ। তেওঁলোকৰ মাজতেই ৰংহাই হাই হাই খাই খাই খন লাগিলে তেওঁলোকে কিদৰে দেশ জিনিব। বান্ধ খাবই লাগিব তেওঁলোক একেডাল চাইৰে -ডোলেৰে।

একে দিনাই তেওঁলোকে ৰিন পেন ম্যুং দেন পালেহি। ৰিন পেন ম্যুং দেনত তেওঁলোকে দুপৰীয়া কিছু জিৰণি লৈ ওচৰৰ নিজৰা এটাত পানী আদি খাই আগদিনা সিজোৱা খোৱা খাও ন্যেও বোৰকে খাই ললে।

আকৌ যাত্ৰা। দুখ ভাগৰ সকলোৰেই লাগিছে। লাগিলেও লাগক। সোনকালেই পাবগৈ লাগিব গন্তব্য স্থান। এয়া তেওঁলোকৰ কৰ্ত্তব্য। ভাগৰিলে কোনেও তেওঁলোকক সহায় কৰি নিদিব। লৰা ছোৱালী সকলোৰে মনত উদ্যম জাগি উঠিছে। নতুন মাটি, নতুন দেশ। কেঁচুৱা লৰা বোকোচাত লোৱা মাতৃ সকলেও আপত্তি কৰা নাই। যথা সম্ভৱ সকলোৰেই কান্ধত ভাৰ ভেটিও লৈছে। মহৰ পিঠিত গধুৰ বোজা হোৱা বিলাকে মন নকৰিলেও সিহঁতক মৰম কৰি আগবঢ়াই নিছে। গৰুবোৰেও একো আমনি কৰা নাই। হাঁহ কুকুৰা বোৰ খাঙে খাঙে ভাৰ কৰি লৈ যোৱা হৈছে। দিনটো খাবলৈ নাপালেও সিহঁতে আমনি কৰা নাই। যেন সিহঁতেও বুজিছে যাত্ৰা দ্ৰুত ভাৱে কৰিবই লাগিব।

আবেলি নামতি লি ক নামৰ সৰু নৈ এখনৰ উপত্যকা অঞ্চল পালেগৈ। তিনিখন মান ডাঙৰ গাওঁ বহিব পৰা ঠাই। দুয়োফালে পাহাৰ। নৈ খন দ নহয়। একাঠুমান পানী। নিজনি পানী। শিলাময়। পাৰ কিটাত শিল বালি আছে যদিও, উৰ্বৰা, ঘাঁহনীৰে ভৰা।

সেই ৰাতিটো তাতেই জিৰণি লোৱা ভাল হ'ব বুলি ছ্যুকাফাই সিদ্ধান্ত কৰিলে। ঘাঁহো আছে। গৰু মহ বিলাকে ভালদৰে পেট পুৰাই ল'ব পাৰিব। পাহাৰৰ ওপৰতো

কলগছ অসংখ্য আছে। হাতী কিটাইও ভালদৰে খাই লবলৈ পাব। দৃশ্যও মনোৰম। ফটফটীয়া আকাশ। চাৰিওফালে চৰাই চিৰিকতিৰে ভৰা। নাম তিলিক অসংখ্য সৰু বৰ পাহাৰীয়া মাছে পিত পিতাই ফুৰিছে।

মুহূৰ্তৰ ভিতৰতে কৌপাত কলপাত বাঁহ কাঠ আদিৰে অস্থায়ী শিবিৰবোৰ বনাই পেলোৱা হ'ল। কেঁচুৱা লগা মাক বিলাকে বোকোচাৰ পৰা কেঁচুৱা নমাই মনোযোগেৰে সন্তানক পিয়াহ খোওৱাত ব্যস্ত হৈ পৰিল। ফুকলীয়া লৰা ছোৱালীবোৰে পানীত নামি বিভিন্ন উপায়েৰে মাছবোৰ ধৰিবলৈ লাগিল। ঘোঁৰা চোৱা ছে ৰু মা সকলে ঘোঁৰাবোৰ তদাৰক কৰাত মনোনিবেশ কৰিলে।

ছুকাফা আৰু ৰাণী সকল আৰু ৰাজকোঁৱৰ সকললৈ এটা আচুতীয়া চাংঘৰ তৎক্ষনাত বনাই পেলোৱা হ'ল। তেওঁলোকৰ ৰজাক কেতিয়াও মাটিত শুবলৈ বহিবলৈ নিদিয়ে তেওঁলোকে। তেওঁক সদায়েই ওপৰ আসনত ৰাখিব লাগিব। কৌপাত কলপাত, জেঙৌ পাত ঢেকীয়া আদিৰেই ৰজাৰ ঘৰটো কাৰেঙৰ দৰে সৰ্জ্জিত কৰিলে। ছুকাফাক সসন্মানেৰে নতুন ঘৰত বহুৱাই সকলোৱে খুপবাই সেৱা কৰিলে।

মতঙত ছেৱা ভাত, বাঁহত খাও মাই লাম, কৌপাতত মাছ পাতত দিয়া আদি না না ধৰণে ৰাতিটোৰ বাবে তেওঁলোকে এসাঁজ খালে আৰু ৰাতিয়েই অসংখ্য খাও মাই লাম পুৰি পাচদিনাৰ বাবে খাদ্য সাজু কৰি ৰাখিলে।

ৰাতি নিজম পৰিল। পাহাৰীয়া চৰাইৰ চিঞৰ, বনৰীয়া পহুৰ চিঞৰৰ বাহিৰে একো নাছিল শব্দ। গভীৰ নিৰ্জনতাত পহুৰ চিঞৰবোৰ ম খামৰ দৰে সুললিত হৈ উঠিছিল।

ডেকা ফু ছেঙৰ ৰাতিটো টুপনীয়েই নহ'ল। সি এৰি অহা নাং আমলৈ মনত পৰিল। আজি তেৰ বছৰ পাৰ হ'ল। নাং আমক সি এৰি আহিল। তেতিয়া তাৰ পোন্ধৰ বছৰ আছিল। এতিয়া তাৰ আঠাইশ বছৰ পাৰ হ'ল। আজিও সি কোনো ছেং নাঙলৈ চকু দিব পৰা নাই। সত যোৱা নাই। নাং আম জনীয়েও যদি আজিও বিয়া সোমোৱা নাই। সি ভাবিছিল সোনকালেই ন ৰাজ্য পাবগৈ। নতুন ৰাজ্যৰ পৰা ঘুৰি আহি ম্যুং মাওৰ পৰা নাং আম্‌ক বিয়া কৰাব। কিন্তু হায়। আজিও পোৱা নাই নতুন দেশ, নতুন ৰাজ্য। সি আৰু কেতিয়াও বিয়া নকৰাই। নাং আমলৈ মনত পৰি সি মনে মনে চকুলো টুকিলে। কিমান

মৰম কৰিছিলে সি নাং আম জনীক। প্ৰথম কুকুৰাৰ ডাকতে মহৰ পিঠিত উঠি সি নাম খাওৰ পাৰলৈ মহ চৰাবলৈ গৈছিল। সি ৰাতিয়েই গাইছিল-ৰই ছেং না ৰই। অই চেনাই তিএই, মাখি হৈ পৰিমগৈ তোমাৰে নো গালত ৰ ৰ ৰ ই ই। নাং আমে তাৰ দীঘলীয়া ম খাম বিচনাতে শুনিছিল। আৰু ভালকৈ শুনিবলৈ তাই প্ৰথম কুকুৰাৰ ডাকতে ঢেকী শাললৈ আহিছিল, চোতাল সাৰিছিল। হায় নাং আম। তোমাক আৰু কত পাম। সি ভাবি ভাবি গোটেই ৰাতি খৰমৰাই থাকিল। নল ইকৰাৰ দ'মত কাপোৰ এখন পাৰি সি অকলে অকলেই শুইছে। সংসাৰৰ প্ৰতি তাৰ মনেই নোহোৱা হৈ গৈছে। কিন্তু তাৰ ৰজা ছুকাফা অতি মৰমৰ ভক্তিৰ। সি ছুকাফাক কোনোপধ্যেই এৰিব নোৱাৰে। সি যাবই লাগিব নতুন ম্যুং খুলিবলৈ। এদিন নতুন ম্যুং হ'বই। সি তেতিয়া ঘুৰি আহিব ম্যুং মাওলৈ। নাং আমক লৈ আহিবগৈ।

চৌবিশ

পাচদিনা খোজ পৰিল।

বাটত কোনো বাধা পোৱা নাই। অলপ দুৰ গৈয়েই সৰু নগা খাং গাওঁ এখন পালেগৈ। সকলো খাং লোকে আহি ছুকাফাক বাটতে সেৱা কৰিলেহি তেওঁলোকে ম্যুং মাওৰ বিষয়ে জানে। ম্যুং মাওৰ পূৰ্বৰ ৰজা জন আহিছে বুলি জানি তেওঁলোকে ভয় আৰু ভক্তিত সেৱা জনালে। তদুপৰি ছুকাফাক চাৰিখাং শুকান মাছ, দুই খাং শুকান পহুৰ মাংস উপহাৰ দিলে। ছুকাফাইও ম্যুং মাওৰ পৰা অনা কাঁহৰ শৰাই কাঠৰ সুন্দৰ ৰং কৰা পেৰা এটা তেওঁলোকক উপহাৰ দিলে। তেওঁলোকক ছুকাফাই জনাই গ'ল যে ভবিষ্যতে তেওঁলোকেৰ মানুহ এই বাটেৰে আহিলে বাটত সহায় কৰিব আৰু থকা খোৱাত সহায় কৰি দিব। কিয়নো বছৰি এইফালে তেওঁলোকৰ মানুহ অহা যোৱা কৰিব।

গধূলীৰ আগে আগে কাং তাই নামৰ ঠাইখন পালেগৈ। কাং তাই খন পাহাৰীয়া অঞ্চল। মাজে মাজে সৰু সৰু সমতল। সৰু সৰু জানবোৰ বৈ গৈছে। থাকিবলৈ বেয়া নহয়। কিন্তু দুটামান মানুহহে তাত বসতি কৰিব পাৰিব। খেতি কৰাৰ ঠাই কম। শিল বালিৰে ভৰা নদী পাৰ। ধান খেতিৰ বাবে সুচল ঠাই নাই। শিলাময় যেন ভাব হয়। অবশ্যে ঘাঁহ বন গজি আছে সুন্দৰ ভাবে। পাহাৰৰ ওপৰ দুঘৰ এঘৰ খাঙৰ গাওঁ। মাজে মাজে দুই এঘৰ তাই মানুহো আছে। তাই বোৰে তাই ভাষা যেন কবলৈকে পাহৰিছে। খাং

সকলৰ লগতেই বিয়া বাৰু হৈছে। ওচৰে পাজৰে খাং সকল সৰহ। কেতিয়াবা কেতিয়াবা এই ফালে পাৰ হৈ যোৱা তাই মানুহ লগ পালেহে তেওঁলোকে তাই ভাষাৰে কথা পাতে। আনসময়ত প্ৰায়ে খাং ভাষাতেই কথাপাতে।

ৰাতিটো তাতে থাকিল। তাই মানুহ দুঘৰ পালে। ছ্যুকাফাই তেওঁলোকক লগতে চাবলৈ লগ ধৰিলে। অৱশ্যে তেওঁলোকে সম্পূৰ্ণ পৰিয়ালটো উঠি নগৈ দুঘৰৰ দুজন মানুহ ছ্যুকাফাৰ দলত পঠালে। দুয়োজন খাং ভাষাত পাৰ্গত। খাং সকলৰ লগত কথা বিনিময় কৰিবলৈ ভাল হ'ব বাবে ছ্যুকাফাই তেওঁলোক দুজনক লগত ললে। তেওঁলোক দুয়োজনকে 'ৰু খাং' বাব দি দস্তুৰমতে দলত অৰ্ন্তভূক্ত কৰিলে। তাৰে এজনৰ লগত তেওঁ ভাল পোৱা খাং ছোৱালীজনীও গুচি আহিল দলৰ সৈতে। তাই বোলে তেওঁক এৰি থাকিব নোৱাৰে। মৰিলেও তেওঁৰ লগতে মৰিম। খাং গাৱঁৰ লোকেও আপত্তি নকৰিলে। কিয়নো তাই আৰু খাং নগা সকল বন্ধু, মিতুৰ।

ম্যুং জাওত-খা ৰু খু-নং য়াং

লাকনি কাপ চাও। নতুন বছৰ সোমাল। পি মাও। সকলোৰে মনবোৰ ৰাই জাই কৰিল। দ্যুন চিং মাহ। ধান ছপাই শেষ হ'বৰ হ'ল। এওঁলোকে এইবাৰ আগতীয়া ধান ছপাই আহিল।

পি মাওৰ দিনাই ম্যুং জাওত ভৰি দিলেহি। আবেলিতেই ম্যুং জাওত অনুষ্টুপীয়াকৈ বিহু মাৰিলে। খাই মাই লাম, খাও প্যেং আদি বনাই খালে। ডেকা জীয়াৰীবোৰে বিহু মাৰিলে। মলিক সকলে খাম চিং গাই ফী দামলৈ স্তুতি কৰিলে। সকলোৰে তেওঁলোকৰ ৰজা ছ্যুকাফাক সেৱা জনালে আৰু আবেলিয়েই নাম জাং হৈ পাৰ হৈ আহিল।

নাম জাং নৈ খন সৰু নৈ। পানী নিৰ্মল। তাতেই ডেকাবোৰে কেবাখাওো মাছ ধৰিলে। নৈ খন পাৰ হৈয়েই নৈৰ ওপৰৰ পাহাৰত এখন তাই গাওঁ। মাত্ৰ বিশ ঘৰমান মানুহ আছে। গাওঁ খনত খবৰ লৈয়েই ছ্যুকাফাৰ মানুহে গম পালে যে তেওঁলোকো ম্যুং মাও থালৰ তাই মানুহ। ম্যুং কঙৰ পৰা তেওঁলোক আহিছে।

ছ্যুকাফাই তেওঁলোকৰ বুঢ়া মানুহ কুন থাও দহজন মানক মতোৱাই আনিলে। ম্যুং মাওৰ ৰজা আছিল আৰু বৰ্তমানো এজন ৰজা হিচাবে এটা দল লৈ অহা বুলি জানি তেওঁলোকে সেৱা জনালে।

"আপোনালোক ইয়াত কেতিয়াৰ পৰা আছে?" ছ্যুকাফাই সুধিলে।

"আমি অহা প্ৰায় তিনি পুৰুষমান হ'ল। ইয়াতেই আছোঁহি। আমাৰ পুথাওইঁতে ম্যুং কুঙৰ পৰা তিউৰা ৰাজ্যলৈ যুদ্ধ কৰিবলৈ গৈছিল। ম্যুং কুং ৰজাই পঠাইছিল। তিউৰা ৰাজ্যত বোলে আমাৰ পুৰণি মানুহবোৰ বন্দী হৈ আছিল। তেওঁলোকো ম্যুং কুঙৰ পৰা যোৱা মানুহ। প্ৰায় তিনি চাৰি শ বছৰৰ পূৰ্বে। আমি তিউৰাৰ লগত যুদ্ধ কৰি তাই বন্দীসকলক মোকলালোঁগৈ আৰু দয় খামৰ ওচৰতে তেওঁলোকক খাট পাম দি আহিলো। আমি ঘুৰি আহোতে কেবাটাও দলত বিভক্ত হৈ আহিলোঁ। ঘুৰি আহি আমাৰ সৰু গোট টোৰ খাং সকলৰ লগত ভেটা ভেটি হ'ল। খাং সকল সৰহকৈ আহি আমাকে বন্দী কৰিলে। তিনি চাৰি বছৰ বোলে আমাৰ পুথাওইঁতক বন্দী কৰি কাম কৰালে। পাচলৈ এজন দুজনক মুকলি কৰি লাহে লাহে সকলোকে খাঙৰ ছোৱালী বিয়া দি ইয়াতে খেতি কৰি খাবলৈ মাটি বাৰী দিলে। পুথাওইঁতেও পাচলৈ ইয়াতেই থাকি ভাল পালে আৰু ধান খেতি কৰি ইয়াতেই থাকিবলৈ ললে। অৱশ্যে বৰ্তমান আমি ম্যুং কুঙৰ লগত যোগাযোগা ৰাখিছো। আমাৰ ডেকা দুজন এজন ম্যুং কুঙলৈ গৈ তাতে বসতিও কৰিছেগৈ।

ছ্যুকাফাই কুন থাও সকলৰ কাহিনী তন্ময় হৈ শুনিলে।

ছ্যুকাফাৰ অনুৰুধত নাম জাং গাৱঁতো তিনিজনমান ডেকাক ছ্যুকাফাৰ দলত দিলে। তেওঁলোকেও খাং ভাষা জানে। ভবিষ্যতে অহা যোৱাৰ সুচলৰ বাবে ছ্যুকাফাই তেওঁলোকৰ নাম জাং গাৱঁত এক বাটঘৰ হিচাবে ৰাখিবলৈ তেওঁলোকক পৰামৰ্শ দিলে।

নাম জাং পাৰ হৈ ছ্যুকাফাৰ দল ৰু খু পালেগৈ। ৰু খু বা মা ৰু খু। কিন্তু ৰু খুতো তেওঁলোক নাথাকিলে। গধূলী গধূলী তেওঁলোক নং য়াং হ্ৰদৰ পাৰ পালেগৈ।

ডেকা ফু ছেংৰ মনত অকনো শান্তি নাই। নতুন দেশ গঢ়াৰ উন্মাদনা থাকিলেও তাৰ চেনেহীক যে এৰি আহিছে, সেই কথা সহ্য কৰিব পৰা নাই। কেতিয়াবা সি ভাবে ঘুৰিয়েই যাব নেকি অকলে অকলে, নাই নাযায়। সি য'ত ৰবগৈ, ছ্যুকাফা তাৰ পৰা ঘুৰি গৈ আনিবগৈ নাং আমক।

নাং আমজনীক কেনেকৈ সি লুকাই চুৰকৈ গছৰ আঁৰত সাবটি ধৰিছিল। ৰঙা হালধীয়া গাল দুখনিত সি কেনেকৈ চুমা আঁকি দিছিল এইবিলাক ভাবিলে সি শুব নোৱাৰে।

নং যাঙৰ পাৰত বহি সি নাং আমজনিৰ কথাকেই ভাবি আছিল। হঠাৎ মূৰৰ ফাচৌটো খুলি পৰিলতহে তাৰ সম্বিত ঘুৰি আহিল। পটলুঙৰ গাঠিটো টানকৈ বান্ধি ফাচৌটো মুৰত গুজি সি লাহে লাহে মানুহবোৰৰ লগত ৰাতি থকাৰ ঘৰ বনাবলৈ ধৰিলে। নিজকে সি ক'লে, "বেচেৰা ফুচেং"।

নং যাঙত

নং যাঙৰ ওখ সমতল বহল পাৰটোতে ছ্যুকাফাৰ দলে থুপ খাই থাকিবলৈ শিবিৰ পাতিলে। নাম জাঙৰ তাই ডেকা কিজনে ভালদৰে জানে নং যাঙৰ ভৌগোলিক অৱস্থা। তেওঁলোকে তুৰন্তে সকলো মানুহকে ঠাই বোৰ দেখাই দিবলৈ ধৰিলে।

বেলি ডুবাৰ আগে আগেই সৰু সৰু ঘৰ দুহেজাৰটামান বনাই শেষ কৰা হ'ল। ডেকা সকলে বেৰ দিবলৈ সময় নহ'ল। মাথোন বাঁহ কাঠ দি খুটি পুতি ওপৰত কলপাত পেলাই দিলে। হ্রদৰ পাৰত থকা অসংখ্য তৰাপাত, কৌ পাত আৰু হালধী জাতীয় এবিধ গছৰ পাত তথা কলপাত কাটি আনি ঘৰবোৰ নিমিষতে বনাই পেলালে। তদুপৰি গৰু মহ হাতী হাঁহ কুকুৰা গাহৰী সকলোৰে বাবে আন্ধাৰৰ আগে আগে সুচলভাবে ৰখাৰ ব্যৱস্থা কৰিলে। প্ৰতি দহজন বিশজন মানুহৰ বাবে জুই ফুৰাবৰ বাবে কাঠ খৰিৰ জুই লগাই দিয়া হ'ল। জুইত লগে লগে দুই এটা কুকুৰা, হাঁহ পুৰি বাঁহৰ চুঙা চাউল খাও মাই লাম সিজাই খাবলৈ ধৰিলে। ছ্যুকাফা আৰু তেওঁৰ পৰিয়ালৰ বাবে বিশেষভাৱে আঠালগা শালী চাউলৰ ভাত ছেৰা দিয়া হ'ল আৰু হাঁহ কুকুৰা পুৰি শুকান মাছ আৰু হাবিৰ পৰা গোটোৱা নলটেঙাৰে জোল বনাই দিয়া হ'ল। তদুপৰি নাম তিলিকত ধৰা মাছৰ পৰা উৰিয়াম পাতৰ ৰস দিয়া কেছা টেঙা মাছৰ জোল 'প্লা চুম পৰিবেশন কৰা হ'ল। যিমানেই কষ্ট হওঁক ছ্যুকাফা তেওঁলোকৰ ৰজা কোনো কষ্ট পাবলৈ নিদিয়ে তেওঁলোকে।

হাবিৰ পৰা ডেকাবোৰে না না পাত শাক বুটলি আনিব ধৰিলে। মতং বিলাকত তেওঁলোকে না না শাক পাত সিদ্ধ কৰিব ধৰিলে। বনৰীয়া শাক বোৰৰ ভিতৰত - নেফাফু, চেংমৰা, ডিমৰু, বোৱাল আগ, তঁৰা গাজলী, কলডিল, পচলা, ভেদাই লতা, নলটেঙা, বেটগাজ আদিয়েই প্ৰধান।

নং যাঙৰ পাৰত কিছু জাৰ পৰিছিল। পানীৰ পৰা জলীয় ভাপ আহি ডাঠ কুঁৱলীৰো সৃষ্টি কৰিছিল। সৰু সৰু কেচুৱাবোৰক ভালদৰে বেৰা কৰা দিয়া ঘৰ বোৰত কাঠত জুই ধৰি এৰিয়া কাপোৰেৰে ঢাকি শুবলৈ দিয়া হ'ল। মতা মাইকী সকলোৱে সিজোৱা পকোৱা কৰি খালে। খোৱাৰ বাবে তেওঁলোকে বাকচৰ পৰা কাঁহী বোৰ উলিওৱাতকৈ ডাঙৰ তৰাপাত কলপাত কৌপাততে খাবলৈ ব্যৱহাৰ কৰিলে। এনেয়েইও খাও মাই লাম। তাতে বৰা চাউলৰ চুঙা চাউল।

জুইৰ কাষে কাষে মানুহবোৰে জুম পাতি কথা পাতিব ধৰিলে। ওচৰৰ চাৰিওফালে

পাহাৰত খাং সকলৰ গাঁও। গাওঁ বিলাকৰ পৰা জুইৰ ধিমিক ঢামাক পোহৰেই এই কথাৰ ইংগিত দিয়ে।

ছ্যুকাফাৰ নিৰ্দ্দেশ মতে প্ৰায় এহেজাৰ মানুহে হেংদাং, হিলৈ, ধেনু কাড় লৈ নং য়াং হ্রদৰ পাৰটো বাদদি তিনিও ফালে পহৰা দিবলৈ ধৰিলে। পহৰা দিওতে এমেৰ শিবিৰ বিলাকৰ ওচৰত আৰু আনটো মেৰ ওচৰৰ মেৰৰ প্ৰহৰীতকৈ দূৰত বিশ ত্রিশ নলৰ আঁতৰত একোজনকৈ হেংদাং লোৱা প্ৰহৰী। এই প্ৰহৰীৰ মাজে মাজে তিনিফালে ছটা বৰটোপ বহাই দিয়া হ'ল। সৰহকৈ মানুহে আক্ৰমন কৰিবলৈ আহিলে বৰটোপৰ গুলী জুমবিলাকলৈ উৎক্ষেপন কৰা হ'ব। কম হলে সৰু হিলৈ আৰু হেংদাং কাড়েৰেই যথেষ্ঠ হ'ব বুলি থিৰাং কৰিলে।

ৰাতি খাই বৈ মানুহ বোৰ, বিশেষত মহিলা ছোৱালী আৰু শিশুবোৰ শুবলৈ দিয়া হ'ল। মাকবোৰে কেচুৱাৰ যত্ন লব ধৰিলে। বাঁহৰ চুঙাতেই বহুতে চাহপাত মিলাই গৰমপানী খাবলৈ ধৰিলে। ৰাতিটো শুলেও মতাবোৰ সাবধান হৈ থাকিব লাগিব। ওচৰৰ খাং বিলাকে অতৰ্কিতে আক্ৰমন কৰিব পাৰে। নং য়াঙৰ পাৰৰ ভাত খোৱাৰ সময়ৰ দূৰত্বত পাহাৰ। পাহাৰৰ মাজত ওপৰত খাং গাওঁ।

গছ আৰু হাবিৰ আঁৰ লৈ ওচৰৰ নগা গাঁৱৰ পৰা দুই এজনে নিৰিক্ষণ কৰিবলৈ আহিল কোন আহিছে। একেলগে ইমানবোৰ জুই হথাতে দেখি নগাসকল সঁচকিত হৈ উঠিল। তেওঁলোকে আমাক আক্ৰমন কৰিবলৈ নাই অহাতো। আমিনো কি দোষ কৰিলো যে আমাক কোনোবাই আক্ৰমন কৰিবলৈ আহিছে। কিন্তু আমি একো দোষ নকৰিলেওতো কোনোবাই আহি আমাৰ গাঁবোৰ ধ্বংস কৰি আমাৰ অঞ্চল দখল কৰিব পাৰে। মাজে সময়ে নং যাঙেদি তাই সকল অহা যোৱা কৰি থাকে। এওঁলোকেই আহিল নেকি? মান সকলৰ লগততো আমি একো সংঘৰ্ষ লগা নাই। কিয় তেওঁলোকে আমাক আক্ৰমন কৰিব। নে কে ছে সকল নেকি?

সৰ্প্তপণে পাচজন মানুহে আহি ছ্যুকাফাৰ মানুহলৈ নিৰিক্ষণ কৰিলে।

'ঝৰক'

এটা শব্দ কৰি গছপাত বোৰ লৰিল। ছ্যুকাফাৰ প্ৰহৰীয়ে চক খাই উঠিল। ক্ষন্তেক সময় নিশ্চুপ। এজন চন্তৰীয়ে মনে মনে পৰীক্ষা কৰিবলৈ শব্দাটো অহাৰ ফালে গ'ল। হথাত গছপাতবোৰ ঝৰ ঝৰ কৰি লৰি উঠিল। কিবা দৌৰাৰ দৰে অনুমান হ'ল। ছ্যুকাফাৰ চন্তৰীয়েও সেইফালে দৌৰ মাৰিলে। হথাৎ এডাল জাঠি আহি এজন চন্তৰীৰ ভৰিৰ কাষেদি খুচ মাৰি মাটিত গুজি ৰ'ল। বুজিবলৈ বাকী নাথাকিল কোনোবা চোৰাংচোৱাই আহি ছ্যুকাফাৰ শিবিৰ পৰিদৰ্শণ কৰি গ'লহি।

হাবিৰ শব্দৰ ফালে লক্ষ কৰি তিনিজন প্ৰহৰীয়ে কাড় মাৰি দিলে সাত আঠডাল। এজন মানুহে চিঞৰাৰ দৰে চিৎকাৰ কৰি উঠিল। লগে লগে কেইবাটাও কাড় মাৰি খেদি গ'ল।

হাবিৰ মাজত জোপোহা এটাত আঁৰ লৈ এজন খাং ভৰিত কাড়ৰ খোচ খাই পৰি ৰৈছে। দুটা কাড় লাগিল।

ছুকাফাৰ প্ৰহৰী এজনৰো সোঁভৰিত জাঠিৰ খোচ পৰি মঙহ এচকল এঁৰি গ'ল। ধাৰাসাৰে তেজ বৈ আহিল। এনে অৱস্থাৰেই তিনিওজনে খাংজনক ধৰি তৎক্ষনাত হাতদুখন পাচফালে মূৰৰ গামোছাৰে বান্ধি ছুকাফাৰ ওচৰত হাজিৰ কৰালেহি।

খাং বন্দী জনৰ পৰা ছুকাফাই গম পালে যে খাংসকলে তেওঁলোকৰ বিষয়ে সমষ্ট গম পালে আৰু তেওঁলোকৰ আগমনক সহজে লব পৰা নাই, চোৰাংচোৱা কিজনে বা কি কয়গৈ। হয়তু কাইলৈ তেওঁলোকে আমাৰ দলৰ ওপৰত জপিয়াই পৰে বা। নাই আজিয়েই আমি আলোচনা কৰি কাম হাতত লব লাগিব।

খাং বন্দী জনৰ পৰা খাংসকলৰ গাওঁবোৰ ক'ত ক'ত আছে খবৰ উলিয়ালে। সকলো গাঁৱৰ নাম, অৱস্থান মানুহৰ সংখ্যাৰ উৱাদিহ উলিয়ালে। খাং মানুহ জনক উহা ছদি লবলৈকে নিদিলে, মানুহ জনক তৎধৰণি হেৰুৱাকৈ কথাবোৰ সুধি গ'ল। প্ৰাণে মৰাৰ ভয়ত বিতত হৈ খাংজনে আটাইবোৰ সম্ভেদ দি দিলে। কথা বতৰা হ'বলৈ খাং ভাষা জনা মানুহ দলৰ লগতেই আছে।

বন্দীজনক মৰাৰ ভয় দেখালেও অৱশ্যে তেওঁক নামাৰিলে। কাড়কিটা ভৰিৰ আৰু কৰঙনৰ পৰা উলিয়াই পানীৰে ধুই ম'য়াৰ হতুৱাই ঔষধো দিয়াই দিলে। লগে লগে জৰা ফুকাও কৰালে। ৰাতিটোৰ ভিতৰতে বন্দীজন সুস্থ হৈ উঠিল।

ছুকাফাই গোটেই ৰাতিটো চিন্তাক্লিষ্ট হৈ নিদ্ৰাহীন ভাবে কটালে। কি কৰা যায়।

আনফালে খাং কিজনে চোৰাং চোৱা গিৰি কৰি বু খু আৰু পুং কাং গাঁৱত খবৰ দিলেগৈ যে বহুহেজাৰ মানুহ আহিছে। এজন নহয় দুজন নহয়, বহুজন, বহু হেজাৰজন। বু খু ,পু কাং, তি থাং, বিং লাও আটাইবোৰ গাঁৱতে তেওঁলোকে খবৰটো ৰাষ্ট্ৰ কৰিলে। তদুপৰি লা তেমা, লান পাং, তা বু, লুক নাম, লুক আই, তাপু তাপা আদি খাং গাওঁবিলাকত ৰাতিটোৰ ভিতৰতে সকলো কথা প্ৰচাৰ হ'ল।

বু খু গাঁও। বৰ ডাঙৰ গাওঁ। প্ৰায় এশ ঘৰৰ মানুহ কম নহ'ব। ঘৰে প্ৰতি দহজন মানুহ হ'লেও গাঁখনত ৫০০ জন মানুহ। বাকী গাঁও কিখনো দীঘলীয়া ডাঙৰ। গাৱেঁ প্ৰতি কমেও ত্ৰিশ ঘৰ চল্লিশ ঘৰৰ কম নহ'ব। কমেও আটাইকিখন গাঁৱৰ মানুহ গোটালে তিনি চাৰি হেজাৰ মানতকৈ কম নহ'ব।

ৰাতি পৰা পুৱা সময়।

বু খু গাঁৱৰ মুৰব্বীৰ ঘৰত আগ চাঙত সভা বহিল। আটাইকেউখন গাঁৱৰ মুৰব্বীসকলে মেল বহালে।

বু খু মুৰব্বীয়ে কলে "জ্ঞাতি সকল আমাৰ গাঁৱৰ ওচৰৰ আলহী আহি সুমাইছে। আমাৰ গাঁৱৰ মানুহ চাৰিজনে মানুহবোৰৰ সম্ভেদ ল'বলৈ গৈছিল, কিন্তু এজন থাকি আহিল। আচলতে তেওঁ এডাল জাঠি মাৰি দিয়াৰ বাবেহে তেওঁক ধৰিলে।"

লাতেমা মুৰব্বী: "কথাটো বৰ বেয়া হ'ল। মানুহটোৰ বা এতিয়া কি হৈছে। আমি এইদৰে মানুহ এটা লোকৰ হাতত মৰিবলৈ এৰি দিয়া ভাল নহ'ব যেন পাইছোঁ।"

তাপু তাপা মুৰব্বী: "কৰবাৰ মানুহ আহিব। আৰু আমাৰ মানুহ মাৰিব। এইটো কেনে কথা। আমাৰ জেগা আমাৰ কথা। তেওঁলোক কোন আমাক মাৰিবলৈ?"

বু খু মুৰব্বী: "হয় বৰ লাজৰ কথা হ'ল। আনে আহিয়েই আমাৰ মানুহ এটা মাৰিব। কিবা এটা গমি পিতি চাব লাগিব অৱশ্যে। আমি একেকোবে খণ্ডত টিঙ খোপ হৈ উঠা ভাল নহ'ব যেন লাগিছে।"

লান পাং মুৰব্বী: "টিংখোপত উঠা কথা নহয়, আমাৰ গাঁৱলৈ আহি আমাৰ মানুহকে মাৰিব ই কেনে কথা।"

তা পু তাপা মুৰব্বী: "নাই নাই আমি কিবা এটা হেষ্ট নেষ্ট কৰিব লাগিব। হেলাৰঙে সিহঁতক খাব দিব নোৱাৰি।"

তা বু মুৰব্বী: "আপোনাৰ কথাটো একেবাৰে সইত। কিন্তু আগ পাচ নুগুনাকৈ আমি কুদু বাঁহ এটাত জোকাই লোৱা ভাল হ'ব জানো।"

পুং কাং মুৰব্বী: "এৰা কথাটো আপুনি ঠিকেই কৈছে। কৰ মানুহ তেওঁলোক আগতে সম্ভেদ লোৱা হওক।"

চোৰাংচোৱা এজনে ক'লে " এওঁলোক ম্যুং কুঙৰ তাই মানুহ যেন পাইছোঁ। মূৰত বাওঁহাতে মূৰৰ ওপৰলৈ কাপোৰৰ আগটো ঠিয় হৈ থকা পাগুৰী। কঁকালত টানকৈ বান্ধি থোৱা বগা ৰঙা কাপোৰ। গাত ক'লা চোলা কাপোৰ। ভৰিৰ আঠুৰ ঠিক তললৈ পৰা বহল চোঙাটোৰ নিচিনা পিন্ধা কাপোৰ। জুইৰ পোহৰত মানুহবোৰ বগা ৰঙা হালধীয়া ধৰণৰ দেখিলে। মুখ নাক চকুবোৰ আমাৰ নিচিনাই।"

বু খু মুৰব্বী: "তেতিয়াহলে এওঁলোক ম্যুং মাও দেশৰ তাই মানুহ যেনহে লাগিছে। এইফালে আগে পিছে অহা ম্যুং মাও দেশৰ তাই মানুহক এনেকুৱাই দেখে। আমাৰ দেশৰ তাই মানুহক এনেকুৱাই দেখে। আমাৰ নাম যাঙত থকা মানুহ কিটাও এনেকুৱাই আছিল আৰু আজিও সিহঁতে এনেকুৱা কাপোৰ কানিকে পিন্ধে।"

লা তেমা : "হয় হয় কথাটো ঠিকেই ধৰিছা। তেওঁলোক ম্যুং মাও দেশৰ তাই মানুহ। আমাৰ সকলোৱে সজাগ হৈ থকা উচিত। আমি পুৱাৰ আগে আগে সাজু হৈ লোৱা ভাল হ'ব। হথাৎ তেওঁলোকে আমাক মাৰিবলৈ আহিব পাৰে।"

কুকুৰাই ডাক দিয়াৰ লগে লগেই সকলো খাং গাঁৱলৈ খবৰ পঠোৱা হ'ল। অৱশ্যে সকলো গাঁৱত খবৰটো দিব পৰাটো নহ'ল। তথাপি পুৱা বেলি ওলোৱাৰ পাচতেই সকলো খাং গাঁৱত খবৰটো ৰাষ্ট্ৰ হৈ পৰিল।

আগন্তুক যুদ্ধলৈ সকলো নগা গাঁও সষ্টম হৈ উঠিল। জাঠি জোং দা, ধেনু কাড় লৈ সাজু হ'ল। নগা খাং সকলে যুঁজলৈ ভয় নকৰে। যুঁজাই তেওঁলোকৰ নীতি। সাহসী, বীৰ, যুঁজাৰু। মৰিবলৈ ভয় নকৰে, মাৰিবলৈও ভয় নকৰে। বহু হেজাৰ বছৰ ধৰি এই পাহাৰতে তেওঁলোক আছে। তেওঁলোক শক্তিশালী, বীৰ।

পঁচিশ

"মানুহ এটা ধৰি থৈ হাত সাৰটি বহি থাকিলে নহ'ব। পিনং সকল, আপোনালোক সষ্টম হওঁক। কেবাটাও গোট হৈ যুঁজলৈ সাজু হওঁক। খাং সকলেও নিশ্চয় হাত সাৱটি বহি নাথাকিব।" ছুকাফাই থাও ম্যুং কান গুন, থাও ম্যুং লি, থাও ম্যুং মাং খাম, থাও ম্যুং মাং ৰাই, আৰু খুন সকলক উদ্দেশ্যি কথাখিনি ব্যক্ত কৰিলে।

থাও ম্যুং ম্যুংলি : "চাওফা দেৱতা, আমি সাজু হোৱাই মংগল। খাং সকলে অধিক সময় অপেক্ষা নকৰি অতৰ্কিতে আমাক ধৰিবহি পাৰে। সেয়ে আগতীয়াকৈ ধৰিবগৈ লাগে। সিহঁত ফুৰুলি মাৰি আহিলে হয়তু আমি তৰ্কিবই নোৱাৰিম।"

থাও ম্যুং কান গুন ঃ "হয় স্বৰ্গৰ দেৱতা চাওফা দেও। আমি হাত সাৱটি বহি থকা মংগল নহ'ব।"

ছুকাফাই নিৰ্দ্দেশ দিলে, "থাও ম্যুং সকল, আপোনালোকে আমাৰ বন্দী খা খং জনক আৰু খাং ভাষা জনা চাৰিজনমান মানুহক লৈ গৈ বু খু, পুং কাং আদি গাবঁলৈ আজি পুৱাতে যাওঁক। মানুহ পঞ্চাশজনমানহে যাওঁক। বাকী সকল প্ৰায় দুহেজাৰ জনমানে ওচৰৰ হাবিত লুকাই থাকিব। তেওঁলোকক জনাব যে আমাক বৰণ কৰক। যদি বৰণ নকৰে যুদ্ধ দিয়ক। জনাব যে যুদ্ধ কিন্তু বৰ ভয়াবহ হ'ব। জনাব যে আপোনালোকেও মূৰ কাটি যুদ্ধ বিজয় প্ৰদৰ্শন কৰে। আমিও যুদ্ধ বিজয়ৰ নিচান হিচাবে মূৰ কাটি মুণ্ডমালা ৰাজহৱা স্থানত ওলমাই থম। আৰু জনাব যে যদি যুদ্ধ কৰি আমাৰ মানুহ মাৰে, তেন্তে

আপোনালোকক বন্দী কৰি বাপেকৰ গাৰ মাংস কাটি পুতেকক আৰু পুতেকৰ গাৰ মাংস কাটি বাপেকক চকুৰ আগতে খোৱাম। আৰু আমাৰ মানুহ যদি দুটা মাৰে , আপোনালোকৰ বিশটা মাৰিম। সেয়ে আপোনালোকে আমাক বৰণ কৰক। জনাব যে আমি এই বাটেৰে স্থায়ী বাট কাটিবলৈহে আহিছোঁ। আমি আপোনালোকৰ ঠাই দখল নকৰোঁ। আমি পশ্চিমলৈ যাম। কিন্তু পশ্চিম আৰু পূবৰ বাট সদায় খোলা থাকিব লাগিব। এই বাটেৰে অহা আমাৰ মানুহৰ কোনো বিপদ হ'ব নালাগিব। আমাৰ মানুহো ইয়াত থাকিব। যদি তোমালোকে মানি লোৱা তোমালোক আমাৰ বন্ধু। যদি মানি নোলোৱা তোমালোক আমাৰ শত্ৰু।"

চাওফা ছ্যুকাফাৰ কথামতে থাও ম্যুং কান গুন, থাও ম্যুং মাং ৰাই, থাও ম্যুং ম্যুং লিৰ অধীনত বু খু, পুং কাং, তি খাং, লা তেমা, লান পাং আৰু তা ৰু গাৱঁত এই কথাখিনি কোৱালেগৈ। এই সকলো গাৱঁৰ মূৰব্বী সকল গাৱঁৰ বুঢ়াসকলক লৈ আহি ছ্যুকাফাৰ ওচৰলৈ আহিল। হাতত কোনো অস্ত্ৰ নাই। হাতত আহিছে খাওৰ শুকান পহু মাংস, শুকান মাছ, বেতৰ বিভিন্ন টেমা বাকছ আৰু মূল্যবান নগা কাপোৰহে লৈ আহিছে।

ছ্যুকাফাৰ গা ৰখীয়া দুৱাৰ ৰখীয়া দুৱৰী সকলৰ আগত সকলো বস্তু খুলি দেখালে। নিজৰ গাৰ কাপোৰ কানিও জাৰি জোকাৰি দেখালে। লগত কোনো অস্ত্ৰ নাই। বুজালে তেওঁলোকে। তেওঁলোকে জনালে যে তেওঁলোক চাওফা ছ্যুকাফাক বৰিব। ছ্যুকাফাকে তেওলোকে চাওফা বুলি মানি ল'ব।

আটাই কিজন নগা মূৰব্বীয়ে যথাৰীতি উপহাৰ বোৰ দিলে। চাওফা ছ্যুকাফাক তেওঁলোকে আঠুকাঢ়ি মাটিত কঁপাল লগাই আৰু হাতৰ দুই তলুৱা লগাই সেৱা জনালে।

"আমি আপোনালোকক বৰিলো। হে চাওফা স্বৰ্গৰ ঈশ্বৰ। আপুনিও আমাৰ দেৱতা ঈশ্বৰ। আমি আপোনাৰ বশ হৈ থাকিম। প্ৰতি বছৰে আপোনাক মূল্যবান উপহাৰ দিম। তদুপৰি আপোনাৰ ৰাজ্যলৈ আমি প্ৰতি বছৰে দেখা দি সেৱা জনামগৈ। এইফালে যাব লগা আপোনাৰ মানুহকো আমি সহায় কৰিম। আমাৰ গাওঁসমুহো আপোনাৰ ৰাজ্যৰ অধীন হৈ থাকিব। আপোনাক আমি সকলোৱেএই প্ৰতিশ্ৰুতি দিলো।"

নগা মূৰব্বীকিজনে ছ্যুকাফাৰ লগত একেলগে শুকান পহু মাংস আৰু ছেৱা দিয়া বৰা ভাতৰ আহাৰ গ্ৰহন কৰিলে আৰু বিদায় ললে।

আবেলিলৈ আনটো দল ঘুৰি আহিল লুক নাম, লুক আ আৰু তাপু তাপা গাঁৱৰ পৰা। তেওঁলোকে থাও ম্যুং সকলৰ কথালৈ কেৰেপ নকৰিলে। উলোটাই ফেপেৰি পাতিহে ধৰিলে। তিনিখন গাৱঁৰ মূৰব্বী কিজনে জনালে,

"তোমলোক আমাৰ শত্ৰু। আমাক বৰণ কৰাবলৈ তোমালোকৰ কোনো অধিকাৰ

নাই। বৰঞ্চ আমি তোমালোকৰ ৰজা আৰু ডাঙৰমানুহবোৰৰ মূৰ কাটি ঘৰৰ দুৱাৰ মুখত ওলমাই থম। তোমালোকে নিশ্চয় আমাৰ ঘৰৰ সমুখত মানুহৰ লাওখোলাবোৰ দেখিছা। তোমালোকৰো একেই অৱস্থা হ'ব। ভালে ভালে আমাৰ ঠাইৰ পৰা আঁতৰি যোৱা।"

কথাখিনি কৈয়েই এডাল নগা জাঠি মাৰি পঠালে দলটোৰ সমুখলৈ। জাঠি ডাল আহি সমুখৰ মাটিত খোচ খাই ৰ'ল।

দলটো তিনিখন গাৱঁৰ পৰাই ঘুৰি আহিল। ছুকাফাক সকলো কথা জনালেহি।

ৰাতিৰ ভিতৰতেই নগা গাওঁকিখন ভাঙিবলৈ সিদ্ধান্ত হ'ল। ছুকাফাই নিৰ্দেশ দিলে, "তাপু তাপা, লুক নাম আৰু লুক আই গাওঁ ভাঙাগৈ। যিমান পাৰা মানুহ ধৰি বান্ধি আনিবা। তেওঁলোকক ভালদৰেই শিক্ষা দিব লাগিব যে ম্যুং মাওৰ ৰাজকোঁৱৰৰ শক্তি কিমান। তেওঁলোকক চিনাকিও দিব লাগিব তাই সকল কোন, কেনেধৰণৰ মানুহ। যাওঁক থাওম্যুং সকল আপোনালোকে ৰণ ধৰক। যাতে এজনো পলাই সাৰিব নোৱাৰে। পিচ হুহুকিলেই কিন্তু আমাৰ বিপদ। আমাক আস পাব।"

ছুকাফাৰ দলৰ পাচশজনীয়াকৈ তিনিটা গোট হৈ তিনিখন গাৱঁলৈ একেসময়তে আগবাঢ়িল। হথাত লগা যুদ্ধাৰুসকলে আগতীয়াকৈ ফুৰুলি মাৰি আহি যুদ্ধ ধৰিলেহি। বাটতে ভেটি ধৰিলে। দুৰৰ পৰাই ধাৰাসাৰে কড়িয়াবলৈ লাগিল।

তাই সকলৰ তিনিজন মানুহৰ গাত কাড় লাগিল। এজোপা গছৰ আঁৰ লৈ তুৰন্তে কাড়বোৰ এৰুৱাই ঔষধ ঘঁহি দিয়া হ'ল। আহঁত কিজনক সকলো মানুহতকৈ পাছ পৰি আগবাঢ়িল। ঢালবোৰে গা ঢাকি আগবাঢ়িল তাই যুদ্ধাৰু সকল। নগাসকলো আগবাঢ়ি আহিল। খাং সকলৰ সৈন্য আছিল সংখ্যাত তাকৰ। প্ৰায় দুশমানহে হ'ব। লুক নাম গাৱঁৰ মানুহ খিনি অকলেই আহিছিল। তাই সকলৰ হাত হিঁলৈ বোৰৰ পৰা গুলি ফুটোৱা হ'ল। দুৰৰ পৰাই চেদেলি ভেদেলি হ'ল খাং সৈন্য। পিচে পিচে খেদি গৈ ছুকাফাৰ সেনাই পঞ্চাশজনমানক কচুকটা দিলে। তাইসকলৰ তিনিজনৰ গাত দাৰ ঘাপ পৰিল, এজনক জাঠিৰে হাতৰ তলতে বুকুত খুচিলে। বাকী বিশজনমানৰ দা জাঠিৰ দ্বাৰা সামান্য আঘাট লাগিল। অৱশ্যে এজন তাই সেনাক তেওঁলোকে বেঢ়ি ধৰি কাটি কেবাটুকুৰাও কৰিলে। তেওঁলোকক ধৰিবলৈ বেছি সময় নালাগিল। চাৰিওফালৰ পৰা বেঢ়ি ধৰিলত খাং সকলে দা জাঠি পেলাই বশ্যতা স্বীকাৰ কৰিলে। লগত লৈ যোৱা পঘাঁৰে প্ৰায় সকলোকিজন খাওক হাত বান্ধি পাচঁজন পাচঁজনকৈ কঁকালত বান্ধি নং য়াঙৰ পাৰলৈ ধৰি আনিলে। ডাঙৰ ডাঙৰ গছত তেওঁলোকক শকত শকত ৰচাৰে বান্ধি থ'লে নি।

লুক আই আৰু তাপু তাপা গাৱঁৰ পৰাও এইদৰে দুশজন নগা যুদ্ধাৰু ধৰি আনিলে।

সকলোকে শকত পঘাৰে কঁকালত বান্ধি গছত বান্ধি থলে। তাই সকলবো তিনিজন যুদ্ধাৰু কাড়ৰ আঘাটত মৃত্যু হ'ল।

বিং কামেং নতুনকৈ যোৱা বছৰ ম্যুং কাঙত বিয়া কৰাই আনিছিল এগৰাকী গাভৰু নাং ম ছেং। বিং কামৰ শটো দেখাৰ লগে লগেই নাং ম' ছেং চিঞৰি মূৰ্চ্ছা গ'ল। মাইকী মানুহবোৰে তাইক বিচনিৰে বিচিব ধৰিলে। মূৰত পানী চটিয়াই দিলে। জ্ঞান পাই নাং ম' ছেঙে ৰাওচি জুৰি কান্দিব ধৰিলে।

"ঐ ঐ। মোকে মাৰি নিনিলি কেলৈ। মোৰ মানুহটোকহে মাৰি নিলি। ময়ে গলোঁহেতেন ঐ যুদ্ধ কৰিবলৈ ঐ ঐ। মই এতিয়া কি কৰিম। কাৰ লগত থাম। কলৈ যাম। আই অ, প চাও ৰই। মোকো মাৰি নে ঐ।"

সকলোৱে তাইক না না ধৰণে বুজনি দিবলৈ ধৰিলে।

বাকী দুজন সেনাৰ বিয়া হোৱা নাছিল। পঁচিশ বছৰীয়া ডেকা যুৱক আছিল তেওঁলোক। কিন্তু এজন মৃতক বান কাপক ভাল পোৱা ছেং নাং জীয়ৰী জনীয়েও কান্দি কাটি আউলী বাউলী হ'ল। বুকুত ঢকিয়াই ঢকিয়াই তাই কান্দিব ধৰিলে। তাইয়ো বুজিছে হিয়া ঢকিয়াই কান্দিলেও মানুহটো নাহে। জাতিৰ কাৰণে সকলো মানুহ জীয়াই ৰাখিবৰ বাবে তেওঁলোকে দেহ ত্যাগ কৰিলে, তেওঁলোকেও বুজিছে। তথাপি মনক শাত পেলাব পৰা নাই। আনক বচাবলৈ তেওঁলোক মৰিছে।

আঁহত সকলক ম'য়া সকলে সেৱা শুশ্ৰূষা কৰিব ধৰিলে। বিভিন্ন ধৰণৰ বনৌষধী লগাই চিকিৎসা চলালে। প্ৰায় পঞ্চাশজনমানুহ ঘাইল হ'ল। তাৰে পাঁচ জন বেয়াকৈ আঘাটপ্ৰাপ্ত হ'ল। বিষ কাড়ো লাগিছে পাঁচজনমানৰ গাত। ম'য়া সকলে ঔষধ দিয়াৰ উপৰিও জৰা ফুকাও কৰিব ধৰিলে।

আনফালে তাই সকলৰ সৈন্যই খেদি গৈ তিনিওখন গাঁৱৰে পাঁচটামানকৈ ঘৰ জ্বলাই দিলেগৈ মানুহবোৰক ভয় খুৱাবলৈ। যুদ্ধত মৰা পৰা বিশ ত্ৰিশজনৰ মূৰবোৰ কাটি নি প্ৰতি গাঁৱে গাঁৱে বাঁহৰ ওখ খুটাপুতি মূৰবোৰ মালাৰ দৰে শিঙি ওলমাই থৈ আহিলগৈ।

ভয়ত জীয়াই থকা লৰা ছোৱালী ডেকা, বুঢ়াবোৰে কঁপিব ধৰিলে। গোটেই খাং গাঁওখনত কান্দোনৰ ৰোল। ভয়ত বছবোৰ ওচৰৰ হাবিত সুমালগৈ।

গাঁৱৰ মাইকী মানুহবোৰে আৰু বুঢ়া সকলে ছুকাফাৰ কথা শুনায়েই ভাল হ'ব বুলি কৈছিল। কিন্তু এনে কথালৈ আওকান কৰাৰ বাবেই তেওঁলোকৰ এনে অৱস্থা হোৱা বুলি ধৰি ললে।

বান্ধি থোৱা এজন খাং বন্দীয়ে মুখেৰে ভোৰ ভোৰাইগালি পাৰি এজন তাই

সেনাৰ গালে থুই পেলাই দিলে। আৰু এজন বন্দীয়ে এজন তাই সেনালৈ ভৰিৰে গোৰ মাৰি দিছিল। ইয়াৰ ফলত তেওঁলোকৰ শাস্তি হ'ল এজনক কাটি চৰু এটাত সিজাই আনজনক খাবলৈ দিয়া।

সকলো বন্দীয়ে এই দৃশ্য দেখিবলৈ পালে। তাপু তাপাৰ বন্দী মুৰব্বীয়ে লগে লগেই শপত খাই বশ্যতা স্বীকাৰ কৰিলে।

ছ্যুকাফাই নং য়াং হ্ৰদৰ পাৰত থিয় হৈ হ্ৰদটোৰ ফালে দৃষ্টি নিক্ষেপ কৰিলে। বহল বিল। নীলা পানী জলৰাশি, নিৰ্ম্মল। বেলি ওলোৱাৰ লগে লগেই বিলৰ চৌদিশৰ পাহাৰবোৰৰ ডাঠ নীলা প্ৰতিবিম্ব পানীৰ বুকুত জিলিকি উঠিছে। যেন নং য়াঙৰ বুকুৰ ভিতৰত আৰু এশাৰী গভীৰ নীলা পৰ্বতহে আছে, লুকাই আছে মানুহৰ অলক্ষিতে।

হ্থাত পানী কুকুৰা কাই নাম এটা নং য়াঙৰ বিলত জাপ মাৰি পৰিল। পানীবোৰ চপচপাই উঠিল। ঘূৰণীয়া ডলা খনৰ দৰে লাহে লাহে ঢৌবোৰ বহল হৈ গ'ল। পাৰ পোৱাৰ আগেয়েই ঢৌবোৰ হেৰাই গ'ল পানীৰ বুকুতেই।

ছ্যুকাফাই লক্ষ্য কৰিলে যে নংয়াঙৰ দক্ষিন পাৰে প্ৰায় তিনিখনমান ডাঙৰ পথাৰৰ সমান হৱল সমতল ঠাই। ওখ চাপৰ কহুৱানী, খাগৰী, বিৰিঙানি, টঙানী বনেৰে ভৰা। মাজে মাজে মুকলি অঞ্চল, চাপৰ চাপৰ ঘাঁহ। কৰবাত তিনিহাত চাৰিহাঁত বালি। কৰবাত এটুকুৰা দুটুকুৰা শিল। মুকলি পথাৰৰ সমান সমতলৰ পৰা ওপৰলৈ পাহাৰটো উঠি গৈছে ওখ হৈ প্ৰায় চিলনী আৰু শগুনবোৰ আকাশত উৰি দুগুন উচ্চতালৈ। এবেলা সম্পূৰ্ণ হ'ব এনে উচ্চতাৰ ওপৰলৈ উঠিবলৈ।

পশ্চিম দিশলৈ ছ্যুকাফাই চকু ঘুৰালে। সমানেই ওখ পাহাৰবোৰ। চিলনী উৰাৰ দুগুন ওখ। আকাশখন নীলা। এখন বৰডলাৰ দৰে দেখা গৈছে আকাশখন। ডলাত পাতলকৈ কঁপাহবোৰ মেলি থোৱাৰ দৰে আকাশত বগা ডাৱৰবোৰ পাতল পাতলকৈ উপঙি আছে।

পাহাৰৰ ওপৰলৈ চালে। প্ৰায় মৈদামবোৰৰ সমানেই ঠিয়। বগাবলৈ কষ্ট হ'ব, কিন্তু সিমান আমনি নহ'ব। মাজে মাজে পিঠিখন কাচৰ পিঠিৰ নিচিনা। অৱশ্যে কিছুমান অংশ তেনেই ছ্যুকাফাৰ পুলিন পুথাও সকলৰ ওখ ওখ আকাশ চুৱা জোঙা মৈ দামবোৰৰ নিচিনা।

এৰা কিছুমান পাহাৰ আমাৰ ম্যুং মাওৰ উত্তৰৰ ফালে দয় ফীবোৰৰ নিচিনা ওখ। তালিৰ নং ছেৰ পাৰত থকা এনে কেবাটাও পুমনসকলৰ ওখ ওখ দয় ফী দাম সকলক পাতিথোৱা পাহাৰবোৰ দেখি পাইছিল। চাও তাই পঙৰ মৈদামটোও তেওঁ দেখিছিল। কিমান ওখ, নং যাঙৰ পাহাৰবোৰৰ নিচিনাই ওখ।

দক্ষিন পশ্চিম দিশলৈ চালে ছুকাফাই। ওখ পাহাৰ। নিশ্চয় সেয়া মাই য়ুম, দয় মাই য়ুম। বাকী পাহাৰবোৰতকৈ দুগুন ওখ। চাগে এই পাহাৰ পাৰ হ'বলৈ হ'লে সম্পূৰ্ণ দুদিনেই লাগিব। নামজাওৰ ডেকাজনে ছুকাফাক পূৰ্বতেই জনাইছিল আটাইতকৈ ওখ পাহাৰটো দয় মাই য়ুম। সেই পাহাৰটো কেওঁলোকৰ বাবে দয় ফী, দেও পাহাৰৰ দৰে। তাত দেৱতা দেও ফী সকলহে থাকিব পাৰে। নাম জাওৰ ডেকাজনৰ মতে তেওঁলোকৰ মৃত পিতৃ সকলৰ ফী আত্মাবোৰ ওপৰলৈ উঠি গৈ তাত দেও হৈ থাকেগৈ।

ছুকাফাইও মনে মনে হাত দুখন মূৰৰ ওপৰলৈ ডাঙি দয় ফীটোলৈ নমস্কাৰ জনালে। মনে মনে উচ্চাৰিলে, খ্ৰুপ দয় ফী খ্ৰুপ ছে তাম দয় ফী।

নং য়াঙৰ পাৰবোৰ বৰ ঠিয় নহয়। চাপৰ চাপৰ পাৰ। কেইজনমান গাৰখীয়াৰ লগত ইফালে সিফালে গৈ ছুকাফাই চালে নং য়াঙৰ মাজত কিছুমান গেৰেকনি পিতনি আছে। সৰু সৰু দ্বীপৰ দৰে বোকা গছপাত দাল বন আদি গেলগেলিয়াহে উপঙি আছে। তাৰ ওপৰতে কিছু সৰু সৰু বনো গজিছে। পানী কুকুৰা আদি কিছু চৰাই সেইবোৰৰ ওপৰেদি উৰি ফুৰিছে।

বিলৰ পাৰৰ কোনো কোনো ঠাইত ছুকাফাই দেখিলে ডাঙৰ ডাঙৰ শিঙৰি গছ গজি আছে। চাৰিটা মানুহে সাবটিবলেও সাধ্য নহ'ব। তিনিজোপা তামোল গছৰ সমান ওখ এজোপাহঁত শিঙৰি গছ। ম্যুং মাওত চাওফাৰ সিংহাসন আৰোহনৰ সময়ত এনে শিঙৰি গছৰেইতো ওখ ওখ সাত আঠ বা ন খলপীয়া চাংঘৰ বনাই ন ৰজাক গা ধোওৱা হয়, ৰাজ পোচাক পিন্ধোৱা হয়। কাষে কাষে পাহাৰৰ উপৰলৈ দুই এজোপা আঠা জাং ওলোৱা গছো দেখা পালে।

ছুকাফাৰ দলটোৰ অভিজ্ঞ সকলে গোটেই নং যাং বিলখন পৰ্যবেক্ষন কৰি এবেলাতে শেষ কৰি তেওঁলোকৰ মৰমৰ ৰজা চাওফা ছুকাফাক জনালেহি।

ভাত সিজোৱা জুইৰ ধোৱাবোৰ অকাই পকাই ঘুৰি ঘুৰি পাহাৰৰ ডাঠ সেউজীয়া নীলাৰ পটভুমিত উৰি গৈ এক অপূৰ্ব ৰহস্যৰ মায়াজাল সৃষ্টি কৰিছে। বিলখনৰ কোনো কোনো অঞ্চল একেবাৰে বাম। দুই একে বিলখন পৰীক্ষা কৰোঁতেই দুই এক মাছ আৰু হাতখনৰ সমান শকত কুচিয়াৰ মাৰি আনিলে। কেইজনমানে বন কুকুৰা কেইটামানো কড়িয়াই আনিলে। বহু ধুনীয়া বন কুকুৰা মাৰি অনাৰ বাবে ছুকাফাৰ মনত দুখেই লাগিছিল। তেওঁৰ ভোজনৰ বাবেই ইমানবোৰ ধুনীয়া বন কুকুৰা নমৰা হ'লেই হৈছিল। মাত্ৰ দুটা বা তিনিটাই যথেষ্ঠ আছিল। কুকুৰাকিটা মাৰি সিহঁতৰ সুন্দৰ সুন্দৰ পাখিবোৰ পাচলৈ মুকুট বনাবলৈ ৰাখি থলে। ইমান সুন্দৰ পাখি পেলাই দিব নোৱাৰি।

নং য়াঙৰ পূৰ্বে তিনিটা সৰু সৰু গছ গছনী থকা পাহাৰ দেখা গল। ছুকাফা ঠিক

যোৱা কালি সেইফালেই আহিছিল। পাহাৰবোৰ বেছি ওখ নহয় বাবে ইমান কষ্ট পোৱা নাছিল। বিশেষত এই পাহাৰ তিনিটাৰ ফালেই পূৰ্ব্ব পৰা পশ্চিমলৈ সুমাবলৈ সুচল।

তিনি চাৰিদিন অতিবাহিত হ'ল। ছুকাফাৰ তাই শিবিৰ ভঙাও নাই, বনোৱাও নাই। মাথো দুই এক সৰু সুৰা চালিৰ দৰে ঘৰ বনাই লোৱা হৈছে অতি অস্থায়ী ভাবে। তদুপৰি খাদ্য বস্তু, লাম লাকটু, গৰু-গাই, মহ হাঁহ কুকুৰা আদি বান্ধিবৰ বাবে কলপাত ঢেকীয়া পাত পেলাই একেবাৰে অস্থায়ী ঘৰ নিৰ্মাণ কৰিলে। এজন ৰাৰিকে এই কামবোৰ তদাৰক কৰিছে। ছুকাফাই নিৰ্দ্দেশ দিছে, অস্থায়ীকৈ ঘৰবোৰ বনাবলৈ। কেইদিনমান লক্ষ্য কৰিব, পৰ্য্যবেক্ষণ কৰিব কি কৰা যায়।

ছুকাফাৰ মানুহে এই তিনিদিনৰ ভিতৰতে সকলো পৰ্যবেক্ষণ কৰি উমান ললে যে পাহাৰৰ ওপৰে তলে বহুবোৰ খাং গাওঁ আছে। তদুপৰি খাং জাং নামে দুখনমান তাই গাৱঁো আছে। বেচি ঘৰ মানুহ নাই। ত্ৰিশ চল্লিশ ঘৰমান হ'ব। অবশ্যে পাহাৰৰ নামনি, সৰু সৰু জুৰি কেইটামানৰ কাষে কাষেও চাৰিঘৰ পাঁচঘৰকৈ দহ বাৰটামান তাই মানুহৰ চুবুৰী পালে। তেওঁলোকে নিজকে বান খাম য়াং অঞ্চলৰ মানুহ বুলি কলে। তেওঁলোকো বোলে ম্যুং মাওৰ পৰা হুকঙলৈ আহি আছিল। হুকঙৰ পৰা তিনিপুৰুষমানৰ আগেয়ে আহি নং যাঙৰ বিলৰ পাৰত বহুবোৰ সাৰুৱা সমতল অঞ্চল আছে বুলি জানিব পাৰি খাম য়াং নাম দি থাকিলেহি। খাং সকলৰ লগত তেওঁলোকৰ সম্পৰ্ক বেয়া নহয়। দুই একৰ মাজত বিয়া বাৰুও হৈছে। খাম যাঙৰ তাই সকলে নিজকে তাই হুকং আৰু কুন তাই মাও বুলিও পৰিচয় দিলে। তেওঁলোকেও কলে বোলে তেওঁলোকো স্বৰ্গৰ পৰা নামি অহা তাই ৰাজকোঁৱৰ আই খুন লুং ঙি খুন লাইৰ লুক লান মান নাতি পুতি। তেওঁলোকে বোলে খাং দুই একক ম'হেৰে মাটি চহাই পানী বোকা লেটিয়াই বৰা ধানৰ খেতি কৰিবলৈ শিকাইছে। তথাপি খাং সকলে এই কথা পচন্দ কৰা নাই। মাজে মাজে তেওঁলোকৰ সংঘৰ্ষও হয়। তাই সকলৰ মানুহ তাকৰ বাবে খাংসকলে তেওঁলোকৰ যি কোনো কথাকে বশ কৰি ৰাখিব খোজে। তথাপি সমুখে সমুখে লাগিলে খাং সকল প্ৰায়ে হাৰে। সেয়ে বোলে খাং সকলে তেওঁলোকক বিশেষ আমনি নকৰে।

ছুকাফাৰ মানুহে থাও ম্যুং সকলৰ অধীনত তিনিটামান গোট হৈ দয় খাম বোলা পাহাৰ অঞ্চলটোও এদিনতেই চাই চিতি আহিলগৈ। দয় খামৰ মাজত দুই এক চিংফৌ গাৱঁো দেখা পালে। চিংফৌ ভাষা জনা ছুকাফাৰ দলৰ মানুহে কথা পাতি গম পালে তেওঁলোকে দয় খামক দি গম বুম বোলে। দিগম বুম পাহাৰটো নং য়াঙ বিলতকৈ বহুগুনে ওখ। ওপৰলৈ উঠিবলৈ প্ৰায় এবেলাৰ বাট। দয় খাম পৰ্বতৰ কাষতো খাং গাওঁ কেবাখনো আছে। এই দয় খামৰ বা দি গম বুমৰ দক্ষিনে আৰু লুগ লাই নদীবা নাম লুক

লাইৰ পশ্চিমে নাম দিগম নৈ বৈ গৈছে। এই দিগম নৈৰ কাষতেই ফা কে চে ৰিন গাঁৱৰো একাংশ তাই মানুহ আছে। দুই এক সৰু সৰু নকতে, মিচিমি গাৱোঁ দেখা পালে। দি গম বুমৰ উত্তৰেই নং য়াং হ্ৰদ।

নং য়াওত অধিক সাতদিনমান থাকিবৰ বাবে ছ্যুকাফাই আৰু কিছু অস্থায়ী ঘৰ বাৰী বনালে। এই কিদিনতে কেবাখনো সৰু সৰু খাং গাঁৱে আহি ছ্যুকাফাক না না মাছ মাংস খাওৰ দা, ৰবৰৰ লডা, বেঁতৰ সজুলী, খাং জাঠি দি বৰিলেহি আৰু ছ্যুকাফাৰ অধীনস্থ হৈ চলাৰ সন্মতি দিলে।

ম্যুং খাম য়াওত

ছ্যুকাফাই সকলো অঞ্চল নিজেও ভ্ৰমন কৰি আৰু সকলো মানুহক বুজাই পৰাই নং য়াওৰ দুয়ো ফালে থকা সকলো তাই, খাং আৰু চিংফৌসকলক শাসন কৰিবলৈ তেওঁৰেই লগত যোৱা কাং খ্ৰু ম্যুঙক তাৰ ফু কিন ম্যুং পাতিলে। কাং খ্ৰু ম্যুং হ'ল ম্যুং মাও লুঙৰ ম্যুং ফুৰ ফু কিন ম্যুং। তেওঁকেই খাম জাং অঞ্চলত ম্যুং খাম জাং বুলি সৰু ৰাজ্য এখন কৰি ছ্যুকাফাৰ অধীনস্থ শাসনকৰ্তা বা ৰাজ্যপাল পাতিলে। তেওঁৰ শাসনত সহায় কৰিবলৈ বান খাম য়াওৰ কেইজনমান তাইলোক, নাম জাং গাঁৱৰ দুজনমানক আৰু দুই এক চিংফৌ আৰু খাওক তথা নকতে বিষয়া হিচাবে নিয়োগ কৰিলে। নতুন পদ্ধতিৰ শাসন চলোৱাত বিষয়া হিচাবে সহায় কৰিবলৈ পাই খাং আৰু চিংফৌ কিজনো সুখী হ'ল। যুদ্ধত বন্দী কৰা পঞ্চাশজনমানক এৰি দি ম্যুং খাম জাং ৰাজ্য শাসন সুচাৰুৰূপে চলাবলৈ শিকনি বুজনি দি পাই ক হিচাবে নিয়োজিত কৰিলে। সকলোকে চিনস্বৰূপে তেওঁলোকৰ খাং ভাষাৰ নামৰ উপৰিও তাই ভাষাৰে তেওঁলোকক নকৈ নামকৰণ কৰিলে।

লগতে ম্যুং খাম জাওত পঞ্চাশজনমান পাকৈত যুদ্ধাৰুও থলে। এইদৰে ম্যুং খাম জাওত সকলো মিলি লৰা তিৰি মানুহ মিলি তাই সকলৰ সংখ্যা হেজাৰৰেই ওচৰ হ'লগৈ। চুক্তিপত্ৰ লিখা হ'ল কাগজত, মুগা কাপোৰত আৰু শিলৰ পাতত। ম্যুং খামজাং অঞ্চল গঠন, শাসন ভাৰ দায়িত্ব ৰোপন আৰু ছ্যুকাফাৰ অধীনত্ব মানি লোৱা খাং সকলৰ কথা।

ছ্যুকাফা নং য়াওত থাকোতেই তিনিমহলীয়া শিঙৰি কাঠৰ হলুং বনাই তাতেই কাং খ্ৰু ম্যুঙত বহালে। অৱশ্যে ছ্যুকাফা থকালৈকে কাং খ্ৰু ম্যুঙত তেতিয়াও হলুঙ ঘৰত উঠা নাছিল। ছ্যুকাফাকেই থকা কিদিন থাকিবলৈ দিয়া হৈছিল। খাং সকলে নিজৰ মৰংঘৰ

সুন্দৰকৈ নিৰ্মাণ কৰে যদিও তাই সকলৰ দুটুপীয়া চাৰি পাঁচ তৰপীয়া চালৰ আহল বহল সুন্দৰকৈ সজোৱা ওখ কেবাখলপীয়া চাংঘৰ দেখি তবধ লাগি চাইছিল আৰু তাই সকলক দেৱতাৰ দৰেই জ্ঞান কৰিছিল। তদুপৰি দেৱতাৰ দৰে মৰমীয়াল অথচ দেৱতাৰ দৰে খঙাল নিষ্ঠুৰ দেখিও তেওঁলোক অবাক হৈছিল। অৱশ্যে ছুকাফাৰ শ্যাম মানুহেও খাং সকলৰ মৰঙৰ সুন্দৰ কাৰুকাৰ্য দেখি তবধ মানিছিল।

ম্যুং খাম জাং এৰি যাবলৈ ওলাল ছুকাফা আৰু তেওঁৰ মানুহ। প্ৰায় পোন্ধৰ বিশ দিনকৈ প্ৰায় এমাহেই হ'ল। পুৱা প্ৰথম কাই খেনৰ পৰাই সাজু হৈছে মানুহবোৰ। যোৱাৰাতিয়েই টালি টোপোলা সকলো বান্ধি থৈছেই।

ওচৰৰ সকলো খাং আৰু তাই সকলে ছুকাফাৰ সেৱা জনাই বিদায় দিলে। যাত্ৰাৰ আগমুহূৰ্তত মলুং পণ্ডিতসকলে আই ছিং লাও গাই যাত্ৰাৰ শুভকামনা কৰিলে। বিদায়ৰ সময়ত খাং সকলেও যি পাৰে শুকান মাংস, গোমধান, আদি খদ্যৰ টোপোলাবোৰ মানুহবোৰক দিলেহি। দুই এক চকুৰ লোতকো মোহাৰিলে।

নং য়াঙৰ পাৰৰ কেবাখনো নগা গাঁৱৰ জীয়ৰী ছোৱালী শাক-পাত, মাছ-মাংস দিয়া নিয়া কৰোঁতে আহি গৈ তাই ডেকাবোৰৰ পিৰিতিত পৰিল। লুকাই চুৰকৈ দুই একে লেটি পেটিও কৰিলে। তাই ডেকাবোৰেও নগা খাং গাভৰু কিজনীৰ ৰূপ লাবণ্যত জ্বলি পকি গ'ল। গাভৰু কিজনীয়েও তাই ডেকাৰ পাহুৱাল গাল-মুখ, হাত ভৰি দেখি ফুচুল খালে।

যোৱাৰ সময়ত সিহঁতৰ হুৱা দুৱা লাগিল। কেবাজনী নগা খাং গাভৰু তাই ডেকাবোৰৰ লগত যাবলৈ ওলাল। দুজনীমানক গাৱঁৰ গাওবুঢ়াই যাবলৈ নিদিলে। সিহঁতৰ ৰাউচি জোৰা কান্দোনত পাহাৰ তাল ফাল লাগিল। তাৰে কোনো এজনীয়ে গাৱঁৰ পৰা হাবিয়ে হাবিয়ে পলাই আহি প্ৰেমিক তাই ডেকাৰ লগ ললেহি।

দহ কাও ৰুণ্ডেদি

নং য়াঙৰ পাৰে পাৰে মানুহবোৰ আগবাঢ়ি আহিল। নং য়াঙৰ উত্তৰ ফালে অগ্ৰসৰ হ'ল। খাং বন্দী কেইজনকো লগতে লৈ যোৱা হ'ল। তেওঁলোকক বান্ধ খুলি দিয়া হ'ল। তেওঁলোক নিৰস্ত্ৰ তথাপি তেওঁলোকৰ চাৰিওফালে সশস্ত্ৰ ছুকাফাৰ সেনাই আগুৰি লৈ গৈ আছে। এতিয়াও কিছু খাঙৰ বিশ্বাস পোৱা নাই। দহজনমানক তেতিয়াও

কঁকালে কঁকালে বান্ধি দুটা ঘোঁৰাৰ পিছফালে বান্ধি দিয়া হৈছিল। যাতে তেওঁলোকে পলাই যাব নোৱাৰে।

প্ৰায় এবেলাৰ ভিতৰত সকলো মানুহ গৈ নং য়াঙৰ উত্তৰ পাৰ পালেগৈ।

ছুকাফাৰ লগত আগৰ মানুহ বিলাকৰ উপৰিও থাও ম্যুং খুন তাং, থাও ম্যুং কে খাম, থাও ম্যুং খুন তা লা, থাও ম্যুং খুন তাই আদি কৰি কেবাজনো 'থাও ম্যুংৰ লগতে তেওঁলোকৰ পৰিয়াল লৈ গৈছিল। দুই এক পৰিয়াল খাম য়াঙত আগৰে পৰা থকা বিষয়া পৰিয়াল। তদুপৰি তেওঁলোকৰ লগত ক' লংছু পৰিয়াল, পাঁচটা লান তাই ম্যুং পৰিয়াল, লুক পী মা পৰিয়াল আৰু কেবাটাও। তদুপৰি মাক মু তামোল যোগোৱা, ফা চিত কাপোৰ গামোছা যোগোৱা বহুবোৰ বিষয় বাব থোৱা মানুহ গৈছিল। লুক খা খুন পৰিয়ালৰো বহু মানুহ লগত গৈছিল। বহুতো খাও লগত গৈছিল।

একাংশই নং য়াঙৰ উত্তৰ পাৰে অস্থায়ী ঘৰ বনাই নিশাটো কটালে। অৱশ্যে পূৰ্বতেই দুই একে কেইটামান অস্থায়ী ঘৰ বনাই ঠাইখন চাফ চিকুন কৰি ৰাখিছিল। একাংশই দয় কাও ৰঙৰ ওপৰলৈও গ'ল তাতে বাহৰ পাতিলে।

দয় কাও ৰং নটা পাহাৰৰ সমষ্টি। নটা পাহাৰ শাৰী পাতি লগ হৈছে। ছুকাফাও দয় কাও ৰঙলৈকে আগবাঢ়ি গ'ল। বেলি পৰাৰ আগে আগে সকলোখিনি যোগাৰ হ'ল। পাইক সকলে অতি দ্ৰুত গতিৰে ছুকাফাৰ বাবে এটা বিশ হাতবহল, প্ৰায় সত্তৰ হাত দীঘল এটা বাহৰ ওখ চাংঘৰ বনাই পেলালে। এবেলাৰ ভিতৰতে সকলো সমাপ্ত হ'ল। অৱশ্যে চাৰিদিন পূৰ্বতেই বিশজনমান মানুহ গৈ দয় কাও ৰঙত শিবিৰ পাতি ছুকাফাৰ বাবে ৰাজ কাৰেং নিৰ্মাণ কৰি আছিলগৈ। সম্ভাব্য আক্ৰমনৰ পৰা বাচিবলৈ ছুকাফাৰ ৰাজকাৰেঙৰ চাৰিওফালে খাল খান্দি ওখ ঢাপ মাৰি ঢাপত দহ বাৰ হাতমানকৈ ওখ গোজ দি বেৰা দিয়া হ'ল। মন্ত্ৰী থাও ম্যুং সকলৰ বাবে বাঁহৰে ওখ ওখ জেউৰা দিয়া হ'ল। সকলোৰে বাবে সৰু সৰু চাংঘৰ বনাই লোৱা হ'ল। গৰু, হাতী, ঘোঁৰা হাঁহ কুকুৰা সকলো সুন্দৰকৈ শৃংখলাৰে দয় কাও ৰঙৰ নামনিত বন্ধা হ'ল। সকলোৰে বাবে ভিন্নভাৱে অস্ত্ৰধাৰী ৰখীয়া নিয়োগ কৰা হ'ল।

ৰাতিৰ বাবে খোৱা বোৱা সকলো ব্যবস্থা কৰা হ'ল। পাল পাতি পাতি তিনিশ চাৰিশ লোকে পহৰা দিয়াৰ ব্যবস্থা হ'ল। দুই একে বন কুকুৰা, বনৰীয়া গাহৰি, সৰু সৰু পছু মাৰি আনি আনন্দ ফূৰ্ত্তিৰে খাবলৈ ধৰিলে নং য়াঙত কেবাদিনো থকাৰ বাবে মাই পাম, মাই ছাং আদি বাঁহৰ চুঙাতেই বহু চুঙা লাও পানী থোৱা হৈছিল। লাও পানীৰ পিঠা বনোৱাৰ বাবেও নং য়াঙৰ পাৰৰ পাহাৰৰ কাষত বহুবোৰ বন ঔষধ পাইছিল। মানুহবোৰে বেছি ঢেকী বনাবলৈ সময় নহৈছিল। তথাপি পচিশটামান ঢেকী বনাইছিল। বহুতে শিলৰ

পটাতে চাউল খুন্দি না না ধৰণৰ পিঠা বনাইছিল আৰু লাওৰ পিঠাও বনাইছিল। জাৰকালি যদিও ধোঁৱা চাঙত থৈ লাওৰ চুঙাবিলাকো জুইৰ ওচৰত ৰাখি পকাইছিল। অৱশ্যে সৰু ঢেঁকীশাল আৰু তাঁতৰ শালো বনাই লৈছিল বহুতে।

ৰাতি অতি শ্ৰম কৰা ভাগৰুৱা সকলে কাক বাঁহৰ চুঙাত দুই এক চুঙা লাও খাই গাঁৰ বিষ মাৰিছিল। ম্যুং হুকঙৰ পৰা অনা চাহ পাতবোৰে। শেষ হ'ল।

চিৰিং আৰু ম' লিক সকলে বহি তেওঁলোকৰ দৈনন্দিন ঘটি অহা ঘটনা পঞ্জী লগত অহা মানুহ পৰিয়ালৰ নামবোৰ লিখিছিল। জুইৰ পোহৰতেই তেওঁলোকে লিখাত বহিছিল। বহুজনে ঘটনাবোৰৰ কথা তেওঁলোকৰ আগত ব্যক্ত কৰিছে। ছ্যুকাফাই নিজেও কোনে কি ধৰনে টোকা লিখি গৈছে সকলো পণ্ডিতকে মাতি পৰীক্ষা কৰি চালে। ছ্যুকাফাই তথ্যবোৰ ঠিকেই পালে। সকলো কামটো ৰজাই অকলে কৰিব নোৱাৰে। সকলোৰে সহায় হলেহে ৰজাই কাম কৰিব পাৰে। সকলোবোৰ কথা লিখি নাৰাখিলে পাচত কোন কৰ পৰা আহিছিল কলৈ গৈছিল কোন মৰিল, কোন হেৰাল সকলো চিন মোকাম নাথাকিব। সেয়ে পূৰ্বাপৰ পৰম্পৰা মতে ছ্যুকাফাই নিজৰ থালৰ অভিযানৰ সকলো কথা লিখি ৰখাত গুৰুত্ব দিছিল সৰ্বাধিক।

ছ্যুকাফাই বুজিছিল খাং সকলে সহজে বশ্যতা স্বীকাৰ নকৰিব। দুই একে কৰিলেও সকলোৱে নকৰিব। সেয়ে তেওঁ বিষয়াবৰ্গক ৰাজকাৰেঙলৈ মাতি আনি প্ৰথম নিশাই আলোচনা কৰিলে। খাং সকলৰ ওপৰত কেনেকৈ আধিপত্য বিস্তাৰ কৰা যায়।

ছ্যুকাফাই গুৰু গম্ভীৰ আৰু সুদৃঢ় স্বৰেৰে ক'বলৈ ধৰিলে,

"মোৰ অতি মৰমৰ, শ্ৰদ্ধাৰ বিশ্বাসৰ পিনং বঙহ সকল, থাও ম্যুং, থাও লুং, ফু কিন ম্যুং, লান তাই ম্যুং, খুন সকল, আপোনালোকে নিশ্চয় বুজিছে যে খা খাং সকলে অতি সহজে বশ নামানে। আমাৰ চোৰাং চোৱাই জনাইছেহি যে দয় কাও ৰঙৰ ওচৰৰ আৰু নাম জাং নদীৰ উজনী নামনি সকলো অঞ্চলতে কেবাখনো খা খাং গাঁৱত আমাৰ আগমনক বাধা দিবলৈ সাজু হৈ আছে। যিবোৰ গাঁৱে আমাৰ লগত যুদ্ধ কৰিবলৈ উদ্যত হৈছে আমি তেওঁলোকৰ লগত যুদ্ধ দিবই লাগিব। পা পুক, খাম তেঙ খুন তেং, খুন খাত, তেং চিং আৰু জা খাং গাঁৱে বিশেষত ফেপেৰি পাতি ধৰিছে। তেওঁলোকৰ গাওঁ বিলাকলৈ আপোনালোকে কেবাটাও গোট হৈ যুদ্ধ দিয়ক। প্ৰতিটো গোট কমেও তিনিশ জনৰ কম নহ'ব। চাব যাতে আমাৰ মানুহ কোনো হানি নহয়। যুদ্ধৰ সময়ত কাকো দয়া ক্ষমা নকৰিব। বলীয়া হাতীৰ দৰে, খং উঠা গোনা মহৰ দৰে জপিয়াই পৰিব। তেজ খোৱা বাঘে যেনেকৈ তেজ খাব নাপালে ভীষণ ৰুদ্ৰ মূৰ্তি ধৰে তেনেদৰে ৰুদ্ৰ মূৰ্তি ধৰিবা। সম্মুখত যোৱা দুই একে মূৰৰ পিতলৰ টুপী, ডিঙি, বুকু, পিঠি, হাতৰ

বাউসীত পিতলৰ পাত লগাই ল'ব। খেনোৱে লোহৰ চালনি, খেনোৱে বেঁতৰ জালি চোলা পৰিধান কৰক। প্ৰতিটো দলেই সৰু হিলৈ বিশটামানকৈ নিব আৰু বৰহিলৈ ঘোঁৰাৰে টনাই লৈ যাব কমেও এটাকৈ। আগতে দুই একে দা লৈ খেদি দেখাব। যদি খেদি আহে সুহুৰি মাৰি বৰ হিলৈ ফুটাই তেওঁলোকক চেদেলি ভেদেলি কৰি পাচত সৰু হিলৈ ফুটাই খেদি যাব।

আপোনালোকৰ জয় অনিবাৰ্য, আমি জয়ী হ'বই লাগিব। ম্যুং পাকাম আমাৰ লক্ষ্য। আমি এতিয়াও লক্ষ্যত উপনীত হোৱা নাই। ম্যুং কওৰ পৰা আমি ম্যুং খাম জাং, নং য়াং, দয় খাম, দয় লা লিং পাৰ হৈ আমি নামৰূক হৈ দিহিং হৈ ভটিয়াই যাব লাগিব।

মই প্ৰাৰ্থনা জনাইছোঁ অমোৰ চাওফা ফেত খাম লেংদন চাও নু বু ৰই, অ মোৰ দেৱতাসকল আপোনালোকে যেন আমাক সহায় কৰে।

সমস্বৰে গাওঁক- "চাও নু বু চাও কা ৰই"

ৰাতিৰ আন্ধাৰৰ সুযোগ লৈ সকলোৱে নিজ নিজ লক্ষস্থানলৈ গ'ল। খাং সকলেও যুদ্ধ হ'ব বুলি খাপ পিতি বৈ আছিল। তেওঁলোকেও কাঠৰ বেৰা দি বেৰাৰ পাচফালে লুকাই আছিল, কিছু হাবিত লুকাই নিৰীক্ষণ কৰি আছিল। দুই একে জাঠি আৰু দা লৈ গাঁওখনৰ ইমুৰৰ পৰা সিমূৰলৈ তহল দি ফুৰিছিল।

দুই একে ৰাতিয়েই আহি ছ্যুকফাৰ শিবিৰ আক্ৰমন কৰিবলৈ আহিছিল। ছ্যুকাফা পহৰা দিয়া সেনাৰ লগত কম সংখ্যক আক্ৰমনকাৰী সকলো মৰা পৰিল।

আনহাতে পাচোখন গাঁৱতেই পুৱতি পুৱতি নিশাতেই বাজি উঠিল বৰ হিলৈ 'গুৰুম গুৰুম'। খাং সকল সন্ত্ৰাসিত হৈ পৰিল। আন্ধাৰৰ মাজত খাং জাঠি মাৰিলেও লক্ষ্যভ্ৰষ্ট হ'ল আৰু কাড়বোৰো বহুতো লক্ষ্য ভ্ৰষ্ট হ'ল। দুই এক কাড় আহি গাত লাগিলেও পিতল কাঠ, বেত, লোৰ বৰ্মৰ বাবে উফৰি পৰিল। সৰু হিলৈ হাতত লৈ, দীঘল হেংদাং, ধেনু কাড় পতিং, কোব মাৰি দিলে ওলাই গৈ খোচ মাৰি ঘুৰি আহি খাপত সোমোৱা অস্ত্ৰ লৈ খাং সকলক খেদি গৈ আক্ৰমন কৰিলে। তেওঁলোকৰ চাওফা ছ্যুকাফাৰ নিৰ্দ্দেশ জয়ী হ'বই লাগিব। দাম সকলৰ আৰ্শীবাদ লোৱা হৈছে। স্বৰ্গৰ পৰা মৃতক দেও দাম ফী সকলে তেওঁলোকক চাইছে, সহায় কৰিছে, সাহস দিছে। জয়ী হ'বই। এখন ম্যুং নিজা দেশ, নিজা স্বাধীন ৰাজ্য নাথাকিলে তেওঁলোক কেনেকৈ জীয়াই থাকিব। নিজা দেশ লাগিবই লাগিব। এয়া পুলিন পুথাও সকলৰ ইচ্ছা।

ছ্যুকাফাৰ মানুহ ৰণত জপিয়াই পৰিল। বহু খাং ভয়তে বা জখম হৈ পলাল। বহুজনৰ ৰণস্থলীতে প্ৰাণবায়ু উৰি গ'ল। লৰা তিৰোতা বুঢ়া মেথা ভয়ত ঘৰ এৰি পলাই হাবিত সোমালগৈ। ৰণ হুংকাৰ কৰি ৰণোন্মাদ হৈ ছ্যুকাফাৰ সেনাই গাঁৱৰ দুই এটা খাঙৰ

ঘৰো জ্বলাই দিলে। যাতে খাং সকলে ভয় খাই বশ্যতা স্বীকাৰ কৰে।

যুদ্ধত মৃত্যু হোৱা বহুতৰ মূৰবোৰ কাটি মালা চিলাই গাঁৱে গাঁৱে একোটা খুটাত ওলমাই থলে। যিমানবোৰ পালে সৰু লৰা ছোৱালী আৰু তিৰোতা ডেকা ধৰি লৈ আহিল। কিছুমান সৈন্যক বন্দীও কৰিল।

ছ্যুকাফাৰ দলৰ হানি নহল যদিও দুজন বেয়াকৈ ঘাইল হ'ল। আৰু বাকী এশজনমানৰ সৰু সুৰা আঘাটহে হৈছে। ম'য়া সকলে সকলোকে বনৌষধী চিকিৎসা কৰিলে। বন্দী আৰু আপোন সকলোকে।

খাং গাওঁকিখনৰ যুদ্ধত লাং লাং থাং থাং অবস্থা দেখি বাকী খাং গাঁও বাসিন্দা সকলে মুৰব্বীক লৈ ছ্যুকাফাৰ ওচৰত নিজে নিজেই বশ্যতা স্বীকাৰ কৰিলেহি।

বাহুবলী পাহুবাল দুই এককে ধৰি আনি বন্দী কৰি তেওঁলোকৰ গাৰ মঙহ কাটি তেওঁলোকৰ ককায়েক ভায়েকক সিজাই খোৱালে। যিসকল খাঙে বশ্যতা স্বীকাৰ কৰিব বিচৰা নাছিল মানুহ কাটি সিজাই খোওৱা আৰু মুণ্ডমালা দেখি ভয়াবহ পৰিনাম ভোগাতকৈ বশ্যতা স্বীকাৰ কৰাই শ্ৰেয় বুলি বহুতে আহি ছ্যুকাফাৰ ওচৰত বশ্যতা স্বীকাৰ কৰিলে আৰু তেওঁৰেই অনুশাসন মানিম বুলি আৰু তেওঁৰেই প্ৰজা বুলি স্বীকাৰ কৰিলে।

যি সকল বন্দী হ'ল তেওঁলোকৰ কিছুক বন্দী কৰি লৈ আহিল আৰু কিছুক এৰি দিলে। দুই এক যুবক, লৰা-ছোৱালী জীয়ৰীয়ে ছ্যুকাফাৰ দলৰ মানুহৰ মৰম দয়া আৰু চেনেহ পাই আৰু কিছুৱে ভয়তে একেলগে যাবলৈ মন কৰিলে। উপযুক্ত চাই তেজ পৰীক্ষা ভাল ভাল দেখনিয়াৰ স্বাস্থ্যবান সৎ কিছুলোকক ছ্যুকাফাই লগত তাই পাইক কৰি ভৰাই ললে। অৱশ্যে তেওঁলোকক সৈন্যসকলে নজৰত ৰাখিছিল। পৰ্বতীয়া খা সকলে বশ্যতা স্বীকাৰ কৰে।

চাব্বিশ

দয় কাও ৰঙৰ পৰা ছ্যুকাফা আৰু সকলো সৈন্য সামন্ত মানুহ দুনুহ বন্দী হাতী, গাহৰি, গৰু, মহ সকলো তললৈ নামি আহিল। পাহাৰীয়া ৰাস্তা। দয় কাও ৰঙ পাহাৰ মাজে মাজে যথেষ্ঠ থিয়। কৰবাত শিলাময় পথ। অটব্য অৰণ্য। ডাঙৰ ডাঙৰ কাঠৰ গছ। অসংখ্য ঢেকীয়া, লতা, দিনতেই গছে আন্ধাৰ কৰি ৰাখে।

তথাপিও ছ্যুকাফাই অভিযান চলাবই লাগিব। মানুহ আগ বাঢ়িবই লাগিব। এজন নহয় দুজন নহয় হেজাৰ হেজাৰ জন। তেওঁলোক নামি আহিল। দয় কাও ৰঙত মাত্ৰ দহ কি পোন্ধৰ দিনহে থাকিল।

নাম পুঙ নদীয়েদি

নামি আহি নাম পুং নৈ পালেহি। নামপুং নৈৰ পাৰে পাৰে শিলাময় আৰু এগাঠি একাঠু পানীৰে আগুৱাই আহিল। হিম চেঁচা পানী। ফটিকৰ দৰে চফা, পৰিস্কাৰ। হেজাৰ হেজাৰ মানুহ। হাতী, ঘোঁৰা, গৰু আদিৰ খলকনিত নাম পুঙৰ পানীত ঢৌ উঠিল, যেন নাংপুঙেও বিজয় উল্লাসত উল্লাসিত হৈ উঠিছে।

কিছুদুৰ পানীয়েদি আৰু পাৰেদি আহি নাম পুঙৰ এটা বহল বালিয়া পাৰ অঞ্চল পালোহি। এই খিনিতে নং পু বুলি এখন সমতলীয় সৰু ঠাইও পাৰ হৈ যায়। এই বহল বালি আৰু সৰু সৰু শিলনিৰ ওপৰেদি মানুহ গৰু, মহ, হাতীৰ পাছে ছয়জনীয়া শাৰীৰ এখন দীঘলীয়া চাদৰৰ দৰে গৈ আছে। দুয়োকাষে দুটা ডাঠ সেউজীয়া নীলা পাহাৰ। মানুহবোৰৰ চিএঞৰ গৰুৰ হেম্বেলনি হাতীৰ চিএঞৰ আদি সকলোবোৰ শব্দ মিলি পাহাৰত ঠেকা খাই ধ্বনিত প্ৰতিধ্বনিত হৈ ফুৰিছে।

নাম ৰূকেদি

প্ৰায় এবেলাৰ বাট আহি মানুহবোৰে আন এখন নৈ পালেহি। নামৰূক। দুখন নৈৰ মিলন নৈ। এইখনো এখন পাহাৰীয়া নৈ। শিলাময়, শিল বালিৰ ওপৰেদি পানীবোৰ বাগৰি গৈ বালিৰ পোহৰত এক জলমলনিৰ অপূৰ্ব দৃশ্যৰ সৃষ্টি কৰিছে। বেছি বহল নহয় অথচ ঠেকো নহয় এক সমতল উপত্যকা। ছ্যুকাফাৰ মনত এই প্ৰকৃতিৰ অনুপম সৃষ্টি দেখি আনন্দৰ জোৱাৰ উঠিছিল। হাতীৰ পিঠিত উঠি অহা ছ্যুকাফাই কিছুসময়ৰ বাবেও তন্ময়হৈ ভাব ৰাজ্যত মগন হৈ পৰিছিল।

হথাতে যেন ছ্যুকাফাৰ সম্বিত ঘুৰি আহিল। ম' নহয় তেওঁ এইবোৰ ভাবি ধ্যান মগ্ন হ'বলৈ, আত্মবিভোৰ হ'ব। তেওঁ হ'ল ৰজা এই মানুহবোৰৰ ৰজা । তেওঁ দেশ গঢ়িব লাগিব, দেশ বিচাৰি উলিয়াব লাগিব। কান্ধতে গধুৰ দায়িত্ব। আজি তেৰ বছৰে তেওঁ ৰাজ্যৰ সন্ধানত ঘুৰি ফুৰিছে। বিজয় কৰিছে। বাট মুকলি কৰিছে। কিন্তু স্থায়ী দেশ হোৱা নাই। কিন্তু গঢ়িব লাগিব স্থায়ী দেশ, সুচল দেশ, সুচল ৰাজধানী, ম্যুং তাই, য'ত থাকিব বিভিন্ন জাতৰ গোষ্ঠীৰ মানুহ য'ত থাকিব পাৰিব বিভিন্ন ভাষা বিভিন্ন ধৰ্ম, বিভিন্ন মানুহৰ মৌলিক স্বাধীনতা য'ত থাকিব মানবীয়তা, উদাৰতা।

নাম পুং নদীৰ বালিৰ শিলৰ পাৰ আৰু বাম পানীয়েদি আহি আহি প্ৰায় দুপৰ বেলা নামৰূক নৈৰ ওচৰ পালেহি। দুফালে দুটা ওখ পাহাৰ যদিও পাহাৰৰ ওখ চাপৰ সৰু বৰ টিলা, ওখোৰা মোখোৰা ভূমিৰে এই নদীৰ উপত্যকাটো দীঘলীয়াকৈ সাধাৰণ ধৰণৰ তিনিশটামান পৰিয়াল ঘৰ বনাই থাকিব পৰা ঠাই। পাহাৰৰ কাষে কাষে শুকান ৰাই খাও বা আহু ধান খেতি কৰি বিশ ত্ৰিশটামান পৰিয়ালো চলিব পাৰিব। কিন্তু অধিক ধানৰ খেতি কৰি বেচি ডাঙৰ গাঁওগঠন কৰিবলৈ টান হ'ব নামৰূকৰ পাৰত।

ছ্যুকাফাই এই নামৰূকৰ পাৰৰ বহল ঠাইতেই কমেও তিনি চাৰি নিশা কটাই নামনিলৈ যাবলৈ সাজু হোৱাৰ কথা চিন্তা কৰিলে। সকলো মানুহেই আবেলিৰ লগে লগে তাতেই বাহৰ পাতিবলৈ যো যা চলালে।

নাম পুং নাম ৰূকত

ছ্যুকাফাই থাও. ম্যুং সকলক নিৰ্দেশ দিলে নামৰূকৰ পাৰতে ৰাতিৰ বাবে বাহৰ পাতিবলৈ। থাও ম্যুং সকলেও সকলোকে ছ্যুকাফাৰ নিৰ্দেশ ব্যক্ত কৰিলে।

পাহাৰৰ ওপৰৰ বাঁহ কাঠ কাটি বাহৰ বনোৱা হ'ল। ছ্যুকাফাৰ বাবেও আচুতীয়াকৈ সকলোৰে মাজত বেঢ়ি কুঢ়ি অস্থায়ী কাৰেং নিৰ্মাণ কৰা হ'ল। অস্থায়ী হ'লেও সুন্দৰ কাৰেঙেই হৈ পৰিল।

বহুতেই মতঙৰ উপৰিও কাক বাঁহৰ চুঙাত ভাত সিজাবলৈ ল'লে। আগতেই প্ৰস্তুত কৰা শুকান মাছবোৰ বিভিন্ন পাহাৰীয়া গছপাত শাকৰ লগত মিলাই শাক হিচাবে প্ৰস্তুত কৰিলে। বহুতে বাঁহৰ গছবোৰ কাটি আনিও চকলা চকল কৰি সিজাবলৈ ধৰিলে। হাতী ঘোঁৰা গৰু সকলোকে খোওৱা বোওৱা আলপৈচান ধৰাত ভাগে ভাগে কাম কৰাত লাগি গ'ল।

ৰাতিটো সকলো খাই বৈ শুলে।

নাম ৰূক নদী। ছ খন সৰু সৰু নদী পৰ্বতৰ পৰা আহি এখন নদীত মিলিছেহি। সেয়েহে তাই সকলে অতীজৰ পৰাই এইখন নাম ৰূক নাম দিছিল। এই কথা ছ্যুকাফা আৰু দলৰ বহু মানুহে জানিছিল। বিশেষত নং য়াঙৰ পাৰৰ তাই খাময়াং সকলে জানিছিল। নং য়াঙৰ পাৰৰ ম্যুং আইতন, ফাকে ছে ৰিনৰ তাই ফাকে আৰু নাম তুৰুঙৰ পাৰত থকা তাই তুৰুং অথবা তাই ৰুং সকলে তথা ম্যুং পু তাও আৰু ম্যুং চিংকা লিঙৰ তাই খামতি সকলেও এই বিষয়ে গম পাইছিল। তাই হুকং তাই ম্যুং কং সকলো মানুহেই এই পথেদি

বৈ চালিছিলে মাজে সময়ে অহা পথত এই নদীখনক সেয়েহে নামৰূক নাম দিছিল।

পুৱাতেই প্ৰথম কুকুৰা ডাকতেই মানুহবোৰ শুৱাৰ পৰা সাৰ পালে। ছ্যুকাফাইও বিচনা এৰি পুৱাৰ বন্দনা গাবলৈ ধৰিলে।

চাও নুও ৰুও চাও কা ৰই।
ফ্ৰা ত্ৰা আলং চিকিয়া ৰা নি পান
ৰাই মৌ চাও কা ৰই।
পাক পেঞ কাকা চন চেউ খাম
দয় মা লুং নাম না ৰই।

দুৰৰ পৰা ভাহি আহিল ম'লুং সকলে গোৱা বন্দনাৰ শব্দ। তেওঁলোকে ডাঙৰকৈ প্ৰাৰ্থণা গাবলৈ ধৰিলে। ম লুং সকলৰ বন্দনাৰ সুললিত সুৰে যেন নামৰূক উপত্যকা প্ৰাণবন্ত কৰি তুলিলে। নামৰূক যেন সাৰ পাই উঠিল। প্ৰাণোচ্ছলা হৈ যেন নামৰূকে সানন্দে অভ্যাগত অতিথি সকলক বাট দেখাই লৈ যাবলৈ সাজু হ'ল। নাম ৰূকেও বুজি উঠিল ছ্যুকাফা আৰু তেওঁৰ অনুগামী সকলৰ মনৰ কথা।

দয়ঁ কাও ৰঙৰ বুকুভেদি বান অকেদি বেলি ওলাল। ৰঙা বেলি। বেলিৰ ৰাঙলী কোমলীয়া কিৰণে পোহৰাই তুলিলে ছ্যুকাফাৰ দলৰ সমূহ শিবিৰ। ছ্যুকাফাই নিজেই কাৰেংটোৰ পৰা ওলাই বাহিৰ মিছাঙত ঠিয় হৈ দেখা পালে একো একোটা ৰাঙলি শিলৰ দৰে বহি আছে বাহৰবোৰ। নামৰূকৰ পাৰত ৰাতিটোৰ ভিতৰতে যেন এক দীঘলীয়া ঙু সাপ সদৃশ ঙু ছেং জিভা মেলি পাখি মেলি পশ্চিমলৈ উৰিবলৈ সাজু হৈছে। এয়েই যেন ঙাও ছেং ফ্ৰা অলপ পিচতেই যেন ঙাও ছেং বং ফ্ৰা গুজৰি উঠিব।

ঘোঁৰা চোৱা, হাতী ৰখীয়া, গৰু মহ হাঁহ কুকুৰা ৰখীয়া , খৰি, বাঁহ, কাঠ গোটোৱা শাকপাত গোটোৱা সকলো ভাগে ভাগে কামত অগ্ৰসৰ হ'ল। কোনো বৈ থকা নাই। অলসভাৱে বহি থাকিবলৈ কাৰো এপলকো সময় নাই।

পাহাৰৰ পৰা না না ধৰনৰ কৌপাত, শকপাত বাঁহৰ গাজ আনি পুৱাতেই ছ্যুকাফাৰ খাদ্য প্ৰস্তুত হ'ল। খাও মাই লাম, খাও ন্যেও, প্লা চুম, নু মাই, প্লা পিং আদি পৰিবেশন কৰা হ'ল। ছ্যুকাফাৰ ভোজনৰ বাবে বনৰীয়া চৰাইবোৰ অধিক নামাৰিবলৈ মানুহবোৰক পৰামৰ্শ দিছিল। তেওঁলোকে আহিছে দেশ গঢ়িবলৈ। ধ্বংস কৰিবলৈ নহয়। চৰাই চিৰিকতি, জীৱ-জন্তু, গছ-গছনী, মানুহ-দুনুহ সকলো মিলি এখন দেশ এখন ম্যুং। হাবি বন নাথাকিলে ম্যুং গঢ়া অৰ্থহীন। হাবি বন নাথাকিলে জীৱ-জন্তু, চৰাই-চিৰিকতিও নাথাকিব। বনো থাকক, চৰাইয়ো থাকক, মানুহো থাকক, জীৱও থাকক। খাও থাকক আমিও থাকো। এনে ছ্যুকাফাৰ মনৰ ভাব।

তথাপি দুই এক ডলুবাই ক'ত এৰিব পাহাৰে পাহৰে পিত পিতাই ৰাতিপুৱাতেই এখাং বনৰীয়া চৰাই ধৰি আনিলেগে। কেইটামানে নামৰূক নদীত বহুতো শিলঘৰীয়া প্রা ৰিন ধৰি আনিলেগৈ। কেইটামানে গৈ গছ বন কাটি ভেটা দি বাঁহৰ থোহা পাতি থৈ আহিলেগৈ। যি যি চেপা, ডিঙৰা, খলহা আদি লৈ আহিছিল তেওঁলোকেও সেইবোৰ পাতিলেগৈ। নামৰূকত বহু মাছ আছে। নামৰূকত নামপুঙতকৈ মাছ বেছি আছে। ফ্রা ত্রাৰ কি অপূর্ব সৃষ্টি। ইমান মাছখন পাহাৰৰ মাজত আছে। বিন কামে মাছ ধৰি ধৰি ভাবি পাৰ নাপালে।

ৰিন কাম ছেং দহবছৰীয়া লৰা। সি দলটো বাটত আহি থাকোতেই জন্ম হৈ ডাঙৰ দীঘল হৈছে। কোন ৰাজ্যত সি জন্ম হ'ল সি ক'ব নোৱাৰিব। সি মাকৰ মুখৰ পৰা শুনিছে মাকে বোলে হাবিত বনৰীয়া শাক পাত বিচাৰি ফুৰোতে এজোপা বৰ গছৰ তলতেই সি জন্ম হ'ল। বৰ গছৰ তলত জন্ম হোৱা বাবে তাৰ নাম হৈছিল পুত ছেং। কিন্তু সি উৰি যোৱাৰ দৰে দৌৰিব পাৰে বাবে তাম সকলোৱে বিন কাম ছেং বা বিন পুত ছেং বুলি মাতিবলৈ ধৰিলে। সি থাও ম্যুং এজনৰ পুতেক। মানুহবোৰৰ মতে নতুন ৰাজ্যত এদিন সি থাও ম্যুং হ'ব পাৰিবগৈ বোলে। সি লিখা পঢ়াতো পার্গত হৈছে। ম'লিক ম্ব দাওৱে তাক আৰু দুজনমান থাও ম্যুঙৰ লৰাৰ লগত একেলগে পঢ়ায়। সি এতিয়াই আখৰবোৰ লিখি দিব পাৰে- কা খা ঙা, না তা পা। সি লিখিব পাৰে-কাও কিন খাও, ৰাও কুন ফান তাই। ৰাও পাই ম্যুং পাকাম। অর্থাৎ মই ভাত খাও, আমি তাই জাতিৰ মানুহ। আমি পাকাম দেশলৈ যাওঁ। গছৰ বাকলিৰ পাতত লিখা আখৰো সি পঢ়িব পাৰে। বহুতে কয় সি বোলে ফী পুত থা ছেং হ'বগৈ পাৰে।

ছুকাফাৰ মানুহবোৰে ম্যুং বৈছালিছাত অর্থাৎ বৈশালী দেশত বুদ্ধৰ জন্ম হৈছিল বুলি জানে। তেওঁলোকে বুদ্ধক কিন্তু বুদ্ধ বুলি কব নোৱাৰে। তেওঁলোকে বুদ্ধক পুত থা বা পুত বা বুত বুলিহে কয়। কেতিয়াবা ফা বুত বুলিহে কয়। আকৌ কেতিয়াবা ফী পুত বা ফী বুত বোলে। কোনো কোনোৱে আকৌ ফী পু বা পু ফী বুলিও কয়। কেতিয়াবা আকৌ ফী চাং বা ফা চাং অর্থাৎ জ্ঞানৰ দেৱতা বুলি কয়।

ছুকাফাইও জানে ম্যুং তালিৰ ডাঙৰ নং হ্রদটোৰ পাৰত শাৰী শাৰী আঁহত আৰু বৰগছ আছে। হ্রদটোৰ চাৰিওফালে বৰ গছবোৰ ৰুই দিয়া হৈছে। এইবোৰ জ্ঞানৰ গছ বুলি তেওঁ শুনিছে। তেওঁলোকৰ ম্যুং মাওৰ বৌন ফা ছেং আৰু বৌন ফী আৰু হ ফী বিলাকৰ সমুখত তুন বুং ৰাই খা বুং ৰাই তুন পাং (বৰ আৰু আঁহত) আদি গছবোৰ ৰুৱা হৈছিল। তেবোঁ জানে যে তেবোঁ ম্যুং মাওৰ ৰাজকার্য পৰিচালনা কৰিবলৈ লওঁতে তুন বুং ৰাই খা বুং ৰাই আয়ুবৰ বাটবৰ ৰুইছিল। ছুকাফাও জানে তালিৰ ফালৰ ল' ল' আৰু বাই বিলাকে

বৰ গছ আঁহত গছৰ কোনো গুৰুত্ব বুজি নাপায়।

বিন কামছেঙে ডাঙৰ মাছ কেইটামান ধৰি মাকৰ ওচৰলৈ দৌৰী গ'ল।

'চাও ছেং'

'চাও প'

সাতাইশ

নামৰূকৰ পাৰৰ কাষতো কেইবাটাও পাহাৰত কেবাখনো খা খাং আৰু অনান্য খা চিংফলা ৰিংগাম দুই এক খা খিলিমি গাওঁ আছিল। খা খাং তাও কাক গাঁৱেই বেছি আছিল।

দুই এক গাঁৱৰ লোক ক'ৰ মানুহনো আহিছে বুলি ছুকাফাৰ তাই মানুহবিলাকৰ ওচৰ পালেহি। কোনো কোনোৱে হাবিত কাম কৰিবলৈ আহি হথাতে হেজাৰ বিজাৰ মানুহ গৰু গাই দেখি চক খাই হাবিৰ গছৰ আঁৰৰ পৰা পৰা পলাই পলাই চাইছে। খেনোৱে হথাতে দেখি চক খাই গাঁৱৰ ফালে টোৰাই ভিৰাই লৰ মাৰিলে। গাঁৱৰ পৰা এজোম হৈ আকৌ চাবলৈ আহিছে মানুহবোৰ কোন। তেওঁলোকৰ মনত না না প্ৰশ্ন। কিয়বা আহিলে ইমানবোৰ মানুহ। ক'লৈ যাব। আমাৰ গাঁওবোৰেই লুট কৰিব নেকি। নগা গাঁৱে ভাবিলে চিংফৌ মানুহে তেওঁলোকক ধৰিব। চিংফৌৱে ভাবিলে নগায়ে ধৰিব। বিভিন্ন গোটে নিৰীক্ষণ কৰি দেখিলে যে মানুহ বোৰ কোনো নহয়, ম্যুং কুঙৰ ফালৰ শ্যাম মানুহ। তেওঁলোকক চাম বুলিহে তেওঁলোকে উচ্চাৰণ কৰিব পাৰে। 'শ্যাম' শব্দটো তেওঁলোকে নাজানে। চাম বুলি কোৱা শুনিছে হুকঙৰ ফালে। নামৰূকৰ দুই একে নাম কিউ পাৰ হৈ মেন সকলৰ ওচৰলৈও মাজে মাজে বেহা কৰিবলৈ যায়। কেতিয়াবা কেতিয়াবা তেওঁলোকে হাতী দাঁত লৈ যায়, পছুৰ না না শিং, ভোৰ আদি লৈ গৈ তেওঁলোকৰ ফালৰ পৰা আফিং আনেগৈ। গাঁৱৰ বুঢ়া বিলাকে কিছুমান আফিং নাখালে থাকিবকে নোৱাৰে। অলৰ অছৰ হ'লে বুঢ়া বিলাকে জুই শালত বহি বহি ওলমাই শুকুৱাই থোৱা পছু, বনৰীয়া জন্তু আদিৰ মাংস পুৰি খালাপৰ তিতা পানী আফিং মিলাই খাই খাই দিনটো বহি থাকে। কেতিয়াবা কেতিয়াবা তেওঁলোকে বাঁহ আৰু বেঁতেৰে কিছুমান বস্তুও তাতে বহি বনাই থাকে।

এনেদৰে পূৰ্বৰ মেন সকলৰ দেশৰ ফালে যাওঁতে ৰিংগাম ছেং সকলে আৰু খিলিমি সকলে শ্যাম মানুহ বুলি গম পাইছে আৰু এনে শ্যামলোক অধিক পূবৰ ফালে আছে বুলি শুনিছে। পাকান ৰাজ্যৰ মানুহে তেওঁলোকক চান বুলিও শুনিছে। ছেংফলা ৰিংগাম সকলে চাম বুলি মাতিব পাৰে।

এজন ছেংফলা ৰিংগাম লোকে চুচুক চামাককৈ ওচৰ চাপি গ'ল। তেওঁ কিছু তাই ভাষাও জানে। তথাপি চিংফৌ ভাষাতেই সুধিলে "তোমালোক ক'ৰ মানুহ আৰু কি মানুহ।"

নোবুজা যেন পাই তেওঁ খাং ভাষাত সুধিলে। তেতিয়াও নোবুজাযেন পাই তেওঁ তাই ভাষাত সুধিলে।

ছুকাফাৰ মানুহজনে উত্তৰ দিলে 'আমি ম্যুং মাও লুং দেশৰ মানুহ আৰু তাই হুকং, শ্যাম মানুহ।

মানে তোমালোক হুকঙৰ ফালৰ পৰা অহাচাম মানুহ।

' হয় আমাক অতীজৰে পৰাই খা মেন দাম, কুন ক্লা সকলে আৰু ফাৰাংসকলে চাম বা চিয়াম বুলিয়েই কয়। আৰু মান মা সকলে আমাক চান বুলি কোৱা শুনো। কোনো কোনোৱে আমাক ম্যুং মাও লুং আৰু আগৰ পং'ৰাজ্যৰ নাম অনুসৰি মাও পং লোক বুলিও কয়। কিছুমানে আকৌ আমাক 'পাই' বুলি কয়। বিশেষত খে সকলে আমাক পাই অৰ্থাৎ আমি হেনো বৰ্বৰ, অসভ্য জাতি। কিছুমান খে লোকে আমাক পানীৰ মানুহ 'তাই নাম' বুলিও কয়। আমি বোলে পানীতে লেটি পেটি কৰি খেতি কৰো। অৱশ্যে আমাক কিছুমানে পৰ্বতীয়া 'তাই দয়' জাতি বুলিও হাঁহে।

বুজিছে, আমি পৰ্বততো বাস কৰিব পাৰো, মাটি পানী মিলি থকা সমতলত খেতি কৰোঁ। আঠা ধানৰ ভাত খাওঁ। সাগৰতো পানীৰ ওপৰতে থাকি ভাল পাওঁ। আমাৰ ৰূপ বহু ধৰণৰ বুজিছে।"। তাই মানুহজনে উত্তৰ দিলে।

"কিয় আপোনালোকে এইফালে আহিলে?" খা জনে প্ৰশ্ন কৰিলে।

"এৰা আমি আহিলো পশ্চিমলৈ। আমি আমাৰ মৰমৰ ৰজাৰ নিৰ্দ্দেশ আখৰে আখৰে পালন কৰিছোঁ। আমাৰ ৰজা চাও লুং ছুকাফা। তেখেতৰ প্ৰজা আমি। আমি সেয়ে মাটি বিচাৰি আহিছোঁ। পাম খুলিবলৈ। খাবলৈ। বহিবলৈ। খেতি কৰিবলৈ। পানীত বোকা লেটিয়াই ধান খেতি কৰিবলৈ। এক ম্যুং গঠন কৰিবলৈ।" তাই সদস্যজনে উত্তৰ দিলে। মানুহজন যেন এজন গভীৰ জ্ঞান থকা পণ্ডিতহে।

চিংফৌ এজনে পাহাৰৰ ওপৰৰ পৰা দেখি পালে মানুহ এজনে নামৰূকৰ পাৰত বাঁহ পাত, কৌ পাত, কল পাত, টকৌ জেঙৌ পাতেৰে ঘৰ বনাই পিত পিতাই ফুৰিছে। কৰ মানুহ এইবোৰ? আমাৰ ঘৰ বাৰী ভাঙিবলৈকে আহিছে নেকি এওঁলোকে? আমাৰ গাঁৱত খবৰ দিবলৈ যাওঁ। এইদৰে ভাবি থাকিলে কথা বিষম হ'ব।

মানুহজন উধাতু খাই গাঁৱৰ ফালে হাবি বন ফালি যাবলৈ ধৰিলে।

এজন দুজনকৈ বহুবোৰ মানুহে ছুকাফাৰ দলৰ মানুহৰ ওচৰলৈ আহি কথা বতৰা

পাতিলেহি।

ৰাতিপুৱাৰ ভিতৰতে ওচৰৰ মানুহৰ মাজত ছ্যুকাফাৰ নেতৃত্বত মানুহবোৰ অহাৰ খবৰ ৰাষ্ট্ৰ হৈ পৰিল। আনহাতে ছ্যুকাফাৰ দলৰ মানুহো পাহাৰৰ ওপৰৰ গাঁও ভূঁই বিচাৰি পিং পিঙাই ফুৰিব ধৰিলে।

তদুপৰি বহুবোৰ 'খা দয়' পৰ্বতীয়া জাতিৰ লোকে ছ্যুকাফাই ম্যুং মাওৰ পৰা পশ্চিমে ৰাজ্য গঠন কৰিবলৈ আহি থকা খবৰো পাইছিল। দয় কাও ৰঙৰ নগা যুদ্ধৰ বিষয়েও তেওঁলোকে শুনিছিল।

অৱশ্যে ছ্যুকাফাইও তেওঁৰ অনুগামী বিষয়াক ওচৰৰ গাঁও ভূঁই জৰীপ কৰি জনাবলৈ ক'লে যে তাই লোক সকল ম্যুং মাওৰ পৰা আহিছে। দস্তুৰ মতে তাই লোকসক তেওঁলোকে দেখা কৰি সেৱা সৎকাৰ কৰিবহি লাগে। যদি তেওঁলোকে ফেপেৰি পাতি ধৰে, তেওঁলোকৰো গাঁও ভূঁই ভাঙিব লাগিব।

আবেলিৰ আগে আগে ওচৰৰ প্ৰায় বোৰ গাঁওৰ খবৰ পোৱা হ'ল।

গধূলীৰ আগে আগে প্ৰায় দহ খন মান গাঁৱৰ মূৰব্বী সকলে লগত বয়োবৃদ্ধ মানুহ লৈ না না উপহাৰৰ সৈতে ছ্যুকাফাক বৰিলেহি। ছ্যুকাফাইও তেওঁলোকক লগত অনা উপহাৰ দিলে।

পাচৰ দিনাও ছ্যুকাফাৰ কিছু অনুগামীয়ে ওচৰৰ অনান্য গাঁও ভূঁই আৰু ঠাইবোৰ পৰ্যবেক্ষন কৰি ফুৰিলেগৈ। মাজে মাজে ছ্যুকাফাই ভাবিও চালে যে এই দয় কাও ৰঙৰ পশ্চিম পাৰতেই পানীখেতি কৰিব পৰা উপযুক্ত বহল আৰু অধিক সমতল ক্ষেত্ৰ আৰু উৰ্বৰা ভূমি পোৱা যাব নেকি? পৰ্যবেক্ষন কৰি দেখিলে যে ইয়াৰ সমভূমিবোৰ বহল ক্ষেত্ৰ নহয়। পানী খেতি কৰিব পৰা অধিক মাটি নাই। তদুপৰি শিলাময় ঠাই। গোমধান কনী ধান, কাউৰীমনি আদি খেতিহে ইয়াত কৰিব পৰা হ'ব। ধান খেতি কেৱল ৰাই বা হাই ধানহে কৰিব পাৰিব। অৱশ্যে খা সকলেও হাই ধানৰ খেতি এতিয়াও কৰিছে। বাঁহৰ কাঠৰ গোজ এটা হ'লেই তেওঁলোকৰ যথেষ্ট।

ছ্যুকাফা আৰু দলৰ মানুহবোৰ লক্ষ্য কৰিছে যে পালাউং, ম'ছু, লিছু, মেও, সকলৰ দৰে এওঁলোকো পাহাৰত গছবন কাটি জুই জ্বলাই মাটি খুচিহে ধান, গোমধান, আদি খেতি কৰে। এওঁলোকেও মহৰ হাল নাবায়। অৱশ্যে দুই একৰ গৰু মহ নথকা নহয়। কনীধানৰ পৰা এওঁলোকে অধিক লাও পানী বনাই। এওঁলোকৰ লাওবোৰ মিঠা। ধানৰ লাওতকৈ এইবোৰ বেছি মিঠা।

এওঁলোকক মান সকলে কচিন বা কাচিন বুলি কয়। তাই সকলে কং বুলিও কয় আৰু চিং ফ'লা ৰিংগাম বুলিও কয়। খে সকলে ভদ্ৰভাৱে চান তিও অৰ্থাৎ পৰ্বতীয়া

নায়ক জাতি বোলে। খে ভাষাত চান মানে পৰ্বত। মান সকলে তাই সকলক ভালদৰে শ্যাম বা চিয়াম উচ্চাৰণ কৰিব নোৱাৰি চান বুলি কয়।

ছুকাফাই কথাবোৰ ভাবিব ধৰিলে। আমাক তাই সকলকো আমাৰ গাৰ বৰণ দেখি বোলে ক্ৰা বা ক্লা বিলাকে শ্যাম বোলে। ছুকাফাই জানে কাং বিলাকো কম সাহসী নহয়। জীৱন নোযোৱালৈকে তেওঁলোকে যুদ্ধ কৰে। যুদ্ধ ক্ষেত্ৰত তেওঁলোকো নিষ্ঠুৰ। আমাৰ তাই সকলৰ লগত ছকওত বহুতো সংঘৰ্ষ লাগিছিল। কেবাবাৰু তাই সকলে হাৰিবও লগা হৈছিল সেই কথা ছুকাফাই জানে। এবাৰ ছুকাফাই ম্যুং শ্বি প'তো কং কাচিন সকলৰ যুদ্ধ লাগি পোৱাৰ অভিজ্ঞতা আছে। তদুপৰি তালিৰ বাটতো তেওঁলোকৰ লগত ভেটা ভেটি হৈ পোৱাৰ অভিজ্ঞতা আছে। কচিন সকলৰ দোৱা বা পৰ্বতৰ একোটাইত অঞ্চল কেতিয়াবা-কেতিয়াবা বৰ শক্তিশালী দেখা যায়। দোৱা বা ভাম মূৰব্বী জনো কেতিয়াবা বৰ শক্তিশালী দেখা পোৱা যায়। দোৱা অঞ্চলৰ গাঁৱৰ মূৰব্বী ছলং বা পৰমৈং সকল গাওঁৰ একোজন বৰ প্ৰভাৱশালী মানুহ।

ছুকাফাৰ মানুহে খা খবৰ ছুকাফাক দিলেহি। নামৰূকৰ কাষে পাজে থকা কচিন চিংফৌ কং সকল তে চান কং। এওঁলোকৰ খেলবোৰ হ'ল তেং হাঁহ, মায়হ' আৰু নিমব্ৰং। তদুপৰি এওঁলোকৰ মাজত মৰান গোষ্ঠীৰো কং আছে। এওঁলোকৰ সকলোৱেই পাহাৰত কং ভাষা কয়। দুই একে চংকিত ক্ৰা ভাষা-খাম ক্লা চংকিত অলপ অলপ জানে। মৰান শাখাৰ চিংফৌ সকলেও বোলে নাম কিউৰ উজনীৰ মালিখা নৈৰ পাৰৰ পৰা আহিছিল। মালিখা নৈ দয় কাও ৰঙৰ আৰু উজনীৰ। মালিখা আৰু মাই খা দুয়োটা সুতি খা (নদী) লগ লাগিছে দুং চেত নামৰ ঠাইত। আৰু তাৰ পৰাই আমাৰ নামকিউ আৰু কচিনসকলৰ ফুং মাই খা নদী দক্ষিনলৈ মলি বৈ আহিছে। মৰান সকলৰ লগতে তেচন সকলো বহুলোক বোলে দুংছেতৰ পৰাই আহিছে। তেওঁলোকে গোমধান, ধপাত জা ফাই, নীল, কপাহ, তিল গুা, আফু খেতি কৰাত সিদ্ধহস্ত। পূবৰ দৰে এওঁলোকেও ৰাই ধান, শুকান মাটিত পানী নোহোৱা ধানৰ খেতি কৰে। এওঁলোকৰ মানুহ ওচৰে পাজৰে দুহেজাৰ মানহে হ'ব। তথাপি এওঁলোকৰ লগত যুদ্ধ নকৰি বন্ধু ভাবে লগ লোৱাহে ভাল হ'ব যেন পাওঁ। আমাৰ মানুহৰ লগত এই মৰাণবোৰ প্ৰায় একে। শ্বিপনত আমাৰ সকলো একেজাত হৈ থাকোঁ।

সাতে পাচে ছুকাফাই থাও ম্যুং ফু কিন ম্যুং আদি বিষয়া সকলৰ লগত আলোচনা বিলোচনা কৰি এই কচিন সকল আৰু লগতে খাং সকলৰ গাঁৱলৈ উপহাৰ পথাই বন্ধুত্ব স্থাপন কৰিব বিচাৰিলে। সকলো দোৱা, গাম ছলুং সকলেও আহি শুকান পছুৰ মাংস মিঠা লাও পানী ছেকুৰ বিশ ত্ৰিশটা বাঁহৰ চুঙা, আৰু গোমধান, কনীধান, কঁপাহ আনি উপহাৰ

দিলেহি। ছুকাফাই তেওঁলোকক পুনৰ একোখনকৈ পিতলৰ শৰাই পান, বানকাঁহী ফে বান দি পঠালে। লগতে এজোৰকৈ কলা ৰঙৰ পতলুং অৰ্থাৎ বহল ঠেঙাৰ নিম্ন বস্ত্ৰ আৰু ওপৰৰ বুকু ঢকা চোলা ফা চ্যু পিন্ধিবৰ বাবে উপহাৰ দি পঠালে।

সকলো স্থানীয় বাসিন্দাই সুখী হৈ পিচদিনাখন আলোচনা কৰি ছুকাফাৰ অনুৰুধ মতে সহায় কৰিবলৈ আহিল। দুবাৰ ভাত সিজাৰ দূৰত্ব গলেই নামৰূক পাইগে। নামৰূকখন কিছু দ। সকলোতেই দ নহলেও কমেও দুহাত তিনিহাতৰ পানী কম নহয়। স্থানীয় বাসিন্দা সকলেও তেওঁলোকক এই খবৰ জনালে আৰু নিজৰ মানুহেও পশ্চিমলৈ গৈ পৰ্যবেক্ষণ কৰি আহিলগৈ।

ছুকাফাই ৰাতি সকলোৰে লগত আলোচনা বিলোচনা কৰিলে। সকলোৰে আলোচনাৰ পাচত সিদ্ধান্ত কৰিলে যে নামৰূকৰ দ অঞ্চলৰ পৰাই কাঠৰ ভোৰ বনাই নামনিলৈ যাব লাগিব। ঘোঁৰাবোৰ চকু বান্ধি নৈৰ ওপৰেদি নিব লাগিব। কাৰণ ঘোঁৰাবোৰ একেৰাহে নদীৰ ওপৰত গৈ থাকিলে মূৰবোৰ ঘুৰাই আমনি কৰিব পাৰে। কাঠৰ ভোৰবোৰ দীঘল দীঘল বনাই নিব লাগিব। গধুৰ কাঠ হোৱাতকৈ শিমলু কাঠ বেচি সুন্দৰ হ'ব বুলি শিমলু গছ-এশ ডালমান কাটিবলৈ সিদ্ধান্ত হ'ল। প্ৰায় ত্ৰিশ চল্লিশ হাতকৈ গছৰ টুকুৰা বোৰ কৰি ভোৰবোৰ বনাব লাগিব। শিমলু কাঠৰ উপৰিও অনান্য গছ যেনে মজ, নাহৰ, শিশু, চাম কঠাল, বনবগৰী আদিৰ উপৰি ডাঙৰ বুঢ়া বুঢ়া মাই কাপ, মাই চাং, মাই হুক, মাই পক, আদি বাঁহবোৰ কাটিবলৈ সিদ্ধান্ত হ'ল। আৰু এই ভোৰ বোৰ নিৰ্মাণ কৰিবলৈ প্ৰতিজন ফু কিন ম্যুং লান তাই ম্যুং, থাও ম্যুং, খুনক দায়িত্ব অৰ্পণ কৰা হ'ল। তেওঁলোকে খা সকল তথা তাই সকলৰ পাৰদৰ্শী ব্যক্তি সকলে তদাৰক কৰি ভোৰ নিৰ্মাণ কৰিব।

নামৰূকৰ পাৰৰ সকলো গাঁৱে আহি ছুকাফাক বৰিলেহি। মাত্ৰ কাং সকলৰ গমজু আৰু নিংখি পৰিয়ালৰ লোক সকলে ছুকাফাক বৰিবলৈ বৰ টান পাইছিল। আনহাতে ছুকাফাৰ মানুহৰ সংখ্যা সৈন্য শক্তি দেখি যুঁজ দিবলৈও ভয় খাইছিল। যি সকল লোকে ছুকাফাক বৰিছিল তেওঁলোকক সমৰ্থন কৰা নাছিল গমজু নিংখি সকলে। দুদিন তিনিদিন তেওঁলোকৰ মাজত ভালদৰেই মনোমালিন্য হৈ তৰ্কা তৰ্কি হৈছিল। গমজু নিংখিৰ তিনিশ মানুহ গোট খাই এখন গাওঁ বিদ্ৰোহী হৈ ছুকাফাৰ এটি পঞ্চাশ জনীয়া মানুহৰ পৰ্যবেক্ষনকাৰী দলক খেনু কাড়েৰে আক্ৰমন কৰিলে। ছুকাফাৰ মানুহেও উপায়হীন হৈ সমূখ যুদ্ধত অৱতীৰ্ণ হ'ল। দুজনমানৰ গাত বিষ কাড়ো লাগিল। তেওঁলোকে গছৰ আঁৰত লুকাই লুকাই দলটোৰ পিনে লাহে লাহে অগ্ৰসৰ হ'ল। দুই এজনে মনে মনে পিচ হুহুকি মূল শিবিৰত খবৰ দিলেগৈ। মূল শিবিৰৰ পৰা আৰু দুশ তিনিশমান লগৰ মানুহ আহি যুদ্ধত যোগ দিলেহি।

যুদ্ধত কং বিদ্রোহী কিজনৰ পৰাজয় হ'ল। ছ্যুকাফাৰ সৈন্যই তিনিজন কণ্ডক হত্যা কৰিলে। প্ৰকৃততে তেওঁলোকক এনেদৰে হত্যা নকৰিবলৈ বিচাৰিছিল। তেওঁলোকক বিনাযুদ্ধে বৰণ কৰক বুলি চিএওঁৰি চিএওঁৰি বাৰে বাৰে ঘোষণা কৰিছিল। কং ভাষা জনা এজনক এই ঘোষণা ভালদৰেই কৰাইছিল। তথাপি তেওঁলোকে খেদি আহিল। সেয়ে ছ্যুকাফাৰ সেনাই প্ৰত্যাক্ৰমন কৰিবলৈ বাধ্য হ'ল। কং সকলৰ এখন গাওঁ সম্পৰ্ণকৈ ধ্বংস কৰা হ'ল। গাঁৱৰ লৰা বুঢ়া ডেকা-জীয়ৰী সকলোকে বন্দী কৰি অনা হ'ল।

নামৰূক অঞ্চলৰ সকলো স্থানীয় বাসিন্দাৰ অনুগামী আৰু বন্দী কৰি অনা পাচশজন মান খাক এই ভোৰ বোৰ নিৰ্মাণ কৰিবলৈ নিয়োগ কৰা হ'ল।

সাত দিনমান নামৰূকৰ পাৰতেই অতিবাহিত হ'ল। ইতিমধ্যে পাহাৰৰ তলে ওপৰে প্ৰায় এহেজাৰ ডালমান গছ আৰু পাচহেজাৰ ডালমান বাঁহ কটা হ'ল। ছ্যুকাফাৰ নিৰ্দ্দেশমৰ্মে বাঁহৰ ভোৰবোৰ নিৰ্মাণ কৰাত মানুহবোৰ ব্যস্ত হ'ল। খাং আৰু কং সকলৰ মাজত থকা হাতীয়েও পাহাৰৰ পৰা কাঠ বাঁহ টানি অনাত নিয়োজিত হ'ল। বাঁহ কাঠ বিলাক ত্ৰিশ চল্লিশ হাত বা কিছুমান ততোধিক দীঘল কৰি আৰু দুই এক ভোৰ পোন্ধৰ বিশ হাতৰো দীঘল আৰু আঠ ন হাতৰ পৰা পোন্ধৰ বিশহাত পৰ্যন্ত বহলকৈ নিৰ্মাণ কৰা হৈছে। ঢেকীয়া লতি, বেঁত, বাঁহৰ চোঁচ, ঔ লতি, উদাল গছৰ চাল আদি না না পাহাৰীয়া বনৰীয়া গছৰ চাল, লতা, বেঁতেৰে মজবুতকৈ ভোৰ বোৰ বন্ধা হ'ল। বহু ভোৰত ডাঙৰ কাঠৰ ওপৰত সৰু সৰু কাঠ আৰু বাঁহৰ তৰপ বান্ধি দি ওপৰত বাঁহ ঠাঁহি দি কামীৰে বান্ধি সুন্দৰকৈ চাংঘৰৰ নিচিনা বনোৱা হ'ল। প্ৰতিখন ভোৰত বাঁহ কাঠৰ দ্বাৰা তিনি হাতৰ পৰা চাৰি পাঁচ হাত পৰ্যন্ত ওখকৈ সৰু সৰু ঘৰ কিছুমান বনোৱা হ'ল। ৰ'দ বৰষুণৰ পৰা ৰক্ষা পাবলৈ বনোৱা ঘৰ। তদুপৰি জাৰ কালিৰ জাৰ এতিয়াও যোৱা নাই। হিম আৰু চেঁচা বতাহৰ পৰা ৰক্ষা পাবলৈও চালি আৰু বেৰ লগা ঘৰবোৰ নিৰ্মাণ কৰিছে।

ছ্যুকাফা তাই সকলৰ শ্যাম সকলৰ ৰজা চাওফা। চাওফা স্বৰ্গদেও। স্বৰ্গৰ পুত্ৰ, স্বৰ্গৰ দেৱতাৰ স্বৰ্গ ফাৰ চাও ফা ফেত ল্যেংদনৰ তেজৰ সোঁত বৈ অহা ৰজাৰ তেজ থকা চাও ফা সৰগৰ দেও স্বৰ্গদেও। তাতে আজি চৈধ্য বছৰে শ্যাম সকলৰ নেতা হৈ চাও হৈ তেওঁ আহি আছে, পাহাৰে কন্দৰে পাৰহৈ, শিলনি হাবিয়নী, নলনী, ইকৰানী, পানী বালি বোকা পাৰ হৈ। ক'ত ৰাতি নিদ্ৰাহীন, ক'ত ৰাতি গভীৰ উৎকণ্ঠা, কত ৰাতি শংকা। তেওঁৰ ককায়েক ছ্যুখান ফাই সুন্দৰকৈ নিৰ্মাণ কৰা হ'লুং কাৰেং আদিত কিমান সুখেৰে খাবলৈ শুবলৈ বহিবলৈ পাইছে। সদায় সুন্দৰকৈ সজাই থোৱা ৰাজসিংহাসনত বহিবলৈ পাইছে। সুন্দৰকৈ সজাই থোৱা ৰাজ সিংহাসনত বহিবলৈ পাইছে। সুন্দৰকৈ মহাশক্তিৰে ওপ কিন খাওত সজাই দিয়া ভাত খাবলৈ পাইছে, ঘোঁৰাৰ পিঠিত উঠি, হাতীৰ পিঠিত

উঠি নিজ ৰাজ্যখন পৰিদৰ্শন কৰিবলৈ সুযোগ পাইছে। কিন্তু আমাৰ মৰমৰ চেনেহৰ সকগৰ দেৱতা তুল্য চাওফা ছুকাফাৰ আজি লৈ লৈ থৈ থৈ। অত এদিন তত এদিন। অত এনিশা ত'ত এনিশা। অত এবেলা, তত এবেলা। ৰাতিপুৱা অদেহত গধূলী বিদেহত। কু ম্যু কু বান পাই বান পাই ম্যুং।

খুন লু চোও অহা বাটেৰেই তেওঁলোক আহি আছে। ছুকাফাই নামৰুকৰ পাৰে পাৰে ঘোঁৰাৰ পিঠিত উঠি ঘুৰি ফুৰিছে। আগে পিচে গা ৰক্ষাকাৰী -খোজ কাঢ়িও আহিছে ঘোঁৰাত উঠিও আহিছে। ছুকাফাই তদাৰক কৰিছে ভুৰ বনোৱা কাম নিজেই। সদা জাগ্ৰত তেওঁ। কোনোদিন আওহেলা কৰা নাই সময়ৰ কৰ্তব্যক। সময়ৰ আহ্বানক তেওঁ জনাইছে প্ৰত্যাহ্বান।

স্বয়ং সৌশৰীৰে তেওঁলোকৰ স্বৰ্গৰ দেৱতা ছুকাফাক দেখি মূৰ দোৱাই সেৱা জনাইছে। তাই সকলে আঠু ভাঙি মূৰ দোৱাই দহোআঙুলি লগাই সেৱা গ্ৰুপ বাই কৰিছে। বয় চাও ফা ছুকাফা। তাই শ্যাম সকলক তেনেদৰে সেৱা কৰা দেখি খা সকলেও অনুকৰণ কৰিছে। তেওঁলোকৰ মূৰব্বীতকৈও ডাঙৰ ছুকাফা। কি সুন্দৰ উজ্জল মুখমণ্ডল। জেউতী চৰিছে মুখমণ্ডলৰ। খমখমীয়া গুণা কৰা গোমছেং লগা দীঘল চোলা গাত। সোণালী সুতাৰ ঙাও ছেং জিলিকিছে গাত। ঙাও ছেং গোম ছেং কি তীব্ৰ শক্তিশালী চকুৰ চাৱনি, ৰঙা উন্মুক্ত জিভাৰ সংহাৰী মূৰ্তি। এই যেন উৰি যাব দুখন ৰূপালী হালধীয়া সেউজীয়া বৰ্ণেৰে সুশোভিত পাখিৰে ঙাও ছেং-গোমছেং-চুম ছেং।

খা সকলেও মূৰ দোৱালে। অলৌকিক দেৱতাক দেখা দি দেখিছে চাওলুং ছুকাফাক। পাহুৱাল সুন্দৰ সুঠাম চফল ডেকাৰ জোতিষ্মান মুখ মণ্ডল। মূৰত সোণালী কাপোৰৰ ৰঙ বিৰঙৰ ফুল লগা বাঁও ফালে ওপৰলৈ জোঙা হৈ থকা ময়ুৰ পাখিৰ থোপা, সুশোভিত ফাহু কিৰিতী। দেও হেন লাগে। কং সকলে ভাবিলে চাওলুং ছুকাফা তেওঁলোকৰ সাইলাথ চিপ্লয়ন অয়ৰং। এৰা চিপ্লয়ন অয়ৰং চাম মানুহ জিপং' চিংফ' চিংফৌ। চিপ্লয়ন অয়ৰং ৰ পুত্ৰ চ'না তেংচন। তেওঁৰেই বংশধৰ সকল হ'লো আমি মৰিপ, লহতৰং, লেপাই, ন'হুকুম আৰু মৰান। এতিয়া দুপৰৰ আগ সময়- ফন চিন লৰং জহুন। বেলিৰ পোহৰত জিলিকি উঠিছে দেও হেন লগা অয়ৰং দেৱতা।

কং সকলৰ মুখত স্বতঃস্ফূৰ্তভাবে উচ্চাৰিত হ'ল -অয়ৰং, অয়ৰং। তাই এজনে সুধিলে, কলা কি ভাই, অয়ৰং, অয় হুম, অয় হং, অ হুম, অ হং?

কং সকলে উত্তৰ দিলে- আমাৰ দেৱতা হেন সৃষ্টিকৰ্তা হেন ছুকাফা চাম অয়ৰং।

ছুকাফা এপৰ বেলা পৰ্যবেক্ষণ কৰি অস্থায়ী ৰাজকাৰেঙলৈ আহিলে। কং সকলে উপহাৰ দিয়া খালাপৰ নাম দেং বাঁহৰ চুঙাত বনাই বান বাতিত খাই পৰম আমেজ

পালে। আমেজত তেওঁ বৰ তামুলী পীৰা খনতে আৰাম কৰি বহি পৰিল। অৱশ্যে এনে খালাপ গছৰ গুটি ছ্যুকাফাইও ম্যুং মাওৰ পৰা আনি বুই আহিছে বহু ঠাইত। তেওঁলোকে নাম দেং বা নাম নিং বুলি কয়।

ছ্যুকাফাই তৃতীয়জন পুত্ৰ চাও চাম ছেঙলৈ চালে। সি দেউতাকৰ ওচৰলৈ আহি আছে। তাৰ চকু চলচলীয়া। দেউতাক ছ্যুকাফাই সুধিলে,

"কি হ'ল তোমাৰ দেখুন চকুত চকুপানী ওলাইছে। আজিনো আকৌ তোমাৰ কি হ'ল?

"মোৰ দুখ লাগিছে চাও ছেঙে সেহাঁই সেহাঁই কলে।"

"কি হ'ল, কিহৰ দুখ?"

মই ঘোঁৰাত উঠি হাবিৰ ফালে যাবলৈ বিচাৰিছিলোঁ। থাও ম্যুং দেৱে মোক যাবলৈ হাক দিলে। মই বোলে শিলৰ ওপৰত পৰিলে দুখ পাব পাৰো। কিন্তু মই যদি এতিয়াৰ পৰাই শিলনি, পানী, নৈ আদিত ঘোঁৰা নচলাওঁ মই পাচত কেনেকৈ যুদ্ধ কৰিম। চাও চাম ছেঙে কান্দি কান্দি হ'লেও উত্তেজিত হৈ কথাখিনি কৈ গ'ল।

ছ্যুকাফাই দেখিলে কথাটো সি ঠিকেই কৈছে। সি ৰাজ কুমাৰ। মই দেশ ম্যুং গঢ়িম। সিওতো এদিন দেশ শাসন কৰিব লাগিব। সিওটো যাব লাগিব যুদ্ধ ক্ষেত্ৰলৈ। ঘোঁৰা চলাব লাগিব, নাও বাব লাগিব, সিও সাহসী শক্তিশালী হ'ব লাগিব। এৰা তাকো ঘোঁৰাত কিছু ফুৰিবলৈ পঠাব লাগিব।

ছ্যুকাফাই বৰৰাণী আই মে চাও লুক মাতিলে।

"কওঁক বণ্ডহৰ স্বামী দেৱতা," বৰৰাণীয়ে সম্ভাষণ জনালে।

"আমাৰ ৰাজকোঁৱৰ চাও ছেঙে ঘোঁৰাত ফুৰিবলৈ বিচাৰিছে। তেওঁক ঘোঁৰাত উঠি ফুৰাৰ ব্যৱস্থা কৰা। তেৰোঁ সকলো শিক্ষা পাবই লাগিব।"

বৰৰাণীয়ে ক'লে সি এতিয়াও বহু সৰু হৈ আছে। এনে কুমলীয়া লৰা এটা শিলনিখনত পৰিলে দুখ পাইবা।"

ছ্যুকাফাই বাধা দি কলে, "যোৱা যোৱা, তাক এপাক ফুৰাৰ ব্যৱস্থা কৰা। গা ৰখীয়া সকলক আগে পাচে যাবলৈ ক'বা। চাও ছেঙক সৰু চুটি হেংদাং এডোখৰি কঁকালত বান্ধি দিবা। সেইখন তাক ব্যৱহাৰ কৰিবলৈ বাৰন কৰিবা। অগত্যা জীৱন প্ৰানৰ শেষ সংশয় নাহিলে হেংদাং কেতিয়াও উলিয়াবলৈ নিদিবা। হেংদাঙৰ পবিত্ৰতা তাক বুজাই দিবা।"

দুৱৰী হান পাতত্ত্ব আৰু গা ৰখীয়া হান থ্ৰীং এ জাম মংটোত চং কৈ বজাই দিলে। কেবাজনো গা ৰখীয়া আহিল। ৰাজকুমাৰৰ মনোবাঞ্ছা কৈ দিয়াৰ লগে লগে ঘোঁৰা

আনি সৰ্জ্জিত কৰা হ'ল।

আগে পিছে আঠজন আঠজন গা ৰখীয়া ঘোঁৰাত উঠি চাও ছেঙক লৈ ভুৰ বনোৱা কাম, মানুহবিলাকে কৰি থকা কৰ্ম আৰু তদুপৰি নামৰূকৰ ইফালে সিফালে নৈৰ পাৰে পাৰে গৈ চাই আহিল গৈ।

ৰাজকোঁৱৰ গৈছে বুলি জানি সকলো মানুহেই সেৱা জনালে।

ৰাজকোঁৱৰ চাও ছেঙৰ সাহস দুগুনে বাঢ়িল। দিনে দিনে চাও ছেঙ একোজন পৰিপক্ক লোকৰ দৰে বিকশিত হৈ আহিব ধৰিলে।

আঠাইশ

ছুকাফাই মলুং ম'লিক সকলৰ লগত আলোচনাত বহিল। আলোচনা মৰ্মে নামৰূকৰ হাবিত পোৱা এবিধ কাগজ বনোৱা তুন ছে গছৰ সংখ্যাধিক্য দেখি কিছু কাগজ বনাই লোৱাৰ সিদ্ধান্ত হয়। অৱশ্যে পূৰ্বৰ পৰাই ম'লিক কিজনে কাগজ প্ৰস্তুত কৰিয়েই আছিল। আৰু ম'লিক সকলক নামৰূকলৈকে ঘটি যোৱা সকলোবোৰ ঘটনাৰ পুনৰীক্ষণ কৰি বুৰন জী লিখি যাবলৈ পৰামৰ্শ দিলে। তদুপৰি পূৰ্বৰে পৰা লিখি অহা ৰাজ বুৰঞ্জী সমূহ সযতনে ৰাখি তাৰো অধিক প্ৰতিলিপি লিখিবলৈ নিৰ্দ্দেশ দিলে। অতীজৰ জীম ম' কালৰে পৰা চলি অহা পাক পেঞ কাকা, লিত লাই তু, লিক খেক লাই, লিক পুন কু মুং, ফে লুং ফে বান আদি যিমানবোৰ পুথি তেওঁলোকৰ লগত আছে সকলোৰে শ মানলৈকে প্ৰতিলিপি লিখি প্ৰতিটো পণ্ডিত ম' পৰিয়াল আৰু তাৰোপৰি অনান্য পৰিয়ালবোৰে অধ্যয়ন কৰিবলৈ নিৰ্দ্দেশ দিলে। তদুপৰি ম্যুং মাওৰ পৰা নামৰূকলৈকে কিমান মানুহ বৃদ্ধি হ'ল, কিমানজন ঢুকাল জৰীপ কৰিবলৈ নিৰ্দ্দেশ দিলে।

ছুকাফাৰ নিৰ্দ্দেশ মতে কাম। ম' লিক বোৰে তিনি চাৰিদিনৰ ভিতৰতে তিনি চাৰি ঘোঁৰা মাল বোজাই কৰা জোখাৰ কাগজ প্ৰস্তুত কৰিলে। প্ৰায় ত্ৰিশজনমান পণ্ডিত পৰিয়ালৰ লোকে পুথিবোৰৰ প্ৰতিলিপি কৰিব ধৰিলে।এইবোৰ পুথি ম্যুং মাওতেই তেওঁলোকে অনান্য ম' লিক পণ্ডিতসকলৰ লগ লাগি লিখিছিল। আনকি বহুবোৰ পুথি তেওঁলোকৰ পুলিন পুথাৰেক সকলেই লিখি থৈছিল। এজন পণ্ডিতে দিন বাৰ মাহ তাও চিঙা, দিন, ব্যৰ, খেনআদিবোৰ লিখি যাব ধৰিলে। জ্যোতিষ পুথিবোৰ সুন্দৰকৈ লিখি নামৰূকৰ দিন বান খেন সমূহ হিচাব কৰি উলিয়ালে। নামৰূকৰ হাবিত বহুতো ৰং বনোৱা গছৰ পাত কাঠ, আলু, গুটি বিচাৰি পাই তাই শ্যাম সকলে ৰঙা নীলা হালধীয়া কলা, সেউজীয়া আদি না না ৰং প্ৰস্তুত কৰি বাঁহৰ চুঙাত ভৰাই সাঁচী থ'লে। দুই এক

শিল্পী ম'লিকে কিছু কিছু পুথিত না না ৰং বিৰঙী চিত্ৰও অংকন কৰিল।

প্ৰায়পোন্ধৰ দিন মানৰ অন্তত প্ৰায় এহেজাৰ কাঠৰ ভুঁৰ আৰু দুহেজাৰমান বাঁহৰ ভুঁৰ বনাই শেষ কৰা হ'ল। থাও ম্যুং আদি মন্ত্ৰী বিষয়াসকলৰ পদমৰ্যাদা অনুসৰি ভুঁৰৰ ওপৰৰ ঘৰবোৰ সজোৱা হ'ল। ভুঁৰ বিলাকৰ চাৰিওফালে মূৰ আৰু সোমাজত ৰান্ধি ওলমাবলৈ পাটৰ কাপোৰত পাখি লগা জিভা মেলা ঙাও ছেং সিংহ অশ্ব-কাচ-সৰ্প-চৰাই আকৃতিৰ তাই শ্যামসকলৰ দুই তিনিহেজাৰ বছৰীয়া প্ৰতীক ৰাজশক্তিৰ জাতীয় জীৱনৰ প্ৰতীক চিহ্ন চ্যোও পতাকা প্ৰস্তুত কৰা হ'ল। তদুপৰি যুদ্ধৰ সম্ভাৱনাকো নুই কৰিব নোৱাৰি নামৰূকতেই ক্ষাৰ কিছুমান আৰু টোপবিলাকৰ বাবে শিলৰ পৰা গুলীও প্ৰস্তুত কৰি ল'লে। কমাৰ সকলে কমাৰ শাল গঢ়ি লগত থকা কিছুমান লোৰ আঁকৰেৰে দাপ দি অস্ত্ৰও বনাই ল'লে। তদুপৰি লো, তাম, সোণ, ৰূপ, যাংফাইৰ ভাণ্ডাৰ কৰবাত পোৱা যায় নেকি সকলোখিনি জৰীপ কৰিবলৈ ধৰিলে ছুকাফাৰ তাই মাও শ্যাম মানুহবোৰে। কৰ্মৰ দায়িত্ব যাৰ যেনেকৈ পৰিছিল তেনেদৰে কৰ্মবোৰ গলিত হৈ যাব ধৰিলে দ্ৰুত গতিত। অসংখ্য ভাল ভাল কাঠ পোৱাৰ বাবে কেৱাজনো চাং মাই খনিকৰে কাঠৰ না না ধৰনৰ বস্তু- এপ (বাকচ), ফে (কাঁহী), বান (বাতি), ফে বান (বান কাঁহী), মাই হাং (খুঁটা লগা খোৱা বাচন), আঙ (চৰিয়া), বান পিক (পিকবান), ফে নয় (সৰু কাঁহী), পান (বঁটা), চ বা চান (চামুচ), ফুন বা পান (শৰাই, কিন হেত (হেতা) আদি বনাই ল'লে। মলিক বিলাকে ফা কুত কাম ঢেকীয়াৰ ঠাৰিৰ বহুতো পি (কলম) বনাই ললে। নামৰূক নদীত পোৱা প্লা চাম (কুঢ়ি), প্লা চে চয় (কান্দুলি), প্লা লুং দেং (শাল), প্লা দুক ৰি (শিঙি), প্লা তা মি (বামি), প্লা ফা বোত (পাভ), প্লা খাও খুম (কানি পুঠি), প্লা লুম (চেলেকনা) আদি মাছ দপ দপকৈ জুই জ্বলাই প্ৰায় সকলোবোৰেই নিজাকৈ টোপোলা ভৰাই বা কাক বাঁহৰ চল্লিশ পঞ্চাশ চুঙা লোৱাৰ উপৰিও ৰাজপৰিয়ালৰ বাবে তিনিটা মান ঘোঁৰাৰ বোজা সমান সাজু কৰা হ'ল। যি সকলে তাঁত বোৱাত পাকৈত বেয়া হোৱা কি বা বুক (তাঁতিশাল), আৰু লগৰ সামগ্ৰী যেনে তুন লাঙ, তুন চি, ফুম, কান মাই, তাঔ, কা মাই আদি (তুলুঠা), দোৰপতি, ৰাচ, গৰকা, মাকো, নাচনি আদি), জিত মাই (কুচি), মক বঙ (চুঙা), মাই প্লং (মহুৰা), তাক পাক (টাকুৰী), তাম হাং (উঘা), কুং (যতৰ) আদিবোৰ নতুনকৈ বনাই ললে। নামৰূকত ভাল ভাল জাতৰ কাঠ বাঁহ শিপিনি কিজনিৰ গাত সেইকেইদিন তত নাইকীয়া হৈছিল। নতুন দেশ ম্যুং পাই তেওঁলোকে বান গাঁও গঢ়িব, না পথাৰ গঢ়িব, খেতি কৰিব, ধান খেতি কৰিব, মুগা পুহিব, সূতা কাটিব, পাট পলু এৰি পলু পুহিব, তাত ব'ব। আৰু কতযে স্বপ্ন। তাত বব নোৱাৰিলে যে সিহঁতক বিশেষকৈ বাৰ তেৰ বছৰীয়া নতুনকৈ জন্ম হৈ ড়াঙৰ হোৱা ছোৱালী বোৰক থুপৰি

বুলিব। সিহঁতৰ গা সাতখন আঠখন। সিহঁতে নিজৰ কাৰণে বব লাগিব ফা মাই (চাদৰ), ফা দাই (ৰিহা), ফা চিন (মেখেলা), ফা চুব (চোলা), ফা ৰু (মুগা কাপোৰ), ফা মুন (কঁপাহী কাপোৰ) ফা চাই কাপ (ককালৰ মেথনী, চাই কাপ বা চাই চিন), ফা ফক বুন (এৰি কাপোৰ), ফা প্ৰু তং (প প্ৰু তং), ফা ৰাই ৰাম বা ফা কিন (টঙালি), থুং (মোনা) ফা মুন (পাট কাপোৰ), আদি; মতাবোৰৰ কাৰণে ফা পত লুং বা ফা কাংকিং, ফা চিত (গামোছা), ফা নয় (পানী তিওৱা তিয়নী কাপোৰ) আদি অনান্য কাপোৰ।

সকলো প্ৰস্তুতি হৈউঠিছে। এমাহৰ যাত্ৰাৰ বাবে চাউল সাজু কৰি ৰখা হ'ল। শাক পাতৰ বাবে নদীৰ পাৰত ভুঁৰবোৰ ৰাখি বনৰীয়া শাক গোটাব। সকলো সময়ত ভুঁৰবোৰ পাৰত লগাব নোৱাৰিব বাবে ভুঁৰতেই বৰপানী চোবা সৰু পানী চোবা কামবোৰ কৰিবলৈ আঁৰ দিয়াৰ ব্যৱস্থাও কৰি লোৱা হ'ল। তদুপৰি ভোৰতেই ভাত সিজাব পৰাকৈ সৰু চাং সাজি মাটি শিল পেলাই ভাত সিজাব পৰা কৰি ললে। বহুদিন খাব পৰাকৈ কৌ পাত কলপাত, বাঁহৰ চুঙা আদিও গোটাই ল'লে।

হাতী আৰু কিছুমান সৈন্য আৰু মানুহ পাৰে পাৰে যাব। সৰহখিনি ভুঁৰেদি যাব। দুৰৰ পৰা কিবা সংকেত দিবলৈ হ'লে ভিন্ন ধৰণে ঢোল সৰু ঢোল, বৰ ঢোল, তাল, পেঁপা আদি বজোৱাৰ পূৰ্বাপৰ প্ৰশিক্ষন পুনৰ আওৰাই লোৱা হ'ল।

থাও ম্যুং সকলে ছ্যুকাফাক জনালে যে সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈছে। ছ্যুকাফাই ম লুং সকলক যাত্ৰাৰ দিন বাৰ খেন চাবলৈ ক'লে। তেওঁলোকে বানছেং চাবলৈ বহিল। দিন বাৰ ঠিকেই পালে। কিন্তু কুকুৰা ঠেঙেৰে দুক কাই ছেং মংগল চোৱাত কিবা এটি লেঠা পালে। পণ্ডিতে দুখ মনেৰে ক'লে, "চাওফা দেও, এটা অমংগল দেখিছো। উত্তৰ পূব ফালৰ পৰা এখন খা গাঁৱে আমাক ধৰিব খুজিছে, আমি কিছু সাজু হৈ আগবাঢ়ি উত্তৰ পূব দিশে গৈ শতৰুক আগভেটি ধৰিব লাগিব। ওচৰলৈ আহিলে আমাৰ প্ৰস্তুতিত বিঘিনি ঘটিব।

ম লুঙৰ বান ছেঙত এনে অমংগল সুচক আগজাননী পাই ছ্যুকাফা সহিত সকলো বিষয়া তথা মানুহবোৰে দুখিত হৈ উঠিল। কিন্তু দুখত ম্ৰিয়মান বা হতাশ হোৱাৰ সময় নহয় এয়া। হতাশ হলে নিগমে মৰণ। অতদিনৰ কষ্ট শ্ৰম ম্যুং গঢ়া বাট কটাৰ।

ছ্যুকাফাই তৎক্ষনাত নিৰ্দ্দেশ দিলে এহেজাৰ সৈন্য তুৰন্তে সাজু হৈ উত্তৰ পূব দিশে আগবাঢ়ি যাবলৈ, শতৰুক হানিবলৈ। ভাত খাই উঠাৰ মূহুৰ্ত্ততে সকলো সাজু হৈ হেংদাং, হিলৈ, জাঠি, ধেনু কাড়, বৰ হিলৈ, এটা হাতী, পঞ্চাশটা ঘোঁৰা লৈ আগবাঢ়ি গ'ল। ৰবৰ সময় নাই। শতৰুক হানিব লাগে। নামৰূকৰ সকলো পৰ্বত পাহাৰ আমাৰ শ্যাম সকলৰ মাও সকলৰ তলতীয়া হ'বই লাগিব। ইমান দুৰ অগ্ৰসৰ হৈ বাট কাটি

আহিলো। দয় কাও ৰং খাম জাং ম্যুং খুন সকলো জিনিলো। তোমালোককো জিনিম। এয়ে সকলোৰে মনত পন। এই পন লৈ আগবাঢ়ি গ'ল। তিনিটা সৰু দল হৈ শতৰু বিচাৰি গ'ল। লগত আছে না না সংকেত ধ্বনিৰ ব্যৱস্থা।

উত্তৰ পূবৰ কিছু উত্তৰ ফালে জান এটাৰ কাষেদি দেখিলে যে হয় খা কিছুমানে দা জাঠি জোং লৈ হাওহী মাৰি আহি আছে। হাবিত চোপলৈ গমি চালে মানুহ তিনিশ মান আহিছে। জাঠি জোং ধেনু কাড় আৰু হাতত দা। পাহাৰ এটাৰ পৰা নামি আহিছে। দুৰৰ পাহাৰৰ ওপৰত এশমান সেৰেঙা সেৰেঙাকৈ ৰসতি হোৱা ঘৰ। গছ বনৰ মাজে মাজে পাহাৰৰ ওপৰত দেখা গৈছে। শ্যাম দলটোৰ বুজিবলৈ বাকী নাথাকিল সেইখনেই তেওঁলোকৰ গাঁও। সম্ভৱ তেওঁলোক তেংচন চিংফৌ আৰু খাং সকল।

অতৰ্কিতে ছুকাফাৰ শ্যাম সেনাই তেওবলোকৰ ওপৰত হিলৈৰ গুলি ফুটাব ধৰিলে। খা সৈন্য সকলে কেনি কৰপৰা আক্ৰমন চলিছে ধৰিব নোৱাৰি গছ বনৰ আঁৰ লৈ চুপলৈ আলোচনা কৰিলে। তৎমুহূৰ্ততে ছুকাফাৰ সেনাই তেওঁলোকৰ ওপৰত জপিয়াই পৰিল। চাৰিওফালৰ পৰা আগুৰি ধৰিলে। খেদি অহা প্ৰায় এশজনমান খা সৈন্য তাতেই মৰা পৰিল। কোনফালৰ পৰা গৈ শ্যাম তাই সৈন্যই তেওঁলোকৰ তিনি চাৰিজনক দহ বাৰজনে আগুৰি ধৰে তাক তৰ্কিবই নোৱাৰিলে। বাকী ত্ৰিশজন মান সৈন্য জখম হ'ল। বাকী খিনি খা সৈন্যই হাতৰ অস্ত্ৰ পেলাই দি শৰনাপন্ন হ'ল। হাত ভৰিত গাত দাৰ ঘাপ পৰা, কাড়ৰ খোচ, হিলৈৰ গুলিৰ খুন্দা খোৱা বোৰক একে,গে সাঙুৰি আৰু বাকীবোৰক দহ জন দহ জনকৈ হাত দুখন পাচলৈ বান্ধি প্ৰতিজনৰ কঁকালে কঁকালে বান্ধি আৰু কিছুমানৰ চকুত কাপোৰ বান্ধি দি এাজন মান ছুকাফাৰ সেনাই লৈ গৈ ছুকাফাৰ ওচৰত হাজিৰ কৰালেগৈ। শ্যাম মানুহো দহজন পৰিল।

বাকী শ্যাম সৈন্যই গৈ তেওঁলোকৰ গাওঁবোৰ সম্পূৰ্ণকৈ জ্বলাই চাই কৰি পেলালে। পলোৱাবোৰ পলাল। যিসকলে সৰু লৰা ছোৱালী এৰি গ'ল তাৰ ভাল ভাল ধুনীয়া বগা হালধীয়া চালৰপাহুৱাল শকত আৱত স্বাস্থ্যবানবোৰ ছুকাফাৰ সৈন্যই লৈ আহিল। দুই মহিলাও তেওঁলোকে পাইলৈ আহিল। সকলোকে আনি ছুকাফাৰ ওচৰত হাজিৰ কৰালেহি।

আঘাট পোৱা সকলক বন ঔষধ দি শুশ্ৰুষা কৰা হ'ল। সকলো বন্দীকে মুকলি আকাশৰ তলত গছৰ ডাঙৰ টুকুৰাত সাঙুৰি বান্ধি থোৱা হ'ল। গধুলিলৈ তেওঁলোকক খাবলৈ দিয়া হ'ল। ভাত খাবৰ বাবে একোখনকৈ হাত খুলি দিয়া হ'ল। কিন্তু খোৱাৰ পাচতে পুনৰ বান্ধি থোৱা হ'ল।

সৰু সৰু খা লৰা ছোৱালী আৰু মহিলা বোৰে ৰাউচি জুৰি কান্দিব লাগিছে। ক্ৰন্দনৰ ৰোলে শিবিৰ খলকনি লগাই তুলিছিল। শ্যাম সৈন্যৰ মনতো দুখ লাগিছে অবুজ

সকলৰ কান্দোন শুনি। যাৰ যাৰ মানুহটো মৰিছে, যাৰ যাৰ ককায়েক বাপেক মৰিছে, যাৰ যাৰ পুতেক মৰিছে এওঁলোকৰ কান্দোনে যেন আকাশ খন খহাই আনিব। পিতৃহাৰা শিশুবোৰৰ কিছুমানৰ জ্ঞানেই অহা নাই কান্দিবৰ বাবে। সকলো শিশু আৰু মহিলাক ভালকৈ খাবলৈ আৰু শুবলৈ দিয়া হ'ল। ছ্যুকাফাই নির্দ্দেশ দিলে যে সকলো বন্দীক ভালদৰে ব্যবহাৰ কৰিবা। সকলোকে খাবলৈ শুবলৈ দিবা আৰু তেওঁলোকক বুজনি দিবা। মৃত শ্যামৰ পৰিয়ালকো শান্তনা দিলে ছ্যুকাফাই।

খা বন্দী সকলক বুজোৱা হ'ল যে তাই সকলে শ্যাম সকলে তেওঁলোকক ভাঙিবলৈ বা মাৰিবলৈ অহা নাই, তেওঁলোকৰ মাজেদি বাটহে বুলিছে, পিচে যদিও শ্যাম সকলে তেওঁলোকৰ ঠাইত নিগাজিকৈ নাথাকে, তেওঁলোকে শ্যাম সকলৰ অধীনত্ব মানি ল'ব লাগিব আৰু শ্যাম সকলৰ নীতি নিয়ম শাসন নির্দ্দেশ মানি চলিব লাগিব। খা সকলে শ্যাম সকলৰ লগত যুদ্ধ কৰি একো লাভ নহ'ব। খা সকলে ছ্যুকাফাক কিছু কৰ দিব লাগিব আৰু নামৰূকেদি শ্যাম সকলক ম্যুং মাও আদি পশ্চিমৰ তাই ৰাজ্য সমূহলৈ যাবলৈ অনুমতি দিব লাগিব। এই দাবী মানি ললে ছ্যুকাফাই তেওঁলোকৰ বুঢ়া বুঢ়ী মাক দেউতাক থকা বা সৰু লৰা ছোৱালী তিৰি থকা সকলক এৰি দিব পাৰে।

উপৰুক্ত স্বত্বও তিনিভাগৰ এভাগ খা বন্দীক এৰি দিলে। বাকী মাক দেউতাক নথকা সৰু লৰা ছোৱালী, ঘৰুৱা অসুবিধা নথকা ডেকা জীয়ৰী আৰু বিশেষ পাৰদৰ্শীতা থকা খা বন্দী কিছু ৰাখি থ'লে। মুক্তি পোৱা খা বন্দী সকলে বশ্যতা স্বীকাৰ কৰে যে তেওঁলোকে কেতিয়াও বিদ্ৰোহ নকৰে আৰু ছ্যুকাফাৰ আৰু তাৰ পাচতো শ্যামসকলৰ একো অপকাৰ নকৰে আৰু নিয়ম শৃংখলা মনা প্ৰজা হৈ থাকিব। বন্দী শিশু সকলক মৰমেৰে সেৱা শুশ্ৰূষাও কৰি থকা হ'ল। তেওঁলোকক নতুনকৈ তাই নাম দিয়া হ'ল।

পাচ দিনা বেলি ওলাল। মলুং মলিক আৰু ছ্যুকাফাৰ মাজত ৰম কান প্লং কান আলোচনা বহিল। অপায় অমংগলে যাতে শুভ কামত দেখা নিদিয়ে তাৰ বাবে তেওঁলোকে দামক পূজা দিয়াৰ কথা চিন্তা কৰিলে। নামৰূকৰ পৰা যাত্ৰা কৰাৰ আগ মুহূৰ্ত্ততে এনে এটা অপায় হোৱাৰ বাবে ছ্যুকাফাৰ অন্তৰ কঁপি উঠিল। তেওঁলোকৰ মৃতক দেৱতা দাম ফী নিশ্চয় খং খাইছে। এনেদৰে দামফীয়ে মংগল কামনা নকৰিব।

ছ্যুকাফাই কৌপাত তামোল পান এজোৰ ৰূপ আৰু সোণৰ মুদ্ৰা দি টুপুলা এটা বান্ধি হ'লোঙৰ দামৰ খুটা চাও লাই বা লাই খুটাত বান্ধি থলে আৰু পিচদিনাই দামৰ সকাম মেদাম মে ফী পতাৰ সংকল্প কৰিলে।

মে দাম মে ফী। ছ্যুকাফাৰ নির্দ্দেশমতে কল পচলা, বনৰীয়া কলডিল, বিবিধ বনৰীয়া শাক, পাহাৰৰ বাঁহ গাজ, নামৰূক নৈৰ না না বিধ মাছ, লগত অনা গাহৰি,

কুকুৰা আৰু হাঁহ তিনি চাৰিশমান গোটালে। তদুপৰি বিজয় কৰা খা গাওঁ বিলাকৰ পৰাও গাহৰি এশটামান, কুকুৰাৰ লেখনোহোৱাকৈ আনি দামলৈ উৰ্চগা কৰিলে।

এই সকলোবোৰ দি দাম সকললৈ বিশেষকৈ চাওফা ছুকাফাৰ মাক, দেউতাক, এনায়েক, পুথাওয়েক সকলৰ মৃত আত্মা দেৱতাক তদুপৰি লেংদন থেনখাম আদি অতীতৰ উপৰি পুৰুষসকলক তেওঁ প্ৰাৰ্থণা কৰিলে আৰু বহু বয় বস্তু আৰু বলি দি পূজা কৰিলে। প্ৰথমে চাওফা ৰজাই নিজৰ মূল দামক পূজা অৰ্চণা কৰাৰ পিছত ল্যেংদন, যাচিং ফা চিং খাম, আদি উপৰি পুৰুষসকলক প্ৰাৰ্থণা জনালে চাওফা ছুকাফাই আঠু কাঢ়ি মূৰ দোৱাই দাম সকলক সেৱা জনালে।

ম্যুং মাওৰ পৰা ম্যুং কাঙৰ মাজেদি পাৰ হৈ আহোতে মই কোনো বাধা পোৱা নাছিলো। মই মানুহ মাৰি যুদ্ধ কৰিব নিবিচাৰো। মই মানুহক ভাল পাওঁ। মোৰ পিনং ভাই ভাতৃসকলৰ দৰেই তেওঁলোকো ভাই ভাতৃ। ম্যুং কাঙৰ মাজেদি আহোতে মই কোনো বাধা বিঘিনিৰ সম্মুখীন হোৱা নাছিলো যেতিয়া এতিয়াও যেন বাধা বিঘিনিৰ সম্মুখীন নহওঁ। মই দেশ অধিকাৰ কৰিবলৈ ইচ্ছা কৰো। মোৰ লগত হেজাৰ বিজাৰ মানুহ আহিছে। তেওঁলোক সকলো মোৰ প্ৰজা মৰমৰ প্ৰজা। তেওঁলোকে মোৰ ওপৰতেই সকলো ভৰষা কৰিছে আৰু ময়ো তেওঁলোকৰ ওপৰত ভৰষা ৰাখিছোঁ। সেয়েহে তেওঁলোকক চলোৱা জীৱন জীৱিকা দিয়াটো মোৰ দায়িত্ব ও কৰ্তব্য। মই দেশ অধিকাৰ কৰিব বিছাৰো আৰু মই যেন সকলোতে বিজয়ী হওঁ। মোৰ এইয়াই প্ৰাৰ্থণা। চাও কাও ৰই চাও ফা ফেত খাম ৰই, চাও নু ৰু ৰই।

দাম ফী কৰাৰ পাচত ছুকাফাই হাবিৰ দেৱতা চাও ফী থুনক পাঙত না না ধৰণৰ হাঁহ কুকুৰা কনী, লাও দি পূজা কৰিলে, যাতে হাবিৰ দেৱতা তেওঁৰ ওপৰত অসন্তুষ্ট নহয় আৰু হাবিৰ মাজেদি মংগলেৰে যাবলৈ সহায় কৰে। ফী থুনৰ সন্তুষ্টিৰহকে গাহৰি, কুকুৰা, হাঁহ ইমানবোৰ মাৰিপাঙত দিছিলযে পাংবোৰ হাউলী গৈছিল। পাংবোৰ বাঁহেৰে খুউব সুন্দৰকৈ ওখ আৰু আহল বহলকৈ সজাইছিল। তলৰ খুটিবোৰ কৌপাতেৰে সুন্দৰকৈ মেৰাই বাঁহৰ কাঠিৰে বান্ধি সজাই পেলাইছিল। বাঁহৰ কামিবোৰ সুন্দৰকৈ ফুল কাটিছিল। ছুকাফাই কৈছিল "মই নামৰূক অঞ্চললৈ আহি পোৱাৰ পাচতেহে হাবি দেৱতা চাও ফী থুন তোমাক পূজা কৰিছোঁ, প্ৰনাম জনাইছো, মোক যেন তুমি কেতিয়াও ত্যাগ নকৰা, মোৰ লগ যেন তুৰি কেতিয়াও নেৰা। হে মোৰ দেৱতা সকল, তোমালোকে যেন মোক সকলো সময়তে চাই থাকা, সহায় কৰি থাকা। মই দেশে দেশে ঘুৰি ফুৰোতে যেন মোৰ কোনো বাধা বিঘিনি নহয়, দেশ জয় কৰাৰ মোৰ কামনা যেন পুৰণ হয়। তদুপৰি দেশ অধিকাৰ কৰাৰ পাচত মই যেন সকলো ক্ষেত্ৰতে জয়ী হওঁ। বিপদ বিঘিনি বোৰেই যেন

মোৰ সহচৰ নহয়। সকলো বিপদ বিঘিনি বাধাৰ পৰা যেন মই সদায় ৰক্ষা পাওঁ।

চাও নু ৰু চাও কাও ৰই। চিলা চিপ কু এ্রেণ্ড ৰং ৰই ৰই। মই গাহৰিৰ নিচিনা খাও, গৰুৰ নিচিনা শুওঁ, মই অকৰা অভজা মই তোমাক গাহৰি, কুকুৰা হাঁহ দি পুঁজিছো, মোক ৰক্ষা কৰা। মোক সহায় কৰা মই তোমাক মূৰ দোৱাই হাতৰ তলুৱাৰ দহো আঙুলি লগ লগাই সেৱা জনাইছো। মোক চকু মেলি চোৱা।"

এই সকলাখিনি পূজা কৰাৰ পাচতো চাও লুং ছুকাফাই এটা ৰঙা মতা কুকুৰাও ওখ পাং এখনত দি দেৱতা সকললৈ উর্ছ্গা কৰিলে।

খাং সকলৰ ওপৰত শাসন কৰিবলৈ আৰু ভৱিষ্যতে অহা যোৱাৰ বাটত থাময়াং, নাং যাং, নং যাং আদিৰ লগত সংযোগ ৰাখিবলৈ নামৰূকৰ পাৰৰ উপত্যকাত পঞ্চাচ ঘৰমান তাই মানুহ বহাই ৰাখিলে। তাতে এজন থাওম্যং, বু বিং আৰু বু পাক পাতি ৰখা হ'ল।

উনত্ৰিশ

নামৰূকৰ পানীৰ বুকুত ভূৰবোৰ উটিব ধৰিলে। এখন নহয় দুখন নহয় হেজাৰ হেজাৰ খন। কাকতি ফৰিঙে আকাশ খন চানি ধৰি পৃথিবীখন আন্ধাৰ কৰাৰ দৰে ডাঙৰ ডাঙৰ কাঠৰ ভুৰ বিলাকে নামৰূকৰ পানীৰ ওপৰত উপঙি নদীৰ তলখন আন্ধাৰে আবৰি পেলাইছিল। নামৰূকৰ পানীৰ সোঁতত ভটিয়াই গৈছে ভুৰবোৰ।

এটা নহয় দুটা নহয় চাৰিশটা ঘোঁৰা পূৰ্বতে অনা তিনিশটা ঘোঁৰা। বাটত পোৱা আৰু জন্ম হৈ নতুনকৈ বৃদ্ধি হৈ চাৰিশটামান হ'লগৈ। সকলোবোৰ ঘোঁৰাৰ চকুবোৰ বান্ধি দিয়া হ'ল। যাতে ঘোঁৰাবোৰ খৰ স্ৰোতা নামৰূকৰ পানীবোৰ দেখা নাপায়। কোবাল পানীৰ সোঁত দেখিলে কিজানি ঘোঁৰাবোৰে ভয় খাই পানীত জপিয়াই পৰে। ঘোঁৰাবোৰৰ ডিঙিত ৰচী লগাই ভূৰত বান্ধি দিয়া হ'ল। ভুঁৰবোৰৰ কাষত চাৰিওফালে নঙলা দি দিয়া হৈছে যাতে ঘোঁৰাবোৰ পৰি নাযায়।

প্ৰায় সৰহ সংখ্যক বয়বস্তু মূৰৰ ওপৰত। বামে দিও হাতী আৰু কিছুমান মানুহ গৈ আছে। পাহাৰ বিলাকেও যেন ছ্যুকাফাক চাই আছে নিৰলে নিৰবে। পাহাৰ দেৱতা ফী দয়বোৰেও যেন ছ্যুকাফাৰ তুতিত সন্তুষ্ট হৈ কৈ আছে, "গৈ থাকা। গৈ থাকা। তোমাৰ লগত আমি ফী দয় বোৰ আছোঁ। তোমালোকৰ পুলিন পুথাও দামসকলেও তোমাক আৰু তোমালোকক চাই আছে।"

মহ গৰু গাহৰি হাঁহ কুকুৰাবোৰো ভূৰত উঠাই লৈ যোৱা হৈছে। গৰুবোৰে। ভূৰত ঘন ঘন নঙলা দি গড়ালত ভৰোৱাৰ দৰে নিয়া হৈছে। গাহৰি বোৰৰ বাবে গোটেই ভূৰখনৰ চাৰিওফালে ঘন ঘন কাঠ বাঁহৰ বেৰা মাৰি দিয়া হৈছে। কুকুৰা হাঁহ বিলাক অৱশ্যে বেলেগ ডাঙৰ খাং বিলাক ভৰাই নিয়া হৈছে। খাদ্য যোগনীয়াৰে সিহঁতৰ খাদ্য দি গৈছে।

হাঁহ কুকুৰা গাহৰি গৰুৰ মহৰ চিএঞৰত নামৰূকৰ নদীৰ বুকু ফালি যেন চিৰাচিৰ হৈ যাব।

কিছুমান মহ অৱশ্যে বামেদিও হাতীৰ লগে লগে আহিছে।

ছ্যুকাফাৰ ভূৰ খনেই সকলোতকৈ ডাঙৰ আৰু সুন্দৰকৈ সজোৱা। ভূৰখনৰ

সোঁমাজত এটি সুন্দৰ চাংঘৰ। চাংখন অৱশ্যে ওখ নহয়। তলত এটাকৈ মানুহ হাউলি থাকিব পাৰে। ঘৰটো খেৰেৰে চোৱা। ওপৰৰ দুখলপীয়া চাল। একেবাৰে ওপৰৰ অংশ জোঙা হৈ ওপৰলৈ উঠি গৈছে। যেন ই এক বৌন ফ্ৰা ছেং হে। ছুকাফাৰ ভূৰখনত সৰুকৈ এটি আঠকোণীয়া ওপৰলৈ জোঙা ঘৰো নিৰ্মাণ কৰা হ'ল। তাতেই গৈছে চুম ছেং। চুম ছেঙৰ বাবে সম্পূৰ্ণ ৰখীয়া চোম চিৰিং লগে লগে গৈছে।

ছুকাফাৰ ভূঁৰ খনৰ ৰজাৰ ঘৰটোৰ সমুখৰ সুন্দৰকৈ সজোৱা কাঠেৰে ঘৰটোৰ সমুখৰ বেৰা মুকলি ঠাইডোখৰতে ছুকাফাই থিয় হৈ সকলোবোৰ নিৰীক্ষণ কৰি থাকে। ভূৰৰ মুকলি ঠাইডোখৰ আঠ ন ৰা লুঙৰ সমান বহল অৰ্থাৎ দুইখন হাতে মেলি দিলে যিমান বহল হয় তেনে আঠ ন জোখৰ সমান বহল।

ছুকাফা আৰু পৰিয়ালৰ বাবে তেওঁৰ কাষে যোৱা ভূঁৰ এখনত খাও নেঞ, তৰা গাজলি ফাক বুন হ্যেও, ফাক কুত ঢেকীয়া, হাতী ভেকুৰী মাক প্ৰেং চাং, নেফাফু ফা চি কাই বা ফাক তাক খাই, বেত গাজ ফাক বুন খৌম, কচু ফুল ব্লক মন, কলমৌ ফাক নৈ নাম, ভলুকা নু মাই চাং, বিজুলি নু মাই দাই, পাহাৰী নু মাই ৰুক আদি বাঁহৰ গাজ, আদি বিভিন্ন শাক, শুকান মাছ প্লা হেং, শুকান মাংস মু হেং, টেঙা মাছ প্লাচুম আদি সিজাই পকাই পৰিবেশন কৰি যোৱা হৈছে।

মহিলাবোৰে ভূঁৰত উঠিছে যদিও ওঁঠত বৰহম থুৰি মাক তং তেলানৰ ৰং লগাবলৈ এৰা নাই। হালধীয়া ৰঙা গাল, গোল গোল থোপোকা থোপোকা গাল মুখ। নাক বোৰ সৰু সৰু, তিলফুলীয়া নাক, চকুবোৰ সৰু সৰু কিন্তু বৰ টনা টনাও নহয়। বয়সীয়া নাৰীবোৰে মাক মু বাও প্লু তামোল পান খাই মুখবোৰ ৰঙা কৰি গৈছে। ৰঙীয়াল নাৰী। মুখত হাঁহি। ৰঙীয়াল হাঁহিয়াল হ'লেও কিন্তু সাহসী, মতাৰ সমান কাম কৰিব পৰা সাহস।

ভয় নাই ভীত নাই। মুখত বহুতৰে ম' লাম আৰু ম খাম গীত। বনগীতৰ দৰে গীত। দীঘলকৈ টানি টানি গাইছে। কোনো কোনো ভূঁৰত ক্লং ঢোল বাজিছে। ডেকাবোৰে বৰ নোৱাৰিছে, দুই একে এপাক দুপাক নাচিও দিছে কঁকালত হাত দি ভৰি ভাঙিছে, কঁকাল ভাঙিছে। যেন পয় পিহ হে আহিছে।

কাষত ডাঠ সেউজীয়া পাহাৰ। সেউজীয়াৰ মাজে মাজে নীলাৰ আভাষ। মাজে মাজে পাহাৰৰ ফাকেদি জিলিকিছে আকাশ নীলা উজ্জ্বল নীলা। কঁপাহৰ দৰে ডাৱৰ। কঁপাহৰ দৰে নামৰুকৰ পানীবোৰ জিলিকিছে জলমলাইছে, ভূঁৰত উঠি যোৱা কলা নীলা সেউজীয়া পোচাক পিন্ধা শ্যাম মানুহবোৰ। বেচ ওখও নহয়, বেচ চাপৰো নহয়। ৰঙা হালধীয়া মুখ। তেজে ফুটো ফুটো। মতাবোৰৰ ফুলা ফুলা কৰঙন কলাফুল। কলা

ৰঙা হালধীয়া নীলা, সেউজীয়া ৰঙৰ খেলা। কিযে এক অপূৰ্ব যাত্ৰা।

ছ্যুকাফাই ভূঁৰৰ বাহিৰত বহি বহি এইবোৰ কথাও ভাবিছে। আৰু ভাবিছে। কেতিয়া পামগৈ মোৰ সোণৰ ৰাজ্যখন। কেতিয়া হ'ব ম্যুং খাম সোণৰ দেশ। কেতিয়া গঢ়ি উঠিব চুন খাম সোণালী বাগিছা। কেতিয়া গঢ়ি উঠিব ম্যুং লুং ডাঙৰ আহল বহল দেশ। আৰু বা কিমান দুৰ আছে নাম ৰুক। নামৰুক গৈ পৰিছে নাম দিহিঙত। আমি আৰু আগ বাঢ়িব লাগিব।

ৰাতি হ'ল। কিন্তু তেওঁলোক নৰল। গৈ থাকিল ৰাতিও। ম্যুং কুওতেই গোটাই লোৱা সৰিয়হ তেতিয়াও আছিল। তাৰে কোনোৱে মাটি শিল ওটেঙাৰ বাকলিত চাকি বোৰ জ্বলাইছে। বহুতৰ লগত তেল লগা মাটিও আছে। কেবাটাও তেল লগা মাটিৰ খাং ভূঁৰত অনা হৈছে। নামৰুকৰ পাহাৰৰ ওপৰতেই পাইছিল মানুহবোৰে। তেওঁলোকে এনে মাটি ম্যুং মাওতো পাইছে। পূৰ্বৰ পৰাই চিনি পায় এনে মাটি। খেনোৱে সেই মাটিত জুই লগাইছে। বহুতৰ হাতত তুঁহৰ জুই জ্বলিয়েই আহিছে। বহুতে আকৌ বহু খং নাহৰ মাৰি এডালত খোচ মাৰি নাহৰ গুটি দুই এটা জ্বলাইও পোহৰ কৰিছে। নামৰুকৰ ওপৰত যেন জোনাকী পৰুৱাইহে জিক মিকাই ফুৰিছে।

অৱশ্যে ৰাতি খাবলৈ যোৱা নাই। দিনৰ পোহৰতেই খোৱা বোৱা শেষ কৰিলে। ৰাতি মানুহবোৰ ভূঁৰতে শুইছে যদিও পহৰীয়াই বিনিদ্ৰ প্ৰহৰী হৈ আছে।

সাত দিন সাত ৰাতি গৈ ছ্যুকাফা নামৰুক নৈয়েদি ভটিয়াই গৈ নাম দিহিং নদীৰ সংগম স্থল পালেগৈ। দিহিঙৰ পানী শীতল দেখি ছ্যুকাফা আৰু তেওঁৰ দলৰ তাই শ্যাম সকলে নাম থ'লে নাম জিন।

দাপ প্লাও বছৰৰ কেই দিন মান গ'ল। লাকনি দাপ প্লাও বছৰতে এই দুই নদীৰ সংগম স্থলতে এক অস্থায়ী শিবিৰ পাতিলে। তাতেই সুচল ঠাইত এহেজাৰটামান সাত আঠজনকৈ থাকিব শুব খাব পৰা অস্থায়ী অথচ মজবুট ঘৰ বনাই থকা শিবিৰ পাতিলে। এই শিবিৰতেই ক্ৰমেও তিনি চাৰিহেজাৰ মানুহ অস্ত্ৰ সস্ত্ৰ দি ৰখীয়া কৰি ৰাখিলে। চাউল পাত , অস্ত্ৰ সস্ত্ৰ, পুঠি পাঁজি, তাঁতৰশাল, ৰজাৰ যাবতীয় বয় বস্তু, কাপোৰ কানি মহ গৰু হাতী, হাঁহ কুকুৰা গাহৰি সকলোবোৰ বস্তু থৈ ভাগে ভাগে ৰখীয়া দিলে।

নাম জিন নৈৰ পাৰৰ মাটিও উৰ্বৰা। গছ গছনীৰে ভৰা। তাতেই প্ৰাকৃতিক পৰিবেশো সুচল। ছ্যুকাফাই মানুহ পঠাই চাৰিওফালে নিৰীক্ষণ কৰালে। সকলোৱে দুদিনৰ ভিতৰতেই বহু খা খবৰ উলিয়ালে।

ছ্যুকাফাই নাম জিন নৈৰ দেৱতাক নাম জিন নামৰুকৰ মিলন স্থলতে নাম দিহিং নৈ বা নামজিনৰ দেৱতাক নদীত একো অপায় অমংগল বিঘিনি নঘটিবলৈ পূজা এটা দি

প্ৰাৰ্থণা জনালে। প্ৰথমে তেওঁ উজাই গৈ চাব বিচাৰিলে। উজনিত কি ধৰণৰ মাটি আৰু মানুহ আছে চাই অহাটোৱেই শুভকাম বুলি ভাবিলে।

বয়বস্তু আৰু লৰা তিৰোতা আৰু বহু সৈনিক মানুহ নামজিনৰ পাৰতে থৈ পাচ হেজাৰমান মানুহ নাম জিনেদি উজাই যোৱাটোকে সিদ্ধান্ত কৰিলে।

যুদ্ধ আৰু হ'ব পাৰে। পাহাৰতেই যেতিয়া ইমান যুদ্ধ হৈছে, নাম জিন নৈৰ পাৰত আৰু অধিক যুদ্ধ হোৱাৰ সম্ভাৱনা নোহোৱা নহয়। সেয়ে তেওঁ লগত থকা লোৰে আৰু অধিক হিলৈ, ঢাল, হেংদাং, জাঠি, কাড়, ধেনু, বৰ হিলৈ, নিৰ্মান কৰিলে। প্ৰায় দহদিনমানৰ ভিতৰত সকলোবোৰ অস্ত্ৰৰ যোগাৰ কৰিলে। কমাৰ সকলৰ ওপৰিও বাকী সকলেও কমেও উশাহ লবলৈকে সময় নাছিল।

বাৰিষা হ'বলৈ বেছি দিন নাই। দাপ প্লাও বছৰ আৰম্ভ হ'লেই। যোৱা বছৰৰ চাউল পাত প্ৰায় শেষ হবৰ হৈছেহি। সেয়ে সকলোৰে লগত আলোচনা কৰি ছ্যুকাফাই নামজিনৰ পাৰতেই এটা ধান খেতি কৰাৰ ব্যৱস্থা কৰিলে।

দিহিঙৰ পাৰত মানুহ বসতি নকৰি এনেই পৰি থকা মাটিতহে ছ্যুকাফাই খেতি কৰিবলৈ সিদ্ধান্ত কৰিলে। ওচৰৰ কোনো মানুহক অসুবিধাত পেলাই তেওঁলোকৰ খেতি মাটিবোৰ কাঢ়ি লোৱা তেওঁৰ উৰ্দ্দেশ্য নহয়। পানী জমা হৈ থকা ঠাইৰ জোপোহা বন, সৰু সৰু হাবি বন কাটি মাটি মোকলাবলৈ লাগিল। ওচৰত কোনো গাঁও অৱশ্যে নাই। হাবিত অসংখ্য বনৰীয়া বাঁহ গছ, কাঠ ওলোৱা গছ, নাহৰ, বনচোম, শিলিখা, চাম কঠাল আদি তেওঁলোকে দেখি পালে।

পুৰণি নাঙল থাইবোৰ পেলাই নতুনকৈ নাঙল বনাই ল'লে। গোটীয়া মহে হাত বোৱাৰ পূৰ্বে কোৰেৰে ওখ চাপৰ বোৰ কাটি ল'লে, তাৰ পাচত গোটীয়া মহেৰে হাল বাবলৈ ধৰিলে। প্ৰায় পাচ হেজাৰ মানুহেই একেলগে কৃষি কৰ্মত নিয়োজিত হ'ল। এহেজাৰ মানুহে সম্পূৰ্ন সৈন্য হিচাবে শ্যামসকলে খেতি বাতি কৰি বসতি কৰিবলৈলোৱা ঠাইৰ চৌদিশে পহৰা দি থাকিব ধৰিলে। তেওঁলোকে একোটা বৃহৎ অঞ্চল জুৰি সামৰি ওখ ওখ গছত চাং পাতি দূৰৰ গাঁও ভূই আৰু কোনো শত্ৰুৰ অগমনৰ গতি বিধিৰ বাবে চোকা নজৰ ৰাখিলে। বাহিৰত এজন দুজন মানুহ কেতিয়াবা তেওঁলোকৰ বসতি অঞ্চললৈ অনুসন্ধানৰ বাবে বা আহি ওলালেও তেওঁলোকে সকলো পৰীক্ষা কৰি সীমাতে ৰাখি কথা বতৰা হয়। বিভিন্ন প্ৰয়োজনৰ ক্ষেত্ৰতহে তেওঁলোকক শ্যাম লোকসকলৰ অঞ্চলৰ ভিতৰলৈ সোমাব দিয়া হয়।

নাম জিনৰ পাৰত শ্যামসকলে বসতি কৰা ঠাইৰ পৰা আধাবেলাৰ আঁতৰত দুই এক গাঁও দেখি পালে ছ্যুকাফাৰ মানুহে। মাজে মাজে এই গাওঁ সমূহলৈ তিনিশ চাৰিশকৈ

মানুহ গোট খাই গৈ বিভিন্ন কথাৰ অনুসন্ধান কৰি আহিব ধৰিলে। ছ্যুকাফাৰ শ্যাম সকলৰ দেখনিয়াৰ সবল সুঠাম চেহেৰা, কলা বৰনৰ সুন্দৰকৈ পৰিধান কৰা বস্ত্ৰৰ আৰু উন্নত অস্ত্ৰ শস্ত্ৰ দেখি স্থানীয় মানুহবোৰে বিমুগ্ধ হোৱাৰ লগতে সন্ত্ৰস্ত্ৰও হৈ উঠিল। তদুপৰি তেওঁলোকৰ ওচৰলৈ আহি ঘৰবাৰী বনোৱা পদ্ধতি, বাঁহেৰে জেউৰা মৰা পদ্ধতি, মাটিবোৰ কাটি বোকা পানী লেটি পেটি কৰি গোটীয়া মহেৰে হাল বোৱা অচহুৱা অনুভৱ কৰিলে আৰু বাৰুকৈয়ে আকৰ্ষিত হ'ল।

স্থানীয় এই বাসিন্দাসকলেই ছ্যুকাফাক লা খেন তেল চা গাঁও খনৰ বিষয়ে সম্ভেদ দিলে। ই এখন ডাঙৰ গাওঁ। গাওঁখনৰ মানুহবোৰে শালি ধানৰ খেতি নকৰিছিল। শুকান মাটিত ধান সিঁচি আহু ধানৰ খেতি কৰিছিল। অৱশ্যে গৰু মহ গাহৰি, কুকুৰা, হাঁহ আদি তেওঁলোকে পুহিছে। মানুহবোৰৰ চকু বোৰ সৰু, চুলি থৰঙা। চুটি চাপৰ থোপোকা থোপোকা। কিছুমান বগা হালধীয়া চালৰ হলেও কলা চালৰ মানুহো দুই এক দেখা পালে ছ্যুকাফাৰ মানুহে।

নামজিনৰ পাৰৰ মানুহৰ লগত ছ্যুকাফাৰ মানুহে বামেদি ঘোঁৰাৰ পিঠিত উঠি এই গাওঁ খন চাই আহিলগৈ। বাহিৰত মানুহ এনেদৰে থোৱাত মানুহবোৰে শংকিত হোৱাৰ লগতে জকিও উঠিল। ক'ৰ মানুহ এইবোৰ? আমাৰ ঠাইলৈ কিয়বা আহিছে? দেশ ভাঙিব নেকি? কিমান বা আহিছে?

ছ্যুকাফাৰ শ্যাম মানুহে স্থানীয় লোকৰ যোগেদি নিৰ্ভয় দিলে। মানুহবোৰে কং ভাষা দুই একে জানে, আৰু দুই একে খাং ভাষাও জানে। দুই একে বেলেগ ধৰণৰ ভাষা কোৱা ছ্যুকাফাৰ সৈন্যবোৰে শুনি পাইছে। ভাষা বোৰ সম্পূৰ্ণ বুজা নাই। ম্যুং কুঙৰ ফালে এনে ভাষা কোৱা শুনা নাই। তথাপিও শব্দবোৰ কিছুমান তেওঁলোকৰ তাই ভাষাৰ লগত মিলা দেখা পাইছে। চংকিত ভাষাৰ নিচিনা। দুই এক শব্দও মানুহবোৰে কোৱা শুনিছে। গাওঁখন এখন যেন লাগিলেও মূলতে দুখন ডাঙৰ গাওঁ আৰু সৰু সৰু চুবুৰীত বিভক্ত।

কেইদিন মানৰ ভিতৰতে শ্যাম মানুহবোৰ ঘুৰি আহি ছ্যুকাফাক সকলো খবৰ দিলেহি। ইতিমধ্যেই ছ্যুকাফাৰ নিৰ্দ্দেশত দিহিং নৈৰ নামনিলৈও কেই খন মান গোটীয়া কাঠৰ নাওঁ বনাই পঞ্চাশজনমান মানুহে মাছ মৰাৰ আৰু বেপাৰ কৰাৰ চলেৰে ভটিয়াই গ'ল।

ছ্যুকাফাই আলোচনা কৰি সিদ্ধান্ত কৰিলে উজনিলৈ গৈ যদি এই গাওঁ দুখন জয় কৰা নাযায়, তেওঁলোকে নিজে আহি বশ্যতা স্বীকাৰ নকৰিব। সেয়ে ছ্যুকাফাৰ নিৰ্দ্দেশত পাচ হেজাৰ সৈন্য দিহিঙৰ পাৰে পাৰে ঘোঁৰা, খোজ কাঢ়ি আৰু হাতী লৈ আগবাঢ়ি গ'ল। ছ্যুকাফা নিজেও দলপতি হৈ গ'ল। বাকি খিনি নামজিনৰ পাৰতে থাকিল। থাকিযোৱা

সকলে সম্পূর্ণ ভাৱে শালী খেতি কৰা গৰু গাই হাঁহ কুকুৰা গাহৰি মহ পোহাত ব্যস্ত হ'ল।

প্ৰায় এবেলাৰ ভিতৰত ছ্যুকাফাৰ নেতৃত্বত শ্যাম সৈন্যই লাখেন তেল চা গাওঁবোৰ পালেগৈ। তেওঁলোকে অস্থায়ীকৈ কিছুমান বাহৰ বনাই পেলালে এপলকৰ ভিতৰতে। লগে লগে ছ্যুকাফাৰ বাবে এটা সুন্দৰকৈ ওখ চাংঘৰ নিৰ্মাণ কৰিলে। গৈ পোৱাৰ লগে লগেই গাঁও খনৰ ভাষা বুজা মানুহক পঠাই গাওঁ খনৰ মুৰব্বী সকলৰ ঘৰলৈ পঠালে। মুৰব্বী সকলক জনোৱা হ'ল যে তেওঁলোকে শ্যাম মানুহবোৰক বৰিব লাগে। অগত্যা তেওঁলোকৰ লগত যুদ্ধ কৰি তেওঁলোকক শ্যামসকলৰ অধীনলৈ আনিব।

গাঁৱৰ মুৰব্বী সকলে গাঁৱৰ মুখিয়াল মানুহবোৰ আৰু নিয়মীয়া যুদ্ধাৰু সকলৰ লগত আলোচনা বিলোচনা কৰিলে। তেওঁলোকে গমিপিটি চালে তেওঁলোকৰ মানুহ মাত্ৰ দুহেজাৰ মানহে হব। কিন্তু শ্যাম সকল অসংখ্য। বাহৰতেই আছে কেবা হাজাৰো। মিছাতে যুদ্ধ লাগি প্ৰাণ হানি হোৱাতকৈ বৰণ কৰাই ভাল। আনহাতে এওঁলোক তাই ভাষা কোৱা শ্যাম মানুহ। গাঁৱৰ মানুহে পূৰ্বৰ পৰাই জানে পূবৰ ফালে শ্যাম মানুহবোৰ আছে। অসংখ্য মানুহ আৰু দেশ আছে তেওঁলোকৰ। তদুপৰি তিপামত থকা অতীতৰ তাই মানুহবোৰৰ বিষয়েও তেওঁলোকে জানে। তেওঁলোকৰ গাঁৱত ম্যুং তিপামৰ পৰা অনা এগৰাকী তাই শ্যাম বোৱাৰীও আছে। বোৱাৰীয়েকে এতিয়াও শ্যাম ভাষা কয়। এওঁলোকৰ কিছুমানে নিজক মৰাণ বুলি কয়। কেতিয়াবা মটক বুলিও কোৱা শুনিছে। তেওঁলোক বোলে ফু খাও জাত।

যুদ্ধ নকৰি মিত্ৰতা স্থাপন কৰাই সিদ্ধান্ত হ'ল। ছ্যুকাফাৰ লগত কথা পাতি সকলোখিনি ভালদৰে বুজাবলৈ ম্যুং তিপামৰ তাই ভাষা কোৱা বোৱাৰী গৰাকীকো আনি কথাবোৰ তাই ভাষাতে বুজাই দিয়ালে। বহু দিনৰ মূৰত তাই ভাষাৰে কথা পাতিবলৈ পাই বোৱাৰী গৰাকীৰ চকুৰ পৰা পানী ওলাই আহিল।

যুদ্ধ নহ'ল। লাখেন তেলচাৰ মুৰব্বী আহি ছ্যুকাফাক বৰিলেহি। ছ্যুকাফাক তেওঁলোকে দিলে এশটা গাহৰি, দুহেজাৰ কুকুৰা, এহেজাৰ হাঁহ, কিছুমান কঁপাহৰ কাপোৰ আৰু এজন চং কিত ভাষা কোৱা মানুহ। চং কিত অৰ্থাৎ সংস্কৃত ভাষা কোৱা মানুহ। তেৰোঁ ভালকৈ সংস্কৃত ভাষা নাজানে কিন্তু অশুদ্ধ উচ্চাৰণেৰে সংস্কৃত তেওঁ কব পাৰে, পঢ়িব পাৰে, লিখিব পাৰে। আৰু লগতে ছ্যুকাফাৰ দললৈ কাম বন কৰিবলৈ চাৰিগৰাকী গাভৰু।

বিশ দিনমানৰ পাচত ছ্যুকাফাৰ দলটো ঘুৰি আহিল। প্ৰায় এশমান সৈন্য লাখেন তেলচাৰ বাহৰত থৈ আহিল। তেওঁলোকে গাওঁখনৰ মানুহক শিকাই বুজাই নিজৰ আপোন

কৰি ল'লে। দুজনমান ডেকাই এমাহৰ ভিতৰতেই তাৰেই গাভৰু বিয়াও কৰাই পেলালে।

নাম জিনত শালী ধানৰ খেতিৰ বাবে সম্পূৰ্ণ জোৰদাৰ চলিল। ছ্যুকাফাৰ গৰু মহ আদিৰ সংখ্যাও সৰহ হ'ল। চংকিত ভাষা জনা পণ্ডিত জনৰ পৰা সংস্কৃত ভাষা তথা সেই অঞ্চলত চলা সংস্কৃতৰ শব্দৰ দৰে লগা শব্দ মিশ্ৰিত ভাষাও ছ্যুকাফা আৰু তেওঁৰ বিশেষ বিশেষ কিছু মানুহে শিকিবলৈ ললে। মানুহবোৰে ভাবিলে এইবোৰ কুলা ভাষা, বৈছালীৰ ভাষা। মানুহবোৰৰ নামো মমিন, পিমাই, মাই খিও, ল খাই আদি ধৰণৰ।

নাম জিনৰ পাৰৰ পানী বোকাৰে লেটিওৱা নতুনকৈ ভঙা না বিলাকত বিভিন্ন ধৰনৰ ম্যুং মাওৰ পৰাই কঢ়িয়াই অনা শালী ধানৰ খেতিবোৰ কৰিব ধৰিলে। বিভিন্ন ধানৰ জাত বোৰ যেনে খাও আন দ্যেং, খাও হুম দাম, খাও হুকং, খাও মন না নি, খাও নাও, খাও নং মন, খাও নাই খাও, খাই, মুক কাং, খাও নু নাম দ্যেং, খাও নু মি, খাও নু খাও, খাও মাও, খাও খে, খাও নু দাম আদি। আৰু অনান্য আঠাযুক্ত ধানবোৰ হ'ল খাও মে থ তি, খাও মাই মুং লাই, খাও চাং লাই, আদি ভাল ভাল গোন্ধোৱা ধান যেনে খাও ম'ৰাং চাং, খাও নাপ দুম লা আদি। গোন্ধোৱা আঠা লগা ধান যেনে-খাও নু মাই চাং, খাও নু কাং লং, খাও তাই আদি।

ধান চপাবলৈ হ'ল। দাৱনীবোৰে কাছি লৈ ধান দালে। মুঠি মুঠি কৰি নৰাৰ ওপৰত থলে। ধানৰ মুঠি বোৰ ডাঙৰী বান্ধি বিৰিয়াৰ কান্ধত কঢ়িয়াই আনি ভঁৰাল খাও জীত ভৰালেহি। ডাঙৰী অৱস্থাতে ভৰাঁল। ভৰাঁলবোৰৰ বৰ ওখ চাং। বাঁহৰ বেৰ চাং। ধানৰ ভঁৰালবোৰ সামুহিক। ব্যক্তিগত মানুহৰেই নহয়। একোটাইত ভৰাঁলত এশজন মানুহ খাব পৰা জোখেৰে ৰখা হৈছে। সকলো খেতি ৰুৱা তোলা সামুহিক। কাৰো ব্যক্তিগত সম্পত্তি নাই। পাই ক সকলে সকলোৱে খেতি কৰিব লাগে। সকলো ধান ৰজাৰ ধান। ৰজাই বিভিন্ন গোট কৰি খাবলৈ ভগাই দিয়ে। আৰু ব্যক্তিগত নিজা নিজা পৰিয়াল হিচাবে স্বাধীন মনে খাবলৈ কিছু পৰিমানৰ বিভিন্ন জাতৰ ধান প্ৰতিটো পৰিয়ালক দিয়া হয়। খাওঁ জীৰ ৰখীয়া আৰু বিলনীয়া এনে বিষয়াও শ্যামসকলে নিয়োগ কৰি লৈছে। এই নিয়ম ভংগ কৰি কোনেও নিজাকৈ ধান সৰহকৈ পাব নিবিচাৰে। যিটো পৰিয়ালৰ বেমাৰ আজাৰ হৈছে, কৰ্মঠ মানুহ নোহোৱা হৈছে তেনে পৰিয়ালক সকলোৱে সহায় কৰে। কিন্তু কৰ্মৰ বিভাজন মতে যাৰ যি সময়ত যি কৰ্তব্য পৰে সকলোৱেই সেই কৰ্তব্য পালন কৰিবই লাগিব। এই নিয়ম সকলোৱে আখৰে আখৰে পালন কৰে।

ছ্যুকাফাৰ দলৰ কোনো মানুহেই কাজিয়া পেচাল কৰা নাছিল। তেওঁলোকৰ মাজত মনোমালিন্য হলেও ওপৰৰ বিষয়াসকলে সমস্যাৰ বিচাৰ কৰি ওৰ পেলাইছিল। তেওঁলোক এক কঠিন শৃংখলা বান্ধোনৰ মাজত আছিল। মন কৰিলেই যি কোনো কাম

কৰিব নোৱাৰিছিল। লুকাই চুৰকৈ আন ফৈদৰ গাভৰুও আনিব নোৱাৰিছিল। সকলো বিষয়তে বিভিন্ন মেলৰ পৰা অনুমোদন লব লগা হৈছিল। ডাঙৰ বিষয়া হ'লে ডাঙৰ বিষয়াৰ ওচৰলৈ গৈ সিদ্ধান্ত লব লগা হৈছিল। কিন্তু সৰু বৰ সকলো কথাই চাওফা ছ্যুকাফাৰ কানত পৰিছিলগৈ। কিয়নো ছ্যুকাফাই দেশ জয় কৰিবলৈ আহিছে। নিজৰ মানুহৰ মাজত কাজিয়া হ'লে দেশ জয় কেনেকৈ কৰিব। এই জাতীয় চেতনা দেশ গঢ়াৰ চেতনা প্ৰতিটো মানুহৰ হৃদয়ে হৃদয়ে প্ৰবাহিত হৈ আছিল।

ছ্যুকাফাই নামজিনৰ নামৰুক মিলন স্থলীৰ পৰা লাখেন তেল চা অঞ্চলটোক শাসন কৰিবলৈ তেওঁৰ লগত অহা বিষয়া ফ্ৰা লুং খুন তঙক ফুকিন ম্যুং হিচাবে নিয়োগ কৰিলে। কিয়নো ফা লুং খুন তঙেই লা খেন তেল ছাৰ অধিকাৰৰ গোটেই অভিযানটোত আগ ভাগ লৈছিল আৰু খুন তঙে লাখেন তেল ছাৰ থলুৱা বাসিন্দাই কোৱা ভাষাও কিছু শিকি পেলাইছিল। ছ্যুকাফাই খুন তঙ সেই অঞ্চলত শাসন কৰিবলৈ সুবিধা হ'বৰ বাবে লাখেন তেল ছাৰ মুৰব্বী কিজনে দিয়া এগৰাকী গাভৰুক ফা লুং খুন তঙলৈ ৰীতি মতে চকলং কৰি আও মে কৰালে। ওচৰৰ বহু মানুহ মটক মৰাণ বুলি কোৱা হয়। তেওঁলোকৰ দুই একে খুনতঙৰ লগত যুঁজ দিবলৈ আহিছিল। কিন্তু তেনেকৈ যুদ্ধ নহ'ল। কথা বতৰাৰ মিল হ'ল।

লাকনি লাইচি বছৰ। সেই বছৰতেই ছ্যুকাফাই সসৈন্যে নিজে গৈ ফা লুং খুন তঙক লাখেন তেল চাৰ ফুকিন ম্যুং অৰ্থাৎ ৰাজ্যপাল হিচাবে নিয়োগ কৰি আহিলগৈ। খুন তঙক আৰু দুশ সৈন্যৰে আৰু তেওঁলোকৰ পৰিয়ালৰে সৈতে লাখেন তেল চাত থাকিবলৈ দিলে। অৱশ্যে প্ৰতি পৰিয়ালৰেএকোজনকৈ সক্ষম সমৰ্থবান পাই সদস্য ছ্যুকাফাই নিজে লগত ৰাখিলে।

নামজিনৰ নতুনকৈ খোলা মাটি খিনিত খুন তঙৰ সৈন্য সকলৰ পাম হিচাবে দিয়া হ'ল। ছ্যুকাফাৰ ভবিষ্যতে ধানৰ অভাৱ হলে লাখেন তেল চা আৰু নামজিনৰ পৰা কিছু ধান নিয়াৰ কথা খুন তঙক জনালে। খুন তঙৰ এশটা মহ, দুশটা বলদ গৰু, আৰু কিছু হাঁহ কুকুৰা আৰু গাহৰিও দিলে। অস্ত্ৰ সস্ত্ৰও তিনিশজনৰ জোখাৰে দিলে। তদুপৰি সম্ভৱ হ'লে খুন তঙেও নাম জিনৰ পৰা উজাই ইফালে সিফালে তাই শ্যাম সকল বহিব পৰা পথাৰ খুলিব পৰা ঠাই চাবলৈ পৰামৰ্শ দিলে। খুন তঙে শাসন কৰাৰ পৰা লাখেন তেলচাৰ নাম ম্যুং লা খেন ম্যুং লা খেন ম্যুং তেল ছা হ'ল আৰু নামজিনৰ পাৰৰ পাম খন বান না পাম অৰ্থাৎ পাম খোৱা পথাৰ গাওঁ। লাখেন তেলচাৰ স্থানীয় বাসিন্দাবোৰেও শ্যামসকলৰ পৰা বোকা লেটিয়াই খেতি কৰিবলৈ শিকিলে। অৱশ্যে পূৰ্বতেও দুঘৰমান শ্যাম মানুহ আহি লাখেনৰ ওচৰত বহিছিলহি। কিন্তু সিবোৰ তেলচাৰ মানুহৰ লগত জিন

গ'ল। অৱশ্যে তেতিয়াই শালি ধানৰ খেতিও দুই একে কৰিবলৈ শিকিছিল। পূজা পাটল মানুহবোৰৰ প্ৰায় একে। মহ, গৰু বলি দিয়ে। দুই একে মেথুনো বলি দিয়ে। চিঞৰি চিঞৰি দীঘলীয়া উকি মাৰি গান গাই।

খুন তঙে কিছু দিনৰ ভিতৰতেই লাখেন তেলচাৰ মন জয় কৰিলে। তেলচাৰ পৰা এবেলাৰ বাটৰ দুৰত্বৰ এখন ফুথাও মৰাণ গাঁৱে খুন তঙক ভাঙিবলৈ পাঙিছিল। মৰাণ সকলে নিজকে অতীতত দয় কাও ৰঙৰ পূবৰ পৰা অহা বুলি কৈছিল। দুই একে শ্যাম ভাষাও অলপ জানিছিল। দুই এজন ঘৈয়া ঘৈয়ী হেৱাতকৈ বেচি সংঘৰ্ষ নহ'ল। খুন তুঙক বৰিলে তেওঁলোকে।

ত্ৰিশ

দিন বাৰ বানছেং চাই মাহৰ বান কাপ বাৰে নামজিনেদি ছুকাফা ভটিয়াই যাবলৈ ওলাল। পূৰ্বৰ পৰাই ছুকাফাই ম্যুং তিপামৰ বিষয়ে জানিছিল। ম্যুং তিপামতচাম লুং ফাৰো পূৰ্বৰ পৰাই তাই মানুহৰ বসতি আছিল। তাতে চাম লুং ফাই ছুকাফাক ম্যুং তিপামৰ ফালে আহি ম্যুং গঢ়িব পাৰে বুলি আহ্বান জনাইছিল। ছুকাফাই ভটিয়াই পঠোৱা মানুহ কিজনে ছুকাফাৰ আহি ম্যুং তিপামৰ খবৰো জনালেহি। অৱশ্যে খুন চাম লুং ফা বোলে তিপামৰ পৰা আঁতৰি ভটিয়াই গ'ল। লগত বহুতো লগৰ সৈন্যও গৈছে। তেওঁলোকৰ মতে চাম লুং ফাৰ কিছুমান সৈন্য বোলে আন এটা বাটেৰে ম্যুং মাওৰ ফালে ঘুৰি গ'ল। তিপামৰ মানুহবোৰ মৰাণ, মটক, দিওৰা, ডিমাছা বুলি তেওঁ শুনিলে।

ছুকাফাৰ ভুঁৰ বোৰ ভালদৰে ৰচীৰে বান্ধি মজবুট কৰি পেলালে। পূৰ্বৰ ভুঁৰ বিলাকৰ উপৰিও আৰু নতুন কিছুমান ভুঁৰো না না বাঁহেৰে প্ৰস্তুত কৰা হ'ল। তদুপৰি কেইখনমান ডাঙৰ ডাঙৰ নাৱোঁ বনোৱা হ'ল। নাওবিলাকৰ তিং বোৰত দীঘলীয়া ডিঙিৰ পাখি লগা সৰ্পাকৃতিৰ সিংহৰ আকৃতি কাঠত কাটি বান্ধি দিয়া হ'ল। তুন ৰম য়া চেন হাক, আদি বিভিন্ন গছেৰে ৰং প্ৰস্তুত কৰি নওঁবোৰ ৰং দিয়া হ'ল। দুখন দুখনবান্ধি ওপৰত চাং দি কিছুমান মাৰ নাৱো প্ৰস্তুত কৰা হ'ল। তদুপৰি গোটীয়া কাঠৰ খোলা কৰা কিছুমান দ্ৰুত ভাবে চলাব পৰা নাৱোঁ বনাই লোৱা হ'ল। কমেও এনেনাও এহেজাৰ মানৰ কম নহব। এনে নাঁৱত এজনকৈ মানুহে চলাই লৈ যাব ধৰিলে। এনে কিছুমান নাৱঁত উঠি

শ্যাম সৈন্যই উজাই ভটিয়াই নৈৰ পাৰলৈ গৈ উৰি ফুৰাৰদৰে ভটিয়াই যাব ধৰিলে।

হেজাৰ হেজাৰ ভুঁৰ নাওঁ লৈ ছ্যুকাফাই পুৱা বেলাতে যাত্ৰা কৰি গধূলীৰ আগে আগে ম্যুং তি পাম পালেগৈ। নাম জিনৰ দুয়োপাৰে গাওঁবোৰ বহিছে। যথেষ্ঠ সংখ্যক গাওঁ আছে। নৈৰ পাৰৰ পৰা গাৱঁৰ মানুহবোৰে জোম বান্ধি চাবলৈ ধৰিলে। কৌতুহল তেওঁলোকৰ। কিয় বা আহিছে কোন বা আহিছে?

মানুহ নথকা দেখি ছ্যুকাফাই নাওঁ ভুঁৰ বিলাক ৰখাবলৈ নিৰ্দ্দেশ দিলে। পানীৰ মাজত পাৰত ভুঁৰ আৰু নাওঁবোৰ ৰখালে। আগত গৈ থকা ভুঁৰ নাওঁবোৰক সৰু নাওঁবোৰে খৰতকীয়াকৈ চলাই জনালেগৈ যে " তোমালোক ৰবা। আমাৰ ৰজা চাওফা ছ্যুকাফাই ৰবলৈ নিৰ্দ্দেশ দিছে।"

ছ্যুকাফাৰ নিৰ্দ্দেশ মতে পাৰলৈ নামি চাই দুজনমানক কিমান ঠাই জনশূণ্য তাক পৰীক্ষা কৰিবলৈ গ'ল। ঠাইখন যথেষ্ঠ দূৰলৈ জনশূণ্য আৰু হাবি অঞ্চল বুলি জানিব পাৰি সেই ঠাইতে ভুঁৰ নাওঁবোৰ বান্ধিবলৈ ছ্যুকাফাই নিৰ্দ্দেশ দিলে। প্ৰায় পাচশমান মানুহক ভুঁৰ আৰু নাঁৱৰ পৰা নামি বামত অস্থায়ী ঘৰ বনাবলৈ পঢ়িলে। গাহৰি, গৰু, গাই হাঁহ কুকুৰাবোৰ ভুৰতে থাকিবলৈ দিলে। পাৰে পাৰে খেজেৰে অহা হাঁতী আৰু মহৰ দলটোও আহি লগালগি হ'লহি।

ম্যুং তি পামত আবেলিৰ পৰা কথাবোৰ জনাজনি হ'ব ধৰিলে। ৰাতিৰ ভিতৰতে সকলোতে জনাজনি হ'ল। ছ্যুকাফাই যদিও গম নাপালে তাৰ বাসিন্দাৰ মাজত মানুহবোৰ অহাৰ খবৰ বিয়পি গ'ল।

ৰাতি কোনো কলৈকো নগল। সিজাই পকাই খাই বৈ সকলো শুলে। পহৰা দিয়াৰ দায়িত্বত থকা সকলে ৰাতিটো পহৰা দি থাকিল। পাৰত খোজ কাঢ়ি কাঢ়িয়েই পহৰা দিছিল। পানীত সৰু সৰু নাওঁ বিলাক ইফালে সিফালে নাওঁ বাই ঘুৰি ফুৰিছিল। মাজে মাজে নাহৰৰ গুটিবোৰ মাৰিত খুচি জলাই দিছিল।

ছ্যুকাফাই তেওঁৰ ভুঁৰৰ ওপৰত থকা হলুঙতে শুইছিল। শুৱাৰ আগে আগে তেওঁ বাকচত ভৰাই থোৱা ইষ্ট শক্তিৰ আধাৰ চুমফ্ৰা ৰুম ছেং ম্যুঙক এপৰমান সেৱা কৰি প্ৰাৰ্থনা কৰে " হে চুম ছেং দেও, আপোনাক মই দহো আঙুলি লগ লগাই প্ৰণিপাত জনাইছো। মোক চকু মেলি চাব। আপোনাক স্তুঁতি কৰিছোঁ। আমাক যেন শক্তি দিয়ে, কলিজাত সাহস দিয়ে, আমি দেশ গঢ়িবলৈ, দেশ বিচাৰিবলৈ আহিছোঁ। আমাক ৰজাৰ শক্তি বৃদ্ধি কৰি দিয়ক, দেশ বিচাৰিয়েই আমি অতখন মানুহ আহিছোঁ।"

শুই শুই ছ্যুকাফাই আকাশ পাতাল ভাবি আছে। বেৰৰ জলঙাইদি আকাশৰ তিৰবিৰাই থকা তৰাবোৰ দেখি তন্ময় হৈ চাইছে, নিজে মহা বিশ্ব ব্ৰহ্মাণ্ডৰ ৰহস্য ভেদ কৰিব নোৱাৰি

ভাবিব ধৰিলে "আমি অতি নগন্য। সকলো ভগৱানৰ লীলা। কি ৰহস্য , আজি বাৰ-তেৰ বছৰ আহিলোঁ। আহিয়েই আছো। তথাপি স্থায়ী শ্যাম ৰাজ্য এখন গঢ়িবলৈ সক্ষম হোৱা নাই। হ'ব নিশ্চয় হ'ব। ফী থুন, ফী মে নাম, ফী দয় চুমছেং ফী দাম সকলোৰে আৰাধনা কৰিছোঁ। নিশ্চয় সফল হ'মগৈ। ছ্যুকাফাই শুনিছে নদীৰ পানীত মাছবোৰে জপিয়াই জপিয়াই তুলুক তুলুক শব্দ কৰিছে। মাজে মাজে নদীৰ সোঁত বোৰত খুন্দা মৰাৰ শব্দ। পাৰত গছৰ ওপৰত দুই এক চৰাইয়ে ৰাতি গান গাই নিশাৰ গভীৰতা বঢ়াই তুলিছে। দুৰত কৰবাত কৰবাত শিয়ালে কান্দিছে। এচাটি মলয়া বতাহে ভূঁৰখন কঁপাই থৈ গ'ল।

নাং আইমে চাও য়ে ছ্যুকাফালৈ লক্ষ্য কৰিলে যে ছ্যুকাফাই লেখমানো শুব পৰা নাই। বৰৰাণীয়ে বুজিছে যে ছ্যুকাফাই নিজা ৰাজ্যখন গঢ়িবলৈ ভীষণ যত্ন কৰিছে। তেওঁ এইবোৰ কাৰণতেই মানসিক ভাৱে কেতিয়াবা কেতিয়াবা হতাশ হৈ পৰে।

নাং ফা লুং বৰৰাণী নাং আইমেই মৰম আৰু শান্তনাৰ সুৰেৰে কলে " ভয় নাখাব স্বামী দেৱতা, এদিন সপোন ফলিয়াবই। কষ্টৰ ফলাফল শুভয়েই হয়। ইমানবোৰ মানুহ আহিছে, এখেতলোকেও আপোনাৰ বাবেই ত্যাগ কৰিছে। লাহে লাহে দিন ভাললৈ আহিছে। আপুনি শান্তিৰে শুৱক।" নাং আইমে চাও লুয়ে শুৱা পাটিৰ পৰা উঠি কৌপাত এখনিত তামোল পান এজোৰ বান্ধি চাও লাই অৰ্থাৎ মিতুক ডাঙৰীয়া ফী দাম থকা ঘাই বা লাই খুঁটাতে ছ্যুকাফাৰ পিতৃ মাতৃৰ দাম, এনায়েক পুথাওৱেকৰ দাম আৰু চাও ফা ফেত খাম ল্যেংদন আদি দামবোৰৰ বাবে টুপুলাটো আগ কৰি বান্ধি থলে। " হে দাম সকল, আপোনালোক অসন্তুষ্ট নহ'ব। আপেনালোকক জনাইছো যে আপেনালোকক যথা সময়ত পূজা অৰ্চণা কৰিম। স্বামী দেৱতা চাওফা জনৰ মংগল কৰক।

আকাশেদি বনৰীয়া হাঁহৰ জাক এটা কল কল কৰি উপৰেদি উৰি গ'ল। নাং ফা লুং আই মে চাও লুয়ে তেওঁৰ স্বামী দেৱতা চাওফা ছ্যুকাফাৰ মংগল হ'ব আৰু নুক পেত হাঁহৰূপী মিতুঁক ডাঙৰীয়া সকলে তেওঁৰ প্ৰাৰ্থনা নিশ্চয় শুনিছে।

মনলৈ সাহস আহিল নাং ফাৰ। তেওঁ জনাব এই বতৰা তেওঁৰ ৰজা স্বামী দেৱতা চাও ফা ছ্যুকাফাক। দুৰত দয় কাও ৰং দয় খাম দয় লা লিং আদিৰ বুকু ভেদি ৰঙাকৈ বেলিটো ওলাল। নুক (চৰাই) বিলাকে চিঁ চিঁ চাঁ চাঁ, কুত কুত কাত কাত, কা কা কি কি, আদি শব্দ কৰি গছে বনে আকাশে বতাহে উৰি ফুৰিব ধৰিলে।

নামজিনৰ পানীত সাঁতোৰা, গাধোৱাঁ ভূঁৰত জুই জ্বলাই খাও নেউ চেৱা দিয়া, বৰা ভাত বনোৱা, পানীত মাছ ধৰিবলৈ পতিং মৰা, সৰু সৰু নাও লৈ নামজিনৰ পাৰে পাৰে ঢেকীয়া ফাকুত ব্যস্ত হৈ পৰিল। মলিক সকলে প্ৰথম কুকুৰাৰ ডাকতেই নামজিনৰ

ঠাণ্ডা পানীত আপ নাম কৰি পুৰাৰ খাম ছিং গাই সমুখত তামুলী পীৰা লৈ মাহৰ গুটি আৰু মিঠাতেলৰ চাকি জ্বলাই লিক তাই পঢ়া , ছ্যুকাফাৰ যাত্ৰাৰ ঘটনা পঞ্জী লিখা, পূৰ্বৰ বুৰঞ্জী লিখা আৰু নতুন দেশৰ বৰ্ননা লিখা কামত নিমগ্ন হ'ল।

ছ্যুকাফাই হলুঙৰ পৰা বাহিৰ মিছাওলৈ আহি চাৰিওফালে চালে দেখিলে সকলো ব্যস্ত। নিজ নিজ কৰ্মত সকলো ব্যস্ত। আনন্দত তেওঁৰ চকুলো নাম তা ওলাই আহিল। তেওঁ দেশ গঢ়িব পাৰিব। নতুন দেশ, নতুন পথাৰ, নতুন পাম, নতুন নগৰ ছে।

কিন ওাই আহি ছ্যুকাফাৰ বাবে ফেবানত সজাই দিয়া হ'ল। খাও ন্যোও, খাও ফাত কাই (কুকুৰা মাংসৰে ভজা ভাত), ফাক চুম (টেঙা শাক), প্লা চুম (টেঙা মাছ) আদি আৰু লগতে খাও তুম (নিঃসনি ভাত)।

একত্ৰিশ

ছ্যুকাফাক অদৰিবৰ বাবে খদমদম লাগিল ম্যুং তিপামত। তি পামৰ শাসন চলোৱা মূৰব্বী খুন ছেঙ ফাই অভ্যৰ্থনাৰ বাবে সুন্দৰকৈ ঘৰ সজালে। বাহিৰত এখন অস্থায়ী কলপাত কৌপাত জেঙৌ পাতেৰে ৰভাও বনালে। ছ্যুকাফা বহিবৰ বাবে ওখ বাঁহৰ চাং তাৰ ওপৰত বাঁহৰ ঢাৰি আৰু কপাহী কাপোৰ। সমুখত তামুলী পীৰা। আনফালে না না ব্যঞ্জনেৰে না না তৰহৰ খাদ্য সিজাবলৈ ধৰিলে। মতা মাইকী লৰা ছোৱালী সকলোৰে ব্যস্ততা। বান ওকৰ পৰা তেওঁলোকৰ ৰজা আহিছে। তেওঁ বা কেনেকুৱা? কিছুবছৰৰ পূৰ্বে চাও চাম লুং ফাই তেওঁলোকক বিভিন্ন শিক্ষা দি গৈছে। পূৰ্বৰ মানুহ তাই মানুহ দেও হেন লগা মানুহ তেওঁলোক দেখিছে।

ছ্যুকাফাৰ কেবাগৰাকীও বিষয়া খুন ছেং ফাৰ ওচৰলৈ গ'ল। তেওঁলোকে বিভিন্ন লোকৰ লগত কথা বতৰা হ'বলৈ ধৰিলে। তেওঁলোকৰ আগমনৰ উপলক্ষ জনালে। খুন ছেং ফা আৰু তেওঁৰ লগৰ মানুহবোৰৰ কোনো বিশেষ প্ৰতিক্ৰীয়া নহ'ল। খুন ছেং ফাৰ মনত বৰ আনন্দ নহলেও বৰ দুখ নাই হোৱা। আলহী আন কোনো নহয়, পিনং।

যথা সময়ত ছ্যুকাফাক আদৰি অনা হ'ল। সকলো লৰা ছোৱালী বুঢ়া মেথা পু থাও মে থাও য়া নাই ৰাই চাও সকলো সুন্দৰ পোচাক পিন্ধি ছ্যুকাফাক আদৰিবলৈ গ'ল। ঢোল মৃদং বৰ তাল বজোৱা হ'ল। ছ্যুকাফাৰ শ্যাম মানুহ সকলেও ঢোল আৰু মৃদং বজালে। দুই একে মাদলো বজালে লগতে য়াম মং ঘন্টা। সকলোৱে মূৰ দোৱাই দোৱাই

সেৱা জনালে। মহিলা সকলে আৰু একেবাৰে আগৰ শাৰীত থকা সকলে খুপ বাই অৰ্থাৎ আঠুকাঢ়ি সেৱা জনালে। ম্যুং তিপামৰ বহুবোৰ তাই মানুহ 'ফু খাও'। গতিকে তেওঁলোকে বহুতেই তাই নিয়মবোৰ জানেই। তেওঁলোকৰ বহুবোৰ নিয়ম ম্যুং তিপামৰ তি উৰা বা দিওৰা তিমিছা বা দিমা ফিছাসকলে জানে। তদুপৰি বহু ম'ৰান আৰু ম'তক সকলেও জানে তাত পূৰ্বতে থকা তাই মাও সকলে 'ফু খাও' সকলক মতক বুলি কয় ছুকাফাইও তেওঁলোকক মতক বুলি কোৱা কথা জানিছিল। ফু খাও আন কাও চাম বা মতক। মতক সকলেই মৰাণ মানুহবোৰৰ লগত প্ৰায় মিলি জুলি এক হৈছিল। আগৰ তাই সকলেও দিওৰা দিমা ফিছা, মৰাণ মতক সকলৰ পৰা কিছু স্থানীয় ভাষা পৰম্পৰা শিকিছে। মৰাণ মতক সকল প্ৰায় আমাৰ লগৰে মানুহ একে জাত। তেওঁলোক আগতে অহা দয়কাও ৰঙৰ সিপাৰৰ পৰা। চিংফৌৰ মাজত থাকি অহা আৰু দিমাফিচা বৰাহীৰ লগত থাকি লাহে লাহে হিন্দুৰ কথা বতৰা শিকিলে। তেওঁলোকো আমাৰ পিনং জাতি। তদুপৰি দিওৰা, দিমা ফিছ মৰাণ, ম তক সকলেও তাই শ্যাম সকলৰ পৰা বহুবোৰ কথা শিকিছে। শালী ধানৰ খেতি, গোটীয়া মহেৰে হাল বাবলৈও কোনো কোনোৱে শিকিছে। কিন্তু এই পদ্ধতি এতিয়াও মাদুহবোৰে গ্ৰহণ কৰিব পৰা নাই। চাও লুং ফাই তেওঁলোকক বেচি দিন উন্নত শিক্ষা দিবলৈ সময় কৰিব নোৱাৰিলে। তেওঁ বিজয় অভিযান অব্যাহত ৰাখিব লগা হৈছিল।

মই খুন ছেং ফা। চাও চাম লুং ফাৰ পূবেই আমাৰ কেইটামান পৰিয়াল ম্যুংৰি ম্যুংৰামৰ পৰা ইয়ালৈ আহিছিল। খুন লুঙ ম্যুং ৰুঙলৈ আহোতেই আমি ম্যুং লৌহিত বিচাৰি ইয়ালৈ আহিলো। আমাৰ আৰু দিওৰাৰ মাজত যুদ্ধ বিগ্ৰহো হৈছিল। তদুপৰি দিমা ফিচাৰ লগতো যুদ্ধ হৈছিল। আমাৰ খুন পৰিয়াল এটাক ইয়াৰ পৰিচালনাৰ দায়িত্ব দি খুন লুং পুনৰ পূবলৈ গুচি গ'ল। আমাৰ তাই মানুহবোৰে বহুতেই তাই ভাষা পাহৰিছে। আমি কিছুমানে ভালদৰে কব পাৰো। বহুতে দিওৰা, দিমা ফিচা, মৰাণ ভাষাৰ লগত মিহলি ভাষা কোৱাৰ লগতে চংকিত অৰ্থাৎ সংচকিত ভাষা ভাঙি ভাঙি কব পাৰে। তাই ৰাজকুমাৰ পৰিয়াল বাবে সকলো লোকে আমাৰ পৰিয়ালৰ পৰাই তি পাম খন চলাবলৈ দি আহিছে। খুন চাম লুং ফা বা চাও চাম লুং ফাইও তোমাৰ পৰিয়ালটো পাই পুনৰ আমাকেই দায়িত্ব দিছে। বৰ্তমান ম্যুং ৰুঙৰ ৰজা নয় চান ফাক মৰেই যোগাযোগ কৰি আছো। এই অঞ্চল আমি ম্যুং ৰুঙৰ অধীনত বুলি মানি লৈ আছে। পূৰ্বৰ পৰাই ম্যুং ৰুঙ ৰাজ্য বা মাও পং ৰাজ্যকো আমি কৰভাৰ দি আহিছো। আমাৰো দিওৰা, দিমা ফিচা মৰাণ ম তক লোক মাজে সময়ে ম্যুং ৰুঙলৈ গৈছে। দুই একে তাতেই থাকিও গৈছে। খুন লু চ্যোও তিনিশমান বছৰৰ পূৰ্বে আমাৰ ঠাইলৈ আহিছিল বুলি আমাৰ বহুতে কয়।

ইয়াৰ অনান্য লোক যেনে দিওৰা, দিমা ফিচা, ম'ৰাণ ম'তক, কম্তা, বা মুন হেন দু সকলে আমাক শিয়াম বা শ্যাম লোক বুলি কয়; এতিয়া আপুনি আহিলে আমাৰ সকলোৱে জানিছিল। এদিন পূবৰ ফালৰ পৰা পাম খবলৈ এটি ডাঙৰ পিনঙৰ দল আহিব। আপোনাক আদৰণি জনালো। মোৰ ফালৰ পৰা এই দহখন কঁপাহী কাপোৰ উপহাৰ দিলো। গ্ৰহণ কৰিলে সুখী হ'ম।"

ছ্যুকাফাই কঁপাহী কাপোৰ কিখন সাদৰে গ্ৰহন কৰিলে। তেওঁ নিজেও ম্যুং মাওৰ পৰা কঢ়িয়াই অনা এজোৰ পুৰুষে পিন্ধা কলা নীলা বৰনৰ কাপোৰ উপহাৰ দিলে, আৰু লগতে একোখন ৰূপৰ শৰাইও দিলে।

বিমুন পাতৰেও নিজকে চিনাকি দিলে। মই বিমুন পাতৰ। আচলতে মই মৰাণ পাতৰ। মই অতীজতে অহা বংশৰ। আমাৰ পিতৃ পুৰুষ সকলো ম্যুং কুঙৰ পশ্চিমৰ পৰাই অহা। এতিয়াও আমাৰ মৰান বংশৰ মানুহ আছে সেই অঞ্চলত। অমাৰ পিতৃ সকলো বোলে শ্যাম আছিল। মৰান আৰু শ্যাম বিয়া বাৰু হৈ আমাৰ পৰিয়াল কেইটামান চাম মৰান হৈ দিহিঙৰ অলপ পশ্চিমে আছিলোঁ। মোকেই চাও চাম লুং ফাই দিমা ফিচা আৰু খাংকা আৰু মাজে মাজে ম ৰান সকলৰ পৰাও কৰ তুলিবলৈ দিছিল।

চাও খুন ছেং ফাই ছ্যুকাফাক কয়- চাও লুঙ ফাই মন্ত্ৰী তাও ছ্যু হান কাই আৰু তাও ছ্যু য়েন ম্যুং কঙৰ পৰা মালিখা নদীৰ উপত্যকাইদি তাই খামতি লুঙলৈ আহে। খামতি লুঙৰ তাই মানুহবোৰ খাও খাও ম্যুং মাও লুঙ অৰ্থাৎ নিজনি পানী থকা নাম মাও নদীৰ পাৰ চে লান বা চে ৰানৰ পৰা আহি বসতি কৰিছিলহি। সেই সময়ত খামতি লুঙৰ ৰজা আছিল চাও ফা চাও হান ৰিএঃ (বা চাও হাং ঐিও)। চাও ছ্যুকাফাই ম্যুং মাওৰ পৰা আঁতৰি অহাৰ প্ৰায় লগে লগেই কিছুদিনৰ পাচত আইক চা লুন মন আৰু তেওঁৰ ভাতৃ চালন চান পালা চা লন পাত কান মালিখাৰ দক্ষিনত এখন তাই মাও ৰাজ্য গঠন হ'ল। সেই সময়ত ছ্যুকাফাও ক্ৰমাৎ পশ্চিম দক্ষিন দিশে আহি আছিল। এই তাই সকলে চিংফৌ কং সব-লৰ লগত ভয়ানক যুদ্ধও লাগিছিল। দুয়ো দলৰ মাজত যুদ্ধত তেজৰ নৈ বৈ গৈছিল। চিংফৌ কং ভাষাত তেজক চাই বোলে বা তেজৰ নৈ চাইমা নাম পাইছিল।

তদুপৰি মালিখাৰ মাও তাই গোটটোক চীনা খে আৰু লামা সকলেও আক্ৰমন কৰিছিল। কিন্তু তেওঁলোকৰ নেতা চালন চা কানএ তেওঁলোকক হৰুৱালে। ইয়াৰ পাচত প্ৰকৃততে চাওফা হ'ল চাও ৰিন লাইক চাও ৰিন খাম আৰু তাৰ পাচত চাও হান ৰিন। এওঁলোক যোৱাৰ সময়ত সেই অঞ্চলত থকা মানুহবিলাকক আমাৰ তাই মাও সকলে কৈছিল- কাং (চিংফৌ), লাং খাই, নক ক্য, য়যা, তাও হাওং। ইয়াৰে কাং সকল বৰ শক্তিশালী যুদ্ধাৰু আছিল। চিংফৌ কাং সকলৰো বহু সংখ্যক মানুহ বহু ঠাই বিয়পি

আছিল বোলে। তেনেসময়তে চাও চাম লুং ফাই নয় চান ফাক তলতীয়া কৰি ল্যাং কওত নিজৰ আধিপত্য লৈ মুল চাওফা হৈ কাও লান (ন লাখ সৈন্যৰে) খামতি লুঙৰ ফালে গৈ চাও হাং গ্রিক তলতীয়া কৰি খামতি লুঙৰ পৰা দয় খাম আৰু নাম তিলাও (লুইত) পাৰ হৈ তিওৰা ৰাজ্য পালেহি। তিওৰা দেশত তিওৰাৰ লে খ্রই ৰজাৰ মৃত্যু হৈছিল। তেওঁৰ পুত্র বু বুক (বু ৰ ৰা), মাই ক্রন (মাই চুৰা-মহিষুৰ), ক' লিতা আৰু কাচি ৰাচা (কচি ৰাজা)ৰ মাজত ৰাজ্যখন ভগাই লৈছিল। তেওঁলোক দুৰ্বল হোৱাৰ বাবে যুদ্ধত মাও তাই চাম লুং ফাৰ হাতত হাৰিল। বু বুক যুদ্ধত মৰিল, মাই ক্রন বহু মানুহৰ সৈতে মাইং বিঙলৈ (বৰ্তমান বিশ্বনাথ) পলাল, কলিতাই বহু মানুহ লৈ পশ্চিমলৈ গৈ ৰাজ্য বনালে। কিন্তু কচি ৰজাক আমাৰ ছাম লুং ফাই ধৰিলে আৰু তেওঁকেই চাও তিয়া তিওৰা চুত্যা (চুতীয়া) ৰাজ্যৰ বহতীয়া ৰজা পাতিলে। চাম লুং ফাই সেই ৰাজ্যত ম্যুং মাওৰ তামন নামৰ এজন পালি সেনাপতিক কিছুমান তাই সৈন্যৰে সৈতে তাতে ফু কিন ম্যুং (ৰাজ্যপাল) হিচাবে পাতি থ'লে।

চাম লুং ফাই বিশেষ যুদ্ধ কৰিব লগা নহ'ল। বগা ফুল ফুলা আৰু বহল পাতেৰে ভৰা দেশৰ পৰা অহা চাম লুং ফাক মন্ত্রী সকলে বছৰি পচিশটা ঘোঁৰা, সাতটা হাতী আৰু প্রতি তিনিবছৰৰ মূৰে মূৰে বহু সোণ আৰু ৰূপ চাম লুংফা কচামপী দেশক (কৌশম্বী-ম্যুং মাও) দিব বুলি প্রতিশ্রুতি দিলে। সেয়ে কুচি ৰাজাক সিংহাসনত বহুৱাই তামনক ৰাজ্যপাল পাতি কচামপী ম্যুং মাওলৈ গ'লগৈ। ম্যুং মাও লুঙক কচাম্পী (কৌশম্বী) বা কতাম্পা বুলি বহুতে উচ্চাৰণ কৰে। সেই সময়ত চুত্যা ৰাজ্যৰ তলত বৰাহী খা লাং আৰু মৰান সকলো আছিল। সেয়ে আপুনি তিপামলৈ আহোতে তাৰ উত্তৰে বৰাহী খা লাং আৰু মৰান লোক লগ পাইছে। তেওঁলোক চুত্যা বা তিওৰা সকলৰ তলতীয়া প্রজা।

এই দিওৰা তিওৰা চুত্যা সকলেও বহু কালৰ আগৰ পাৰা নাম লাও তি লুহিতৰ পাৰত ৰাজ্য খাইছিল। আপুনি অহাৰ পূৰ্বেহি তেওঁলোকৰ লে খ্রই ৰজাৰ মৃত্যু হৈছিল। লে খ্রইৰ আগত তেওঁৰ একে বংশৰ একত্রিশ জন তিওৰা ৰজাই শাসন কৰিছিল। তেওঁলোকৰ এজন ৰজা অচমভিন্নাৰ দিনতেই বোলে এজন পুম না চাই বাও মুন (ব্রাহ্মণ) ক্লা দেশৰ বেনাৰত (বেনাৰচ) ৰ পৰা আহি তেওঁৰ আঠজন পুতেককে ক্রা হেন দু (হিন্দু) থামমা (ধৰ্ম) লোৱাই। পুমনা চাইজনে তেওঁলোকৰ এজনী জীক বিয়া কৰাই কিছুদিনৰ বাবে সিংহাসনতো উঠে। অৱশ্যে পাচত অচমভিন্নাৰ এজন উত্তৰাধিকাৰী ইংদা তেপ লা চাই (ইন্দ্র দেৱ ৰাজা) তিওৰাৰ ৰাজ্যৰ ৰাজপাটত উঠে।

চাওফা দেও। আপোনাক এইবোৰ এইকাৰণে কৈছোঁ যে আমাৰ পূলিন পুথাওৰ দিনৰ কথা আৰু খেক (অন্য জাতৰ মানুহ) সকলৰ কথা নাজানিলে আমাৰ ৰাজ্য খোৱাত

বিজুতি লাগিব পাৰে। আমাৰ ৰাজ্যত এতিয়া তিওৰা তিমিছা, মৰাণ মতক খা লাং, কাং, খাং সকলোৱেই সুমাই পৰিছে। তেওঁলোকো আমাৰ মানুহ (কুন ৰাও) হৈ পৰিছে।

চাম লুং ফাই তিপামেতেই বিমুন আৰু আমাৰ থাওম্যুং তিমা দুজনক তেওঁ জয় কৰা কামতা (কমতা), তিমিছা, মৰান, তিওৰা ৰাজ্যৰ কৰ তুলিবলৈ থৈ গৈছিল। তেওঁ কুনুং কুমুন (মি ছি মি দেশ) আৰু খাং ছে (নগা দেশ) দেশো জয় কৰি গৈছিল।

এই খিনিলৈকে মই ভালদৰে জানো, কিয়নো এই খিনি কথা তিপামত আমি লিখি ৰাখিলোঁ তাই ভাষাত, চাম লুং ফাৰ লগত অহা ম লিক জনেও এইবোৰ লিখি আহিছিল। আমি তিপামলৈকে কথাখিনি লিখি ৰাখিলোঁ। অৱশ্যে এনে লিক পুথি চাম লুং ফাই মগলৌ ম্যুং কেচেৰ ফালে লৈও গৈছিল।

শুনিছো চাম লুং ফাই ম্যুং কেছে (মনিপুৰ), ম্যুং কক বৰক তিপ্ৰা (ত্ৰিপুৰা), ম্যুং আচিক মান দি (গাৰো) আদি দেশ জয় কৰি মে তাপিঙৰ ম্যুং পেত খামলৈ গৈ সেই ফালেদি নাম কিউ হৈ উজাই ম্যুং মাও ৰং (লুং)ৰ ৰজা ককায়েক ছু খান ফাৰ ওচৰলৈ গল। কিন্তু ছু খান ফাক কোনো কোনোৱে কু মন্ত্ৰনা দি মহাশক্তিশালী অতি সাহসী সেনাপতিজনক ষড়যন্ত্ৰ কৰি হত্যা কৰিবলৈ যত্ন কৰিলে। কিন্তু তেওঁ খে দেশৰ ফালে পলাই গৈ নিজকে ৰক্ষা পেলালে। শুনিছোঁ আনকি বোলে চাম লুং ফাক মাৰিবলৈ লোৱাত বেয়া পাই মহা প্ৰভাৱশালী তাই ৰজা হ'লেও ছু খান ফাক এৰি ৰাণী গৰাকীয়ে খে দেশৰ ফালৰ ম্যুং ছে ছঙলৈ গুছি গ'ল। এইখিনি বৃতান্ত ম্যুং মাওৰ পৰা পাচত আজি তিনিবছৰমানৰ আগতে অহা লাখেন তেলছাৰ ফালে থকা তাই মানুহৰ ম লিক সকলে আমাক কৈছিল। অৱশ্যে আমাৰ বুৰঞ্জীতো এতিয়া এইখিনিও আমি লিখি ৰাখিছোঁ।

এতিয়া আচল কথালৈ আহো শুনক চাওফা দেও, আপুনি নিশ্চয় জানিব পাৰিছে মোকেই চাম লুং ফাই তিপাম খণ্ড চোৱাচিতা কৰিবলৈ দিছিল। মোক থানগিৰি তিওৰা চুত্যা, মৰান, বৰাহী খা লাং আৰু তিমিছা নামনিৰ কাম লুপ (কামৰূপ) কামতা, মাইং বিং আদিৰ আচিক মান দি সকলেও চুক ৰং কি ফা (সুখ বঙ্গিফা) বোলে। নামৰূক অঞ্চলৰ একাংশত থকা আমাৰ চাম লুং ফাই থৈ যোৱা ফুকিন ম্যুং জনক স্থানীয় সকলে জাপ জা লিন ফা বুলি জানে। স্থানীয় লোকসকলে চাম লুং ফাক ৰিগা দিঘা বুলিহে বেচিকৈ জানে। নামৰূকত আমাৰ বহু মানুহ এতিয়াও আছে। অৱশ্যে তেওঁলোকে বহুতেই তিওৰা, তিমিছা, খাং, কাং, মৰান আদি বিয়া কৰাই থানগিৰিৰ মানুহৰ দৰে হৈছে। এতিয়াও তাই ভাষা কয়। অৱশ্যে মানুহবোৰে স্থানীয় মানুহবোৰক বৰ বেচি প্ৰভাৱ পেলাব পৰা নাই। তথাপি তেওঁলোকৰ পৰা অন্যজাতৰ লোকে বোকালেটিয়াই বৰাধানৰ খেতি কৰা, মহেৰে হাল বোৱা, ঘুৰনীয়া জাপী লোৱা ওখ তিনিঠেঙীয়া কাঁহিত ভাত খোৱা আৰু দুই

একে চাং ঘৰ লোৱা আৰু তাইসকলৰ নিচিনা পিন্ধা আচাৰ ব্যৱহাৰ চলন ফুৰন লৈছে। চাম লুং ফাৰ দুগৰাকী জী ইয়াতেই বিয়া হৈছে। এগৰাকীৰ নাম ৰিং ৰিং-বাংচি। তেওঁ গ্রিং গ্রাং চাল জা পাং ফা লৈ বিয়া হৈছে আৰু আনগৰাকী খাই নৰিং সৰু। তেওঁ বুগাৰিক চামৰং চুফালৈ বিয়া সোমাল। দুয়োজন ডাঙৰ মৰান ৰজাৰ অধীনৰ সৰু ৰজা। চামলুং ফাই দেশ জয় কৰি স্থানীয়ৰ লগত মিলে নাথাকিলে তেওঁলোকৰ অসুবিধা হ'লহেঁতেন। চাম লুং ফাৰ দুজন পুতেক আৰু পত্নীও লগত আহিছিল। তেওঁলোক লগতেই গ'লগৈ। এনেবোৰ কাৰণতেই এই খণ্ডত আপুনি বিনাযুদ্ধেই মানুহৰ মন জয় কৰিব পাৰিব। মানুহে চামসকলৰ কথা জানি আহিছে। আমাক ইয়াৰ মানুহে সংস্কৃত ভাষাৰ মতে ক' চাম পী, চাম, তাই পং বুলি জানে। কেছে (মনিপুৰ) সকলেও আমাক পং আৰু আংগম (কাকায়েক) বুলিও জানে বোলে। ইয়াৰ মানুহেও কেছে দেশক মগলৌ দেশ বোলে আৰু মানুহবোৰকো মেগলৌ বোলে।

খুন ছেংফাই ছুকাফালৈ এই সমূহ কথা উশাহ নোলোৱাকৈ কৈ গ'ল, ছ্যুকাফাও চকুৰ পতাত টিপ এটাও নমৰাকৈ শুনি গ'ল। কিয়নো ছ্যুকাফাই দেশ জয় কৰিব লাগিব, মানুহৰ মন জয় কৰিব লাগিব। চাম লুং ফা গুচি গ'ল বিজয়ৰ বাবে আহিছিল তেওঁ, সৈন্য লৈ বিজয় কৰি গ'ল। কিন্তু মই আহিছো খাবলৈ থাকিবলৈ মাটি খুলিবলৈ ঘুৰি যাবলৈ নহয়। এয়া অৱশ্যে চাম লুং ফাই মোক ইয়ালৈ মাটি পঠালে, মই আহিলোঁ। তেওঁলৈ মোৰ কৃতজ্ঞতা থাকিল। তেওঁ গুচি গ'ল খে দেশলৈ। পাচত ম্যুং ফাই ৰজা নয় চান ফাইও মোক সহায় কৰিলে তেওঁৰ প্ৰতিও মই কৃতজ্ঞ। তুমি মোক এই ভূ খণ্ডৰ কাহিনি কৈছা মই অতি সুখী। মোৰেই সৌভাগ্য এইয়া। ফ্রা ত্রাই মোক মংগলেই কৰিছে।

খুন ছেং ফাই পুনৰ ক'বলৈ ধৰিলে। চ্যুত্যাৰ কুচি ৰজাই পাচ মাহৰ পাচতেই ম্যুং মাওৰ পৰা অনা ৰাজ্যপাল তামনক বিষ খোৱাই মাৰিলে আৰু বাকী থকা তাই মাওৰ মানুহ কিছুমানে তিওৰাৰ লগতে মিলি থাকিম বুলি ক'লে আৰু কিছুমান ম্যুং মাওলৈ গুচি গ'ল। ম্যুং মাওত এই খবৰ পাই ছ্যুখান ফাই আকৌ মানুহ পঠাই তিওৰা ৰজাক মে নাম লুহিতৰ পাৰত পৰাজয় কৰিলে। কুচি ৰাজা নামনিৰ কা চান কাচাৰ দেশত সেইফালৰ দিমা ফিচা ৰাজ্যত আশ্ৰয় ললেগৈ।

ছ্যুকাফাই উত্তৰ দিলে, "অৱশ্যে মইয়ো সেই কথা জানো। ছ্যুখান ফাই মোকেই নেতৃত্ব লৈ তিওৰা চুত্যা দেশ পুনৰ আমাৰ অধীনলৈ নিবলৈ যুদ্ধৰ বাবে আহিবলৈ কৈছিল। ইমানবোৰ মানুহ কেৱল যুদ্ধয়েই খাম লম দেশ খুলিম বুলিও আহি আছিলো। মই হঠাত মোৰ পৰিকল্পনা পৰিবৰ্তন কৰিব নোৱাৰিলোঁ। মই নাহিলোঁ। অৱশ্যে ম্যুং মাও বুৰঞ্জীত চাগে মোৰ নামো লিখা থাকিল। অন্য এজনক ম্যুংকঙৰ পৰা পঠাই এই

আক্ৰমন কৰোঁৱা হৈছিল। এই কথা মই নয় চান ফাৰ পৰা গম পাইছিলোঁ। ম্যুং মাওত ময়েই আহি চুত্যা ৰাজ্য আক্ৰমন কৰা বুলি লিখা থাকিল। কিয়নো মই পশ্চিমৰ ফালেই আহি আছিলো। ৰাজ্য বিচাৰি, মাটি বিচাৰি, খেতি কৰিবলৈ।”

অৱশ্যে আৰু দুজনক ম্যুং ৰুং ৰজাই কৰ তুলিবলৈ দি গৈছে। তাৰ এজনে দিংওৰা আৰু মৰানৰ কৰ তুলিবলৈ গৈছে আৰু আনজন বৰাহী আৰু খুন কামতা বা কমতা ৰজাৰ ৰাজ্যৰ পৰা কৰ আনিবলৈ গৈছে। এওঁলোক দুয়োজনে বোলে খুন লু চ্যেও নামৰ এজন তাই চাম ৰাজকোঁৱৰে আজিৰ পৰা তিনিশ মান বছৰৰ পূৰ্বে দি লাও লুহিত নৈ পাইছিল। আপুনি নিশ্চয় শুনি পাইছে আজি কালি দি লাও লুহিতক বমম্ পুত্‌ত বুলিও কয়। আগতেই দিওৰা আৰু দিমাছা সকলে দৈ লাও বা দি লাও বুলি বৈ ছিল। আমি শুনামতে কঁপালত ফোট লোৱা গাত ৰচী লোৱা সিনদু বাও মুন পুমনা চাই বিলাকে বোলে এই দৈ লাওক বম্‌ম পুত্‌ত বোলে। ই হেনো বমমা দেৱতাৰ পুতত’ ৱত সকলেও কেতিয়াবা ইয়াক বুল্লুং বু থু বোলে। আমি অৱশ্যে কেতিয়াবা কেতিয়াবা নৈ খনক লাও তি নৈও বোলো। কামতা বা ক’ ম’ তা দেশলৈ দৈ লাও নদীয়েদিয়েই নাও লৈ ভটিয়াই যাব লাগে।

ছ্যুকাফাই খুন ছেং ফা আৰু বিমুন পাতৰৰ কথা শুনি যথেষ্ঠ খিনি গম পাব পাৰিলে। ছ্যুকাফাই মনতে বহু কথাৰ চিন্তাও কৰিলে।

ছ্যুকাফাই তিপামৰ তাই মানুহবোৰ অতি সোনকালেই চিনি পাব পাৰিলে। তেওঁ দেখিলে যে তেওঁলোকে ব্যৱহাৰ কৰা বস্তু আৰু তাৰ নামবোৰো প্ৰায় একে। তাই সকলে চাংঘৰ বনাই বাস কৰিছে। ওচৰলৈ অহা মহিলাৰ মূৰত খোপাবোৰ ওপৰলৈ বন্ধা আৰু মূৰৰ চুলিত দুডাল জোঙা মাৰি গুজিছে। সেই ডাল মাও লুঙৰ শ্যাম লুঙৰ শ্যাম তাইৰ দৰেই মাত ৰু’ বুলি কোৱা হয়। সেইদৰে ফনীক ৱি বু, চোলাৰ দুফালে গাঠি থোৱা কাঠৰ টুকুৰাক মাক তুম মাই, ভাত সিজোৱা জাকি ক্যেং ফাই, ধোৱা চাঙক খ্য বুলি কোৱা হয়। সকলোবোৰ শব্দ একে পাই ছ্যুকাফাই অতি সহজে মানুহবোৰ চিনাক্তকৰণ কৰিলে।

দিনটো আলোচনা বিলোচনা কৰি ছ্যুকাফা পুনৰ ভূঁৰখনৰ হলুঙলৈ ঘুৰি আহিল। কিছু মানুহ পাৰত থাকিল আৰু সৰহখিনি মানুহ ভূঁৰতেই থাকিল। পাৰত থকা মানুহখিনিৰ মাজত বহু ৰাতিলৈকে না না ধৰণৰ তাই গীত মাত নাচ, আৰু তি পামৰ তাই গীত মাত নাচ, দিওৰা, দিমা ফিচা মৰান আৰু মতক সকলৰ মাজত নাচ বাগ গীত মাত চলিল। চাৰিওফালে তেল লগা কলা বোকা লেটিয়াই কাপোৰৰ ভোটা জ্বলোৱাৰ বাবে নিশাটো যেন উজ্জলি উঠিছিল।

পাচ দিনা পুৱা মানুহ নথকা হাবি অথচ ওখ চাপৰ ওখোৱা মোখোৱা সৰু সৰু

টিলা থকা এটা বৃহৎ অঞ্চল ছ্যুকাফাৰ লগৰ শ্যাম সৈন্যখিনি বহিবলৈ তিপামৰ খুন ছেং ফা বিমুন পাতৰ তথা বহু মূৰব্বী বিশেষত দিমা ফিচা দিওৰা, মৰান, মতক সকলোৰে মূৰব্বীয়ে অনুমতি দি নিজে দেখাই দিলেগৈ।

ছ্যুকাফাইও খামক ম্যুঙৰ পিঠিত উঠি মাটিখিনি চালেগৈ। উত্তম ভূমি তলে তলে খেতিও হ'ব, দ ঠাইত পুখুৰীও খান্দিব পৰা হ'ব আৰু টিলাবোৰত চাৰি পাচঘৰ মানুহ বহিব পাৰিব। মাজে মাজে দুই এটা সৰু সুৰা জান জুৰিও বৈ গৈছে। গছ গছনীও যথেষ্ঠ আছে। মহ, গৰু, গাহৰি চৰিবলৈ নলনী, খাগৰীঅনি, ইকৰাণী, তৰাণী, গেৰেকনি ভৰি ভৰি আছে। হাঁহ চৰাবলৈ এনেধৰনৰ বহুবোৰ জলডুবি দেখিলে। বনৰীয়া বাঁহ, কাঠ, ভৰা, বনৰ ঔষধি গছ বনৰীয়া শাক পাত অজস্ৰ দেখিলে। লগতে চৰাই চিৰিকতিও থিকেই দেখিলে। টুপ খাবলৈ কুদু, বৰল, মৌ আদি অসংখ্য হ্যবিত দেখা পালে। আমৰলী পোকো অসংখ্য। গেৰেকনি বোৰত মাছ পুথিও বহুতো পোৱা যাব বুলি ছ্যুকাফাই অনুমান কৰিলে।

চকুৰে চাই থাকোতেই এজন শ্যাম মানুহে কুচিয়াৰ কালিয়ে বোকাৰ পৰা খুচি এটা কুচিয়াৰ উলিয়াই আনিলে। তেওঁ লগে লগে দিমা ফিচা লোক কেইজনমানো গৈ আছিল। শ্যামজনে কুচিয়াৰ কালিডাল মাটিত খোচ মাৰি কুচিয়াৰ খুচ খোৱাৰ অনুমান কৰি হাতখন বোকালৈ ভৰাই কুচিয়াৰটো ধৰি লৈ আহিল। দিমা ফিচা, দিউৰা, কিজন অবাক। কেনেকুৱা মানুহ এইটো। বোকাত কুচিয়াটো কেনেকৈ তাতে আছে বুলি গম পালে। চকুত প্ৰশ্ন। বিস্ময়ৰ চাৱনি। নিজৰ ভাষাতে প্ৰশ্ন সুধিলে "কেনেকৈ গম পালা বন্ধু?" তাই লোকজনেও প্ৰশ্নৰ বিষয়ে বুজিব পাৰিলে। কিন্তু উত্তৰ দিবলৈ দিমা ফিচা দিওৰা ভাষা নাজানে। আকাৰে ইংগিতে বুজালে যে সি কেনেকৈ বোকাৰ তলৰ কুচিয়াৰটোৰ কথা উমান পালে। তাই জনে জানে ম্যুং মাও দেশত কুচিয়াৰেই কুচিয়াৰ। নাম মাও নদীৰ কাষৰ গেৰেকনী বোৰত কমখন কুচিয়াৰ আছেনে? তেওঁলোকৰ ধাননি পথাৰতে অসংখ্য কুচিয়াৰ। চৈধ্য বছৰৰ আগতেই সি ম্যুং মাওত কিমানযে কুচিয়াৰ কালিৰে খুচি উলিয়াইছিল। তাই সকলৰ প্ৰিয় মাছে কুচিয়াৰ। তাৰটো কথাই নাই কুচিয়াৰ নাপালে তাৰ পেটলৈ ভাত নাযায়। বোকাময় ঠাইলৈ গ'লেও তাৰ হাতত কালি ডাল থাকিবই।

দিমা ফিচা আৰু দিওৰাজনে ভাবিলে "আও এইটো কম মানুহ নহয় দেই। এইবোৰ মানুহ আমাৰ অহম দেৱতাৰ নিচিনা যেনহে পাইছোঁ। মাটিৰ তলত থকা কুচিয়াৰকো ইহঁতে গম পাই।" এৰা দেও হেনহে লাগে। তাতে দেখাতো বগা ৰঙা হালধীয়া মুখ, লোদোৰ পোদোৰ হাত ভৰি। গাত কলা ডাঠ নীলা কাপোৰ। মূৰত বাওফালে জোঙাকৈ কাপোৰৰ আগ উলিয়াই মেৰিয়াই কাপোৰ মাৰিছে। কঁকালৰ তলতো দুটা চুঙাৰ দৰে

বহল কলীয়া কাপোৰ। কঁকালতো সুন্দৰকৈ এখন কাপোৰ বান্ধি এডোখৰ তললৈ ওলমাই থৈছে। দেখাত সাইলাখ আমাৰ অহম দেও যেন লাগে।' দুয়োজনে কুৰা কুই কৰিলে।

দিমা ফিচা, দিওৰা, মৰান মতকৰ জীয়ৰী ছোৱালী মখাৰ চকু নতুনকৈ অহা শ্যাম মানুহ মখাৰ ওপৰত। এনে পাহৱাল সুঠাম দেহৰ মিহি উজ্জল বৰণৰ গাৰ ৰং লগা মানুহ এটাকৈ আমাৰ মানুহটো হিচাবে বৰিব পৰাহেঁতেন। ক'তনো পাম দেও হেন মানুহ। অহম দেও। আমালৈনো ক'ত চকু দিব। সৌবোৰ সিহঁতৰো কলা কলা কাপোৰ পিন্ধা ৰঙীলী ধুনীয়া ধুনীয়া মাইকীখন আছেই। আমালৈনো ক'ত চকু দিব। এজনীয়ে ক'লে।

আনজনীয়ে ক'লে, "হেৰা চকু ক'ত নিদিব। ৰবা। কিমান দিন থাকিব। এজনী সিহঁতৰ থাকিলেও আমাক দেখি আৰু এজনী নিব। চাবা বাৰু। আমিওতো কম কামিলা মানুহ নহয় নহয়। আমাকো অহম দেৱতাই সৰজিছে। চোৱা মোৰ দেহাটো। লোভ বাৰু নালাগিবনে সিহঁতৰ।"

আন এজনীয়ে ক'লে, "চাম বোৰ আহিছে যুঁজিবলৈ, লুটিবলৈ। শুনা নাই, আগতেও বোলে এনেদৰে চামবোৰ অহম দেৱতাৰ দৰে বতাহৰ গতিৰে আহি আমাৰ ওপৰেদি ধুমুহা বোৱাই নিয়ে। আমাৰ আগৰ কেবাটাও ৰজাক বোলে ইহঁতে বন্দী কৰি লৈ গৈছিল। আমাৰ বোলে বহু বয় বস্তুও লৈ গৈছিল। আমাকো লৈ যাব পাৰে।"

আন এজনীয়ে ক'লে, ' নিলেও নিয়ক তেও দেও হেন অহম দেৱতাৰূপী চাম দেশ চাবলৈ পাম। তেওঁলোকৰ লগত খাবলৈ শুবলৈ পাম। হ'ব দে, ঐ-চা সৌটো কেনেকুৱা ধুনীয়া মানুহটো। তাৰ গালখনতে কামুৰি দিবলৈ মন যায় অ।'

ধেৎ লেতেৰি জনী। এনেকুৱা বেয়া কথা নকবি অ'ৰ পাবি গম ইহঁত আহিছেহে, কি বা কৰে। দেওৰ কোনো আস নাই বুজিছা। আন এজনীয়ে সতৰ্ক কৰি দিলে।

আন এজনীয়ে ক'লে, ' যদি আমাৰ পাহাৰৰ ওপৰত থকা চুত্য ৰজা আৰু নামনিৰ মৰাণ মতক ৰজাজনে এওলোকৰ লগত সমুখ হৈ ফেপেৰি পাতি ধৰে। কি হ'ব তেতিয়া। আমি অথন্তৰে মৰিম কিজানি। আন এজনিয়ে ক'লে, 'এৰা অ' আমাৰ দেশখন লোকৰ হাতত এৰি দিব নোৱাৰি দেই। এইবোৰেই গোজেই গোজালি হ'ব এদিন।

আন এজনীয়ে ক'লে, ' বাদ দে এইবোৰ' সৌটো বৰ ধুনীয়া মানুহ অ'।

বত্ৰিশ

ছ্যুকাফাৰ বাবে সুন্দৰকৈ হলুং বনোৱা হ'ল। মানুহবোৰৰ বাবেও প্ৰায় সাত হেজাৰ মান ঘৰ বনোৱা হ'ল। সকলো চাংঘৰ। সৰু সৰু চুবুৰী, গাওঁ, সৰু সৰু পাচজনবৈ শুব পৰা ডেকা যুদ্ধাৰু সকলক থাকিব পৰা চাংঘৰ নতুনকৈ উঠা ডেকাবোৰে ৰাতি কটাবলৈ ডেকাচাং, গাভৰুবোৰ কটাবলৈ গাভৰু চাং, বয়সীয়াল সকলে ধৰ্ম কৰিবলৈ দুই মূৰে তুপ লগোৱা, ওপৰলৈ তিনি চাৰি তৰপৰ চালি লগোৱা দেখনিয়াৰ ঘৰ, আহল বহল মুকলি হাকলি ঠাই লগা ঘৰ, এমূৰত ন খলপীয়া সৰু সৰু কাঠৰ চাং আৰু একেবাৰে ওপৰত তেওঁলোকৰ পাখি লগা সাপ আকৃতিৰ জিভা মেলা সৰ্প ঘোঁৰা কাচ সিংহ মূৰ্ত্তি, মাজত এশ এটা ফেৰেঙনি থকা গছা নিৰ্মাণ কৰিলে।

সাতদিন মানতেই সকলো প্ৰস্তুতি হ'ল। নগৰো নিৰ্মাণ হৈ পৰিল। ছ্যুকাফাৰ হলুঙৰ চাৰিওফালে মাটিৰ গড় আৰু খাৱৈ। এডোখৰ ভাল আঠালেটিয়া মাটি দেখি তাতেই ইটাও পুৰিলে। ম্যুং ৰুঙৰ ৰা অহাৰ পিছত ইটা মৰা নাই। দুবছৰ হ'ল। ইটা কিছু পুৰিলে। মিহি, গেৰুৱা কং। বৰ ভাল হৈছে ইটাবোৰ, একেবাৰে ম্যুং মাওৰ ইটাৰ দৰেই হৈছে। ৰঙা ইটাৰ দ্বাৰা কেবাটাও পকী নাদ প্ৰস্তুত কৰিলে। চুত্যা ৰজাই মৰা ইটাবোৰ কিছু ডাঠ। চামবোৰৰ ইটা বেচি ৰঙা আৰু পাতল।

স্থানীয় বাসিন্দাৰ বাবেও তাই সকলে নগৰৰ আশে পাশে থকা গাঁৱত প্ৰথমেই বিশ ত্ৰিশটামান ইটাৰে বেৰা পকী নাদ বনাই দিলে। সেয়েই নহয় নাদবোৰৰ ওপৰতো ইটাৰে গাঠি দুই এটা সৰু ঘৰ বনাই দিলে। কিছুমান নাদ অৱশ্যে খোলা হৈ থাকিল। কিছুমান খেৰ জেঙৌ পাত আদিৰে ঘৰ বনাই দিয়া হ'ল।

ৰাজধানীত এনে তিনিটামান নাদ বনাই নাদৰ ওখ পকীঘৰ বনোৱা হ'ল। তাই সকলে বিশ্বাস কৰে, নাদত নাদৰ দেৱতা থাকে। নাদৰ দেৱতাক মুকলি আকাশৰ তলত ৰাখিব নাপায়। ঢাকি ৰাখিব লাগে চালদি। নাদবোৰো একোটা ভগৱানৰেই দেৱতাৰ পূজা ঘৰ। ৰজাৰ এনে এক পকী নাদ লওতে ছ্যুকাফাই এটা পূজাও পাতিলে।

তিপামৰ মানুহ বিলাকৰ বাবেও ধৰ্ম কৰিবলৈ পূজা পাটল কৰিবলৈ একোটা একোটা ওখ আহল বহল দুই তুপীয়া ঘৰ বনাই দিয়া হ'ল। ছ্যুকাফাৰ ঘৰ বনোৱা পাৰ্গত

মানুহে স্থানীয় সকলক ঘৰ বনাবলৈ শিকাই নিৰ্দ্দেশ দি এনে ঘৰ বনাই দিলে। মানুহবোৰক শিকাই দিলে যে এনে ধৰ্ম কৰা ঘৰত মুধচেদিহে সোমাব লাগে। আৰু এটা মুধচত কেনেদৰে মাটিৰ বা কাঠৰ ঢাপ কৰি কেবাখলপ কৰি থাপনা বনাব লাগে শিকালে। স্থানীয় বাসিন্দা সকলেও পূৰ্বতে দেওঘৰ বনাই ছি ল যদিও তাই বা চাম সকলৰ দৰে ইমান ৰাজকীয় আটক ধুনীয়াকৈ সজাব নাজানিছিল। ঘৰৰ ভিতৰলৈ সোমোৱাৰো নিয়ম নিবন্ধ নাছিল। অৱশ্যে তেওঁলোকৰো নিয়মবোৰ বৰ শৃংখলাবদ্ধ, প্ৰায় নাম কিউৰ পাৰৰ মানুহৰ দৰেই।

এমাহৰ ভিতৰতে নগৰ গঢ়ি উঠিল ছ্যুকাফাৰ। তিপামৰ বাসিন্দা সকলোৱে আহি ছ্যুকাফাক তেওঁলোকৰ ৰজা হিচাবে মানি লৈ সেৱা কৰি যেয়ে যি পাৰে উপহাৰ দিলেহি। সকলোৱেই ছ্যুকাফাৰ ব্যৱহাৰ আচৰণ মৰম দেখি তেওঁ প্ৰতি অভিভূত হ'ল। তেওঁলোকে এনে দেওহেন ৰজাৰ প্ৰতি অতি নিষ্ঠাবান প্ৰজা হৈ পৰিল। কিন্তু বহুজন ডেকা বিষয়াই ছ্যুকাফাৰ দলৰ মানুহক সন্দেহৰ চকুৰে চাবলৈ ধৰিলে, মনবোৰ সুখী নহৈছিল।

দূৰৰ পৰাই জিলিকি থকা দেখে ছ্যুকাফাৰ ৰাজপ্ৰসাদ। কি আছিলে ঠাইখন। হাবি জংঘলেৰে ভৰা, শিয়াল বান্দৰ, হেপা, ভালুক বনৰীয়া গাহৰি, মহ আদি পিতপিতাই ফুৰিছিল এই হাবিখনত। দেওঁহেন মানুহবোৰে আহি হাবি মোকলাই নগৰ বনালে। দ দ মাটিবোৰত বোকা পানী লেটিয়াই খেতি কৰিলে। নতুন নতুন গছ ৰূলে। ৰঙা ৰঙা টেঙা বগৰী গছ, শুং লগা দুমুৰে জোঙা মাজৰ টান গুটি লগা বগৰী। প্ৰথমটো তেওঁলোকে অনা নৰা বগৰী। এৰা এইবোৰ চামসকলে নৰাৰ দেশৰ পৰা আনিছে। আগতে চাম লুং ফাৰ মানুহৰ লগত গৈ তেওঁলোকৰো দুই একে এনে বগৰি ম্যুং কঙ নৰা দেশত দেখিছিল, খাইও পাইছিল। সেয়ে নাম দিলে নৰা বগৰী। পাচৰ বোৰ নাম দিলে অহম বগৰী। তেওঁলোকৰ অহম দেও সকলো অনা বগৰী। খাই চালে। মিঠা। খুজি আনি নিজৰ ঘৰতো ৰুলে।

দিওৰা , দিমা ফিচা মৰান মতক সকলে দেখিলে চাম মানুহবোৰে বৰ সুন্দৰকৈ বাৰী পাতিছে। ঘৰটোৰ চৌদিশে বাঁহ ফালি ফালি জেউৰা মাৰিছে। তদুপৰি মাটি খান্দি মাটিৰ ঢাপ মাৰিছে। মাটিৰ ঢাপতে মাৰিছে জেউৰা। জেউৰা গোঠাও নিয়ম বেলেগ। এওঁলোক আগতে কেতিয়াও দেখা নাছিল এনে জেউৰা। অৱশ্যে দুই এক চাম লুং ফাৰ মানুহ আৰু খুন ছেং ফাৰ মানুহে এনে ধৰণৰ জেউৰা মাৰিছিল। কোনেও মন কৰা নাছিল। কৰবাত এখন দুখন। এতিয়া দেখুন হেজাৰ হেজাৰ খন এনে জেউৰা গঢ়ি উঠিল। জেউৰাৰ ভিতৰত না না লাগতিয়াল গছ। হাবিৰ পৰাই উঘালি আনি ৰুই লৈছে

এওঁলোকে, মাখিলতি, দীঘলতি, মেছাকি, মেজেঙা, কৌপাত, তৰা, জেঙৌ গছ, বাঁহ গছ, তংলতি, জেতুকা, বৰহমথুৰি,লেতেকু, অমৰা, উৰিয়াম, নাহৰ আদি। তেওঁলোকেতো কাহানিও ৰুৱা নাছিল এই গছবোৰ। আছে আছে, হাবিতেই আছে, থাকক। প্ৰয়োজন হলে আনিছিল। কিন্তু কি মানুহ চামবোৰ এইবোৰকে আনি এওঁলোকে নিজৰ ঘৰৰ চাৰিওফালে ৰুইছে। তেওঁলোকে নিজৰ ঘৰৰ চাৰিওফালে ৰুইছে। তেওঁলোকে এইবোৰক বোলে 'চুন'। চুন বোৰ ইমান সুন্দৰকৈ দেখনিয়াৰকৈ মানুহবোৰে বনাইছে। তেওঁলোকে দেখিলে চামবোৰে সৰু সৰু টিলাৰ হাবি নাকাটে আৰু তাত পূজা কৰে।

ছ্যুকাফাই দেখিলে ঠাইখন উত্তম। ইয়াতেই পাতিব লাগিব স্থায়ীকৈ ৰাজধানীখন-ছেতাই, ছে চাম, ছে ম্যুং। এই ৰাজধানীতেই ছে মুন পাতিব পাৰি।

কাই মুন পাত অৰ্থাৎ স্থায়ী ভাবে বিমুন পাতৰে আহি ছ্যুকাফাক আগতে তুলি থোৱা কৰ ভাৰ দিলেহি। ছ্যুকাফাই বাই মুন পাতক পূৰ্বৰ নিয়মমতেই মৰান আৰু তিমিছা বা দিমা ফিচা ৰাজ্যৰ ৰাজ্যৰ পৰা কৰ তুলিবলৈকে নিয়োগ কৰিলে। বিমুন পাতৰে মৰান ৰাজ্যৰ নামজিন বুঢ়ী দিহিং নদীৰ পৰা দিচাং নদীলৈকে আৰু চক্ৰাইৰ পৰা ব্ৰহ্মপুত্ৰলৈকে কৰ তুলিবলৈ ঘুৰি ফুৰাৰ অভিজ্ঞতা আছিল। তেওঁ বুঢ়ী দিহিঙে নাৱেঁৰে ভটিয়াই গৈ ব্ৰহ্মপুত্ৰইদি ভটিয়াই গৈও দিচাঙেদি নাও বাই গৈছে। আকৌ আনহাতে বুঢ়ী দিহিঙে ভটিয়াই মাটিৰে নামি গৈ চক্ৰাই আৰু দিচাঙৰ পাৰে পাৰে ঘোঁৰাৰেও ঘুৰি মৰানৰ কৰ তুলিছেগৈ। অৱশ্যে মৰান ৰজাই তেওঁক এই কৰ তুলিবলৈ অনুমতি দিব লগা হৈছিল, কিয়নো মৰান ৰজাও সেই সময়ত বহু শক্তিশালী আছিল আৰু মৰান সকলো যথেষ্ঠ শক্তিশালী আৰু উন্নতিশীল লোক আছিল। বিমুন পাতৰে বা বাই মুন পাতে জানে মৰান ৰাজ্যৰ কথা। তদুপৰি তেওঁ দিমা ফিচা ৰাজ্যৰ তিমিছা সকলৰ পৰা কৰ তুলিবলৈও দিখৌ নদীৰ পৰা দিমা নদীলৈকেও ঘুৰা অভিজ্ঞতা আছে। তদুপৰি তেওঁ দিমা ফিচা বা দিমাছা ভাষাও শিকি লৈছিল, সলসলিয়াকৈ ক'বও পাৰিছিল। আনকি বাই মুনৰ লগত থকা আটাইকিজন পালি পহৰীয়া তাই আৰু অনান্য লোকেও দিমাছা ভাষা কবলৈ সমৰ্থ হৈছিল। তেওঁলোকে দিওৰা মৰান ভাষাও জানে। লগতে সংকিত ভাষাও কৰ পাৰে।

ছ্যুকাফাই বিমুন পাটৰ যাক বিমুন মটক বুলি জনা হৈছিল তেওঁকেই নিজৰ বিমুন বা মিমুন পাটৰ বিষয় দিলে। পাচলৈ চাও থুম লুং কান ঙনে মটকৰ অন্য দলপতিক লান মাক খ্ৰু বাব দিছিল।

এই তথ্যবোৰ বিমুন পাতৰ আৰু খুন ছেং ফাই ছ্যুকাফাক দিলে। ছ্যুকাফাৰ অভিজ্ঞতা বাঢ়িল। তি পামৰ চাৰিওফালে ঠাই সমূহৰ বিষয়ে তেওঁ বহু কথাৰ সম্ভেদ

পালে। ছ্যুকাফাৰ লগত অহা তাই মানুহবোৰে সকলোৰে তিপামৰ কাষেৰে বৈ যোৱা দিওৰা দিমা ফিচা সকলে কোৱা দিহিঙক নাম জিন বুলি কবলৈ ধৰিলে। দৈ লাও খনক নাম তি লাও বুলি ক'ব ধৰিলে। তিপামত দেখা পোৱা বাও মুন বোলা ব্ৰাহ্মণ কেইজনমানক দেখি পুম না চাই অৰ্থাৎ ৰচী পিন্ধা জ্ঞান থকা মানুহ বুলিব ধৰিলে। লগতে তেওঁলোকে দিওৰা সকলক তিওৰা চাও ত্যা বা চুত্যা আৰু দিমা ফিচা বা দিমাছা সকলক তিমিছা, পুম না সকলে কোৱা থানগিৰি বা দিমাক নাম তিমা কবলৈ ধৰিলে। ছ্যুকাফাৰ মানুহবোৰে গম পালে যে দিওৰা আৰু দিমাছা বেলেগ জাতৰ হ'লে প্ৰায় একে জাতৰেই মানুহ যেন লাগে। তেওঁলোকৰ ভাষা আৰু চিন্ত্ৰ চৰ্চা খেতি বাতি নিয়ম নীতি দেও সকলো প্ৰায় একে ধৰণৰ। মাথো তেওঁলোকৰ ৰজা বেলেগ বেলেগ। মৰান সকলৰ ভাষা দয় কাও ৰং নামকিউৰ ওপৰৰ কং চিংফ' সকলৰ নিচিনা আৰু দুই এক তাই ভাষাৰ কথাও মিলে। আৰু লগতে দিমাছা সকলৰ নিচিনাও মিল পোৱা যায়। এবছৰৰ ভিতৰতে ছ্যুকাফাৰ মানুহবোৰে স্থানীয় এই মানুহবোৰৰ ভাষা অলপ অলপ শিকি পেলালে। মানুহবোৰৰ লগত অলপ অলপ ভাব বিনিময় কৰিব পৰা হ'ল। দুই এক দিওৰা দিমাছা পৰিয়ালৰ লগত ছ্যুকাফাৰ তাই লোক সকলৰ দুই একে বিয়াও কৰালে। এই সুত্ৰত তাই গাওঁৰ মাজত এঘৰ দুঘৰকৈ থকা দিওৰা দিমাছা লোকৰ মানুহেও তাই ভাষা বেছি সোনকালে শিকিলে। কিছুমানে ছ্যুকাফাৰ মানুহৰ দৰেই ছেংফা, কাম ফা, ব্লক, কামতং, বান কান চেংলৌ আদি নামো লব ধৰিলে। তাই মানুহৰ পোচাক ভাল পায় সেইবোৰো পিন্ধিবলৈ ললে। আৰু বিশেষত তাই বিলাকৰ লগত খেতি খোলা কৰি পানী বোকাৰে লেটিয়াই শালী ধানৰ খেতি কৰিবলৈ শিকিলে।

ছ্যুকাফা আৰু ছ্যুকাফাৰ তাই বা শ্যাম মানুহবোৰে দিওৰা সকলৰ মাজত পিচাচি আৰু পিচা দেমা পূজা কৰা দেখিলে। পিচাচিয়ে বোলে কেচাই কেচাই মাংস খায়। পিচাদেমা হাবিৰ পোচাক পিন্ধা বলিয়া দেও। পিচাচি তাই সকলৰ আই মে নাং দেৱীৰ নিচিনা আৰু পিচাদেমা তাই সকলৰ ফী লাং কুৰিৰ নিচিনা লাগিল ছ্যুকাফাৰ মানুহবোৰৰ। দিওৰা সকলৰ এটা ফৈদেহে বেচিকৈ পিচাচি পিচাদেমা পূজা কৰা দেখা পালে ছ্যুকাফাই। সেয়ে এই পূজাৰী দিওৰা ফৈদটোক ছ্যুকাফাৰ তাই মানুহবোৰে খা ফী বুলি কব ধৰিলে। খা ফী অৰ্থাৎ দেওৰ পূজাৰী বা দেৱতাৰ বহতীয়া। ছ্যুকাফাই দেখিলে যে পুম না চাই বাও মুনবিলাকে খা ফী দিওৰা বা তিওৰা সকলক দেউৰা বা দেউৰী বুলি কয় কিয়নো ব্ৰাহ্মন সকলে সংস্কৃতত দেৱতাৰ শব্দটো ব্যৱহাৰ কঁৰোতে দেৱ বা দেউ বুলি কয়, তাতে দিউৰা সকলে নিজকে চিনাকি দিয়া দিউ শব্দটো দেউৰ লগত মিলি যায় অৰ্থাৎ হিন্দু ব্ৰাহ্মন সকলে দেউৰ উচ্ছাৰন দেউ বুলি কৈ দেউৰা ৰা দেউৰী কব ধৰিলে। তাই বিলাকে দিওৰা তিওৰা সকলৰ ৰজা ফৈদৰ মানুহক চাও তিওৰা চুত্যা বুলিও কৈছিল। তাই

ভাষাত চাও গৰাকী ৰজা, ডাঙৰ বিশিষ্ট মানুহ। সেয়ে তিওৰাৰ ৰজা বা ৰাজ পৰিয়ালক চাও তিওৰা কৈছিল। কোনো কোনো তাই মানুহৰ মুখত ৰা টো নুফুটি চাল তিওয়া বা চৌতিওয়া উচ্চাৰণ হৈছিল। দিমাছা বা দিমা ফিচা সকলক তেওঁলোকেতিমিছা বুলিহে উচ্চাৰণ কৰিব পাৰিছিল। আনহাতে চৌতিওয়া বা দিওৰা আৰু বিশেষকৈ দিমা ফিছা তিমিছা সকলে তাই বা শ্যাম মানুহবোৰক আ চাম বা হা চাম আৰু আহাম দেৱতাৰ নিচিনা বুলি কৈছিল।

এই সকলোবোৰ কথা ছ্যুকাফাই নিজেই লক্ষ্য কৰিছিল। মুঠতে ছ্যুকাফাৰ দলৰ তাই মানুহবোৰে থানগিৰি মানুহবোৰ বৰ নিৰহ নিপানী পালে।

তেত্ৰিশ

ছ্যুকাফাই নামজিন নৈৰ পাৰতে তি পামৰ তিলাময় ঠাইতে সুন্দৰকৈ ৰাজধানী সুশোভিত কৰি পূৰ্বাপৰ ম্যুং মাওৰ পৰম্পৰা মতে ৰাজ কাৰ্য শাসন প্ৰবৰ্তন কৰিবলৈ ব্যৱস্থা কৰিলে। ছ্যুকাফাই তেওঁৰ লগত অহা দলৰ থাও ম্যুং ক্লিং মাং ৰাইক ' চাও ফ্ৰং ম্যুং' (পাচলৈ বুঢ়াগোঁহাই বুলি জনাজাত) আৰু থাও ম্যুং কাং ঙনক 'চাও থাও লুং' (পাচলৈ বৰগোঁহাই বুলি জনাজাত) পদবীৰ দুই বিশেষ মন্ত্ৰী নিযুক্তি দিলে। 'চাও ফ্ৰং ম্যুং' জন দেশৰ ৰাজসভাৰ মূখ্য বা প্ৰধান মন্ত্ৰীজন আৰু 'চাও থাও লুং' হ'ল তাৰ পাচৰ দ্বিতীয় জনা মন্ত্ৰী, প্ৰায় উপ প্ৰধান মন্ত্ৰীৰ নিচিনা বাব।

লগতে পূৰ্বৰ পৰা উচ্ছ খাপৰ বিষয়াৰ দৰে থকা চাও খুন ছেং ফাকো 'বিমুন পাতৰ' বাব দি তি পামৰ এটা সৰু অঞ্চল কেইখনমান স্থানীয় গাওঁৰ মুৰব্বী পাতি 'বু বান না' অৰ্থাৎ গাওঁ পথাৰৰ মুৰব্বী পাতি দিলে। ই এক প্ৰকাৰৰ ফু কিন ম্যুঙৰ দৰেই। কিন্তু তেওঁ 'ফু কিন স্ম্যুং' বা এক ডাঙৰ অঞ্চলৰ তদাৰক কৰোতা নকৰি কেইখনমান গাওঁ পথাৰ সামৰি ত াৰ এটা সৰু অঞ্চল তদাৰকৰ বাবে দিয়া বাবে তেওঁক 'ফু কিন বান না' বুলিও কৈছিল। বিমুন পাতৰক লগতে পূৰ্বৰ কৰ তোলা বিষয়া কৰি নিয়োগ কৰিলে। সেইদৰে প্ৰতি গাঁৱে গাঁৱে তাই, তিওৰা, খা ফী দেউৰা, তিমিছা, মৰান সকলোৰে নিজা নিজা গাঁৱত গাঁৱে প্ৰতি জনা বুজা বা গাঁৱৰ মাননীয় ব্যক্তিজনক থাও বান চাও বান অৰ্থাৎ গাওঁবুঢ়া পাতিলে। গাঁৱৰ প্ৰতিজন কৰ্মঠ আৰু ওঠৰ বছৰৰ ওপৰৰ মানুহক প্ৰাই বা পাই হিচাবে নিযুক্তি দিলে। প্ৰতিজন 'পাই' ইজনে সিজনৰ 'ক' অৰ্থাৎ বন্ধু। সেয়ে তেওঁলোকক একেলগে পাই ক বুলিও কোৱা হ'ল। এইদৰে শজনৰ ওপৰত বু পাক, অৰ্থাৎ শৰ গৰাকী শ গিৰিয়া বা শইকীয়া। বহুতে শৰ গৰাকীক শ গিৰিয়া উচ্চাৰণ কৰিব

নোৱাৰি শইকীয়া বুলি ক'ব ধৰিলে। হাজাৰৰ ওপৰৰ জনক 'বু ৰিং' অৰ্থাৎ হাজাৰৰ মূৰব্বী বা হাজাৰ গিৰিয়া। লাহে লাহে শইকীয়া উচ্চাৰণ হোৱাৰ দৰে হাজাৰিকিয়া বা লাহে লাহে হাজৰিকা হ'লগৈ। এইদৰে ছ্যুকাফাই গৰু মহ ৰখীয়া 'চাও হু খ্ৰাই; পেত হান, আদি কুকুৰা, হাঁহ, পাৰ আদি ৰখীয়া, দেও হাবি 'থুন ছেং' দয় ছেং বা দেও পৰ্বত ৰখীয়া আদি না না স্থানীয় লোককো বিভিন্ন বাবত নিয়োগ কৰিলে। গাঁৱৰ বু বান বা চাওবান বা থাওবানৰ অধীনত গাঁৱৰ খা খবৰ যোগোৱা ঘোষনা কৰা কুন বা ৰিক আদি জাতীয় সৰু পদবীবোৰ সৃষ্টি কৰিলে।

প্ৰায় দেৰটা পি লাকনি পাৰ হ'ল। ছ্যুকাফাৰ দলত অহা এজন অতি বয়সস্থ লোক কান খ্ৰু ছেং বেয়াকৈ নৰীয়াত পৰিল। কান খ্ৰু ছেঙে ছ্যুকাফা তি পামলৈ অহাৰ পূৰ্বেই বোলে এবাৰ অকলেই তিপামৰো বহু ভটিয়াই গৈ ম্যুং কামৃতা পাইছিলগৈ। তেওঁৰ লগত আৰু দহজনমান মানুহ লগত আছিল। তেওঁ ম্যুং মাওৰ পৰা পাট কাপোৰ, ম্যুং কঙৰ জাং ফাই, মূল্যবান পাথৰ লা লগোৱা বাচন আদি বেহাবলৈ গৈছিল। কমতাৰ সিপাৰৰ পৰা অন্য বেপাৰীক বস্তু দি তিপামেদি ম্যুং কং হৈ ম্যুং মাও লুঙলৈ ঘুৰি গৈছিল। তেওঁৰ এনে অভিজ্ঞতা থকা বাবেই ছ্যুকাফাৰ লগত আহিছিল, সহায় কৰিবলৈ, পথ দেখাবলৈ। যিমানখিনি পাৰে তেওঁ বুজাই দিলে ছ্যুকাফাক।

কিন্তু হথাৎ অঘটনটো ঘটি গ'ল। কান খ্ৰু ছেঙৰ জীৱ হেৰাই গ'ল। অলপ মাত্ৰ নৰীয়া হৈছিল। পুৱা বেলাতে বিচনাত পৰিল। ছ্যুকাফালৈ শুভকামনা জনাই আবেলি পৰত তেওঁ মৃত্য হ'ল। এনে এজন অভিজ্ঞ বয়োজেষ্ঠ পণ্ডিত তুল্য মানুহৰ মৃত্যুত ছ্যুকাফাই নহয়, সকলো মানুহে আঘাট পালে।

তিপামৰ সকলো তাই মানুহেই মনত বৰ আঘাট পালে। কান খ্ৰু ছেঙৰ শৱটো মৃতকৰ মুখত পইছা দিয়া, হালধীৰে গা ধোওৱা, নতুন কাপোৰ ওলোটাকৈ পিন্ধোৱা, সকলো নিয়ম কৰি মাই খুম ফাত অৰ্থাৎ উৰিয়াম কাঠেৰে কাৰেং বুং দাম বাকচ বনাই মৃতকক ভৰাই টিলা এটাত তিনি হাতমান দ গাত এটা খান্দি তলখন লঠিয়া শিলেৰে সাজি কাষতো শিল দি পাচত ইটাৰে গাঠি মাজত কাৰেং বুং দামটো ৰখা হ'ল। মৃতক বিধিৰ সকলো খিনি নিয়ম মলিক ম'লাই সকলে পালন কৰিলে। শৱ যাত্ৰা কৰোঁতে সকলো বিধৰ কং ঢোল বজাই যাত্ৰা কৰা হৈছিল।

সকলো মানুহে মিলি গাতটোৰ ওপৰত ইটাৰে সৰু দুচলীয়া ঘৰ এটি বনাই তাৰ ওপৰত মাটিৰে ওপৰলৈ জোঙাকৈ টিপ এটা তুলি দিয়া হ'ল। মৰা শৰটোৰ বুং দামৰ কাষত মৃতক দামৰ বাবে শৰাই, তামোল পান থোৱা বটা, পিন্ধা কাপোৰ কানি, কুমলীয়া তামোল পান, লোটা ঘটি বাতি বহুবোৰ বস্তু দিয়া হ'ল।

কান খ্রু ছেঙৰ মৈ দামৰ চাৰিওফালে আঠকোণীয়াকৈ গোটা শিলৰ খুটা পুতি দিয়া হ'ল আৰু আঠ কোণীয়াকৈ শিলৰ এখন বেৰ ঘুৰাই মেৰাই লগোৱা হ'ল। মৈ দামৰ বুং দামৰ লগত এখন তামৰ ফলিত লিখি দিয়া হ'ল 'কান খ্রু ছেং নামৰ অভিজ্ঞ বয়োজেষ্ঠ মানুহ এজন ঢুকালে।'

প্ৰায় সাত দিনমানলৈ ছ্যুকাফা আৰু তেওঁৰ দলৰ কোনো মানুহে ৰং কৰিব নোৱাৰে। মলিকে ৰজাঘৰীয়া বুৰঞ্জীত এই ঘটনা লিপিবদ্ধ কৰিলে।

ফুচেঙে তিপামৰ পৰাই ম্যুং মাওলৈ ঘুৰি গ'ল। ফুচেঙৰ লগত আৰু চাৰিজন ডেকা গ'ল। সিহঁতৰ বয়স সোতৰ বছৰ মান হ'ব। যাওতে ছ্যুকাফাৰ অনুমতি লোৱা নাই যদিও থাও ম্যুং এজনৰ অনুমতি লৈছিল।

ৰাতি শোৱাৰ বাহিৰে দিনটো ফুচেংহঁতে খোজকাঢ়িছিল। এনেদৰে পোন্ধৰ দিনৰ মূৰত ম্যুং মাও পালেগৈ। ৰাতিয়েই ফুচেঙে নাং আমৰ গাওঁ পালেগৈ। ফুচেং আচৰিত হ'ল। নাং আম তেতিয়াও বিয়া নোহোৱাকৈ তালৈকে বাট চাই আছিল। দুয়োৰে মনত আনন্দৰে নধৰা হ'ল।

সাতদিনমান থাকি ফুচেঙৰ ঘৰলৈ নাং আমক চকলং কৰি নিলে। এমাহ ম্যুং মাওত থাকি ডেকা কিজনৰ সৈতে নাং আমক লৈ তিপামলৈ ঘুৰি আহিল। অৱশ্যে আৰু দুটা ডেকাইও দুজনী ছোৱালী বিয়া কৰালে। তেওঁলোকৰ লগত ম্যুং মাওৰ আৰু দহজন ডেকা তিপামলৈ আহিল। ফুচেঙে গম পালে ইতিমধ্যে ছ্যুখান ফাই বহু ৰাজ্য জয় কৰি ম্যুং মাওঁৰ সীমা বহলালে। খে সকলেও মাও ৰাজলৈ ভয় খাইছে।

পয়ত্ৰিশ

জাৰ কালি যথেষ্ঠ থাণ্ডা পৰিছিল। জাৰৰ ঠেঁটুৰৈ ধৰা অৱস্থাত দাৱনী বিলাকে ধানেই দাবলৈ মন নকৰিছিল। তথাপিতো ধান ছপাবই লাগিব। ধানেই মূল ধন। ধানেই তাই সকলৰ জীৱন।

তাতে এইবাৰ অতি সুন্দৰ ধান হৈছে পথাৰত। গোটেই পথাৰবোৰ ধানেৰে ভৰপুৰ। পথাৰৰ মাজে মাজে ওখ ঠাই বোৰত গাওঁ। বান ৰাই, বান তাই, বান লাই, বান প্লেং, বান কাই, বান ৰাং কপ, বান তৌ, বান তাও, বান নাম চাই, বান নং, বান দয়, বান মাই, বান চে মুন, বান না, বান খেক, বান লা লিং, বান ম বান মৰান, বান খা ফী আদি বহুবোৰ গাওঁ ওখ ওখ ঠাইবোৰত ধাননিৰ মাজে মাজে জিলিকি আছে। সোণালী ধাননি, সেউজীয়া গছ গছনিৰে ভৰা গাওঁবোৰ।

ছ্যুকাফাই ওখ বহল টিলাটোত থকা হলুওৰ পৰা বাহিৰলৈ ওলাই আহিল। গাত দীঘল চাপকনটো পিন্ধি বুকু ফলা ভৰিৰ গাঠিলৈকে পৰা ৰং কৰা ডাঠ দুভাজ কৰি চিলোৱা এৰিয়া কাপোৰৰ চোলাটো পিন্ধি কান্ধত চাদৰ এখন লৈ মিচাওলৈ ওলাই আহিল। গড়ৰ ওপৰেদিও দেখা পালে সোণৰ নিচিনা জিলিকি আছে পকা ধানৰ পথাৰবোৰ। মাজে মাজে কজলা, ডাঠ ৰঙা, কলা, কলা ৰঙা, ধোৱা বৰণীয়া, পখৰা পাখৰি ধান গুটিৰ সোণালী পকা পাত নৰা ঠাৰিবোৰ। দূৰত জিলিকিছে পূবাৰ বেলিৰ কোমল ৰ'দত ওখোৰা-মোখোৰা ৰেখাৰে নীলাভ দয় কাও ৰং। তাৰ সিফালেই ম্যুং কং ম্যুং মাও। ছ্যুকাফাৰ পিতৃ দেশ। মাজে মাজে ৰঙা বগা ফুলেৰে সুশোভিত না না ৰঙী পাতৰ গছবোৰ ডাঠ হাবিবোৰ। শুকান খেৰৰ, শেঁতা সোণ বৰণীয়া জেঙৌ পাতৰ ঘৰৰ চালবোৰ সকলো মিলি কঁপাহৰ দৰে ডাৱৰ উৰি থকা পাতল নীলা আকাশ আৰু হেজাৰ হেজাৰকৈ জাক পাতি উৰি যোৱা বিধে বিধে চৰাইবোৰে ছ্যুকাফাৰ মনত এক অনিন্দ্য সুন্দৰ প্ৰাকৃতিক দৃশ্যৰ স্পন্দন সৃষ্টি কৰিলে। অস্ফুট স্বৰেৰে ছ্যুকাফাৰ মুখৰ পৰা ওলাই আহিল 'ম্যুং দুন চুন খাম' সোণালী বাগিছাৰ দেশ। এই ম্যুং পাকাম এতিয়া ম্যুং দুন চুন খাম। এই দেশ বৰ ডাঙৰ দেশ ম্যুং লুং। ছ্যুকাফাৰ সৰ্বশৰীৰ শিঁহৰিত হৈ উঠিল- ম্যুংদুন চুন খাম এই দেশৰ ৰাজধানী ম্যুং তি পাম ছে তিপাম ছে মুন জয় কৰা দেশ জয় পুত্ জয়পুৰ।

"কি ভাবিছে ফ্ৰা চাও চাও ফা?"

চাও ফা চাও লুং ছ্যুকাফা চক খাই উঠিল।

"হু, অ মে নাং ফা, ম্যুং দুন চুন খাম।" ছ্যুকাফাই উত্তৰ দিলে।

"সেয়া কি মই কথাটো তং কৰিব পৰা নাই।" বৰৰাণীয়ে ক'লে।

"সোণালী বাগিছাৰ দেশ। বুজিছা, সোনালী ধাননীৰে এইখন বাগিছা সদৃশ দেশ, আমাৰ ম্যুং তাই ম্যুং লুং ম্যুং তাই। বৰ দেশ তাই দেশ। সৌৱা যেন আকাশৰ ওপৰেদি বগা ডাৱৰৰূপী ঙাও ছেং ঙু ছেং ঙাও ছেং বং ফ্ৰা উৰি গৈছে। ওপৰৰ পৰা গেৰুৱা বৰণৰ মাচৰ বাকলিৰ নিচিনা পাখি আৰু দেহেৰে আমাৰ ম্যুং দুন চুন খাম নতুন দেশ খনলৈ আৰ্শীবাদহে দিছে।

দিনটোৰ ভিতৰতে ম'লিক মলাই থাও ম্যুং সকলক দেশখনৰ নামকৰণৰ বিষয়ে জনোৱা হ'ল। আলোচনা বিলোচনা আৰু ম লুং পণ্ডিত সকলে বান ছেং চাই নতুন নামটো উত্তম বুলিয়েই জনালে। আৰু এই নামটো মংগলজনক নাম বুলিয়েই গ্ৰহণ কৰা হ'ল।

মলিকে ৰাজবুৰঞ্জীৰ এখিলা পাত লিখি থ'লে, 'ছুৱ ম্যুং নাই ম্যুং দুন চুন খাম। ম্যুং তাই চাম ৰা ম্যুং দুন চুন খাম।

ধানবোৰ দাই অনা হ'ল। দাৱনীয়ে ঠেঁটুৰে ধৰা জাৰকো কৰ্ণপাত নকৰি ধানবোৰ চপালে। প্ৰতিখন গাঁৱৰ ভৰাঁলবোৰ ঠাহ্ খাই পৰিল। প্ৰতি ঘৰে খ্বন খাও ধানৰ আত্মা নীতি নিয়মেৰে ছপাই আনিলে। প্ৰতিঘৰে ভৰাঁলৰ কাষত ৰঙা কুকুৰা বলি দি খাও প্যোং মাক মু দি খ্বন খাওক আদৰি ধানৰ ভৰাঁল জী খাওত থলে।

পুৰ্নিমাৰ ৰাতি। ফটফটীয়া জোনাক। ৰাস্তাঘাট শুকান। নৈ খাল বিল বোৰ প্ৰায় শুকালে। বাৰিষা ফেনে ফুটুকাৰে বাঢ়ি অহা নৈ বোৰ শুকাই খাবলৈ নোপোৱা মানুহৰ পেটটোৰ দৰে হ'ল। পথাৰৰ কাষত থকা নৈৰ পাৰ বিলাক কোমল ঘাঁহেৰে ভৰি পৰিছে। নৈৰ কাষত থকা চৰাই চিৰিকতিৰ বাঁহবোৰত চৰাইবোৰে উমনি লৈছে। না না চৰাইয়ে বিবিধ মাত মাতি জোনাক নিশা গীত জুৰিছে।

গাঁৱে গাঁৱে নিজৰ নিজৰ হ'ফী বিলাকত ধানৰ খ্বন অনা উৎসৱ উদযাপন কৰিলে। ঢোল তাল, কং লুং য়াম মং, ছেং লুং বৰ তাল আদি বজাই খাও ধানৰ আয়ুষ তুলা উৎসৱ পাতিল। জাকে জুলুকী লৈ মহিলা বোৰ আৰু ছোৱালীবোৰ, কান্ধত কলপটুৱাৰে বনোৱা দোলা লৈ ডেকাবোৰে পিঠিত ছুৰা লৈ দহ্ বাৰজনী ধুনীয়াকৈ মেখেলা চাদৰ পিন্ধা ছোৱালী দোনৰ চাউল ধানত কলডিল গুজি কৰণি কান্ধত তুলি মাটিৰ মিঠাতেলৰ চাকি জ্বলাই বিল নৈ আদি লৈ গৈ মাছমাৰি বোকা মাছ আদি প্ৰতিঘৰে আনি ভঁৰালত সযতনে চাকি বন্তি জলাই ৰাখিলে। ধানৰ খ্বন আয়ুষ হেৰাব দিব নোৱাৰি। ধানৰ দেৱতা হেৰাব লাগিলে খেতি নহব। দেশ তললৈ যাব। ধানেই দেশ।

ছেং ছুঙৰ অৰ্থাৎ ৰাজ চৌহদৰ গড়ৰ ভিতৰতেই ডাঙৰকৈ ৰিক খ্বন ম্যুং খ্বন উৎসৱৰো আয়োজন হ'ল। এই ৰিক খ্বন ম্যুং খ্বন গোটেই দেশৰ সমগ্ৰ মানুহৰ বাবেই আয়ুষ বৃদ্ধি শক্তি বৃদ্ধিৰ বাবেই ৰাজকীয় ভাৱে আয়োজন কৰা হ'ল।

ছ্যুকাফাই বিশজনমান লোকক ম্যুং কঙলৈ গৈ ম্যুং কামতা, ম্যুং মৰান, ম্যুং তিওৱা, ম্যুং তিমিছাৰ পৰা তোলা কৰৰ একাংশ দি আহিবলৈ প্ৰেৰণ কৰিলে। যোৱাবছৰো কৰ নিয়মমতে ম্যুং কঙলৈ প্ৰেৰণ কৰা হৈছিল। সেয়ে এইবছৰ ছ্যুকাফাই কৰ নিদিলে ম্যুং কং চাওফাৰ খং উঠা স্বাভাৱিক। তাতে ম্যুং কং চাওফা নয় ছান ফাই তেওঁক নতুন

ৰাজ্য গঢ়িবলৈ অহাত সহায় কৰি দিছে। ছুকাফাই কৰ পঠাই দিয়াতো একো লাজৰ কথা নহ'ব। এই কামে ছুকাফাৰ দুৰ্বলতা নুসুচায়, সবলতা, উদাৰতা বাদান্যতাহে সুচাব।

ইতিমধ্যে বিমুন পাতৰৰ লগতে বাকী দুজনো কৰ তুলি আহি তিপাম পালেহি। দিনবাৰ মলুং পণ্ডিতৰ হতুৱাই চোবাই কুৰিজন মান লোকক ম্যুং কণ্ডলৈ পঠালে। তেওঁলোক এমাহৰ ভিতৰত ঘুৰি আহি ম্যুং দুন চুন খাম পাবহি লাগিব। লগতে কাগজত পত্ৰও লেখি পঠালে যে ছুকাফা তি পামতে আছেহি। কটকীবোৰ সময়মতেই ঘুৰিও পালেহি। ম্যুং লাখেন তেন ছাৰ পৰাও ম্যুং তি পামলৈ মানুহ অহা যোৱা কৰি আছিল। প্ৰতি মাহে মাহে দুয়োখন ঠাইৰ মানুহে খা খবৰ লৈ আছিল। তিনিমাহৰ মূৰে মূৰে লখেন তেনছাৰ ফুকিন মুঙ আহি তেওঁৰ ৰজা চাওফা ছুকাফাক দেখা দি সকলো দিহা পৰামৰ্শ লৈ যায়হি। তদুপৰি প্ৰতি সাতদিনৰ মূৰে মূৰে খবৰ পঠিয়াই থাকে। লাখেন তেন ছাতো কোনো বিদ্ৰোহ হোৱা নাই। দকলো মিলিজুলি ধান খেতিৰ উপৰিও অন্য খেতিও কৰিব ধৰিলে। ফুকিন ম্যুং লাখেন তেন ছাই নাম জিনৰ পৰা আৰু কিছু উজাই গৈ কেইখনমান বান না পথাৰ আৰু গাওঁ খুলিলেগৈ। এই গাঁওবোৰো মাটি ভাঙি নিজে খুলিলেগৈ। কাকো একো অপায় অমংগল কৰা নাই। মানুহ তাকৰ হোৱাৰ বাবে ম্যুং তি পামৰো বিশ ত্ৰিশটামান পৰিয়াল গৈ নতুন বান নাত থিতাপি ল'লেগৈ। এই সকলোবোৰ কথাতে ছুকাফাৰ পৰা অনুমতি লৈছিল।

দিন চিঙত পি মাও তাই অৰ্থাৎ তাই সকলৰ পঞ্জিকামতে নতুন বছৰৰ দিন মাই ক চুং ফাই বা মাই জী ফাই আৰু পয় পি উছ উৎসৱ সকলোৱে উদযাপন কৰিলে।

ছুকাফাৰ সমানে সমানে তিনিও গৰাকী ৰাণীয়ে নতুন মানুহৰ মাজত মিলা মিছা কৰিবলৈ যত্ন কৰিলে। ৰাণী কিগৰাকী যেন সকলোৰে প্ৰিয়, আপোন।

ছয়ত্ৰিশ

বাৰিষা আহিল। ভেঁকুলী খেত লুং বোৰে তোৰ তোৰাব লাগিল। কেছু কুমতিৰ কান্দোন। উঁই চিৰিঙা বোৰ গাতৰ পৰা উলাই উৰিব ধৰিল। নুক জাং বগলী আদি চৰাই বোৰে উজানৰ মাছ খাবলৈ ধৰিলে। উজান পৰিল। মানুহবোৰ বিভিন্ন ধৰণে উজানৰ মাছ মাৰিলে।

দিওৰা (চুতীয়া) মানুহবোৰে খা ফী সকলৰ হতুৱাই পিচাচি পূজাও কৰিলে। তেওঁলোকে মহ এটাও বলি দিলে। ছুকাফাইও তিওৰা সকলৰ পিচাচি পূজাত অতিথি

হিচাবে উপস্থিত হ'লগৈ আৰু তেওঁলোকৰ বাবে এটি শকত আৰত মহো উৰ্চগা কৰিলে। ছ্যুকাফাৰ উদাৰতা আৰু আনৰ ৰীতি নীতিৰ প্ৰতি শ্ৰদ্ধা দেখি তিওৰা তিমিছা সকলে বৰ সন্তুষ্ট হ'ল। তিমিছা সকলেও বাথৌ ব্ৰাই পূজা পাতিলে। ছ্যুকাফাই তেওঁলোকৰ বাবেও ভোজৰ বাবে কেবাটাও হাঁহ কুকুৰা ভোজৰ উপহাৰ দিলে আৰু নিজেও পূজাত সেৱা কৰিলে। লগতে তিমিছা সকলৰ লগত একেলগে থলীতে ভোজো খালে। তিমিছা সকলেও ছ্যুকাফাক আহম দেও যেন ৰজা পালে। সকলো মুগ্ধ হ'ল ছ্যুকাফাৰ বাদান্যতাত।

বাৰিষা মেঘে গৰ্জিব ধৰিলে। ঝৰ ঝৰাই কলহৰ কানেৰে পানী বাগৰিব ধৰিলে। মেঘ দেৱতাৰ দেওধ্বনি উঠিল। ধাৰাষাৰ নেৰা নেপেৰা বৰষুণ। নামজিনৰ বুকু ফেনে ফুটুকাৰে বাঢ়িব ধৰিলে। ছ্যুকাফাই নিৰ্দ্দেশ দিলে নামজিনত বান্ধি থোৱা ভুঁৰবোৰ ভালকৈ মেৰামতি কৰি পাৰত বান্ধি থবলৈ। নিৰ্দ্দেশ মতেই কাম।

ইতিমধ্যে ছ্যুকাফাৰ নিৰ্দ্দেশ মতে ভাটিৰ ফালে নামজিনেদি ভটিয়াই গৈ বিভিন্ন ঠাই পৰ্যবেক্ষণ কৰি আহি মাছমৰীয়াৰ বেশেৰে যোৱা মানুহ কিজন ঘুৰি আহি ছ্যুকাফাক নতুন ঠাইৰ সম্ভেদ দিলেহি। নামজিন পাৰেহে দক্ষিন পাৰে খোজ কাঢ়ি গৈ পোন্ধৰ দিনমান ঘুৰি ঘুৰি পৰ্যবেক্ষণ কৰা মানুহৰ দল দুটাও পালেহি। তেওঁলোকেও ছ্যুকাফাক সকলো বতৰা দিলেহি।

একেৰাহে পোন্ধৰদিন বৰষুণ। দ খেতি কৰা পথাৰবোৰ বুৰি গ'ল। নামজিনৰ পাৰ বাগৰি বহুতো ঠাইত পানী সোমালে। ছ্যুকাফাৰ মানুহ বহা কেবাখনো গাওঁ পানীত বুৰি গ'ল। ঘৰৰ ভেটিত এককাল পানী। চাংখন থকাৰ বাবে কোনোমতে মানুহবোৰ বাচিল। এখন গাঁৱৰ মানুহবোৰৰ সকলো ভঁৰাল বুৰিলে। ছ্যুকাফাৰ ৰাজভঁৰালো এটা পানীৰে বুৰো বুৰো হ'ল।

ছ্যুকাফা আৰু ছ্যুকাফাৰ মানুহবোৰে বেচ ভয় খালে। ম সকলৰ লগত ছ্যুকাফাই আলোচনা কৰিলে। আলোচনাৰ সিদ্ধান্ত মতে চাও ফা ফুনৰ পূজা পাতিবলৈ প্ৰস্তুতি চলালে। মন্ত্ৰী থাও ম্যুং আদি বিশেষ বিষয়াসকলক নিমন্ত্ৰন কৰিলে। ৰাজ কাৰেঙৰ সমুখৰ ওখ টিলা এটাতে কৌপাত জেঙৌ পাতেৰে বৰষুণৰ মাজতে ঘৰ এটা বনাই কুকুৰা বলি দি চাও ফা ফুনক আৰু অধিক বৰষুন নিদি তেওঁলোকক ৰক্ষা কৰিবলৈ মলুং মহং চাংবুন ম প্লং সকলে পূজা অৰ্চণা কৰিলে। পিচৰ দিনাৰ পৰা বৰষুণ লাহে লাহে পাতলিল। অৱশ্যে পাহাৰৰ ওপৰত জমা হৈ বাগৰি অহা পানীবোৰ তেতিয়াও বাগৰি আহি ফেনেফুটুকাৰে নামজিনেদি ভটিয়াই গৈছিল।

ফুচেঙৰ লৰা এটা জন্ম হ'ল। লৰাটোৰ নাম ৰাখিলে ফু পান ছা। ফুলৰ নিচিনা ধুনীয়া লৰাটো। সেয়ে তাৰ নাম ফু পান ছা। ফুচেঙৰ লৰা জন্ম হৈ কি ফূৰ্ত্তি। নাং আমক

নোপোৱা হ'লে তাৰটো লৰায়েই নহ'ল হেঁতেন। লৰাটোৰ নাম দিলে মলিকে বান ছেং চাই। তাৰ বোলে ভাগ্যখন বৰ ভাল। সি পাচলৈ থাও ম্যুং হ'বগৈ পাৰে।

ইতিমধ্যে ছ্যুকাফাৰ দলৰ কেইজনেও নিজৰ আগৰ তাই পত্নী থকা স্বত্বেও তিওৰা, খাফী মৰাণৰ কেইবাজনীও গাভৰু বিয়া কৰালে। ফুচেঙলৈও চিংফৌ এগৰাকী আহিবলৈ লৈছিল যদিও তেওঁ নাং আমৰ বাহিৰে কাকো ভাল পাব নোৱাৰে বুলি জনাই দিলে।

সাতত্ৰিশ

বাৰিষা পাৰ হ'ল। আগতীয়াকৈ যিখিনি কঠিয়া ৰুইছিল, সেই খিনি কিছু ধান পোৱাৰ আশা থাকিল। বাকী পাচত আৰু কোনো ৰুৱা ৰুব নোৱাৰিলে। যি বিলাক ওখ ঠাইত কঠিয়া থাকিল সেইবিলাককে কিছু শেহতীয়াকৈ তুলি সকলোৰে ভগাই মেলি সামাজিক ভিত্তিত যিমান পাৰে সিমান কঠিয়া ৰুলে।

খেতি ভাল নহ'ল। তথাপি খাবৰ জোখাৰে আৰু পুনৰ খেতি কৰিবলৈ সকলো ধানেৰে সঁচ সুৰক্ষিত হ'ল। খেতি ভাল নোহোৱা। বাবে ছ্যুকাফাকে আদি কৰি সকলোৰে মনত দুখ। সকলো গাঁৱত খা খবৰ কৰিলে, প্ৰায় বিশটামান গৰু, দুটা মহ, কেইবাশও হাঁহ, কুকুৰা আৰু ত্ৰিশটামান গাহৰি হেৰাল। নামজিনৰ পাৰৰে এজন সৰু লৰাও বোলে পানীত উপণ্ডি অহা কাঠ ধৰিবলৈ যাওঁতে উপণ্ডি উটি গ'ল। মানুহে বিচাৰি ঘুৰাই আনিব নোৱাৰিলে। তিমিছা সকলৰো তিনিঘৰ মানুহ পানীত একেবাৰে উটি গ'ল।

ছ্যুকাফাই ভাবিব ধৰিলে, "নাই বা ম্যুং নাম কিপ নাম ফেং পাই প চাং প চাও", এনে বান উঠা ঠাইত ম্যুং তাই ম্যুং দুন চুন খামৰ স্থায়ী ৰাজধানীখন পতাটো উচিত নহ'ব।

ছ্যুকাফাই থাও ম্যুং ম লুং সকল আৰু অনান্য বিষয়বাব থোৱা পৰিয়ালৰ মুৰব্বী সকলক ৰাজচৰালৈ নিমন্ত্ৰণ কৰিলে। নিজ নিজ আসনত সকলো বহিল। বাঁহৰ আৰু কাঠৰ দ্বাৰা বনোৱা আহল বহল সুন্দৰকৈ সজোৱা পাতিদৈৰ ঢাৰি পাতি তাৰ ওপৰত ডাঙৰ ডাঙৰ কঁপাহী কাপোৰ পাৰি বিষয়বাব অনুসৰি নিৰ্দ্দিষ্ট স্থানত মানুহবোৰ বহিল। তামোল খাঁওকেই বা নাখাঁওক কাষে কাষে সুন্দৰকৈ বনোৱা বাঁহৰ আৰু কাঠৰ পিকবান, চৰাৰ সোমাজত সজাই থোৱা হৈছে ডাঙৰ ডাঙৰ শৰাইত না না তৰহৰ গছপাত বহুৰঙী ফুল, কাবত দুখন সৰু বঁটাত সুন্দৰকৈ জাপি থোৱা ফুলাম ফাচিত গামোছা। প্ৰতিজন

বিষয় বাব থোৱা মানুহৰ কাষে কাষে লোটা বাটি আৰু গামোছা। ছ্যুকাফা এমুৰত বহি আছে এখন সুন্দৰকৈ সজোৱা এহাতমান ওখ চাৰিহাত বহল ছয় হাত বহল কাঠৰ তামুলী পীৰা জাতীয় আসনত। পীৰাখনৰ চাৰিওকাষে চাৰিটা পাখি লগা সিংহৰ মূৰ্তি খোদাই কৰি সংযোজন কৰা হৈছে। শৰাই খনৰ তলতে এখন পাখিলগা সিংহৰ পিঠিত থকা পুথি ঠগাত সাঁচীপাতত লিখা পাক পেঞ কাকা শাস্ত্ৰ সজাই থোৱা আছে। তাৰ তলতে ঠিক তিনিখন মাটিৰ চাকি জ্বলাই থোৱা হৈছে।

ছ্যুকাফাই গুৰু গম্ভীৰ স্বৰেৰে অতি চিন্তাক্লিষ্ট হৈ ক'লে, "মোৰ মৰমৰ থাওম্যুং, থাও লুং, লান তাই ম্যুং, ফুকিন ম্যুং, খুন আৰু অনান্য বিষয়াসকল, মই দেখিছোঁ ম্যুং তিপামখন বান পানীৰে বুৰাই পেলাইছে। বেচি বৰষুণ নহলে ভালেই আছিল। কিন্তু অধিক বৰষুণ হ'লেহে বান পানী উঠি ভবিষ্যতে আমাৰ ৰাজধানীৰ বহুল ক্ষতি কৰিব পাৰে। সেয়ে আমাৰ বাবে নামজিনৰ নামনি কৰবাত স্থায়ী ৰাজধানী নগৰখন পতাই মংগল হ'ব ধাৰণা কৰিছো। বচা বচা ঠাইত আমাৰ পাচশটামান পৰিয়াল ইয়াতেই থাকক। লগতে ৰুপাক আৰু চাও বান আৰু পাই ক তথা বিভিন্ন অস্ত্ৰৰে যুদ্ধত পাৰ্গতি এশমান মানুহ ঘোঁৰা বিশটা সেইদৰে গৰু গাই মহ গাহৰি হাঁহ কুকুৰা ধান ৰাখি আমি বাকীসকলে ভটিয়াই যাওঁ। মই ভাবিছোঁ আমাৰ প্ৰধান মন্ত্ৰী থাও ম্যুং কান ঙনক ম্যুং তিপামৰ ফু কিন ম্যুং হিচাবে থৈ যাওঁ।"

চাও ফা ছ্যুকাফাৰ কথাত কোনেও আপত্তি নকৰিলে। থাও ম্যুং কান ঙনে যদিও ছ্যুকাফাৰ ৰাজসভাৰ চাও ফ্ৰং ম্যুং হিচাবে নিযুক্তি পাইছিল, সেই পদৰ পৰা আঁতৰি আহি তিপামৰ ফু কিন ম্যুং হিচাবে দায়িত্ব ললে। ছ্যুকাফা যোৱাৰ পাচতেই ছ্যুকাফাৰ বাবে বনোৱা কাৰেং টোকেই পুনৰ মেৰামতি কৰি কাষে পাজে আৰু দুই এটা ঘৰ বনাই তাতেই থাকিবলৈ অনুমতি দিয়া হ'ল।

থাও ম্যুং কান ঙনৰ পৰিয়ালবৰ্গ ম্যুং তিপামতেই থাকিল। ম্যুং তিপামৰ পৰাই দয় কাও ৰঙৰ সিপাৰৰ ম্যুং তাইৰ ফু কিন ম্যুং বোৰৰ লগত তেওঁ যোগাযোগ ৰাখিব। ছ্যুকাফাও ভাটিৰ পৰা য'তেই নাথাকক নাৱেৰে উজাই তিপামলৈ আহি থাকিব। স্থানীয় ৰজা বাসিন্দাসকলৰ লগত কান ঙনে সুসম্পৰ্ক বজাই ৰাখিবলৈ দায়িত্বও দিয়া হ'ল।

চাও ফুচেঙ আৰু আগ নাবাঢ়িল। লৰা তিৰি লৈ তিপামতে থাও ম্যুং কান ঙনৰ লগতে থাকিবলৈ অনুমতি পালে। নতুন মাটি ভাঙি ফুচেঙে বৰ ডাঙৰ বাৰী এখন বনালে। নতুন মাটি, নতুন ঘৰ, নতুন মানুহ।

আঠত্ৰিশ

দিন বাৰ চাই যোৱাৰ দিন ঠিক কৰা হ'ল। ম' সকলে বানছেং চালে। দুক কাই ছেঙৰ দ্বাৰাও মংগল চোৱা হ'ল। চাওফাৰ লগত যাব লগা মানুহ (ফু) পৰিয়াল (বৌন) বংশ (পুক) সকলোৰে নাম আৰু হিচাব লিখা হ'ল। পূৰ্ব্বৰ হিচাবত মিলাই চাই দেখিলে যে যদিও বিশজনমান মানুহৰ মৃত্যু হ'ল জন্ম হৈ বৃদ্ধি পালে তিনিহেজাৰ আৰু বাটত গোট খাই বৃদ্ধি হ'ল এহেজাৰ। গৰু গাই গাহৰি কুকুৰা মহ আৰু ঘোঁৰাও বৃদ্ধি পালে।

ভুঁৰবোৰ পুনৰ মেৰামতি কৰিলে আৰু নতুনকৈ এহেজাৰমান ভুঁৰ কাক বাঁহ আৰু কাঠেৰে নিৰ্মাণ কৰা হ'ল। ধান চাউল, হাঁহ, কুকুৰা আদি লৈ যাবলৈও অসংখ্য খাং পাচি বাকচ বাঁহ বেতেৰে মজবুতকৈ নিৰ্মাণ কৰা হ'ল। তথ্যপাতি ৰাজ ঘটনাৱলী, চিঠি পত্ৰ, হিচাপ পত্ৰ বুৰঞ্জী, না না পুথি লিখিবলৈ হাবিৰ পৰা বহুবোৰ গছৰ চাল সংগ্ৰহ কৰি কাগজ প্ৰস্তুত কৰা হ'ল আৰু আগতেই সংগ্ৰহ কৰা তুন নাম চা সাঁচী গছৰ বাকলিৰো বহু হেজাৰ পাত প্ৰস্তুত কৰা হ'ল। এই সকলো বোৰ পণ্ডিতসকলৰ লগতেই ৰখা হ'ল। ম্যুং মাও আৰু প্লেকছি দুবছৰ পাৰ হ'ল। কাতচেও পাৰ হওঁ হওঁ। খুত চিঙা আৰম্ভতে যাব লাগিব। দিন চিং আৰু দিন কা। আৰু তাৰোপৰি দিন চাম মাহৰ আধামানলৈকে ধান চপোৱা হ'ল। অৰ্থাৎ আঘোন পুহ মাঘ মাহত ধান দাই সকলোবোৰ মৰনা মাৰি জাৰি ফুকি বিভিন্ন পাচি খাঙত বন্ধা হ'ল। তদুপৰি তিনিমাহমান খাব পৰাকৈ চাউল, ভজা পীঠা(খাও নেং), সান্দহ(খাওমাও), চিৰা(খাওৰ), হুৰুম, কোমল চাউল, আদি পাচীয়ে পাচীয়ে মাটিমাহ (থ' দিন), শুকান মাচ, শুকান মাংস, শুকান ফাক কাত (লাই শাক), বগৰি গুৰি, জলকীয়া গুৰি, থেকেৰা টেঙা, সৰিয়হ, খলিহৈ, আদিবোৰ জমা কৰিলে।

মাঘ অৰ্থাৎ দিন চামত হাবিৰ পৰা খৰি কাঠ কাটি মাইজী অথাৎ কাঠৰ ভঁৰাল বনাই ফাই (জুই) লগাই অগ্নি দেৱতা ফী ফাইক প্ৰাৰ্থনা কৰিলে, অগ্নিত কুকুৰা কণী, সোণৰ মোহৰ, ভজা মাটি মাহ আদি উৰ্চগা কৰা হ'ল। স্বৰ্গৰ ল্যেংদনে ফা নু বু ল্যেংদনে গম পাবৰ বাবে ঢোল তাল বজাই নাম গাই ডেকা জীয়ৰী বোৰে নাচিলে। কুন থাও মে থাও অৰ্থাৎ বুঢ়া বুঢ়ী সকলে হ' ফীৰ ঘৰৰ ভিতৰত ফলমূল ফুল তামোল উৰ্চগা কৰি

চাউল সিজোৱা বৰা ভাত, গোটে গোটে সিজোৱা কুকুৰাৰ পাং (শৰাই) সজাই প্ৰাৰ্থনা কৰিলে। কোনো কোনোৱে তুন বুং ৰাইৰ তলতো সিজোৱা মাছ মাংস আৰু জোঙাকৈ কৌপাতেৰে বন্ধা বৰা ভাত উৰ্চগা কৰিলেগৈ।

দিন চি ফাগুন মাহ পালেহি। বান দিং বাৰে যাত্ৰা আৰম্ভ হ'ল। তিনিদিন মানৰ পৰাই বয় বস্তু বন্ধা কুন্ধা হৈ আছিল। অসংখ্য নাও ভুঁৰত বয় বস্তু গৰু মহ মানুহ দুনুহ উঠি নামজিনে ভটিয়াই গ'ল।

থাও ম্যুং কান ঙনে জয়ধ্বনি দিলে "পে অং লে চাও লুং ছ্যুকাফা। পে অং লে ম্যুং দুন চুন খাম্।" সমস্বৰে তি পামত থাকি অহা সকলে চিঞৰিলে "পে অং লে, পে অং লে"।

পণ্ডিতসকলে দীঘলীয়াকৈ প্ৰাৰ্থনা জুৰিলে, "চাও নু ৰু চাও কা ৰই। ফ্ৰা ত্ৰা আলং চিকিয়া ৰানি পান বাই মৌ চাও কা ৰই।

ছ্যুকাফাই দেখিলে তি পামৰ পৰা বহু দূৰ আহিল। ৰিনিকি ৰিনিকি দেখিছে মাত্ৰ তেওঁৰ ৰাজকাৰেংটো। দূৰত দেখিছে দয় কাও ৰং জিলিকি আছে। আকাশত কেইহাজাৰমান নুক জাং বগলী দয় কাও ৰঙৰ ফালে উৰি গৈছে। ছ্যুকাফাৰ যাত্ৰাৰ বিজয় অভিযানৰ খবৰ দিবলৈকে যেন নুক জাংবোৰ ম্যুং কং ম্যুং মাওলৈ উৰি গৈছে। ককাইদেও ছ্যুখানফা অলপতেই তুমি খবৰ পাবা তোমাৰ ভাই ছ্যুকাফাৰ।

দিহিং নামজিনৰ পানী ঢাকি ভুঁৰ নাওবোৰ ভটিয়াই গৈ থাকিল। ভুঁৰবোৰ আহি আছে। দুপৰীয়াৰ খাদ্য মানুহে ভুঁৰতেই সিজাই খালে। ৰাতিও ভুঁৰবোৰ আহি আছে। ছ্যুকাফাই বিচৰা ঠাইডোখৰ তেতিয়াও পোৱাহি নাই। পূৰ্বতে চাই যোৱা মানুহকিজনে ছ্যুকাফাক ভুঁৰৰ পৰাই দেখাইছে ঠাইবোৰ। পুৱা পুৱা এডোখৰ ঠাই পালেহি। গোটেই ৰাতি মানুহবোৰ আহি আছিল। কোনোবাই শুলেও বহুতে শুৱা নাছিল।

আহল বহল হাবিৰে ভৰা ঠাই এডোখৰ পালেহি। নামজিনৰ পাৰত ডাঙৰ ডাঙৰ কাঠৰ গছ, ইকৰাৰ্নী, খাগৰি, না না ধৰনৰ লতা, বেঁত, বনৰীয়া শাকপাতৰ গছবন দেখাৰ ভৰি আছে। পাৰৰ মুকলি মূৰীয়া ঠাই এডোখৰত ওচৰতে ভুঁৰবোৰ ৰখালে আৰু নাওঁবোৰো বান্ধিলে। ভুঁৰতে সকলো থাকিল। ছ্যুকাফাৰ নিৰ্দ্দেশত প্ৰায় পাচশজন মানুহ নামিল। হাতত বিশেষ অস্ত্ৰ নাই। মোনাত সৰু সৰু হিলৈ ভৰাই লুকুৱাই হাতত কেবল দা বোৰহে লৈ হাবিত পৰ্যবেক্ষণ কৰিবলৈ গ'ল। পাচশ মানুহৰে চাৰিটা দলত বিভক্ত হৈ হাবিৰ মাজে মাজে কেবা ফালেও গৈ ওচৰত গাঁও ভুঁই আছে নে নাই চাই ফুৰিল। সম্পূৰ্ণ এবেলা তেওঁলোকে পৰ্যবেক্ষণ কৰি আবেলি বেলিকাহে নামজিনৰ ভুঁৰ বিলাকৰ ওচৰ পালেহি।

নামজিনৰ দক্ষিন পাৰত মানুহবোৰ এডোখৰ বহল ঠাই তৎক্ষণাত হাবি বন কাটি মুকলি কৰি ছ্যুকাফা বহি আলোচনা কৰিবলৈ এখন চাং কাঠেৰে বনাই পেলালে। আৰু ওপৰত কৌপাত আৰু অনান্য গছপাতেৰে দুচলিয়াকৈ এখন চালো বনাই পেলালে গছৰ পাত জাপি তাৰ ওপৰত কেইখনমান বাঁহৰ ঢাৰি আৰু তাৰ ওপৰত পাতিদৈৰ ঢাৰি আৰু ফুলাম গুণাকৰা কাপোৰ পাৰি ছ্যুকাফাক বহিবলৈ আসন সজোৱা হ'ল।

সকলো বহিল। পাচশ মানুহৰ উপৰিও আৰু দুই এজনকৈ মানুহ নামি বিভিন্ন কামত নিজকে ন্যস্ত কৰিলে। কোনোবাই ভাত খাবৰ বাবে কৌপাত, খেনোৱে ভাত সিজাবলৈ খৰি, খেনোৰ ওধানটো বনাবলৈ মাটি খেনোৰ সৰু ঘৰ বনাবলৈ কাঠৰ ফেৰেঙণি আদি বনাবলৈ ধৰিলে।

সভা বহিল। সিদ্ধান্ত হ'ল যে হাবি জংঘল বেচি হ'লেও তেওঁলোকে হাবি কাটি জেগা মোকলাব। খেতি কৰিবলৈ যথেষ্ঠ ঠাই হ'ব। অঞ্চলটোত তিনিখনমান ডাঙৰ বিল আৰু দহটামান সৰু সৰু জলদেৱতাও আছে। তদুপৰি বেঁত বাঁহ তৰা, নল, খাগৰী, বনৰীয়া খেৰ, কৌপাত, জেঙৌ, টকৌ, চেৰা, উৰিয়াম, না না ধৰণৰ বনৰীয়া টেঙা শাক, বিল বিলাকত অসংখ্য মাছ, হাবিত পহু, না না চৰাই আছে। হাবিত অৱশ্যে বনৰীয়া মহ আৰু বনৰীয়া গাহৰিও অসংখ্য আছে বুলি অনুমান কৰিব পাৰি। হাবিখনৰ কাষে কাষে নৈৰ পাৰত আৰু অধিক দক্ষিনলৈ দিমা ফিচা আৰু দিওৰা আৰু খা ফীৰ কেইখনমান সৰু সৰু গাওঁ আছে। দিওৰা গাওঁ কিখনেই অৱশ্যে ডাঙৰ দেখা গ'ল।

ছ্যুকাফাই বহু গমি পিতি চাই ক'লে, "এৰা ভালেই হৈছে এই অঞ্চলৰ মানুহক আমি একো আমনি নকৰোঁ মানুহক একো অপকাৰো নকৰো। হাবিৰ মাটিবোৰ ভাঙি আমি খেতি মাটি মোকলাম। তিনিমাহ চাৰিমাহ আছে বাৰিষা আহিবলৈ। এই সময়তেই আমি হাবি কাটি শালী ধানৰ পথাৰ আৰু গাঁওবোৰ বনাব পাৰিম।"

ছ্যুকাফাই আৰু নিৰ্দ্দেশ দিলে "হাবিবোৰ একেবাৰে কাটি ঝুৰি শেষ কৰি পেলাব নালাগে। ডাঠ অৰণ্য এখন আমি একো গছ বন নকটাকৈ ৰাখি থব লাগিব। অৰণ্যখনক আমি হাবিদেওৰ বাগিছা বুলি গ্ৰহন কৰিম। হাবিৰ দেওক আমি কেতিয়াও অসন্তুষ্ট কৰিব নাপায়। ডাঙৰ ডাঙৰ গছবোৰ আৰু লাগতিয়াল সৰু বৰ বহুতো গছ নাকাটিব। বনৰীয়া ফলমূল লগা ভাল গছবোৰ কেতিয়াও নাকাটিব। বাৰীবোৰৰ ঢাপত থকা গছবোৰ কেতিয়াও নাকাটিব। জীৱ জন্তুৰ চিকাৰ কৰাৰ পূৰ্বে ভগবানক ধিয়াই ল'ব। মানুহবোৰ চেদেলি ভেদেলি নহ'ব। কিছুমান ভুঁৰতে ৰাতি থাকিব। আমি সকলোৱে এই ঠাইতে থাকিব লাগিব।

এতিয়া লাক নি খুত চিঙ্গাঁ। তাৰো তিনিমাহ (দিন) গল। আমি অহা দিন ছিং

মাহৈলেকে ইয়াতেই থাকোঁ। মাটি ভাঙি খেতি কৰি চাও।

সকলোৱে ছ্যুকাফাৰ কথাকেই মানি ল'লে। মানুহবোৰে ভূঁৰৰ পৰা নামি আবেলি বেলিকাটো যিমান পাৰে কাম কৰিলে। গছকটা গছৰ ডাল কটা, হাবি কটা সেইবোৰ কাষে কাষে দমাই থোৱা।

চাও লুঙ থুং। গধূলী হ'ল। এই সময় আচলতে গৰু মহ অনাৰ সময়- হু খাই মা বান। আৰু পিত কাই তম লাও। হাঁহ কুকুৰাও বন্ধাৰ সময়। পঙ ফাও ভাত খোৱা সময় হবহিয়েই এতিয়া। ফাই খাম হয়হে এতিয়া। অবশ্যে বহুজনে ভূঁৰ বোৰতেই ভাত সিজাই শেষ কৰিলে, বহুতে আকৌ নতুন মাটিতেই ভাত সিজালে। ভূঁৰৰ পৰা নমাই আনিলে ম' তং। পিতলৰ পূৰ্বতে লগত অনা তিনিজনে খাব পৰাকৈ ভাত সিজাব পৰা পিতলৰ মতঙবোৰ থাকিলেও তেওঁলোকে তি পামতেই আৰু নতুন ম'তং বনালে। গতিকে এতিয়া চিন্তা নাই। মাটিৰো বহুবোৰ ম'তং বনালে। ভাঙিলেও চিন্তা নাই। নতুনকৈ উঠি অহা লৰাবোৰকো মাটিৰ আৰু পিতলৰ চৰু মতং বনাবলৈ শিকোৱা হৈছে।

বেলি পৰাৰ আগে আগে সকলোৱে ভাত খোৱা 'কিন খাও' কাৰ্য শেষ কৰিলে। সকলোৱে একেলগে এটা ডাঙৰ ঘৌন ফী থুন হাবিদেও ঘৰ গছপাত কাঠেৰে বনাই পেলালে অস্থায়ী ভাবে। ভাত খোৱাৰ পূৰ্বে তাতেই মলুং সকলে ফী থুনক অপায় অমংগল নকৰিবলৈ প্ৰাৰ্থনা কৰি 'খাও' টুপুলা উচৰ্গা কৰি ললে। লগে লগে ৰূপৰ সিকিঁ এটা মাও ল্যেং ঙিন আৰু মাক মু বাও প্লু এজোৰ উচৰ্গা কৰিলে।

পণ্ডিত সকলে বেকত কৰিলে এই দেশ ম্যুং কাং, মধ্য ঠাই। ঠাইডোখৰ ভাল ঠাই। চাৰিওফালে সুচল হ'ব। পাৰে যদি 'তাই লাং বাক লাং' এ মাৰিব তাৰিব পাৰে। আনে নোৱাৰিব। মধ্য ঠাই। সুচল। তাই লাং বাক লাঙলৈও তামোল পান এজোৰ মাক মু বাও প্লু উচৰ্গা কৰিলে।

ৰাতি সকলোৱে জিৰনি ল'লে। কিন্তু প্ৰহৰীয়া বিলাকে চকুত এটিপো নমৰাকৈ গোটেই ৰাতি পহৰা দি থাকিল। ৰাতিও কোনো অপায় অমংগল নহ'ল। তদুপৰি নিশাটো জোন আছিল। জোনৰ পোহৰেই পোহৰাই ৰাখিছিল ম্যুং কাং দেশ খন। স্থানীয় মানুহবোৰেও এই ঠাইক মাজ গাওঁ বুলি কৈছিল।

ছ্যুকাফাৰ চকুত অলেখ স্বপ্ন। দেশ গঢ়িব। মাটি খুলিব। হাবি ভাঙিব। পথাৰ গাওঁ সৃষ্টি কৰিব। সোনালী মাটি। উৰ্বৰা। মাটি ফালি কঠিয়া গুজি দিলেই ধান। লহ পহকৈ বাঢ়ি উঠে। মানুহটোতকৈ ওখ হৈ যায়। সোনালী দেশ। ভৰা দেশ। স্থায়ী ৰাজধানী স্থায়ী নগৰ পাতিব। ঠাই দেখিলেই ম্যুং মাও লুঙলৈ খবৰ জনাব যে আমি আছোঁহি। ঠাইখন থাকিবলৈ ভাল। ঠাই আহল বহল সুচল দেখিলে আৰু মানুহ পিনং মাতি পথাৰ

ম্যুং মাও ম্যুং কঙৱ পৰা। তেওঁলোকে আহিব। আমাৰ মানুহ সৰহ হ'ব। সৰিয়হৰ গুটিৰ নিচিনা আমাৰ মানুহ হ'ব। ভাই ককাইৰ কথা পিনং। একে তেজ একে মাত। দন হাই ভাল নহয়। ম্যুং মাওত নহলোঁৱেইবা। কি হ'ল তাতে। এতিয়া ভটিয়াই আহিলোঁ। নতুন মাটি, নতুন ধান, নতুন দেশ। নতুন আশা, নতুন স্বপ্ন। গাওঁ খুলিছোঁ, পথাৰ উলিয়াইছোঁ, মানুহ গঢ়িছোঁ। মই নতুন দেশৰ ৰজা। এয়াহে আনন্দ। এয়াহে আচল কথা। অতীতৰ জীম মু কালৰ আমাৰ পুলিন পুথাৱে ক'ত' দেশ গঢ়িছিল, ক'ত' কষ্ট কৰিছিল।

আজি ৰাতি ইমান দীঘল হৈছে। নেযায় নুপুৱাই। ফেঁচাবোৰেও পু ৰু ৰু গান গাই ভাগৰিল। কেতেকী বোৰেও ক' ক'ক' ক' কৰি কৰি ভাগৰি পৰিল। জাৰো পৰিছে। মাই জী জুই জ্বলাইও জাৰ খেদিব পৰা নাই। বাহিৰত ডাঠ কুঁৱলী। ভুঁৰত থকা কুকুৰা বোৰে ৰাউচি জুৰি ডাক দিছে। কুক কুউ কুক। কু কু কুউ কুক। মলুঙসকলে খামছিন গাবলৈ ধৰিলে-চাও নু ৰু চাও কা ৰই। পাক পেঞ কাকা চন চেউ খাম দয় মা লুং ম্যুং নাম না ৰই।

ডাঠ হাবিখনি কুঁৱলীৰ বুকু ভেদি বেলিটো ৰঙাকৈ ওলাই আহিল। বান অক। বানদ্যেং। ৰঙা বেলি। ৰঙা বেলিৰ ৰঙা পোহৰত ৰং লাগি হেজাৰ হেজাৰ ভুঁৰ ৰঙীন হৈ উঠিল। নাম মাও নদীটো ছ্যুকাফাই বহুদিন বেলি উঠা দৃশ্য চাইছে। কি সুন্দৰ। অতীতলৈ মনত পৰে তেওঁৰ।

পুৱাৰ পৰাই মানুহবোৰ কামত লাগিল। কুকুৰ, গাহৰি, গৰু, মহ, হাঁহ সকলো ভুঁৰৰ পৰা পাৰলৈ নমালে। হাঁহ ৰখীয়াবোৰে একেলগে দহখনমান নাও লৈ নামজিনৰ পানীত হাঁহবোৰ মেলি দিলে আৰু হাঁহবোৰ চৰাবলৈ লাগিল। চল্লিশ হাজাৰ মান হাঁহ আছে। নামজিনৰ পানীত হাজাৰ হাজাৰ হাঁহৰ কলৰব উঠিল। হেজাৰ হেজাৰ বনৰীয়া হাঁহেও হাঁহবোৰৰ মাত শুনি চক খাই উঠিল। সেইদৰে মহ গৰু ৰখীয়াবোৰেও গৰু মহৰ জোমবোৰ ভুঁৰৰ পৰা নমাই চৰাবলৈ লাগিল।

সামূহিক ভাবে গৰু মহ গাহৰি হাঁহৰ বাবে কাঠ বাঁহ নল খাগৰি ইকৰাৰ দ্বাৰা গড়াল বোৰ বনোৱা হ'ল। বিশটামান মহৰ, পঞ্চাশটামান গৰুৰ, পঞ্চাশটামান গাহৰিৰ, পচিশটামান হাঁহৰ গড়াল আৰু ত্ৰিশটা কুকুৰাৰ গড়ালঘৰ বনোৱা হ'ল। হাতীৰ বাবেও ঠাই ঠিক কৰা হ'ল। নাও ভুঁৰ ৰাখিবলৈ বিশটামান ডাঙৰ ডাঙৰ ঘাট প্ৰস্তুত কৰা হ'ল। নৈৰ পৰা পানী খাবলৈ পাচশটামান ঘাট প্ৰস্তুত কৰা হ'ল।

দুহেজাৰ নল দীঘলে, দুহেজাৰ নল পথালিয়ে মাটি জুখি লৈ গড় খাৱৈ খন্দা হ'ল। ত্ৰিশহাট বহল খাৱৈ, দহহাত ওখকৈ মাটিৰ ঢাপ মৰা হ'ল। গড়ৰ ভিতৰলৈ সুমাবৰ বাবে চাৰিও ফালে দুৱাৰ পাত তু ৰখা হ'ল। গড়ৰ দুৱাৰত পোলোঙা পোলোঙা পোন

পোন কাঠৰ জপনা দিয়া হ'ল। ওখ ওখ নাহৰ কাঠ চাই কাটি আনি তিনিথলপীয়াকৈ ৰাজকাৰেং হ'লুং আৰু কা ৰং বা ক্ৰা নিৰ্মান কৰা হ'ল। ছ্যুকাফা আৰু মানুহবোৰ। চিন্তা যে ইয়াত কিছু দিন বেছিকৈয়ে বা স্থায়ী বা ছে বা নগৰ পাতি ৰাজধানী ৰাখিব পাৰিব। সেয়ে প্ৰায় পাচশ মানুহ পাই কয়ে ফু ছাং বুঙৰ অধীনত খাটি ৰাজ প্ৰসাদটো নিৰ্মান কৰে। গড়ৰ চৌপাশে আৰু এহেজাৰমান নলৰ আঁতৰত বাহিৰ গড়ৰ চাৰিও চুকত তিনিটা চাৰিটাকৈ পৰিয়াল থাকিব পৰা সৰু সৰু চাংঘৰ বনোৱা হ'ল। গড় ৰখীয়া হিচাবে এনেদৰে কেইটামান বিশ্বস্ত পৰিয়াল বহোৱা হ'ল। এই পৰিয়ালৰ চাৰিজনমান পাই কই সৰ্বক্ষনে গড়ৰ চাৰিওফালে ঘুৰা ফিৰা কৰি সম্পূৰ্ণ নজৰ ৰাখিব লাগে। বাহিৰ গড়ৰ ভিতৰত চাও ফ্ৰং ম্যুং, চাও থাও লুং, লান তাই ম্যুং, ফু কে আদি কেইজনমান বিশিষ্ট বিষয়াৰ বাৰী ঘৰো বনোৱা হ'ল। চাও থাও লুং আগৰে পৰাই আছিল। চাও ফ্ৰং ম্যুং জন নিয়মমতে ৰাজধানীত থাকিব লাগে যদিও তিপামৰ ফুকিন ম্যুং হৈ আছিল। ভিন্ন এজন চাও ফ্ৰং ম্যুং ছ্যুকাফাই নিযুক্তি দিয়া নাছিল।

চাওফা ছ্যুকাফাৰ বাবে ৰাজধানীৰ ভিতৰ গড়ৰ বাহিৰত এখন বাৰী আৰু এখন ফুলৰ বাগান বনোৱা হ'ল। বাৰী চোৱা জনক ৰু হান চুন, ফুলৰ বাগান চোৱা জনক 'ৰু হান চুন ব্লক' বুলি নিযুক্তি দিলে। হাতীৰ ছে ৰু ছাং বা ফু দু ছাং অৰ্থাৎ হাতী ৰখীয়া ফ্ৰং পিমেও হাতীৰ ঘৰ 'খুন' বোৰ সুন্দৰকৈ বনাই ল'লে। ওচৰতেই তেওঁ আৰু তেওঁৰ তলতীয়া মানুহবোৰেও কাষতেই থকা ঘৰ বনাই ল'লে।

চাওফাৰ একেবাৰে নিয়মীয়াকৈ থকা সৈন্য 'ফাক' এহেজাৰৰ বাবেও বাহিৰৰ গড়ৰ ভিতৰত দীঘলীয়াকৈ দুশাৰী চাংঘৰ বনাই লোৱা হ'ল। তেওঁলোকে নিজে সিজাই পকাই খাই, তেওঁলোকৰ এশমান 'ফাকে' এবেলা এবেলা কৰি নিতৌ নগৰ ছে খনত তহল দি ফুৰে আৰু অন্য এশজনমানে নগৰৰ বাহিৰৰ পিনং তাই ৰা বা কুন ক্লা অৰ্থাৎ অন্য জাতিৰ গাঁৱতো দুদিন তিনদিনৰ মূৰত তহল দি বিভিন্ন খা খবৰ বা কাজিয়া পেচাল দন হাইৰ খা খবৰ লৈ আহি 'ৰু ফাক'ক জনাই। ৰু ফাক অৰ্থাৎ সৈন্যৰ মূৰব্বীবোৰ কেতিয়াবা ৰু চাও (পাচলৈ বৰা) অৰ্থাৎ বিশজনৰ ওপৰৰ বিষয়া, কেতিয়াবা 'ৰু পাক' (শৰ মূৰব্বী), কেতিয়াবা ৰু ৰিং (হেজাৰৰ মূৰব্বীক) জনাই। ওপৰত ঘৰ বনোৱা দিন চি ইটাৰ পকী কৰা বহুতো নাম মও বনাই পেলালে। পাৰ্গত সকলে দিন চি ইটাও পুৰিবলৈ ধৰিলে। ওচৰৰ গাবঁত দিওৰা আৰু দিমা ফিচাৰ লগতে খা লাও ৰো দুখনমান গাঁও আছিল। খা লাং বোৰে নিজকে বৰাহী দিমা বুলি ছ্যুকাফাৰ মানুহৰ আগত পৰিচয় দিছিল। ছ্যুকাফাৰ 'ফু ছাং দিন চি' ইটামৰা তাই মানুহবোৰে ওচৰৰ খা লাং কিছু লোককো আনি ইটা মৰা কামত নিয়োগ কৰিলে। খা লাং বৰাহী দিমা সকল বৰ সহজ আৰু সততাৰে

কাম কৰা মানুহ। কামতো তেওঁলোক পাৰ্গত। খা লাং সকল তিওৰা আৰু তিমিছা সকলতকৈ 'ফু ফান' অৰ্থাৎ দৰিদ্ৰ দুখীয়া। তেওঁলোক বোলে প্ৰকৃততে সেই ঠাইত নাছিল। তেওঁলোক থানগিৰি (চৰাইদেউ) ৰ পৰা অহা। বিশেষ সমস্যাত পৰি তেওঁলোক 'ফু লু' অৰ্থাৎ ভগনীয়া হ'ল। 'ফ্ৰং পিমেও' তেওঁলোকৰ দহজনমানক ' তাও য়া ছাং' অৰ্থাৎ হাতীৰ ঘাঁহ কটা মানুহ হিচাবে নিয়োগ কৰিলে।

ওখ বা চুং ঠাই চাই চাই শ্যামসকলে যথাসম্ভৱ পোনকৈ 'তাং' ৰাস্তাবোৰ (তাং) বনালে। তাং বিলাকৰ দুয়ো কাষে এশ নল দুশ নল দীঘল আৰু পথালি কৰি প্ৰতিটো পৰিয়ালৰ (বৌন লুং) বাবে ঠাই নিবন্ধ কৰি ঘৰবোৰ সজা হ'ল। এনে গাঁও (বান) বোৰ পাচফালে একো একোখন 'না' পথাৰ বনোৱা হ'ল। এইদৰে সমুদায় তেৰ হাজাৰমান মানুহৰ মাজত চল্লিশখনমান গাঁও গঢ়ি উঠিল। আগৰ পৰা থকা গাঁওবোৰ লগ লাগি পঞ্চাশ খনমান গাওঁ হ'ল। ছ্যুকাফা অহাৰ পূৰ্বতে সেই অঞ্চলত মানুহ বৰ কম আছিল। প্ৰায় পাঁচশমান মানুহ আছিল বুলি ছ্যুকাফাৰ মানুহে জৰীপ কৰি পাইছিল।

দিন বাগৰাৰ লগে লগে তাৰ স্থানীয় তিমিছা, তিওৰা, খা ফী আৰু খা লাং সকলে তাই শ্যাম মানুহবোৰৰ লগত কাম বন কৰি হলি গলি অহা যোৱা কৰি আধা আধি তাই ভাষা শিকি পেলালে। তাই মানুহবোৰৰ লগত কথা পাতিলে তেওঁলোকে আধা তাই শব্দ, অলপমান নিজৰ ভাষা আৰু অলপমান ভঙা 'সংচকিত' শব্দ কৈ ভাব বিনিময় কৰে। ছ্যুকাফা। মানুহেও আধাটা তাই শব্দ, দহটা চংকিত আৰু দহটা স্থানীয় ভাষাৰ শব্দ কৈ কথা বতৰা পাতিবলৈ ধৰিলে। অৱশ্যে তাই বিলাকে আজি সোতৰ বছৰে লগ পাই অহা 'খাং' 'কং' 'মেন' পলাউং, খা মেন দাম, মান আদি সকলৰো দুই এক শব্দ মাজে মাজে উচ্চাৰণ কৰি পায়।

ছ্যুকাফাই নতুনকৈ পতা নগৰ খনক নাম দিলে 'ম্যুং কাং চে খ্ৰু ম্যুং খ্ৰং। নিজাকৈ নগৰ নিৰ্মান কৰি নিজা ভাষাৰেই নামকৰণ কৰাটো তেওঁলোকৰ দস্তুৰ। মানুহৰ মুখে মুখে চে খ্ৰু ম্যুং খ্ৰং জনাজাত হ'ল। অৱশ্যে কোনো কোনোৱে কেৱল ম্যুং কাং বুলিল কয়। এই নতুন নগৰখনক অৱশ্যে স্থানীয় লোকসকলে সংস্কৃত ভাষাৰে অভয়পুৰ বুলিও কৈছিল। অভয়পুৰ কি ভাষা স্থানীয় মানুহে নাজানে। এবাৰ বোলে দিহিঙীদ নাঁৱেৰে উজায় যোৱা এজন বাও মুন মানুহেহে তিনিৰাতিমান তাত থাকি গৈছিল আৰু তেঁৱেই ঠাইখনৰ নাম অভয়পুৰ দি গৈছিল। পূৰ্বতে স্থানীয়সকলে দিমা গিৰিহে বুলিহে বোলে ঠাইখনক কৈছিল।

উনচল্লিশ

ফ্রং পিম বৰাহী খা লাং সকলৰ লগত বেচ বন্ধু হৈ পৰিল। সময় পালেই ছুকাফাৰ ৰাজ হাতী খাম ক ম্যুঙৰ ফু দু ছাং ফ্রম পিম খা লাং গাঁৱলৈ যায়। ফ্রং পিমে খা লাং সকলৰ ঘৰবোৰত ইছিং, ওখং আৰু খোফ্রা নামৰ তিনিকোঠলীয়া ঘৰবোৰ দেখা পালে। খোফ্রা নামৰ কোঠাত তেওঁলোকে শোৱে, ওখঙত ভাত খায়, ইছিঙত পূজা কৰে। ফ্রং পিমে দেখিলে যে পূজাবোৰ প্ৰায় তেওঁলোকৰ লাংকুৰীৰ পূজাৰ নিচিনা। তাই সকলৰদৰে তেওঁলোকেও মদ জু বনাই। তেওঁলোকৰ গাঁৱলৈ গ'লে সদায়েই বৰাহী জু খাই আহে। বৰাহী খা লাং সকলেও শুকান মাছ খুন্দি বাঁহৰ চুঙাত ভৰাই থয়। এনে শুকান মাছক জলকীয়া টেঙা দি 'নাকাম' বুলি কৈ খায়। জুতি অৱশ্যে তাই সকলৰ প্লা চুমৰ দৰেই। ফ্রং পিমে তেওঁলোকৰ বৌৰমা দাৰি নামৰ এবিধ গোন্ধোৰা শাকো খাই বৰ ভাল পায়।

ফ্রং পিমৰ ডাঙৰ লৰা লা আইছেঙৰ লগত খা লাঙৰ দি ব্ৰাও নামৰ এজনৰ এজনী ধুনীয়া ছোৱালীৰ লগত হিয়া দিয়া নিয়াও হ'ল। এদিন লা আই ছেঙে দি ব্ৰাওৰ ছোৱালী দৈ চিখলাক পলুৱাই লৈ আহিল। উপায় নাই। খা লাঙৰ ছোৱালী হ'লেও তাই দেখাত ধুনীয়া, বগী ৰঙী। তেজে ফুটো ফুটো। লা আই ছেঙৰ দৰে উজ্জ্বল চাল, শকত আৱত পাহ্বাল। জোৰাও জোৰা পাভ জোৰা।

ফ্রং পিমে আপত্তি কৰিছিল যদি লাই আই ছেঙৰ মাকৰ মৰম লৰালৈ। ছোৱালী জনীও বেয়া নাপালে। ভঙা ভঙাকৈ যেনে তেনে ঘেঁহাই ঘেঁহাই দুই এটা তাই ভাষাৰ কথাও কব পাৰিছে। মৰমতে তাই নেৰিলে। হাঁহ কুকুৰা মাৰি পিনং আৰু নতুন মিতিৰক খোৱাই মলুঙক আনি এশ এগছ চাকি জ্বলাই হেংদান চোৱাই বিয়াখন পাতি দিলে।

ফ্রং পিম ছ্যুকাফাৰ হাতীৰ ৰখীয়া গতিকে ছ্যুকাফাই ৰজা হৈয়ো ফ্রং পিমৰ লৰাৰ চকলঙলৈ আহিল। ৰজাঘৰৰ হাতীৰ বিষয়া বাবে চকলংখনো ফ্রং পিমৰ ঘৰতেই হ'ল। ছ্যুকাফাই স্বয়ং এখন্তেকৰ কাৰনে লা আই ছেঙৰ বিয়া স্থলীত উপস্থিত হ'লহি। ছ্যুকাফাৰ

স্বয়ং উপস্থিতিত শ্যামসকলৰ বাহিৰেও দিওৰা, তিমিছ্য খা লাং সকলে বৰ আনন্দ পালে আৰু ৰজাক তাই সকলৰ দৰেই আঠুকাঢ়ি খুব বাই কৰি সেৱা জনালে। স্থানীয় বাসিন্দাসকলেও ছ্যুকাফাকে নিজৰ ৰজা মানিলে। তেওঁলোকেও মনতে ভাবিলে। এনে সুন্দৰ জোনটো যেন মুখ এইজন ৰজাৰ। তেজে ফুটো ফুটো গাল। সুঠাম দেহা, পাহ্বাল ভৰি। ওখই পাখই সুন্দৰ। আমাৰ অহম দেৱতাৰ দৰেই। এনে দেৱতাৰ দৰে মানুহ দেখাতো আমাৰেই সৌভাগ্য। দেৱতাৰ বংশৰ লগত আমাৰ বিয়া বাৰু কৰি আমি ধন্য মানিলোঁ।

ফ্রং পিমৰ মনত পৰিছে হয় মই আজি ছ্যুকাফাৰ হাতীৰ তদাৰক কৰোতা 'চাও চাং'। কিন্তু মোৰ আইও আছিল ছ্যুকাফাৰ নিচাওয়েক। এগৰাকী লিক চাও। তেৰোঁ বৰ দুখীয়া পৰিয়ালৰ আছিল। মাক বাপেক সৰুতেই মৰিছিল। আই দেখাত ধুনীয়া আৰু কামিলা আছিল। আমাৰ ভাষাৰ উপৰিও খে ভাষাতো গীত গাব পাৰিছিল। পয় পিউৰ সময়ত বৰ নাচিবও পাৰিছিল। সেয়ে আইৰ ম্যুং মিতৰ চাওফাৰ লিক চাও হ'বলৈ সৌভাগ্য ঘটিছিল। এই আইৰ গৰ্ভত ম্যুং মিতৰ ৰজাৰ ঔৰষত মোৰ আৰু মোৰ ভাই এটাৰ জন্ম। আমি দুটা পৰিয়াল হ'লো। মই কামত কামিলা, হাতীৰ বিষয়ত মই সৰুৰে পৰাই পাৰ্গত হৈ উঠিছিলোঁ। ম্যুং মাওৰ হাতীখন ময়েই চাইছিলোঁ বুলিব লাগে। ছ্যুকাফাক লৰা কালৰ পৰাই মই ভাল পাইছিলো। মই ছ্যুকাফাতকৈ বয়সত সৰু। মোকে ভাল পাই মোক হাতীৰ মুল ছ্যুকাফাতকৈ বয়সত সৰু। মোকে ভাল পাই মোক হাতীৰ মুল ৰখীয়া চাও চাং কৰিলে। আমাৰ বংশটোৰো লুক খা খুন ৰখীয়া চাও চাং কৰিলে। আমাৰ বংশটোৰো লুক খা খুন ফৈদত সুমুৱালে। ৰজাৰ ঔৰষত ৰজাৰ লিক চাও সকলৰ গৰ্ভত হোৱা বহু সন্তানেই 'লুক খা খুন' অৰ্থাৎ ৰজাৰ সেৱক সতি সন্ততি বংশ হিচাবে পৰিচিত হয়। ৰজাৰ তেজ মোৰ গাতো আছে। সেই বুলি মই ৰজা হ'বলৈ নাযাওঁ। মই মোৰ পৰিয়াল ৰজাৰ সেৱক পৰিয়াল। আমিহে ৰাজ ৰাখিব পাৰোঁ।

এৰা আমাৰ মাজত কথা বতৰা নিমিলিলে ভাই আৰু মোৰ মাজত। ভাইওতো ৰজাৰ তেজ থকা মানুহ। ছ্যুকাফাৰ নিৰ্দ্দেশ সি কেবাদিনো মানিব খোজা নাছিল। এদিন সি খামজাঙতে ফেপেৰি পাতি ধৰিছিল ৰজা ছ্যুকাফাক সি কৈছিল তাৰ গাতো বোলে ৰজাৰ তেজ আছে। ৰজাৰ সেৱক হ'লে কি হ'ব। ছ্যুকাফাই দেখিলে এনে মদমত্ত গৌৰৱী মানুহ থাকিলে ৰজাৰ আৰু ৰাইজৰো অমংগল হ'ব। মিছাতে আনে আস পাব। ৰাজ্য জাতি দুৰ্বল হ'ব। সেয়ে ছ্যুকাফাই তাক ভৰিৰে গছকি মাৰিলে। উপায় নাই সি ভুল কৰিলে, ভুলৰ প্ৰায়চিত্ত হ'ল। হ'বৰে কথা। ৰাজ্য ৰজা প্ৰজাৰ সকলো কথা ভাবিব লাগে।

চল্লিশ

বিমুন পাতৰৰ পশ্চিমলৈ যোৱা জ্ঞান আছিল। ছ্যুকাফাৰ ৰাজধানী প্ৰতিষ্ঠা হোৱা আজি দুবছৰ হ'ল। দুটা শালী ধানৰ খেতি পাৰ হ'ল। ধান যথেষ্ঠ পাইছে। নতুন মাটি। বহু সাৰুৱা। বানপানীও নাই। ইতিমধ্যে ম্যুং তিপাম আৰু লা খেন তেলছা অঞ্চলৰো যথেষ্ঠ উন্নতি হৈছে। খেতি ভাল হৈছে। লাখেনৰ মাটিবোৰ পাহাৰীয়া ধৰণৰ ওখ। নামজিনৰ পাৰ বোৰ ওখ থিয়; সোঁতো বেচি। ওচৰতে পাহাৰো আছে। গছে বনে ভৰা। ওচৰৰ ম'ৰাণ মানুহবোৰ আছে। পুৰণি তাই মানুহ মিলি মৰাণবোৰ তাই জাতিৰ দৰেই হ'ল। শালী খেতি কৰিবলৈও শিকিলে। ম্যুং তিপামত যোৱা দুবছৰ বান পানী হোৱা নাই। বিশেষ মানুহ দুনুহো নাই। তিনিজন পাইকে চকু মুদিলে। তেওঁলোকৰ দুজনে বোলে বহু দিন খ্ৰাই চিপ খ্ৰাই নেও পেৰেতত ভোগিলে। এজন বোলে। হাতী ধৰিবলৈ যাওঁতে বাঘৰ লগত যুঁজ লাগি মৰা পৰিল। তিপামত গৰু গাই মহ গাহৰি হাঁহ পাৰ যথেষ্ঠ পাইছে। মানুহৰ সংখ্যাও বৃদ্ধি পাইছে। জন্ম হোৱা সন্তানৰ সংখ্যাই বোলে তিনিশটা মান হ'ল এই চাৰিবছৰ মানত। গৰু গাই মহৰ সংখ্যাও বহু বৃদ্ধি পালে। ম্যুং খনৰ সামুহিক ভাবে থকা মহৰ উপৰিও পৰিয়ালে প্ৰতি নিজাকৈ ত্ৰিশ চল্লিশৰ পৰা এশৰো অধিক মহৰ সংখ্যা হ'লগৈ। খেতিৰ মাটিও বাঢ়িল। তদুপৰি ম্যুং কুণ্ডৰ পৰা আৰু তাই মানুহ তিনিশ মান আহি লাখেন তেনচা পালেহি। তাতে তেঁওলোক থকা এবছৰ মান হ'লেই। ম্যুং তিপামৰ পৰা ফু কিন ম্যুং আৰু চাও ফ্ৰং ম্যুং কান ঙনে ছ্যুকাফালৈ যোৱা দুবছৰে বছৰি দহ ভুঁৰ ধান, এশটা মহ, দহটা ঘোঁৰা, এটা হাতীকে কৰভাৰ 'চুই' দিলে। তদুপৰি তিওৰা তিমিছ্যসকলে প্ৰস্তুত কৰি দিয়া ফা ফে বা ফা তাও অৰ্থাৎ কঁপাহী কাপোৰ দুকুৰী দিলে। তদুপৰি দুয়োখন ঠাইৰ মাজত প্ৰতি দুমাহে দুমাহে মানুহ অহা যোৱা কৰি যোগাযোগ ৰখা হৈছিল। দুই এজনে ম্যুং তিপামৰ পৰাও ছোৱালী আনিলেগৈ।

ম্যুং লা খুন তেন চাৰ পৰাও ফু কিন ম্যুং থাও ম্যুঙয়েও ম্যুং কাং ছে খ্ৰু ম্যুং খ্ৰুঙত থকা ছ্যুকাফালৈ দহখন ফা ফে (তাও কাপোৰ), এহেজাৰখন মহৰ শিঙৰ ফনী, মৌ জোল (নাম ফ্ৰেং) পঞ্চাশ কলহ। 'ফক বুন ফা' এৰি কাপোৰ, দহ ভুঁৰ খাও ন্যেউ প্ৰতি বছৰে পঠালে। তদুপৰি শুকান মাছ (প্লা হেং) আৰু শুকান পছুৰ মাংস দুই নাওমান আৰু কং সকলৰ লগত যুদ্ধ কৰি কণ্ড চিঙফৌৰ পৰা অনা চাৰিগৰাকী কন্যাৰ

তিনিগৰাকীকে ছুকাফালৈ পঠাই দিয়ে। ছুকাফাইও কং বা চিংফৌ সকলৰ তিনিগৰাকী কন্যাকে লিক চাও হিচাবে কাৰেঙতেই ৰাখিলে।

ইতিমধ্যে ছুকাফাৰ বাবে ৰাজধানী চৌহদৰ ভিতৰতেই কাৰেঙৰ পৰা দূৰত দাম বা মৃতক দেৱতা সকলৰ পূজা অৰ্চনা কৰা ঘৰটোও আটক ধুনীয়াকৈ সজাই লোৱা হৈছিল। লুক খা খুন পৰিয়াল ফ্রং পিমৰ ভায়েকৰ পৰিয়ালটোক দামৰ ঘৰটোৰ কাষতেই থাকি দামঘৰ 'হ' ফী দাম' চোৱা চিতা কৰিবলৈ দিলে। দোষী মানুহটোক শাস্তি দি মৃত্যুদণ্ড দিয়া হ'লেও পৰিয়ালটোক মৰমৰ চকুৰে চালে ছুকাফাই। কিন্তু পৰিয়ালৰ সকলো লৰা তিৰী ছোৱালীক সঁকিয়াই দিলে যে ৰজা বা ৰাজ্যৰ ক্ষতি হোৱা কোনো কাম যাতে তেওঁলোকে কেতিয়াও নকৰে। এনে কামৰ ফল হ'ব মৃত্যুদণ্ড। পৰিয়ালৰ সকলোৰেই মনত আঘাট পালেও ভৱিষ্যতে মংগল হ'বৰ বাবে দামৰ ঘৰটো সুন্দৰকৈ মেৰামতি কৰা, চোৱা চিতা কৰা, যথাসময়ত দামসকলৰ 'খাও' 'ফাক' 'ব্লক' আদি ওম হেও চু কৰা অৰ্থাৎ অৰ্পন কৰা চাকি বান ফাই জ্বলোৱা কামত তেওঁলোকেই দায়িত্ব পালন কৰিছিল।

দাম বা মৃতক দেৱতা সকলৰ বাবে নিজৰ ঘৰৰ দামৰ ঘৰত পূজা অৰ্চনা, নিতৌ ভাত শাক দিয়া শ্যাম তাই সকলৰ ধৰাবন্ধা নিয়ম। মৃতক দেৱতা সকলে তেওঁলোকক মংগল কৰে। মানুহ মৰিলে দেৱতা হয়। কুন পিনং তাই পিন ফী। এই দেও ফী সকলক নুপুজিলে জীৱিত সকলক অমংগল দেখায়।

তাই সকলৰ মাজত অন্যসকলেও নিজা নিজা ঘৰৰ বাৰীত নিজা দামৰ বাবে ঘৰ বনাই দামক পূজা কৰে। বহু অসমৰ্থ মানুহে জেঙৌ পাত দুখিলামান পেলাই হ'লেও এটা সৰু ঘৰ বনাই মৃতক দেৱতাৰ পূজা কৰে। কিছুমানে ঘৰৰ ভিতৰতেই সৰু কৈ মৃতকৰ বাবে থাপনা এখনো দি লয়। মৃতক দেৱতাক কেতিয়াও অৱমাননা কৰিব নোৱাৰি।

ফ্রং পিমৰ ভাতৃৰ দণ্ডিত পৰিয়াল (ৰৌন) টোৰ সকলো সদস্যই তাই নিয়ম মতে শুদ্ধী কৰণ হ'ব লগা হ'ল। তেওঁলোকে গৰু আৰু মহ এটা বলি দি স্বৰ্গৰ দেৱতা ফা নু বু লেংদনক পূজা কৰি গৰু মাৰি মানুহক এটা ডাঙৰ ভোজ খোৱাব লগীয়া হ'ল। ইয়াৰ পাচত ম'ছং ম' প্লং চাংবুন পণ্ডিত পুৰুহিত সকলে মন্ত্ৰপূত শান্তি পানী 'নাম এপ্ৰা পুলক' গাত ঢালিলে।

তিপামৰ পৰা আহোতে ছুকাফাই লগত তিমিছা বৰাহী দিমা পৰিয়াল কেইটামান লগত লৈ আহিছিল। তিওৰা সকলে এওঁলোকক বৰাহী বুলি কলেও নিজকে তেওঁলোকে বৰাহী বুলি নকৈছিল, তাৰ পৰিবৰ্তে দিমা ফিচা বুলিয়েই কব খুজিছিল। এই পৰিয়াল কিটাৰ ঘাই মানুহ কিটাৰ নামবোৰ হ'ল। গাম, ল খাই, মুং পুং, ৰ'ভি, হ'তাই ঠাকুৰ, ৰাগম, বৰকুমাৰ। তাই সকলে এই শব্দবোৰ ভালদৰে উচ্চাৰণ কৰিব নোৱাৰি কাম, লও খাই, মুং পুং, ৰও ফী,

হ' তাই থা কুত বুলি মাতিছিল। তাই ভাষা কোৱা মানুহৰ মুখত এই শব্দবোৰ শুনিবলৈ খা লাং বৰাহী দিমাবোৰে বৰ আমোদ পাইছিল।

তিপামত থাকোতে এই পৰিয়াল কিটাই ছ্যুকাফাক নিজৰ মানুহতকৈও বেছি সহায় কৰিছিল। এওঁলোকে ছ্যুকাফাক খুব ভাল পাইছিল। তেওঁলোকে বিশেষ কামত পাৰ্গত লোক আছিল। তিপামত থকা সময়ত তেওঁলোকে ছ্যুকাফাৰ অধীনত সেৱক হিচাবে খাটিছিল আৰু এইদৰে তেওঁলোক চামসকলৰ মাজত জনাজাত হৈছিল। তেওঁলোকক ৰজাৰ 'ফু তাং ম' (কুমাৰ), 'ফু তাক নাম' (পানী যোগনীয়াৰ), চাংচা ৰী (বেজ), চাও জী' (বস্তুবাহানীৰ ভৰাঁল ৰখীয়া) আৰু ফু চাং মাই' হিচাবে নিযুক্তি দি তিপামৰ পৰা লগত আনি ম্যুং কাং ছে খ্রু ম্যুং খণ্ডত একেই পদত ৰাখিলে আৰু তেওঁলোকক ৰজাৰ চৌহদৰ বাহিৰ গড়ৰ পৰা দুহেজাৰ নলমানৰ আঁতৰত বান তাপ খাং গাঁৱত থাকিবলৈ দিলে। তাই সকলে এই গাঁৱক বান তাপ খাং বুলি কলেও বৰাহী দিমা খা লাংসকলে সেই গাঁৱৰ নামটো অৱশ্যে 'বান তাপ' বা চিলনীমৰীয়া গাওঁ বুলি কৈছিল।

ছ্যুকাফাই ম্যুং কং ছে খ্রু ম্যুং খণ্ডৰ মাটিবোৰ আঠালতীয়া পাই 'ফু তাং ম' কুমাৰ পৰিয়ালটোক মাটিৰ ডাঙৰ হাতী পেটটোৰ সমান ম'খা বৰ চৰু জাতীয় কলহ, 'ম' লা ' চৰু বনাবলৈ আদেশ দিলে। ম'খা বোৰত ' নাম লাও অৰ্থাৎ লাও পানী মদ প্ৰস্তুত কৰিব আৰু ম' লা বোৰত খাও নুং বৰা ভাত ছেৱা দিব। তাতে খেতি বাতি ভাল হোৱা বাবে ছে খ্রুত থকা সকলোবোৰ লগৰ মানুহ আৰু লগতে স্থানীয় মানুহকো নিমন্ত্ৰন কৰি এসাজ একেলগে খাবলৈ মন স্থিৰ কৰিলে ছ্যুকাফাই। তাতে নতুনকৈ লৰা ছোৱালী লুক চাই লুক চাও এমখা হ'লহি। সকলোকে চিনি পাবও নোৱাৰি, দেখা পাবলৈও অসুবিধা সিহঁতকো এবাৰ চোৱাৰ এটা সৌভাগ্য হ'বলৈ আৰু তাতে একে পাতত খাই থাকিলে মানুহৰ এঠা বেছি হয় বুলিও ভোঁজ এটা খাবলৈ থিৰাং কৰিলে।

ইতিমধ্যে খুত চিঙা, ৰুং মুত পি লাক নি বছৰ পাৰহৈ তাও ছান পি লাকনিৰ আধা সময় গ'ল। বেচি দিন আহিলে বাৰিষা আহিব। ফৰকাল। জাৰো নাই গৰমো নাই। ছ্যুকাফাই তাৰোপৰি থাও ম্যুং সকলৰ লগত আলোচনা কৰি মানুহৰ এক লেথ লোৱা উত্তম বুলি থিৰাং কৰিলে। ম' লিক সকল কাগজ কলম 'ছে আৰু পি' লৈ সাজু হ'ল। লিখিবৰ বাবে প্ৰয়োজনীয় নাম বুক দাম কলা চিএগাহীও প্ৰস্তুতি কৰিলে চুঙাই চুঙাই। গৰুৰ মুত, শিলিখাৰ ৰস, আমলখীৰ ৰস, কেহৰাজ বনৰ ৰস, মতগুৰ তলত থকা চৰু চাই ধোঁৱা ছাঙৰ এলান্ধু আদি না না বস্তু পগাই চেকি না না পদ্ধতিৰে নাম বুক বনালে। অন্তত মলিক এশজনমান এই কামত নিয়োগ কৰা হ'ল।

জৰীপ কৰি খুনতাই (ৰাজকুমাৰ ফৈদ), লু খা খুন, থাও ম্যুং, লান তাই ম্যুং, ম'

চাম, ম চাই, ম' প্লং, বাইলুং, চাং মুন, চাও মুন, থাও ম্যুং খাম জাং, থাও ম্যুং আইতন, থাও ম্যুং ফাকে, চি ৰিং, ফালুং আদি না না ফৈদ 'পুক' তদুপৰি কা লাই, কান মুং, লাই তাও, খাম কন, থুম, লা মুক, চেঙ খুন, থান লেং, লাক চান , তা লুং, কান পেঙ, চিং ঙন, কন ছেং, লা ৰেং, ন পিত, ব' য়ং, ও মাই, লে মুং, ব' ৰিং, ব' চেঞ, ব' ছাও, ফং ফাই, এয়ো ম্যুং আদি কৰি বিভিন্ন পৰিয়াল (ফৈদ)। তদুপৰি তাই ৰা, তাই ক্লং, ফু খাও আন কাও, তিওৰা, তিমিছা, খা ফী, খা লাং, খাং, কং, মেন, মেন দাম, আদি বহুবোৰ নতুন মানুহ হ'ল। নতুন মানুহবোৰেও বিভিন্ন তাই নাম আৰু ৰজাৰ বাব লোৱা বাবে মানুহৰ উমানেই পাবলৈ টান হ'ল। তদুপৰি বিমুন পাতৰ, ছেংফা আদিৰো পৰিয়ালৰ মানুহ ছ্যুকাফাৰ লগত আহিল। নতুনকৈ জন্ম হোৱা, বাতি দিয়া হোৱা নতুনকৈ সোমোৱা মানুহ গোট খাই ছ্যুকাফাৰ মানুহ প্ৰায় পঁচিশ হাজাৰ মান হ'লগৈ। তদুপৰি ছ্যুকাফাই এৰি থৈ অহা ঠাই বিলাকৰ মানুহবোৰ আছেই। সকলো বাঢ়ি ত্ৰিশ হেজাৰমান মানুহ ছ্যুকাফাৰ অনুগামী হৈ পৰিল। এটা বৃহৎ দল হ'লগৈ।

বাৰিষা আহিবলৈ বেছি দিন নাই। মানুহ বেছি হোৱা দেখি ছ্যুকাফাই আৰু ভটিয়াই গৈ ৰাজ্য বহলাবলৈ ঠাইবোৰ চাই আহিবলৈ পোন্ধৰজনমান মানুহ পঠালে। সেই দলৰ 'ফু খাও আন কাও' মৰাণ অৰ্থাৎ পুৰনি তাই মানুহ যি স্থানীয় মানুহৰ ভাষা জানে, আৰু লগতে তিওৰা, তিমিছা, খা লাং মানুহ দুই এজন লগত পঠালে যাতে তেওঁলোকে ভালদৰে সংস্কৃতৰ দৰে লগা থলুৱা শব্দবোৰ বাক্যবোৰ কব পাৰে যাতে স্থানীয় মানুহে তেওঁলোকক দেখি ভয় নাখায় বাহিৰা মানুহ বুলি সন্দেহ নকৰে। লগতে তিওৰা তিমিছা খা লাং সকলে নিজৰ ভাষা কোৱা মানুহ পালেই কথা পাতিব পাৰিব। তেওঁলোকে এমাহৰ চাউল পাত লৈ তিনিখন নাৱেঁৰে যাত্ৰা কৰিলে। লগতে লৈ গ'ল বেহাবলৈ না না পাটকাপোৰ, জাং ফাই, লা লগোৱা টেমা, কাগজ আদি না না বস্তু।

একচল্লিশ

বিমুন পাতৰৰ লগত ছ্যুকাফাই এই কেদিন বহুবোৰ আলোচনা কৰিছে। ম্যুং কামতা আৰু ম্যুং তিমিছা ৰাজ্যলৈ কৰভাৰ ছই তুলিবলৈ যোৱা ফু ছই ম্যুং দুজন আজিও আহি পোৱাহি নাই। বিমুনৰ পৰা ছ্যুকাফাই তেওঁলোকৰ বিষয়ে সকলো খবৰ পাই। তাৰোপৰি কমতা ৰাজ্য ম্যুং কৌত (গৌড় দেশ)ৰ বিষয়ে ছ্যুকাফাই পূৰ্বতে তালৈ বেহাবলৈ যোৱা মানুহ লগ পাই গম পাইছিল। কমতাৰ মানুহবোৰ হেন দু বা কুন ক্ৰা বা কুলা এই কথা ছ্যুকাফাই উমান পাইছে। তথাপি পূজা পাটলবোৰ অৱশ্যে চামসকলৰ লগতো বহু

মিলে। মানুহবোৰে সেই অঞ্চলত সংস্কৃত ভাষাৰ কথা বেচি জানে। আৰু সেই ফালে পুম না চাই (ব্ৰাহ্মণ) আৰু চাই পা (গণক)ৰ দ্বাৰা ধৰ্মপুথি লিখা, চিঠি লিখা, তামৰ ফলি লিখা আদি কামবোৰ কৰা হয়। ছুকাফাৰ অৱশ্যে এই সম্পৰ্কে ধাৰণা আগৰ পৰাই আছিল। ম্যুং ছে, ম্যুং য়ুন লুং, ম্যুং তালি, ম্যুং পা কান (পাগান বা বাগান) ৰাজ্যত তামৰ ফলিত সংস্কৃত ভাষা খে (চীনা) ভাষা, খা মন সকলে লিখিছিল বুলি গম পাই। তেনেবোৰ ৰাজ্যত বিশেষত পাকানত পুম না চাই সকল ফান পুৰ (পু জাতি) মাজত আছিল। আৰু পশ্চিমে লু ফাং (মুচলমান, মোগল) মানুহ আছিল সেই কথাও ছুকাফাই উমান পাইছিল। ম্যুং মাওৰ পৰা ম্যুং তালি (দালি) লৈ গৈ যুদ্ধ কৰোতে তেওঁ খে, ল'ল' আদি লোকৰ মুখত চেং কিত খাৰ (ছেং গীজখা) কথাও শুনিছিল।

এনেবোৰ কাৰণতে ছুকাফাই বিমুন আৰু থাও ম্যুং সকলৰ লগত পশ্চিমৰ বিষয়ে না না কথাৰ আলোচনা কৰিছিল আৰু নিজেও এক শেন চকু ৰাখিব লাগিব বুলি বুজিছিল। কামতা তিমিছাৰ কৰ তোলা কিজন নহাৰ বাবে তেওঁ বেচি চিন্তান্বিত হৈছিল।

ছুকাফাই বুজিছিল স্থানগিৰিৰ মানুহবোৰৰ লগত নিমিলিলে, তেওঁলোকক, তেওঁলোকক মৰম শ্ৰদ্ধা নকৰিলে, তেওঁলোকক সুবিধা নিদিলে তেওঁলোকে ছুকাফাৰ ৰাজত্ব মানি নল'ব আৰু চাম সকলক আপোন কৰি নল'ব। ছুকাফাই এই কথাও চিন্তা কৰিছে যে পশ্চিমৰ পৰা ক্ৰা সকলে বা লুফাং সকলেও পূবলৈ নাম তি লাওয়েদি উজাই তেওঁলোকক খেদিবহি পাৰে। সেয়ে থানগিৰিৰ মানুহবোৰৰ লগত তেওঁৰ মিতিৰালি হ'বই লাগিব। তদুপৰি তেওঁ আহিছে মাটি খাবলৈ, নিগাজিকৈ থাকিবলৈ, অভিযান কৰি ঘুৰি যাবলৈ নহয়।

পূৰ্বতে কেবাবাৰো আমাৰ মানুহ আহি দিউৰা দেশ ভাঙিছেহি। এই নামজিনৰ উত্তৰে গৈ আমাৰ সৈন্যই ম্যুং মাও ম্যুং কং আদিৰ পৰা আহি দিউৰা ৰাজক মাৰিবলৈ আহিছে। প্ৰায়ে এইদৰে আমাৰ মানুহে আহি দিউৰা ৰজাক বশ কৰি আমাৰ ফু কিন ম্যুং পাতি যায়। আকৌ বিদ্ৰোহ কৰি তেওঁক মাৰে। কেতিয়াবা কৰ তোলাজনক কৰ নিদিয়ে। এইদৰে দুই তিনিবছৰৰ মুৰে মুৰে দেখুন আমাৰ মানুহৰ সতে দন হাই লাগি থাকে। ম্যুং মাও ম্যুং কংত আমাৰ মানুহে দিউৰাক তিওৰা ছুত্যা বুলি কয় আৰু বহুতেই তেওঁলোকৰ ৰজাৰ কথা ভাবি চাও তিওৰা বা বহুতে ছু তিও আ বুলিও কয়। তেওঁলোকেও বাঘৰ নিচিনা যুঁজ দি থাকে বাবে বাঘৰ নিচিনা দিওৰা জাতি বুলি কয়। অৱশ্যে আমাৰ লিখক ম' লিক সকল পঢ়া শুনা মানুহ বাবে দিওৰাক তিওৰা লিখে, সাধাৰন মানুহৰ মুখত কিন্তু ছু তিওয়া বুলিহে শুনা যায়। আমাৰো ৰাজ পৰিয়ালৰ তথা সাধৰন সৈন্য পৰিয়ালৰ সৈতে তিওৰাসকলৰ লগত মিলি গৈছিল। সম্ভৱত এনে কাৰণতেই বহু তিওৰা দেখাত

আমাৰ দৰেই লাগিছে। এৰা হয় মোৰ এনায়দেৱে কৈছিল খুন তাইৰ কথা। খুন তাই বুলি এজন তাই ৰাজকোঁৱৰেও বোলে ম্যুং কুণ্ডৰ পৰা নাম ৰুক আৰু নামজিনেদি গৈ নং ফম্ তা (ব্ৰহ্মাকুণ্ড) আৰু ম্যুং কুন তিন (কুণ্ডিল)ৰ ফালে থকা চাও তিউয়া ৰাজ্যত দেশ লবলৈ গৈছিল। তেওঁ বোলে ম্যুং কং ৰজাৰ ভায়েক আছিল। তেওঁ বোলে ছে ৰাই খ' ৰং (চৰাই খোৰোং) নগৰত ঘৰবাৰী পাতি থাকিল। দয় নাম ছাঙৰ ওচৰতে ছে ৰাই খন। আমাৰ লগত অহা তিওৰাৰ দুই এজনেও খুন চাম লুংফাক চাম ৰজা আৰু খুন তাইক চাম কোঁৱৰ বুলি তেওঁলোকৰ অভিযানৰ কথা কিছু কৈছে। ক'তা নয় চান ফা অৰ্থাৎ ম্যুং কং, চাও ফাই (ৰজাই) মোক খুন তাইৰ কথা কবলৈ পাহৰিলে। পাহৰিবও পাৰে।

এৰা যি নহওঁক তিওৰা সকলে আমাৰ কথা জানে। তেওঁলোকক ভালদৰে বন্ধুত্বৰে দোল নাবান্ধিলে আমাৰ ভাল নহ'ব।

ছ্যুকাফাই মনে মনে হ'লুঙৰ মিছাঙত বহি এইবোৰ ভাবি থাকে। কিয়নো তেওঁ আহিছে থাকিবলৈ, খাবলৈ, মাটিৰ মানুহ হ'বলৈ, তাই আৰু থানগিৰি সকলোৰে ৰজা হ'বলৈ। তেওঁ ভাবিলে থাও ম্যুং সকলক পৰামৰ্শ দিব কিদৰে থানগিৰি লোকৰ লগত আপোন হ'ব পাৰি। তেতিয়া পশ্চিমৰ লু ফাং (মুচলমান বঙাল, বিদেশী) কামতা যিয়েই নাহক তেওঁলোকে খেদি পঠাব পাৰিব। ছ্যুকাফাই এইবোৰ কথা খাং, কং সকলক কওঁতে মাজে মাজে কং চিং ফৌ কিজনে তেওঁক কৈছিল মুং কণ্ডৰ নৰা ৰজাও আহিব পাৰে তেওঁক ভাঙিবলৈ। তেওঁলোকে বোলে মুং কণ্ড তাইক নৰা বোলে। কং কিজনেই কলে তেওঁলোক চিংফৌ সকলকো বোলে মান আৰু চাম সকলে জিওতৰা বোলে। ছুকাফাই ভাবিলে কং কিজনৰ কথা অসত্যও নহয়। এই খণ্ডৰ কৰভাৰ যেতিয়া মুং কং চাওফা নৰা ৰাজে খাইছে তেনেস্থলত তেওঁ সেই পথ বন্ধ কৰিলে তেওঁলোকেও খং খাব পাৰে।

এৰা ঠিকেই। কামতা আৰু তিমিছাৰ পৰা কৰ তোলা কিজন আহি পালেই একাংশ আমি ৰাখি বাকিখিনি ম্যুং কং চাওফালৈ পঠাই দিব লাগিব। বাৰিষাৰ আগে আগে ম্যুং কামতা (কমতাপুৰ ৰাজ্য) আৰু ম্যুং তিমিছা (দিমাছা ৰাজ্য)ৰ পৰা কৰ তুলি দুয়োজন কেইদিনমান অগা পিচা কৰি চল্লিশ পঞ্চাশ খন কৈ নাও লৈ উজাই আহি ওলালেহি। বিমুন পাতৰে আগতীয়াকৈ গৈ জাননী দিলে তেওঁলোকক যে তেওঁলোক ম্যুং কণ্ডতে ৰব লাগে। ম্যুং মাওৰ ৰজা ছ্যুকাফাৰ আগমনৰ কথা জনালে। তেওঁলোক এইবাৰ প্ৰায় চাৰিবছৰ মানৰ মূৰতহে ঘূৰি আহিছে।

ছে গ্ৰু ম্যুং খণ্ডত কিছুদিন থাকিল তেওঁলোক। সকলো কথা বতৰা বুজাবুজি জনাজনি হ'ল। ম্যুং কণ্ডলৈ কৰ ভাৰৰ অংশ মানুহ দি পঠোৱা হ'ল। ছ্যুকাফা অহাৰ কথা জানি তেওঁলোকেও ভাল পালে। তেওঁলোকেও তিপামলৈ গৈ পাচত পৰিয়াল বৰ্গ লৈ

ছুকাফাৰ লগত যোগদান কৰিলেহি। তেওঁলোকৰ দুয়োটা পৰিয়াল তাই আৰু তিমিছা মিশ্ৰিত তেজ। দুয়োজন সংস্কৃত আৰু ভাটিৰ ভাষাত পাকৈত। তেওঁলোক দুয়োজন ছুকাফাৰ লগ হোৱাত ছুকাফা আৰু টনকীয়াল হ'ল। তেওঁলোকৰ পৰা ছুকাফাৰ ভাটিৰ জ্ঞান বহু বেচিকৈ লাভ হ'ল। তেওঁলোকৰ পৰা ছুকাফাই গম পালে ভাটিৰ ফালে বোলে লু ফাং সকল ওলাইছেহি। আৰু ভাটিলৈ তেওঁলোকৰ মানুহ আৰু বেচি আছে বোলে।

ছুকাফাই এদিন সভা এখন পাতি সকলোৱে মহ মাৰি একেলগে খাই একতাৰ দোলেৰে বান্ধ খোৱাৰ কথা বুজাই দিলে। ভাটিলৈ কৰ তুলিবলৈ যোৱা মানুহ দুজনেও ভাটিৰ কথা ৰাইজক বুজালে। থানগিৰি মানুহৰ মাজতো এই কথাবোৰ বতাহৰ দৰে বিয়পি পৰিল। অৱশ্যে থানগিৰিৰ লোকসকলেও মাজে মাজে কামৰূপৰ ৰজাৰ সতে যোগাযোগ ৰাখিছিল। কোনো কোনো ভাটিৰ ৰজা আহিছিলোঁ। তাৰো ভাটিৰ মানুহ আহি শিল কাটি দেৱ দেৱতাৰ মন্দিৰ আৰু ভাস্কৰ্য বনোৱাৰ কথাও থানগিৰি সকলে জানে। তেওঁলোকে নিজেও এনে কাম কৰিছিল। ভাটিত এনে মন্দিৰ আৰু আছে। এইবোৰ কথা অৱশ্যে থানগিৰি সকলে গম পাইছিল। উজনীৰ পৰা ভাটিলৈ অহাযোৱাও চলিছিল। বেহা বেপাৰো চলিছিল।

বিয়াল্লিশ

তিমিছা গাওঁখনৰ মানুহে হাবি কাটি জুই দিবলৈ ওলাইছে। মতা মাইকী গোটেই মখা। কোনো কোনেৰে জুই দিলেই। দপ দপকৈ জুই জ্বলি উঠিল।

ছুকাফাৰ মানুহ বিশজনমানে সেইফালে হাবিত কি কি গছ আছে আৰু হাবিত বনৰীয়া মুগাৰ সঁচ পোৱা যায় নেকি পৰ্যবেক্ষন কৰি ফুৰিছিল। এনেতে হাবিত জুই জ্বলা দেখি তেওঁলোকে ওচৰ চাপি গ'ল।

কি কৰিছা ভাই সকল ?

তিমিছা সকলে কলে- ধান খেতিৰ বাবে মাটি ওলিয়াইছোঁ। আমি এইদৰেই ধানখেতি কৰোঁ।

'পিচে তোমালোকে দেখা নাইনে আমি কিদৰে বোকা পানী লেটিয়াই ধান খেতি কৰোঁ। আমাৰ মাটি বোৰ এহাত ওখকৈ মাটি উঠাই আলি দি ডুবা ডুবাকৈ ভাগ কৰোঁ। বৰষুণৰ পানী প্ৰতি ডুবাত ৰৈ থাকে। কোনোবা ডুবাত পানী নহলে অন্য ডুবাৰ পৰা

পানী বগৰাই দিওঁ। বৰষুনৰ পানী জমা নহলে আমি চকা লগাই মহৰ দ্বাৰা বুদ্ধি কৰি চকাবোৰ ঘুৰাই পানী নামজিনৰ পৰা পথাৰবোৰত চটিয়াই দিওঁ। তোমালোকে এইবাৰ চাই আহিবাগে। এইবাৰ তোমালোকে আমাৰ লগত খেতি কৰিবা। তোমালোকৰ মাটিতে আমি বোকা লেটিয়াই আঠা লগা চাউলৰ ধান খেতি কৰিম। তোমালোকে মহবোৰ ৰাখি থবা। চাম সকলৰ কথা শুনি তেওঁলোকে বৰ আগ্ৰহ প্ৰকাশ কৰিলে।

তাই সকলে ক'লে, "চোৱাচোন আমি হাবিত এই পোক মন বোৰ তোমালোকৰ ওচৰৰ হাবিত পায়। জুই জ্বলি গছবোৰ পুৰি গ'ল, এই পোকবোৰ মৰিব। এইবাৰ মুগা পোকৰ খেতি কৰিম চোৱা, হাবিবোৰ এনেদৰে পুৰি নেপেলাবা।

মানুহবোৰে অহাবাৰ তাই সকলৰ লগতে ধানখেতি কৰিব বুলি কথা হ'ল। তিমিছা মতা মানুহবোৰে তাই সকলৰ পৰা বাঁহ ফালি জেউৰা গুঠা পদ্ধতি শিকি ল'লে। কাঠৰ বা বাঁহৰ গোঁজ পুতি ফলিয়া বা গোটা বাঁহ এডাল এডালকৈ বান্ধি দিয়াটো বৰ কষ্টকৰ। সময়ো লাগে। তিমিছা মানুহবোৰে গাত একো চোলা পিন্ধা নাছিল। ছ্যুকাফাৰ মানুহ বিলাকে বুঁকু ফলা এণ্ডা চোলা কেনেকৈ সি লব লাগে দেখালে আৰু তিমিছাসকলে নিজে বৈ লোৱা কঁপাহৰ দ্বাৰা কাপোৰ বৈ গাত চোলা পিন্ধিবলৈ শিকাই বুজাই দিলে। তদুপৰি এৰিয়া কাপোৰ তিমিছা আৰু তিওৱাইও বৈছিল কিয়নো তেওঁলোকে নিজেও এৰি পলু পুহিছিল। কিন্তু কাপোৰ বোৰ এৰিয়া কাপোৰেৰে চোলা চিলাই লৈছিল। জাৰ কালি এৰি কাপোৰৰ চোলাৰ উপৰিও কঁপাহৰ ডাঠকৈ বোৱা কাপোৰৰ চোলা চিলাই লৈ গাত পিন্ধিছিল। চোলাবোৰত অৱশ্যে ডাঙৰ ডাঙৰ জোঙা ফুলো লগাইছিল।

তিমিছা সকলৰ বৰষুণৰ সময়ত মূৰত লোৱা জাপি বোৰ আছিল কাচপিঠিয়া এটা মূৰ মূৰত থাকে। চাম সকলে ঘুৰনীয়াকৈ জাপি বনাই মাজত মূৰটো সুমুৱাই দিয়ে। এই ধৰণৰ ঘুৰণীয়া জাপীও চামসকলৰ পৰা ববনাবলৈ শিকিললে। থানগিৰিসকল তাই সকলৰ নামজিনৰ পাৰত থকা বানকুপ গাঁৱলৈ গৈ জাপী বনাবলৈ শিকি লোৱাৰ আগ্ৰহ দেখি ছ্যুকাফাই তেওঁ লোকৰ কিছুমানক জাপী সাজিবলৈকে নিয়োগ কৰিলে। কিছুদিনৰ ভিতৰত চামসকলৰ সমানে সমানে জাপী, বেঁতৰ পান বঁটা, বেতৰ ফুন, কাঠৰ ওপ কিন খাও আদি বনাবলৈ পাৰ্গত হৈ পৰিল। তাইসকলে বাৰীৰ চৌপাশে ঢাপ পৰিল। তাইসকলে বাৰীৰ চৌপাশে ঢাপ মৰা, বাৰীৰ ঢাপত গছ ৰুৱা, বাৰীত নাদ আৰু পুখুৰী খন্দা, বাঁহৰ জেউৰা গুঠা, ঘুৰনীয়া জাপী বনোৱা, মহৰ হালবোৱা নাঙল বানোৱা, বোকাত হালবাই শালী খেতি কৰা তিমিছা, ডিমাছা মৰাণ সকলেও ভালদৰে শিকি ল'লে। এনেয়েও আদা, কঁপাহ, শাক পাচলি খেতি কৰাত মৰাণ সকল ওস্তাদ।

তিমিছা, তিওৱা, খাফী, খা লাং সকলে ঘৰ ভিত্তিক বাৰী পতা নাছিল। তেওঁলোকে

প্রায় হাবিৰ গছ গছনীৰ ওপৰতেই নির্ভৰ কৰিছিল। তামোল পান, আম কঠাল মাটি কঠাল আদিবোৰে যতে ততে বুই লৈছিল। ঘৰৰ চাৰিওফালে বিভিন্ন ভাগত ভগাই, বাঁহবাৰী, কাঁঠনীবাৰী, তামোলবাৰী, শাকনি, শালী কঠিয়াতলী, মাহতলী, এৰো গছবন নকটাকৈ হাবী কৰি ৰখা বাৰী, আগ চোতাল পাচ চোতাল এনেধৰনৰ ব্যৱস্থা তেওঁলোকে কৰা নাছিল। তাই শ্যামসকলে এনে ধৰণৰ বাৰী পতা দেখি থানগিৰি সকলেও এনেধৰণৰ বাৰী পাতিবলৈ ধৰিলে। এনেদৰে বহু শস্য উৎপাদন কৰিবলৈ ধৰিলে তেওঁলোকে।

থানগিৰি সকলে বহুতেই ছ্যুকাফাৰ অধীনত, থাওম্যুং সকলৰ আৰু অনান্য বৰবিষয়া সকলৰ অধীনত বিভিন্ন ধৰণৰ কাম কাজত অৰ্ন্তভূক্ত হ'ল। কোনোবাই কুকুৰা ৰখা, কোনোবাই হাঁহ ৰখা, কোনোবাই গৰু মহ ৰখা, কোনোবাই হাতী ৰখা, কোনোবাই খৰি যোগোৱা শাক যোগোৱা ঔষধ যোগোৱা, কাঠ যোগোৱা, চিকাৰত সহায় কৰা, নাও চলোৱা, ঘোঁৰা চোৱা, পূজাপাটিলত লগনীয়া পচনীয়া, না না ধৰনৰ লগুৱা লিকৰা লিকচৌ কামত সোমাব ধৰিলে। এইদৰে কিছুমান থানগিৰি চাম সকলৰ লগত মিহলি হৈ পৰাৰ দৰে হ'ল। বহুতেই চামসকলৰ লগত থাকোতে থাকোতে চামসকলৰ তাই ভাষা কব পৰা হ'ল আৰু চামসকলে পিন্ধা চোলা কাপোৰকে পিন্ধিব ধৰিলে। খোৱা বোৱা চলন ফুৰণ, আদব কায়দা বোৰো চামসকলৰ নিচিনাই হৈ পৰিল। মানুহবোৰৰ নামবোৰো তাই ভাষাৰেই চাম মানুহবিলাকে দিলে। ফলত পাচলৈ থানগিৰিৰ খা সকলে অৰ্থাৎ চাম ৰজা অৰু চাম সকলৰ সেৱক সেৱিকা সকলে নিজকে চাম মানুহৰ বংশৰ লোক বুলিহে চিনাকি দিবলৈ ধৰিলে। বিশেষ অসুবিধা নহ'লে চামবিলাকে আপত্তিও নকৰিছিল। কিন্তু তেওঁলোকে মূৰত উঠিবলৈ বিছাৰিলেহে কেতিয়াবা কেতিয়াবা বংশৰ গুৰি গোষ্ঠী বিচাৰি দণ্ড বিহিছিল। চামসকলৰ দণ্ডবোৰ বৰ কঠিন আৰু নিৰ্দ্দয় হোৱা বাবে ভয়তেও বহুতে মনত দায় ধৰিব বিচাৰিলেও দায় নধৰি মনে মনে সহ্য কৰিছিল। নিজকে ভালকৈ মিলিজুলি চামসকলৰেই এজন বুলি পৰিচয় দিয়েই ভাল পাইছিল। কুকুৰা চোৱাক ফু দু কাই, গৰু মহ ৰখাক, হু পা লিক খাই পালিক, বা ফু দু আৰু ফু দু খাই, হাতী চোৱাক ফু দু চাং বা ফু দু ছাং, কঠীয়াতলী চোৱাক ফু দু কা খাও, ধাননী পথাৰ চোৱাক ফু দু না খাও, বাৰী চোৱাক ফু দু চুন, ঘৰৰ বনকৰা মতাক লিক ৰা আৰু মাইকীক লিক চাও বা লিক চৌ, মদাম ৰখীয়াক ফু ত্যু মও দাম, ঘোঁৰা চোৱাক ফু দু মা আদি বুলি চামসকলে কব ধৰিলে। খা বিলাকেও নিজকে এনেদৰেই চিনাকি দিছিল।

তিমিছা আৰু কামতাসকলৰ কৰ তোলা দুজনকো ছ্যুকাফাই লগত দলত ভৰাই ল থাও ম্যুং থিমা বা থাও ম্যুং দিমা বা তিমা বুলি ক'ব ধৰিলে। পূৰ্বৰ পৰাই তেওঁলোকৰ মাত চাম তেজ আছিলেই, এতিয়া ছুকাফাই তেওঁলোকক উচ্ছ বিষয়া শ্ৰেণীৰ থাও ম্যুং

পৰিচয় দিলে। তেওঁলোকৰ ঠাইত তেওঁলোকৰ পৰামৰ্শ লৈ আন তিনিজনক তিমিছা তিওৰা মৰান আৰু কামতাৰ চই' কৰ তুলিবলৈ মানুহ নিযুক্তি দিলে। এবছৰৰ পাচত ছ্যুকাফাই এই থাও ম্যুং তিমা দুজনক লান তাই ম্যুং ছে হুং' কৰি চিনাকি দিয়ালে। অৰ্থাৎ ছে নগৰ, হুং মানে গড়, গড়ৰ ভিতৰৰ নগৰৰ লান তাই ম্যুং (পাচত গড় গঞা সন্দিকৈ)। তিওৰাৰ (চুতীয়া) কৰ তুলিবলৈ মতক কটকী আৰু তিমিছাৰ কৰ তুলিবলৈ খা খাং নকা (নগা) কটকীক নিয়োগ কৰিলে।

ছ্যুকাফাই তিপামৰ তিওৰা সকলৰ মাজৰ পৰা অনা এঘৰ তিওৰা মানুহ ৰজাৰ বৰ প্ৰভুভক্ত হোৱা দেখা পালে। চাওফা ছ্যুকাফাক চামসকলতকৈ অধিক সেঁৱা সৎকাৰহে কৰা দেখা পালে। তদুপৰি কুন তিওৰা মানুহঘৰে তাই ভাষা তিনি চাৰি বছৰতে শিকি চাম সকলৰ পোচাক পৰিচ্ছদ পিন্ধি একেবাৰে ধৰিবই নোৱাৰা হ'ল। তাতে মানুহ কিজনো দেখাত চামসকলৰ দৰেই ৰঙা বগা হালধীয়া বৰণৰ চালৰ লোদোৰ পোদোৰ চেহেৰাৰ মানুহ আছিল। তেওঁলোকে বোলে পূৰ্বতে খুন লু চ্যেও নামৰ তাই মানুহজনৰ দলৰেই এজন তাই লোকৰ তিওৰা জাতৰ তিৰি লোৱা মানুহৰ সতি সন্ততি। ছ্যুকাফাও তেওঁলোকক দেখি তিওৰা তাই মিশ্ৰিত মানুহ বুলি বেয়া নাপালে। ছ্যুকাফাই দেখিছিল যে চাওফাৰ ইষ্ট দেৱতা ৰাজশক্তিৰ চাও ছেং বৌন অৰ্থাৎ চুম ফ্ৰা বুম ছেং ম্যুং চুমদেওৰ ঘৰ তদাৰক কৰিবলৈ মানুহ তাকৰ হৈছে। পূৰ্বতে অহা চিৰিং সকল তিনিটামান পৰিয়াল চুম দেও ঘৰৰ ভিতৰৰ কামবোৰ কৰাত নিয়োজিত হৈ আছে। তাৰে দুজনমানে চুমদেও সম্পৰ্কীয় পুথি পাঁজী লিখা, দুজনমানে চুমদেও পূজা পাটল চলোৱা আৰু দুজনমানে বুৰঞ্জী ৰখীয়া তদাৰক কৰা বাবে চুমছেং ঘৰৰ বাহিৰৰ চৌহদ, চুমছেং ঘৰটো মেৰামতি কৰি থকা মানুহ কম হোৱা বাবে এইজন তিওৰা ছাম বংশৰ তিওৰাকে চুম চিৰিং বুলি এনেবোৰ কৰ্মত ছ্যুকাফাই নিয়োগ কৰিলে। চাওফাৰ তাতে তাইসকলৰ মূল ৰাজশক্তি ইষ্টদেৱতাৰ সেৱা সৎকাৰ কৰিবলৈ পাই তিওৰাজনে নিজকে ধন্য মানিলে আৰু অতি বিশ্বাসেৰে সেই কাম কৰিবলৈ ধৰিলে। মূল চুম চিৰিং হিচাবে দায়িত্ব পোৱাজন ডেকা মানুহ আছিল। সিও ম্যুং কাঙতেই লান তাই ম্যুং পৰিয়ালৰেই এগৰাকী জীয়াৰী বিয়া কৰালে। কিছুদিনৰ পাচত ম্যুং কাঙতেই তেওঁৰ দুটি সন্তান হ'ল এটি খাত মুং, এটি পান ম্যুং। নামবোৰ তাই ভাষাৰেই থলে। চিৰিং এজনেই চাই চিতি এই নাম দুটা দিলে।

ম্যুং কাং ছে শ্ৰু ম্যুং খং তেই তি পামৰ উজনীৰ উত্তৰৰ তিওৰা এজন বৰ ভালকৈ ঝলম কাটিব জানে বাবে লৈ আহিছিল। থানগিৰি সকলে তেওঁক ঝলম বটা বুলি কয় যদিও ছ্যুকাফাই তেওঁক 'চাং চাই' নাম দিলে। চাং চাইৰ অৰ্থ হৈছে য়চাং মানে জনা পাৰ্গত মানুহ আৰু চাই হৈছে ৰচী বা জৰী ঝলম 'চাং চাই' বাব পায় ৰচি বটাত

পার্গত তিওৰাজনেও দুগুণ উৎসাহেৰে চাওফা ছ্যুকাফাৰ আপোন হ'বলৈ তাই ভাষাকেই নিজৰ ভাষা হিচাবে ক'বলৈ ধৰিলে। তেৰোঁ পূৰ্বতে অহা ছে ৰু মা বা ঘোঁৰা ৰথীয়া মুৰব্বী পৰিয়ালৰ এজনী তাই ছোৱালীকে বিয়া কৰালে। ম্যুং কঙতেই এটি লৰাও হ'ল, তাৰো নাম থলে পুং কাম চাং চাই।

ছ্যুকাফাই তিপামতে মাই মাই খ্রিও ৰত নামৰ এজন তুলাচালনি ধৰা মানুহকো বৰ পাৰ্গত দেখি লগত লৈ আহি ম্যুং কাং চে খ্রু ম্যুং খ্রঙত ৰাজপোচাক তৈয়াৰ কৰিবলৈ লগালে। তিপামতেই তেওঁ ছুকাফাক তাই নিয়মমতে ধুনীয়াকৈ ৰজাৰ দীঘল চোলা চিলাই দিছিল। সেয়ে ছুকাফাই ম্যুং কঙত তেওঁক সম্পূৰ্ণকৈ ৰাজপোচাক চিলাবলৈ নিযুক্তি দিলে। মাই মাই খ্রি ৰতেও ম্যুংকাঙত খা থাঙৰ পৰা মানুহৰছোৱালী এজনী ঘৰৰ মানুহ কৰিলে। তদুপৰি তেওঁ পূৰ্বৰ এগৰাকী তিমিছ্যা তিৰীও আছিল। কিন্তু ম্যুংকাঙত সকলোৱে চাম সকলৰ মাজত সোমাই পৰি তাই ভাষা শিকি চামৰ পোচাক পৰিচ্ছদ পিন্ধিবলৈ ধৰিলে। তেওঁলোকে তিপামলৈ নাঁৱেৰে দুবাৰমান ফুৰিবলৈও গৈছিল। তিপামৰ নিজৰ গাঁৱতো তেওঁলোকে মানুহবোৰক চাম সকলৰ নিচিনাকৈ থাকিবলৈ খাবলৈ পিন্ধিবলৈ শিকাই আহিল।

ছ্যুকাফাই লক্ষ্য কৰিলে ম্যুং কাং ছে খ্রু ম্যুং খ্রুঙত হালধী খাও মিনৰ খেতি বহু ভাল হয়। ইয়াৰ ইটা যেনেকৈ ৰঙা হালধীবোৰো তেজ ইটাৰঙী ৰঙা। শাক পাতত ৰঙ দিলে ৰঙো ভাল ধৰে। এই হালধীৰ ৰং লগাই খাও ফাত খাই, খাও ফাত খাই, খাও ফাত নু খাই, খাও ফা প্লা, খাও ফাত মু অৰ্থাৎ কুকুৰা কনী, মহ, মাছ আৰু গাহৰিৰ মাংসৰ লগত ভজাঁ ভাত খাই বৰ সোৱাদ লাগে। বহুদিন পুৰা কিন ঙাই খাও চাও খাওঁতে এই ধৰণৰ ভজা ভাতেই খাইছিল। তদুপৰি মৰান সকলে বৰ ধুনীয়াকৈ হালধী খেতি কৰিছিল।

ইয়াত হালধী খেতি ভাল হয় বাবেই ছ্যুকাফাই 'ফাম কুন চুন খাও মিন' বিভাগ এটা সৃষ্টি কৰিলে। অৰ্থাৎ হালধী বাৰী পতা মানুহৰ গোট এটাৰ সৃষ্টি কৰিলে। তেওঁ এওঁলোকক ভবিষ্যতেও ছ্যুকাফাক হালধী যোগান দিবলৈ নিবন্ধ কৰি দিলে। তদুপৰি এই হালধীৰ ৰঙেৰে চাউল ৰং কৰা, কাপোৰ ৰং কৰা তথা কাঠৰ বাচন বৰ্তন ৰং কৰোঁতে ব্যৱহাৰ কৰিবলৈ সুচল পালে।

চাও লুং ছ্যুকাফাৰ মনত নতুন চিন্তাৰ উদয় হব ধৰিলে। পুনৰ অস্থিৰ হল মন। এবাৰ ভাবিছিল ছে খ্রু ম্যুং খ্রংতেই ৰাজধানী পাতি স্থায়ীকৈ থাকিব। এনে মন কৰি ছ্যুকাফাই ৰাজধানী ছে খনৰ চাৰিওফালে শিলৰ ঙাও ছেং পাখি লগা সৰ্প সিংহৰ মূৰ্তিও চাৰিটা কাটি থাপনা কৰিলে। পাত তু ছে লুং নামৰ ৰাজধানীৰ প্ৰধান দুৱাৰ মুখতো দুয়োফালে দুটা ডাঙৰ ডাঙৰ পাখিলগা ছেং লুং শিলত কাটি ৰাখিছিল। ছেং লুং দুৱাৰৰ

দুয়োফালে বিশ ত্ৰিশ নল মান শিল আৰু ইটাৰে ওখকৈ গড়ো বনাইছিল। গড়ৰ গাত না না ধৰণৰ হাতী, চৰাই মাছ ফুল আদিৰ খোদনো কৰিছিল। মুঠতে ৰাজধানীখন সুন্দৰকৈ সজাই পৰাই তুলিছিল।

নামজিনে ভটিয়াই গৈ তিলাওয়েদি উজাই ভটিয়াই চাই নাও লৈ চাবলৈ যোৱা মানুহকিজনে ছ্যুকাফাক জনালেহি যে সেইফালে কিছু মুকলি ঠাই আছে। থানগিৰি মানুহো ম্যুং কাণ্ডতকৈ কিছু বেচি দেখিলে। হাবি জংঘলো বোলে অলপ কম।

ছ্যুকাফাই সেই ভাটিৰ ফালেই গৈ দেশ বহলোৱাৰ কথা ভাবিলে। ছে গ্ৰু ম্যুং খণ্ডত ইমান কষ্ট কৰি হাবি মোকলাই থকাতকৈ কিছু কম হাবিৰ ঠাইলৈকে যোৱা ভাল হ'ব বুলি ঠিৰাং কৰিলে। তেওঁ খুন চেংফা থাও ম্যুং, বিমুন মৰান পাতৰ, থাও ম্যুং তিমা, খুন তাই আদি সকলৰ লগত আলোচনা কৰিলে। সকলোৱে ছ্যুকাফাৰ মনোবাঞ্চা পূৰণ কৰাৰ কথা ভাবিলে। ভবিষ্যতে মানুহ বাঢ়িব, নতুন মানুহো পোৱা যাব। ৰাজ্য বহলোৱাই ভাল।

ছ্যুকাফাইও ক'লে, "আমি আহিছো নতুন ঠাই বহলাবলৈ। মানুহবোৰ আমি ঘুৰিয়েই ফুৰিছোঁ। কোনো এঠাইত নিগাজিকৈ মই থাকিবলৈ লোৱা নাই। চুং সলাই ফুৰিছোঁ। কন চুং ফা আছে, দয়ালু ঈশ্বৰ আছে, দয়া কৰিব আমাক। ফা তুৰ ছিং ফ্ৰং হুঙে মহা শুন্যত বিয়পি থাকিব পাৰিছিল। আমি ধৰনী দিন পাইছো। কিয় নোৱাৰিম। অতীত কালৰ পৰা আমাৰ হাতত চুম ছেং আছে। চুম ছেং হ'ল ৰাজ শক্তিৰ আধাৰ। ছেঙে দেশক শক্তি দিলে। দেশৰ লাক ম্যুং ই ধৰি ৰাখে। আমি এতিয়াও লাক ম্যুং দেশৰ ধৰণী খুটা বহুৱাব পৰা নাই। আমাৰ খাও খাও ম্যুং মাও ৰুঙৰ ধৰণী খুটা লাক ম্যুঙতে ময়েই কত দিন লু খাও, উম হেও চু সেৱা পূজা কৰিলোঁ। এতিয়াও মই পাহৰা নাই। আমাৰ লগত ক'ত ডেকাই জীয়ৰী প্ৰেমিকাক ম্যুং মাওত এৰি আহিল। ক'তৰ বিয়াই হোৱা নাই। তেওঁলোকৰ বহুতেই অনেক দুখ কষ্টত ভোগিছে। গতিকে সোনকালেই এখন স্থায়ী ৰাজধানী গঢ়িব লাগিব। আমাৰ আগতীয়াকৈ চাই অহা মানুহকিজনৰ মতে আমি ভটিয়াই গৈ নামজিনৰ উত্তৰ পাৰে নাম তিলাওয়েদি ভটিয়াই বোলে বহল দেশ এখন পাম হা বুং। তাতো বোলে তিওৰা সকল আছে, আছে যদিও কম, তাৰো সিফালে নাম খাম নাম তিমা (সোৱনশিৰি) খাম নাম তিমাত বোলে সোণ খাম ওলাই। সোণ কমোৱা মানুহ বোলে তিমিছা সকল পাকৈত। আমি নাম মাও নাম পাওত বালিত সোণ কমাইছিলোঁ এতিয়াও কমাও। তেওঁলোকে শুনি আহিছে তিলাওয়েদি ভটিয়াই গ'লেও গৈ কামতা কচ্চ' (কোঁচ), চাও দিন (ভূএগ্ৰ) আদি সকলকো পাইগৈ বোলে।

থাও ম্যুং তিমাই ব'বলৈ ধৰিলে, " হয় চাওফা দেৱতা, দিমা ফিচা মানে অৰ্থটোৱেই

হৈছে পানীৰ পুত্ৰ। তেওঁলোকো আমাৰ দৰেই পানীৰ লগত থাকিয়েই ভাল পায়। সেয়েই বোধকৰো হা বুঙৰ ফালে থকা দিমা ফিচা সকলে নাম চাইৰ লগতে সোণৰ বাবে বহু কষ্ট কৰিব জানে। তদুপৰি অতীজৰ পৰাই দয় কুমুন কামান (মিচিমি)ৰ পৰা সিফালে উত্তৰলৈ ম্যুং তালিলৈকে বাট আছিল আৰু কুমুন কামানৰ পৰা তিওৰা ৰাজ্যৰ কুন তিনৰ ফালে নাম তিলাওৰ পাৰে পাৰে পশ্চিমলৈ বাট আছিল। এই বাটেৰেও কামতা ৰাজ্য পাইছিলগৈ। তাহানি বোলে নাম তিলাও খন বৰ্তমানতকৈও উত্তৰে পাহাৰৰ কাষে কাষেই বৈ গৈছিল। তিলাওৰ পাৰে পাৰে পাহাৰৰ টিলাত বোলে শিলৰ পুৰনি মন্দিৰ ঘৰ আজিও দেওঘৰ হিচাবে আছে।

ছুকাফাই সকলোকে হাবুঙৰ ফালে যাবলৈকে চিন্তা কৰাৰ কথা ক'লে। ফু লুং সকল, আপোনাক সকলোৱে চিন্তা কৰক, হাবুঙলৈ গৈ তাতে আমাৰ ৰাজধানী প্ৰতিষ্ঠা কৰা ভাল হ'ব বুলি ভাবিছোঁ। ইতিমধ্যে পি লাকনি খুত চিঙ্গাঁ, বুং মুত, তাও চান, কা ৰাও, কাপ মিত বছৰ পাৰ হৈছে। ইয়াত আমাৰ বচা বচা তিনিশটামান পৰিয়াল থাকি যাওঁক। তেওঁলোকেই এই ভঙা সুন্দৰ মাটিখিনি খেতি কৰিব। পানী পথ আৰু মাটিৰ বাটেৰেই তেওঁলোক আৰু আমাৰ মাজত অহা যোৱা থাকিব। সদ্যহতে দহ বিশটামান মানুহ আমাৰ লগতে যাব। আমি পাচৰ ঠাই বিচাৰি সঠিক কৰাৰ পাচতে তেওঁলোকে ইয়ালৈ আহিব। ইতিমধ্যে আমি তিপামৰ কান ভন আৰু ম্যুং লাখেন তেন ছাৰ ফ্ৰালুং খুন তঙক লগ কৰি আহি আমি ভটিয়াই যোৱাৰ বিষয়ে জনাই আহিবলৈ পঠোৱা উচিত হ'ব। তদুপৰি আমাৰ লগত যাবলৈ তেওঁলোকৰ ঠাইৰ পৰা একুৰি মানলৈকে মানুহ আহিবলৈ কব লাগে যাতে তেওঁলোকে ভৱিষ্যতৰ যোগাযোগৰ সকলো পথ চিনি পায়।

তিৰাল্লিশ

জাৰ কাল কমিছে। অসংখ্য ডাঙৰ ডাঙৰ নাও বনোৱা হ'ল। অৱশ্যে সৰু নাবোঁ এহেজাৰমানতকৈ অধিক বনোৱা হ'ল। পূৰ্বৰ নাওঁবোৰো ঠিক কৰি লোৱা হ'ল। বাঁহৰ কিছুমান নতুন ভূঁৰো বনালে। গৰু, মহ, হাঁহ, কুকুৰা, গাহৰী হাতী বাতি কাঁহী চৰু কাপোৰ কানি, না না শইচ, গছ গছনীৰ সঁচ ঢৰা পীৰা খেতি, ঘৰুৱা সকলো সা সঁজুলীবোৰ নিবৰ বাবে প্ৰস্তুতি চলোৱা হ'ল।

দিনবাৰ চাই মানুহবোৰে এদিন যাত্ৰা আৰম্ভ কৰিলে। নামজিনেদি কিছু ভটিয়াই গৈ ডাঙৰ ডাঙৰ ভূঁৰবোৰ পাৰত বান্ধি থলে। আগবঢ়াই থবলৈ যোৱা মানুহবোৰে পাচত ভূঁৰবোৰ টানি উজাই ম্যুং কাঙলৈ আনিবলৈ ঠিক কৰিলে। কিছু দুৰ গৈয়েই নামজিনৰ

উত্তৰ পাৰে নামি গৈ দিনটোৰ ভিতৰতেই হাঁতী ঘোঁৰা মহ গৰুৰে নাওবোৰ আৰু বাঁহৰ ভুঁৰবিলাক টানি নি নাম তিলাওত নমালেগৈ। নামজিনৰ পৰা এসাঁজ ভাত সিজোৱাৰ সমান দূৰত্বত নাম তিলাও। মাজ ঠাইত দুই এখন গাওঁ আছে। গাওঁবোৰ সেৰেঙা। বিশেষত গাওঁবোৰত তিমিছা আৰু তিওৰা মানুহ বেচি। তদুপৰি দুই এঘৰ পুম না চাই মানুহো আছে। ফুঁই এ্যাও তিনিঘৰমান পালে। কেইঘৰমান খা ফী আৰু জ'চ চ আৰু পাং দিন ছঘৰমান দেখা পালে।

ছুকাফাযে সেই ফালে আহি আছিল মানুহবোৰে গম পাইছিল। মানুহবোৰে আহি হেজাৰ হেজাৰ মানুহ দেখি চাবলৈ আহিছিল। লৰা ছোৱালীবোৰে এনে লোদোৰ পোদোৰ বগা গোলপীয়া খাও খৌৱং চালৰ মানুহ দেখি আচৰিত পাইছিল। তাতে মানুহবোৰৰ গাত ক'লা নীলা চোলা কাপোৰ। মূৰত বগা বগা পাগুৰী মতা মাইকী সকলোৰে মূৰত পাগুৰী, বিশেষত বগা ৰঙৰ, মাইকীৰ কঁকালত ৰঙা ডবোৱা বোৱা ডাঠ বহল ফিটাৰ দৰে কাপোৰ। মতাৰ কঁকালতো ৰঙা ৰঙৰ কাপোৰ বন্ধা।

নাঁম তিলাও নদীৰ (ব্ৰহ্মপুত্ৰ) বুকুত নাওঁ এৰি দিলে। হাতীবোৰ পানীয়েদি নমাই অনা হ'ল। ছুকাফাৰ সৰ্বমুঠ হাতী দহটা হ'লগৈ। ছুকাফাই থিৰাং কৰিছে হাবুঙত থাকি কিছু হাতী ধৰিব লাগিব।

আবেলিৰ পৰা আন্ধাৰ হোৱাৰ পূৰ্বে হাবুঙৰ ওচৰ পালেগৈ। পূৰ্ণিমাৰ জোনাক নিশা বাবে ভুঁৰ নাওবোৰ ৰাতিও যাবলৈ অসুবিধা নহ'ল। পূৰ্বতে যিখিনি ঠাইত নামিব বুলি ভাবিছিল সেই ঠাইৰ উত্তৰ আৰু দক্ষিনে দুয়ো পাৰেই নাওঁ আৰু ভুঁৰবোৰ ৰখালে। নামজিনৰ দক্ষিন পাৰে ৰ'ল কমেও তিনি কি চাৰি হেজাৰ মানুহ আৰু বাকী খিনি উত্তৰ পাৰে ভুঁৰ নাওঁবোৰ ৰখালে। পাৰে পাৰে নাও ভুঁৰবোৰ ৰখাওতে ইমান ঠাই আবৰি ললে যে প্ৰায় তিনি চাৰিবাৰ ভাত সিজাৰ সমান সময় খোজ কাঢ়িলে যিমান দুৰ হ'ব সিমান দুৰলৈকে ই বহল হৈ গ'ল। সকলো মানুহ ৰাতিয়েই পাৰলৈ নামি নগ'ল। পানীতে ৰচী পেলাই নাও ভুঁৰ ৰাখিলে। কিছুমানে নামি গৈ অস্থায়ীকৈ পাতৰ ইকৰা খাগৰী নাওঁ ভুঁৰ আদিৰ পৰা ঢাৰি পাতি পাৰি কোনোমতে ৰাতিটো কটালে। কিছুমানে নাওঁ ভুঁৰত কিছুমানে মাটিত নামি খৰি পাত গোটাই ৰাতি ভাত সাজ খালে।

পাচদিনা পুৱাবেলাই নামজিনৰ আৰু তিলাওৰ দুয়োপাৰে কিছুমান অস্থায়ী ঘৰ দুৱাৰ বনাই ললে। দুয়োপাৰে সম্পূৰ্ণ যোগাযোগ ৰাখিলে। তিলাওখন পাৰ হ'বলৈ প্ৰায় এসাজ ভাত সিজাৰ সময়তেই পাৰ হ'ব পাৰি। সেয়ে এয়া কোনোৰ বাবে অসুবিধা নহ'ল। উত্তৰ পাৰেই সৰহখিনি মানুহ থাকিল। কিয়নো উত্তৰ পাৰে আহল বহল ভূখণ্ড। মানুহ বসতি কৰা গাওঁ অঞ্চলৰ মানুহে খায় থকা মাটি ছুকাফাৰ মানুহে লবলৈ বিচৰা

নাছিল। হাবি হৈ থকা খেতি বাতি নকৰাকৈ থকা মাটিবোৰ কাটি কুটি সুচল কৰি ললে।

পোন্ধৰ দিনমান অস্থায়ী ঘৰবোৰতে থাকি দলে দলে সৈন্যৰ দৰে সন্থম হৈ কিন্তু অস্ত্ৰ সমূহ লুকুৱাই থৈ তাই মানুহবোৰে ওচৰৰ গাওঁবোৰত সুমাই মানুহৰ লগত ওচৰত পৰি থকা মাটি লৈ খেতি খোলা কৰিবলৈ বিচাৰিলে। গাঁৱৰ মানুহবোৰে তাই মানুহবোৰক দেখি ভয়ো খাইছিল আৰু শত্ৰু বুলিও জ্ঞান কৰিছিল। কিন্তু তাই মানুহবোৰে তেওঁলোকক নিৰ্ভয় দিছিল যাতে তেওঁলোকে ভয় নাখায়। তেওঁলোক কোনো ফাং ফ্ৰাং-ফিৰিঙি নহয়। তেওঁলোকে পিনং ভাই ককাই। কোনো কোনো দলে স্থানীয় মানুহ লগত লৈ গৈ সুচল ঠাইবোৰ দেখাই দিবলৈ কলে। এইদৰে মানুহবোৰ গৈ খে খাম নাম তিমাৰ (সোৱনশিৰি) পাৰ পালেগৈ। আনহাতে বহু সৰু সৰু নদী নাওঁ নোহোৱাকৈয়ে পাৰহৈ গ'ল। দুই এটা দলে তিলায়েদি নাওঁ লৈ আৰু অধিক এদিন দুদিনৰ বাট নাওঁ বাই ভটিয়াই গৈ সুচল ঠাইবোৰ চালেগৈ। তেওঁলোকে তিলাওতে নাওঁ বান্ধি পাৰৰ গাওঁবোৰক লগ কৰি কথা পাতে। গাওঁবোৰ নৈৰ পাৰে পাৰে যথেষ্ঠ সংখ্যক বহিছে, কিন্তু নৈৰ আঁতৰত পাহাৰৰ ফালে বসতি সেৰেঙা। তথাপি বসতি নাই বুলি ক'ব নোৱাৰি। উত্তৰৰ পাহাৰৰ ফালে গৈ পৰ্যবেক্ষন কৰি দেখিলে যে পাহাৰৰ নামনিত আৰু দুই এক পাহাৰৰ ওপৰত 'পাং দিন' (মিছিং) লোক সকল আছে।

তেওঁলোকে দেখিলে যে খে খাম নাম তিমা খনো উত্তৰৰ পাহাৰৰ পৰা ওলাই খে নাম তিলাওত পৰিছেহি। নাম তিলাওৰ বুকুৰেদি আৰু ভটিয়াই গৈ দেখিলে যে আন অৰ্থাৎ নামজিনখনেই আহি আহি নাম তিলাওত পৰিছে। উজাই গৈ চালে দিখৌ আৰু নামজিন মিলি অলপদুৰ আহি নাম তিলাওত পৰিছেহি। নাম তিলাওত পৰা অংশৰ পৰা নামজিন মিলা অংশৰ পৰা উজনীলৈ সেইখনক দিখৌ বুলি কোৱা হয়। এইবোৰ জ্ঞান মানুহবিলাকে গাৱঁৰ মানুহক সুধি মেলি উলিয়ালে আৰু সকলোকথা লিখিও ৰাখিলে। এই নদীষেৰৰ পাৰৰ মানুহবোৰ তিমিছা ডিমাছা।

খাম নাম তিমাৰ পৰা আৰু ভটিয়াই গৈ উত্তৰ পাৰে নাম চুম তিৰি (সাম দিৰি), নাম চাও পুলা (চাও পুৰা), কেলেলুবা (গেৰেলুৱা) নাম তি ক্ৰং (দি ক্ৰং) আদি নৈবোৰ নাম তিলাওত পৰাৰ উমান ললেগৈ। মানুহবোৰৰ মুখত শুনিলে যে খাম নাম তিমাৰ আৰু নাম তিলাওৰ মুখৰ পৰা পূবে পশ্চিমে উত্তৰে পাহাৰলৈকে এই বহুল ভূখণ্ডকে হাবুং বুলি কয়। মানুহবিলাকে জনালে যে তেওঁলোক ডিমাছা আৰু ভুএৱা ফুএও এৱা, কিছুমান কামতা কচ্ছ, কিছুমান কলিতা।

সকলো খিনি পৰ্যবেক্ষণ কৰি খাম নাম তিমাৰ (সোৱনশিৰি) দুয়োপাৰেই নাম তিলাওৰ উত্তৰ পাৰে নাম চিচিলৈকে তদুপৰি কেৰেলুবা (গেৰেলুৱা) নৈ লৈকে

অঞ্চলটোত ছ্যুকাফাৰ দলৰ তাই মানুহবোৰে গাওঁ পাতি বহিল। ছ্যুকাফাৰ মানুহবোৰে নাম চাও বুক চাওবুকীয়া, নাম লাই প্লেং লাইপুলীয়া আদি নদী বিলাক চাই চিটি ওখ বানপানীয়ে নোপোৱা ঠাই এডোখৰতেই ছ্যুকাফাৰ ৰাজধানী ছে হাবুং পাতিবলৈ মনস্থিৰ কৰিলে। তিলাও খাম নাম তিমা, আৰু তাৰ উপ নৈ বোৰ, গেৰেলুৱা, সোমদিৰি, লাই প্লেং, নাম চাও বুক, নাম তাল, নাম চাই, নাম ৰাই, আদি নৈ বিলাকেদি নাবঁৰ যোগেদি তাই ছ্যুকাফাৰ ৰাজধানীৰ লগত যোগাযোগ কৰিব পৰাকৈ প্ৰায় পঞ্চাশখনমান গাওঁ নিৰ্দ্দিষ্ট দুৰত্বত বহুৱালে। তেওঁলোকে প্ৰায় সত্তৰৰো অধিকখন ধাননী পথাৰ মাটি ভাঙি উলিয়ালে। তেওঁলোকে স্থানীয় মানুহবোৰৰ পৰা খোৱা মাটি কেতিয়াও কাঢ়ি লোৱা নাছিল।

হাবুঙত কাঠ বাঁহ হাবি বন অপৰ্যাপ্ত পাইছিল ছ্যুকাফাই। সেয়ে ছ্যুকাফাৰ বাবে খাম নাম তিমাৰ পূব পাৰৰ পৰা তিলাওৰ পৰা অনতি দূৰত নাম লাই প্লেঙৰ মাজৰ অঞ্চলতে তিনি ঠাইত হ'লুং নিৰ্মান কৰিবলৈ নিৰ্দ্দেশ দিলে। বাৰিষা অহাৰ আগে আগে ছ্যুকাফা সাজু হ'ল। কিয়নো তিপামত তেওঁ সেই অভিজ্ঞতা পাই আহিছে। ওখ ঠাইতো পাহাৰৰ পৰা অহা পানীয়ে বানপানীৰ সৃষ্টি কৰিব পাৰে। সেয়ে ওখ চাপৰি অঞ্চল চাই তেওঁ তিনি ঠাইতেই শাসন চলাবলৈ হ'লুং বনাবলৈ নিৰ্দ্দেশ দিছিল। তদুপৰি থাওম্যুং বিশেষত চাও ফ্রং ম্যুং আৰু চাও থাও লুঙেও অন্তত দুঠাইত বাৰীঘৰ নিৰ্মান কৰিলে। বাকীসকলে জলাহ ঠাইবোৰ এৰি ওচৰৰ ওখ ওখ ঠাইত বাৰীবোৰ শাৰী শাৰীকৈ বনালে। মাজে মাজে কিছুমান সৰু বৰ পুখুৰীও খান্দি ললে। পকী নাদ সৰহকৈ বনোৱাৰ পৰিবৰ্তে পুখুৰীকে অধিক খান্দি উলিয়ালে। কিয়নো হাবুং ঠাইখন বালি অঁহীয়া আৰু পলসুৱা। চামসকলে দেখিয়েই অনুমান কৰিলে মাটিবোৰ এসময়ত নাম তিলাওয়ে খাই গৈছে। নাম তিলাও ক্রমান্বয়ে দয় বিলাকৰ ওচৰৰ পৰা বু ম্যুং (উত্তৰ) পৰা লা ম্যুং (দক্ষিন) লৈ খাই আহিছে। সম্ভৱ নাম তিলাও আৰু নামজিন দিখৌ নদীৰ মাজৰ বগলী ডিঙিয়া ঠাইখন এদিন নাম তিলাওৱে ফালি নামজিনত বা দিখৌত পৰিব। বাৰিষা কালত এই অঞ্চলত বান হোৱা আৰু ভবিষ্যতে এই ঠাইত থকাটো বৰ সুচল নহ'ব যেন লাগিল ছ্যুকাফাৰ। তথাপি তেওঁ ভাবিলে দেখা যাওক কি হয়। দুটা তিনিটামান খেতি খাওঁ। তাৰ পাচত নতুন মাটি চাব লাগিব, বিচাৰিব লাগিব নতুন পথাৰ, খেদিব লাগিব নতুনৰ পম, অনান্য সম্পদৰ কৰিব লাগিব বিচাৰ খোচাৰ।

ছ্যুকাফাই দেখিলে যে ফুন য়া চাও দিন (ভূএগ্রা) সকল হাবুঙত বেচ চহকী ধনে ধানে ভৰপুৰ। তিওৰা সকলৰো মাটি বাৰী বহু আছে। ধান ধন সকলো আছে। গৰু, মহ, গাহৰি, হাঁহ, কুকুৰা এওঁলোকৰো ভৰি আছে। চাও চাম লুং ফাই এই সকল তিওৰাক লগ

পোৱা নাছিল। মাছ, চৰাই, পছু আদিও হাবিত অসংখ্য পোৱা যায়। বালিত সোণো ওলাই। হাতীও অসংখ্য। পাহাৰৰ পৰা তিলাওলৈকে হাতীৰেই বাট। কনৰীয়া মহৰ হিচাপ নাই। কনৰীয়া মহৰ মাংস মানুহবোৰে ভালদৰেই খাবলৈ পাব। বেহা বেপাৰ কৰিবলৈও খে নাম খাম তিমা সোৱনশিৰিত ডাঙৰ বেপাৰৰ ঠাই আছে। ভাটিৰ পৰাও বহু নাওঁ আহে। বাৰিষা নদীৰ বুকুত নাঁৱেৰে ভৰি থাকে।

হাবুঙত ৰাজধানী সুচল হ'ব বুলিয়েই ছুকাফাই ভাবিলে। পিছে মনে মনে ছুকাফাই কিছু শংকাবোধ কৰিলে, কিজানি ভুঁএগ্ৰা সকলে তেওঁলোকক অগা ভেটা কৰে। ভুঁএগ্ৰা সকলো কম নহয়, নগৰ পাতি থাইছে। ভাটিৰ কামতা সকলো আহি তেওঁলোকৰ লগত থাকেহি। বেছি পশ্চিমলৈ গৈ ভুঁএগ্ৰা সকলক নোজোকোৱাই ভাল হ'ব বুলি ভাবিলে ছুকাফাই। ভুঁএগ্ৰা সকলো জনাবুজা লোক। আখৰ লিখে, পুথি পঢ়ে, ক্লা ধৰ্মৰ মন্দিৰ বনাই ধৰ্ম কৰে। মানুহবোৰক নোজোকোৱাই ভাল হ'ব বুলি ছুকাফাই ভাবিলে।

চৌৰাল্লিশ

ছুকাফাৰ মানুহে নাম চিচি আৰু তিলাওৰ মাজৰ অঞ্চলত বিশেষ শিঙৰি কাঠ কাটি আনিবলৈ গৈছিল। তেওঁলোকে তিওৰা গাঁৱলৈ গৈ কেবা ৰাতিও থাকিল। তিওৰাৰ খা ফী ফৈদৰ (পুজাৰী) লোকো কিছু তাত দেখা পালে। তিপামৰ উত্তৰে দিবাং নদীৰ ফালে থকা তিওৰা খাফীৰ দৰে এওঁলোকেও মানুহক থকা ঘৰক অঁচচ্চ, মানুহক মোছি, বুঢ়াক গিৰা, বুঢ়ীক গিৰাচী, লৰাক পিচা, ছোৱালীক পিচচি আদি বুলি কোৱা শুনিছে। তেওঁলোকে অৱশ্যে সম্পূৰ্ণকৈ এই ভাষা কোৱা নাই। এনে শব্দৰ লগতে দুটা এটা চংকিত শব্দ লগাই কথাবোৰ কোৱা শুনিছে। চাম মানুহবোৰেও তিপামতেই এনেধৰণৰ তিওৰা ভাষা শিকি আহিছে। দুই এজন চাম লোকে বেচি ভালকৈহে চিচিৰ তিওৰাতকৈ তিওৰা ভাষাত কথা পাতিলে।

চামসকলৰ মুখত নিজা তিওৰা ভাষা শুনি তিওৰা সকলে বৰ আনন্দ পালে আৰু চাম সকল তেওঁলোকৰ আপোন হৈ পৰিল।

চামসকলে বনোৱা ঘৰ বাৰী আৰু খেতি পথাৰবোৰ দেখি তিওৰা তিমিছা সকলোৱে বৰ আমোদ পালে। এনেধৰণে তেওঁলোকে খেতি নকৰিছিল। খৰালী হাবি ভাঙি গৰুৰে হাল বাই শুকানে শুকানে ধান সিঁচি দিছিল। ভৰ বাৰিষাৰ আগে আগে এই

ধানবোৰ দাই আনিছিল। ধান দাই আনোতে ধান সিঁচাৰ সময়ত তেওঁলোকে উৎসৱ পাতিছিল। চামসকলে দেখিছিল যে এনে ধৰণৰ উৎসৱ তেওঁলোকৰ ম্যুং মাওৰ ফালে থকা পালাউং, লিচু; খে দেশৰ ফালৰ ল'ল' চিংফৌ কাং সকলেও পাতে। অৱশ্যে তিওৰাসকলে খাম নাম তিমাত নাও লৈ লৈ না না বয় বস্তু হাঁহ, কুকুৰা, মূল্যবান কাঠৰ না না বস্তু, বাঁহৰ না না বাচন এৰি কঁপাহ আৰু পাটৰ কাপোৰ ভাটিৰ ফালৰ বেপাৰীক বিক্ৰী কৰিছিল।

চাম সকলে খাম নাম তিমাত তিমিছা সকলে বালি ধুই সোণ কমোৱা দেখা পাইছিল। এওঁলোকে প্ৰায়ে মাটি ঘৰ বনাইছিল। চাংঘৰ বনোৱা নাছিল। অৱশ্যে দুই একে পানী থকা ঠাই হ'লে চাংঘৰো বনাই লৈছিল। পানীৰে ভৰা ঠাই বাবে হা দিমা বুলিও কৈছিল। এই শব্দটোকে দিওৰা, খাফী, পাং দিন সকলে দিমা ছি অৰ্থাৎ পানী পানী ঠাই বুলি কৈছিল। তদুপৰি ছ্যুকাফাৰ মানুহবোৰে গম পাইছিল যে দিমাছা সকলো এই বৃহৎ অঞ্চলক খাল বিল গেৰেকনী 'বুং' ৰে ভৰা ঠাই 'হো'। সেয়ে এই ঠাইক এওঁলোকে হাবুং বুলি কৈছিল। ছ্যুকাফাই নিজেও দেখিলে যে এই ঠাইখনত অসংখ্য সৰু বৰ নং, ক্লং, কিছুমান নঙৰ (বিল)ৰ চাৰিওপাৰে অসংখ্য তুন মাই বেত গছ। কিছুমানৰ কাষে কাষে অসংখ্য শিঙৰি আৰু নাহৰ গছ। কোনো কোনো অঞ্চলত অসংখ্য ঔটেঙাৰ গছ। ব্লক মু, আদি অসংখ্য বনৰীয়া ফুল গছ ইয়াত আছে।

ছ্যুকাফাৰ কিছু মানুহে ভাগে ভাগে সৰু সৰু নৈ বিলাকেদি খোজ কাঢ়ি কাঢ়ি খৰালী কালত আৰু সৰু নাও একোখনকে লৈ উজাই গৈ পাহাৰৰ গুৰিলৈকে অনুসন্ধান কৰিলে। একেদিনাই নৈয়েদি উজাই গৈ ঘূৰি আহিব পাৰে যদিও তেওঁলোকে এৰাতি দুৰাতি বা কেতিয়াবা সাত ৰাতি পৰ্য্যন্ত হাবিত পাহাৰৰ গুৰিত বা বাটত থাকি আহি সকলো অঞ্চল পৰ্যবেক্ষন কৰে। পাহাৰৰ নামনিত মানুহৰ গাওঁ আছে, কিন্তু সেৰেঙা। এই গাওঁবোৰত তিওৰা, খা ফী, পাং দিন, কুন দয় পাং দিন (পৰ্বতীয়া আদি মিছিং) মানুহৰ বসতি দেখা পালে। তিওৰা সকল আৰু খা ফী তিওৰা সকল কিছু নামনিলৈ আছে। কুন দয় পাং দিন, নাম পাং দিন (অৰ্থাৎ নৈৰ পাৰত থকা মিছিং) সকলে কিছু ওপৰলৈ বসতি কৰে। তেওঁলোকে দেখিলে যে তিওৰা খা ফী সকলে সৰু সৰু নদী জান বোৰক চি বুলি কয় আৰু পাং দিন সকলে নদীবোৰক সাধাৰনতে আবুং বুলি কয়। খে খাম নাম তিমাক তেওঁলোকে অবনৰি আবুং বুলি কোৱা শুনিলে। তেওঁলোকে অৱশ্যে জানে যে একেখন নৈকে না না মানুহে না না নামেৰে মাতে। খাও খাও ম্যুং মাও লুঙৰ নাম মাও নদীকে মানসকলে শ্বোৱেলী খে সকলে ৰুইলি বুলি কয়, তদুপৰি প্লাউং, চিংফৌ কাং সকলেও ভিন্ন নামেৰে কয়। খে খাম নাম তিমাক চাও দিন ফুন য়া সকলে

চোন চিৰি (সোন শ্ৰি) আৰু হাবুঙৰ বাওমুন পুম না চাই সকলে স্বৰ্ণ শ্ৰী বোলে। খেনোৱে ইয়াক চুবন চিৰি বুলিও কোৱা শুনিছে। কোনোৱে অবনৰি। পাংদিন খা কাং লাই, মিছিঙৰ মুখত অবনৰি হয়।

ছুকাফাৰ মানুহবোৰে এইবোৰ চাই চিতি ছুকাফাক এই বিষয়ে পোৱা অভিজ্ঞতাৰ বিষয়ে বৰ্ণনা কৰিলে। মন্ত্ৰী সকলৰ লগত এই সম্পৰ্কে নিতৌ আলোচনা চলিল। নতুন অনুসন্ধান, নতুন অভিযান চলি থাকিল।

হাবুঙৰ মানুহবোৰে তিওৰা, খাফী, ফুন'য়া জংকিত, তিমিছা, পাং দিন আদি ভাষাৰে নিজৰ ভিতৰত কথা পাতে যদিও সকলোৱে একেলগে কথা পাতিলে সকলোৰে শব্দ মিহলাই চংকিতৰ নিচিনাকৈ কথা কয়। কামতা সকলে অৱশ্যে কিছু সুৰ লগাই চংকিত কব পাৰে। তিপামতো ঠিক এনেদৰেই কৈছিল। মানুহবোৰ সকলোৱে মেথুন, গৰু, মহ, কুকুৰা, গাহৰি, ঘোঁৰা পোহে। ইয়াৰ নং বিলাকত অসংখ্য কুচিয়াৰ, তাও (কাচ), কাই নাম (পানী কাউৰী), প্যেত থুন (বনৰীয়া হাঁহ) পোৱা যায়। হাবিত অলেখ হাতী'ও আছে। তদুপৰি (বাঘ), আদিও আছে। গোটেই অঞ্চলত বনৰীয়া শাকেৰে পৰিপূৰ্ণ। মানুহবোৰে এৰি কাপোৰ বয় আৰু নিজেও এৰি পলু পোহে। ইয়াৰ মাটিবোৰত চুম গছ ভালদৰে গজিব। আমাৰ মানুহে ইয়াত চুমগছ ৰুই মুগা পুহিব পাৰিব। তদুপৰি ইয়াত কঁপাহ খেতিও হ'ব। তদুপৰি পাটকাপোৰৰ বাবে নুনী গছৰো বাৰী কৰিব পাৰিব। ইয়াত অৱশ্যে হাবিতেই কেচেৰু দেখা যায়। পাহাৰৰ ফালে হালধীয়া পাথৰো পোৱা যায়। নৈবিলাকৰ বালিত কয়লাৰ বহুতো টুকুৰাও পোৱা যায়। সেইবোৰ গোটাই ভালদৰে জুই লগাব পৰা যাব, বিশেষকৈ দা কটাৰি গঢ়াবলৈ ইয়াৰ প্ৰয়োজন হ'ব। কিছুমান শিলত মূৰ্তিও কাটিবলৈও ভাল হ'ব। আমাৰ হলুঙৰ বাবে ঙাও ছেং কিছুমান বনাব পৰা হ'ব। পাহাৰৰ ওপৰত সাতদিনমান ওপৰলৈ উঠি যাওঁতে আমাৰ মানুহে কিছুমান বহল সমান ঠাই দেখিছিলু। সম্ভৱ হেজাৰ বছৰ পূৰ্বে তাত কোনো মানুহ বসতি কৰিছিল। মানুহবোৰ কিন্তু নাই। দেও লগা ঠাই এতিয়া সেইবোৰ। পাৰিলে পাচত তাতো মানুহ থকাৰ কথা ভাবিব লাগিব।

চাওফাদেৱে ফানছি (হুকুম) দিলে আমি এইবোৰ কাম কৰিব পাৰো। পাই ক সকলে সাজু আছোঁ।

ছুকাফাই উত্তৰ দিলে, "তোমালোকে যে দেখিছা শুনিছা জানিছা মোক আগ্ৰহেৰে কৈছা। বৰ ভাল কথা। মই আনন্দ পাইছোঁ। তি পামত চুম গছবোৰ বাঢ়ি উঠি ডাঙৰ ডাঙৰ হ'ল। আমাৰ লগত অহা সঁচবোৰ গুটিবোৰ সিঁচি দিয়া যদি গুটিবোৰ গজি লহপহকৈ বাঢ়ি আহে, খেতি আৰম্ভ কৰা মুগাৰ সঁচ তিপামৰ পৰা লৈ আনিবগৈ লাগিব। আঁধিক

সঁচ লাগিলে ম্যুংকেওলৈও যাব লাগিব। বাকা এৰি আৰু কচেৰুৰ বাৰী লগে লগেই পাতি দিয়া হুক। ঘৰে প্রতি কমেও বিশ ত্রিশখনকৈ এৰি কাপোৰ বব লাগিব। আমাৰ ৰাজ ভঁৰাললৈ ঘৰে প্রতি এখনকৈ এৰি কাপোৰ জমা দিয়া মংগল হ'ব। তদুপৰি খাম নাম তিমাৰ তি কাতত (বজাৰত) ভাটিৰ মানুহক বেচি ধনো ঘটিব পৰা হ'ব। সম্ভৱ হ'লে চুমৰ বাৰীত অহা বছৰতে মুগা পুহিবা। এইবাৰ হাবিৰ গছতে পাত খোৱাই পুহাৰ ব্যৱস্থা কৰা।

"শুনিছো ভাটিৰ ফালে এইফালেদি নাম তি লাওয়েদিও নাবেৰে যাব পাৰি আৰু পাহাৰৰ কাষে কাষেও যোৱাৰ ৰাস্তা আছে। জিম মৌ কালৰ পৰাই বোলে এইফালে ৰাস্তা আছে। আমাৰ দুজনমানৰ এইফালে যোৱা অভিজ্ঞতা আছে। মুগা, পাট আৰু এৰি কাপোৰ আমিও ভাটিলৈ গৈ বেহাব পাৰিম। লু ফাং সকলে বোলে এই কাপোৰ বোৰ বৰ ভাল পায়।"

ভাল ভাল তোমালোকে চিন্তা কৰি কাম কৰা। বৈ নাথাকিবা। দুজনমানে তিলাওয়েদি উজাই যোৱা আৰু দুজনমানে ভটিয়াই যোৱা। ঠাইবোৰ আৰু মানুহবোৰ চাই আহাঁগৈ। বেহাবৰ যোৱাৰ চলেৰে যাবা। কাকো বিঘিনি নঘটাবা। আমাৰ লগত কোনোবা আহিবলৈ বিচাৰিলে আনিবা। আমাৰ জাতলৈ লৈ নাম দি ভৰাই থম। তেতিয়াহে আমাৰ ম্যুং খন বহল হ'ব। মানুহো বেচি হ'ব। তোমালোকে নিশ্চয় জানা খে (হান চীনা) বিলাকে কেনেদৰে আন জাতিৰ মানুহবোৰ খেলত ভৰাই খে কৰি পেলায়। আমাৰো কমখন মানুহ বোপা ককা পুলিন পুমনৰ দিনৰ পৰা খে বনাই আহিছেনে। কাং চিংফৌ সকলেও ম্যুং কওৰ আশে পাশে থকা বহু সৰু সৰু গোষ্ঠীৰ মানুহ নিজৰ মাজত ভৰাই চিংফৌ মানুহ সৰহ কৰি ললে। আমাৰো তাই সকলে পূৰ্বৰ ম্যুং ৰি ম্যুং ৰামৰ ফালে মে নাম কও নদীৰ ফালে খা মেন দাম (মন খামেৰ) সকলক আমাৰ তাইৰ মাজত ভৰাই মানুহ বঢ়াই নিজে বুলি শুনিছোঁ । ম্যুং মাওত থাকোতেই অমাৰ দেশলৈ অহা চিয়েং ৰাই, চিয়েং মাই, চিয়েং ৰুং আদিৰ মানুহে আমাক এইবোৰ কথাৰ সম্ভেদ দিছিল। তাৰো মানুহবোৰে বোলে আমাৰ পৰাই দ মাটিত আলি বান্ধি পানী যোগান ধৰি ধানখেতি কৰাৰ বিষয়ে শিকালত মানুহবোৰে তাই বিলাকক আদৰি ললে। ইয়াতো তোমালোকে এই থানগিৰিৰ মানুহবোৰক ভালদৰে খেতি কৰিবলৈ, কাপোৰ পিন্ধিবলৈ, ঘৰবনাবলৈ শিকোৱা সকলোৱে আমাৰ দৰেই কাপোৰ পিন্ধিবলৈ, খেতি কৰিবলৈ ল'ব। তেতিয়াহে আমাৰ পাই কৰ সংখ্যা বাঢ়িব।"

হয় হয় চাওফা দেউতা, আপোনাৰ কথা আমি আখৰে আখৰে পালন কৰিম।"

পঞ্চত্ৰিশ

কিব আনে গো মিনে কৰি আনে গোমিনে।
গোমিন দাঞ্জিয়ে লয়ি দলংকো।
পিদে লাতবঙে তেত দলাংকা।।

হে ঘৰৰ পালন কৰা আই বোপাই সকল, কোনো বাধা বিঘিনি নোহোৱাকৈ আমাৰ বংশৰ উজ্জ্বল বাটেৰে মোক লক্ষস্থানত উপনীত হ'বলৈ দিয়া আৰু ঘৰৰ আপদ বিপদৰ সন্ধান লববৈদিয়া।

পচুম তাগুতে গুমিনা লেনি তাবে গুমিনা।
নলু আজি তাবে কাঙিকে চায়েগেম য়েতুম মাপেকা।।

হে উপৰি পুৰুষ মৃতক সকল আৰু মিবুক সকল তোমাৰ মোৰ এই শুভযাত্ৰাত বাধা নিদিবা।

অৱনৰি আবুঙৰ পাহাৰৰ ওচৰৰ গালক গাঁৱলৈ গৈ তাই মানুহ কেইজনমানে পাং দিন সকলৰ গীত শুনিলে। চংকিত আৰু দিওৰা ভাষা জনা পাং দিন এজনে তেওঁলোকক বুজাই দিলে গীতৰ অৰ্থ। তাই সকলৰ লগত যোৱা মহং জনে অৰ্থ পাই বুজিলে যে স্নেয়া উপৰি পুৰুষৰ পূজা। শুনা ক' সকল এয়া দেখুন আমাৰ দাম ফী সকললৈ গোৱা গীতৰ লগত একে। মৃতকৰ উপৰি পুৰুষৰ পূজা এওঁলোকেও কৰে তেতিয়াহলে।"

পাংদিনজনে বুজাই দিলে, " চোৱা সেয়া আমাৰ আবাং (মণ্ডলতি) সকলে আমাৰ তানি (মানুহ) বোৰৰ সৃষ্টি কৰা কাৰ্চিং কাৰ্তাক (সৃষ্টিকৰ্তা) লৈ প্ৰাৰ্থনা জনাই উপৰিপুৰুষ সকলৰ পৰা মংগল কামনা কৰিছে। তেওঁলোকে পিন্ধা চোলাক আমি গন্দলুকতুং পাগুৰীক লেনি দুমেৰ আৰু চুৰিয়াক গনৃৰ গনচল বোলো। দেখিছা মিবু সকলে হাতত কেনেকৈ য়কচা (তৰোৱাল) লৈ নাচিছে। আমি এনেকৈয়ে আমাৰ ৰুমৰাং উয়ি (বনদেৱতা) আৰু আদি উয়ি (পাহাৰ দেৱতা) কো পূজা কৰোঁ। আমাৰ প'ৰাগ আহিছে। বলা আমাৰ

ঘৰতে আপং অলপ পি আহোঁগে।"

তাই সকল পাং দিন এজনৰ চাঙত উঠিলগৈ। তেওঁলোকে জখলাত উঠাৰ আগেয়ে ভৰি ধুলে। চাঙত উঠিল। পাতিদৈৰ ঢাৰি পাৰি দিলে। সমুখত ধোবাচাং দুদাপ। পছুৰ মাংস দোখৰ দোখৰ হৈ শুকাই ওলমি আছে। বনৰীয়া তাকুক আম্বে বিলাকৰ লগত গাহৰি সিজাই কৌ পাত উলিয়াই দি ডাঙৰ ডাঙৰ বাঁহৰ চুঙা আপং খাবলৈ দিলে।

খাই বৈ কথা পাতোতে বয়সস্থ পাং দিন দুজনমানে উত্তৰ পূবৰ বহল আমং (মাটি) দেলু আবুং (লুইত), চিয়াং আবুং (দিহং) আদি নদীৰ বিষয়ে তাই সকলক জনালে। সেইফালে গৈ থাকিলে আদি তানি, দিওৰা খাফীবোৰ যে পাবগৈ তাকো বুজালে। তেওঁলোক ওখ ওখ পাহাৰ পাৰহৈ বহু পুৰুষৰ পাচত এই ঠাই পাইছেহি।

তাই লোকসকলে আহি ছুকাফাক সকলোবোৰ খবৰ বাতৰি জনালেহি। সেইমতে সেইঠাইবোৰ পৰীক্ষা কৰি আহিবলৈ পঞ্চাশজনমান মানুহক দুটা গোটত বিভক্ত হৈ নাম তিহং, নাম তেলু লু হিত অঞ্চল চাই আহিবলৈ দিলে। কিন্তু অটব্য হাবি আৰু বহু কম মানুহ থকা বাবে সেই অঞ্চললৈ যাবলৈ মন নেমেলিলে। তথাপিও মাজে মাজে গৈ বহু অনুসন্ধান কৰিলেগৈ।

অৱশ্যে ছুকাফাই কিছুমান তাই মানুহক পাং দিনৰ ভাষা শিকিবলৈ কলে। সেয়ে মানুহবোৰে লাগতিয়াল কিছুমান শব্দ যেনে আম (ধান), আম্রি (শস্যৰ গুটি), আমনে (পাট), অম্মী (জীয়ৰী), কে' দান (মিতুৰ, মিত্ৰ), জেগব (মতা জন্তু), তাকম (উইচিৰিঙা), প'ৰ' আপং (চাইৰে বনোৱা মদ), আচি (পানী), আৰিগ (খেতি), আপিন (ভাত, আহাৰ) আদি শিকি ললে।

পাং দিন সকলে তাই সকলক পাহাৰৰ আদি পাংদিন আদি সকলৰ লগত তাই সকলক কথা বতৰা পতাত মাজৰ মানুহ হৈ বুজাই দিয়াত সহায় কৰাৰ বাবে তেওঁলোকক তাই সকলে খা কাং লাই বুলিও কব ধৰিলে। কিছুমানে আকৌ তেওঁলোকক হাং খাত বুলিও কব ধৰিলে।

আদি পাং দিন গাঁৱৰ কিছু পাংদিন লোক তেওঁলোকৰ বুঢ়া গাম দুজনমান লৈ আহি মেথুন দহটা, ঘোঁৰা দুটা আৰু কাচ বিশটা লৈ ছুকাফাক ৰজা বুলি সেৱা সেৱা কৰিলেহি। তিমিছা সকলে আহাম বুলি কোৱা শুনি তৈবলোকেও তাইসকলক তেওঁলোকৰ চেদি মেল (আদি পুৰুষ) উয়ি বুলি ভাবি আহাম লোক বুলি কব ধৰিলে। ছুকাফাইও ক' 'মিতু' (মিত্ৰ) পাতি কিছুমান পানী ধানৰ সঁচ, দুখন শৰাই, এটা ৰূপৰ বৰণ কৰা কুপ লাই লেং ফুলাম জাপী উপহাৰ দিলে।

ছয়চল্লিশ

বাৰিষাৰ আগে আগে হাতী ধৰিবলৈ পঠালে ছ্যুকাফাই। এই কামত পাং দিন খা কাং লাই মিছিং দহজনমান, হাতী ধৰাত অতি পাকৈত মৰান বিশজনমান, পাচজন নাকা খাং ছে আৰু পঞ্চাশজন তাই খে খাম নাম তিমা চুন চিৰিৰ পাহাৰ সমতললৈ গ'ল।

তেওঁলোকে চা থা, বুকুৰ পৰা নেগুৰলৈ বান্ধিবলৈ চাই কাত ৰচী, ডিঙিত বান্ধিবলৈ চাই কাও ৰচী, চাই চালি, সৰু ৰচী, চাই চা (নেজ বন্ধা ৰচী), চাই তা তিন (ভৰি বন্ধা ৰচী), চাই তুম (গাড়ী বন্ধা ৰচী), চাই ফা লা (বুকু বন্ধা ৰচী), চাই পান (বনৰীয়া হাতী টনা ৰচী) লৈ আৰু ফান তি (ফান্দি), মাউত সকলো লৈ বাহৰ পাতিলেগৈ।

এমাহৰ ভিতৰত তেওঁলোকে দহটা হাতী ধৰিলে। তেওঁলোকে সেইকেইদিন কান কান, খা, বত, চালে, চা ,শ্বে, তালে, তা হুত, থ, তাব, তাইক, পালে, পাত, পান, মাইং, মাত, ল' আদি দয় কাও ৰঙৰ দুয়োপাৰৰ শব্দ মিহলি কিছুমান শব্দেৰে হাতীবোৰ শিকালে। ছ্যুকাফাৰ সৰ্বমুঠ ত্ৰিশটা হাতী হ'লগৈ। ফ্ৰুং পিমে প্ৰায় এশমান মানুহক নতুনকৈ হাতী ধৰা শিকোৱা, চোৰা চিতা পূজা পাটল কৰাৰ বিষয়ে শিকনি বুজনি দিলে। সেইদৰে হাতীৰে যুদ্ধ কৰিবলৈও ৰাজকোঁৱৰ, ৰাণী কিছুমান থাও ম্যুং আৰু বহুতো বিষয়াৰ লৰা ছোৱালী খুন সকলুক শিকনি দিলে।

দ্বিতীয় বছৰ কঠীয়াবোৰ ভালেই হ'ল। বতৰো ভাল। বোকা লেটিয়াই ৰুলে। ৰুৱা গোজ লওতে নিয়ম মতে পূজা পাটলো কৰিলে। ৰুৱাবোৰ ভালদৰে সজাল ধৰি উঠিল। কিন্তু আবতৰীয়া বৰষুণ। ফেনে ফুটুকাৰে বাঢ়ি আহিল পানী। উফন্দি উঠিল নদীৰ বুকু। লুইতে খাই যোৱা মাটি। সোনকালেই পানীবোৰ ধাৰাসাৰে বাগৰি আহে। সঁজালধৰা ধানবোৰ বুৰি গ'ল। ঘৰৰ চাঙৰ সমান ওখকৈ পানী হ'ল। গৰু মহ ৰখাবলৈকে জেগা নোহোৱা হ'ল। ওখ চাপৰি চাই চাই গৰু গাইবোৰ ৰখা হ'ল। বৰষুণৰ পানীৰে ওফন্দি উঠি তেওঁলোকৰ বহু অনিষ্ট কৰিলে। তেতিয়াহে বুজিলে হাবুঙৰ অৰ্থ কি। ছ্যুকাফাই ভাবিলে, " এৰা মই আগতেই অনুমান কৰিছিলোঁ। এই জেগাখনত বানপানী

হ'ব পাৰে। ঠাইখন পলসুৱা, বালি অঁহীয়া। খেতি ভাল হয়। গছেৰে ভৰা। আকাল নহ'ব। কিন্তু স্থায়ী নগৰ কৰিবলৈ ভাল নহ'ব।

ছ্যুকাফাই সকলো গাঁৱৰে পৰা থাওবান চাওবান, ৰুপাক বু ৰিং, বু হান প্যেত, বু হান ছ্যাং, থাও ম্যুং, খুন আদি সকলক মাতি আলোচনা ৰমকান প্লং কান কৰিলে। সিদ্ধান্ত হ'ল আৰু এটা খেতি কৰি চাব কি হয়।

ইতিমধ্যে উজনি ভাটিলৈ যোৱা মানুহবোৰ আহি পালেহি। চাও দিন ফুন য়া বিলাক তিনি চাৰি দিনৰ নাও যাত্ৰাৰ দুৰতো থাকে, কুন কচ্চ (কোঁচ), কামতা, কুন কাই নাম (কৈবৰ্ত্ত) ক্লা (হিন্দুধৰ্মী), দিওৰা, দিমাছা, আদি লোক ভাটিলৈ ভৰি আছে। মানুহ বেছি। অৱশ্যে কিছুদুৰলৈ ভটিয়াই গ'লে ভয় নাই। কোনো কোনোৱে নাম তিলাও, নাম দিখৌ, নাম দিচাং আৰু আনকি নাম তিমাখনো চাই আহিলগৈ। এটা দলে নাম লুং (বৰ নদী) খনো চাই আহিলগৈ।

পিচৰ খেতিও ভালেই হ'ল। কিন্তু ৰুৱাৰ সময়তেই বানপানী উঠিল। বেচি নহয়, কিন্তু ৰুৱাৰ সময় কিছু পলম হ'ল। গতিকে যিমান ধান পাব লাগিছিল সিমান নাপালে। মানুহবোৰ সুখী হ'ব নোৱাৰিলে। পুনৰ আলোচনা বহিল। হাবুং ত্যাগ কৰাৰ চিন্তা কৰিলে। ধান মাহ সৰিয়হ মাৰি জাৰি জোকাৰি টালি টোপোলা বান্ধি ল'লে। নাও ভুঁৰবোৰ মেৰামতি কৰিলে। মাইকীবোৰে লগোৱা তাঁতশাল বৈ শেষ কৰিলে।

দুহেজাৰ মানুহ উত্তৰ পাৰে হাবুঙত বসতি কৰিবলৈ ৰাখিলে। দক্ষিন পাৰত বানপানী নহয়, কিন্তু হথাত অলপ পানী উঠে। বৰষুনৰ পানী অসুবিধা নহয়।

ছ্যুকাফাই দক্ষিন পাৰৰ পৰা এভূমুকি মাৰি আহিবলৈ মনস্থিৰ কৰিলে। কিয়নো নাম তিলাওৰ দক্ষিন পাৰৰ হাবুং অঞ্চলতো কিছু মানুহ ৰাখি যাব লাগিব। এনেতে হথাত চাও দিন ফুন য়া কেইজনমানে গোট খাই তাই মানুহৰ তিনিখন গাওঁ চুন চিৰিৰ পশ্চিম পাৰে আহি ভেটি ধৰি ধান মাহ বোৰ কাঢ়ি লব খুজিলে। তেওঁবিলাকে তাই বিলাকৰ দুজন মানুহ ধৰি লৈ যোৱাৰ লগতে গৰু গাইবোৰো লৈ গ'ল আৰু তাই সকলক তাৰ পৰা উঠি যাবলৈ ফেপেৰি পাতি ধৰিলে।

ছ্যুকাফাই খবৰ পাই অলপ সময়ো নষ্ট নকৰি পাচ হেজাৰ সৈন্য লগে লগে পঠাই দিলে ফুনয়াক (ভূঞা) ক ধৰিবলৈ। ৰাতিয়েই গৈ চাৰিখনমান ফুনয়া গাওঁ ঘেৰি ধৰিলে। এখন গাওঁ ৰাতিয়েই জ্বলাই দিলে। বাকী গাঁৱৰ পৰা গাৱঁৰ মুৰুব্বী সকল ওলাই আহিল। ঢাল তৰোৱাল লৈ ফুনয়া সৈন্য আহিছিল যদিও তাই সৈন্যৰ সংখ্যা দেখি যুদ্ধ নকৰিলে। তেওঁলোকে ছ্যুকাফাৰ সৈন্যৰ বশ্যতা স্বীকাৰ কৰিলে। যুদ্ধ নকৰি বন্ধুত্ব স্থাপন কৰিলে। গৰু গাই বন্দী সকলো ঘুৰাই দিলে। লগত সংস্কৃত ভাষা শিকাবলৈ দুজন ফুন

যা পণ্ডিত লগত দিলে। চুক্তিমতে ভবিষ্যতে ফুনয়া সকলে কেতিয়াও তাই সকলক আক্রমন নকৰিব আৰু বন্ধুত্ব ভাবেৰে ৰাজ্য খাই থাকিব লাগিব। সদ্যহতে খাম নাম তিমাৰ পূৰ্বে তাই সকলৰ আধিপত্য থাকিব আৰু পশ্চিমে ফুন য়া সকলৰ আধিপত্য থাকিব। তিমিছা আৰু তিওৰা সকলৰ লগতো কোনো দ্বন হাই কৰিব নোৱাৰিব।

ছুকাফাৰ সৈন্যসকলে ঘুৰি আহি মূল তিমিছা গাওঁ এখনৰ ভিতৰত সোমাল। এবেলা তাতে খোৱা বোৱা কৰিব। তিমিছাৰ কুনাঙে (গাওবুঢ়া) গাৱঁৰ সকলেকে খোৱা বোৱাৰ দিহা কৰিবলৈ ক'লে। বয়সস্থ তাই সৈন্য সকলে নদ্রেঙতে (বাটচৰা) জিৰনি ল'লে। ওচৰৰ তিমিছা গাৱঁৰ ডাঙৰ দিলো (গাওঁবুঢ়া)ও আহি কথা বতৰা আলোচনা হ'ল। তেওঁলোকৰ জনতাইয়াও (পুৰুহিত) আহি পূজাৰ নিচিনা কামো কৰিলেহি। সিজু গছৰ তলত চাকি জ্বলালে। সেৱা কৰিলে। তিমিছাৰ দিলোৰ সম্মানাৰ্থে তাই সৈন্য সকলেও সিজু গছক সেৱা কৰিলে। জনতাইযাওয়ে আৰ্শীবাদ দিলে। সেইদিনা গাওঁখনৰ এজন মৃত গাওঁবুঢ়াৰ মৃতক সকাম আছিল। সেই উপলক্ষ্যে মহৰ পোৱালি দহটামান বলি দিয়াৰ দিনেই পৰিছিল।

পূজাত মৃতকৰ উপলক্ষ্যে মহ পোৱলি বলি দিয়া হ'ল আৰু ভোজৰ আয়োজন হ'ল। সৈন্যসকলে খাই বৈ বিহু নাচ গান, তিমিছাই হাইদাং গাই নাচি গধূলী নিজ নিজ স্থানলৈ গ'ল। তিমিছাসকলে তাই সকলক একতিলো বিৰোধীতা কৰা নাই। সকলোৰে মিলি বসবাস কৰিলেহে উন্নতি হ'ব এইকথা তিমিছা সকলে বুজিছিল। তদুপৰি তিমিছা সকলে তাই সকলৰ আচাৰ ব্যৱস্থা, পিন্ধন উৰণ, কৃষি সকলোতে তেওঁলোকতকৈ পাৰ্গত হৈছিল।

নাম তিলাওৰ দক্ষিন পাৰে প্ৰায় ত্ৰিশ হাজাৰ মানুহ হ'ব। কুন চাম ৰিং। ছুকাফাৰ বাবে সাময়িক ভাবে থাকিবলৈ তিলাও দক্ষিন পাৰেও বনালে এটি ওখ চাঙৰ হ'লুং। ছুকাফাই বছৰত দুবাৰকৈ আহি সেই হ'লুঙত থাকি দক্ষিন পাৰৰ খেতি বাতি কাম কাজবোৰ পৰ্যবেক্ষন কৰাৰ কথা। ছুকাফাই সেই হ'লুঙত দুবাৰ সাতদিন মানকৈ থাকি আহিলগৈ।

সেইদিনা বান কাপ বাৰ। ছুকাফাৰ সৰু ৰাণীৰ সৈতে দক্ষিন পাৰৰ হ'লুঙলৈ গ'ল। সুন্দৰকৈ সজোৱা দুখন নাওঁৰ ওপৰত কাঠ বাঁহ দি সুন্দৰকৈ সজোৱা দুই তুপ লগা ঘৰৰ ভিতৰত বহি ছুকাফা পালেগৈ। ৰজাৰ নাৱঁত বিশজন নাঁৱৰীয়া নাহৰ কাঠৰ বহলকৈ কটা দীঘল দীঘল বঠা। বাঁহৰ দীঘল দীঘল বিশ ডাল মান লগী। পাচডালমান শকত আৱত উদাল গছ হাতী বন্ধা চাই জৰী, তিনিডাল লংগৰ। ছুকাফাৰ ৰাজ নাওঁৰ চাৰিওফালে সৰু সৰু গোটীয়া নাও পঞ্চাশখন মান দহজন হেং দাং ধেনুকাড়, সৰু হিলৈ লোৱা চাৰিজনমান সৈন্য আৰু দুজনকৈ নাৱঁৰীয়াৰে বেষ্টিত হৈ গৈছিল।

পাৰলৈ নামিবলৈ সুন্দৰকৈ বাঁহৰ দলং বনাই থোৱা আছিল। বাঁহৰ দলঙৰ চাৰিওফালে পাখিলগা সিংহ গুঠা পাটৰ ফা চেও পতাকা দহহাত ওখ ফুল কটা বাঁহৰ খুটাত বান্ধি উৰাই থোৱা হৈছিল। দহটামান ঘোঁৰা সুন্দৰকৈ জিন লগাই সজাই পৰাই থোৱা হৈছিল চাওফা ছুকাফা উঠিবলৈ।

সাতচল্লিশ

কিপ মন (পাট পলু), কিপ মুঙ (মুগা পলু) কিপ ৰেন (এৰি পলু) সকলোবিলাক তোমালোকে ভালদৰে খেতি কৰিবা। ফাক বু ম্যুঙত (উত্তৰ পাৰ) এইবোৰৰ খেতি খুব ভালহৈছে, ম্যুং তাই দেশৰ বাবে ই ঙেন ত্ৰা (অৰ্থকড়ী) ঘটাত সহায় কৰিব। তুন খ্ৰুঙ (এৰা গছ) হাবুঙৰ হাবিত অসংখ্য গজি থাকে। এইবোৰৰ সদব্যৱহাৰ কৰিবা। কিছুমান তুন খ্ৰুঙৰ মাক (গুটি) আনি বাৰীৰ চুকত এডৰামান সিঁচি দিবা। সেই খিনি ব্যৱহাৰ কৰিলেও হাবিৰ পাতবোৰো আনিব পাৰিবা। তোমালোকক এনেদৰে এৰাগছৰ বাগান কৰা দেখিলে বাকীসকলেও কৰিব। তেতিয়া আমাৰেই লাভ হ'ব। তুন জাং কিনবোৰ হাবিতো গজে আৰু তিমিছা সকলে যদিও এনেদৰে কিপ ৰেন পোহে, তেওঁলোকে চুন বাগান নাপাতে। অৱশ্যে তুন মাক মু (তামোল) বাগান তেওঁলোকে বৰ ভালকৈ পাতে। তুন মাইও ইয়াত ভাল হয়। হাবিতেই তুন মাই অসংখ্য বাবে থানগিৰি সকলে বাৰী নাপাতে। কিন্তু তোমালোকে ভালদৰে তুন মাইৰ বাৰী পাতিবা। হাবুঙৰ তুন মাই বোৰ বৰ ভাল হয়। খে দেশৰ ফালে হোৱাৰ দৰে ইয়াত বাঁহবোৰ লহপহকৈ বাঢ়ে। অৱশ্যে তুন ৰেং ছি (সাঁচী গছ) হাবুঙৰ হাবিত নাই। তিপামৰ পৰা এইবোৰ গছৰ সঁছ আনিবাগৈ। তুন জাং কিন সিজু গছবোৰ বাৰীৰ ঢাপত চাৰিওফালে ৰুবা। এইবোৰ ৰুলে সাপ বাৰীত নোসোমায় আৰু বেয়া ফী দেৱতাবোৰো নাহে। বৰহমথুৰি তুন ছাক ফা বোৰ হাবিত গজে। কিন্তু পিয়ুৰ সময়ত অনবৰতে ইয়াক বিচাৰি নাপবও পাৰা, গতিকে বাৰীত পাছ ছয়জোপা ৰুই লবা। সেয়ে তোমালোকক জনালো বাৰীত তুন লেং (নুনী গছ), তুন ছাই তেম বা তংক (টকৌ গছ), তুন মাক চুম লেং (ৰবাব টেঙা), তুন থান (তাল গছ), তুন ফাক পেক কুঞ্জি পুৰাকলৰ গছ, তুন মা ফিক (দীঘলতি গছ), আদি গছবোৰ বাৰীত ৰুবা। প্ৰতি গাঁৱত তুন মুং ছিৰ বাৰী একোখনকৈ খুলিবা। সৰুকৈ নহয় ডাঙৰকৈ এহেজাৰ নল দীঘে পথালীয়ে জেগালৈ একোখনকৈ বাৰী বনাবা। নিজাকৈও নিজা বাৰীত বিশ নল মানকৈ দীঘে পথালিয়ে বাৰী এখন বনাবা। ৰাজহুৱা আৰু নিজাকৈও মুগা পুহিবা।

হাবুঙত অৱশ্যে তুন মে জাং খেতি ভাল নহ'ব যেন লাগিছে। তথাপি তিপামৰ পৰা আনি ৰুই চাবা কি হয়। মৰাণ সকলে ইয়াৰ খেতি ভাল কৰে আৰু সুতাও উলিয়াব জানে ভালদৰে।

নিজা নিজা বাৰীত তোমালোকে ব্লক ছিংফা, ব্লক তুন খাও (কথনা), ব্লক তুন ছিপ (বকুল) ব্লক পাত মুং (পাৰিজাত), ব্লক হুম ছিং (খৰিকাজাই), ব্লক খাম ৰিং (বিহু কপৌ ফুল), ব্লক কিঙ ছিং (কেতেকী), ব্লক খাও (বেলি ফুল) আদি ৰুই লবা। ফীৰ পূজাৰ সময়ত আৰু সদায় ৰাতি পুৱা গধূলী দাম ফী উপৰি পুৰুষ দেৱতাক পূজা কৰাৰ সময়ত এই ফুলবোৰ 'লু' ওম হেউ চু (দান) দিবা।

দুহেজাৰ নাও সদায় যুদ্ধলৈ সাজু ৰাখিবা। তিলাওলৈ সোনকালে উলিয়াই নিব পৰা নৈৰ বুকুত ৰাখিবা। তদুপৰি নৈৰ লগত লগাকৈ একোটা নং পুখুৰী খান্দি তাতে নাওবোৰ ৰাখিবা আৰু তাতে সকলোৱে পানী যুদ্ধৰ আখৰা কৰি সাজু হৈ থাকিবা। তিমিছা তিওৰা সকলৰ লগত মিলি থাকিবা। একে খাদ্য একে মুখ, একে চকু, মিলি থাকিবা। সকলোবোৰ লাখেন তেন ছা, তি পাম, ম্যুং কাং চে খ্রু ম্যুং খাং লৈ অহা যোৱা কৰি থাকিবা। উত্তৰ পাৰ দক্ষিন পাৰ মিলি থাকিবা। দুয়োপাৰে সদায়েই অহা যোৱা কৰিবা। নৈৰ পাৰত কিছুমান ঘাট স্থায়ীকৈ বনাই লবা। পাচলৈ আমাৰ সহায় হ'ব। তিলাওয়েদি অন্য দেশৰ বেপাৰী অহা যোৱা কৰিলে কৰ খুত তুলিবা। থাও ম্যুং ছেং কানক মই ফু কিন ম্যুং হাবুং পাতিলোঁ। মাজৰ হ'লুঙত তেওঁ থাকিব। বাকী দুয়ো মুৰে থকা হ' লুঙ দুটাত দুজন ফু ৰু হান হাবুং থাকিব।"

ছুকাফাই দীঘলীয়াকৈ কথাখিনি কলে। ছুকাফাই ইমান বুজনি দিয়াৰ বাবে মানুহখিনিয়ে আনন্দত অভিভূত হৈ পৰিল। ইমান চিন্তাশীল, ইমান যে কথাবোৰ তন্ন তন্নকৈ ভাবে। কোনো এটা কথাই তেওঁ পাহৰি নাযায়। ছুকাফা সাইলাখ আমাৰ উপৰি কালৰ প্ৰ পিতামহ প পুলিন চাও ফা ফেত ঙি ৰিং খাম লেংদনৰ দৰেই লাগিছে। এৰা আমি ছুকাফাৰ লগত আহি ভালেই কৰিলো। নতুন মাটি নতুন বাৰী, নতুন খেতি, নতুন মানুহ নতুন বেপাৰ বানিজ্য।

দাপ কাও, বুং চেও আৰু ম্যুং প্লাও, এই তিনি পি লাকনি বছৰ ইতিমধ্যে পাৰ হ'ল। ম' লিক জনে ৰাজ বুৰঞ্জী ছে ৰনত লিখি থলে।

"চাং তাক পাই চাম লুং তি লাও মা থ্যুং ম্যুং হা বুং চাম লাকনি দাপ কাও ৰাই চাও, ম্যুং প্লাও চাম জু হা বুং। কিন খাও না চাম ৰুং। নাই ক হা বুং নাম থুম নাম জুং।"

অৰ্থাৎ ইয়াৰ পাচত তি লাও লুইতেদি ভটিয়াই আহি ম্যুং হাবুং দেশ পালোহি। দাপ কেও, চেও আৰু ম্যুং প্লাও এই তিনিবছৰ হাবুঙত থাকিল। তিনিটা খেতি কৰি

কটালে। কিন্তু হাবুং দেশতো বান পানী হোৱা দেখিলে।

ভূঁৰ নাওবোৰ লৈ ছুকাফা সদলবলে সসৈন্যে তিলাওৰ (দি লাও) বুকুয়েদি ভটিয়াই আহিল। বেলি ওলাওতে বেলি পৰিল, তথাপিও ৰোৱা নাই। ৰাতিও গৈ থাকিল। পাচদিনা পুৱা বেলি ওলাল। আবেলি আবেলি পৰত তেওঁলোক গৈ দিখৌ নদীৰ মুখ পালেগৈ।

মানুহৰ দলটো ৰৈ নাথাকিল। দিখৌ মুখৰ পানী চায়েই বুজিলে সেয়া ফটফটীয়া পানী চাও। সেয়ে দি খৌক নাম দিলে নাম চাও। থানগিৰি তিমিছাসকলে কয় দিখৌ। তাই সকলে নাম তি খৌ বুলি কৈছিল যদিও পানীৰ জলমলনি দেখি কলে নাম চাও। তেওঁলোকে জানে নাম চাওয়ে উজাই গ'লেহে বেচি দূৰলৈ যোৱা নহ'ব। তিলাওয়েদি বেচি ভটিয়াই গ'লে কামতা ৰাজ্য, ফুন য়া ৰাজ্য আৰু ৰাফা তিমিছা, লা লুং তিওৱা কচ্ছ বিলাকৰ জেগা পাবগৈ। সেইফালে মানুহো বেচি আছে। উজাই যোৱাই ভাল বুলি উজাই যাবলৈ ধৰিলে। চাং তাক খ্যুন নাম চাও ম্যুৱ ন্যুৱ। পাচত তাৰ উজালে দিখৌৰে। চাং ম্যুৱ হান দুপ নাম খুন। পাচত তাৰ দেখিলে মুখখন নাম খুনৰ (দিচাঙ)। নাম খুন। বোকাৰে ভৰা নৈ। পাৰলে নামি গ'ল দুই এক মানুহ। নৈখন উজনীৰ পৰা আহি নাম চাও তি খৌত পৰিছেহি। মুখতে কিছুসময় ৰল। বেলি পৰিবৰ সময় হ'ল। উজাই আহোতে উজুৱাত অসুবিধাও হৈছিল। ভূঁৰবোৰ ঠেলোতে কষ্টও বেচি হৈছিল। নাও বিলাকৰ বাবে একো অসুবিধা হোৱা নাছিল।

পাৰত নামি খেনোৱে ছুকাফাৰ অনুমতি লৈ পাৰলৈ গৈ ভিতৰলৈ সোমাই গ'ল। হাতীবোৰ মাটিয়েদি তিলাওৰ দক্ষিন পাৰে গৈ পুনৰ দিখৌ মুখেদি দিখৌৰ উত্তৰ পাৰে আহিছিল। সিইঁতে দিহিং মুখেদি দিহিং পাৰ হৈ দিচাং মুখ পালেহি। দিচাং মুখতে গধুলী হাতীবোৰ লগ হ'লহি। ঘোঁৰাবোৰ পুনৰ চকু বান্ধি ভূঁৰত লৈ আহিছিল।

ভূঁৰে পাৰে মানুহে ভাত সিজাবলৈ ধৰিলে। দিছাঙৰ পানী লৈ ওজন কৰিলে। ছুকাফাই প্ৰতিখন নৈৰ পানী, মাটি, বালি শিল ওজন কৰি চাইছিল আৰু পানীৰ ৰং, বোকা, নিজনি আদি হয়নে নহয় পৰীক্ষা কৰি আহিছিল। দিচাঙৰ পৰীক্ষা কৰি পালে যে পানীবোৰ তিপামৰ পৰাই আহিছে। পানী ওজন কৰাৰ লগে লগে তেওঁ দিহিঙৰ পানীত হাতো জুবুৰিয়াই চাইছিল। পানীৰ বোকা আৰু চৰিত্ৰ দেখি সেয়াযে তিপামৰ পৰাই আহিছে বুজি পাই পুনৰ তিপামলৈ আগুৱাই উজাই যোৱাৰ প্ৰয়োজন অনুভৱ নকৰিলে। তিপামত তেওঁ অঞ্চল নিজৰ অধীনলৈ আনিলে আৰু ৰাজখোৱা ফু কিন ম্যুং পাতি থৈয়েই আহিছেই। তদুপৰি দি চাং অঞ্চল তিপামতকৈ কিছু নামনি বুলি জানি তাতো বানপানী হোৱাৰ আশংকা কৰিলে। তদুপৰি দিচাং আৰু দিহিঙৰ মাজৰ উপত্যকা অঞ্চল

কম বাবে তাতেই তেওঁৰ সকলো মানুহ বহিবলৈ নোজোৰিব। সেয়ে নতুন ঠাই বিচাৰিব লাগিব।

ৰাতি আন্ধাৰ। অবশ্যে জোনৰ পোহৰ কিছু আছিল আৰু জোনাকী পৰুৱাৰ পোহৰেও জগতখন পোহৰাই তুলিছিল। গছবোৰৰ পাতৰ আঁৰত জিলি বোৰে তেতিয়াও আৰাও তুলিছিল। যেন ৰাতি গীত গাই গাই জোনটোৰ পোহৰ স্তিমিত হৈ আহিছিল। অলপ পাচতেই সি মৰিব। না না চৰাইয়ে তেতিয়াও মাজে মাজে গীত গাই গাই আছিল। ডাঙৰ ডাঙৰ ফৰিং, কুমতি, উইচিৰিঙা আদিবোৰেও আন্ধাৰৰ মাজত চি চি শব্দ কৰি নিজৰ অস্তিত্ব অনুভৱ কৰিবলৈ দিছিল। ছ্যুকাফাইও পাৰলৈ নামি তৎক্ষনাত বনোৱা চালি এখনৰ তলত বহি সকলো পৰ্যবেক্ষন কৰিছিল। নতুন ঠাই। তেওঁৰ মন আনন্দ উত্তেজনাত শিঁহৰিত হৈ উঠিছিল।

ছ্যুকাফাই খাও নেউ দ্যেং আৰু শুকান পছুৰ মাংস সিজোৱা জোল মাংস আৰু বনপাতৰ পাতত দিয়া শাক খৰিচাৰে খাই খাই থাওম্যুং কেইজনৰ লগত আলোচনাত ব্যস্ত হৈ আছিল।

এনেতে দহজনমান মানুহ হাবিৰ মাজেদি সেই ঠাই ওলালেহি। মানুহকিজনে একেলগে বহুবোৰ দেখি আচৰিত আৰু শংকিত হ'ল। অৱশ্যে আন্ধাৰত সকলোবোৰ নাওঁ আৰু ভূঁৰ দেখা নাছিল যদিও চাকিৰ পোহৰে নৈখন জোনাকী পৰুৱাৰ দৰে জিকমিকাই আছিল। তদুপৰি তেওঁলোকে দুৰৰ পৰা হাতী আৰু ঘোঁৰাৰ চিএৰ, মাজে মাজে গাহৰিৰ বিকট চিএৰ শুনিছিল।

" আপোনালোক ক'ৰ পৰা আহিছে? কোন আপোনালোক?" দুৰৰ পৰা তিমিছা ভাষাৰে চিএৰি সুধিলে এজনে। ছ্যুকাফাৰ কাষতে বহি থকা বাও মুন পাতৰে ভালকৈ কব পাৰে তিমিছা ভাষা। বুজি পালে আৰু উত্তৰ দিলে।,

"ভয় নাখাবা। আমি তোমালোকৰ শত্ৰু নহয়। আমি তোমালোকৰ বন্ধু, আমি হাবুঙৰ পৰা আহিছোঁ।"

"তোমালোক কোন? কি জাতৰ মানুহ, একেই চি নে?"

এৰা আমি তাই, চাম মানুহ, আহাম লোক। হা চাম। মাটিৰ চাম শ্যাম মানুহ, তোমালোকৰ লগত একেই তেজ চি। আমাৰ লগত সকলো জাতৰ মানুহ আছে। কেৱল চামেই নহয়। খাং নকা, কং চিংফৌ, দিওৱা, খা ফী দিওৱা, দিমা ফিচা, মৰাণ, মটক, ফুন য়া পাং দিন মি ৰি। আহা আমাৰ ওচৰলৈ আহিব পাৰা। আমাৰ লগত কচাম্পী দেশ ম্যুং মাও লুঙৰ ৰজা চাও লুং ছ্যুকাফা আহিছে।"

মানুহকিজন ভয়ে শংকাই ওচৰলৈ আহিলে তেওঁলোকক আঠে বেঠে বহিবলৈ

একোখনকৈ বাঁহৰ ঢৰা পাৰি দিলে।

"আপোনালোকে ইমানবোৰ বুং চা (সৰু নাও)। বুং মা (ডাঙৰ নাল), দাও চা আৰু ইমানখন মানচৈফৌৰ মাণ্ডিফৌৰ কিয় আহিছে।"

"আমি আহিছোঁ হা বিচাৰি। মাটি বিচাৰি মাই ৰাং মি ৰিং ধান খেতি কৰিবলৈ। আমি হা চাম মাটিৰ চাম মানুহ। আহাম হা চাম। পুৰনি কালত আমি আৰু তোমালোক একেই আফা (বংশ) আছিলোঁ। একেই সোন লৰ্যঁ (সন্তান জাতি)। একেই মানুহ। তোমালোকে ভয় নাখাবা। আমি তোমালোকৰ একো অপকাৰ নকৰোঁ। খেতি কৰাৰ মাটি আমি হাবি কাটি উলিয়াই লম। মাথো তোমালোকে হাবিত আমাক সুমাবলৈ দিলেই হ'ল।"

"বুজিলো, আপোনালোক আলচী, আহাম বায়। শুনিছিলোঁ বোলে আহাম চাম বোৰ আহিছে আমাৰ দৰেই 'হা' খায় থাকে। সেয়েহে আপোনালোকক আমি হা চাম বুলিও কৈছিলোঁ। কাইলৈ পুৱা আমাৰ মুৰব্বীক আপোনালোকৰ ওচৰলৈ আহিবলৈ কম। আপোনালোকে কথা পাতিব।"

ছুকাফাৰ মানুহ চাংমাইয়ে আনি থানগিৰি তিমিছা আলহীকিজনক সুন্দৰকৈ পাওত সজাই ৰঙা চেৰা দিয়া বৰা ভাত, গাহৰিৰ পুৰা মাংস, শুকান মাছ, টেঙা খৰিছাৰ আৰু শুকান মাছৰ জোল, না না বনৰীয়া শাকৰ সিদ্ধ, পানীটেঙা, টেঙা কৰা মাছ বৰা ভাতৰ মিঠা লাও পানী পৰিবেশন কৰিলে। খোৱা বোৱাৰ পাচত তেওঁলোক আটাই কেইজনকে একোখনকৈ ফুলাম ফা চিত গামোছা, আৰু তেওঁলোকৰ মুৰব্বী গাও বুঢ়ালৈ এখন ফাচিত আৰু পান শৰাই দি পঠালে।

যোৱাৰ আগে আগে তেওঁলোকে এটি গীত গাই যায়।

তুৱা তফ্রে তুৱা তুৱা
তুৱা তফ্রে তুৱা
মায় তা চা নামে মায় তা চা
চিং নুকি ৰেং দং
ৰাখুন দুনছা মায়ৰং
ৰেঙে নামে উবিয়ান চা তুৱা তুৱা।

অৰ্থাৎ উৰি যা চকোৱা উৰি যা, আমাৰ পথাৰৰ ধান নাখাবি। আমাৰ ঘৰলৈকে উৰি যা। এদোন দুদোন যি লাগে দিম, তাতেই পেট পুৰাই খাবি।

ৰাতিটো দিচাং মুখতে কটালে। পুৱাতেই থানগিৰি তিমিছা গাওঁবুঢ়াজন বিশেষ মানুহ কেইজনমান লৈ আহিলে। মুৰত খোপাং পাগুৰী, গাত এৰি কাপোৰৰ দীঘল

চোলা, তলত বহল দীঘল ফুলাম ফালি। দেখনিয়াৰ শকত পাকত পাহুৱাল আদহীয়া মানুহ। লগত আহিছে বুফান ফুলাম আঁচ টনা নিচিলোৱা মেখেলা বুকুত কাম্‌বুং মেথনি, কানত নামবুং থুৰীয়া, ঘিলাখোপাত খুছুমাকাৰী মাৰি চাৰিজনীমান তেজে ফুটো ফুটো গাভৰু। কেইজনমান গাবুৰতাং ডেকা।

ছুকাফা থাওম্যুং আৰু থানগিৰি আলহীবোৰে পূবাৰ খাও চাও খালে আৰু ছুকাফাৰ উৰ্দ্দেশ্য বুজাই দিলে। গাওঁবুঢ়াকো উপহাৰ দিলে আৰু গাওঁবুঢ়াইও ছুকাফাক কিছু উপহাৰ দিলে।

ছুকাফাই জনালে যে তেওঁলোকে দিচাঙেদি অধিক উজাই নাযায়। তেওঁলোকে নাম চাও নিখৌয়েদি উজাইহে যাব খোজে। তিমিছা গাওঁবুঢ়াই লগত দহজনমান তিমিছা মানুহ দি পঠালে যাতে তেওঁলোকে ঠাই বিচৰাত সহায় কৰি দিব পাৰে। গাওঁবুঢ়াই নিজেই অনুৰুধ কৰিলে যে কেইটামান চাম পৰিয়াল তেওঁলোকৰ গাৱঁৰ ওচৰতে হাবি মাটি আছে, তাতে মাটি ভাঙি খাব পাৰে আৰু ইয়াৰ যোগেদি তেওঁলোকৰ মাজত বন্ধুত্বৰ এনাজৰী কটকটীয়াহৈ থাকিব। ছুকাফাইও প্ৰস্তাৱটো ভালেই পালে। থাও ম্যুং সকলৰ লগত কথা পাতি বিশটা পৰিয়াল দিচাং মুখতে ৰাখি গ'ল। তেওঁলোকৰ ওপৰত এজন বু চাও (বৰা) পাতি থ'লে।

ছুকাফাই পুৱাবেলাতেই পুনৰ নাম চাও নদীয়েদি উজাই গ'ল। আবেলি বেলি পৰাৰ আগে আগে মানুহবোৰ গৈ এঠাইত এখন সৰু নৈৰ মুখ পালেগৈ। নৈ খন আহি সেই ঠাইতে দিখৌত মিলিছেহি। নৈখনৰ মুখতে পুনৰ পানীবোৰে জুখি চালে। এই সৰু নৈ খনৰ পানী দিখৌ নাম চাও নদীৰ পানীতকৈ ওজন বেচি। দিখৌৰ পানীতকৈ ইয়াৰ পানী দুগুন বেচি ওজনৰ। সেয়ে ছুকাফাই সেই নৈখনৰ নাম দিলে চং তক অৰ্থাৎ দুই তোলা ওজনৰ নৈ পানী। নাম চং তক। সেই ঠাইতে মানুহবোৰ ৰল। দিখৌৰ দুয়োপাৰে চং তকৰ মুখত আৰু চং তকৰ দুয়োপাৰেও মানুহবোৰ ভূঁৰ নাওঁৰ পৰা নামিল। ঠাইখনৰ নাম দিলে ম্যুং ৰুই ম্যুং চেন।

ম্যুং ৰুই ম্যুং চেন। সুজলা সুফলা ঠাই। ওখ চাপৰ ঠাই। ওখ ঠাইবোৰত মানুহ বোৰ বহিল। দ খাল ঠাইবোৰ শালী ধানৰ খেতিৰ বাবে মোকলালে। ছুকাফাৰ বাবে ডাঙৰ ডাঙৰ পোন পোন নাহৰ কাঠেৰে বাঁহৰ চাং পাতি ওখকৈ হ'লুং এটা নিৰ্মানি কৰিলে। হাবিত পোৱা খেৰৰ দ্বাৰা মানুহবোৰে ঘৰবোৰ চালে। মাজে মাজে জেঙৌ পাতো লগালে। এমাহৰ ভিতৰত সকলো গাওঁ বহি শেষ হ'ল। খেতি পথাৰ গাওঁ অসংখ্য বহিল। গাৱেঁ গাৱেঁ দেওঘৰ ৰৌন ফী চাও ছেং, ঠিয় হৈ উঠিল।

প্লেক ঙি বছৰৰ তিনিমাহ গ'ল। শালী খেতি এটা খৰধৰকৈ এটা কৰা হ'ল।

সুন্দৰ খেতি পালে। প্ৰতিটো পৰিয়ালে প্ৰায় দুই তিনিটাকৈ ধানৰ ভৰাল বনাব লগা হ'ল। হাঁহ, কুকুৰা, গাহৰি, মহ, সকলোৰে সংখ্যা বাঢ়িল।

পি মাও তাই দিন চিণ্ডত (আঘোন) পৰিল। ঢোল তাল পেঁপা বজাই গীত গাই গাই নাচিল ডেকা জীয়ৰী মখা। মহৰ যুঁজ বনৰীয়া চৰাইৰ যুঁজ, ডেকা লৰাৰ মাজত কঁকালে ধৰি খেলা মল্লযুঁজ, দুটা দল হৈ ৰচী টনা খেল, তাংগুটি, ঘিলাখেল, ছোৱালী লৰাৰ মাজত ঢোপ খেল, কড়ী খেল, পকখেল, পেং লৈ দৌৰা, মহৰ পিঠিত উঠি দৌৰা, ঘোঁৰা দৌৰ, ঘোঁৰা জাপ মৰা, পানীত সাঁতোৰা, বুৰ মৰা ঙাও ছেং বঙৰ মূৰ লগা নাও খেল প্ৰতিযোগিতা লাঠি খেল প্ৰীতযোগিতা লাঠি খেল প্ৰতিযোগিতা আদি বিভিন্ন খেল খেলিলে। পাখিলগা সিংহ বনাই মূৰত লগাই এজুম মানুহ নচা, সৰু ঢোল ডাঙৰ ঢোল বজাই নচাত ব্যস্ত হ'ল।

চাম বিলাকৰ নতুন বছৰৰ উৎসব দেখি ওচৰৰ গাওঁ বিলাকৰ পৰা খাং নকা, তিমিছা, তিওৱা মৰান, খা লাং বৰাহী আদিসকলে চাবলৈ আহিল। তেওঁলোকেও চামসকলৰ কথা বুজি নাপালেও খেল বিলাকত অংশগ্ৰহন কৰিলেহি। চাম সকলৰ মাজত থকা বৰাহী দিওৰা দিমাছা নগা সকলে নিজৰ নিজৰ জাতৰ মানুহৰ লগত নিজৰ ভাষাৰে কথা পাতিলে। ছু কাফাৰ চাম সকলৰ লগত নিজৰ নিজৰ জাতৰ মানুহ আৰু চাম মানুহৰো দুই একে ভাষা কোৱা আৰু লগতে চাম সকলৰ মাজত বহুতো থানগিৰি বোৱাৰী দেখি থানগিৰি সকলে আচৰিত হ'ল। চাম মানুহবোৰক বিদেশী বুলি ভাবিবলৈ টান পালে। ধান দাবলৈ আৰম্ভ কৰাৰ বাবে নতুন বৰা ধানেৰে ম খাই ম খাই লাও পানী খোৱা হৈছিল। ৰাজহুৱাকৈ মানুহবোৰে চাৰি পাঁচ ঠাইত ভোজৰ ব্যৱস্থাও কৰিলে। ভোজৰ বাবে গৰু মহৰ উপৰিও হাঁহ কুকুৰা, গাহৰি অসংখ্য মৰা হ'ল। মাটিৰে ডাঠকৈ বনোৱা এটা চৰুত এশজনে খাব পৰা হেজাৰ হেজাৰ চৰুত জুই দিয়া হ'ল। তদুপৰি কমাৰ সকলে ম্যুং ৰুই ম্যুং চেনতেই কেবাশও পিতলৰ ডাঙৰ ডাঙৰ ম তং চৰুও বনাইছিল। তেওঁলোকৰ লগত লোহেৰে বনোৱা চৰুও এহেজাৰমান আছিল। ওচৰৰ সকলো জাতিৰ মানুহক লাও পানী মাংসৰ ভাতেৰে ভোজ খোৱালে।

এইদৰে চা চিনাকি হৈ চাম মানুহবোৰে গোট গোট হৈ ওচৰৰ বিভিন্ন জাতৰ গাওঁ ভূঁই বোৰ পিত পিতাই ফুৰিব ধৰিলে। ছুকাফাইও মানুহবোৰৰ লগত একেলগে ভোজ খালে। সকলো মানুহে ছুকাফাৰ গুন গান গাব ধৰিলে। ছুকাফা যেন তেওঁলোকৰ আলহী নহয়, থানগিৰি আপোন মানুহ। যেন পুৰণি দিনৰ বন্ধুকহে লগ পাইছে মানুহবোৰে।

নগা পাহাৰলৈকে ছুকাফাৰ গুন গান বৈ বৈ যাব ধৰিলে। চং তকত এখন ডাঙৰ বজাৰ তিকাত বহিল। সেই বজাৰলৈ ওচৰৰ সকলো জাতৰ মানুহ আহিব ধৰিলে।

বজাৰত মাছ, মাংস, গৰু, মহ, হাঁহ, কুকুৰা, গাহৰি না না ধৰণৰ বনৰীয়া মাংস, না না বনৰীয়া চৰাইৰ মাংস, মিছা, কেকুৰা, কুচিয়াৰ মাছ, কাচ, কুদু, বৰল, মৌ, নিংকৰী, চাকচন, আমলই (আমলৰী) উইচিৰিঙা, এৰি পাটৰ লেটা সকলো বিক্ৰি হ'ব ধৰিলে।

নতুন বছৰৰ উৎসব পতাৰ লগে লগেই ছুকাফাই ভাবিব ধৰিলে। বহু দিন হ'ল। ম্যুং মাওলৈ আমাৰ খবৰ পঠোৱা নাই। আমাৰ কটকী চ্যেও খামক পঠাবৰ সময় হ'ল। যোৱাবছৰো ম্যুং মাওৰ পৰা মানুহ আহিছে। তেওঁলোক অৱশ্যে তিপামৰ পৰাই ঘূৰি গ'ল। ছুখান ফাই নিশ্চয় মোৰ সকলো খবৰ গম পাইছে। তিপামলৈ অহা ম্যুং মাওৰ তাই পিনঙে কৈছে ছুখামফাই ছিয়েংমাই, চেফাং, ম্যুং কাং, ম্যুং পাকান (পাগান) জয় কৰিলে। অৰ্থাৎ ম্যুং মাওৰ সীমা বহু দুৰলৈকে বিস্তৃত হ'ল।

ছুকাফাই মলুং ছেং তাম, ম'লিক ছেং কান লুং খাম আৰু থাও ম্যুং চাম চিনৰ নেতৃত্বত বিশজনীয়া দল এটি ম্যুং মাওৰ লুঙৰ চাওফা ছুখান ফালৈ না না উপহাৰ দি পঠালে।

দলটোৱে দিখৌয়েদি ভটিয়াই দিখৌৰ পৰা নামজিন বুঢ়ীদিহিঙত নাও পেলাই একাধাৰে উজাই গৈ থাকে। নামৰুক নদীয়েদি উজাই গৈ নামবং হৈ দয় কাও ৰং নং য়াং পাৰহৈ ম্যুং কঙলৈকে যায়। ম্যুং কঙৰ পৰা পূৰ্বে অহা বাটেৰে উজাই গ'ল। ঘূৰি যাওঁতে তিপামৰ ফু কিন ম্যুং কান ঙন, ম্যুং লাখেন তেনছাৰ ফুকিন ম্যুং খুন তং, নং য়াঙৰ পাৰৰ ম্যুং খাম য়াঙৰ ফুকিন ম্যুং কাং গ্ৰু ম্যুঙৰ সহায় লৈ তেওঁলোকক লগ কৰি দুদিন এদিন থাকি গৈছে। প্ৰতি ঠাইৰ পৰা তেওঁলোকে নিজৰ প্ৰয়োজনীয় খাদ্য সামগ্ৰী লৈ গৈছিল। ম্যুং কঙতো চাও ফা নয় চান ফা বা ছু খাম ফাৰ ৰাজধানীতো দুই তিনিদিন থাকি ম্যুং খুনেদি ম্যুং মিতলৈ গৈ ম্যুং মাও লুঙৰ ৰাজধানী পাইগৈ। বিশদিনৰ ভিতৰত তেওঁলোকৰ এই যাত্ৰা সম্পূৰ্ন শেষ হ'ল। বাটত দুদিন এদিন নথকা হ'লে প্ৰায় দহদিনৰ ভিতৰত ম্যুং মাও লুং পালেগৈহেঁতেন।

বহুদিনৰ মূৰত অতীতৰ ম্যুং মাও লুং দেশখন দেখি তেওঁলোকৰ মনত খুব আনন্দ লাগিছিল। ক'ত ফুৰ্তি তামাছা তেওঁলোকৰ। পুৰনি বন্ধুবোৰ লগ পাইছে। ম্যুং দুন চুন খামত ডাঙৰ দীঘল হোৱা ডেকা সাতজন লৈ যোৱা হৈছে। তেওঁলোকৰ বয়স ওঠৰ উনৈশ বছৰহে হৈছে মাত্ৰ। তেওঁলোকেও পিতৃসকলৰ দেশখন দেখি আনন্দত চকুলো টুকিছে।

ছু খান ফাক তেওঁলোকে ভায়েক ছুকাফাৰ উপহাৰবোৰ দিলে। ইমান দিনৰ মূৰত ভায়েক ছুকাফাৰ পৰা উপহাৰ পাই তেওঁ এখন সুন্দৰ ৰাজ্য ম্যুং তাই ম্যুং দুন চুন খাম গঠন কৰিব পাৰিলে বুলি জানি অতি সুখী আৰু আনন্দিত হ'ল। ছুকাফাৰ ৰাজপত্ৰ

পঢ়িল। লিখিলে। আমি ইয়াতে আছোঁহি। ম্যুং দুন চুন খামত। আটাই কেইজনক ৰাজোচিত সন্মান জনোৱা হ'ল। তেওঁলোকে অৱশ্যে নিজৰ নিজৰ পিতৃ মাতৃৰ ঘৰলৈ গৈ তিনি চাৰিদিন থাকিলেগৈ। লগতে বন্ধুবৰ্গৰ ঘৰতো এদিন দুদিন থাকি ম্যুং দুন চুন খামৰ বিষয়ে দিনৰ দিনটো কওঁতে অন্ত নপৰা হ'ল।

তেওঁলোকে মুঠ পোন্ধৰদিন ম্যুং মাওত কটালে। ম্যুং দুন চুন খামত জন্ম হোৱা ডেকা তাই লৰাকিটিক ম্যুং মাওতেই একোজনীকৈ ছোৱালী চকলং পাতি দিলে। ম্যুং দুন চুন খামলৈ লগত যাবলৈ কণ্যাৰ লগতে কণ্যাৰ ভায়েক ককায়েক এনেদৰে আৰু দহজনমান মানুহ ওলালে। তাৰে এজনে বিয়া কৰোৱা। বাকীকিজন যোল্ল বছৰীয়া পোন্ধৰ বছৰীয়া লৰা বাবে বিয়া নকৰালে। তেওঁলোকৰ ইচ্ছা বিয়াখন ম্যুং দুন চুন খামতে কণ্যা বিচাৰি পাতিব। মনগলে ঘুৰি আহিব, মন নগলে ঘুৰি নাহে তাতে থাকিব।

ডেৰমাহৰ মূৰত চেওখাম কটকী সকল আহিল। ছুখান ফাই দিয়া চিঠি আৰু ৰাজ উপহাৰ বোৰ দিলে।

ছু খান ফাই লিখিলে, "তোমালোকে ভালে আছা বুলি জানি বৰ সুখী হ'লো। ম্যুং দুন চুন খাম গঠন হোৱা বাবে শুভেচ্ছা পঠালোঁ। তোমালোকৰ দেশত খা সকল বৰ ভদ্ৰ নম্ৰ সহজ সৰল পোনপতীয়া কৰ্মী লোক বুলি জানিব পাৰি ভাল লাগিল। আমাৰ কৰ চাই তোলা মানুহ কিজন লগ হোৱাৰ বাবে ভাল পাইছোঁ। তেওঁলোকৰ অভিজ্ঞতা আছে। দেশ গঢ়াত সহায় হ'ব। ভাটিৰ ফালে ৰাজ্য বহলোৱা। পিতৃ দেশৰ কথা পাহৰি নাযাবা। মাজে সময়ে মানুহ পঠাই থাকিবা। আমিও নেৰোঁ, তুমিও নেৰিবা। আমিও মানুহ দুই তিনিবছৰৰ মূৰে মূৰে পঠাই থাকিম। বিপদ হ'লে তুৰন্তে বায়ু বেগেৰে খবৰ পঠাবা। আমি সহায় কৰিম। স্থানীয় বাসিন্দাৰ লগত মিলি চলিবা। তোমাৰ ৰাজপুত্ৰ ডাঙৰজনলৈ এটি কণ্যা পঠালোঁ। আমাৰ ম্যুং লিৰ ফু কিন ম্যুঙৰ জী। তাইৰ পিতৃ এতিয়া আমাৰ ৰাজ্য এখন থাও ম্যুং লুং। গ্ৰহন কৰিবা। ৰাজকোঁৱৰকো বেয়া ভাবিবলৈ নকবা। ফ্ৰা ত্ৰা আলঙে মংগল কৰক। চাও ফ্ৰা ত্ৰা আলং চাওফা ৰই।

ত্ৰিশবছৰ কাল লিখি ৰখা ম্যুং মাওৰ ঘটনাপঞ্জীৰ এখন বুৰঞ্জী এটি প্ৰতিলিপি ছুকাফালৈ চেউ খাম কিজনে লৈ আহে। ইয়াৰ পৰা ছুকাফাই ম্যুং মাও ৰাজ্যৰেই নহয়, অনান্য তাই ৰাজ্যৰ বিষয়েও বহুবোৰ কথাৰ উমান পালে।

ছুকাফাৰ পুত্ৰলৈ নোখোজাকৈয়ে ককায়েকে কণ্যা এটি পঠাই দিয়াৰ বাবে ছুকাফাই বৰপুত্ৰৰ বিয়াখন পাতিবলৈ মনস্থ কৰিলে। ছুকাফাৰ পৰিয়ালত মৰমতে ডাঙৰ লৰা ৰাজকোঁৱৰক আই খুন চেং বুলি মাতিছিল। অন্যই মাতিলে চাও আই খুন ছেং বা খুন ছেং বুলি কৈছিল, কিন্তু মাকে অতি মৰমতে ছেং বুলিহে কয়। দ্বিতীয়জন ৰাজকোঁৱৰক কয়

বুলি কয়। তৃতীয়জনক লাচাম বুলি মাতে। অৱশ্যে ছোৱালী কিজনিক য়ে, ই, আম বুলিয়েই মাতে।

কণ্যাটিৰ নাম নাং পান ব্লক বু অৰ্থাৎ পদুমৰ দৰে ধুনীয়া ছোৱালী। কণ্যাটিৰ বৰণ বগা আৰু গোলপীয়া খাও খাঁও ৰঙৰ। হাত ভৰি লোদোৰ পোদোৰ। জোখৰ ওখ। চুলিবোৰ মেলি দিলে দীঘলে চাৰিহাত মান হয়। মূৰৰ ওপৰলৈ জোঙাকৈ খোপা মাৰি লৈ জোঙা দলৰ নিচিনা খোপা টোত ফুল মেৰিয়াই ললে সুন্দৰ দেখাই। তাতে খোপাটোত কাঠৰ ৰং কৰা ফনী এখন গুজিও লোৱা হয়, তেতিয়া মেখেলাৰ ৰূপৰ জেউতী চৰে। ৰঙা হালধীয়া ফুলাম মেখেলা চিইন, ৰূপালী ৰঙৰ তিৰবিৰাই থকা চাদৰ ফা মাই, কঁকালত ঠেক ডাঠ ৰিহা লাং ৰাত, কাষত ওলমি থাকে ৰঙীন মোনা থোং।

ওখ চাং। বাঁহৰ কামী আৰু তাৰ ওপৰত দীঘে দীঘে থাহি দিয়া বাঁহ পাৰ দিয়া হ'ল। প্ৰায় পঞ্চাশ হাত বহল এশহাত দীঘল চাং। তাৰ ঠিক এহাত তলত দুহাতমান ওখ বাঁহৰ চাং চাৰিওফালে মেৰাই ঘুৰাই দিয়া হৈছে। চাঙৰ সোঁমাজত পাতিদৈৰ ত্ৰিশখন ঢাৰি। ওপৰত পাৰি দিয়া হ'ল ফুলবচা বহল চেলেং কাপোৰ। তাৰ ওপৰত এহাত ওখ তামুলী পীৰা দুখন। দুখনত বহি আছে ফুমা ফুমী দৰা কানৈ। এশ এখন চাকি জ্বলাই তিনি পুৰুহিতে চকলং সমাধা কৰে।

হাতী সাজু হ'ল চাওফা দেওঁতা ফ্ৰং পিমে জনালেহি। আঠুকাঢ়ি তিনিখোজ পিচলৈ গৈ লাহে লাহে মূৰ দোৱাই দুৱাৰৰ বাহিৰ হ'ল।

ছুকাফাই হাতীৰ পিঠিত উঠিল। সুন্দৰকৈ পোচাক পৰিচ্ছদ পিন্ধি ওলাল। ছুকাফাৰ লগত হাতী চালক হিচাবে উঠিল ফ্ৰম পিম। হাও দাখন সুন্দৰকৈ সজোৱা হ'ল। ওপৰত জোঙা হৈ যোৱা ঘৰ। না না ৰং ৰং দিয়া চাল। হলুঙৰ চৌহদৰ পৰা বাহিৰ ওলোৱাৰ লগে লগেই বৰ ঢোল, বৰতাল বজাই অভিবাদন জনোৱা হ'ল। আগে আগে চাৰিটা ঘোঁৰা। তেওঁলোকৰ মুখত মহৰ শিঙৰ পেঁপা। তাৰ পাচত বৰঢোলীয়া আৰু বৰ তাল লোৱা দল। হাতীৰ দুয়োকাষে ঘোঁৰাত উঠা দহজন দহজন হেংদাং লোৱা মানুহ ৰখীয়া। পাচতো প্ৰায় পঞ্চাশজন ৰখীয়া, মলিক, বুৰঞ্জী লিখক।

ছুকাফাই ম্যুং ৰুই ম্যুং চেঞ খন ভ্ৰমন কৰিবলৈ যাব বুলি সকলো গাওঁ সাজু হৈ আছিল পূৰ্বতে খবৰ দিয়া আছিল। বাটপথ চিকনুৱা, আলি পদুলি ওখ কৰা, ক্লং বিলাক চাফচিকুন কৰা, বাৰীয়ে বাৰীয়ে নুতুন ঢাপ তুলি নতুন জেউৰা মৰা তাহু নগুলা না তু কুঁীন, বাৰী ফাক বৌন, চোতাল কাংমান না বৌন, ঘৰুৱা আৰু ৰাজহুৱা দেওঘৰ বৌন ফী দামবোৰ সজাই পৰাই নতুন কৰিলে। সকলো মানুহে ঘৰৰ না তু কুঁীন পদুলী মুখত শৰাই সজাই সজাই নতুন কাপোৰ ফামাও পিন্ধি সেৱা কৰিবলৈ সাজু হৈ থাকিল।

তাইসকলৰ ৰজাৰ বা ডাঙৰ বিষয়াৰ সমুখত ওলাবলৈ হ'লে ভালকৈ ধোৱা, চাফা বা নতুন কাপোৰ আৰু সকলো কাপোৰ সম্পূনকৈ পৰিপাটীকৈ পিন্ধিব লাগে। লেতেৰা ফটাচিটা কাপোৰ, আউলি বাউলি চুলি, তামোল খোৱা লেতেৰা মুখ লৈ সমুখলৈ আহিব নোৱাৰিব। অৱশ্যে পোচাক পৰিচ্ছদ সুন্দৰকৈ পিন্ধাৰ নিয়ম যদিও, মূৰত জাপী কুপ, চাতি চং লোৱাৰ নিয়ম নাই। নিজা নিজা পদবীমতে জাপি চাতি সকলো লব পাৰিব কিন্তু ৰজা সকলোতকৈ ডাঙৰ ৰজাক সন্মান দেখুওৱাটো জাতীয় কৰ্তব্য। ওচৰৰ গাঁৱৰ অনান্য অনা তাই থানগিৰি সকলৰ গাঁৱতো তাই সকলে ছুকাফা আহিলে কেনেকৈ থাকিব লাগিব সকলো বুজায় দিলেগৈ। তাইসকলৰ নিয়ম কানুন দেখি থানগিৰিৰ মানুহবোৰ আনন্দিত হ'ল আৰু ভালদেখি সকলোৱে তাই সকলৰ দৰেই নিয়ম পালন কৰিবলৈ শিকিলে। অৱশ্যে থানগিৰি সকলেও পূৰ্বৰ পৰা তেওঁলোকৰ ৰজাক সন্মান দেখাই আহিছিল। কিন্তু আলহী তাই সকলৰ নিয়মবোৰ বেচি ভাল দেখিলে। নিজৰ আৰু তাইসকলৰ নিয়ম আচৰন মিলাই সুন্দৰকৈ নীতি আচৰন উলিয়াই ল'লে। ইতিমধ্যেই থানগিৰিৰ বহুলোকে তাই সকলৰ ধান মৰা বনা ঢেকি দিয়া, তাঁত বোৱা, জাপী বনোৱা, ভাত সিজোৱা পোচাক পিন্ধা ঘৰ বনোৱা নীতি নিয়ম বোৰ শিকিবলৈ ধৰিলে। তিমিছাসকলে অতি সোনকালেই উৰালৰ পৰিবৰ্তে ঢেকী বনাই ধান বানিবলৈ ল'লে। অৱশ্যে উৰালত ধান বনা তাই সকলেও কেতিয়াবা কৰিছিল আৰু তিমিছা তিওৰা সকলেও দুই একে উৰাল এৰি দিয়া নাছিল। বিশেষত তিমিছা, তিওৰা, খাং, লাং, মৰান সকলোৱেই তাই সকলৰ দৰে বাঁহৰ কামী চিক ফালি বাঁহৰ জেউৰা মাই তাহু বা মাই তা খা গুঠিবলৈ শিকিলে। তদুপৰি ঘূৰনীয়া ডলা লুং, ভাত মেলা বাঁহৰ পাতল ডলা তিপ খাও, ওখোন লং চঞ, ধানৰ খাং ত্যোন খাও ঘৰত টোপ লগোৱা, বাঁহৰ নঙলা না তুন কুঁন বনোৱা আদি বহুবোৰ কথা তিনি চাৰি মাহতেই শিকি পেলালে। তাই সকলৰ মিঠা লাও পানী খাই জুতি পাই তাইসকলৰ পৰা বৰা ধানৰ সঁচ খুজি খেতি কৰাৰো পদ্ধতি শিকিলে। তেওঁলোকে তাই সকলৰ লগতে আহি খেতি কৰিবলৈ ধৰাত মহেৰে হাল বাই আলি দি স্থায়ী পানী যোগান ধৰি পানীত কৰা ধান খেতি কৰিবলৈও শিকিলে। তাইসকলেও তেওঁলোকে কৰা পূজা পাটলত তাই সকলৰ বিভিন্ন দেৱতালৈ বেলেগ বেলেগ শৰাই পাং সজোৱাৰ লগতে মৰান, বৰাহী, দিমাছা, দিওৰা, খাফী দেওৰী, নগা, চিংফৌ আৰু হিন্দুৰ দেৱতলৈও বিভিন্ন ভাগে পাং সজাই পূজা কৰিবলৈ ধৰিলে। থানগিৰি সকলেও তাইসকলৰ পূজাত তেওঁলোকৰ দেৱতাৰ তেওঁলোকৰ জাতৰ নাম শুনি আনন্দিত হৈ তাই সকলক আপোন বুলি ভাবিবলৈ ধৰিছিল। বিশেষকৈ চিংফৌ, বৰাহী, দিমাছা, তিওৰা মৰান সকলৰ তিৰুতা সকলে তাই সকলৰ মহিলাৰ লগত মিলামিছা কাম বন খেতি

বাতি শাক তোলা তাত বোৱা আদি কাম বন কৰি তাই তিৰোতা সকলৰ দৰেই পোচাক পিন্ধিবলৈ লবলৈ ধৰিলে। তেওঁলোক একেলগে থাকিলে কোন থানগিৰি কোন তাইতিৰোতা ধৰাটোৱেই টান হৈ পৰিছেগৈ। অৱশ্যে খা ফী তিওৱা সকলে চিইন মেখেলা পিন্ধিলেও পূৰ্ব্বৰ নিয়মেৰে মূৰত খোপা মাৰি কাপোৰ বান্ধে আৰু বুকুত মেথনি মাৰে। তিমিছা মৰান সকলেও মূৰত কাপোৰ এখন কিছু ভিন্ন ৰীতিত মেৰিয়াই বান্ধি লয়। মতা বোৰেও মূৰত পাগুৰী মৰা, গামোছা বন্ধা কঁকালত টঙালি বন্ধা ৰীতি প্ৰায় একেই হৈ পৰিল। কথাবোৰ তেওঁলোকৰ মাজত পাতোতেও সংস্কৃতৰ পৰা ওলোৱা কিছু অপভ্ৰংশ কৰা শব্দ, নিজা নিজা ভাষাৰ শব্দ আৰু তাই শব্দ তথা সকলো মিশ্ৰিত আৰু ধ্বনিৰ পৰিবৰ্তন হোৱা শব্দ সানি পোতোকি কথা পাতি ভাব বিনিময় কৰে। এইদৰে কথা পাতোতেও তেওঁলোকৰ মাজত এক ধৰণৰ সুকীয়া কথাৰ সৃষ্টিয়েই হ'ব ধৰিলেগৈ।

ছ্যুকাফা পুৱাতেই ওলাই গ'ল। ন গাওঁ বান না, বান পাম, বান ব্লক, বান খুন, বান নং, বান ফী, বান তুন মাই, বান দয়, বান ম, বান তৌ, বান বুক, বান খ্যুন, বান খাও, বান লাই ছেং, বান ছাং থক্, বান মাও, বান পাও, বান চাওখাম আদি গাওঁবোৰ এখন এখনকৈ হাতীৰে উঠি ভ্ৰমন কৰিলে। তাই গাওঁ বিলাকৰ উপৰিও থানগিৰিৰ গাওঁসমূহতো সোমালে। এইদৰে দুপৰীয়ালৈকে বিশখন মান গাওঁ ভ্ৰমিলে। দুপৰীয়া জিৰনি ল'লে বান পুং গাঁৱত বিশেষভাৱে ছ্যুকাফাৰ বাবে বনোৱা অস্থায়ী হ'লুঙত। তাতেই ছ্যুকাফাৰ সন্মানৰ উপলক্ষ্যে এটা ডাঙৰ ভোজৰো ব্যৱস্থা কৰা হ'ল। ভোজত দহ্ বাৰটা মহ্ শই শই হাঁহ কুকুৰা আৰু এশটামান গাহৰি মাৰিলে। সকলো থানগিৰি আৰু তাই একেলগে ছ্যুকাফাৰ লগত বহি দুপৰীয়া বেলি মূৰৰ ওপৰত থকাৰ সময়তে মিলা প্ৰীতি ভোজ খালে। ভোজৰ সময়ত প্ৰতিটো বস্তু কু চ কু পেং কেই সুন্দৰকৈ সজাই পৰাই লৈছিল। প্ৰতিজনেই ভদ্ৰতামূলক কাম 'অন অন কন কন' কৰি চাওফা ছ্যুকাফা ৰজাক ভাল লগাবলৈ যত্নপৰ হৈছিল। তাই ৰজাৰ প্ৰতি কেৱল তাইয়েই নহয় থানগিৰি সকলৰো অসীম শ্ৰদ্ধাভাব জাগি উঠিছিল। ৰজাৰ মৰমৰ চাৱনি মৰমৰ ব্যৱহাৰ দেখি সকলোৰে মনত উ হিং শক্তি জাগিছিল, "আমি একেই মানুহ"।

থানগিৰি সকলে ছ্যুকাফাৰ প্ৰতি থকা ভক্তিত তেওঁলোকে ঘৰত উৎপাদন কৰা পাট সুতা 'মাই লাই' পাটপলুৰ লেটা 'মে লাই' কঁপাহ 'কাই ফে লাই' এৰিয়া কাপোৰ, 'ফা বুন', শুকান মাছ, শুকান মাংস আদি না না উপহাৰ যেয়ে যি পাৰে দিছে। তাই সকলেও বেঁত আৰু কাঠৰ ডাঙৰ ডাঙৰ শৰাই, বেত বাঁহৰ ভাত্ খোৱা ওখ চাং বাচন ওপ কিন খাও, মুগা কাপোৰ আদি উপহাৰ দিলে। ছ্যুকাফাৰ মনত ৰং দিবলৈ থানগিৰি সকলে নিজৰ নিজৰ ভাষাৰে গীত মাত গালে আৰু তাই সকলেও তাই ভাষাৰে গীত গালে।

বহুতে নাচো নাচি দেখালে।

আবেলি পুনৰ ছ্যুকাফাই যাত্রা কৰিলে। পাচখনমান ডাঙৰ ডাঙৰ গাওঁ পাৰ হৈ বান ম গাঁৱত ৰাতি থাকিবলৈ ল'লে। বান ম' গাঁৱত ছ্যুকাফাৰ বাবে বাঁহ আৰু কাঠেৰে অস্থায়ীকৈ হ'লুং বনালে। অস্থায়ী হ'লেও হ' লুংটো গাঁৱৰ ৰাইজে ইমান স্থায়ীভাবে আৰু সুন্দৰকৈ সজালে যে ই এক সাইলাখ হ'লুঙৰ দৰেই হৈ পৰিল।

হ লুঙৰ সমুখত আহল বহল এখন না বান চোতাল উলিয়ালে। হ'লুঙত ছ্যুকাফা আৰু ৰাজকুমাৰ সকল আৰু লগত অহা এগৰাকী ৰাণী বহিব। হ'লুঙৰ চাওতকৈ চাপৰকৈ বনোৱা চাঙৰ খলপটোত থাওম্যুং সকল বহিব। অবশ্যে ছ্যুকাফাৰ লগত এজনহে থাওম্যুং মাত্র গৈছিল।

সন্ধ্যা হোবাৰ পূৰ্বেই ভোজৰ আৰম্ভ হ'ল। আবেলিৰ পৰাই সিজোৱা পকোৱা আৰম্ভ হ'ল। গাঁৱত ছ্যুকাফাৰ লগত ভোজ খাবৰ বাবে নগা খাং গাঁৱৰ পৰা তিনিটা ডাঙৰ ডাঙৰ পহু, বৰাহীসকলে দুটা মহ, দিমাছা সকলেও দুটা মহ আৰু দহটা গাহৰি আৰু মৰান দিওৱা সকলে দুটা মেথুন আৰু তাই সকলে পাচটা বলদ গৰু দিলে। সকলো কাটি সিজোৱা পকোৱা শেষ হৈ আছিল। কুঞ্চি ছাং ভীমকলৰ কল পটুৱা দীঘে দীঘে পাৰি দি সিদ্ধ মাংস বোৰ দমাই থৈছিল। জোলখিনি সুকীয়াকৈ বিশটামান ডাঙৰ ডাঙৰ মখাত থৈছিল। সেইদৰে চেৰা দিয়া খাও ন্যেও বোৰো কলপটুৱাৰ ওপৰত কং ম্যু টোৰ দমাই থৈ কৌপাত তং ছিঙেৰে ঢাকি থোৱা হৈছিল।

ছ্যুকাফা মলুং ম'লিক, থাও ম্যুং, থাও বান থানগিৰি সকলৰ প্ৰতি গাঁৱৰ গাওঁবুঢ়া কিজন আৰু বয়সস্থ কিজনক আগতীয়াকৈ খোৱা সজাই দিয়া হ'ল। ছ্যুকাফাক সুন্দৰকৈ সজোৱা ডাঙৰ ওপ কিন খাওত ভাত সজাই আগবঢ়াই দি থানগিৰিৰ মুৰব্বী সকলকো মান ম গাঁৱৰ পঞ্চাশজনী সুন্দৰকৈ সাজি কাচি থকা ছোৱালীয়ে বান কাহীত ভাত সজাই আগবঢ়াই দিলে। ভাতৰ কাঁহীৰ কাষে কাষে বটাত তিনি চাৰিখনকৈ তামোল থুৰীয়া কৰি সজাই দিয়া হ'ল। সকলোৰে সমুখত এচুঙা এচুঙা সুন্দৰ হালধীয়া মিঠা লাওপানী। সকলোৱে নিজৰ নিজৰ ধৰ্মীয় ৰীতিমতে আৰু নিজৰ ভাষাৰে আৰ্শীবাদ দিলে। সৰ্বশেষত তাই পুৰুহিত সকলেও আৰ্শীবাদ জনমিং দিলে আৰু ভাত সিজোৱা বিলনীয়া সকলৈ আয়ু বৃদ্ধি হ'বলৈ শৰীৰ ভালে থাকিবলৈ জনমিং আৰ্শীবাদ দি খোৱা আৰম্ভ কৰিলে। আনন্দ মনেৰে হাঁহি মাতি ভোজ খালে। থানগিৰি আৰু তাই সকলৰ খোৱা বোৱাত তেওঁলোকৰ কোনো খেলি মেলি নাই। তেওঁলোকৰ ধৰ্ম বিশ্বাসত সকলো মানুহে একে লগে খোৱাত কোনো বাধা নাছিল। সকলোৱে একে পাগতে একে লগে খাব পাৰিছিল। সকলোৱেই গৰু, মহ, গাহৰি খাইছিল। নিজা নিজা কাৰনত যি সকলে গৰু বা মহ বা

গাহৰি নাখাইছিল, তেওঁলোকেও কাকো আপত্তি কৰা নাছিল। নিজে নাখাইছিল, কিন্তু আনক খোৱাই আনন্দ পাইছিল। ম্যুং বুই ম্যুং ছেএত দুঘৰমান ব্ৰাহ্মণ লোক আছিল যদিও তেওঁলোকেও মানুহ বোৰক খোৱাত আপত্তি নকৰিছিল। ভোজৰ স্থলীলৈ তেওঁলোকো গৈছিল। ছুকাফাক তেওঁলোকে সংস্কৃত ভাষাৰে শ্লোক গাই আৰ্শীবাদো দিছিল। দিমাছা সকলৰ লগত তেওঁলোকৰ ভাল সম্পৰ্ক জনাশুনা আছিল। দুই এজন লোকক তেওঁলোকে সংস্কৃত ভাষাৰ শব্দ বাক্য শিকাইছিল। মানুহবোৰে সংস্কৃতৰ সম্পূৰ্ণ শুদ্ধ উচ্চাৰণ কৰিব নোৱাৰিছিল। অৱশ্যে তেওঁলোকে তাৰ বাবে কোনো আপত্তি কৰা নাছিল বা বেয়াও পোৱা নাছিল। দিমাছা দিওৰা সকলেও তেওঁলোকক ধান চাউল মাহ সৰিয়হ, হাঁহ হাবিত শাক পাত তথা বাৰীত কাম বন কৰি দিছিল। শিক্ষা দীক্ষা থকা মানুহ বুলি তেওঁলোকক ডাঙৰ মাটি ভেটি বাৰীও কৰি দিছিল। বিশেষ প্ৰয়োজনত ব্ৰাহ্মণসকলক দিমাছা সকলৰ খুনৰ (গাওঁবুঢ়া) দিলেং (সহকাৰী গাওঁবুঢ়া), আৰু তাৰো তলৰ দাওলা থু, হাবাই চাগাও আদি সকলে সহায় কৰিছিল। ব্ৰাহ্মণ সকল জ্যোতিষ শাস্ত্ৰ অনান্য শাস্ত্ৰ, ভৱিষ্যত বানী কৰা, ভাল ভাল লাগতীয়াল কথা কোৱাত পটু আছিল। সকলোৰে মাজত ব্ৰাহ্মণ সকল জনপ্ৰিয় প্ৰিয় পাত্ৰ আছিল। ব্ৰাহ্মণ সকলেও থানগিৰি সকলক শিকাইছিল কেনেকৈ খাদ্য সিজাব লাগে, কেনেকৈ ঘৰখন চফা চিকুন কৰি ৰাখিব লাগে, কেনেকৈ পুৱা গধূলী গা পা ধুব লাগে, কেনেদৰে মানুহৰ মাজত ব্যৱহাৰ কৰিব লাগে, বহিব লাগে, কেনেকৈ সংস্কৃত আখৰ লিখিব লাগে। তদুপৰি ব্ৰাহ্ম সৎ জনক কেনেকৈ সেৱা শুশ্ৰূষা কৰিব লাগে তাকো শিকাইছিল। তেওঁলোকে দিমাছা দিওৰা সকলক ৰাম ৰাৱনৰ কাহিনী সীতা হৰণ কাহিনী, কৃষ্ণৰ ৰুক্মিণীৰ বিয়া এই সমূহ কাহিনী ৰস লগাকৈ কৈছিল। আনকি এই কাহিনীবোৰ তেওঁলোকৰ ওচৰৰ ঠাইৰ লগত মিলাই কৈ দিছিল।

দিমিছা দিওৰা মৰাণ সকলৰ মাজত ব্ৰহ্মাণ মানুহ কিজন বৰ জ্ঞানী, বহল মনৰ, ভগবানৰ নিঁচিনা শ্ৰদ্ধা পূজা সেৱা পাব লগা মানুহ বুলিয়েই ধাৰণা হৈছিল। তেওঁলোকৰ দীঘল চুলি আৰু বুকুলৈকে বৈ পৰা ডাঠ দীঘল দাড়ী কোচা দেখি একোজন দেৱতুল্য লোক বুলিয়েই ধাৰণা কৰিছিল। দিমাছা দিওৰা মৰানৰ কোনোৰে এনেধৰনৰ দীঘল ঘন ডাঠ দাঢ়ী নোলাইছিল। তেওঁলোকৰ দাঢ়ি গোফ ওলাইছিল সেৰেঙাকৈ এআঙুল আঁতৰত এডাল কৈ। গাতো নোম আছিল তাকৰ, চকুবোৰ টনা টনা সৰু। কিন্তু ব্ৰাহ্মণ কিজনৰ চকু ডাঙৰ, উজ্জ্বল, গাটো গোটেইটো নোমেৰে ভৰা।

ছুকাফা ৰজা হিচাবে নতুনকৈ এই দেশলৈ অহা বাবে ব্ৰাহ্মণ কিজনেও ভালেই পালে। অন্ততঃ এজন ভাল শক্তিশালী ৰজায়েই হ'ব এওঁ। দুৰৰ পৰা আহিছে। কৌশম্বী দেশৰ ৰজা। তাহানি ব্ৰাহ্মণ সকলেই সেই পুব ফালে গৈ এই কৌশম্বী ৰাজ্যৰ নামটো তাত

দিছিলগৈ। অৱশ্যে তেওঁলোকে ইয়াক কোনোবাই কা চাম্‌পী, খেনোৱে কাচ্চাৰী খেনোৱে কাতাম্পা বুলি কয়। আমি জনামতে সাতশবছৰ মানৰ পূৰ্বে আমাৰ ব্ৰাহ্মণৰেই কোনো এজন আফি ৰাজা সেইফালে গৈ ৰাজ শাসন চলাইছিল।" হিন্দু ঋষী মুনি ব্ৰাহ্মন সকল সেইফালেও গৈ সভ্যতা প্ৰচাৰ কৰিছিলগৈ। ছুকাফাৰ মানুহ বোৰ বেচ পাহ্বাল কৰ্তব্যপৰায়ন, ভদ্ৰ, সভ্য যেন লাগিছে। সম্ভৱ হ'লে এওঁলোককো সংস্কৃত শিকাব লাগিব।

আঠচল্লিশ

পুনৰ যাত্ৰা। ৰাজকীয় যাত্ৰা।

ছুকাফাই বাটত দেখিলে কিছুমান বাঁহ কাঠৰ সৰু সৰু ঘৰ, লগতে কল পাত কৌপাত এইবোৰ যেনি তেনি সিঁচৰিত হৈ আছে। ঠাইখন ভৰিৰ গছকত বন সিজি আছে। তাতে খন্তেক ৰল। এটা সৰু জুৰিৰ পাৰ। চিঁ চিঁ কৈ পানী বৈ আছে। কিছু দুৰত এটি সৰু তিলা। বেচি ওখ নহয়। পথাৰৰ মাজত কিছু ওখ ঠাই। কেইটামান ঘৰৰ থোপা।

ৰাজকীয় শোভাযাত্ৰাৰ দৰে এক সমদল দেখি ওচৰৰ গাঁৱৰ পৰা মানুহ কিছুমান আহি সেই ঠাইত গোট খালেহি। মানুহবোৰে ৰং দিয়া কাপোৰৰ চোলা আৰু তলত এডোখৰ কাপোৰ আৰু মহিলা বোৰেও আঠুলৈ পৰা এডোখৰ ৰং কৰা ফুলবচা নিচিলোৱা বুকুৰ পৰা মেৰাই থোৱা কাপোৰ ৰিগো মেখেলা বুকুৰ ওপৰত মেৰাই লোৱা কাপোৰ ৰাজ মফাস। কিছুমান পুৰুষৰ মূৰত অৱশ্যে এৰি কাপোৰৰ ফালি আৰু ৰামচাও পাগুৰী কিছুমান মহিলাৰ হাতত য়াও চাৰ খাৰু, ডিঙিত খিৰিক মনিমালা, কিছুমানৰ লিক চিম কলা বৰনৰ মনিৰ মালা, কিছুমানৰ ডিঙিত লিক লাও অথবা জংমাছা মনিমালা।

ছুকাফাক দেখি তেওঁলোকো বিমোহিত হ'ল আৰু ছুকাফাইও তেওঁলোকক দেখি সম্মোহিত হ'ল। ইমান সুন্দৰকৈ পোচাক পৰিচ্ছদ পিন্ধা মানুহবোৰ। হাবিৰ মাজত যেন এইবোৰ সোন গুটি। সঁচাকৈ হয় তেওঁলোক যেন 'চুন খাম' সোনৰ বাগানৰ সুশোভিত সোন।

ছুকাফাই সুধিলে, "এইবোৰ কিহৰ ঘৰ থানগিৰি সকল। কিবা পূজা পাটল নেকি?"

"এৰা হয় ৰজা দেৱতা আহাম, এয়া আঁমাৰ দিমাছা সকলৰ লং মাই লাই পূজা

অৰ্থাৎ লচমী পূজা (লক্ষ্মী)। আমাৰ জনথাই সকলে পূজা কৰিছিল। দাইংগা, ফাৰাইং দাংগা চাপা আদিৰ পূজা। খৰালী ঘঁহ বন গছ কাটি জুই জ্বলাই আমি মাটি খুচি ধানবোৰ সিঁচি দিও। অৱশ্যে মাটিবোৰ মিহি সমান হ'লে আমি হালো বাও গৰুৰে। এইদৰে কৰা ধানখেতিৰ ধান দেৱীৰ বাবে আমি এই পূজা কৰোঁ।" দিমাছা সকলৰ খুনং জনে দিমাছা ভাষাতে এইবোৰ কথা ছুকাফাক বুজাই দিলে। ছুকাফাই আধা দিমাছা ভাষা বুজিলে। বাকীখিনি লগত থকা তাই ভাষা জনা দিমাছা লোকে বুজাই দিলে।

দিমাছা সকলে ধান দোৱাৰ পাচত এক উৎসৱ পাতে, ধান শইচ পোৱাৰ পাচত আনন্দ উৎসৱ। তেওঁলোকে গাঁৱে গাঁৱে খুনঙ সকলৰ লগত আলোচনা কৰি দিন বাৰ ঠিক কৰি মহ গাহৰি কুকুৰা মাৰি ভোজ খাই নাচ বাগ কৰে। নাচত বজাই দীঘলীয়া কাঠৰ ঢোল খ্রাম। গৰুৰ চালেৰে চোৱা ঢোল। কাঠেৰে বনোৱা এবিধ বাদ্য যন্ত্ৰ মুৰি বজায়। সকলোৱে সুন্দৰকৈ বোৱা নতুন ৰাজামফাই, ৰিগো, ফালি, ৰামচাও, জংমাছা আদি ক'ত সুন্দৰ পোচাক পিন্ধে। কোনোৱে বজাই চুফিন চি ফুং (বাঁহী), কিচুৱে বজাই মোৰী ৰাথিছা (বাঁহৰ বাঁহী)। সেই উৎসৱত বৰমুৰীয়া খুনং, দিলেং, দাওলাথু, হাবাইচাগাও, হাবাইচাৰু, ফাৰাই, হাং চেওৰুখা, জালাই ৰাওৰ তৎনাইকীয়া হয়। কামেই কাম, অসংখ্য নিৰ্দ্দেশনা। বহুতে জোম বান্ধি বান্ধি হাইদাং গাই। হাই দাং গাই গাই তেওঁলোকে যেন আদৰি মাতে বাৰিষাক বাৰিষাৰ দেৱতাক। দুই একে কিছু থানগিৰিৰ মাজত প্ৰচলিত সংস্কৃতি শব্দৰ সংমিশ্ৰিত গীত-

বৈয়া মাতি হৈয়া বাই
চাক্লিলিং যুগৰ
হুইদাংদে
আদি অনাদি যুগৰ
হুইদাংহে
হায়ে কিহ্ কিহ্ সুজাইছে।

ছুকাফাই তিপামত এবাৰ দিমাছা থানগিৰিৰ এনে উৎসৱ দেখিছিল। চন্ তকতো এনে দিমাছা উৎসৱ দেখি তেওঁ বৰ আনন্দিত হ'ল।

তেওঁলোকে ছুকাফাক তেওঁলোকৰ গাঁৱলৈ নিমন্ত্ৰণ কৰিলে। ছুকাফাইও থানগিৰি দিমাছা সকলৰ নিমন্ত্ৰন ৰক্ষা কৰিলে। গাঁৱলৈ গ'ল। দিমাছা সকলে ছুকাফাৰ বাবে তেওঁলোকৰ থানঘৰৰ কাষতে সুন্দৰকৈ এটি অস্থায়ী ঘৰ সজালে। বাঁহ কাঠৰ ঘৰ। তাই সকলৰ দৰে তেওঁলোকেও চাংঘৰ বনাই দিয়ে। সকলো মানুহকে আথে বেথে য়ামচা

নঅে নাচলাও বাঁহৰ ঢাৰি, ৰামচাও আদি পাৰি বহিবলৈ দিলে।

ছুকাফা আৰু তাই আলহী সকলৰ আনন্দৰ বাবে তেওঁলোকৰ গাওঁ নাম্লাইত ভোজ আৰু দিমাছা দিওৰা গীতমাত নাচৰ আয়োজন কৰিলে। ভোজৰ বাবে তিনিটা মহ আৰু একুৰিটা গাহৰি মাৰিলে। তদুপৰি বনৰ পাত শাক বিধে বিধে সিজালে। নাম্লাইৰ ৰাজি সকলৰ কাৰো ৰক্ষা নাই। সকলো কৰ্মব্যস্ত। তেওঁলোকৰ নাম্লাইত চাংঘৰ নাই। দুই একেহে নগাসকলৰ চাং ঘৰ দেখি বনাইছে। অৱশ্যে সদ্যহতে ছুকাফাৰ লগত অহা চাম মানুহৰ চাং ঘৰ দেখি দুই একে এনে চাংঘৰ বনাব বুলি ভাবিছে। এওঁলোকৰ গাওঁখনৰ নাম দিজুৱা লংমাইলাম নাম্লাই। নাম্লাইখনৰ প্ৰধান পুৰুহিত জনথাইমা, মুখ্য সহায়কাৰী পুৰুহিত দাইংগ্যা চাগাও আৰু সহকাৰী পুৰুহিত দাইংগা ফাৰাইং সকলে চাম ৰজা ছুকাফাৰ সন্মানাৰ্থে এক পূজাৰ আয়োজন কৰিছে। এওঁলোকে সিজু গছৰ বেদীৰ চাৰিওফালে খ্ৰাম আদি বাদ্য বজাই গীত আৰু নৃত্য পৰিবেশন কৰে। তদুপৰি জাঠা (সৰু তাল), চিফুং, চেৰজা বীনা, জাংব্ৰেংগা থাখা আদি বজাই গীত গাই আনন্দ দিবলৈ যত্ন কৰিছে। ছুকাফাৰ লগৰ চাম সকলৰো দুই একে দিমাছা সকলৰ লগত নাচি চাবলৈ যত্ন কৰিলে। তদুপৰি চাম সকলেও নিজৰ ক্লুং ঢোল লৈ তাই নৃত্য কৰি দেখুৱালে। তাই সকলৰ চুটি ঢোলৰ চেৱে চেৱে দিমাছাৰো দুই এক লোকে নাচিবলৈ যত্ন কৰিলে। এক আনন্দমুখৰ পৰিবেশ। চাম সকলৰ কোনোবাই ক'বলৈ যত্ন কৰিছে- চাৰ ফাইদ, চেৰৈই-ফাইবা। দিমাছা সকলৰ কোনোৱে যত্ন কৰিছে চামৰ কথা কুন ফাও মা। কোন আহিছে। বিনি বিমুং মা। বুনি বুমু চুমু। ছু মান কাছাং। তেওঁৰ নাম কি? ত'মা লোখ খৰ মানুচ? তুও মাও লুক কত মাও নু। তোমালোক কৰ মানুহ?

ডেকা জীয়াৰীবোৰে গোটেই ৰাতিয়েই খাম ঢোল কং পি চেৰেঞ্জা, থাখা আদি বজাই নাচি বাগি ফূৰ্তি কৰিলে।

ছুকাফাই পুৱাতেই পুনৰ যাত্ৰা কৰিলে। উৰ্দ্দেশ্য অন্য পাচখনমান গাওঁ ভ্ৰমন। আৰু দুদিনৰ পাচত ৰাজধানী হ'লুঙলৈ ঘুৰিব লাগিব। ঘুৰি যাওঁতে অৱশ্যে একেদিনাই ঘুৰি যোৱাৰ কথা।

এডৰা কাঠনীবাৰী পাৰহৈ গৈছে। কাঠনী হাবিৰ সিপাৰে সৰু জুৰি। তাৰ কাষতে এখন মুকলি নলনী হাবি, মাজে মাজে জোপোহা জোপোহা বন। ঠাইখন ঘাঁহনিৰে ভৰা। বাটটো কিছু লুংলুঙীয়া। ছুকাফাৰ আগত যোৱা ঘোঁৰা এটাৰ গাত হথাতে কাড় এপাত আহি লাগিলহি। কৰ কাড় এইডাল। ঘোঁৰাটো চি চিঁয়াই উঠিল। ঠিক তপিনাতে লাগিছে। আন এটা কাড় আহি আন এটা ঘোঁৰাৰ জিনত লাগিল। তৃতীয়টো কাড় দুজনলোকৰ কানৰ কাষেদি পাৰ হৈ গ'ল। হথাৎ ছুকাফাৰ দলত হুলস্থুল লাগি গ'ল। ক'ৰ পৰা

আহিল কাড়। কোনে মাৰিলে। ইমান বছৰ ঘুৰিলো, বিশেষ একো সমস্যা হোৱা নাছিল। খাং সকলৰ কথা সুকীয়া। খাং সকল সভ্য যিমান খঙাল সিমান। ভাল যিমান বেয়াও সিমান। তেওঁলোকৰ বাটেৰেহে আহিছিলোঁ আমি। আমনিটো কৰা নাছিলোঁ আমি সমতললৈ আহিছিলোঁ। কিন্তু কোৱাৰ স্বত্বেও তেওঁলোকে মনা নাছিল। সেয়ে যুদ্ধ হৈছিল। এতিয়াও আমি আমনি কৰা নাই কাকো। কোনো গাওঁ ধ্বংস কৰা নাই, কাৰো সম্পত্তি কাঢ়ি লব খোজা নাই। অবশ্যে পৰি থকা মাটিত হাবি কাটি খেতি কৰি নিজেও জীয়াই থাকি আনকো ভালদৰে জীয়াই ৰাখিবলৈ যত্ন কৰিছোঁ। ইয়াৰ খাং, তিমিছা, তিওৱা, মৰান কোনেও একো বাধা দিয়া নাই। বাধা দিলেও মিলি গৈছে। বৰঞ্চ আমাক আলহী বুলি ভাবিলেও থানগিৰিৰে ভাই ককাই বুলিয়েই ভাবি লৈছে। তেনেস্থলত কোনে আমাক কাড় মাৰি শত্ৰুতা হানিব পাৰিলে কোনে? ছ্যুকাফা আৰু ছ্যুকাফাৰ চাম মানুহবোৰ চিন্তিত হ'ল। হ'বও পাৰে সকলোৱে আমাৰ আগমনক সহজে লব পৰা নাই। যিমান হলেও আমি আলহী। নতুনকৈ অহা মানুহ। এওঁলোক আগৰ পৰাই থকা মানুহ। হয়তু একালত এওঁলোকো ইয়াৰ মানুহ নাছিল। কৰবাৰ পৰা আহিছিল। আহি ইয়াতে থিতাপি লৈছেহি। ছ্যুকাফাই ভাবিলে এৰা এওঁলোকৰ খোৱা বোৱা, নীতি কাষ্টা, চলন ফুৰণ, মুখ হাত ভৰিৰ চকু নাকৰ জাং ৰাং কাং দেখিলে এওঁলোকক খে দেশৰ মে কং লান ছাং জিয়াঙৰ একেবাৰে উজনীৰ পাহাৰৰ না না জাতিৰ মানুহৰ দৰে লাগে। কোনো কোনোক তাৰ পশ্চিমৰ বুত (তিৰ্বত ভোট) সকলৰ দৰে লাগে। এওঁলোকো আমাৰ আপোন মানুহ, তাহানিখন একেলগে একে পাতে খোৱা পিনং গিয়াতি। তথাপি যেতিয়া আমাক জোকাইছে, নধৰিলে আমাৰ বিপদ হ'ব। আস পাই যাব। আস পালে গ'লৈ জপিয়াব।

থাও মুং লুং আৰু বিমুন পাতৰৰ লগত ছ্যুকাফাই আলোচনা কৰিলে। কিছুসময় দলটো তাতে ৰৈ লগত যোৱা মানুহ বিশজনক কাড়বোৰ অহা দিশৰ ফালে খেদি যাবলৈ আদেশ দিলে লগত সৰু হিলৈ, কাড় ধেনু, হেংদাং লৈ গ'ল। ইটো জোপোহাৰ পৰা সিটো জোপোহালৈ দৌৰা দৌৰি চলালে। কাকো দেখা পোৱা নাই। হথাতে এটা জোপোহাৰ পৰা এডাল কাড় আহি তেওঁলোকৰ ভৰিৰ কাষেৰে পাৰহৈ গ'ল। কাড়দালে তেওঁলোকক শত্ৰুৰ দিশ নিৰ্ণয় কৰাত সহায় কৰিলে।

পাচজন পাচজন হৈ চাৰিটা দলত কাড়টো অহাৰ দিশৰ ফালে বেঢ়ি খেদি গ'ল। লগে লগে এটা জোপোহালৈ লক্ষ্য কৰি এটি সৰু হিলৈৰ গুলী ফুটালে। এনেতে গুলীটো এজন মানুহৰ ভৰিৰ তপিনাত কিছু লাগিল। বাকী পাচজন মানুহ দৌৰীব ধৰিলে। গুলী লগাজন কেকাই কেকাই পৰি ৰ'ল। চুচৰি চুচৰি তেওঁ পলাবলৈ বিচাৰিছিল। তিনিজন চাম মানুহে দৌৰী গৈ গুলী খোৱা মানুহজনক হেঁচা মাৰি ধৰিলেগৈ। অবশ্যে কেকাই

গুঠাই মানুহজনে খাপৰ পৰা দীঘল দা এখন উলিয়াই ঘাপ মাৰি দিছিল। ছুকাফাৰ সৈন্য এজনৰ ভৰিৰ চাল চিগিল। কিছু ঘাঁও হ'ল। এআঙুলমান ধাৰ বহিল। হেঁচা মাৰি মানুহজনক ধৰি হাত আৰু কঁকালত ৰচীৰে গদগদকৈ বান্ধি পেলালে।

বাকী মানুহ কিজন দৌৰীব ধৰিলে। পিচে পিচে ছুকাফাৰ চাম সৈন্যই খেদি গ'ল। সৰু ঠিয় গড়াৰ জুৰি এটা দৌৰি পাৰ হ'বলৈ লওঁতেই তিনিজন পলৰীয়া লোক হামখুৰী খাই লুটি খাই পৰিল। ছজন চাম সৈন্যই জপিয়াই পৰি তেওঁলোকক গবা মাৰি ধৰিলে। শত্রু কিজন হাৰে। তেওঁলোকৰ লগত থকা দাবোৰ উলিয়াবলৈ সময় নাপালে। তথাপি তাৰে এজনে হাতে মুখে থেলি হেঁচি দৌৰী পলাবলৈ ধৰিছিল। চাম সৈন্য তিনিজনে খেদি গৈ জুৰীৰ পাৰতে ধৰিলেগৈ। তিনিজনমান পলাই দৌৰীয়েই আছিল। চাম সৈন্য কম দেখি তৎক্ষনাৎ তেওঁলোকে খাপৰ পৰা দা উলিয়াই উভতি ধৰিলে। ছুকাফাৰ চাম সৈন্যইও দীঘল হেংদাং লৈ খেদি গ'ল। ঘৈয়া ঘৈয়ি লাগিল। চাম সৈন্য এজনৰ বাওঁ বাউসীত আঘাট পৰিল। কিন্তু সোঁহাতেৰে তেওঁ শত্রু এজনক ককালৰ ওচৰতে তীব্ৰ ঘাপ এটা বহালে। বাকী দুজন শত্রুৰ হাতৰ পৰা দা উফৰি পৰিল। আটাই কিজনেই অলপ অলপ কাটি খালে। শত্রুৰ কঁকালত দুখ পোৱাজন লৰ চৰ কৰিব নোৱাৰা হ'ল। চাম জনৰো বাউসীৰ ঘাঁ বেচি হ'ল। তথাপি শত্রু দুজনক বান্ধি পেলালে। কঁকালত দুখ পোৱাজনক উঠিব নোৱাৰা বাবে তাতে পেলাই থৈ আহিল। চামজনৰ বাউসীতো কঁকালৰ টঙালী খনেৰে বান্ধি কাষতে পোৱা বনৌষধ কিছু খুন্দি ৰস চেপি দিলে।

আটাই কেইজনক বান্ধি ছুকাফাৰ ওচৰ পোৱালেহি। তাই ভাষাতে সুধিলে, "কোন তোমালোক ?"

উত্তৰ নাই।

পুনৰ তিমিছা ভাষাৰে সুধিলে "কোন তোমালোক। কোন গাঁৱৰ লোক ?"

উত্তৰ আহিল।

" আমি ৰাংখাও গাঁৱৰ মানুহ। জাতত তিমিছা আৰু দুজন তিওৰা।"

"কিয় তোমালাকে আমাক কাড় মাৰিছিলা ?"

"আপোনালোকক শত্রু বুলি ভাবিছিলোঁ। আপোনালোক আহি থকা বুলি আমি উমান পাইছিলোঁ। আমাৰ গাঁৱৰ খুনঙে আপোনালোক চাম সকলৰ তলতীয়া হ'ব খোজা নাই।"

"কিয় আমিটো একো নকৰোঁ। আমিতো একো নকৰোঁ। আমি তোমালোকৰ বন্ধু। জ্ঞাতি ভাই। একে মাত একে ভাত একে পাত। আমি তোমালোকৰ গাওঁ নেভাঙো, তোমালোকৰ লগত মিলিজুলি থাকিম। আমি এইখন দেশ গঢ়িছোঁ। ম্যুং দুন চুন খাম।

এই অঞ্চলকআমি নাম দিছো ম্যুং বুই ম্যুং চেঞঃ। আমি চাম মানুহ, তাই মানুহ। বলা তোমালোকৰ গাওঁবুঢ়া খুনঙৰ ঘৰলৈ লৈ বলা। তোমালোকে আমাৰ লগত বন্ধুত্ব দোলেৰে আমাৰ লগত মিলি থাকিবা, যদি নাথাকা আমি গাওঁবুঢ়া খুনঙক ধৰিম আৰু গাওঁ ভাঙিম। বলা তোমালোকৰ গাওঁ দেখাই দিয়াগৈ আৰু খুনঙক মাতি আনা।"

ছ্যুকাফাই সকলোখিনি কথা বন্দী কিজনক কলে আৰু ৰাংখাও গাঁৱলৈ সদলবলে আগবাঢ়ি গ'ল। গাঁৱৰ পৰা কাড়ে ঢুকি ঢুকি নোপোৱা দূৰত্বত তেওঁলোকৰ ৰলগৈ। কঁকালত্ ঘাপ খোৱা জনকো চাঙি কৰি লৈ যোৱা হ'ল।

বন্দী দুজনক লৈ তাই চাম সৈন্য বিশজন গাঁৱলৈ সুমাই গ'ল। গাওঁবুঢ়া খুনঙলৈ গ'ল। খুনং সাজো হৈ আছিল। চামসকলক শত্ৰু জ্ঞান কৰি খুনঙে গাঁৱৰ মানুহক ঘেৰি ধৰিবলৈ নিৰ্দ্দেশ দিলে।

তৎক্ষনাতে এশজনমান মানুহে বন্দীৰে সৈতে তাই সৈন্যক বেঢ়ি ধৰিলে। বন্দীসকলে ক'বলৈ ধৰিলে,

" খুনং দেউতা, আলহীসকলক নামাৰিব। তেওঁলোকে আমাক একো নকৰে। তেওঁলোকে মিতিৰ হ'ব খোজে।"

" কোন তইঁত ? শত্ৰুক তইঁতি প্ৰশ্ৰয় দিছ। তইঁতক পঠাইছিলো সিহঁতক ধৰিবলৈ। ক'ৰ চাম মানুহ আমাক তলতীয়া কৰিবলৈ আহিছে। ধৰ সিহঁতক।"

গৰ্বিত কণ্ঠেৰে খুন জনে চিঞৰি উঠিল। বন্দী কিজনে পুনৰ ক'লে, "আমাৰ বাহিৰে বহু দিমাছা গাওঁৱেই চাম সকলক ৰজা মানি লৈছে। আমিনো অকলে কিয় মৰোঁ।"

খুনংজনে কোনো কথা নুশুনিলে। মানুহবোৰক নিৰ্দ্দেশ দিলে তাই কিজনক ধৰিবলৈ। দিমাছা সৈন্য সকল হাতত দা আৰু ৰচী লৈ তাই কিজনক বান্ধিবলৈ উদ্যত হ'ল।

দিমাঁছা ভাষা জনা তাই এজনে ক'লে, " শুনা বন্ধু সকল, তোমালোক আমাৰ গিয়াতি। একে ভাত, একে পাত, একে মুখ একে নাক। আজিলৈকে তোমালোকৰ লগত আমাৰ দন হাই হোৱা নাই। আমাক শতৰু নেহালিবা। আমাক বন্দী কৰি থৈয়ালে বা বান্ধিলে বা কড়িয়ালে তোমালোকৰো বিপদ হ'ব। মিতিৰ হোৱাই মংগল। আমাৰ বহু মানুহ আছে।"

একো নুশুনিলে খুনঙে। 'ধৰ সিহঁতক' কি কথা শুনি আছ। বৰ আহাম দেৱতা ঈশ্বৰ ওলাইছে তাই চামসকলে।"

তাই মানুহকিজনে ফাকৰ পৰা হেংদাং উলিয়াই ললে। তিনজনৰ সৰু হিঁলৈ সাজু কৰিলে। দুয়ো পক্ষৰ মাজত দা আৰু হেংদাঙৰ যুদ্ধ হ'ল। মুহূৰ্তৰ ভিতৰতে তিনিজন

তিমিছা সৈন্য চোতালত ঢলি পৰিল। এজন তাই সৈন্যও বুকুত আঘাট পাই বাগৰি পৰিল। মন নাছিল যদিও হিলৈদাৰী তাই তিনিজনে ওপৰলৈ বুলি তিনিজাই গুলী ফুটালে। দিমাছা সকল গুলিৰ শব্দ শুনি স্তব্ধ হ'ল। এজন হিলৈদাৰীয়ে উপায়হীন হৈ তিনিজন মান দিমাছা সেনাক হিলৈ ফুটাই তৎক্ষনাত বগৰাই পেলালে।

হিলৈৰ আঘাট অতি ভয়ানক বুলি জানি দিমাছা সৈন্যসকল ফৰিং চিটিকা দি আঁতৰি গ'ল। ঘৰৰ ভিতৰত লুকাই দুজনমানে তাই সৈন্যলৈ কাড় মাৰিছিল। কিন্তু গাত লগাব পৰা নাছিল। তেওঁলোকো পলাই পত্ৰং দিলে।

হিলৈ চংক্ৰুঙৰ শব্দ শুনি এক পলকো বাট নাচাই ছ্যুকাফাৰ দলৰ পৰা আৰু বিশজনমান তাই সেনা হিলৈ হেংদাং জাঠি লৈ আগবাঢ়ি আহিল।

খুনঙে অকলেই হাতত দা লৈ খেদি আহিল। খুনঙে অলপতে এজন তাই সেনাক পেটত খুচিবলৈ লৈছিল, কিন্তু সৈন্যজন জাপ মাৰি দিয়াৰ বাবে বাচি গ'ল। কিন্তু পিচপিনৰ পৰা তাই সেনাই খুনঙৰ সোঁবাউসীত এঘাপ দি পিঠিত গদিয়াই মাটিত পেলাই দিলে।

খুনঙক ধৰি বান্ধি লোৱা হ'ল। ভয়ত বিতত হৈ লৰা ছোৱালী তিৰোতা যি আছিল পলাবলৈ ধৰিলে। তাই সেনাই তেওঁলোকক বেঢ়ি ধৰিলে। দহজনমান সেনাই তেওঁলোকৰ গাৱঁৰ ঘৰবোৰত সুমাই দিমাছা সকলৰ মনি, কিছুমান কাপোৰ, সোনৰ বাটি, কেইখনমান দা পালে। লৰা ছোৱালী তিৰোতা সকলোকে তিনিজন চাৰিজনকৈ বান্ধি ছ্যুকাফাৰ ওচৰলৈ লৈ আহিল। অহাৰ পূৰ্বে গাওঁবুঢ়া খুনঙৰ ঘৰটো জুই জ্বলাই থৈ আহিল।

লৰা ছোৱালীবোৰ কান্দিব ধৰিলে। সিহঁতৰ অৱস্থা কি হ'ব। মাক দেউতাক ককায়েক ভায়েক দদায়েক সকলৰ কি বা হ'ল। কত পলালেগৈ। লৰা ছোৱালী তিৰোতা সকলৰ কান্দোন দেখি ছ্যুকাফাৰ বৰ আঘাট লাগিছিল। কিন্তু উপায় নাই। এই উপায় নললে ৰং খাও গাৱঁৰ লোকক শাস্তি বিহিব পৰা নহ'ব। লৰা ছোৱালী তিৰোতা সকলক নিৰ্ভয় দি ছ্যুকাফাই বুজনি দিলে।

" তোমালোকে ভয় নাখাবা। আমি তোমালোকক নামাৰো। তোমালোকৰ গাঁৱৰ মানুহে অমাৰ কথা মানি লব আৰু আমাক মাৰিবলৈ নাহিলেই তোমালোকক এৰি দিম। তোমালোকৰ খুনঙৰো একো নহয়। যদি এতিয়াও আমাক শত্ৰু হালিবলৈ আহে, তেন্তে খুনঙৰ মূৰটোহে পাব, মূৰটো ৰাংখাও গাঁৱৰ মাজত বাঁহৰ খুটাত ওলমাই থোৱা হ'ব"

ভয় আৰু শংকা অথচ প্ৰাণ বচাৰ আশাত লৰা ছোৱালী মহিলাবোৰ কান্দিবলৈ এৰিলে। খুনঙৰ মুখৰ পানী হেৰাল। এনেই তেওঁ বেয়াকৈ আঘাট প্ৰাপ্ত হ'ল। ম' ম্লা জনে অৱশ্যে গছবনৰ পাত খুন্দি খুনং আৰু অনান্য ঘাঁ লগা মানুহক ঔষধ বান্ধি দিলে।

এনে এটা দুৰ্ঘটনা হোৱাৰ বাবে ছ্যুকাফাই সোনকালে ভ্ৰমন সামৰিব খুজিলে। এবেলা

বাট খোজ কাঢ়ি গৈ ওচৰৰ ডাঙৰ তাই গাওঁ এখনত তেওঁ ৰ'লগৈ। আবেলি বেলিকা ছুকাফাই জিৰনি ল'লে। গধূলীৰ পূৰ্বেই সকলোবোৰ মানুহৰ খোৱা বোৱা হ'ল। বান তাইৰ মানুহে ছুকাফাক সকলো মান সৎকাৰ কৰিলে। ছুকাফাই বন্দী দুজনক আৰু এগৰাকী মহিলা আৰু এজনী ছোৱালীক মোকলাই দিলে। তেওঁলোকে ৰংখাও গাঁৱৰ মানুহক বিচাৰি জনাবগৈ ছুকাফাক সেৱা কৰিবলৈ। যদি তাকে কৰে বন্দীবোৰ এৰি দিব। অগত্যা বন্দী লগত লৈ যাব আৰু গাওঁখন পুৰাকৈ ভাঙি থৈ যাব। তদুপৰি ওচৰৰ তাই গাওঁ বিলাকৰ লগত কেতিয়াও দন হাই কৰিব নোৱাৰিব। মিতিৰ হৈ থাকিব লাগিব।

পূৰ্বালৈ ৰংখাও গাঁৱৰ লোক আশীজনমান আহিল। হাতত কোনো দা যাঠী কাড় নাই। ছুকাফাক তেওঁলোকে সেৱা কৰিলে আৰু মাটিত মূৰ লগাই প্ৰতিজ্ঞা কৰিলে, "আমি তাই চাম সকলৰ লগত কেতিয়াও দ্বন হাই নালাগো, আপোনালোক আমাৰ দেৱতা আহাম। আপোনালোকো হা চাম। একেই নাক চকু একেই মাত আমাৰ। আমি জীও নোযোৱালৈকে আপোনলোকৰ লগত মিতিৰ হৈ বহতীয়া হৈ থাকিম। আমাক প্ৰাণে নামাৰিব। জীয়াই থাকিবলৈ দিয়ক। আমাৰ কেইটিমান ধুনীয়া কণ্যা আপোনালোকক দিম আৰু আপোনালোকক সহায় কৰিবলৈ আমাৰ বিশজনমানুহ কামত খটুৱাবলৈ দিলোঁ।"

চুক্তিমতে ৰাংখাও বন্দীবোৰ মুকলি হ'ল। দহজনী ধুনীয়া ছোৱালী ছুকাফাক দিলে আৰু বিশজন পাহুৱাল ডেকাক ছুকাফাৰ সেৱা কৰিবলৈ দিলে।

উনপঞ্চাশ

প্লেক ঙি, আৰু কাতমাও।

দুবছৰ পাৰ হ'ল। ম্যুং ৰুই ম্যুং চেএত ৰিক খুনৰ আয়োজন কৰিলে। খেতি খোলা অতি ভাল পালে। ছুকাফা থকাৰ লগে লগেই চন তকৰ তি কাত (বজাৰ) খন বৰ ডাঙৰ বিখ্যাত বজাৰ হৈ পৰিল। ছুকাফাক দিনে দিনে বিভিন্ন অনা তাই গাঁৱে আহি বৰিবহি ধৰিলে। ওচৰৰ নগা খাং সকলেও ছুকাফাকে তেওঁলোকৰ ৰজা হিচাবে মানি লৈ সেৱা কৰিলেহি। তিনিবছৰৰ ভিতৰত চনতকৰ চৌদিশে ছুকাফাৰ গুন গান বৈ বৈ গ'ল। ছুকাফা যেন সকলোৰে আহাম দেৱতা। বোকা পানীৰ মাটিত তেওঁলোকে খেতি কৰিব জানে হা চাম তেওঁলোক। তিমিছা সকলৰ পুৰুষৰ চেম্ফং ৰিপা চাগাও, ৰিপা পাৰাইন, ৰাজিয়ুং, বাদেৰ ভাগিয়া, আৰজাও , হোজাই, বড়, ফংল দাওগা, হাচাম, দিৰুৱা আদি আৰু তিৰোতাৰ চাইকুদি, চাগাও দিমা, মাইৰাং, বাংলাইমাহ, দিয়ুংমা আদি সকলো

জাতৰ মাজত ছ্যুকাফা জনপ্ৰিয় হৈ পৰিল। তাই সকলৰ দৰেই তেওঁলোকেও লাহে লাহে পোছাক পৰিচ্ছদ, আচাৰ ব্যৱহাৰ, কথা বতৰা, আদি ব্যৱহাৰ কৰিবলৈ ল'লে। তেওঁলোকৰ লগতে তিওৰা সকলেও মিলামিছা হৈ তাই চামসকলৰ বছৰোৰ নিয়ম ৰীতি মানি চলিবলৈ ল'লে। নগাসকলেও আহি ছ্যুকাফাক না না উপহাৰ দি ৰবিলেহি আৰু তাই সকলৰ লগত মিতিৰ পাতি থাকিব বুলি কথা দিলে।

দুবছৰৰ পাছৰ এটি দিন। সোণালী ৰাতিপুৱা। ফটফটীয়া বেলি। নগা পাহাৰ পাৰ হৈ বেলি উঠি আহিল। বগা ডাৱৰ বোৰৰ চাৰিওমোৰ সোন হৈ জিলিকিল। পাহাৰৰ ওপৰৰ ৰেখাবোৰ দীঘল চাদৰখন বতাহত উৰাৰ দৰে টৌখেলা সোনীয়া ৰেখা জিলিকিবলৈ ধৰিলে।

ছ্যুকাফাই গুৰু গম্ভীৰ ভাৱে দুৱৰীক মাতি ক'লে, "দুৱৰী, মোৰ ওচৰলৈ এইমাত্ৰই ফু কিন ম্যুং ম্যুং খাম। তা খুন লাক অৰ্থাৎ ম্যুং খাম ৰাজ্যৰ ৰাজখোৱা তা খুন লাকক মাতি আনা। এক জৰুৰী কথা আছে।"

"আপোনাৰ আইগা শিৰোধাৰ্য" দুৱৰী ওলাই গ'ল।

কিছুসময়ৰ পাচতেই তা খুন লাক সুন্দৰ পৰিপাটি পোচাক পিন্ধি ছ্যুকাফাৰ হ'লুঙলৈ আহিল। ছ্যুকাফাই হ'লুঙৰ ৰাজচৰাত লে পাই লে মা অস্থিৰ ভাৱে অহা যোৱা কৰি আছিল। তা খুন লাকে দুৱাৰ দলিৰ পৰা আঠু কাঢ়ি খুপ বাই কৰি সেৱা জনালে। ছ্যুকাফাই নিজেও নবহিল আৰু তাখুন লাকো ঠিয় হৈ থাকিল। ছ্যুকাফাৰ তীক্ষ্ণ দৃষ্টি তা খুন লাকৰ ওপৰত।

শংকিত হৈ পৰিছিল তা খুন লাক। কিয়বা চাইছে চাওফা দেৱতাই। দোষেই লগালো নেকি কিবা। নাই একোতো বেয়া দোষণীয় কাম কৰা নাই।

উদ্বিগ্নতাৰ ওৰ পেলাই ছ্যুকাফাই ক'বলৈ ধৰিলে, " মৰমৰ ফু কিন ম্যুং তা খুন লাক। আপোনাক মই এক বিশেষ গুৰুত্বপূৰ্ন দায়িত্ব অৰ্পন কৰিব খোজিছোঁ। আমি ভাবিছোঁ ভটিয়াই খেন তুন নিউলৈ (শিমলুগুৰি) যাম। যোৱাৰ পূৰ্বে আপোনাকেই চনতককে কেন্দ্ৰ কৰি ম্যুং ৰুই ম্যুং চেএৰ প্ৰশাসন চলাবলৈ দায়িত্ব দিব বিচাৰো। মই ভাবো আপুনিয়েই ইয়াৰ প্ৰশাসনৰ বাবে উপযুক্ত হ'ব। কিয়নো আপুনি নগা খাং ভাষা, তিমিছা আৰু তিওৰা আটাই কেউতা ভাষাই জানে। তাতে আপুনি চংকিত ভাষাও কিছু শিকিলে। আপোনাৰ অভিজ্ঞতাও আছে যথেষ্ঠ। ম্যুং খামত থাকোতেও আপুনি চিংফৌ কং, প্লাউং, লিচু আদি জাতিগোষ্ঠীৰ ভাষা জানিছিল তেনে পুৰনি নিয়ম মানি চলা জাতিও আপুনি চলাই পাইছে। সেয়ে মই আপোনাকে নিৰ্বাচন কৰিলোঁ। আশাকৰো আপুনি কেতিয়াও আপত্তি নেদেখাব।"

তা খুন লাকে ছ্যুকাফাৰ মুখত কথা ক'বলৈ বেয়া পালে। তথাপি এবাৰ ক'বলৈ

মুখ খুলিলে, "চাওফা দেৱতা আপোনাৰ আজ্ঞা পালন কৰিম। আপোনাৰ লগত দেশ বিচাৰি আহিছো যেতিয়া, আপোনাৰ বাবে আমি জীৱন ত্যাগ কৰিম। কিন্তু আপোনাক আৰু কিছু দিন লগে লগে গৈ সহায় কৰিবলৈ পালে ভাল পালো হয়। তথাপি মই মানি লৈছো আপোনাৰ দ্বাৰা ন্যস্ত কৰা দায়িত্ব।"

ছ্যুকাফাই বিষয়াসকলক মাতি আলোচনা কৰি তা খুন লাকক ম্যুং বুই ম্যুং চেএৰ ফুকিন ম্যুং নিযুক্তি দিলে। এখন কাগজত লিখি তা খুন লাকক দিলে। তদুপৰি সকলো বিষয়াক জনাই দিলে। এই নিযুক্তি পত্ৰৰ কেইবাখনো প্ৰতিলিপি লিখি হাবুঙ, ম্যুং কাং ছে খ্ৰু ছে খ্ৰাং, ম্যুং তি পাম, ম্যুং লাখেন তেল ছা, ম্যুং খামজাংলৈ মানুহ দি প্ৰেৰন কৰিবলৈ পঠালে যাতে সকলোৱে সকলোৰ লগত যোগাযোগ ৰক্ষা কৰিবলৈ ফু কিন ম্যুং বোৰৰ কথা জনাজনি হৈ থাকে।

ছ্যুকাফাই তদুপৰি তা খুন লাকক পৰামৰ্শ দি গ'ল যাতে তেওঁলোকে সকলো ফুকিন ম্যুঙৰ মাজত দুমাহৰ মূৰে মূৰে অহা যোৱা কৰি খা খবৰ ৰাখি থাকে। প্ৰয়োজন হ'লে প্ৰতিমাহে মানুহ অহা যোৱা কৰিব। আৰু সকলো ফুকিন ম্যুঙে প্ৰতিমাহে ছ্যুকাফাৰ লগত যোগাযোগ ৰাখি খা খবৰ প্ৰেৰন কৰি থাকিব লাগিব আৰু ছ্যুকাফাই সকলো প্ৰশাসন পৰ্যালোচনা কৰি চলাই থাকিব পাৰে। তদুপৰি ছ্যুকাফাই তেওঁলোকক কলে যে থানগিৰি সকলৰ লগত মৰম চেনেহেৰে মিলামিছা কৰি থাকিব আৰু পাৰিলে যথাসম্ভৱ নতুন গাওঁ নতুন অঞ্চল তেওঁলোকৰ প্ৰভাৱ আৰু অধীনলৈ আনিব। বিশেষত তিপাম আৰু লা খেন তেল ছাৰ ফু কিন ম্যুং সকলে সততে ম্যুং খামজাং আৰু ম্যুং কাং তথা ম্যুং ফাকে চেৰিন আৰু ম্যুং আইতন আদিৰ লগত যোগাযোগ ৰাখি ছ্যুকাফাক জনাই ৰাখিব।

ছ্যুকাফা দিখৌয়েদি সেইদিনাই ভটিয়াই গ'ল আৰু খেন তুন এ্ৰেঙউ ৰাতিয়েই পালেগৈ।

মল্লিকে লিখি থলে।

"লাক নি প্লেক ঙি কাত মাও চাও লুং ছ্যু কা ফা ছাং পাইতা খুন লাক হাও বিন ম্যুং বুএঙ ম্যুং চ্যুং (ছেন)। ছাং পই লুং নাম ছাও মা তাও। মা থ্যুং খ্যুন তুন এ্ৰেঙউ।"

বছৰ প্লেক ঙি আৰু কাত মাও চাও লুং ছ্যুকাফা থাকি তা খুন লাকক দিলে থাবলৈ ৰাজ্য বুএঙ। পাচত তাৰ নামিল দিখৌয়েদি আহি ভটিয়াই। আহি পাই খেন (খ্যুন) তুন এ্ৰেঙউ।

খেন তুন এ্ৰেঙউ। নতুন ঠাই। পূৰ্বতে অৰ্থাৎ দুবছৰৰ পূৰ্বে এইফালেই উজাই গৈছিল ছ্যুকাফা। খেন তুন এ্ৰেঙউত ৰোৱা নাছিল। উজাই গৈছিল (কা খ্যুন) অবশ্যে দিহিং মুখত ৰৈছিল কেইঘৰমান। 'তুন এ্ৰেঙউ' অৰ্থাৎ শিমলু গছ অসংখ্য আছে এই

ঠাইখনত। শিমলু কেবল শিমলু। শিমলু গছৰ তলে তলে না না তৰহৰ সৰু সৰু গছ, জোপোহা বন, খাল বিল জানজুৰি। না না তৰহৰ চৰাই। অসংখ্য পখিলা, শিমলু গছৰ তলে তলে উৰি ফুৰিছে বগা ৰঙা, চিলা পখৰা, ৰঙা, গেৰুৱা হালধীয়া, কয়লা ৰঙৰ পখিলা।

ছ্যুকাফাৰ দলটোৱে ৰাতিটো ভুঁৰ নাঁৱত উঠিয়েই কটালে। পুৱাৰ সোনালী সুৰুযৰ কিৰনত শিমলু গছৰ ফাকে ফাকে জিলিকিছে এচটা টৌখেলা নীলা দয় খাং নগা পাহাৰ। কি সুললিত চৰাই গীত। মাজে মাজে দৌৰি ফুৰিছে কেটেলা পছু, শহা পছু, মাজে মাজে দুই এক হুগৰী কেমতাই পছু।

দিখৌৰ দুয়ো পাৰে শিমলু। বহল ক্ষেত্ৰ। মানুহ দুনুহ নাই। ইয়াতেই হয়তু থাকিবলৈ ভাল হ'ব। তথাপি চোৱা যাওক পৰীক্ষা কৰি সুচল হ'ব নে নহ'ব থাকিবলৈ। ভাবি চিন্তি থাও ম্যুং লুং, চাও ফ্ৰং ম্যুং আৰু অনান্য সকলৰ লগত আলোচনা কৰি শিমলুগুৰি খেন তুন এঞেওতেই নামিবলৈ ছ্যুকাফাই নিৰ্দ্দেশ দিলে। অৱশ্যে নাও ভুঁৰবোৰ বান্ধি থ'বলৈ কলো ঘোঁৰা, গাহৰি, হাঁহ, কুকুৰা, গৰু, মহ আদিবোৰ নমালে আৰু পাৰত চৰিবলৈ ব্যৱস্থা কৰিলে।

মানুহবোৰৰ বাবে অস্থায়ী কিছু ঘৰ বনোৱা হ'ল। গছ পাত, কল পাত কৌপাতৰ ঘৰ। একেবাৰে অস্থায়ী। গছৰ ঠাল বাঁহৰ খোটা দি পলকতে বনোৱা ঘৰ। নাও ভুঁৰ বাম সকলোতে ঘৰ একাকাৰ হ'ল।

ছ্যুকাফাই সকলোকে জনালে যে স্থায়ী ভাবে কোনো নামি আঁতৰি যাব নালাগে। ম্যুং ৰুই ম্যুং চেনত পাচ হেজাৰ মান মানুহ থাকিল। বাকী পোন্ধৰ হেজাৰ মান মানুহ ছ্যুকাফাৰ লগত আহিছে।

দিনৰ বেলাতেই থাও ম্যুং সকলৰ লগত আলোচনাত বহিল ছ্যুকাফা। আনফালে তেওঁ নিৰ্দ্দেশ দিলে পঞ্চাশটামান গৰু মাৰি একেলগে ভোজ খাবলৈ। দুই একে চালে যে পঞ্চাশটাই নোজোৰিব সেয়ে আৰু বিশটামান মাৰিলে। শিমলু গছৰ তলে তলে অসংখ্য ম তং লুং ডাঙৰ ডাঙৰ পিতলৰ আৰু মাটিৰ চৰু বহাই দিলে। এটা বৰ চৰুত প্ৰায় পঞ্চাশ জনকৈ খাব পৰা তিনিশ বৰ চৰু ম তঙত ভাতবোৰ সিজাব ধৰিলে। তদুপৰি এনেদৰে তিনিশ বৰ চৰুত মাংস সিজাব ধৰিলে। আৰু অনান্য তিনিশ চৰুত কল পচলা, পাত শাক সিদ্ধ কৰিবলৈ ধৰিলে। একেলগে ইমান বোৰ চৰু জুই দেখি ছ্যুকাফাৰ মন ৰঙত উথলি উঠিল। মানুহখিনিৰ একতা দেখি মনটো গৰ্বত ফুলি উঠিল।

গৰু মাৰি জ্ঞাতিৰ ভোজ খোৱাটো তাই মানুহৰ পৰম পবিত্ৰ অনুষ্ঠান আছিল। যিকোনো কথাত দুই ভাই ককাইৰ মাজত কাজিয়া হ'লে একেলগে গৰু মাৰি খাইছিলোঁ,

কেতিয়াও এৰা এৰি নহওঁ বুলি শপত খাইছিল। কাজিয়া হ'লে কাজিয়া ভঙাৰ পাচত গৰু মাৰি একেলগে ভোজ খাই পুনৰ মিতুৰ বন্ধন কটকটীয়া কৰে। তদুপৰি সমাজত দোষ দাই লগালে অপকৰ্ম পাপ কৰিলে, দোষ পাপ মোচন কৰি প্ৰায়চিত্ৰ কৰিবলৈকো গৰু মাৰি ৰাইজক ভোজ দিব লগা বাধ্য বাধকতা আছিল। তদুপৰি গৰু বলি দি পূজাও আগবঢ়াব লগাত পৰিছিল। গতিকে গৰু আছিল সেই সময়ৰ অতি প্ৰয়োজনীয় ধৰ্মীয় সমাজৰ গুৰুত্বপূৰ্ন স্থান পোৱা জন্তু। তদুপৰি গৰুৰে খেতিৰ বাবে হাল বোৱা কাম গৰু গাড়ী টনা কামত নিয়োজিত হৈছিল। সেয়ে গৰুও আছিল পবিত্ৰ। উৎসৱে পূজাই পাৰ্বনে গৰুক, গৰুৰ গোহালীত পবিত্ৰ গছ ব্লক চিংফা তংলতি, দুবৰী জা ফেত আদিৰে নাম এঞ্জা পলক চটিয়াই দিয়া হয়। গৰুৰ সংখ্যা বৃদ্ধি হ'বৰ বাবে হু পালিক খাই পালিক অৰ্থাৎ গৰু মহ ৰখীয়া দেও (ফী)ক পূজা পাটল দিয়া হয়। গৰু মহ ৰখীয়া মানুহকো বিশেষ দান দক্ষিনা দিয়া হয়।

সেয়ে চাও লুং ছ্যুকাফাই অতীত মূল পিতৃ পুৰুষ দেৱতা ল্যেংদনৰ দিনৰ নীতি মানি একতাৰ দোল আৰু গিয়াতিৰ বান্ধোন কটকটীয়া কৰিবলৈ গৰু মাৰি ভোজ খাই আনন্দ অনুভৱ কৰিছে। আৰু এদিন দুদিন মান খেন তুন এঞ্জউত থাকিব। ছ্যুকাফাই নিৰ্দ্দেশ দিলে দিখৌৰ উপনৈ নামদেং (পাচলৈ নামদাং) নৈয়েদি উজাই গৈ চাই আহকগৈ। তাত তেওঁলোক থাকিব পাৰিবনে নোৱাৰে চাই লব লাগে। কথা মতে কাম। পঞ্চাশজনমান মানুহ পাচখন নাও লৈ দিখৌৰে কিছু ভটিয়াই পুনৰ নামদেঙেদি উজাই গ'ল। একেদিনাই ঘুৰি পালেহি।

মানুহকিজনে গৈ দেখিলে ঘাটেই ঘাট। নামদেং নদীৰ দুয়োপাৰে তিনি হেজাৰ ঘাট। চাই ৰিং নদীতো তিনিশ ঘাট। প্ৰতি ঘাটে দহজন মানুহে পানী খালেও বা গা ধুলেও দেখোন তেত্ৰিশ হাজাৰ মানুহ আৰু বেচি মানুহে ব্যৱহাৰ কৰিলে দেখুন প্ৰায় চল্লিশ হেজাৰৰো অধিক হ'ব পাৰে।

মানুহ কিজনে ঘণ্টৰ হিচাপ কৰিয়েই ভয় খাই উঠিল। এনে ঠাইত নথকাই ভাল। নিশ্চয় ইয়াৰ মানুহবোৰ তিমিছাই হ'ব। দিখৌখন তিমিছা সকলৰ ভাষাৰ নামেৰেই হৈছে। পাৰতনো মানুহ নাথাকিবনে? দিহিং দিচাং দিখৌ গোটেইখন দিমাছা নামেই। দিচাঙলৈ আৰু ভটিয়াই গৈ লাভ নাই। তাত দিমাছাৰে ভৰা। নামদেঙতো তিমিছাৰে ভৰা। উপনৈ চাই ৰিঙতো ভৰা।

গধূলী গধূলী মানুহবোৰে নাও বাই আহি খেন তুন এঞ্জউৰ বাহৰ পালেহি। চাওলুং ছ্যুকাফা আৰু থাওম্যুং লুং তথা চাও ফ্ৰং ম্যুঙক জনালেহি। সকলো মানুহৰ মাজত কথাটো প্ৰচাৰ হ'ল যে নাম দেং আৰু চাই ৰিঙত বহু তিমিছা লোক আছে।

পোন্ধৰ হেজাৰ মানুহেৰে ত্ৰিশ চল্লিশ হেজাৰ মানুহৰ মাজত নোসোমোৱাই ভাল বুলি চাওফা ছ্যুকাফাই থাও ম্যুং সকলৰ লগত বিষদভাবে আলোচনা কৰি নামদেঙৰ ফালে উজাই যোৱাটো স্থগিত ৰাখিলে।

মান খাং তুম নিন কা লাও ফ্ৰং তিজা। তথাপিও এবাৰ ছ্যুকাফাই ভাবি চালে কিজানি ইমানবোৰ ঘাট থাকিলেও মানুহ ইমানবোৰ নাথাকিবও পাৰে। তেনে ভাবি তিনি চাৰিজনকৈ তিনিটা দল বামেদি দিখৌৰ পাৰৰ পৰা নামদেঙৰ পাৰলৈ গ'ল। আৰু ছ্যুকাফা নাবেঁৰে নিজে আগবাঢ়ি গ'ল। ছ্যুকাফা অৱশ্যে নাবঁৰ পৰা নানামিল। ছ্যুকাফাৰ নেতৃত্বত তিনিজনীয়া দল এটিয়ে তিমিছাৰ পোচাক পিন্ধি তিমিছা গাওঁবোৰ খোজ কাঢ়ি চালেগৈ। তেওঁলোক সঁচাই সচকিত হ'ল। তাত কেৱল দিমাছাই নহয় ভাটিৰ ফালৰ কমাৰ আৰু কাই নাম মানুহো আছে। অৱশ্যে তেওঁলোকৰ পৰা ভয় কৰিব লগা কাৰন নাই। দুই এক 'পুম না চাই' পৰিয়াল দেখিলে। তেওঁলোকে বাম মাটিত হাবি কাটি জুলাই আহু ৰাই ধানহে কৰাৰ প্ৰমান পোৱা গ'ল। বাথৌ ব্ৰাই চিব্ৰাইৰ মন্দিৰ মাজে মাজে আছোঁ মানুহবোৰ হালধীয়া, গেৰুৱা ধৰনৰ কাপোৰ পিন্ধে।

ছ্যুকাফাই থিৰাংকৈ সিদ্ধান্ত ল'লে যে তেওঁলোক নামদেঙলৈ নাযায়। তেওঁলোকে খেন তুন গ্ৰিঙউতেই কেইবছৰ মান থাকি ওচৰ পাজৰ অধ্যয়ন কৰি নতুন ঠাই বিচাৰিব পাৰে। খেন তুন গ্ৰেঙউতেই মানুহ নাই। বহল ক্ষেত্ৰ।

শিমলু গছবোৰ যধে মধে নাকাটিবলৈ ছ্যুকাফাই পৰামৰ্শ দিয়ে। তথাপি গাওঁ গঢ়িবলৈ ৰাস্তা পোনাবলৈ ঘৰৰ বাৰীৰ ঢাপ পোনাবলৈ দুই এক কাটিব পাৰে বুলি থাও ম্যুং সকলে জনালে।

মাজে মাজে দ পানী জমা হোৱা ঠাইবোৰ শালী ধান খেতিৰ বাবে পথাৰ হিচাবে মোকলাই কাষে কাষে ওখ ঠাইত গাওঁবোৰ বহিল। কিছুমানে দিখৌ নাম চাও নদীৰ পাৰে পাৰে গাওঁবোৰ বহালে। দিখৌৰ উত্তৰ পাৰে অধিক গাওঁ বহিল। সেই ফালে দিখৌৰ পৰা কিছু আঁতৰত সেৰেঙাকৈ কিছুমান মৰান গাওঁ আছিল। তেনেদৰে দক্ষিন পাৰে বৰাহী খা লাং আৰু তিমিছা গাওঁ কিছুমান দুৰে দুৰে আছিল। ছ্যুকাফাৰ তাই মানুহবোৰে বৰাহী আৰু মৰান গাওঁৰ মানুহবিলাকৰ খেতিৰ মাটিত হাত নিদিলে। তেওঁলোকে ব্যৱহাৰ নকৰা হাবি হৈ পৰি থকা ঠাইত ন মাটি খুলি গাওঁবোৰ বহালে। দুই একে অৱাশ্যে নগা খাং সকলৰ বসবাস কৰা নামনিলৈও গাওঁ বহাবলৈ গ'লগৈ।

এমাহৰ ভিতৰত গাওঁবোৰ বহিল। পূৰ্বৰ দৰেই গাওঁৰ নামবোৰ দিলে বান লাই, বান খাও তেক, বান চৌখাম, বান জিন, বান লাই প্লেং, বান মাও, বান নামপাও, বান কাত, বান ত্বাও, বান তৌ আদি। এশমান গাওঁ বহিল। গাঁৱে প্ৰতি কমেও এশজন

মানুহ। তাৰ কম কেতিয়াও হোৱা নাই। অৱশ্যে কোনো গাঁৱত মাত্র পাচঘৰ ছঘৰহে মানুহ বহিল।

ছুকাফাৰ বাবে দিখৌৰ উত্তৰ পাৰতে ৰাজ হ'লুংটো বনালে। দুখলপীয়া কৰি যথেষ্ট ওখ কৰি নির্মান কৰিলে হ'লুং। দীঘলে প্রায় তিনিশ হাত বহলে প্রায় ডেৰশ হাত কৰি জুৰীয়া ঘৰ নির্মান কৰিলে। ৰান্ধনী শাল চৰাঘৰ, আদি ঘৰো সুকীয়াকৈ ওখ ওখ চাং কৰি নির্মান কৰা হ'ল। ডাঙৰ ডাঙৰ নাহৰ খুটা আৰু মাজে মাজে শিমলু গছৰো খুটা ব্যৱহাৰ কৰিলে। ৰাজ হ'লুঙৰ চাৰিওফালে সৰু সৰু লিক চাও সকল বাবে সৰু সৰু চাংঘৰ নির্মান হ'ল। হ'লুঙটো সকলোতকৈ ওখ জিলিকি থকা। ৰাজধানী ছে তুন এঞউতেই চাও ফ্রাং ম্যুং আৰু থাও ম্যুং লুং দুয়োজনাৰ বাবে তুপ লগা ওখ ওখ চাংঘৰ বনোৱা হ'ল। ৰাজ হ'লুঙতকৈ এই ঘৰবোৰ কিছু চাপৰ আৰু সৰু আকৃতিৰ। তথাপিও থাও ম্যুং সকলৰ লিক খা লিক খি লিক চাও থাকিবলৈও সৰু সৰু চাংঘৰ কিছুমান বনাই লোৱা হ'ল।

চাৰিওফালে মাটিৰ ঢাপ মাৰি পাচত ঢাপৰ ওপৰত কাঠৰ ওখ ওখ গোজ মাৰি ৰাজধানীখন চাৰিওফালে বেৰা মাৰিলে। ৰীতিমতে দুৱাৰ আদি ৰাখিলে। পানীৰ বাবে দুই এক পুখুৰীও খান্দিলে। বহুতে ম নাদ খান্দি ল'লে। নাদৰ ওপৰত ঘৰবোৰো বনাই ল'লে।

এমাহ পাৰ হওকি নৌহওঁতেই ছুকাফাই কমাৰ ফৈদিয়া সকলক ডাঙৰ ডাঙৰ কিছু টৌপ বনাবলৈ নির্দ্দেশ দিলে। নগাপাহাৰৰ ফালে লো মাটিৰ অনুসন্ধান পালে ছুকাফাৰ মানুহে। সেই ঠাইত নগা গাওঁ বেছি নাই। দুৰে দুৰে তিনি চাৰি ঘৰকৈ চাৰিখন মান গাওঁ আছিল। তাই মানুহ আৰু খাং ভাষা কোৱা তাই তথা লগত অহা খাং নগা মানুহৰ এটি দল গৈ নগা মানুহবোৰৰ লগত বুজা পৰা হলগৈ। নগা গাওঁ কিখনে প্রথমে আপত্তি কৰিছিল যদিও পাচত তেওঁলোকে বিভিন্ন উপহাৰ আৰু সোনৰ কিছু আ অলংকাৰ পোৱাত লো উলিয়াবলৈ দিয়ে।

দুবছৰৰ ভিতৰত লিক লো যথেষ্ট পালে ছুকাফাই কমাৰ সকলে বহুতো হেংদাং, সৰু সৰু মধ্যমীয়া হিলৈ তিনিশমান বনালে। তদুপৰি বিভিন্ন সা-সামগ্রী প্রস্তুত কৰিলে। দা কটাৰি মিত নাপ অসংখ্য বনালে। বুঢ়া বুঢ়ীয়ে তামোল খোন্দা অসংখ্য খুন্দনাও বনালে। যাত্রাপথত য'তে ত'তে ভাত সিজাবলৈ সৰু বৰ বিভিন্ন ধৰনৰ জাকি, বৰষী, জাঠি জোঙো প্রস্তুত কৰিলে।

সোণ কমোৱাত পার্গত সকলে নৈ সমূহত বালিত কম হ'লেও কিছু সোণ কমাবলৈ ধৰিলে। তদুপৰি তিপাম হাবুঙৰ খাম নাম তিমাৰ পৰাও বহু সোন পালে ছুকাফাই। এই

সোণ লো আদিৰে ছুকাফাৰ বাবে এখন স্থায়ী সিংহাসন বনোৱা হ'ল। ছুকাফাই ইমান দিনে লগত অনা সিংহাসন থিন খাম খন যথেষ্ঠ পুৰণি হৈছেগৈ। সেয়ে ম্যুং মাওৰ ৰীতিত এখন থিন খাম ডাঙৰকৈ ন খলপীয়া কৰি নিৰ্মাণ কৰা হ'ল। প্ৰতি খলপতে চাৰিওচুকে একোটাকৈ পাখি লগা সিংহৰ কাঠৰ মূৰ্তি। বহা অংশৰ ওপৰত ওপৰলৈ জোঙা কৰা চাতি আকাৰৰ চং। না না কাপোৰেৰে বিশেষত ডাঠ মুগা কাপোৰ আৰু পাট কাপোৰেৰে চং (ছাতি) প্ৰস্তুত কৰা হৈছে। কাঠৰ ওখ ওখ শৰাই পান চাৰিখন মান বনাই ৰং কৰা হ'ল। ভৰি দিবলৈ সুন্দৰকৈ এৰি কাপোৰ ডাঠকৈ বোৱাই প্ৰতি খলপাতে আঠাৰে লগাই দিয়া হ'ল। অসংখ্য মনিমুকুতাৰে সিংহাসন খন সজোৱা হ'ল।

ছুকাফাৰ নিৰ্দ্দেশ মতে ওচৰৰ নগা পাহাৰৰ ফালে গৈ তাই সকলে ক্লু (নিমখ)ৰ মহৎ আবিস্কাৰ কৰিলে আৰু নগাসকলৰ লগত আলোচনা কৰি বুজাপৰাৰে নিমখ কমালে। তদুপৰি দিখৌৰ পাৰৰ অসংখ্য ভাল ভাল কাঠেৰে হেজাৰবো অধিক সৰু বৰ নাও বনালে।

এবছৰৰ ভিতৰত খেন তুন এেঞউৰ আশে পাশে থকা মৰান আৰু বৰাহী সকলৰ লগত প্ৰায়খিনি মানুহৰ চা চিনাকি হ'লগৈ। দুই একে তাই সকলৰ লগত বিয়া কৰাই মিতিৰো পাতিলে। ওচৰৰ বৰাহী মৰান সকলে তাইসকলক তেওঁলোকৰ ৰাজ্যৰ ঠাইবোৰত মাটি খুলি খেতি কৰাৰ বাবে বেয়া পোৱা নাছিল যদিও নিজে মনে মনে কিছু শংকিতো হৈছিল। কিন্তু তাই সকলে নিজে মাটি খুলিছিল। মৰান বৰাহী সকলে মুকলি কৰি খেতি কৰা ঠাইলৈ তাই সকল যোৱা নাছিল। তাইসকলে আনৰ মাটি পথাৰ গাওঁ আদিত হস্তক্ষেপ কৰা নাছিল। অৱশ্যে মিলা মিছা কৰিছিল। মৰান বৰাহী সকলে নাম দিয়া ঠাই নৈ আদিৰ নামকেই তাই সকলে প্ৰায়ে ব্যৱহাৰ কৰিছিল। মাজে মাজেহে দুই এখন নৈ জান জুৰীৰ নাম তাই সকলে নিজে দিছিল।

ছুকাফাই মৰাণ আৰু বৰাহী সকলক লৈ তেওঁৰ তাই লোকক নগা পাহাৰৰ ফালে হাতী ধৰিবলৈ পঠালে। প্ৰায় দহটা মান আৰু অধিক হাতী ছুকাফাই গোটালে। ছুকাফাৰ হাতী ঘোঁৰাৰ সংখ্যাও বহু বাঢ়িল।

পঞ্চাশ

ছবছৰ পাৰ হ'ল। পি লাকনি খুত ছি, বুং ছাও, তাও ছি, কা মুত, কাপ চান, দাপ ৰাও বছৰ খেন তুন এেঞউত থাকে। নতুন আৰু পুৰণি নাওবোৰ লৈ এটা দলে আগতীয়াকৈ দিখৌৰ উপনৈ তিমাক নদীয়েদি উজাই গৈ হাবি ভাঙি মাটি মোকলাইছিলগৈ। প্ৰায়

দুবছৰ জুৰি তেওঁলোকে তিমাকৰ পাৰত মাটি খুলি দুটা শালী ধানৰ খেতি কৰিছিল। মাটি ভাল আৰু সুচল দেখি তেওঁলোকে ছ্যুকাফাক তিমাকলৈ আগবাঢ়ি অহাৰ বাবে অনুৰুধ জনালে।

লাকনি ৰাইমিত বছৰটোত অলপ অলপকৈ চাৰিটামান দলত দুমাহৰ ভিতৰত প্ৰায় দহ বাৰ হেজাৰমান তাই মানুহ তিমাকলৈ গ'ল। পূৰ্বৰ পৰাই ছ্যুকাফাৰ বাবে তাতো এটা সৰু হ'লুং নিৰ্মান কৰি থোৱা হৈছিল। ছ্যুকাফাই দুমাহ তিনিমাহ থাকি খেন তুন এ্ৰেউৰ হ'লুঙলৈও আহি খেন তুন এ্ৰেউৰ পৰা সেই অঞ্চলৰ বিভিন্ন কাম কাজ খেতি পথাৰ আদি বুজলৈ যায়হি।

লাকনি ৰায় মিতত তি মাক নদীৰ পাৰত লাং তাও ফাত এখনি নতুন নগৰ 'ছে' নিৰ্মান হৈ উঠিল। নতুনকৈ শাৰী শাৰী গাওঁ। শাৰী শাৰী পথাৰ। খাল বিল দোং পুখুৰী। মাছ চৰাই চিৰিকতিৰে ভৰপুৰ। নতুনকৈ খোলা পথাৰবোৰত ধানো অপৰ্যাপ্ত ভাল হ'ল।

খেনতুন এ্ৰেউতো গঢ়ি উঠা এশখন গাঁৱৰ ভিতৰত বিশখনমান একেবাৰে তিমাকলৈ উঠি আহিল পাম খাবলৈ। বাকী গাঁওবোৰত প্ৰতি গাঁৱৰে পৰা কিছু পৰিয়াল আহিল যদিও প্ৰতিখন গাঁৱত কিছু মানুহ থাকি খেতি কৰিবলৈ ধৰিলে। খেন তুন এ্ৰেউত তিনিজন বুৰিং নিয়োগ কৰি ঠাইখন চাবলৈ দি থৈ আহিল। বু ৰিং সকলে ছ্যুকাফাক নাওঁ আৰু মাটিৰে গৈ খেন তুন এ্ৰেউৰ বতৰা দি থাকিবলৈ ধৰিলে।

সেই বছৰতে ছ্যুকাফাই লাং তেও ফাত ৰিক খ্বন ম্যুং খ্বন পাতিলে। ডাঙৰ তুন বুং কেইজোপামানৰ তলত এটি ডাঙৰ হ' ফী নিৰ্মান কৰিলে। কাঠ বাঁহৰ হ' ফী ঘৰ। ডাঙৰ, আহল বহল। প্ৰায় হেজাৰো অধিক মানুহ বহিব পাৰে তাত। ঘৰটোৰ তলতে এখন আহল বহল বাঁহৰ চাং বনাই তাতেই ম চাম ম চাই সকলে ৰিক খ্বন ম্যুং খ্বন পাতিলে। চাঙৰ ওপৰত বাঁহৰ আৰু কল গছৰ পাং। পাংবোৰত না না পূজা উপাচাৰ। কনী, কুকুৰা, চাউলআদি। না না ধৰনৰ ফলমুল, ফুল পাঙত সজোৱা হৈছিল।

ছ্যুকাফাই থাও ম্যুং সকলক জনালে যে লাং তেও ফাতো বান পানী উঠিছে। স্থায়ী ৰাজধানী নগৰ বনাবলৈ এই ঠাইও ভাল নহয়। ইতিমধ্যে বহু তাই মানুহে দলে দলে তিমাকৰ নামনি আৰু উজনিত, দিখৌৰ উজনী আৰু নামনিত ইফালে সিফালে স্থায়ী ৰাজধানী ঠাই চাই ফুৰিলগৈ।

থাও ম্যুং লুং তীব্ৰ উৎকণ্ঠিত হৈ ছ্যুকাফাৰ হ'লুঙৰ ফালে সুমাই আহিল। দুৱৰীয়ে জনাবলৈ বাট চাবলৈকে পাহৰিলে। অৱশ্যে দুৱৰীয়েও বাধা নিদিলে। যোৱা এমাহ জুৰি থাও ম্যুং লুং আৰু চাও ফ্ৰং ম্যুং দুয়ো চাও লুং ছ্যুকাফাৰ ওচৰলৈ বাৰম্বাৰ আহিছে গৈছে কথা পাতিছে।

ছ্যুকাফাও বাহিৰ চৰাত ইফাল সিফাল কৰি ঘুৰি ফুৰিছিল। থাও ম্যুং লুঙক উধাতু খাই উফৰি জাফৰি অহা দেখি শংকিতও হৈ উঠিছিল ছ্যুকাফা। তথাপি ছ্যুকাফাই ক'লে-

" আহক চাও থাও লুং ডাঙৰীয়া। "

দুৱৰ পৰাই আঠু ভাঙি মুৰ তললৈদোৱাই সেৱা জনালে।

দুয়োজন একোখন তামুলী পীৰাত বহিল। ছ্যুকাফাৰ আসনখন ওখ, চাও থাও লুঙৰখন কিছু চাপৰ। দুৱৰীয়ে ভিতৰত লিকচৌক খবৰ দিলে। এবাতি পানী, ফিকা চাহ নাম দেং, পকা কল কুঞ্চি পক, হুৰুম এবাতি, খাও ন্যেউৰ কেইটামান টুপুলা আৰু শুকান মাছৰ গুৰি, টেঙা মাছ আনি সমুখত পৰিবেশন কৰা হ'ল।

"চাওফা দেউতা, মোক এইমাত্ৰ খবৰ দি গৈছে। আমাৰ মানুহে পূবৰ ফালে উজাই গৈ দয় খাং নগা পাহাৰৰ নামনিত সৰু সৰু পাহাৰ পাইছে। সেই ঠাইতেই ৰাজধানী পাতিবলৈ ভাল হ'ব। প্ৰায় এশখনমান গাওঁ বহিব পাৰিব সৰু সৰু পাহাৰৰ তিলাবোৰতেই। নামনি অঞ্চলো ওখ। তাতো বহিব পাৰিব শৰো অধিক গাওঁ। পাহাৰৰ ভিতৰলৈ আছে খাং নগা। বেচি নাই। অধিক ভিতৰলৈহে বেচি আছে।

এই দয় তাম অৰ্থাৎ চাপৰ পাহাৰ অঞ্চল ম্যুং মাওৰ ম্যুং খুন, ম্যুং বান, ম্যুং ছেৰ দৰে ঠাই। ম্যুং মিতৰ অধিক অঞ্চল এনেকুৱাই আছিল। এই ঠাইয়েই আদৰ্শ ঠাই হ'ব।"

"আপুনি যদি এনে বৰ্ননাই শুনিছে নিশ্চয় এয়াই উত্তম ঠাই হ'ব। আজি অতদিনে মই মনে মনে এনে ঠাইয়েই বিচাৰি আছিলোঁ। আমাৰ পূৰ্বৰ ৰাজধানীবোৰ আটাইবোৰেই এনে আছিল। ছ্যুকাফাই চাও থাও লুঙক আনন্দ মনেৰে কথাখিনি বিবৰি ক'লে।

দয় তাম চাই অহা মানুহকিজনৰ লগত চাও থাও লুং আৰু কেইজনমান থাও মুঙে একেলগে এডোখৰ নাবেঁৰে আৰু বাকীখিনি ঘোঁৰাৰে গৈ ঠাইখন চাই আহিলগৈ। তিনিদিনৰ ভিতৰত ঘুৰি আহিল। পুৱাতেই গৈ আবেলি আবেলি সেই ঠাই লাং তেওফাৰ পৰা পোৱা যায়। দুৰাতি হাবিতে কটালে আৰু মাজৰ দিনটো ঠাইখন ঘুৰি পকি চালে।

চাও থাও লুঙে নিজেই নিৰীক্ষণ কৰি আহি চাও লুং ছ্যুকাফাক এই বিষয়ে জনালেহি। ছ্যুকাফাই অতিকে ৰং পালে। এনে এখন ঠাই তেওঁ সপোনত দেখি আহিছিল সদাই। প্ৰায় প্ৰতি মাহৰ সাত আঠদিনেই এনে সপোন দেখি আহিছিল। আজি সপোন ফলিয়ালে।

এৰা ছ্যুকাফাৰ বয়সো ষাঠিৰ দেওনা চুলেহি। চুলিবোৰ পকা নাই। মানুহটো আঁটিয়াল হৈয়েই আছে। এতিয়াও আৰু বহু কাম কৰিবলৈ বাকী। ইমান সোনকালে তেওঁ কিয় বুঢ়া হ'ব। ম্যুং মাওৰ পৰা লগত অহা মানুহবোৰ কোনোৱেই বেচি বুঢ়া হোৱা

নাই। পঞ্চাশ পচপন্ন ষাঠি হাচিপ, হা চিপ হা, বুক চিপ, বুক চিপ হা বছৰতকৈ বেছি হোবা নাই। মানুহ বোৰ আৰু দহ বাৰ বিশ ত্ৰিশ চিপ, চিপ চং, চাম চিপ বছৰ অনায়াসে বাচি থাকিব। স্থায়ী নগৰ গঢ়িছে মানুহবোৰে দেশৰ পৰা হেৰাব।

□□□

ৰাতি পুৱা। জাৰ কালি। খেতিটো দয় তামতে কৰিবগৈ লাগিব। ছ্যুকাফাই ভাবিলে। মানুহবোৰ সাজু হ'ল। কথামতে কাম। ছ্যুকাফাৰ নিৰ্দ্দেশ কোনেও অমান্য নকৰে। মানুহবোৰে তেওঁৰ লগতেই নতুন মাটি বিচাৰি মৰিবলৈ আহিছে। তেওঁ মানুহবোৰৰ প্ৰতি কৃতজ্ঞ। বাটত লগ পোৱা তথা বন্দী খা সকলেও এতিয়া কোনেও বন্দী বুলি নাভাবে। আপোন মানুহ হ'ল তেওঁলোক। নিজকে তাই বুলি কৈহে তেওঁলোকে এতিয়া ভাল পায়। দুই একে পূৰ্বৰ ঘৰলৈ নাবেঁৰে গৈ পুনৰ এমাহৰ পিছতেই ঘুৰি আহে। সকলো মিতিৰ হৈ পৰিল। তেওঁলোক এতিয়া পৰ নহয়।

নাও আৰু মাটিৰে মানুহবোৰ আগ বাঢ়িল। বাটত অৱশ্যে দুই এক বৰাহী আৰু মৰান লোক লগ পাইছে। একো আচৰিত হোৱা নাই বৰাহী মৰান সকলে। তেওঁলোকে জানেই যে কৌশম্বী দেশৰপৰা চাম হাচাম আহাম বোৰ আহিছে। চামবোৰ আলহি নহৈ ঘৰবেই মানুহ হ'লগৈ। থানগিৰি আৰু আলহী মিলি জুলি একেই হৈছেগৈ।

মানুহবোৰ গৈ থাকিল। লাং তেও ফাত থাকিল এহেজাৰমান মানুহ। যোৱা বছৰত খোলা মাটিবোৰত তেওঁলোকে খেতি কৰিব। বানপানী হোৱাৰ আশংকা বাবে তেওঁলোকে এইবাৰ চাংঘৰ বোৰ আৰু নাহৰৰ মজবুতকৈ পুতিব, যাতে পানীয়ে একো ক্ষতি কৰিব নোৱাৰে। নাও আৰু বাঁহৰ ভুঁৰ কিছুমান বনাই থবও লাগিব। পানী আহিলেই গৰু মহ গাহৰি বোৰ বাঁহৰ ভুঁৰত উঠাই দিব।

আজি খাম ক ম্যুঙবো যেন মনত ৰং চৰিছে। বাৰে বাৰে ওপৰলৈ শুঁৰ দাঙি দাঙি তেওঁৰ গৰাকী চাওলুং ছ্যুকাফাক অভিবাদন জনাইছে। ঘোঁৰাবোৰে চিঁইই কৰি অনন্দ কৰা যেন ভাব বুজাইছে। হাঁহ, কুকুৰা, মহ, গৰু সকলোৰে যেন মনত ৰং।

পুৱাতেই মানুহবোৰে খাও নেউ খাই লৈছে। লগত প্ৰত্যেকেই টুপুলা বান্ধি লৈছে। ৰাতিৰ বাবেও প্ৰায়ে সিজাই লৈছে। গছৰ চৰাই চিৰিকতি আদিয়েও মনৰ আনন্দত গীত জুৰিছে।

আবেলি আবেলি প্ৰায় দহ হেজাৰ মানুহ গৈ দয় তাম পালেগৈ। হাবি কাটি ৰাতিটোৰ বাবে থুপা থুপিকৈ ঘৰবোৰ বনাই মানুহবোৰ থাকিল। সৰু সৰু জান জুৰি চাই পানী আনি বৰা ভাত বোৰ সিজালে। টুপুলাত থকা পানী টেঙা শুকান মাছ, খৰিচা আদিৰে সন্ধ্যাৰ ভাত সাজ খালে। পুৰুষসকলে ঘৰ বনোৱাত ব্যস্ত থাকোতেই মহিলা সকলে ভাত সিজাই শেষ কৰিছিল।

ৰাতিয়েই ছ্যুকাফাৰ মংগলৰ বাবে ম' চাম ম' চাই সকলে দয় ফীৰ সন্তুষ্টিৰ বাবে ফী দয় ফী বান পূজা পাতে। পূজাত ৰঙা কুকুৰা এটা পাত চি কৰি পাং পাতি পূজা দিয়ে। তদুপৰি লগতে বৰাহী দেৱতাৰ বাবেও তাত পূজা এভাগি দিয়ে। ছ্যুকাফাৰ লগত অহা বৰাহী পূজাৰী দুজনে নিজেই তাই সকলৰ পূজাৰী ম চাম মচাইৰ লগ লাগি এই পূজা দিয়ে। বৰাহী দুজনে বৰাহী তিমিছা ভাষাৰেই পূজাৰ মন্ত্ৰ আওৰাই।

পিছদিনা। প্ৰথম কাই খেনতে ছ্যুকাফাই সাৰ পালে। শুই উঠিয়েই ম্যুং মাওৰ ফালে মুখ কৰি মনে মনে আই ছিং লাও গালে। লগে লগে ফ্ৰা খাম চিঙো গালে। ইয়াৰ পাচতে চুপ মু ফাই নয় ফাই থুন প্ৰাতঃকৰ্ম সমাপন কৰি ছ্যুকাফাই চোম চিৰিঙৰ লগত চুমফ্ৰা ৰুম ছেং ম্যুং দেও চুই চুম ছেং বন্দনা গালে। আৰু মনে মনে ভাবিলে,

"হে চুম ফ্ৰা ৰুম ছেং ম্যুং, তোমাৰ শক্তি অপাৰ। অতীজতে চাও দা খামেই চাও ফা ফেত ঙি ৰিং খাম লেংদনক তোমাৰ পবিত্ৰ ৰূপৰ আকৃতি দিছিল। সেইমতেই তুমি ম্যুং মাওতো আছিলা। তোমাৰ অবিহনে কোনেও ৰজা হ'ব নোৱাৰে ৰাজ শক্তি আহৰন কৰিব নোৱাৰে। অতীতকালৰ পৰাই ওপৰ দেশৰ পৰা তোমাৰ শক্তি আমাৰ লগত আহি আছে। তুমিয়েই আনি দিছ্ শক্তি ৰাজশক্তি। তাও ছেংতো তোমাৰেই থাকে প্ৰতিমূৰ্তি। আমাক শক্তি দিয়া। দেশৰ ধৰনী শক্তি দিয়া।"

মূৰটো চুমফ্ৰা ৰুম ছেঙৰ বাকচটোত তিনিবাৰ লগাই আঠু কাঢ়ি সেৱা কৰে আৰু বহু সময় ধ্যানস্থ হৈ থাকে।

লাহে লাহে বেলি ওলাল। আনদিনাতকৈ যেন আজি বেলিটো বেছি উজ্জ্বল হৈ জিলিকিছে। সোনৰ দৰে পোহৰ বোৰ তিৰবিৰাই উঠিছে। তৰা, কৌপাত গছৰ পাতত পৰি থকা নিয়ঁৰৰ টোপাল বোৰত জিলিকিছে সোনীয়া বেলি।

থাও ম্যুং লুং, চাও ফ্ৰং ম্যুং, চোম ফ্ৰা ৰুম ছেং ম্যুং ৰখীয়া চোম চি ৰিং, থাও ম্যুং সকল আহি চাও লুং ছ্যুকাফাক গ্ৰুপ বাই কৰি সেৱা কৰিলেহি।

গা ৰখীয়াৰে বেষ্টিত হৈ চাওলুং ছ্যুকাফাই মানুহবোৰৰ মাজে মাজে ঘুৰি ফুৰিব ধৰিলে। এটি ঘোঁৰা তেওঁৰ বাহন। মানুহবোৰ বিভিন্ন সুচল দিশ চাই চাই স্থায়ীকৈ ঘৰবোৰ বনাবলৈ আৰম্ভ কৰিলে। সকলোৰে চাই চিতি ৰাস্তা গাওঁ চাও ছেং বৌন, হ' ফী কেনি

ক'ত বহিব সেইবোৰ থিৰাং কৰি বনাবলৈ ধৰিলে। ছ্যুকাফাই নিজেই কামৰ তদাৰক কৰা বাবে মানুহবোৰ অতিশয়ে উৎফুল্লিত হৈ পৰিছিল।

সাত দিনৰ ভিতৰত এটি বহল ওখ টিলাৰ ওপৰত চাও লুং ছ্যুকাফাৰ ৰাজকাৰেং হ'লুং নিৰ্মিত হ'ল। অৱশ্যে তাৰ পাচতো তেওঁলোকে চৰাঘৰ, বাটঘৰ, বিভিন্ন ঘৰ বনাই হ'লুঙৰ পৰিধিৰ বৃদ্ধি কৰিব। হাবিৰ পৰা ডাঙৰ ডাঙৰ নাহৰ কাঠ কাটি আনি খুঁটাবোৰ বনালে। দুটাতিনিটা মানুহে সাবটিব পৰা নাহৰ খুঁটা। জেঙৌ খেৰ নাহৰ পাত আদিৰে ঘৰবোৰ চালে।

এমাহৰ ভিতৰতে দয় তাম নগৰখন জিলিকি উঠিল। মানুহবোৰে ঠাইখনক ছেদয় তাম বুলি ক'ব ধৰিলে, খেনোৰে নগৰখন উজ্জ্বল হৈ জিলিকি উঠাৰ বাবে ছে দয় ৰাই বা ৰাই দয় বুলি ক'বলৈ ধৰিলে।

প্ৰকৰণ

বৰাহী ৰজা থাকুম থা। তেওঁৰ ৰাজ্য আছিল উত্তৰে দিচাং নামখুন দক্ষিনে দিখৌ নামচাও পূবে তিকাত খাং (নগাহাট) পশ্চিমে তিমিছা ফিকা (বৰাহী ফিকা)। ছ্যুকাফাৰ মানুহে ঘুৰি ফুৰি এই সকলো কথা জানিব পাৰিছিল। বৰাহী খা লাং সকলৰ মানুহো তাকৰ দুহেজাৰৰো অধিক নহ'ব বুলি ছ্যুকাফাৰ মানুহে গম পাইছিল। মৰান ৰাজ্যৰো সেইদৰে নাম জিন (দিহিং) নাম খ্যুন (দিচাং), চাফ্ৰাই আৰু নাম তি লাওৰ মাজতেই অৱস্থিত। এওঁলোকৰো মানুহ দুহেজাৰ কিছু বেচিহে হ'ব বুলি ছ্যুকাফাই উমান পাইছিল। মৰান ৰজা বদৌছা। এই কথাও ছ্যুকাফাৰ মানুহে সম্ভেদ লৈছিল।

তিপামৰ পৰা অহা বৰাহী আৰু মৰান মানুহৰ লগত তাই মানুহ ত্ৰিশ জনমান দি দুটি দল মৰান বদৌছা, বৰাহী খা লাং ৰজা থা কুম থাৰ ওচৰলৈ পঠালে। উদ্দেশ্য হ'ল মিতিৰ হোৱা। মিতিৰ কৰি তেওঁলোকৰ লগত বৈৰী ভাব নোহোৱা কৰা।

ছ্যুকাফাই লগ পোৱা দুই এক বৰাহীয়ে ছ্যুকাফাৰ আগমনক সহজে লব পৰা নাছিল যদিও তাই মানুহৰ সংখ্যা দেখি ভয়তে বিদ্ৰোহ কৰা নাছিল। সৰু সৰু গাঁৱত বিভক্ত বৰাহী খা লাং সকল। বৰাহী তিমিছা সকল বাকী সকল তিমিছাৰ পৰা আঁতৰি সুকীয়াকৈ থকা বহু বছৰ হৈ গ'ল। যদিও ভাষাত তেওঁলোকৰ মিল আছে, মানুহবোৰ আঁতৰি থাকোতে থাকোতে মনবোৰেই ভিন্ন হৈ গ'ল। বৰাহী সকলে দিখৌৰ সিপাৰৰ তিমিছা সকলৰ লগত মিলামিছা কৰি থকাই ভাল বুলি ভাবিলে।

মৰাণ সকলেও নিশ্চিত ভাবে একো বিৰুধ কৰা নাই। মৰান সকলৰ কিছুমানুহে পূৰ্বৰ পৰাই তাই সকল অৰ্থাৎ চাম সকলৰ লগত সম্পৰ্ক ৰক্ষা কৰি আহিছিল, তদুপৰি মৰান সকলৰ বহুতো পূৰনি তাই মানুহ। এনে মৰানৰ লগত ম্যুংকঙৰ তাই সকলৰো সম্পৰ্ক ৰক্ষা পৰি আহিছিল। মৰান আৰু বৰাহীৰ ৰজাৰ কানতো বহুদিনৰ পূৰ্বেই ছ্যুকাফা চামসকলৰ আগমনৰ বিষয়ে গম পাইছিল। বিৰুধ কৰি জন হানি হোৱাতকৈ মিলি চলাই ভাল হ'ব বুলি মৰান আৰু বৰাহীৰ ৰজাই ভাবিলে।

চে তাম দয় ফীক চে ৰাই দয় ফী বা চে ৰাই দয় বুলি জনাজনি হ'ল। যিসকল বৰাহীৰ মুখত চে ৰাই দয় ভালদৰে নুফুটিলে তেওঁলোকে তেওঁলোকৰ মাজত ভাটিৰ ফালৰ প্ৰচলিত হোৱা শব্দ চৰাই শব্দটোৰ লগত মিলি থকাৰ বাবে চে ৰাইক চৰাই বুলি ক'ব ধৰিলে। আনহাতে সংস্কৃত শব্দৰ দেৱতাক মানুহবোৰে দেও বুলি উচ্চাৰণ কৰা বাবে 'দয়' শব্দৰ অৰ্থ নাপায় আৰু ভালদৰে ফুটাব নোৱাৰি দেও বুলি উচ্চাৰণ কৰিব ধৰিলে। এনে কাৰনতে কেতিয়াবা খেনোৰ মুখত চে ৰাই দয়ক চৰাই দেও উচ্চাৰণ কৰি মতা হ'ল। খেনোৰে আকৌ তাকেই চৰাই-খোৱোং বুলিও ক'ব ধৰিলে। ছ্যুকাফাৰ তাই মানুহ কিছুমানে চে তাম দয় ফীক চে খাম অৰ্থাৎ সোনৰ নগৰী বুওি কৈছিল। কোনো কোনোৱে চে লুং চে খাম অৰ্থাৎ 'নগৰ বৰ নগৰ সোন' সোনীয়া বৰ নগৰ বুলি নাম দিছিল।

চাও লুং চাও খ্ৰাই ফা চাও লুং ছ্যুকাফাই গঢ়িলে এই নগৰ চে লুং চে খাম চে ৰাই দয়। ইয়াতেই তেওঁ গঢ়িলে ৰাজধানী হেত খু হেত কুম স্থায়ী ৰাজধানী। বহুদিনৰ সপোন পুৰ কৰিলে। একত্ৰিশ বছৰ নংয়াঙৰ পৰা ঘুৰি ঘুৰি চাওলুং ছ্যুকাফাই নগাপাহাৰৰ কাষত স্থায়ী ৰাজধানী চে লুং পাতিলে।

চে ৰাই দয় চে লুঙৰ আশে পাশে থকা কোনো সংস্কৃত জনা লোকে চেৰাই দয়ক কলে বিহগাচল।

ছ্যুকাফাই চে ৰাই দয়ৰ চৌদিশত মাটি আৰু ইটাৰ গড় মাৰিবলৈ দিলে। এমাহমানৰ ভিতৰতে বহুহেজাৰ ইটা পুৰা হ'ল। মিহি মিহি ইটা। বেচি ডাঠ নহয়। ডেৰ বেগেত দীঘল এবেগেত বহল দুআঙুল ডাঠ। টান টান ইটাবোৰ। ম্যুং মাওৰ চে লানৰ গড়টো মাৰিবৰ বাবে ইটা পুৰাৰ অভিজ্ঞতা তিনিশজন মানুহৰ ভালদৰে আছিল। তদুপৰি ছিয়েং বুঙৰ (বৰ্তমান য়ুন্নানৰ চিপচং পাননাত) পৰাও চাৰিজনমান ইটাপুৰা মানুহ আহিছিল ম্যুং মাওলৈ। ছ্যুকাফাৰ লগত তেওঁলোকৰো দুজন মানুহ আহিছিল। তেওঁ নিজেও গৌৰৱ কৰে তেওঁ বোলে ম্যুং চিপ চং বান না অৰ্থাৎ অতীতৰ ম্যুং ৰী ম্যুং ৰামৰ পৰা আহি ছ্যুকাফাক সহায় কৰিছেহি। কিয়নো ছ্যুকাফাৰ পিতৃ বংশও ম্যুং ৰী ম্যুং ৰামৰ পৰা পাচত অহা। তেওঁলোকে খে বিলাকৰ দৰেই টান মিহি পানী নসৰকা ইটা দিন চি বনাব জানে।

গড়ৰ চাৰিওফালে ঘন ঘনকৈ দহ বিশ নল বহলকৈ নাহৰ গুটি গুজি দিলে। তদুপৰি গুটিৰ তেলেৰে চাকি জ্বলাবলৈ এখন পথাৰৰ সমান ঠাইত নাহৰ গুটি দিলে। দুই তিনিমাহতে লহ পহকৈ গজি উঠিল নাহৰ গছবোৰ। মানুহৰ বাৰীয়ে বাৰীয়ে আম কঠাল, লেতেকু আমলখি আদি না না লাগতীয়াল গছবোৰ ৰুই ল'লে। বহুতে নুনি বাৰী, চোম বাৰী, এৰাগছৰ বাৰী, কেচেৰু গছ, মেজাংকৰি গছৰ বাৰী নাহৰবাৰী, ঔবাৰী, টেঙাবাৰী, বাঁহবাৰীৰ লগে লগেই প্ৰস্তুতি কৰিলে। মানুহবোৰৰ কেৱল কাম আৰু কাম। বেলি ওলোৱাৰ পৰা বেলি পৰালৈকে কাম কেৱল কাম।

এবছৰৰ ভিতৰত বাৰী খেতি পথাৰ গঢ়া হ'ল। বাৰীবোৰ ঢাপ মাৰি ঢাপত না না গছ ৰুই দিয়াৰ উপৰিও বাঁহৰ জেউৰা মৰা হ'ল। পানী খাবৰ বাবে নাদৰ উপৰিও কেইটামান পুখুৰি খন্দা হ'ল।

ম চাম ম চাই সকলে ঘৰে ঘৰে ব্লক ছেং ফা ফুল ৰুই ললে। পবিত্ৰ গছ। পূজাত যিকোনো ধৰ্ম কামত লাগে ব্লক ছেংফা। ব্লক ছেংফা ফুলিলেই বৰষুন আহে। বুঢ়া বুঢ়ীৰ জাৰ লাগে। মানুহৰ মন ৰাই জাই কৰে। গছৰ পাত ওলায়, মলয়া বলে। তাই সকলৰ মনত পিউ বিহু আহে। তদুপৰি শান্তি পানী যিকোনো পবিত্ৰ পানী প্ৰস্তুত কৰিবলৈ ব্লক ছেংফা লাগিবই। দৰা দৰা হৈ আঙুলীৰ মূৰটো সমান বগা বগা থুপা ব্লক ছেংফা ফুলবোৰ ফুলিব ধৰিলে।

ছ্যুকাফাই ৰাজধানীৰ বাহিৰলৈ আহি আঁতৰৰ এটি তিলাৰ পৰা ঘোঁৰাৰ পিঠিত উঠি উঠিয়েই চালে ৰাজধানী নিৰ্মান সম্পূৰ্ন হ'ল। 'মে ম্যুং মে বান' পূজা কৰিবৰ হ'ল। নতুন দেশৰ নতুন ৰাজধানী পাতিলে সাধাৰণতেই মে ম্যুং পূজা কৰে। আমাৰ ম্যুং মাও লুঙৰ ফালে কেবাখনো তাই ৰাজধানী 'ছে' আৰু পূবৰ ম্যুংৰি ম্যুং ৰামৰ ফালে 'চিয়েং' পাতোতে এনেদৰে বহুতেই মে ম্যুং মে বান পাতিছিল। লিক খেকত মে ম্যুং মে বানৰ পূজা খেকৰ বৰ্ণনা দিয়া আছে। স্থায়ী ৰাজধানী পাতিব নোৱাৰাৰ বাবে এই পূজা কৰা নাছিলোঁ। পণ্ডিত চাম মচাই সকলেও ভবা নাছিল। এতিয়া কিন্তু আমি মে ম্যুং মে বান কৰিবই লাগিব। অতীত খে দেশৰ ফালে থাকোতেও মে কঙৰ একেবাৰে উজনীত, পূবৰ নাম দ্যেং, নাম দাম, আদিৰ পাৰতো হেজাৰ বছৰৰ আগৰ পুলিন পুমন সকলে মে ম্যুং কৰিছিল।

ছ্যুকাফাই আৰু ভাবিলে চে লানত নাম মাওৰ পাৰত ওখ তিলা এটাতেই আমাৰ দেশৰ ধৰণী খুটা 'লাক ম্যুং' বহোৱা হৈছিল। এই লাক ম্যুঙত ফুল কুকুৰা বলি দি পূজা কৰা মোৰ আজিলৈকে মনত আছে। তথাপি পিতৃৰ ৰাজ্য ম্যুং মিততো মই এই লাক ম্যুঙত পূজা কৰিছিলোঁ। লাকম্যুং প্ৰতিষ্ঠা নহলে দেশৰ চৌদিশ কোনেও টানি ৰাখিব

নোবাৰে। লাক ম্যুং হল মধ্যম স্থান। ইয়াকেই কেন্দ্ৰ কৰি ৰাজ্য বৰ্তিব। এৰা আমি লাক ম্যুঙো প্ৰতিষ্ঠা কৰিব লাগিব।

নতুনকৈ সজোৱা চে থন পৰিদৰ্শন কৰি তদুপৰি দুই এক গাওঁ (বান) চাই ছুকাফা হ' লুঙলৈ ঘুৰি আহিল। হ'ৰ মুকলি চৰাত ইফালে সিফালে চাই ফুৰি চেও খামক মতোৱালে। "ফু পাত তু হ' ৰাজপ্ৰসাদৰ দুৱৰী চেও খাম কটকীক মাতা, ৰিক মা চেও খাম।"

"যিবা আজ্ঞা চাওফা দেউতা ঈশ্বৰ।"

কিছু সময়ৰ পাচতে চেওখাম আহিল। গ্ৰুপ বাই কৰি মুৰ দোৱাই সেৱা জনালে।

"কওক চাওফা দেউতা, স্বৰ্গৰ দেৱতা ঈশ্বৰ।"

" ম চাম ফু তু কাই আৰু ম চাই ফু চাক পাং এই দুয়োজনা পূজাৰী পুৰুহিত পণ্ডিতক দুদিনৰ ভিতৰতেই মে ম্যুং মে বান পূজাৰ বাবে সাজু কৰিবলৈ জনাওকগৈ। তেওঁলোক দুয়োজন ম্যুং মাওৰ চে লানৰ উত্তৰৰ পণ্ডিত ম'। দুয়োজন গুনি জ্ঞানী মানুহ। পূজাৰ সকলো কিতাপ তেওঁলোক দুজনৰ লগত আছে। ম্যুং মাওৰ পৰা লগত আনিছে। তদুপৰি ইতিমধ্যে তেওঁলোকে নতুনকৈ বহু পুথিৰ প্ৰতিলিপিও কৰিছে। লগতে ঘোঁৰা শালৰ ৰখীয়া ফুৰুমা ফু কে মা (পাচলৈ ঘোঁৰা বৰুৱা)ক জনাও যে ছেলুং প্ৰতিষ্ঠাৰ বাবে ছে লুঙৰ মূল পাততুৰ সমুখত উত্তৰে দুটা আৰু দক্ষিনে দুটা ঘোঁৰা বলি দিবলৈ সাজু কৰিব লাগে আৰু কুমাৰ সকলে ছাং ৰাঙৰ সহযোগত মাটিৰ চাৰিটা ডাঙৰ ডাঙৰ পাহুৱাল ঘোঁৰা বনাই পুৰি টান কৰি বলি দি পুতি থৈ তাৰ ওপৰত ঘোঁৰাৰ পুৰা মূৰ্তি চাৰিটা সুন্দৰকৈ ইটাৰ খলপাৰ ওপৰত থাপন কৰিব লাগিব। ঘোঁৰাৰ দুৱাৰেদি সুমাইহে পাখিলগা সিংহৰ মূৰ্তি বনাই মূল দুৱাৰ দুমুখে লগাব।

চে খামে সকলোকে এই মেম্যুং পূজাৰ কথা জনালেগৈ। ম চাম আৰু ম চাই দুয়োজনেই পূজাৰ বাবে সাজু হ'ল। সকলো জা যোগাৰ কৰিলে। ফুৰু মাই চাৰিটা সুন্দৰ ঘোঁৰা ম চাম পণ্ডিত দিলে। ব্লক ছেং ফাৰে তাম তং পিতলৰ ঘটিত পানী নাম জা ৰিও জা ৰাই চা ৰিও চা ৰাই কৰি পবিত্ৰ পানী নাম এৱা প'লক ঘোঁৰাৰ গাত চটিয়াই ঘোঁৰাকিটা পবিত্ৰ কৰিলে।

পবিত্ৰ দিন ম লুং সকলে বান ছেং চাই ধাৰ্য কৰি দিলে। সেই মতেই মানুহবোৰ গোট খালে। প্ৰথমে উত্তৰ বু ম্যুং দিশত। সুন্দৰকৈ দুয়োফালে দুটা গাত খান্দি ইটাৰে পকী কৰি থোৱা হ'ল।

ছুকাফাই ৰাজ পোচাক পৰিচ্ছদ পিন্ধি পূজা স্থলীত থিয় হ'লহি।

"চাও লুং ছুকাফা অং ত্ৰালে"

"অংত্ৰা লে অং ত্ৰা লে"
"চাও লুং ছুকাফা অং ত্ৰা লে"
"অং ত্ৰা লে অং ত্ৰালে"
"চাও লুং ছুকাফা অং ত্ৰালে
অং ত্ৰালে অং ত্ৰালে"
ম্যুং দুন চুন খাম
পে অং লে, পে অং লে
ম্যুং দুন চুন খাম
পে অং লে, পে অং লে
ম্যুং দুন চুন খাম
পে অং লে, পে অং লে।

ধ্বনিত হ'ল ছেৰাই দয় ছে তাম দয় ফীৰ আকাশ পাতাল। অনুৰণিত হ'ল ম্যুং দুন চুন খাম।

হ্থাত হিলৈ চং ক্লঙৰ গুলী ফুটি উঠিল। থাও থাও অ অ। ধ্বনিত প্ৰতিধ্বনিত হ'ল চেৰাই দয়ৰ বুকু। ম চাম ম চাই দুজনৰ নেতৃত্বত ম লুং সকলে ফ্ৰা খাম ছিং লাও গালে।

চাও নু ৰু চাও কা ৰই। চাও ফা ফেত ঙি ৰিং খাম লেংদন চাও কা ৰই।

পুথিৰ বিধিমতে পূজাৰ স্ত্ৰেতবোৰ গোৰা হ'ল। সম্মোহিত হৈ থৰ হৈ ৰল দুটি ঘোঁৰা। পুনৰ নাম এগা পলক চটিয়াই দিয়া হ'ল। বলি দিয়া ম লুং দুজনে ঘোঁৰা দুটা একেলগে একে ঘাপে দাপছেঙেৰে ডিঙিত পাত চি কৰিলে। দুয়োটা ঘোঁৰা দাঙি নি খান্দি থোৱা খাল দুটাত থ'লেগৈ। গাৰ ওপৰত না না ফুল পেলাই দি দেশ আৰু জাতিৰ মংগলৰ হুংকে। ঘোঁৰা দুটা পুতিল। প্ৰথম মাটি একোৰ পেলাইছে ছুকাফাই। ইয়াৰ পাচত চাও ফ্ৰং ম্যুং, চাও থাও লুং, ছুকাফাৰ পুত্ৰ চাৰিটি খুন চাও কিজনে। তাৰ পাচত ছুকাফা। পত্নী ৰৰৰাণীয়ে। ইয়াৰ পাচত বাকী বিষয়া সকলে। সকলো থাও ম্যুং খ্ৰু ম্যুং, ফু খ্ৰু ফু এ্ৰেঙউ।

গাতত পোতাৰ পিচত ওপৰত ইটা দি সুন্দৰকৈ জাপি পকী কৰি তাৰ ওপৰত ইটাৰ দৰে পোৰা মাটিৰে বনোৱা ঘোঁৰাৰ মূৰ্তি দুটা চেং লুঙৰ উত্তৰ মূৰত স্থাপন কৰিলে।

পুনৰ জয় ধ্বনি দিলে আৰু ঘোঁৰাৰ মূৰ্তিলৈ নাম এগা পলক আৰু ফুল চটিয়াই দিলে, মানুহবোৰে সকলোৰে মূৰ দোৱাই সেৱা জনালে।

আবেলি বাই বান। চে লুং চেৰাই দয়ৰ দক্ষিন লা ম্যুং দিশতো দুটা ঘোঁৰা বলি দি

পুতি তাৰ ওপৰত মাটি ইটাৰে বনোৱা দুটা ঘোঁৰাৰ মূৰ্তি স্থাপন কৰিলে।
ফী মাও হ'ল ৰাজধানীৰ ৰখীয়া। ফী মাৰ বাবে ম চাম চাই সকলেও ফুল কুকুৰা পাত ছি কৰি পাণ্ডত উচৰ্গা কৰি পূজা পাতিলে।

পিচৰ দিনা। সূৰ্যই ৰং সনা পোহৰ চটিয়াই দিছে গোটেই ছে লুং চে খামত। সোনৰ দৰে জিলিকি উঠিল চে ৰাই দয় চে লুং চে খাম। চে লুঙৰ এটি সৰু সুন্দৰ পাহাৰৰ তিলাত বন বাত কাটি সুন্দৰকৈ সজাই তোলা হ'ল। তিলাটোৰ চৌ দিশে মাটিৰে ঢাপ তুলি মাটিৰ ওপৰত নুনি গছ। ডাল গুজি দিয়া হ'ল। আৰু আঠটা চুকত পোৰামাটিৰে নিৰ্মিত আঁঠটা পাখিলগা জিভা মেলা সিংহ সৰ্পৰ মূৰ্তি স্থাপন কৰা হ'ল। তিলাটোৰ তিঙত পবিত্ৰ ভাবে নাম এৱা পলক চটিয়াই অনা এটি পবিত্ৰ তুন পাং গছৰ ডাঙৰ পুলি এটা চাও লুং ছুকাফাই ৰোপন কৰিলে। ম'চাম ম'চাই মলুং সকলে তাই ভাষাৰ স্ত্ৰোতেৰে পুনৰ সমগ্ৰ চে লুং চে খাম মুখৰিত কৰিলে।

তুন পাং তুন ৰুং গছজোপাৰ তলত সুন্দৰকৈ সজাই এখন বেদী বনালে আৰু তাৰ ওপৰত কেইবাখনো কাঠৰ ফুনৰ পাং পাতিলে। কাঠৰ ফুনবোৰ সুন্দৰকৈ ৰং কৰা আৰু লা লগোৱা। পাঙৰ ওপৰত না না ফুল ফল মূল চাউল; সিজোৱা ভাত, টুপুলা চেৰা দিয়া বৰা ভাত, থুৰীয়া কুমলীয়া তামোল পান, ৰূপৰ টকা দি ব্লক ছিংফাৰে মন্ত্ৰপুত পানী নাম এৱা পলক চটিয়াই ম চাম ম চাই সকলে পূজা অৰ্চনা কৰিলে। এই পূজাত খাম লে, ৰং লে আৰু ৰং বঙ দেৱতাক তুতি প্ৰাৰ্থনা কৰা হ'ল যাতে চে লুং খন অপায় বিঘিনি দেৱতাৰ সন্তুষ্টিৰ হকে এটা পাত্ৰ ভৰা ৰূপ এক 'চই' উচৰ্গা কৰে চাও লুং ছুকাফশই। চাও খাম লে, চাও ৰং লে আৰু চাও ৰাং বাঙৰ নাম উচ্চাৰন কৰি ছুকাফাই তুন পাঙৰ শিপাত সোনৰ শিকলি মালা মেৰাই দিলে।

পবিত্ৰ গছৰ শিপাত সোনৰ মালা মেৰাই পূজা কৰাটো তাই সকলৰ ৰাজকীয় নিয়ম। ৰাজ্যৰ মূল ৰজাজনেহে সোনৰ মালা তুন ৰুং পাং গছৰ শিপাত মেৰিয়াব পাৰে। যি ৰুং পাং গছৰ শিপাত উৎসৱ পাতি সোনৰ শিকলি মেৰাই সিয়েইহে ৰাজশক্তিৰ অধিকাৰী হ'ব। খুন লুং খুন লাইৰ দিনৰ পাৰা এই নীতি প্ৰচলিত হৈ আহিছে। কেৱল ম্যুং দুন চুন খামতেই নহয়, পূবৰ অনান্য ম্যুং বিলাকতো তাই শ্যামসকলে একেই নিয়ম পালন কৰিছে।

তৃতীয় দিনা।

দয় লাংকুৰী পাহাৰ চিকুনাই সজাই তুলিলে। এমাহ ধৰি কাটি চুঁচি মিহি কৰা পোঙ্গৰ হাত ওখকৈ কটা আঁঠটা খোটা তিলাটোৰ ওপৰত আঠ কোনত পুতিলে। আৰু তলখন চটা চটাকৈ কটা শিলেৰে মজিয়াখন সুন্দৰ কৰি সজালে। তিলাটো লৈ উঠি

যাবলৈ শিলেৰে খটখটি বনাই দিলে। শিলৰ ওপৰত কাঠ বান্ধি কাঠেৰে ওপৰলৈ জোঙা কৰি জেঙৌ পাতেৰে এটি সুন্দৰ ঘৰ বনালে। সেয়া বৌন খুন থাও এ্রেঙউ লাংকুৰী পূজা ঘৰ। তিলাটোৰ চাৰিওফালে তলত নাহৰ পুলিবোৰ ৰুই দিয়া হ'ল। আঠটা কোনৰ প্ৰতি কোনতে একোটাকৈ পাখি লগা সিংহৰ পোৰা মাটিৰ মূৰ্তি প্ৰতিষ্ঠা কৰিলে। ম' চাম ম' চাই সকলে লাংকুৰী স্তোত্ৰ গালে। ছ্যুকাফাই আঠু কাঢ়ি ওপৰলৈ হাতজোৰ কৰি খুন থাও এ্রেঙউ লাংকুৰীলৈ সেৱা জনালে।

"হে লাংকুৰী দেও, তুমিয়েই খুন থাও। তোমাক ফুল দিছো, সিজোৱা ভাত দিছো, সিজোৱা কুকুৰা মাংস দিছোঁ, মিঠা মিঠা হালধীয়া গোন্ধাই থকা লাও পানী দিছোঁ, কল, কুহিয়াৰ, না না ফলমূল ফুল, বেঙেনা ফু লেৰে উচৰ্গা কৰি প্ৰাৰ্থনা কৰিছোঁ তুমি সন্তুষ্ট হোৱা, আমাৰ দেশ ম্যুং দুন চুন খামৰ এই বৰ নগৰখনৰ অপায় অমংগল নকৰিবা। আমাৰ মংগল কামনা কৰা"

খুন থাও এ্রেঙউ লাংকুৰীৰ পূজা কৰাৰ কেইদিনমানৰ পাচতে চাওলুং ছ্যুকাফাই পু ফী ছ্যুৰ বাবেও পূজা অৰ্চনাৰ আয়োজন কৰে।

পু ফী ছ্যু অতীতৰ লেং দনৰো বহু অতীতৰ এগৰাকী উপৰি পুৰুষ দেৱতা ফী। তেওঁ কাও ৰিং খা ৰুং ৰাই নহেজাৰ আঁহত গছৰ বহুতো অনুচৰেৰে পাহাৰৰ ওপৰৰ ৰাজ্যত আঁহত গছৰ তলত বাসকৰা এগৰাকী মহান দেৱত্ব লভা উপৰিপুৰুষ, গুনী জ্ঞানী, মহান সাধন, জ্ঞানৰ আধাৰ দেৱ পুৰুষ। এগৰাকী মহান তাই সম্ৰাট।

পু ফী ছ্যু, ফু চিত খ্রিং আৰু হুন খম ঙম আটাই কেউজন বহল জ্ঞানৰ কুৱলীয়ে ভৰা আকাশৰ তলত ধ্যানস্থ হৈ সৃষ্টিৰ আদি কথা জ্ঞানৰ আধাৰ কথা পেএ্র কাকা লিখিছিল।

ফু লেং ছ্যু তাং পু ফী ছ্যু
ফু লেং ছ্যু তাং ফু চিত খ্রিং
ফু লেং ছ্যু তাং হুন খম ঙম
জু তাম হুম ৰুম নকফা
হেউ তাং পেএ্র কাকা ত্যেম খ্রিং।

এই মহান জ্ঞানী পু ফী ছ্যুৰ পূজা অৰ্চণাও চাও লুং ছ্যু কা ফাই আয়োজন কৰে। তেতিয়া আছিল লাকনি ম্যুং মুত বছৰ। তুন ৰুং ৰাই গছ এখন মুকলি হাকলি আহল বহল ঠাইত ৰোপন কৰে আৰু তাৰ তলতেই এটি চাংঘৰ বনাই সুন্দৰকৈ সজালে। ঘৰটো না না ৰঙেৰে ৰং কৰা হয় আৰু খুটা আদি সাজ কাটি কাটি না না ফুল কটা হয়। তুন ৰুং ৰাই খা ৰুং ৰাই গছৰ (আয়ুবৰ বতবৰ-আঁহত আৰু বড়) চাৰিওফালে তুন চা নুনী গছ ঘন

ঘনকৈ ডালকাটি ৰোপন কৰে। কিছু আঁতৰত নাহৰ গছৰ পুলিও বুই দিয়া হয়।

এই চাংঘৰতেই কাঠৰ পাং সজাই চেবা দিয়া বৰা ভাত তং ছিং (কৌপাত) পাতেৰে টোপোলা কৰি সজাই দিয়া হ'ল। লগতে না না ধৰনৰ ফুল, ফলমূল আদিও সজাই দিয়া হ'ল।

ম' চাম ম' চাই সকলে পু ফী ছ্যু পূজাৰ স্তোত্র সমূহ গাই গ'ল। ছ্যুকাফাইও ম' চাম ম' চাই পণ্ডিত সকলৰ লগে লগে গাই গ'ল।

ৰাতি ছ্যুকাফাই চে লুঙৰ ম চাম ম' চাই সকলক এক বিশেষ ভোজ দি সেৱা জনাই তেওঁলোকৰ পৰা জনমিং ল'লে।

এদিন ছ্যুকাফাই চেলুঙৰ উত্তৰ দিশত এজোপা ডাঙৰ তুন বুং ৰাইৰ তলত নির্মান কৰা ৰৌন দাম ফী উপৰিপুৰুষৰ পূজা ঘৰত খাও ন্যেউৰ টোপোলা, নু কাই, নু মু কুকুৰা গাহৰিৰ মাংস, সোন ৰূপৰ পইছা চাউল, ফুল, ফুল, বেঙেনাৰ ফুল, আখৈ খাওতেক, মাক মুব্রাও প্লু তামোল পান আদি দি দামফী পূজা কৰে। এইদৰে এদিনীয়াকৈ উপৰিপুৰুষৰ প্রতি মে দাম মে ফী পাতি লেংদন থেনখাম য়াছিংফা, তাই লাং বাকলাং, লেংদিন, লাং দিন, থাও খাম আদি বিভিন্ন দেৱতা আৰু উপৰি পুৰুষৰ প্রতি তর্পন কৰে। উপৰি পুৰুষৰ সন্তুষ্টি আৰু তেওঁলোকৰ মংগল পাবলৈ নগৰৰ মানুহক মহ মাৰি ভোজ খোৱাই।

পূজা পাটল কৰোঁতে এমাহ পাৰ হ'ল। নগৰত কাৰোৰ জিৰনি নাই। কামেই কাম। ঘৰ গাওঁ ৰাস্তা বনোৱা পুখুৰী খন্দা, নাদ খন্দা, হ' ফী বনোৱা, ৰৌন দাম ফী, ৰৌন বান ফী, ৰৌন ম্যুং ফী, ৰৌন ফ্রা চাও ছেং, ৰৌন চুমফ্রা বুম ছেং ম্যুং আদি বনোৱাত সকলো ব্যস্ত। পাই ক সকলেই নহয় সৰুৰ পৰা বুঢ়ালৈ মতা মাইকী, লৰা-ছোৱালী সকলো বিভিন্ন কামত ব্যস্ত। খেতি মাটি খোলা, হাবি কটা, নুনী বাৰী, চুম বাৰী, এৰি পলুৰ বাবে এৰা বাৰী, কেচেৰু বাৰী, ঘৰ বাৰী পতা, নাহৰ বাৰী, কাঠনি বাৰী, বেতবাৰী, টেঙাবাৰী, বাঁহ বাৰী, কলবাৰী পতা, হাঁহ কুৰা গাহৰি,মহ গৰু পোহাৰ ব্যৱস্থা, হাতীৰ বাবে হাতীশাল, ঘোঁৰাৰ বাবে ঘোঁৰাশাল, নৈ পুখুৰীত জমা থবলৈ নাও বনোৱা, না না মাছ মৰা সঁজুলি, তাতশাল পতা, কমাৰশাল, কুমাৰ শাল, তিকাত বজাৰ বহা ঠাই, গৰু গাড়ী, মহৰ গাড়ী, হাতী গাড়ী বনোৱা, সৰু ডাঙৰ ঘুৰনীয়া জাপী, ফুলাম জাপী, ঘৰুৱা সা সঁজুলী বনোৱা আদি না না কামত ব্যস্ত হৈ পৰিল।

ম'লিক জনে মুগা কাপোৰৰ ওপৰত ৰাজঘটনাপঞ্জী হিচাবে লিখি থ'লে।

“চাই ফু চাক পাং। বু ম্যুং তু মা নাং লা ম্যুং তু মা নাং। আও নিএও চিএও তু ৰিং কুপ ছেং কাম নাং নাই ম্যুং মে বান কিপ ম্যুং বান আই নাই পিন চাওফা। তাং আন ম চাম ম চাই ম ম্যুং খেক নক ফা নক ছিং কাম মে ম্যুং মাই লে লিত কে মাই। তাং আন ফু নাং

লাক ফুন বক ফা লুং ফা লুং ম্যুং বান কান নাই ৰা ফা বান ছী ক মাং লাই ৰিক খুন। ম্যুং দিন চাম খেক ছিং। ম্যুব বান নাই খেক ফী কাং"

বঙ্গৰ

চে ৰাই দয়। সোনৰ নগৰ। বৰ নগৰ নং য়াং নাম বং নামৰূক, লাখেন তেনছা, ম্যুং তিপাম, ম্যুং কাং ছে খ্রু ছে খাং, ম্যুং হাবুং, ম্যুং খেন তুন নিঞ, ম্যুং ৰুই ম্যুংচেঞ, ম্যুং লাং তাও ফা, শেষত আহি আহি চে ৰাই দয় পালেহি। নাম ৰুক, নাম জিন, নাম তিলাও, নাম খাম তিমা, নাম চাও, নাম খ্যুন, নাম চনতক, নাম দেং, নাম তি মাক, নাম চাই ৰিং আদি বহু নৈ বগালে ছ্যুকাফাই- চাও লুং ছ্যুকাফাই চাম মানুহে শ্যাম মানুহে কৌশম্বী দেশৰ বগা ফুল আৰু বহল বহল পাতেৰে ভৰা দেশৰ শ্যাম মানুহে। নাম মাও খেলী ৰুইলিৰ পৰা আহি পাৰ হ'ল নাম কিউ ইৰাৱতী নদী। পাৰ হ'ল দয় লালিং, দয় খাম, দয় কাউ ৰং আৰু কত সৰু বৰ পাহাৰ দয়। পাৰ হ'ল বহল হ্রদ নং য়াং নং জাং। লগ পালে মেন, খা মেন দাম, খাং, কং, খা লাং, তিওৰা, তিমিছা, মৰান মতক, খাফী তিওৰা, পুমনা, ফুন য়া, পাংদিন, খুনুং খুমন আদি বহু জাতৰ মানুহ। তদুপৰি লাহো লিচু, পালাউং মেও আদি জাতৰ লোক। মানুহ বোৰ মান, মন, লাহো, লিচু, পালাউং, মিৰি, মিছিমি, নগা, চিংফৌ, মৰান মটক, দিমাছা, কছাৰী, বৰাহী কছাৰী, দিওৰা চুতীয়া, দেউৰী চুতীয়া, ভুঞা, কোঁচ ব্রাহ্মণ আদি। প্রতি জাতৰেই সুমাল দুটি এটি। চাম ৰিং মতং দেং, পিতলৰ এটা চৰুত তিনিজনে খাব পৰা তিনিহেজাৰ চৰু। মানে কমেও ন হেজাৰ মানুহে খাব পৰা চৰু। ন হেজাৰৰো অধিক মানুহ। সৈন্য পৰিয়াল ঘৰ বহু লোক। লৰাই ছোৱালীয়ে গিৰিয়েক ঘৈনীয়েক আদি বহু ঘৰ মানুহ উঠি পৰি আহিছিল তাই মাও শ্যাম লোক নেতা, চাও লুং ছ্যুকাফাৰ লগত। বাটত লগ লাগিল। যুদ্ধত জিকিল। আকৰ্ষিত হ'ল। বন্দী পালে। আকৰ্ষিত হৈ আহিল দুই এক পিনং জ্ঞাতি তাই লোক, অন্য জাতিৰ খেক লোক কিছু। যুদ্ধত জিকি বন্দী কৰি আনিলে কিছু নগা, খাময়াং, নংয়াং, দয় কাও ৰয়, ম্যুং খুন নাম পং আদিৰ পৰা। কমেও শৰো অধিক। বাটে বাটে গোট খালে তাই মানুহ ম্যুং কং, ম্যুং খাম য়াং, ম্যুং ফাকে চি ৰিন, ম্যুং আইতন, নংয়াং আদিৰ পৰা। কমেও বাঢ়িল হেজাৰ লোক।

তিনিশ ঘোঁৰা। বাঢ়ি হ'লগৈ হেজাৰৰ ওপৰ। দুটা আছিল হাতী। নতুনকৈ ধৰা,

নতুনকৈ জগাৰ পাচত কমেও পচিশ ত্ৰিশ টাৰো অধিক হ'লগৈ। হাঁহ কুকুৰা, গৰু মহ অসংখ্য বাঢ়িল। তিপামৰ পৰা চৰাই দেউলৈ প্ৰতি ম্যুং ৰাজ্যতে বাঢ়িল হাতী, ঘোঁৰা, হাঁহ, কুকুৰা, গাহৰি, মহ, গৰু। সকলোৱেই বঢ়ালে গাওঁ, বঢ়ালে খেতি পথাৰ বঢ়ালে মানুহ। এজন মানুহেই এগৰাকী দুগৰাকী তাই, কমেও দহজনৰ ভিতৰত এগৰাকী থানগিৰি। পৰিয়ালে প্ৰতি পাচ দহজনকৈ লৰা ছোৱালীৰ জন্ম হ'ল। তদুপৰি 'খা' থানগিৰি 'ক' হ'ল। বন্দী নহয় বন্ধু। বান্দী নহয় বান্ধবী। পৰ নহয় আপোন। অচিন নহয় চিনাকি। খেক নহয় পিনং। আলহি নহয় জ্ঞাতি। থানগিৰি খা নহয় পাই প্ৰাই ক' পাই ক' পাইক। কৌশম্বী কচামপী-কাতামপা দেশৰ শ্যাম লোক। চাম হাচাম। মানুহ নহয় দেৱতা-ঈশ্বৰ আহাম, আহাম বায়। আহাম-আহম-আহোম। হা চাম- আ চাম-আসাম-অসম ন সম-অসম। বু চাও বৰা, বু ৰিং হাজৰীকা, ৰু পাক শইকীয়া-বিশজনৰ মূৰ-বৰা, শৰ মূৰ-শইকীয়া, হাজাৰৰ মূৰ-হাজৰীকা। এইদৰে উপাধি হ'ল বাববোৰ উপাধি হ'ল। সংস্কৃত শব্দৰ উচ্চাৰণ দিমাছা দিওৰা কছাৰি চুতীয়া, বৰাহী, মৰাণ মতক, চিংফৌ। মুখত পৰি হৈছিল ভিন্নৰূপৰ। পাচত তেনে শব্দবোৰ পৰিল শ্যাম তাইৰ তাই মাও লুঙৰ চাম মানুহ-আহাম মানুহৰ-দেও হেন লগা মানুহ শ্যাম-তাই শ্যামৰ মুখত। শতক মূৰ চই-চই কী য়া-শইকীয়া। হাজাৰ মূৰ হা-জা-ৰি-কা-হাজৰীকা। ধৰ্ম-থাম, বড়-পুত, বেদ-ৱেত, ব্ৰাহ্মণ-বাও মুন-বা মুন। শতক গিৰিয়া-শইকীয়া হাজাৰ গিৰিয়া-হাজৰিকা, ফু-কে-বৰ বুঢ়া-বৰুৱা, চাও চাং-হাতী গিৰিয়া-হাতীকিয়া।

পথাৰ সৃষ্টি হ'ল দ পথাৰ। বোকাৰ পথাৰ। পানী বোকা লেতিয়াই আলি দি দোৱা দোৱা কৰি পানী জমা কৰি, সিঞ্চন কৰি কৰা শালী ধানৰ পানী ধানৰ খেতি। মানুহৰ পথাৰত মিলি গ'ল কঁকাল ভাঙি আঠু ভঙা নাচ, চুটি ঢোল, মহৰ শিঙৰ পেঁপা, মূৰত পৰিল ঘূৰনীয়া জাপী, বৰ বৰ লোকৰ মূৰত উঠিল টুপ লগা ফুলাম জাপী, আঠাযুক্ত ধান, আঠালগা বৰা ধান, মিঠা লাও, গোটীয়া মহৰ হাল আৰু কত কি। বুৰঞ্জী লিখা, টুপ লগা ঘৰ বনোৱা, বাৰী ঢাপ মৰা, বাঁহৰ জেউৰা বনোৱা, বাৰী ঢাপমৰা, বাঁহৰ জেউৰা গুঠা, বানকাহী বানবাতি আৰু ক'ত কি।

ছ্যুকাফাৰ বহু বছৰ হ'ল। নং য়াঙৰ পৰা চৰাইদেওলৈ চৌবিশ বছৰ পাৰ হ'ল। চৌবিশ বছৰ ৰাজ্য গঠন কৰি ঘুৰিল। ম্যুং মাওৰ পৰা নং য়াঙলৈ চৈধ্য বছৰ। একেই উদ্দেশ্য ৰাজ্য গঠন, নতুন পথাৰ খোলা, হাবি কটা, নখেতি কৰা, খোজ কঢ়া, নাও বোৱা, ঘৰ বনোৱা, অনুসন্ধান কৰা, সদা জাগ্ৰত থকা, ন ন উদ্ভিদৰ বীজ সাঁচ ৰক্ষা কৰা, ধানৰ সাঁচ ৰক্ষা কৰা, মানুহ সংগঠিত কৰা, মানুহক উদ্বোধিত কৰা, কাগজ বনোৱা, পুথি লিখা, যুদ্ধ কৰা, ক'তযে ভাষা শিকা, কত মানুহ লগ পোৱা ক'ত কাম, আদি নাই অন্ত নাই। ধান

মৰা, ধান টোপোলা বন্ধা, বছৰে বছৰে বস্তু বাহানী জীৱ জন্তু সামৰা বন্ধা অনা নিয়া বোজাই কৰা ক'ত কাম।

শেষত চে লুং চে খাম চেৰাই দয়ত মন বান্ধিলে চাও লুং ছ্যুকাফাই। স্থায়ীকৈ বহিল। ম্যুং কাও বছৰত স্থায়ী ৰাজধানী হ'ল।

ছ্যুকাফাৰ চেলুং চে খামৰ বিষয়ে ছ্যুকাফাৰ বিষয়ে চাৰিওফালে প্ৰচাৰিত হ'ব ধৰিলে। নাম বৈ বৈ যাব ধৰিলে। ছ্যুকাফাই চৌদিশে নগা পাহাৰ, ভটিয়াই দিখৌ মুখলৈ লুইতেদি উজাই কুনদিন (কুণ্ডিল) লৈ, বুঢ়ী দিহিং নাম জিনেদি উজাই, নামদেং, নাম তিমৌ (দিমৌ), দৰিকা, দিলিহ, চফ্ৰাই দিখৌয়ে উজাই ঠাইবোৰ মানুহবোৰ কথা তেওঁ চালি জাৰি চাব, কেনি ক'ত বহলাব পাৰি, সুচল অসুচল বিপদ বিঘিনি হুব পাৰে কেনেকৈ সকলো চালি জাৰি চাব।

ছ্যুকাফাই দুটা দল পঠালে এটি বৰাহী ৰজা থাকুম থাৰ ওচৰলৈ আৰু আনটো দল মৰাণ মতক ৰজা বদৌচাৰ ওচৰলৈ। প্ৰস্তাৱ পঠালে বন্ধুত্বৰ। লগত পঠালে না না উপহাৰ। শৰাই, মুগা কাপোৰ, মেখেলা, চাপকন, ফাহু পাগুৰী, পাটৰ ধুনীয়া মিহি কাপোৰ আদি। তেওঁলোকক মাতিলে চেৰাই দয়লৈ।

কটকী চেও খাম গৈ পালেগৈ বদৌচা আৰু থাকুম থাৰ ওচৰ। প্ৰতিজন কটকীৰ লগত গ'ল বিশজনকৈ মানুহ পাচজন হেংদাংধাৰী, এজন হিলৈদাৰী ফু চং ক্লং। চেওখামে জানে মৰান ভাষা, জানে বৰাহী ভাষা।

বদৌচা আৰু থাকুমথাক জনালেগৈ যে তেওঁলোকলৈ চাও লুং ছ্যুকাফাই চেলুং চেখাম চেৰাই দয়লৈ নিমন্ত্ৰন কৰিছে। তেওঁলোকে তাই সকলৰ চাম সকলৰ ছ্যুকাফাৰ লগত সম্বন্ধ কৰিব লাগে। তাই সকলো আহিছে মাটি খুলি খেতি কৰিবলৈ। মানুহৰ লগত যুদ্ধ কৰিবলৈ নহয়। তেওঁলোকে থানগিৰিক লুট কৰি ঘুৰি যাবলৈ অহা নাই। তেওঁলোকৰ বাবে এয়া ম্যুং পাকাম, চুন খাম। সম্বন্ধ স্থাপন কৰিব লাগে। থানগিৰিৰ লগত মিলি থাকিব তেওঁলোক।

মৰাণ ৰজা বদৌচা আৰু বৰাহী ৰজা থাকুমথাই ভাবিলে। এৰা এইবোৰ আহাম। দেৱতা ঈশ্বৰৰ দৰে মানুহ। সৰগৰ পৰা আহিছে। এওঁলোকৰ মানুহো সৰহ। যুদ্ধ কৰিলেও আমি নোৱাৰিম। তদুপৰি এওঁলোকৰ হাতত খাৰ বাৰুদ গুলী হিলৈও আছে। মানুহবোৰে যুদ্ধও কৰিব জানে, ঘোঁৰা চলোৱা নাও বোৱা সকলোতে পাকৈত। দেখাতে মানুহবোৰ ধুনীয়া। বগা আৰু গোলাপ ফুলৰ ৰঙ মিহলালে যি ৰং হয় তেনে গাল মুখ হাত ভৰি। কলা কলা কাপোৰবোৰ পিন্ধে। মূৰত বগা পাগুৰি কঁকালত বগা ৰঙা আৰু হালধীয়া ৰঙৰ কাপোৰ বান্ধি থয়। কঁকালৰ পৰা আঠুৰ তললৈকে ওলমি থকা বহল চুঙাৰ দৰে

কলা ৰঙৰ কাপোৰ পিন্ধে। এনে কাপোৰ আমাৰ সৌমাৰত মানুহে পিন্ধা দেখা নাই। আমাৰ বৰাহী মৰাণ দেশত এনে কাপোৰ নিপিন্ধে, কেতিয়াবাহে পূৰ্ব্ব পৰা আনি পিন্ধেহি।

মৰাণ ৰজা বদৌচা আৰু বৰাহী ৰজা থাকুমথাৰ লগত প্ৰায় পঞ্চাশজন মান মানুহ লৈ চেৰাই দয়ৰ ছ্যুকাফাৰ ওচৰলৈ গ'ল। নগৰৰ দুৱাৰৰ ওচৰৰ পৰাই তেওঁলোকক ছ্যুকাফাৰ বাহিৰ চৰালৈ মাতি লৈ গ'ল। তেওঁলোকক ঢাৰিত সুন্দৰ কাপোৰ পাৰি বহিবলৈ দিলে। বৰাহী মৰাণ সকলেও চৰা ঘৰৰ চাঙলৈ জখলাৰ তলত ভৰি হাত ধুই সুন্দৰকৈ বহিবলৈ পাই নিজেই গৌৰৱ অনুভৱ কৰিছিল।

মৰান বৰাহী ৰজা দুই জনকেই বিশেষভাবে তামুলী পীৰাত বানকাঁহী ফে বান আৰু খুৰালগা বান বান বাতিত আৰু ফুনত থুৰীয়া তামোল পান সজাই চেৰা দিয়া বৰা ভাত, টেঙা মাছৰ জোল, কেঁচা মাছ টেঙা কৰা, খৰিচা আদি না না শাক পাত পৰিবেশন কৰে। বাকীসকলকো সুন্দৰ কাঁহৰ কাঁহীত বিশেষভাবে সজাই বৰা ভাত আদি পৰিবেশন কৰে। খোৱা বোৱাৰ পাচত চাও লুং ছ্যুকাফা হ'লুঙৰ ভিতৰৰ পৰা ওলাই দেখা দিয়ে। ছ্যুকাফা আৰু থাও ম্যুং লুং চাও ফ্ৰং ম্যুং সকলো আহি নিজৰ নিজৰ আসনত বহিলহি। ছ্যুকাফা হ'লৈ অহাৰ লগে লগে সভাত বহা সকলো ঠিয় হৈ অভিবাদন জনাই।

চাও লুং ছ্যুকাফাই ধীৰে সুস্থিৰে ক'বলৈ ধৰিলে, " মাননীয় মৰাণ ৰাজ বদৌচা চাও বদৌচা আৰু বৰহী ৰাজ থাকুমথা চাও থাও কুম ফা ডাঙৰীয়া আৰু অনান্য আলহীসকল তথা আমাৰ দা দাঙৰীয়া সকল। আজি আমি অতিকে সুখী হৈছো যে আমাৰ ৰাজপ্ৰসাদ হ'লুঙলৈ থানগিৰি মৰাণ ৰাজ আৰু বৰাহী ৰাজ আহি স্বয়ং নিজেই উপস্থিত হৈছেহি। আমি অতদিন তেওঁলোকৰ ৰাজ্যৰ মাজে মাজেই ঘুৰি ফুৰিছোঁ। আমাক আপোনালোকৰ মৰম দয়া আৰু বাদান্যতাৰ বাবেই হাবি বন কাটি মাটি খুলি খেতি কৰি খাবলৈ পাইছোঁ। আপোনালোকৰ বংশৰ তথা ৰাজ্যৰ মানুহে আমাক অশেষ সহায় কৰি আহিছে। ইতিমধ্যে আপোনালোকৰ বংশৰ মানুহ দুই একৰ লগত আমাৰ বিয়া বাৰু আও মে লং চকলং হৈছে। দুই এক মানুহ আমাৰ লগত আজি বিশ বছৰৰো ওপৰ সময় আছেহি। তেওঁলোকে তাই ভাষাৰে নামো লৈছে আৰু আমাৰ জাতত সুমাই পৰিছে। বৰ্তমান আমি আপোনালোকৰ কৃপাতে ছে তাম দয় দেও পাহাৰত ম্যুং তাই ম্যুং দুন চুন খামৰ পকা বৰ নগৰ পাতিলোঁ। আমি আপোনালোকৰ লগত স্থায়ীকৈ সম্বন্ধ কৰিব খুজিছোঁ। আপোনালোক থানগিৰি, আমি তাই শ্যামবোৰ আলহী। আপোনালোকৰ লগত নিমিলাকৈ আমি কেনেকৈ থাকিম। আপোনালোকে হাত উজান নিদিলে আমি কেনেকৈ ৰাজ চলাম। তিপামৰ পৰা নামজিন বুঢ়ীদিহিং দিখৌ নামচাও, লুইত নাম তিলাও তথা নং য়াং, থাময়াং ম্যুং খুনৰ পৰা দেও গিৰিলৈ চে তাম দয়লৈকে খাং নগা পাহাৰলৈকে

ম্যুং দুন চুন খাম বুলিলোঁ। সৌমাৰৰ এই অংশ আমাৰ ৰাজ চলাবলৈ থিৰাং কৰিলোঁ। আপোনালোকৰ ৰাজ্যতো আমাৰ শ্যাম নিয়মমতে ৰাজ চলাব খোজো। আশাকৰোঁ আপোনালোকে আপত্তি নকৰিব আৰু আমাৰ চত্ৰ ছায়াতেই আমাৰ ৰাজ্য চলোৱাত সহায় কৰি যাব বুলি আশা কৰিলোঁ। আপোনালোকৰ অঞ্চল সমূহত আপোনালোকেই ৰাজকাৰ্য চলাব আমি বাধা নিদিও।

ৰাজা দুয়ে বা কি কয়?

বদৌচাই ভাবি চিন্তি গুৰু গম্ভীৰভাবে বেকত কৰিলে, "আপোনালোকৰ ৰাজৰ কথা আমি শুনিছোঁ। আমাৰ মানুহে সকলো খবৰ আমাক দি আছে। ইতিমধ্যেই আমাৰ মানুহ, দিওৰা দিমা ফিচা সকলে আপোনালোকক সহায় কৰি আহিছেই। আমিনো ৰাজ হ'লো বুলি আপোনাক সহায় নকৰিম কিয়? কিন্তু এটা কথা হা চাম শ্যাম কৌচাম্পীৰ ৰজাদেও, আমাৰ ৰাজ্যৰ মাজত আমাৰ ৰাজ সন্মান ৰক্ষা পৰিলে আমি সুখী হ'ম। আমি আপোনাকেই বৰিব খুজিছোঁ। আমাৰ ৰাজ্যও আপোনাৰেই দেশ। আমিও আপোনাৰ ডা- ডাঙৰীয়া হিচাবেই থাকিব বিচাৰো আৰু আনহাতে নিজৰ মানুহো আমিয়েই চলাই সহায় কৰিম। আমিও আপোনাৰেই মানুহৰ দৰে হ'ব খুজো। নিজৰ অঞ্চলত নিজৰ মানুহ আমাক আপোনাৰ হৈ চলাবলৈ দিলে আমি সুখী হ'ম।

থাকুমথাওয়েও বদৌচাৰ সুৰতে সুৰ মিলাই গুৰু গম্ভীৰ ভাবে একেখিনি কথাকেই ক'লে। "আমি বৰাহী সকলেও আপোনাকেই বৰিছোঁ হা চাম কৌচাম্পীৰ দেৱতা ঈশ্বৰ। আপুনি সৰগৰ দেও স্বৰূপ আহাম বায়। আমিও আপোনাৰেই পৰজা। কিন্তু আমি পৰ্বত থকাৰ দৰে আমাৰ ৰাজৰো ৰাজা হৈ থাকিবলৈ দিব আৰু আপোনাৰ পৰজাৰ দৰে অধীনত আপোনাৰ সেৱা কৰিবলৈও সুবিধা দিব বুলি জনালো।"

দুয়ো ছ্যুকাফাক বহু উপহাৰ দি সেৱা জনালে।

থাকুমথা আৰু বদৌচা দুয়ো ৰজাৰ কথাত নিজা মানুহকিজনৰ খুনং সকলে হয়ভয় দিলে।

চাও লুং ছ্যুকাফাই কিছুসময় চাও থাও লুং আৰু চাও ফ্ৰং ম্যুং সকলৰ সতে আলোচনা কৰি জনালে,

"মলিক সকল কথাখিনি লিপিবদ্ধ কৰক। মৰাণ ৰাজ সন্মানিত বদৌচাক আমাৰ মূল 'ফু বু মাই' অৰ্থাৎ ছে লুঙৰ খৰি যোগনিয়াৰ মূৰব্বী ব্যক্তি হিচাবে নিয়োগ কৰিলোঁ। কিয়নো মৰাণ ৰাজ্যৰ অসংখ্য কাঠনি হাবিয়ে ভৰা। হাতীৰে এনে হাবিৰ পৰা অসংখ্য খৰি আনি নৈত পেলাব আৰু নৈয়েদিও খৰি আনিব পাৰিব। তদুপৰি তেওঁৰেই নিজা মৰাণ বংশীয় লোকৰ ওপৰত সকলো চোৱা চিতা কৰিব। সেইবাবেই মৰান ৰাজে আমাৰ

থাও ম্যুঙ'ৰ সমানেই সন্মান পাব আৰু এটা বিশেষ অঞ্চলৰ সম্পত্তিৰ আৰু দুহেজাৰ মৰান পাইক'ৰ পৰিচালনাৰ দায়িত্বও দিয়া হ'ল। আশাকৰো মৰান ৰাজে আমাৰ চে লুঙলৈ আহিলে আমাৰ দৰেই উপহাৰ দিয়া তাই চোলা কাপোৰ পিন্ধিহে আহিব। আজিৰ পৰা মৰাণ ৰাজ আমাৰ এজন ডাঙৰীয়া হ'ল।

আমাৰ একে ভাত একে দেহৰ বৰাহী ৰাজ থাকুম থা আমাৰ 'বু চাং মাই' হিচাবে নিয়োগ কৰা হ'ল আৰু লগতে থাও ম্যুঙৰ সমান দায়িত্বৰে বৰাহী মানুহখিনিক পৰিচালনা কৰিব আৰু বৰাহীৰ মূৰব্বী 'বু খা-লাং' বুণ্ডি উপাধি প্ৰদান কৰিলোঁ। আজিৰ পৰা বৰাহী পাইক সকলক থাকুমথাই শাম ছে লুং বৰ নগৰৰ থাও ম্যুং চাও ফ্ৰং ম্যুং, থাও ম্যুং চাও থাও লুং আৰু অনান্য থাও ম্যুং, খুন তাই, লান তাই ম্যুং আদি সকলৰ চাংমাই শাল বৌন তি তাং খাও ত ৰন্ধা বঢ়া বা ৰন্ধা বঢ়াত সহায় কৰিবলৈ ক'ব আৰু এই সমূহ কাৰ্য পৰিচালনা কৰিব।

চাও লুং ছুকাফাই থাকুম থা আৰু বদৌচাক মুগা কাপোৰ, পিতল আৰু কাঠৰ ৰং আৰু লা লগোৱা শৰাই, লা লগোৱা বাঁহৰ টেমা, কুপ লাইলেং ফুলাম জাপী আৰু অনেক বস্তু বঁটা বাহন দিলে। যোৱাৰ সময়ত এটাকৈ ওখপাখ জিন বন্ধা ঘোঁৰাও দি পঠালে। ৰাতি চেলুঙতে বৰাহী ৰজা আৰু মৰান ৰজাৰ সন্মান আৰু সম্পৰ্ক স্থাপনৰ বাবে ডা-ডাঙৰীয়া সকলৰ লগত এটা মহ মাৰি ভোজৰ আয়োজন কৰিলে। ভোজৰ পিচত মৰান বৰাহী তাই সকলো গীত মাত গোৱা আৰু নাচ প্ৰদৰ্শন কৰা হ'ল।

বৰাহীসকলৰ বিভিন্ন জনক উপযুক্ত চাই চাও লুং ছুকাফা আৰু চাও ফ্ৰং ম্যুং (প্ৰধান মন্ত্ৰী বুঢ়াগোহাঞি) আৰু চাও থাও লুং (সহকাৰী প্ৰধানমন্ত্ৰী বৰগোহাঞি), লান তাই ম্যুং (সন্দিকৈ), খুন (ৰাজকোঁৱৰ), থাও ম্যুং (গোহাঞি) আদি ডা-ডাঙৰীয়াসকলৰ ৰান্ধনী শালত বৌন তাং খাও সহায় কৰিবলৈ নিয়োগ কৰিলে। কোনো কোনো বৰাহী লোক গিৰিয়েক ঘৈনিয়েক লৰা ছোৱালীৰে সৈতে, কোনোৰ লগত কেৱল তিৰোতা আৰু খেনোৰ লগত কেৱল পুৰুষহে ৰান্ধনী শালত সুমাল। বহুতকে ডা-ডাঙৰীয়াৰ বাৰীৰ চৌহদত সুকীয়াকৈ ঘৰ নিৰ্মান কৰিও থাকিবলৈ দিয়া হ'ল। তেওঁলোকেও তাই সকলৰ দৰে তিনি চাৰি কোঠলীয়া সৰুকৈ চাং ঘৰ বনাই ল'লে। তেওঁলোকে লাহে লাহে তাই সকলৰ দৰেই পোচাক পৰিচ্ছদো পিন্ধিবলৈ ধৰিলে আৰু বহুতেই তাই ভাষা ভালদৰেই ক'বলৈ শিকিলে। দৈনন্দিন তেওঁলোকে তাই ভাষাতেই অন্য তাই সকলৰ লগত কথা বতৰা পাতিবলৈ ল'লে। অৱশ্যে কিছু বৰাহীয়ে ভঙা ভঙা থানগিৰিয়া সংস্কৃত ভাষাৰ শব্দৰেও বৰাহী দিমাছা দিওৰা আৰু তাই শব্দ সংযোগ কৰি কথা বতৰা পাতিবলৈ ধৰিলে।

চে লুঙৰ ৰাজ ডা-ডাঙৰীয়া আৰু ৰজা পৰিয়ালৰ বাবে প্ৰয়োজনীয় কুকুৰা

পুহিবলৈ আৰু কুকুৰা চাবলৈ লুক তাই বংশৰ লোক সকলক ফু হান কাই পাতিলে। লগতে সহায় কৰিবলৈ কিছু বৰাহী লোককো নিয়োগ কৰিলে। কিয়নো বৰাহী সকলো কুকুৰা পোহাত পাৰ্গত লোক। কুকুৰাৰ বেমাৰ হ'লে তেওঁলোকেও বন দৰব এগা জা খুন্দি খোৱাই ভাল কৰিব জানিছিল। তাই সকলে বিশেষত লুক তাই সকলেও কুকুৰাৰ ঔষধ দিব জানিছিল।

তদুপৰি মৰাণ, মতক সকলে বহুজনে সুন্দৰ শাক পাচলিৰ বাৰী, কঁপাহখেতি, কচুখেতি কৰা, কাপোৰ বোৱা, যুদ্ধ কৰা, হাতী ধৰা, চিকাৰ কৰা সকলোতে পাৰ্গতালীৰে সহায় কৰিব ধৰিলে।

বৰাহী খাং সকলেও নাওবোৱা, সুন্দৰ ঘৰ বনোৱা, নৈত মাছ মৰা, খাদ্য প্ৰস্তুত কৰা, নগৰ নিৰ্মাণ কৰা, পুখুৰী খন্দা আদি কামত নিজক আৰু তাই সকলক সহায় কৰিব ধৰিছিল।

যেন সুখ শান্তিৰহে এক সৰ্গতুল্য দেশ।

তেপ্পন্ন

সকলো বস্তু সাজু হ'লনে?

ছ্যুকাফাই লিক বা লিক ৰি লিক চাও সকলক সুধিলে।

মূৰ দোৱাই আঠুলৈ স্তুপ বাই কৰি উত্তৰ দিলে

"হয় চাও ফা দেৱতা ঈশ্বৰ, সকলো সাজু হ'ল। তিনি ভাগকৈ সুন্দৰকৈ সজোৱা হ'ল।"

চৰাইৰ পাখিৰে চিলাই বনোৱা সুন্দৰকৈ বোৱা শোৱা শেতেলি, দহ ৰং ওজনৰ ৰূপ এটা ডিঙি দীঘল লোটা তাম তগুত ভৰাই আৰু অনান্য বস্তু তথা বগা কাপোৰ কিছু একোটা একোটাকৈ তিনিটা কাঠৰ বাকচত ভৰালে। লগতে মলিকে তুন ছা গছৰ বাকলিৰ আঁহেৰে বনোৱা কাগজত তিনিখন চিঠি লিখিলে।

চিঠিত লিখিলে, "আমি কৌশম্বী দেশ ম্যুং মাও লুণ্ডৰ পৰা ইৰাৱতী পাৰ হৈ ছেলুং ছেৰাই দয়ত চেলুং ছে খাম বৰ নগৰ পাতিলোঁহি। ৰাজ্যখনৰ নাম ম্যুং দুন চুনখাম দিয়া হ'ল। আমাৰ দেশত দিওৱা, ভূএগ্ৰা, তিমিছা, চিংফৌ, মৰান, মতক, পাংদিন মৃৰ্, দিওৱা খাফী, বৰাহী ফিচা, নগা খাং দুই এক কোচ কচ্চ, মিছিমি আৰু দুই এক ব্ৰাহ্মণ লোক আছে। সকলো মিলি সৌমাৰ ভূমি ম্যুং দুন- ম্যুং দুন চুন খাম। ৰজা আমি তাই

বংশৰ শ্যাম লোক- চাও লুং ছ্যুকাফা। তাই আৰু অনা তাই থানগিৰি সকলো মিলি মিলা প্ৰিতিৰে আছোঁ। দিহিং, দিচাং, দিখৌ, নামৰূক দিমৌ, লুইত, সোৱনশিৰি আমাৰ দেশৰ মাজৰ নৈ। আমাক ৰাজ্য মানিব। এই নিমিত্তে পত্ৰ পঠালোঁ। ছ্যুকাফা প্ৰেৰিত ছেলুং ছে খাম, ম্যুং দুন চুন খাম।

দিচাং নৈ লৈকে কটকী কেওজনক ঘোঁৰাৰে আগবঢ়াই দিলে। এটা দল যাব দিওৰা ৰাজলৈ। আনটো দল ভাটিৰ কমতা দেশলৈ। দিচাঙৰ পৰা দিখৌয়েদি ভটিয়াই গৈ নামতিলাও লুইতত পৰিবগৈ। নাবঁৰে লুইতেদি ভটিয়াই গৈ কমতা ৰাজ্য পাবগৈ। এটা দল মাটিয়েদি ঘোঁৰাৰে গৈ দিখৌ নৈয়েদি নাবঁৰে কিছু ভটিয়াই পুনৰ নামদেঙদি উজাই মাটিৰে পশ্চিমলৈ গৈ দিমাছা ৰাজ্যৰ উজনীৰ ৰাজধানী পাবগৈ। আন এটা দল দিওৰা চাও তিওৰা ৰাজ্যলৈ নামজিন দিহিঙেদি উজাই গৈ লুইতেদি উজাই গৈ কুণ্ডিল পাবগৈ।

তিনিওটা দলত তাই তিমিছা, বৰাহী, তিওৰা ফুনয়া, কচ্চ, খাং, কং আৰু এজন বামুন লোক লৈ গৈছে। কিয়নো বামুন লোকজনে সংস্কৃতৰ নিচিনা ভাটিত চলা লিপিত আখৰ লিখিব পাৰে। তিলাওৰ উজাই ভটিয়াই সকলো ৰজাই এই এই লিপিতেই লিখা লিখি কৰে। গৌড় কমতা ৰজাই বোলে সংস্কৃতত লিখিলেহে বুজি পায়। তথাপি তাই সকলে তাই আখৰৰ লিখা চিঠিও পঠালে। যতেই যি ভাষা নচলক যি আখৰ নিলিখা তাই ৰজাৰ আৰু থানগিৰিৰ আখৰ আৰু সংস্কৃত বুজিব পাৰিব লাগিব। ছখন সাতখনকৈ নাও লৈ কটকীৰ দলটো তিনিটা নিজনিজ গন্তব্য স্থানলৈ গ'ল।

তাৰ ঠিক দুদিনমানৰ পাছতেই ছ্যুকাফাই ম্যুং দুন চুন খামৰ আটাইকেইখন ৰাজ্যৰ ফুকিন ম্যুং সকললৈও কটকী পঠালে। চাৰিখন পাচখন নাওঁ লৈ চল্লিশ পঞ্চাশ জনীয়া দলবোৰ যাবলৈ সাজু হ'ল। ম্যুং তি পাম আৰু ম্যুং লাখেন তেনচালৈ দিখৌয়েদি ভটিয়াই নামজিনে বুঢ়ীদিহিঙেদি উজাই যাবলৈ ধৰিলে। ম্যুং তিপামলৈকে দুয়োটা দল একে লগেই উজাই গ'ল। তদুপৰি ম্যুং আইতন, ম্যুং খমজাং আৰু ম্যুং ফাকে চিৰিনলৈ ত্ৰিশ চল্লিশ জনীয়া দল তিনিটা পঠালে। তেওঁলোকেও উজাই যাওঁতে একেফালেই উজাই গ'ল। দুই একে ভাবিছিল চে তাম দয়ৰ পৰা পূব ফালে পাহাৰৰ কাষে কাষে গৈ নামৰূক নৈ পাবগৈ। কিন্তু আটাইবোৰে একেলগে নাবঁৰে উজাই যাবলৈ ভাল পাব বুলিহে নৈয়েদি উজাই গ'ল। তদুপৰি যাওঁতে হাবুং, ম্যুং কাং ছে গ্ৰু, চে খাও, তো মানুহক খবৰ দি যাব। ম্যুং বুই ম্যুং চেএও, ম্যুং খেন তুন এেউ আদিলৈও পাচ দহজনকৈ মানুহ পঠালে। উদ্দেশ্য প্ৰতিজন ফুকিন ম্যুঙৰ পৰা সোন ৰূপ, কাপোৰ, মনি কি পাৰে চে লুং চে খামলৈ আনিবগৈ লাগে। কিয়নো চে লুং চে খাম চে ৰাই দয় খনেই হ'ল ম্যুং দুন চুন

খামৰ মূল কেন্দ্ৰ।

ইতিমধ্যে এমাহমানৰ পুবেই ম্যুং মাও লুঙলৈ ছুকাফাই চেলুং চে খামৰ পৰা পঠোৱা মানুহ ঘুৰি আহিছে। ম্যুং দুন চুন খামৰ চেলুং চে খাম সোনৰ বৰ নগৰ গঠন হোৱাত ম্যুং মাও লুঙৰ ৰজা চাওফা ছুখানফাই সন্তোষ পাইছে। তেওঁ তুন চা গছ (নুনি গছ)ৰ বাকলি গেলাই বনোৱা কাগজত লিখি পত্ৰও পঠাইছিল। পত্ৰত ছু খান ফাই তেওঁ ম্যুং মাও লুঙ দেশৰ সীমা বহল কৰাৰ বিষয়ে লিখি পঠাইছে। ইতিমধ্যে ম্যুং মাও লুঙৰ ভিতৰত। খাং সকলৰ পৰা লাও, চিয়েং মাই, চিয়েং ৰাই, ম্যুং ছে আদি বহু ৰাজ্য সোমাইছে।

ছুখানফাই দেশ বহলাই মানুহৰ আয়ু বৃদ্ধি কৰিবলৈ ম্যুং মাওত ৰিক খুন ম্যুং খুন পাতিবলৈ মনস্থ কৰিলে। ছুকাফাই ছুখানফাৰ ৰিকখুন ম্যুং খুন অনুষ্ঠানলৈ বিশেষ সোনৰূপ যিপাৰে কি দি সহায় কৰিবলৈও মনস্থ কৰিলে।। ম্যুং মাও লুং খনেই তেওঁলোকৰ বিভিন্ন তাই ৰাজ্যৰ মূল কেন্দ্ৰ। এই কেন্দ্ৰলৈ সকলোৱেই সোন ৰূপ পঠাবই লাগিব। ম্যুং দুন চুন খামো ম্যুং মাও লুঙৰেই পুত্ৰ ৰাজ্য। পুত্ৰই পিতৃক সেৱা কৰাৰ দৰে ম্যুং দুন চুন খাম, ম্যুং শ্বেন ৰি, ম্যুং শ্বিপ, ম্যুং চে ফাং, ম্যুং খুন, ম্যুং বান, ম্যুং ছে সকলোৱেই ম্যুং মাওৰ চাওফা লুং ছু খান ফালৈ 'চই' পঠাব লাগিবই আৰু বিভিন্ন ধৰণে সোণ ৰূপ কাপোৰ হাতী, ঘোঁৰা অস্ত্ৰ আদি দি প্ৰাণকেন্দ্ৰ সবল কৰিব লাগিব। খে চীনা সকলৰ পৰা আৰু যবন ফাং সকলৰ পৰা তথা মানসকলৰ পৰা তাই সকল সদায় সাবধান হৈ থাকিব লাগিব।

এমাহ পাৰ হ'ল। ম্যুং আইতন, ম্যুং খামজাং, ম্যুং ফাকে চি ৰিন, ম্যুং লাখেন তেন চা, ম্যুং তিপাম, সকলোৰ পৰাই বিভিন্ন সামগ্ৰী আহিল। তিপামৰ পৰা তিনি ৰং ৰূপ, ম্যুং আইতনৰ পৰা তিনি ৰং ৰূপ (ভিন) আহিল। বাকীবোৰ ঠাইৰ পৰাও মুগা কাপোৰ, কপাহী কাপোৰ, এৰি কাপোৰ আৰু অনান্য বস্তু আৰু হাবুঙৰ পৰা কিছু সোন (খাম) আৰু পাং দিন মৃৰ্ সকলৰ পৰা অনা কিছু হালধীয়া মনি আদিও গোট খালেহি।

কেইদিনমানৰ পিচতে কমতা, দিওৰা চৌত্যা আৰু আহি পালেহি। লগতে কমতা পুৰী, দিওৰা চৌত্যা আৰু তিমিছা কছাৰী ৰাজ্যৰ কটকীয়েও না না উপটৌকন লৈ চে লুং চে খাম পালেহি। কমতা ৰজাই এক লোটা ৰূপ দহ ৰং আৰু 'খাম ফাং হা খাম দহ টোপোলা বগা কঁপাহী কাপোৰ, তিমিছা কছাৰি ৰজাই সোণ ৰূপ আৰু দহ টোপোলা ৰাজ্যৰ বগা কঁপাহি কাপোৰ, তিওৰা চৌত্যা ৰাজ্যৰ পৰা দহ ৰঙ ওজনৰ এচৰীয়া ৰূপ আৰু দহ টোপোলা বগা কঁপাহী কাপোৰ আৰু অনান্য উপহাৰ পঠালে।

ছুকাফাই বন্ধুত্বৰ দোলেৰে বান্ধ খাবৰ বাবে কমতা দিমাছা, দিওৰা ৰাজ্যৰ কটকী সকলক চে লুং চে খামত ভালদৰে অপ্যায়ন কৰিলে। তেওঁলোকৰ সন্মানাৰ্থে বনৰ পহু,

মাছ, হাঁহ কুকুৰাৰে ভোজ পাতিলে। ঘুৰি যাওঁতে কটকী সকলক না না বঁটা বাহন দি ৰজালৈ সম্মানিত তাই পোচাক, পাখিলগা সিংহৰ মূৰ্তি, মুগা কাপোৰ দি পঠালে আৰু ধন্যবাদ জনাই পত্ৰও প্ৰেৰণ কৰিলে। লগতে তিনিও ৰজালৈ তিনিগৰাকী ধুনীয়া কণ্যা দি পঠালে।

দিমাছা, দিওৰা আৰু কমতা ৰাজ্য আৰু নিজা দেশৰ অনান্য ঠাইৰ পৰা পোৱা সকলোবোৰ বস্তু ভালদৰে টালি টোপোলা বান্ধি ম্যুং মাও লুঙৰ চাও ফা লুং ছু খান ফালে এশ জনমান মানুহ দি পঠালে। তেওঁলোকেও অহা বাটেৰেই ঘুৰি গৈ নামৰূক, নামবং খামজাং, আইতন, ফাকে চে ৰিন, ম্যুং খুন ম্যুং মিত হৈ ম্যুং মাও পালেগৈ। ছুকাফাৰ সকলোখিনি উপহাৰ তেওঁক অৰ্পণ কৰিলেগৈ।

ছু খান ফাই ম্যুং মাওত মহা ধুম ধামেৰে ৰিক খুন উৎসৱৰ আয়োজন কৰিলে। এই উৎসৱলৈ ম্যুং মাওৰ অধীনস্থ সকলো তাই ৰাজ্যৰ পৰাই না না সোন ৰূপ কাপোৰ আদি উপহাৰ আহিল।

ছুখান ফাৰ পৰাও কটকী আহি পালেহি। যোৱা কালি আহি পালেহি। যোৱাকালি জিৰণি লবলৈ দিলে ৰাজ আলহী ঘৰত।

আজি পুৱাতেই ছুকাফাক দেখা দিলেহি তেওঁলোকে। মানুহ আহিছে পচপন্নজন। এজন খে ভাষা জনা পণ্ডিতো আহিছে। লগতে তাইসকলৰ দুজন বুৰঞ্জী লিখা মানুহ ম’লিক। তাৰে এজন তাই পণ্ডিত নামদ্যেও পাৰৰ পৰা চিয়েং ৰুঙৰ পৰা অহা তাই পণ্ডিত। মলিক সকলে ছুকাফাৰ ম্যুং দুন চুন খাম দেশৰ সকলো কথা লিখি যাবলৈ মন লৈ আহিছে।

ছুকাফাক মন্ত্ৰী সকলৰ উপস্থিতিত ম্যুং মাও লুঙৰ পৰা অহা ককায়েক ছু খান ফাই দিয়া বস্তুবোৰ এপদ এপদকৈ অৰ্পণ কৰিব ধৰিলে। ছু খান ফাই ছুকাফালৈ এটি সুন্দৰ ওখ পাখ দেখনিয়াৰ ঘোঁৰা, এখন সোন খটুৱা জিন, (তাং কাক, তাং অন আৰু তং মা), বহু ৰঙী কাপোৰে চিলোৱা ফুলাম সৰুদৈয়া জাপী, সোণপানী চৰুৱা আগফালে আৰু পিচফালে মনি মুকুতা খটুৱা ভৰিলৈকে বৈ পৰা দীঘল চোলা, গুনা সুতাৰে চিলাই কাম কৰা সুন্দৰ ভৰি মোজা, গুণা সুতাৰে চিলাই কাম কৰা কাপোৰ, ৰঙা পাৰি থকা ডাঙৰ কাপোৰ, কাঠৰ আৰু সোনৰ হেতা, ‘মি ৰি চি চা নাম ৰাক ৰোন ফাং তাং জাং’ দি পঠালে।

ইমানবোৰ মূল্যবান বস্তু উপহাৰ হিচাবে দি পঠোৱা বাবে ছুকাফা ছুখানফাৰ প্ৰতি কৃতজ্ঞ হ’ল। সঁচাকৈ তেওঁ আনন্দিত হ’ল ছুখানফাৰ মৰমৰ উপহাৰ পাই।

আঠে বেঠে ছুকাফাই বস্তুবোৰ এখন সুন্দৰ কাপোৰৰ ওপৰত তামুলী পীৰা পাৰি তাৰো ওপৰত এখন শুদ্ধ মুগা কাপোৰ পাৰি এপদ এপদকৈ ৰাখি গ’ল। কেৱল

ছুকাফাই নহয়, উপহাৰ বোৰ চাই মন্ত্ৰী বিষয়া ডা ডাঙৰীয়া সকলেও বৰ আনন্দিত হৈছিল। ইমান দিন আঁতৰত থাকিল আমি কোনেও কাকো পাহৰা নাই। ছু খান ফা ককাইদেও সঁচাই মহান চিন্তাশীল শক্তিশালী তাই চাওফা। ছুখান ফা নিশ্চয় তাই সকলৰ বুৰঞ্জীত এজন বিখ্যাত নামজ্বলা মানুহ-চাওফা ভগবানৰ অৱতাৰ স্বৰূপ হৈ থাকিব চন্দ্ৰ সূৰ্য পৃথিৱীত থাকে মানে।

ছু খান ফাৰ কটকী সকলে অনা ম্যুং মাও লুঙৰ এখন বুৰঞ্জীৰ প্ৰতিলিপিও প্ৰদান কৰিলে। ছুকাফাই তাই ভাষাত লিখা এই বুৰঞ্জীখন পঢ়ি চালে । তাতেই লিখা আছে ম্যুং মাও লুঙৰ অধীনলৈ কিমানবোৰ ৰাজ্য গ'ল। বহুবোৰ তাই ৰাজ্য ম্যুং মাও লুঙৰ লগত চামিল হৈ যোৱাৰ উপৰিও বহুবোৰ অনা তাই জনগোষ্ঠীয় আৰু মান ৰাজ্যও ম্যুং মাও লুঙৰ ভিতৰত অৰ্ন্তভূক্ত হৈছিল।

ছুকাফাই চকু ফুৰাই গ'ল। প্ৰথমেই দেখিলে ম্যুং মিত ৰাজ্যৰ নাম। এৰা ম্যুং মিত এসময়ত তেওঁৰ দেউতাকৰ ৰাজ্য আছিল। দেউতাকৰ পাচত তেৱোঁ ম্যুং মিত শাসন কৰিছিল। ম্যুং মাও লুঙৰ ভাবি চাওফা হ'ব লগা আছিল বা ম্যুং মাও লুং এক প্ৰকাৰৰ শাসন কয়েই আছিল যদিও তেওঁ পিতৃ ৰাজ্য ম্যুং মিতো শাসন কৰি আছিল। তেওঁৰ এইবোৰ কথা মনত পৰিলে কেতিয়াবা বেয়াও লাগে। এৰা এনে সুন্দৰ দেশখন তেওঁ এৰি আহিল ম্যুং মিত। ম্যুং মিতৰ অধীনত আছিল সাতখন ম্যুং। যেনে-ভামো, ম'লাই ম্যুং লাই, ম্যুং লুং, অওং পাউং শ্বীপ', চুম চাই, চুং কু (চিংগু), তাগাউং।

ম্যুং কং। ম্যুং কং খন যদিও পূৰ্বতে স্বাধীন আছিল, তেওঁলোকো ম্যুং লুঙৰ পৰা একে ৰাজপৰিয়ালৰ মানুহ আহি ম্যুং কঙত তাই ৰাজ্য প্ৰতিষ্ঠা কৰিছিলহি। ম্যুং কং ম্যুং মাও লুঙৰ পশ্চিম দিশে, এইখন দেশ আমাৰ তাই ৰাজ্য ম্যুং দুন চুন খামলৈ ম্যুং মাও লুঙৰ পৰা আহোতে বাটতে পৰে। এই ম্যুং কঙৰ অধীনতো নিৰান্নবৈ 'কাও ছিপ কাও' খন ম্যুং ৰাজ্য অৰ্ন্তভূক্ত আছিল। আমাৰ দেশখনো ম্যুং দুন চুন খাম খনো 'ম্যুং লুং' বুলিয়েই ধৰি ম্যুং মাও লুঙে ম্যুং কঙৰেই ভিতৰত এক ম্যুং বুলি ধৰি লৈছে। অৱশ্যে ছুখানফাই এই ধাৰনা ঠিকেই কৰিছে। প্ৰশাসনৰ ফালৰ পৰা এই বিভাজন তেওঁ ঠিকেই কৰিছে। আমিও সততে ম্যুং কঙৰ লগতেই যোগাযেগ ৰাখিব লগা হয়।

আমাৰ ম্যুং দুন খনৰ লগতে ম্যুং কেছে (মনিপুৰ), আৰাকনৰ একাংশ, য়াও দেশ, কালে, শ্বউং চুপ, ম্যুং কং ম্যুং য়াওং, ম্যুং খুন (হুকং অঞ্চল), চাং ক্ৰিং বাঁচিং খা লিং খামতি, ম্যুং লি (ম্যুং খামতি লুং), ম্যুং যাং (ম'ন্যিন), মত শ্বু বু (শ্বীপ')। কুনুং কুমুন (মিছিমি দেশ), খাং চে (নগা দেশ) আদি সেইদৰে ঊনুপঞ্চাশ 'চি চিপ কাও' ম্যুঙেৰে সৈতে শ্বেন বি, ম্যুং নাই কুং মা, কেং শ্বেন (বৰ্তমান উত্তৰ থাইলেণ্ডৰ মে কঙৰ পাৰ

চিয়েং শ্বেন), লান চাং (এহেজাৰ হাতীৰ দেশ বৰ্তমান লাওচৰ ভিয়েং চান), পাগান, ম্যুং য়ুন (বৰ্তমান থাইলেণ্ডৰ চিয়েং মাই অঞ্চল আৰু সমীপবৰ্তী অঞ্চল), কেংলুং (বৰ্তমান চিয়েং ৰুং বা চিয়েং হুং অৰ্থাৎ শিপ চং পান না, চীনৰ য়ুন্নানৰ ক্সি চুৱাং বাননা অতীতৰ চীন সকলে চে লি ৰাজ্য বুলি কৈছিল), কেং লুং (বৰ্তমান থাইলেণ্ডৰ পূৰ্বৰ ৰাজধানী অযোধ্যা আয়ুথিয়া), ম্যুং লেম, তাই লাই (সম্ভৱ চীনৰ তা লি ফু), ৱান চাং (য়ুন্নানৰ য়ুং চাং), পালাউং দেশ (ম্যানমাৰৰ ত্বাউং পেং লাই লুং), শ্বান ফ' (চিংফৌ কাচিন ৰাজ্য), কাৰেন দেশ, (থাইলেণ্ডৰ সীমান্তত থকা ম্যানমাৰৰ অঞ্চল), লাৱাইক, লাপ্যিত, লামু, লাখেং (আৰাকানৰ ৰাখাইং), লাং চাপ, আয়ুথিয়া (শ্যাম দেশ), থাৰে (তেভয়), য়ুনচালেং (থাইলেণ্ডৰ সুখথাই ৰাজ্যৰ উত্তৰৰ অঞ্চল)। এই আটাইবোৰ অঞ্চল ম্যুং মাও লুঙৰ দখললৈ নি এক বিৰাট ডাঙৰ বিশাল মাও তাই সাম্ৰাজ্য কৰিবলৈ সক্ষম হ'ল মোৰ ককাইদেৱ ছুখানফাই। সঁচাকৈয়ে তেওঁ তাই সকলৰ এক ভগবান স্বৰূপ ৰজা হৈ থাকিব। সমগ্ৰ তাই সকলক একত্ৰিত কৰাটোও তেওঁৰ কম কৃতিত্ব নহয়। খে (চীনা) বিলাকে যদি আমাক একো আমনি নকৰে আমাৰ তাই ৰাজ্য খন বিশাল সাম্ৰাজ্য হৈ থাকিব আৰু ধনে জনে খেতি পথাৰে সমৃদ্ধ হৈ থাকিব। খে দেশ আৰু ম্যুং মান দেশ অৱশ্যে আমাৰ তাই ৰাজ্যৰ প্ৰধান শত্ৰু। অতীত কালৰ পৰাই আমি খে দেশৰ ফালৰ পৰা আঁতৰি আহি থাকিব লগা বুলি আমাৰ পুলিন পুথাওবিলাকে কৈছে। সেই পুলিন পুথাওসকলকো বোলে তেওঁলোকৰ পুলিন পুথাও পুমন সকলে কৈছিল খে বিলাকে ৰু ম্যুঙৰ ফালৰ পৰা আহি শ শ বছৰ পানী ধানৰ খেতি কৰি থকা বাৰী ঘৰ পকী মঠ মন্দিৰ পুখুৰী মৈদাম হ'লুং হ ফী বনোৱা নগৰবোৰ অধিকাৰ কৰি ললেহি। আনহাতে চেং কিত খাৰ আক্ৰমনৰ কথাও আছেই। আকৌ যদি কোনোবা লুং ফাং (মুচলমান) সকল আহে। উস কথাটো ভাবিব নোৱাৰি।

আনহাতে আকৌ যদি মান সকলেও ম্যুং মাও অঞ্চল নিজৰ তললৈ নিব বিচাৰে তেতিয়াহলে সেইটোও বৰ দূৰ্ভাগ্যজনক হ'ব। মানসকলে বাৰে বাৰে যত্ন কৰি আছে তাইসকলৰ আধিপত্য নাইকীয়া কৰিবলৈ।

যি নহওঁক মোৰেই সৌভাগ্য যে মোৰ নিচিনা ৰজাক ছুখানফাই সহায় কৰিছে। এৰা আমি ম্যুং দুন চুন খাম বাসী তাই সকলে ম্যুং কাং আৰু ম্যুং খামতি লুঙৰ লগতো সদায় যোগাযোগ ৰাখিব লাগিব। প্ৰতি খৰালী কালত কমেও দুবাৰকৈ দুটা দল ম্যুং কঙলৈও অহা যোৱা কৰি থাকিব লাগিব। ম্যুং খামতি লুং, পুতাও খামতিৰ লোকসকলো ম্যুং মাও লুঙৰ পৰাই আহিছে। আমি সকলো জ্ঞাতি পিনং। আমাৰ ম্যুং দুন চুন খামলৈ আমাৰ লগতেই ম্যুং আইতন, ম্যুং আইতন, ম্যুং ফাকে চেৰিন, ম্যুং খামজাং আৰু ম্যুং

খামতি লুঙৰ পৰাও মানুহ দুই এক আহিছে। তদুপৰি ম্যুং কঙৰটো আছে। আমাৰ লগত কেৰাখনো তাই ৰাজ্যৰ লোক অহা বাবে আমাৰ মাজতেই 'ৰ টোক দুই একে হ', 'চ' টোক 'ৼচ' প্লাং টোক পাং, খং টোক খ্রং, 'প' টোক 'ৰ' 'ব' টোক 'ম' বুলি উচ্চাৰণৰ ভিন্নতা আৰু বাক্য চুটি দীঘল কৰা লোক আছে। সেইদৰে আখৰ লিখোতেই ম্যুং মাওৰ আখৰ টোকেও আমি চলাইছো কিন্তু ইয়াত থানগিৰি সকলৰ শব্দ উচ্চাৰণ লিখিবলৈ নতুন আখৰ বিচাৰি লব লাগিব। তদুপৰি থানগিৰিৰ মানুহে বুজিব পৰাকৈ কিছু ন শব্দও উলিয়াব লাগিব। বু পাক বু চাও, বু ৰিং, থাও ম্যুং চাও থাও লুং, চাও ফ্রং ম্যুং আদি উপাধীটোৰ থানগিৰি উচ্চাৰণত তেওঁলোকে সহজতে বুজিব পৰাকৈ লিখিব লাগিব। থাও বান অৰ্থাৎ থাও মানে যেতিয়া থানগিৰি ভাষাত 'বুৰা' (বুঢ়া) বান মানে যেতিয়া 'গাং' (গাওঁ) বুঢ়া গাং। অ নহয় থানগিৰিয়ে বুৰাটো পাচত কয় গাংটো আগত কয় মানে 'গাং বুৰা' (গাওঁ বুঢ়া) কব লাগিব। সেইদৰে বু মানে 'মূ' (মূৰ) পাক মানে শ অৰ্থাৎ মূ চ (মূৰ শৰ) বা গিৰিয়া শতক শতক গিৰিয়া। এৰা এই শব্দকিটামতেটো অৰ্থাৎ আমাৰ তাই বিলাকৰ মূখত দেখোন শতক শব্দটো 'শই' আৰু গিৰিয়া শব্দটো 'কিয়া' হে মুখত ওলাই অৰ্থাৎ শইকীয়া চই কিয়া উচ্চাৰণ হয়গৈ। এনেদৰে কলেও অৱশ্যে থানগিৰিসকলে বুজিব। এৰা 'ৰু পাকক আমি থনগিৰি বিলাকক বুজাবলৈ হ'লে চই -কি-য়া (শইকীয়া) বুলিয়েই কম। আকৌ আমাক চাওফা বুজাবলৈ থানগিৰিক ক'ব লাগিব সংস্কৃত ভাষাৰ। আমাৰ তাই ভাষাত চাও মানে ৰজাক ঈশ্বৰ বা দেৱতা বুজায় আৰু ফা মানে চ' ৰক (স্বৰ্গ) বুজায়, গতিকে 'দেও চ' ৰক কিন্তু থানগিৰিয়ে আকৌ ওলোটাকৈ কয় বাবে তেওঁলোকৰ বাবে 'চ'ৰক দেও বা 'হ্ ৰক দেও কব লাগিব।

মোৰ মুখত ফুটা নাই ভালদৰে। এজন থানগিৰিক মাতিব লাগিল।

"কোৱাচোন থানগিৰি, 'চ' ৰক দেও'ক তোমালোকে কিদৰে উচ্চাৰণ কৰিবা।" ছুকাফাই সুধিলে।

থানগিৰি লিকচৌ জনে আঠু কাঢ়ি সেৱা কৰি আঠুলৈয়েই ছুকাফাক কলে-"মই বন্দীয়ে কৈছোঁ দোষ নধৰিব। চাওফা আমাৰ ভাষাত অৰ্থাৎ ভাটিৰ ফালৰ পৰা অহা ভাষাটোত আমাৰ মাজত স্বৰগ দেৱতা স্বৰ্গ দেও বুলিহে উচ্চাৰণ হ'ব।"

"এৰা। বুজিলো, তোমালোকে চাও ফা বুলি ক'ব নোৱাৰিলে অৰ্থাৎ মুখত নাহিলে, তোমালোকে নিজৰ মাজত কি বুলি কৈছিলা-

'স্বৰ্গ দেও'

"অ সেই বুলিয়েই ক'বা। মোৰ মুখত শব্দটো নাহেই। হ'ব আমিও লাহে লাহে তোমালোকৰ লগত কথা বতৰা পাতি এনে ভাটিয়লী ভাষা শিকিম-"

ম্যুং দুন চুন খাম।

এখন দেশ হ'ল। সুজলা সুফলা দেশ। দয় কাও ৰং নং য়াঙৰ পৰা নাম দিখৌ নাম চাওলৈ দয় খাং নগা পাহাৰৰ পৰা দয় পাংদিন খামমিৰি দয় খাং আ বন (আবৰ) নাম খাম তিমা নাম চু বান চি ৰি (সোৱনশিৰি) লৈকে আমাৰ সোণ খামৰ বাগান চুন খাম সোণৰ বাৰী। মে নাম তি লাও, মে নাম জিন আদি নদ নদী বৈ গৈছে এই দেশৰ মাজেৰে। সাৰুৱা ভূমি। এদিন মহেৰে হালবাই ৰোৱা গোছ দিলেই ধান হয়, ঘৰে প্ৰতি দুই তিনিটা ধানৰ ভঁৰাল। সৰিয়হ মাটিমাহ, কঁপাহ, চোম গছ, এৰা গছ, মেজাংকৰি, নুনি গছ, কেছেৰু গছ, দীঘলতি , শোৱালু হেঙালু আদি বহু গছ লহপহকৈ বাঢ়ে। নাহৰ, কঠাল, আম, জামুক বহু ফলমূলৰ গছ ফল ভৰি ভৰি লাগে। হাবিত বনৰীয়া শাক, ফুল ফলেৰে উভৈনদী হৈ ভৰি থাকে। জীব জন্তু পশু পখী, কুদু, বৰল, মৌ আদি অসংখ্য আছে। ম্যুং লুঙতকৈ ইয়াত দেখিছো অসংখ্য আমৰলী। প্ৰতি সাঁজতেই খাব পাৰি মুঠি মুঠি আমৰলী টোপ। অসংখ্য মাছ পুথি পোৱা যায় খাল দোং নদ নদী বিলত। অভাৱ নাই। থানগিৰি মানুহো ভাল। সুখে শান্তিৰে খাব শুব বিচাৰে। নাই দ্বন নাই কাজিয়া নাই হাই। কঁপাহী তাও কাপোৰ, এৰি কাপোৰ, উৎপাদনো হয় অনেক। আদা হালধী খিং খাও মিন কল কুঞ্জি, ঢকীয়া ফাক কুত, লাই ফাক কাত আদি অসংখ্য খেতি হয়।

চৌবিশ

দেশৰ ৰাইজৰ সকলো তাই পিনং থানগিৰি পৰজা পাই ক লিক খা লিক খি, লিক ৰা লিক ৰি খা তাই লাই সকলোৰেই মংগল আৰু আয়ুষ বৃদ্ধি শক্তি আহৰনৰ বাবে ছ্যুকাফাই ম'লিক ম' লাই, ম' চাম চাই সকলৰ লগত আলোচনা বিলোচনা ৰং কান প্লং কান কৰি আয়ুষ তোলা উৎসৱ ৰিক খুন ম্যুং খুনৰ আয়োজন কৰিলে। ম্যুং মাও লুঙতো ককায়েক চাওফা ছ্যুখানফাই এই ৰিক খুন ম্যুং খুন উৎসৱ অনুষ্ঠিত কৰিলে। ভাতৃ ছ্যুকাফাৰ দেশৰ পৰা ইমানবোৰ উপহাৰ পঠাইছে। তেওঁৰ দৰেই দেশতো ৰিকখুন মহা ধুমধামেৰে পতা হ'ল। বহু হেজাৰ মানুহে ঢোল মৃদং তাল কাঁহৰ ঘন্টা, সুঁতলি, পি বজাই তাই দেৱতাৰ তুতি কৰি নৈৰ পৰা পানী তুলিবলৈ গ'ল। লগত নিছে এশখন কল পটুৱাৰ দোলা। না না ফুলেৰে সজাইছিল এই দোলাবোৰ। দুজন দুজন সুন্দৰ গুনাবছা ফুল লগা কলা চোলা কলা দীঘল পটলুং পিন্ধা ফুলাম জাপী মুৰত লোৱা বাও ডেকাই দোলাবোৰ কঢ়িয়াই নিছিল। দোলাবোৰৰ কাষে কাষে পাঁচশ জনী ষোল্ল বছৰীয়া ছেং নাং গাভৰুৱে

কলা, ৰঙা, হালধীয়া নীলা সেউজীয়া কজলা ৰঙৰ মেখেলা ফা চিইন, গাত ভিঙিৰ পৰা ককাললৈকে ঢকা ফা চ্যু চাপকন চোলা মূৰত চুলি ওপৰলৈ জোঙাকৈ বান্ধি চুলিখোপাৰ চাৰিওফালে ফুলৰ মালা মেৰিয়াই গাত বাও কান্ধৰ পৰা কঁকালৰ সোঁফালে বগা চাদৰ ফা মাই মেৰিয়াই লৈ কঁকালত এমুঠন ৰঙা দুবুৰা বচা চাই চিন বা লাং বাত কাপোৰ (ঠেক ৰিহা) মেৰিয়াই, পিঠিত বেতৰ হোৰা সোঁ কান্ধেৰে ওলমাই ঢোল তালৰ মাজে মাজে নৈলৈ যাত্ৰা কৰিছিল। নৈত জাকৈৰে মাছ মাৰিলে এশজনী গাভৰুৱে। যি পালে দোলাত উঠালে। মাছ, শেলাই, পুনি, পানিকলা আদি পানীৰ তলত গজা গছৰ্বন, পোক-পৰুৱা নিংকৰী আদি। পানীত বনোৱা।

এৱা সুতা মেৰিয়াই নিয়া উঘা ঘুৰাই ঘুৰাই পাঁচজনী ছোৱালীয়ে নৈৰ পৰা সুতা ওলিয়াই কিকখুন পতা ৰৌন ৰিক খুন আৰু ৰৌন চাও ছেঙলৈ আনি আঠ পাক ঘুৰালেহি। দোলাত যি পালে ঘৰলৈ সকলোৱে কৌপাত, কলপাত, কচুপাত, গছপাত আদিত বান্ধি লৈ গ'ল।

পানীৰ পৰা মানুহৰ হেৰাই যোৱা শক্তি খুনবোৰ তুলি অনা হ'ল। পানী নাদ, গভীৰ পানী য'তেই নাথাকক খুন শক্তি মানুহৰ দেশৰ জীৱনী শক্তি প্ৰাণ শক্তি খুন বোৰ জাকৈৰে মন্ত্ৰেৰে গীতেৰে ঢোলে দগৰে তুলি আনিলে আয়ুষবোৰ তুলি আনি দেশৰ লাক ম্যুং দেশৰ মূল ছে লুং বৰনগৰত ৰাখিলেহি যাতে দেশৰ মানুহৰ শক্তি প্ৰাণ শক্তি বৃদ্ধিয়ে দেশখন মানুহবোৰৰ উন্নতি হয়, ধনে ধানে মানুহে জীৱ জন্তুয়ে নদন বদন হয়।

ৰিক খুন ম্যুং খনলৈ তিপাম লাখেন তেনচা, ম্যুং আইতন, ম্যুং খামজাং, ম্যুং ফাকে, চে ৰিন, হাবুং আদি সকলোৰ পৰাই বিশেষ বিশেষ লোক প্ৰতিনিধি হিচাবে আহিছিল। তদুপৰি ফুকিন ম্যুং সকলো আহিছিল।

এই দুৰণীবটীয়া লোক সকলে চে লুং চেতাম দয় ফীত কেইদিনমান ঘুৰা ঘুৰি কৰি আলহী দোলহী খাই আনন্দ কৰিলে। ফুকিন ম্যুং, থাও ম্যুং আদি ডাঙৰ ডা-ডাঙৰীয়া সকলৰ সৈতে ছুকাফাই দেশ পৰিচালনাৰ বিষয়ে সকলো কথা আলোচনা কৰিলে। ছুকাফাই সকলোকে ক'লে, "চোৱা পিনং খাও তাং লাই, আমি বহু কষ্ট কৰি বহু দুৰ বহুদিন ধৰি খেতি খোলা কৰি মাটি ভাঙি আহি দেশ গঢ়িলোঁ। থানগিৰিয়া সকলৰ লগত আমি মিলি জুলি আছোঁ। থানগিৰিসকলেও আমাক দেও হেন আহাম বায় হেন পায় আমাৰ লগতেই মিলি খাব শুব বিচাৰিছে। তেওঁলোককো শালি খেতি কৰা বাৰী পতা, কাপোৰ পিন্ধা আমাৰ ৰীতি নীতি আমাৰ পূবৰ আচাৰ নীতি, কথা বতৰা শিকাই বুজাই লবা। থানগিৰিসকলো বৰ কামিলা পাকৈত মানুহ। তদুপৰি তেওঁলোক সহজ সৰল, আওপকীয়া ওলোটা কথা নাজানে আৰু তেনে কথা ভালো নাপায়। সইত সইত কথাকৈ

সইত পোন কথা পোন কামেৰেহে তেওঁলোকৰ মন জিনিব পাৰিবা। আমাৰো মাত দিবা তেওঁলোকৰো লবা। অৱশ্যে তেওঁলোকৰো নিজা ৰীতি নীতি মাত কথা খাম (ভাষা) চলাই থকাত বাধা নিদিবা। তেওঁলোকৰো নিজ মাত নিজ কাণ্ঠা চলাব পৰা অধিকাৰ আছে। মানুহ আমি তেজ মঙহৰ মানুহ। অতীততে একেই ফা তু চিং ফ্রং হুঙৰ পৰা অহা মানুহ তাকে কোনোবাই কয় মান্দি, মানসৈ, তানি মূল দেৱতাৰো নাম ভিন্ন। কিন্তু একেই অতীত। সকলোকে সমভাবে লবা।

দেশখন ভালকৈ চলাবা। কোনো ম্যুঙৰ ফুকিন ম্যুঙে দন হাই নকৰিবা। কিবা আউল লাগিলে জঁটবোৰ মিলা মিছা কথা বতৰা ৰং কান প্লং কান কৰি ভাঙিবা। ফাতু চিঙে সহায় কৰিব। আমাৰ পুলিন পুথাও ল্যেংদনে খুন লুং খুন লাইক কোৱা কথাবোৰ বুৰঞ্জীত লিখা আছে। এই সইত বানীবোৰ নাপাহৰিবা। কাম কৰিবা। আই মে মাতৃ দিন মাটি পিথপি (পৃথিৱী)ক সেৱা কৰিবা-সোন গুটি খাও বোৰ ধানবোৰৰ সঁচ কন কঠীয়া নামাৰিবা। জীম মৌ কালৰ পৰা চলি অহা কন কঠীয়া তেজৰ সোঁত হেৰাই নেপেলাবা। নিজক পাহৰি নেযাবা। পৰক আদৰিলেও নিজক নিঘিনাবা। নিজ ৰীতি নিজ কাণ্ঠা নিজ মাত নিজ ভাত নিজ কথা নিজ মাত পাহৰিলে কাউৰীৰ মাজত ম'ৰা চৰাই হ'বা। কাউৰীয়ে খুটি খুটি মাৰিব। পুলিন পুথাওৰ বুৰঞ্জীৰ কথা ম'লিক মলাই মচাম মচাইৰ কথাবোৰ মানিবা। ইকৰা মুঠি হৈ থাকিলে কোনেও একো কৰিব নোৱাৰাৰ দৰে তোমালোকো একমুঠি হৈ থাকিবা। চে হুং ছেং বান দুন বান থাকে মানে ফানতাই তাই জাতি বাচি থাকিব। মাথো তোমালোকৰ খুনবোৰ জাগ্ৰত কৰি ৰাখিবা। পুলিন পুমনৰ দামবোৰ মৃতক দেও সকলৰ লগত নেদেখা ঠাইৰ লগত তোমালোকৰ খ্ৱন ছেংবোৰ নিচিগা সূতাৰে শিকলিৰ দৰে বান্ধি ৰাখিবা। তেওঁলোকে দাম ফী সকলে তোমালোকক জনমিং আৰ্শীবাদ দি থাকিব, বিপদত হাত মেলি ধৰিব।

শত্ৰুৰ প্ৰতি সদা জাগ্ৰত থাকিবা। দেশ গঢ়া টান, দেশ ধ্বংশ হ'বলৈ এক পৰো নালাগে। দেশ থাকিলেহে তোমালোকে থাকিবা লুক লান মান নাতি পুতিবোৰ জীয়াই থাকিব। দেশ মৰিলে নাতি পুতিও মৰিব। হেৰাই যাব ৰাই চি ম্যুং ৰাই চি কুন ৰাই চি লান হেৰাই যাব কালৰ বুকুত। নাথাকিব চিন মোকাম কোন কৰ পৰা আহিছিল কোন আছিল কোনে গঢ়িছিল ম্যুং দুন চুন খাম। থানগিৰিয়া তোমালোক ফান তাই সকলো ৰাচিব লাগিব এই পিথবিত, ম্যুং দুন চুন খাম সোনহৈ খাম হৈ ৰূপ হৈ ঙেন হৈ দয় খামৰ দৰে সোণীয়া পাহাৰৰ দৰে জিলিকি থাকিব লাগিব। জিলিকি থাকিব লাগিব দয় ছে ৰাই, ছেলুং চেখাম সোনৰ নগৰী বৰ নগৰী ভৰি থাকিব লাগিব সোন গুটি উঁৰাল বোৰ জী খাও খামবোৰ। আইফালান, পুজাকজী, পু চিং ফা, যা চিং ফা চিং খাম,খুন থেও এক্লেউ

লাংকুৰি, খুন ফ্া খাম চাও ফা ফেত ফা নু বু লেংদন সকলোৱে ওপৰৰ পৰা চৰাইৰ পাখিৰে পোৱালীবোৰক ছাঁ দি ঢাকি ৰখাৰ দৰে ঢাকি ৰাখিব লাগিব, ৰক্ষা কৰিব। জীম ম মাও ম পুৰনি কাল নতুন কাল সূত্ৰেৰে বান্ধি খ্বন সজীৱ কৰি ৰাখিবা।

মোৰ দিনবোৰ লয় লয় লাহে লাহে বাগৰি গৈছে। মোৰ বয়সো বাই বান ভাটি দিছে। বেলি উঠি অহাৰ দৰে জোৰ্তিময় লুক লান মান নাতি পুতিবোৰ আয়ুষ খ্বন বৃদ্ধি হওঁক আয়ু চুলি বাঢ়ক, নাম তিলাওৰ দৰে বৈ থাকক পানীবোৰ অচিন্ন ধাৰেৰে।

মোৰ মৰমৰ ফু কিন ম্যুং সকল শক্তি বৃদ্ধি লাহে লাহে মৰমেৰে দেশৰ সীমা বহলাবা, ৰন পাৰিলে এৰাই চলিবা। প্ৰয়োজন হলেহে ৰন দিবা। মানুহ বাঢ়িব, দেশো বহলাবা। থানগিৰিকো থাকিব দিবা তোমালোকো থাকিবা।

ছুকাফাই ম্যুং দুন চুন খামৰ চাৰিও দিশৰ বু ম্যুং লা ম্যুং বান ওক বান তুকৰ খাও খাম বা বাতৰি ললে। সকলো সুন্দৰ সুস্থিৰ ভাৱে চলিছে বুলি তেওঁ উমান পাই ৰঙীয়াল হ'ল।

ছুকাফাই চুম ফ্ৰা বুম ছেং ম্যুঙৰ বৌনৰ ফালে গ'ল। চোম চিৰিঙক মাতিলে। বৌন ছেঙৰ দুৱাৰ খুলি দিলে। কেৰেককৈ শব্দ এটা কৰি দুৱাৰ খোল খালে। ছুকাফাই সেৱা এটা কৰি চুম ছেং বৌনৰ ভিতৰলৈ সুমাই গ'ল।

চুম ছেঙৰ বাকচটো ৰজাৰ বাহিৰে আনে কোনেও খুলিব নাপায় চাব নাপায়। সেয়ে চোম চিৰিঙেও নাচালে। বাকচটোৰ তলা চাবি খুলিলে ছুকাফাই লাহেকৈ চাও নু বু লৈ সেৱা ,টা কৰি চোমছেঙক চুই চালে। চকু দুটা মুদি চাও নু বু লৈ ওলগ জনাই ওপৰলৈ চাই চোমছেঙক দুই হাতেৰে দাঙি আনি মুৰৰ ওপৰত লৈ আঠু লৈ ধ্যানত নিমগ্ন হ'ল। বহু সময় ধ্যানস্থ হ'ল। সাৰ সুৰ নাই। চাৰিওফালে নিৰ্জ্জন নিতাল। ছে লুং ছে খাম যেন নিজম পৰিল। যেন তেতিয়া মাজনিশাহে।

'হে মোৰ চোম ছেং দেও, চোম ফ্ৰা ছেং তুমি আমাৰ ফ্ৰা ছেং, বুম ছেং ম্যুং, ম্যুং ছেং, তোমাৰ নিচিনা পবিত্ৰ ঐন্দ্ৰজালিক ৰহস্যময়ী শক্তিৰ অধিকাৰী মই, তাহানি হেজাৰ বছৰৰো পূৰ্বৰ চাও দা খামে উত্তৰৰ বু ম্যুংঙৰ ম্যুং দয় মক দন কুঁৱলীৰে ঢকা ৰহস্যময়ী পাহাৰৰ ওপৰৰ সমতল ৰাজ্যৰ দেৱতা সকলৰ পৰা অনা চোম ছেঙ ময়ো পাইছোঁ। সেয়েই ময়ো তোমাৰ বাবেই ৰাজশক্তিৰ অধিকাৰী আজি হাতত মোৰ ছেং দণ্ড। তুমি তুষ্ট হ'বা। তুমি অমাৰ দেশৰ পৰা হেৰাই নাযাবা। তুমি হেৰাই গ'লেই ম্যুং দুন চুন খামৰ ছেং হেৰাব। দেশৰ ধৰণী কঁপিব। লাক ম্যুং দেশৰ ধৰণী খুটা হেৰাব। ছেং দেও নাইকীয়া হ'ব। তুমি আমাক নেৰিবা। তোমাক শত শতবাৰ খুপ বাই কৰিছো আমাক নেৰিবা। ম্যুং দুন চুন খামৰ ছেং যেন চন্দ্ৰ সূৰ্য দুন বান থাকে মানে জীৱিত হৈ থাকে।

পচপন্ন

হাতী খাম ক ম্যুঙৰ পিঠিত উঠি ছ্যুকাফাই চেঁ লুং ছে খামৰ চৌদিশে ঘূৰিলে। জিলিকা নগৰ দেখি তেওঁৰ মন আনন্দিত হৈ উঠিল। অদূৰত সৌৰা সোণ গুটিৰ দৰে জিলিকা ধানৰ পথাৰ না খাও বোৰ। না না ৰঙী চৰাই পখিলাবোৰে মনৰ উলাহত নাচিছে বাগিছে উৰিছে গাইছে। বগা চপৰা চপৰ ডাৱৰবোৰ সোণ গুটিবোৰৰ ওপৰেদি দূৰৰ নীলা পাহাৰ বোৰৰ ওপৰত চুমা খাইছেগৈ। আবেলিৰ ৰঙচুৱা বেলিৰ কিৰণত নীলা পাহাৰৰ কাষত চটা চট হৈ জিলিকি উঠিল সোণীয়া না খাও পথাৰবোৰ। সোণীয়া পথাৰৰ মাজত ৰঙা হালধীয়া কাপোৰ পিন্ধা পিনং তাই ছেং নাং গাভৰু হঁত আৰু দুই এক থানগিৰিয়া।

বান চাং মাই বৰাহী খা লাওলৈ গ'ল। দেখিলে ছ্যুকাফাই। খা লাং থানগিৰিয়া বৰাহী চাং মাইসকলে তাই চাং মাই সকলৰ লগত একেলগে সাজিছে না না তৰহৰ চৰাই, বাঘ, ভালুক, সিংহ, পাখীলগা সিংহ ঙাও ছেঙৰ অগনন কাঠৰ মূৰ্তি। দুই একে সৰ্পাকৃতিৰ পাখিলগা দীঘলীয়া মূতি, দুই একে পাখি লগা ঘোঁৰা মা লুম বিন, দুই একে পাখিলগা মূৰত কপালী লগা নুক ক বুন ছেং (গৰুড় পখী), দুই জিভা মেলা দুই এক দেও ফী, দুই একে কুলা থাম মাৰ (হিন্দু ধৰ্ম) লাওগ্ৰীৰ নিচিনা দেও মূৰ্তি ফাৰ্ মা (ব্ৰহ্মা), দুই একে সাজিছে এক ধ্যানৰ আসনত বহা খ্রু বু ফা বুত থা চি কিয়া ফ্ৰা আদি না না কাঠৰ মূৰ্তি।

ছ্যুকাফাই বু চাং মাই ক ওচৰলৈ মাতি ক'লে "চাও বু চাংমাই, তুমিয়েই ম্যুং মাও লুঙৰ পৰা মোৰ লগত অহা বাঢ়ৈৰ মূল লোক চাও বু চাং মাই। তোমাৰ অনেক জ্ঞান আছে। আহা মোৰ ওচৰলৈ আহা। ভয় নাখাবা।"

চাও বু চাংমাইৰ বুকুত কঁপনি উঠিল। কিয়বা মাতিলে ওচৰলৈ স্বৰ্গৰ দেৱতাই স্বৰগ দেওয়ে। অথন্তে মিলিব নেকি মৰণ মোৰ। জানে বা কোনে মন স্বৰক দেওৰ। মহিমা অপাৰ, অবুজ, তাও চেঙৰ বল থকা সোণোৱালী গোমছেং পাখিলগা ঙু ছেং গোম ছেং লগা দীঘল চোলা পিন্ধা দেও।

ভয়ে ভয়ে কঁপি কঁপি তেওঁ ওচৰলৈ আহিল ছ্যুকাফাৰ। বাৰহাত দূৰৰ পৰাই আঠু লৈ মূৰ মাটিত পেলাই দুয়ো হাতৰ তলুৱা মাটিত পেলাই সেৱা খুপবাই কৰি ক'লে " কাটকেই বা মাৰকেই চৰক দেবে মই বান্দী খাক কওঁক যিবা মন যায়।"

ছ্যুকাফাই মুখ খন মেলি দি ডাঙৰকৈ হাঁহি এটা মাৰিলে। সৰ্বশক্তিমান চাওফা তাও ছেং চুমছেঙৰ শক্তিধাৰী ঙাও ছেঙৰ মহিমা থকা ছ্যুকাফাৰ হাঁহি দেখি বু চাংমাই থৰ থৰ কৈ কঁপিব ধৰিলে।

ছ্যুকাফাই গহীন হৈ ক'লে, "বু চাংমাই ডাঙৰীয়া। খুম ফাত গছৰ কাঠ আছেনে?"

"দেউতা ঈশ্বৰ।"

"খুম ফাত় গছৰ কাঠ মজুত আছেনে?"

সৰ্বনাশ। চাও ফা দেৱতাই খুম ফাত উৰিয়াম গছৰ কথা কিয়বা সুধিলে। এনে অসময়ত উৰিয়ামৰ কথা কিয়? অধিক ভয় আৰু শংকাত কঁপিব ধৰিলে মানুহটো।

ছ্যুকাফাই নিৰ্ভয় দি ক'লে, "বু চাংমাই ডাঙৰীয়া, ভয় নাখাবা। মোৰ বেলি লহিয়াইছে বান লাই লাই। মোৰ বাবে বুং দাম এটা বনোৱা। মোৰ বুং দামৰ সাজোন মই নিজেই চাব যাম।"

" চাওফা দেৱতা স্বৰ্গ দেৱে কি কৈছে এইবোৰ। হুক হুকাই কান্দিব ধৰিলে বু চাংমাইয়ে। কথাটোৰ ভু পাই ওচৰৰ কেবাজনো চাংমাইয়ে হুক হুকাই কান্দিব ধৰিলে।

ছ্যুকাফাই পুনৰাই ক'লে, "বেচি দিন পলম নকৰিবা। বনোৱা মই নিজেই চামহি।"

ছ্যুকাফা খাম ম্যুঙৰ পিঠিত উঠি আঁতৰি গ'ল।

চাংমাই সকল চৰক পৰা মানুহৰ দৰে শিলৰ দৰে থিৰ হৈ ৰৈ থাকিল।

চাম্প্ৰন্ন

থাও ম্যুং আহি ছ্যুকাফাৰ ওচৰ পালেহি। সুন্দৰকৈ সজোৱা তামুলী পীৰাত বহি আছে ছ্যুকাফা। চাও লুং ছ্যুকাফা।

"থাও ম্যুং ছেং কন, তোমাক দিয়া দায়িত্ব চুন তুন কুঞ্চি কাচি কলা (গচিকলা খাট) বাৰী খন সম্পূৰ্ণ সজালা নে?

"হয় চাওফা দেউতা। সজালো সকলো কলগছ ৰোৱা হ'ল। সকলো বিধৰ কলেই তাত ৰোৱা হ'ল।"

এৰা চুন তুন কুঞিঙ খন ৰাখিবা ছেং দেও সকলৰ পূজাৰ বাবে। চে লুঙ চেৰাই দয়ৰ সকলো দেওপূজাৰ কাম তাৰেই চলাবা। তাৰ বাবে কল, কঠাল, ব্লক চিংফা, তং চিং সকলো গছ বন ৰুই লবা।

"মোৰ পিতৃ কৰ্মৰ বাবে আৰু ময়ো মৰাৰ পিচত মোৰ পুত্ৰই মোৰ কৰ্ম কৰিবৰ বাবে না খাও নেউ বৰা খোৰা পথাৰ খাটখন ব্যৱহাৰ কৰিবা তাত খাও ঞেউ ধান বৰ ভাল হয়। আৰু বৰ্তমান মোৰ ৰাজপৰিয়াল চলিবৰ দিন দাম (এঙেৰা খাট) চুন খন ৰাখিবা। তাতেই য'ত যি লাগে বাৰীখন পাতিবা। আমাৰ বোপাককাৰ দিনৰ পৰা বাৰীত যি ৰাখে যি বাৰী পতা নিয়ম তেনেকৈ পাতিবা। সেইবোৰ চাবৰ বাবে বেলেগে বেলেগে ফু হান চুন পাতি দিবা। মানুহ পাই থিক কৰা। জনা জনা মানুহ চাই পাই বনাই দিবা। মোক সকলো কথা জনাবাহি।"

"যিবা আদেশ চাওফা দেউতা ঈশ্বৰ।"

থাও ম্যুং নিজৰ কাম পুৰা কৰিবৰ বাবে ৰাজচ'ৰাৰ বাহিৰ ওলাই গ'ল।

চেওখামে খবৰ দিয়ামতে চাও ফ্ৰং ম্যুং (বুঢ়াগোহাঞি) থাও ম্যুং ক্লিং লুন মাং ৰাই ডাঙৰীয়া ছুকাফাৰ ওচৰ পালেহি। ছুকাফাৰ আসনতকৈ কিছু চাপৰ এখন তামুলী পীৰাত চাও ফ্ৰং ম্যুং থাও ম্যুং ক্লিং লু ন মাং ৰাই বহিল।

ছু কাফা আৰু চাও ফ্ৰং ম্যুঙে লত খাম লাও চ'লাও চ' খাম কথা বতৰা পাতে।

"মাননীয় চাও ফ্ৰং ম্যুং ডাঙৰীয়া, আমি অ'তখন কষ্ট কৰি দেশ গঢ়িলোঁ। সময় উকলিবৰ হৈছেহি। আপোনাৰো কমেও চেত চিপ বছৰ ৭০ মান হ'ল নিশ্চয়।" ছুকাফাই ক'লে।

"হয় খ্ৰুপ চাই। চাওফা দেউতা। কাও খাৰ বয়স পি চেত চিপ পেত ৭৮ হৈছেহি। আৰু বেচি দিন নাই যেন লাগিছে।" চাও ফ্ৰং ম্যুঙে উত্তৰ দিলে।

"আপোনাৰ পুত্ৰ খুন থাও বু বুৰ বাতৰি কেনে? তেওঁ ভালেৰে আছেনে?

"আছে চাওফা দেউতা। তাৰো প্ৰায় হা চিপ হা বছৰমান ৫৫ হ'লহি। তাৰো পাচটি লৰাও হ'ল। ডাঙৰটোৱে নামৰূকৰ ফালে গৈ চুন পাম খাই আছেগৈ। পামখন ডাঙৰ হৈছে। থাও বু বুয়েও মোৰ চুনখনতেই একাংশ লৈ খেতি খোলা কৰিছে আৰু মোৰ পাই চোৰা চিতা মোৰ কাম খিনি সিয়েই চাই আছে। যুদ্ধ শিক্ষা, লিখা পঢ়া সকলো শিক্ষাতে সি পাৰ্গত হ'ল। খাম কুলা (সংস্কৃত) ভাষা সি শিকিলে। কথাবোৰ ভালকৈ ক'ব পাৰে।"

"মই ভাবিছো মই দেশৰ পৰা চিৰদিনৰ বাবে হেৰাই যোৱাৰ আগে আগে থাও বু বুক কিছু উপদেশ দি যাব লাগিব। কিয়নো আপোনাৰ পিচত সিয়েই ম্যুং দুন চুন খামৰ

ম্যুং লুঙৰ চাও ফ্রং ম্যুং প্রধান মন্ত্রী হ'ব লাগিব। তাৰ ওপৰতেই মোৰো ভৰষা। সেইদৰে মই ভাবিছোঁ তিপামৰ পৰা চাও থাও লুং কানগুনৰ পুত্র চাও বিনকো মাতি আনি কথাবোৰ কৈ যাব লাগিব। এৰা সিওতো কান গুনৰ পাচত চাও থাও লুং বাব লব লাগিব। দেশ চলোবাৰ মুল মানুহ দুটা থাও বু বু আৰু চাও বিনেই হ'বগৈ লাগিব।"

আপোনাৰ ইচ্ছা পূৰণ কৰিম। মই সিহঁতক আপোনাৰ ওচৰলৈ পঠাম।

ছ্যুকাফাই চাও ফ্রং ম্যুঙৰ লগত আলোচনাত বহি থাকেতেই বৰ পুতেক ত্যাও ছেঙক চেও খামৰ হতুৱাই মতাই আনি দেশৰ দায়িত্বৰ কথা বহুপৰ বুজালে। ত্যাও ছেঙৰো বয়স হা চিপ পাৰ(৫০) হ'ল। দেউতাকৰ লগত দেশৰ কাম কৰোঁতে অৱশ্যে সিও কামত পাকৈত হৈ আছে। যুদ্ধ কৰা, নাওবোৱা, হাতী চলোবা, ঘোঁৰা চলোবা, তথা লিখা পঢ়া থানগিৰিৰ ভাষা সকলোবোৰ শিকিলে। ত্যাও ছেঙৰ বৰ পুতেকো প্রায় চাম চিপৰ ত্রিশৰ পাৰ হ'ল। ছ্যুকাফাৰ নাতিৰেই বয়স হ'লগৈ ত্রিশ। ছ্যুকাফাৰ বয়স সাতসত্তৰ চেত চিপ চেত বছৰ হ'লহি। সৌমাৰত পাৰ হ'ল চয়ত্রিশ চাম চিপ বুক বছৰ। ছ্যুকাফাৰ গা মন ৰাই জাই কৰিব ধৰিলে। কু মু কু বান প্রতিদিনেই তেওঁ সমাজিক দেখিবলৈ ধৰিলে। আন্ধাৰত সোণৰ দৰে জিলিকি থকা অসংখ্য ডালপাতযুক্ত তুন বুং ৰাই খা বুং ৰাই গছৰ তলত ৰূপৰ চাঙত বহি পু ফী ছ্যু দেৱে তেওঁলৈ চাই থাকে অপলক নেত্রে। মাজে মাজে হাত এখন ওপৰলৈ দাঙি তেওঁৰ ফালে টোৱাই দিয়ে। তেওঁৰ গাৰ পৰা ওলোৱা জ্যোতিৰ ৰেঙনিবোৰে ছ্যুকাফাৰ গাত পৰি ছ্যুকাফাক ওপৰলৈ ডাঙি লৈ যায়। তেওঁ বগা কন ফা ফুক আকাশৰ দয় ঙিন দয় খাম ৰূপ সোণৰ এখন ঠাইত পৰেগৈ। কেতিয়াবা কেতিয়াবা সোণৰ গাড়ী এখনত লেংদনৰ নিচিনা সৌম্য ৰূপৰ পাখিলগা দেৱদূত আহি তেওঁক গাড়ীত উঠাই কনফা ফুক ম্যুং চি ছিং অর্থাৎ স্বৰগীয় বগা ধৱল জগতলৈ উৰাই লৈ যায়। ছ্যুকাফাই বুজিলে তেওঁৰ দিন চাপি আহিল।

ছ্যুকাফাই তেওঁ দেখা সকলো সপোন বৰৰাণী নাং আই মে চাও লুক ক'লে। নাং ফা লুং বৰৰাণী আইদেৱে নীৰৱে চকুলো টুকি চাওফা দেৱতাৰ ভৰিত সাৱটি ধৰি পৰি থাকিব ধৰিলে। উপায় নাই। নিয়তিৰ বিধান। দামৰ ঘৰলৈ এদিন সকলোৱে যাবই লাগিব।

ছ্যুকাফাই চাও ৰুং ফু কনক মাতি পঠালে। চাও চাং বুঙে এক বিশেষ চ' বৌন বনোৱাত ব্যস্ত হৈ আছিল। হৃথাতে ছ্যুকাফাৰ আদেশ পাই তৰা নৰা চিঙি ওলালহি।

"চাং ৰুং ফু কন দেৱ, তোমাক বৰ জৰুৰী কামত মাতিলোঁ। কথাটো তং কৰিছ্যই চাগে। মোৰ ৰাং কাঙত আবেলিৰ বেলি পৰিছে। সময় এতিয়া বাই বান। ফাই খাম আন্ধাৰ লৈ বেচি পৰ নাই। সৌৰা চোৰা থুন হাবিখনৰ সিপাৰে বেলিটো পৰোঁ পৰোঁ। মু

বান তুক। গতিকে চত খ্বন মোৰ বাবে কাৰং ৰুং দাম বনাবলৈ তোমাক পাচিলোঁ।

হঠাত এনে আচম্বিত নোহোৱা নোপজা কথা কোৱাৰ বাবে চাও ৰুং দেৱ হতভম্ব হৈ পৰিল। কিবা এটা ক'বলৈ বিচাৰিছিল চাও চাং ৰুং দেৱে। ছ্যুকাফাই ক'বলৈ নিদিলে।

"তোমালোকে আৰু মোক একো নকবা। মই ৰুং দাম বনাবলৈ দিলোঁৱেই। তুমি মোৰ দামৰ কাৰং বনোৱা। ম্যুং মাও লুঙৰ ফু চাং খাঙৰ কাৰং দামটোৰ দৰেই মোৰ ময় দামটো বনাবা। বিশহাত মান ওখ, পোন্ধৰহাত মান বহল বিশহাত মান দীঘল কোঠাটোৰ চাৰিওফালে চাৰিটা সৰু কোঠা কৰিবা। মোৰ বৌন দামলৈ সোমোৱাৰ বাটতে তলকৈ খাপ কাটি অন্য এক বৌন দামলৈ যাব পৰা বাট ৰাখিবা। চেলুং চেখামৰ বাহিৰত থকা তাম দয় ঢাপৰ পাহাৰ তিলাৰে এটা মোৰ দাম থবলৈ বাচি লবা। ভবিষ্যতেই চাওফাৰ দাম সকলক সেইফালেই ৰাখিব লাগিব। তোমাৰ জ্ঞানেৰে তুমি চাবা। দিন চি ইটা আৰু কাঠ দুয়োটাকে কামত লগাবা। কেবাটাও কাৰং ৰুং দাম হ'লে এই খন ঠাই ময় দাম হৈ পৰিব অৰ্থাৎ 'দামৰ ঠাই' হৈ পৰিব।

চাও চাং ৰুং ফুকনে চকু পানী টুকি টুকি চাওফা ছ্যুকাফাৰ চ'ৰাৰ পৰা বিদায় মাগিল।

কথা বুলিলেই বতাহ। ছ্যুকাফাৰ মনৰ কথা চে লুং চে খামততো বিয়পিলেই, চাৰিওফালে খাট, পাম, গাওঁ-ভূঁই, খাত পাম, বান না, ফাত ফাক সকলোতে বিয়পি গ'ল। মৰমৰ ৰজাজন যাৰ লগত কত বছৰ বাট কুৰি বাই সুদূৰ ম্যুং মাও লুং নাম মাও-শ্বেলী-ৰুইলীৰ পাৰৰ পৰা আহি তিলাওৰ উপত্যকাত ম্যুং দুন চুন খাম ম্যুং লুং বৰদেশ গঢ়িলেহি তেওঁৰ দিন চমু চপাৰ বাবে দেশৰ পৰা হেৰাই যাব বুলি অজান আশংকাত অন্তৰ কঁপি উঠিল। কিন্তু জনম ললে মৰিবই। নিয়তিৰ বিধান।

ছ্যুকাফাই এদিন হঠাৎ মাজনিশা সাৰ পাই উঠিল। নুক হঞ্জ ফেঁচা এজনীয়ে কাৰঙৰ ওপৰত পৰি নিউ নিউ কৰি আছে। দূৰৰ এজোপা গছত হুদু এজনীয়ে হুদু হুদু কৰি আছে। কলা মেকুৰী এটাই মিও মেও কৰিলে।

ছ্যুকাফাই বৰৰাণীক শুবাৰ পৰা উঠালে। বৰৰাণীক ক'লে গাটো ৰাই জাই কৰিছে। "মোৰ সময় হ'লহি। চকুৰে লাহে লাহে ধোঁৱা ধোঁৱা দেখিবলৈ ধৰিছোঁ। পানী এবাতি দিয়া।"

বৰৰাণীয়ে তাম তঙৰ পৰা এক বানবাতি নাম উন গৰম কৰি ঠাণ্ডা কৰা পানী পিবলৈ দিলে। নাম চুত কৰি ছ্যুকাফাই দামৰ খুটালে গৈ খুপবাই কৰি সেৱা জনালে।

"হে দাম চাও সকল, মোৰ সময় হৈ আহিছে। তোমালোকৰ আশীৰ্বাদ জনম্রিং খ্বনমিং লৈয়েই এনে এখন সুজলা সুফলা বৰ দেশ ম্যুং লুং তাই ম্যুং দুন চুন খাম

গঢ়িলোঁ। মোৰ দেশখন দেশৰ পৰজা পাই সকল, পিনং খেক তাং লাই গিয়াতি থানগিৰি সকলোকে ভালে কুশলে ৰাখিবা। মই ন বাৰ খুপবাই কৰি তোমালোকক সেৱা জনাইছোঁ। প্ৰতিখন ফুন (শৰাই)তে ব্লক ফুল দিছো লাং কুৰি লৈ তামোল চাউল, জান চাই হুওলৈ ব্লক ছেংফা ফুল তামোল, সেইদৰে লাৰেঙলৈও ফুল তামোল,লেংদনলৈও ব্লক ছেংফা, জা ছিং ফালৈও তামোল ফুল দিছোঁ। তোমালোকে সকলো তুষ্ট হোৱা। মোৰ দেশখন ম্যুং খন ৰক্ষা কৰিবা। মই বৰ কষ্টেৰে গঢ়া দেশ। সোণৰ দেশে হাচাম ম্যুং দুন চুন খাম।

চাও নু ৰু চাও কা ৰই
খুন থাও এেঙউ লাং কুৰি
প'ফী শ্ৰু মে ফী এেঙউ
তা ম্যুং বা ম্যুং শ্ৰু
তেও ফা বা ম্যুং এেঙউ
জিম মৌ ফুন দিন বৌ মি এৱা
ৰিন লুং তেক পিন চাও
ৰিন ক্লাং তেক পিন খুন
দয় ঙিন দয় খাম
মৌ হিত চাও
দয় ঙিন দয় খাম
মৌ হিত খুন
চাও নু ৰু চাও কা ৰই।

সাতদিন

ৰাতিপুৱা। চে লুং চে খামত ছুকাফাৰ বেমাৰ। কথাটো ৰজন জনাই গ'ল। ম যা সকল এজন এজনকৈ আহিছে। বিভিন্নজনে বিভিন্ন ঔষধ দিছে। কোনোবাই খোৱাই দিছে। কোনোবাই ঘঁহি দিছে। কোনোবাই জাৰি দিছে। বনৌষধ বিচৰাই বনৌষধ বিচাৰি চলাথ কৰিছে। ম'লিক ম'লাই সকলে পুথি পাঁজি মেলি চাইছে কিজানিবা কিবা ঔষধৰ সন্ধান পুৰণি পুথিত লিখা পায়েইবা। ম চাম ম চাই সকলে কোনোৱে বানছেং মাৰিছে, কোনোৱে লেংদনলৈ প্ৰাৰ্থনাৰ আয়োজন কৰিছে। নগৰৰ কোনে কোনে ৰৌন চাও ছেং

সমূহত ল্যেং লাকত এশ এখন চাকি জুলাই ফালুং বন্দনা কৰিবলৈ ধৰিলে, খাওতেক আখৈ আৰু ফুল চটিয়াই না না ফ্রা খাম ছিং লাও গাব ধৰিলে।

ছ্যুকাফাই দুপৰৰ আগে আগে বৰৰাণীক ক'লে বৰ পুতেক তেওঁ ছেং আৰু আটাইকেউটা পুতেকক মাতিবলৈ। ছ্যুকাফাই চকুৰে ভালদৰে নেদেখা হ'ল। লেহেতিয়াকৈ কোনোমতে মাতবাৰহে উলিয়াব পাৰিছে। তেওঁ ছেংওলৈ চাই কোনোমতে ক'লে, "মোৰ ছেং, বৰ কষ্টেৰে গঢ়িলো দেশ খন ম্যুং দুন চুন খাম। বোপাই দেশখন চলাবি। সকলো পৰজাকে সমানে চাবি। আমাৰ পিতৃ দেশক নাপাহৰিবি। অহা যোৱা কৰি থাকিবি। নিজৰ মাত নিজৰ ভাত নেপাহৰিবি। লা লা প্লাওত অপাৰ সাগৰত হেৰাই নাযাবি। লাক ম্যুঙৰ গুৰি জৰী ধৰি থাকিবি। পাচলৈও কৈ যাবি এইবোৰ কথা। বোপাই পৰজা সব লক কবি মই যাওঁগে।

ছ্যুকাফাই আৰু মাতিব নোৱাৰিলে। গাটো প্ৰায় অৱশ হৈ আহিল। ছ্যুকাফাৰ শয্যাৰ চাৰিওফালে চাও লুং, চাও ফ্রং ম্যুং ক্লিং লুং মাং ৰাই, থাও ম্যুং দুই এক, তিনিওগৰাকী ৰাণী আৰু বৰাহীৰ ৰাণী, মূল ম'য়া, ম' চাম, ম' চাই আৰু চাৰিটা পুতেক আহি ওচৰত থাকিলহি।

ছ্যুকাফাৰ চকুৰ পতা লৰ চৰ কৰাত অতিকে কষ্ট হ'ল। তেওঁ কোনোমতে উচ্চাৰণ কৰিলে

"ফ্রা ত্রা।"

বৰৰাণী নাং লুঙে চাও ফা ছ্যুকাফাক মাতিলে "চাওক চোন স্বৰ্গৰ দেৱ স্বামী দেৱতা। চকু মেলি চাওক। চিনি পাইছেনে?"

নাই সাৰ সুৰ নাই।

"প' চাও দেউতা, চাওক চোন, চিনি পাইছেনে?" সৰু পুতেক চাও চাইয়ে সুধিলে।

চকু মেলি চাব নোৱাৰিলে ছ্যুকাফাই। চতুৰ্থ সৰু পুতেক চাও চাইক আৰু বৰৰাণী নাং লুঙক ছ্যুকাফাই চাব নোৱাৰিলে। তেওঁ চিনিও নাপালে। য়াম মণ্ডটো নিজে নিজে বাজি উঠিল।

ঢং ঢং ঢং।

কংটোও বাজি উঠিল। হ'লুঙৰ বাতি কাঁহী বোৰো বাজি উঠিল। আকাশত এজাক কপৌ জৰ জৰকৈ উৰি যাব ধৰিলে। পাৰ চৰাই জাকো চে লুং চে খামৰ আকাশত অশান্ত হৈ উৰি ফুৰিব ধৰিলে। আকাশত মেঘ নথকা অৱস্থাতে যেন গিৰিং কৰি গৰ্জি উঠিল। এচাটি শীতল বতাহত যেন উজ্বল বগা কঁপাহৰ দৰে পোহৰত কুণ্ডলী পকাই নীলা আকাশলৈ উৰি গ'ল। হ'লুঙত কান্দোনৰ ৰোল উঠিল।

ম্যুং দুন চুন খামে দেশৰ ৰজা চাও লুং ছুকাফাক হেৰুৱালে। তেতিয়া লাকনি তাও ঙি বছৰ।

ছুকাফাদেৱৰ শটো সুন্দৰকৈ কাপোৰ কানি পিন্ধাই থ'লে। কিছুসময়ৰ পাচত মলুং ম চাম ম চাই সকলে না না মন্ত্ৰ আদি গাই মৃতকৰ দামৰ প্ৰতি মংগল কামনা কৰি মাহ হালধীৰে গা পা ধোৱাই ন কাপোৰ কানি পিন্ধাই ছুকাফাৰ মুখত এটা সোণৰ পইছা দিয়া হয়। সম্পূৰ্ণ এক ৰাজকীয় সাজো পিন্ধাই দিয়া হয়। কনা শিমলু আৰু বেঙেনাৰ ফুল আনি নাক আৰু চকু মুখৰ ওচৰত থোৱা হয়। শিতান আৰু পথানত ধূণা জ্বলাই দিয়া হ'ল।

ম লিক ম লাই ম চাম ম চাই সকলে ফা খাম চিং লাও গাই ধৰ্ম পুথি লিত লাই পাক পেঞ কাকা, লাই কু ম্যুং, পুন কু ম্যুং, লিত লাইতু আদি সুৰ লগাই পঢ়ি থাকিল।

বৰ ৰাণীকে ধৰি আটাই কিগৰাকী ৰাণী, পুত্ৰ চাৰিজন, নাতি বাৰজন, লিক খা লিক খি লিক ৰা লিকৰী, লিকচৌ, ফু পাততু, ৰাজঘৰৰ সকলো বন কৰা মানুহৰ মাজত কান্দোনৰ ৰোল উঠিল।

চাওফা ৰাই চি দাই। ৰজা হেৰাল।

ৰাতিটো ৰজা যে দেশৰ পৰা হেৰাল চে লুং চে খামত নজনোৱাকৈ থ'লে। যি ডা-ডাঙৰীয়াই জানিলে গোপনে ৰাখিলে। হেৰালেও ৰজা তেৱেঁই ছুকাফাই ৰজা।

ৰাতিয়েই ডা-ডাঙৰীয়া মন্ত্ৰী চাও ফ্ৰং ম্যুং, চাও থাও লুং সকলোৱে ৰং কান প্লং কান মন্ত্ৰণা কৰি ছুকাফাৰ বৰপুত্ৰ চাও আই ত্যেও ছেঙক ম্যুং দুন চুন খামৰ ৰজা পাতিলে। তেওঁক ৰজা পাতি চাওফা পাতি নাম দিয়া হ'ল ছু ত্যেও ফা। অৱশ্যে ৰাজসিংহাসনত বহোৱা উৎসৱ পাচত পতা হ'ব।

পাচদিনা ৰাতিপুৱা।

ছু ত্যেও ফা। ম্যুং দুন চুন খামৰ নতুন ৰজা। ছুকাফাৰ উত্তৰাধিকাৰী। ৰাতিপুৱাতেই চে লুং চে খাম চে ৰাই দয়ত প্ৰচাৰিত হ'ল। চাওফা ছুকাফাৰ মৃত্যু হোৱাৰ বাতৰি তেতিয়াহে প্ৰচাৰিত হ'ল মুকলি ভাবে।

চে লুং চে খামত তোলপাৰ লাগিল। চেনেহৰ ৰজা হেৰাল। পাচদিনাই গোটেই ম্যুং দুন চুন খামলৈ কথাটো বিয়পি গ'ল। চকুপানীৰে ম্যুং দুন চুন খামৰ প্ৰজাই বাট নেদেখা হ'ল।

শৱটো ৰহ ঘঁহি এক বিশেষ ঘৰ সাজি চাং বনাই ৰাখি থোৱা হ'ল। এমাহ নহয় দুমাহ নহয় তিনিমাহ। ঘৰটোত ৰাখি থোৱা হ'ল। ম্যুং দুন চুন খামৰ বিভিন্ন ঠাইৰ পৰা মানুহ আহি তেওঁলোকৰ মৰমৰ ৰজা চাওলুং ছুকাফাক চাই গৈ ফুল দি সেৱা কৰি

গ'লহি। দিনে ৰাতিয়ে পহৰা মৃত ৰজাৰ শৱৰ ওচৰত। ৰাতিও দিন যেন হৈ থাকে চাকিৰ পোহৰত।

এটা শুভ দিন চালে ম' লুঙে। দুক কাই ছেঙেৰেও কুকুৰা ঠেঙ উলিয়াই ঠেঙত খৰিকা সুমুৱাইও মংগল চালে।

শ জোৰা গায়নে বায়নে ঢোল দগৰ লৈ ইতিপূৰ্বে বনাই থোৱা আটক ধুনীয়া ময়দামলৈ ছুকাফাক উৰিয়াম গছৰ কাঠৰ ৰুং দামত ভৰাই ফুলেৰে সুশোভিত কৰি কান্ধত তুলি নি ভৰালেগৈ। লগত দিলে ছুকাফাৰ বাবে তেওঁ ব্যৱহাৰ কৰা সোণৰ খাট, ৰূপ লগোৱা তামুলী পীৰা, না না বস্ত্ৰ অলংকাৰ, শৰাই, কাঁহী বাতি পিকবান লোটা ঘটি বঁটা আদি অনেক বস্তু। কাষৰ চাৰিটা কোঠালীত সজাই দিলে বস্তুবোৰ। ছুকাফাক মাজৰ সুন্দৰকৈ সুসজ্জিত কোঠাত সোণৰ পালেঙত ৰুং দামেৰে সৈতে শুৱাই দিয়া হ'ল।

পালি পহৰীয়া লিগিৰা লিকচৌয়ে কেৱা বছৰলৈকে ছুকাফাৰ মৈদামৰ চাৰিওফালে এখন নগৰ বনাই পূৰ্বৰ দৰেই ৰখি থাকিল, সেৱা পূজা কৰি আলপৈচান ধৰিলে।

ছুকাফা চাওফা ছুকাফা চাও লুং ছুকাফা। মৰিও অমৰ চাও লুং ছুকাফা। ময়দামৰ পৰাই ছুকাফাই যেন মাত লগাই -মই সাৰে আছোঁ। তোমালোকো সাৰে থাকিবা।

-সমাপ্ত-

তাই	অসমীয়া
কা বৌন	- কাৰেং
কা ৰং	- কাৰেং
চাও লাই	- লাই খুটা, মৃতক বাস কৰা খুটা
থৌন খাম	- সোণৰ ৰাজসিংহাসন
ঙাও ছেং	- পাখিলগা সিংহ ড্রেগন
নাং ফা	- ৰাণী
লিক চাও	- লিক চৌ
পাত তু	- দুৱাৰ
বান ফাই	- চাকি
পুলিন পুমন	- আজোককা
খুপ ৰাই	- আঠুকাঢ়ি নমস্কাৰ কৰা।
ৰিং পি	- হেজাৰ বছৰ
জীম মু	- অতীত কাল
ৱি ল' ল	- চীন দেশৰ দক্ষিন অঞ্চলৰ দুটা জনগোষ্ঠী।
পিনং	- বঙহ, বংশৰ মানুহ
ব্লক	- ফুল,
নাং খুপ খাও	- আঁঠুকাঢ়ি ভৰি পাছলৈ দি বহা
লান	- নাতিয়েক
খামছিং	- প্রার্থনা
তুন ৰুং ৰাই	- বৰ গছ আঁহত গছ, লতা খা ৰুং ৰাই আদিয়ে পকাই থকা আঁহত গছ
খে	- চীনা
লাকনি	- বছৰ
য়া নাই	- এনাই, এনাইদেৱক
খ্রুপ খুন	- নমস্কাৰ, সেৱাহে
য়াম মং	- বৰ ঢাক
চুম ফ্রা ৰুং ছেং	- তাই সকলৰ (অহোম সকলৰো) বিশেষ ৰাজশক্তি থকা দেৱতা মূৰ্তি বিশেষ (বিশেষ মূল্যবান ধাতুৰে নির্মিত)
ম'লিক ম'লাই	- মুল পুৰহিত, পণ্ডিত
ফাচৌ	- পাগুৰি
খাও মাই লাম	- কুমলীয়া বাঁহৰ চুঙাৰ ভাত

তাই	অসমীয়া
ম' তঙ	- চৰু, ভাত সিজোৱা চৰু
খাও নাও, খাও নুং	- ৰৰাভাত বা আঠালগা ভাত
বান তুক	- পশ্চিম
বান অক	- পূব
দি দি	- ভাল ভাল
নং	- পুখুৰী, হ্রদ
থাও ম্যুং	- মন্ত্রী, গোহাঁই
বৈছালী	- বৈশালী, বুদ্ধৰ দেশ
লুক ঞিং ফুমে	- মতা-মাইকী তিৰী, ল'ৰা-ছোৱালী
বৈছালী	- বৈশালী, বুদ্ধৰ দেশ
লুক ঞিং ফুমে	- মতা-মাইকী তিৰী, ল'ৰা-ছোৱালী
নাম মাও	- ম্যুং মাও লুঙৰ নদী বৰ্তমানো তাই সকলে সেই নামেৰেই মাতে। চীনা সকলে ৰুইলী বাৰ্মীজ সকলে শ্বোৱেলী বা শ্বেলী বোলে।
পয়	- উৎসৱ
মাই 'ক' চুম ফাই	- মেজি জুই জ্বলোৱা উৎসৱ
ফাই	- জুই
মাই	- খৰি, বাঁহ
চাওফা	- ৰজা স্বৰ্গদেও
নাপছেং	- দেওলগা হেংদাং বা তৰোৱাল
ম'য়া	- বেজ জ্ঞানী মানুহ
পালাউং	- ম্যানমাৰৰ শ্বান প্রদেশ আৰু চীনৰ য়ুন্নানৰ একোটা তিবেতো বৰ্মান ভাষা থালৰ জনগোষ্ঠী
প্রাই, পাই	- মানুহৰ গোটৰ এজন
পাই ক'	- গোটৰ এজন সমান সমনীয়া বন্ধু-পাইক
কুন ক্লা	- হিন্দু মানুহ
ফাৰাং, ফাং	- বিদেশী
লু ফাং	- মুছলমান, বিদেশী

তাই	অসমীয়া
খাং	- নগা
খা কাং লাই	- মিছিং
খা	- তলতীয়া মানুহ
খিলিমি	- মিছিমি
চিংফলা ৰিংগাম	- চিংফৌ
খা মেন	- নগা বা অন্য কলা চালৰ জাতি
কং	- কাচিন, চিংফৌ
নামকিউ	- ইৰাৱতী নদী
মৰাণ	- চিংফৌ জাতিৰ মাজত থকা এটি খাল
মৰাণ	- অতীতৰ তাই সকলৰ এটি পুৰণি থাল বুলি তাই সকলে ভাবে
ম'তক	- অতীতৰ তাই সকলৰ লগৰ এটি পুৰণি তাই থাল বুলি তাই সকলে জ্ঞান কৰে
মৰান-মতক	- একেজাতৰ মানুহ বুলি তাই সকলে ভাবে
ফা চু	- চোলা
নামৰূক	- নামৰূপ
কুমু কুবান	- প্ৰতিদিন
বানছেং	- আহোম পদ্ধতিৰ মংগল চোৱা নিয়ম
ক্লং	- হিলৈ
শ্যাম	- তাই মানুহবোৰক ভাৰতৰ মানুহে সংস্কৃতি ভাষাৰে 'শ্যাম' বুলি কৈছিল- শ্যামৰ পৰাই চান, শ্বান, আহোম,শ্যামদেশ (থাইলেণ্ড) হৈছেগৈ।
দাম ফী	- মৃতক দেৱতা, 'মিতুক'
ম'লাম	- বনগীত

তাই	অসমীয়া
ম-খাম	- গীত
নামজিন	- বুঢ়ী দিহিং নদী
হ'লুং	- হোলোং, তাই সকলৰ ৰাজপ্ৰসাদ
চুত্যা	- চুতীয়া
চাও তিওৱা	- চুতীয়া
চৌতিয়া	- চুতীয়া
দিওৱা	- চুতীয়া
ডিমা	- বড়োজাতীয় মানুহ
খা ফী	- দেউৰী
দৈওৱা	- দেউৰী
কেছে	- মনিপুৰী মেইতেই (মাওতাই)
খা লাং	- বৰাহী
ডিমা ফিছা	- কছাৰী
তিমিছা	- ডিমাছা
চাম	- শ্যাম মানুহ-তাই হহ
পি	- বছৰ
পি লাকনি	- বছৰ
পাং দিন	- মিছিং
খে নাম তিমা	- সোৱনশিৰীলৈ
খে	- নদী
মেন দাম	- মন খমেৰ জাতীয় মানুহ (থাই অভিধানত লিখা মতে)
মে মুং মে বান	- গাওঁ দেশৰ মংগলৰ পূজা
ব্লছেংফা	- তং কৰা, চিন্তা কৰা
খাম কুলা	- সংস্কৃত ভাষা,
নাং লুঙ	- বৰবাণী
ক্লং	- ঢোল
ছেং	- তাল
ম্যুং	- দেশ, ৰাজ্য
চেলুং চেখাম	- ৰাজধানী
বুং দাম	- শব থোৱা বাকচ, কফিন
দুক কাই ছেং	- কুকুৰাৰ ঠেঙৰ হাড় উলিয়াই মংগল চোৱা